# তাই-আহোম জনগোষ্ঠী আৰু তাই পৰম্পৰা

OF ASSAM
DIRECTORATE OF

ড° ধীৰেন্দ্ৰ কুমাৰ গোহাঁই

অপৰূপা পাব্লিচিং হাউচ
দিশপুৰ

Tai-Ahom Janagosthi Aru Tai Parampara, written by Dr. Birendra Kumar Gohain, M.Sc, Ph.D, and published by Aparupa Publishing House, Dispur, Guwahati-6.

প্ৰকাশক ঃ
অপৰূপা পাব্লিচিং হাউচ
দিশপুৰ, গুৱাহাটী-৬

প্ৰথম প্ৰকাশ ঃ
২০০৯
লাইব্ৰেৰী এডিচন

মূল্য ঃ ৪২৫.০০ টকা

কম্পিউটাৰ গ্ৰাফিক ঃ
কল্পনা কম্পিউটাৰছ্
নুনমাটি, বাপুজীনগৰ, গুৱাহাটী-২০
দূৰভাষ ঃ ৯৮৫৪২-৪৯০৯৩

মুদ্ৰণ ঃ প্ৰিণ্ট বাইণ্ড, গুৱাহাটী

# উৎসর্গা

ইংৰাজ শাসনৰ কালত আহোম-তাই ভাষা পুথিৰ অনুবাদ কাৰ্যত চৰকাৰক সহায় আগবঢ়োৱা ডামচাও যজ্ঞৰাম বৰুৱা, পঞ্চৰাম দেওঁধাই ফুকন, লেপেশ্বৰ হাতীবৰুৱা, বঙালী মহৰী দেওঁধাই ফুকন, গদাই বাণ্টুঙীয়া বৰুৱা, ৰায়চাহাব নন্দনাথ ফুকন - এই পণ্ডিতসকলৰ পুণ্য স্মৃতিত উৎসৰ্গিত।

# আগকথা

ইতিহাস আৰু ঐতিহ্যৰ ভিত্তিত ইংৰাজী আৰু অসমীয়াত কেইবাখনো কিতাপ লিখি ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰা ড° বীৰেন্দ্ৰ কুমাৰ গোহাঁইদেৱে শেহতীয়াকৈ আহোমসকলৰ বিষয়ে এই কিতাপখন ৰচনা কৰিছে। ইয়াত সন্নিবিষ্ট কৰা প্ৰবন্ধকেইটাত তাই (টাই) সকলৰ উৎপত্তিকে ধৰি আহোম ভাষা আৰু লিপি, আহোমৰ সামাজিক জীৱনত ধৰ্মীয় পৰম্পৰা, পূজা-পাৰ্বণ আদি সাঙুৰি এটি তথ্যচিত্ৰ দাঙি ধৰিছে।

তাই সকলৰ উৎপত্তি শীৰ্ষক প্ৰবন্ধত অধ্যাপক টেৰেন দা লাকুপাৰেৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে পণ্ডিত আৰু গৱেষকসকলে আগবঢ়োৱা মতামতৰ চমু আভাস দাঙি ধৰিছে। ১৮৮৫ চনত প্ৰথম প্ৰকাশ হোৱা লাকুপাৰেৰ মতৰ ভিত্তিত পণ্ডিত সমাজে ধাৰণা কৰিছিল যে তাইসকল চীন দেশৰ প্ৰাচীনতম লোক, চীনা (হান) সকলৰো আগৰ। চীনাসকলৰ হেঁচাত তেওঁলোক (তাইসকল) চীন মধ্যভাগৰ পৰা বিচ্যুত হৈ দক্ষিণলৈ নামি য়ুন্নানত নান্-চাও ৰাজ্য প্ৰতিষ্ঠা কৰে। মঙ্গোল সম্ৰাট কুবলাই খাঁই নান্-চাও দখল কৰাৰ আগলৈকে সেই ৰাজ্য অতি সমৃদ্ধিশালী আছিল। কিছুবছৰৰ পৰা চেন্ লুফানকে (Chen Lufan) ধৰি চীনা পণ্ডিতসকলে নান্-চাও ৰাজ্য তাইসকলৰ নহয় বুলি প্ৰতিপন্ন কৰিবলৈ উঠি পৰি লাগিছে। কিন্তু অনেক তাই পণ্ডিতে চীনা পণ্ডিতসকলৰ এই যুক্তি মানি লোৱা নাই। তেওঁলোকৰ বিশ্বাস নান্-চাও প্ৰকৃততে তাই ৰাজ্যহে। আনহাতে আজি কিছু বছৰৰ পৰা তাইসকলৰ উৎপত্তিস্থলৰ আন এটা সূত্ৰ প্ৰকাশ পাইছে। সেই সূত্ৰ মতে তাইসকলৰ উৎপত্তি স্থান হ'ল ভিয়েতনামৰ ৰঙানদী (Red River) পাৰৰ কাষৰীয়া অঞ্চল। তেওঁলোক সম্ভৱ তাৰ পৰাই বিভিন্ন স্থানলৈ প্ৰব্ৰজন কৰে।

উৎপত্তি স্থানৰ ক্ষেত্ৰত যেনেদৰে নতুন সূত্ৰ উত্থাপন হৈছে তেনেদৰে তাইসকলৰ ভাষাৰ ক্ষেত্ৰতো নতুন সূত্ৰৰ আৱিষ্কাৰ ঘটিছে। জৰ্জ আব্ৰাহাম

গ্ৰীয়েৰচনে কৰি যোৱা তাই ভাষাৰ শ্ৰেণীবিভাগৰ ওপৰত ভিত্তি কৰি বহু দিন ধৰি ভাষা অধ্যয়নকাৰীসকলে তাই ভাষাক বৃহৎ তিব্বতো-বৰ্মী (Tibeto-Burman)ৰ অন্তৰ্গত চীনা-তাই (Sino-Tai) পৰিয়ালৰ অন্তৰ্ভুক্ত কৰি আহিছিল। কিন্তু যোৱা শতিকাৰ মাজভাগৰ পৰা ভাষাবিদসকলে এটা নতুন সূত্ৰৰ পম খেদিবলৈ ধৰে। এই নতুন সূত্ৰটো বিস্তৃতভাৱে দাঙি ধৰে প'ল কে, বেনেডিক্ট (Paul K. Benedict) নামৰ আমেৰিকান ভাষাবিদজনে "Tai, Kadai and Indonesian : A New Alignment in Southeastern Asia" শীৰ্ষক প্ৰবন্ধটোত ১৯৪২ চনত। প্ৰবন্ধটো প্ৰকাশ হয় American Anthropologist নামৰ আলোচনীখনত। বেনেডিক্টে উক্ত প্ৰবন্ধত খৰচি মাৰি আলোচনা কৰি দেখুৱালে যে চীনা ভাষা আৰু তাই ভাষা এই ভাষা দুটাৰ মাজত কোনো আনুবংশিক (genetic) সম্বন্ধ নাই। দুয়োটা ভাষা বেলেগ বেলেগ। অৱশ্যে তাই ভাষাৰ শব্দৰ মাজত নিৰ্দিষ্ট কিছুমান চীনা শব্দ আছে আৰু সেইদৰে চীনা শব্দৰ মাজত কিছু তাই শব্দ পোৱা যায়। কিন্তু সেইবোৰ ইটোৱে সিটোৰ পৰা ধাৰ কৰা Loan words সেয়ে তেওঁ তাই ভাষাক চীনা ভাষাৰ পৰা বিচ্ছেদ কৰে। অৰ্থাৎ Sino-Tai ভাষা পৰিয়ালৰ ধাৰণাটোৰ অন্ত পেলায়। লগতে তেওঁ দেখুৱায় যে তাই ভাষা ইন্দোনেচীয়ান ভাষাৰ সৈতেহে এক বংশীয় আৰু তাই আৰু ইন্দোনেচীয়ান ভাষাৰ মাজত সংযোগকাৰী ভাষা হ'ল কাদাই (Kadai) ভাষাকেইটা। চীন-ভিয়েটনাম সীমান্তবৰ্তী এলেকা আৰু হাইনান দ্বীপৰ কিছুলোকে কোৱা লাকুৱা, লাটি, কেলাও আদি ভাষা কেইটাক লগ লগাই বেনেডিক্টে 'কাদাই' নামকৰণ কৰে। তেওঁ দেখুৱায় যে তাই ভাষাৰ কাদাই ভাষাৰ মাজেদি ইন্দোনেচীয়ান ভাষালৈ যাব পাৰি আৰু সেইদৰে ইন্দোনেচীয়ান ভাষাৰ পৰাও কাদাইৰ মাধ্যমেদি তাই ভাষালৈ আহিব পাৰি। ভাষাবিজ্ঞানী সমাজত এই নতুন সূত্ৰটোৱে আলোড়নৰ সৃষ্টি কৰে আৰু এক বিদ্যায়তনিক বিতৰ্ক আৰম্ভ হয়। বৰ্তমান বেনেডিক্টৰ তাই-কাদাই সূত্ৰটো গ্ৰহণীয় হৈছে আৰু আগৰ চীনা-তাই ভাষা পৰিয়ালৰ অন্ত পৰিছে। অধ্যাপক Soren Egerod এ এনচাইক্ল'পেদিয়া ব্ৰিটানিকাত এই সূত্ৰ গ্ৰহণ কৰি চীনা ভাষাক তাই ভাষা পৰিয়ালৰ পৰা পৃথককৈ দেখুৱাইছে।

ভাষাৰ লগতে ড° বীৰেন্দ্ৰ কুমাৰ গোহাঁইদেৱে আহোম লিপিৰ ক্ষেত্ৰটো দৃঢ়মত আগবঢ়াইছে। ত্ৰয়োদশ শতিকাত আহোম লিপিৰ অস্তিত্ব সম্পৰ্কে সন্দিহান হোৱা ফৰাচী পণ্ডিত মাইকেল ফাবলুছ আৰু থাইলেণ্ডৰ পণ্ডিত প্ৰসাদ না নগৰৰ যুক্তিৰ ভিত্তি সুকীয়া। মাইকেলে আহোম শব্দৰ লিখিত আৰু উচ্চাৰিত ৰূপৰ পাৰ্থক্যৰ ভিত্তিত কয় যে কিছুমান শব্দৰ লিখিত ৰূপ সৰল হোৱা স্বত্বেও উচ্চাৰণ টান অথবা যুক্তাক্ষৰিত পোৱা যায়; লিখিত যেনে 'কিং' শব্দ উচ্চাৰণত 'ক্লিং' হয় লিখিত 'বক্' শব্দ উচ্চাৰণত 'ব্লক্' হয়। সেয়ে তেওঁ ক'ব খোজে যে ইয়াৰ কাৰণ হ'ল সেই ভাষাৰ লিপি পিচত গ্ৰহণ কৰা; যি লিপিত যুক্তাক্ষৰ নাই। মাইকেলে তেওঁৰ শব্দৰ আখৰৰ নিদৰ্শন হিচাপে Ahom-Assamese-English Dictionary খনকে লৈছে। আমি এটা প্ৰবন্ধত দেখুৱাইছো যে ছপাশালৰ বাবে আহোম আখৰ কাটোতে যুক্তাক্ষৰবোৰ দিয়াৰ অসুবিধাৰ বাবে সেইবোৰ সহজ কৰিলে আৰু সেই সহজ আখৰবোৰকে আহোম অভিধানত লোৱা হ'ল। দৰাচলতে পুৰণি পুথিত যুক্তাক্ষৰৰ নমুনা সুন্দৰকৈ আছে। প্ৰসাদ না নগৰৰ মতে থাইলেণ্ডৰ সুখোদয় ৰাজ্যৰ ৰজা ৰামখামহেঙৰ শিলালেখত (১২৯২)উল্লেখ আছে যে ইয়াৰ আগতে তাই আখৰ নাছিল। সেয়ে অধ্যাপক প্ৰসাদে ক'ব খোজে যে ৰজা ৰামখামহেঙৰ পূৰ্বে তাই আখৰ নাছিল। সেয়ে ছ্যু-কা-ফা স্বৰ্গদেৱ আহোতে আহোমসকলৰ আখৰ থাকিব নালাগে। কিন্তু থাইলেণ্ডৰ তাই আৰু ম্যাংমাওৰ তাইসকল অনেক আগেয়ে ফাটি আহিছে । ম্যংমাও দেশৰ তাইসকলে পাগানৰ পৰা ম'নলিপি অন্ততঃ একাদশ শতিকাতে গ্ৰহণ কৰিছে। উল্লেখনীয় যে পাগান সম্ৰাট অনুৰাধাই (অনিৰুদ্ধ) ম্যাং মাও ৰজাৰ জীয়ৰী ছাও মুন্ লাক বিয়া কৰাইছিল আৰু ছাও মুন লাৰ কাহিনী সমগ্ৰ ছানসকলৰ মাজত প্ৰচলিত হৈ আহিছে।

ত্ৰয়োদশ শতিকাত চাও লুং ছুকাফাৰ ব্ৰহ্মপুত্ৰ উপত্যকালৈ আগমনৰ পূৰ্বেই প্ৰচীন সমৃদ্ধিশালী কামৰূপ ৰাজ্যখন বহুধা বিভক্ত হৈ জনজাতীয় ৰাজ্যত পৰিণত হৈছিল। পূব খণ্ডত চুতীয়াসকল, মৰাণ, ডিমাচা-কছাৰী, চুতীয়াসকল, মধ্য খণ্ডত বাৰভূঞা, ডিমৰুৱা, গোভা, নেলী, লালুং (তিৱা), জয়ন্তীয়া, কাৰ্বি আদি লোকৰ দখলত আছিল। কিন্তু পশ্চিমফালে আৰ্য ভাষা আৰু সংস্কৃতিৰ সুস্পষ্ট

প্ৰভাৱ আছিল। জনজাতীয় লোকসকলে নিজৰ নিজৰ ভাষা কৈছিল। অৱশ্যে হেলো-হোচাকৈ অসমীয়া ভাষা উমৈহতীয়া মাধ্যম আছিল বুলি অনুমান কৰিব পাৰি।

কিন্তু একাদশ-দ্বাদশ শতিকাত উজনি আৰু মধ্যখণ্ডত জনজাতীয় ক্ষুদ্ৰ ৰাজ্য গঠন প্ৰক্ৰিয়াই ৰাজনৈতিক ক্ষমতা সমীকৰণৰ এক নতুন অধ্যায় সূচনা কৰে। শক্তিশালী আৰু সমৃদ্ধিশালী কামৰূপ ৰাজ্য বিনষ্ট হৈ কিয় এনে হৈছিল তাৰ কাৰণ সম্পৰ্কে এতিয়ালৈ প্ৰণালীবদ্ধ অধ্যয়ন হোৱা নাই।

চাওলুং ছুকাফাৰ আগমন আৰু স্বাধীন তাই-আহোম ৰাজ্য প্ৰতিষ্ঠাৰ ফলত আন এক ৰাজনৈতিক পুনৰীক্ষণ আৰম্ভ হয়। ইয়াৰ দীৰ্ঘম্যাদী পৰিণতিয়েই হ'ল আসাম/আচাম>অসম আৰু অসমীয়া জাতি।

তাই-আহোমসকলৰ মাজত সৃষ্টিৰ অতি কথা যেনেদৰে পোৱা যায় তেনেদৰে আন কেইবাটাও তাই গোটৰ মাজত প্ৰচলিত থকাৰ কথা Dr. Siraporn Nathalang এ বিচাৰ কৰিছে। ড° গোহাঁইদেৱেও ব্যাখ্যা আগবঢ়াইছে। আহোম পুৰোহিতসকলৰ মাজত পোৱা লাও ফুটি মানুহ সৃষ্টি হোৱা অতি কথা কিছু ভিন্নকৈ ভিয়েটনাম, লাওছ, দক্ষিণ-চীন আৰু বৰ্মাদেশৰ তাইসকলৰ মাজত থকাৰ পৰা প্ৰতিপন্ন হয় যে দূৰ অতীতত সকলো তাই লোকেই একেটা অঞ্চলতে বাস কৰিছিল।

ধৰ্মীয় অনুষ্ঠান আহোমসকলৰ ডাম আৰু ফিৰ পূজা ড° গোহাঁইদেৱে বহলাই আলোচনা কৰিছে আৰু আহোমৰ মে-ডাম-মে-ফি যে স্বৰ্গদেৱ ছুকাফাৰ দিনৰে পৰা অসমত চলি আহিছে তাৰো প্ৰমাণ আগবঢ়াইছে।

আজি কিছু বছৰৰ পৰা আহোমসকলৰ মাজত ফ্ৰালং বা ফুৰালুং বহলভাৱে পালন হৈছে। ড° গোহাঁইদেৱে সাঁচিপাতত থকা মেমি মাং ফুৰা আৰু উৰাক ফ্ৰা ফুৰা নামৰ দুখন পুথিত পোৱা ফুৰাৰ বিৱৰণৰ ভাবানুবাদ কৰি এই কিতাপত সন্নিবিষ্ট কৰিছে। তেখেতৰ মতে এই পুথিদুখন বৌদ্ধ জাতকৰ দুটা কাহিনী। এই কথা আমিও প্ৰায় এযুগৰ পূৰ্বেই ডিব্ৰুগড়ৰ ৰৰৰৰৰাত বহা ফুৰালুং সংঘৰ স্মৃতিগ্ৰন্থত আলোচনা কৰিছিলো। কিন্তু ড° গোহাঁইদেৱে বৌদ্ধ জাতকৰ আবেষ্টনীৰ বাহিৰলৈ গৈ সেই জাতক কেনেকৈ আহোম ধৰ্মীয় পৰম্পৰাত অন্তৰ্ভুক্ত হ'ল তাৰ বিচাৰ কৰাটো গুৰুত্বপূৰ্ণ কথা। তেখেতৰ মতে এই জাতকবোৰ

ছুকাফাৰ পিচত অহা। তাই-স্থানসকলে আহোম ৰজাই নৰাদেশৰ পৰা বিয়া কৰি অনা ছোৱালীৰ লগত অহা।

ব্ৰহ্মপুত্ৰ উপত্যকাত এখন স্বাধীন আহোম ৰাজ্য প্ৰতিষ্ঠা কৰি অসম আৰু অসমীয়াৰ পৰিকাঠামো দৃঢ়ভাৱে ৰোপণ কৰা চাও-লুং ছুকাফাৰ বংশ ঐতিহ্য চমুকৈ আগবঢ়াইছে। গভীৰভাৱে বুৰঞ্জী নপঢ়া লোকেও ইয়াক সহজে অনুধাৱন কৰিব পাৰিব। আৰু এটা কথা প্ৰতিপন্ন হৈছে যে ছুকাফাই পৰিকল্পিতভাৱেই কামৰূপ ৰাজ্যৰ পূৱ খণ্ডত ম্যুংদা-কাম ৰাজ্য পাবলৈ আহিছিল। শাসনযন্ত্ৰ, বা-বিষয়া, ল'ৰা-তিৰোতা আৰু ৰাণীও আহিছিল। ম্যুংমাও লুঙৰ ৰজা ছুখানফাই কৈছিল - "যা ভাই যা, মোক নিয়মিত ভাৱে 'চই' দি থাকিবি।" সেয়ে চৰাইদেউত ৰাজধানী স্থাপন কৰিয়েই চাওলুং ছুখানফালৈ কটকী পঠিয়াই বাতৰি দিছিল। এনেদৰে অন্ততঃ ৩৫০ বছৰ দুয়ো ৰাজ্যৰ মাজত নিয়মীয়াকৈ যোগাযোগ চলিছিল।

ড° গোহাঁইদেৱে আহোমৰ ধৰ্ম অধ্যায়ত সকলো দেৱ-দেৱীকে সাঙুৰি লৈ আহোমৰ পূজা-পাতলত ম'লুংসকলৰ মাজত চলি অহা অনুষ্ঠানবোৰৰ এক বিশদ বিৱৰণ দিছে। ৰিকৃখন, ডামফি, চক্লং সকলো অনুষ্ঠানেই আহোমৰ পৰম্পৰাৰ অন্তৰ্গত। পেঁঞ্জ কা কা শাস্ত্ৰখনেই আটাইতকৈ অনুপম বুলি মন্তব্য দিছে। পূজা-পাৰ্বণত অপৰিহাৰ্য বস্তু কেইপদৰো উল্লেখ কৰিছে।

বৰ্তমান ১২ বছৰ মূৰত কৰা উম্‌ফা পূজাত পতা তিনিখন শাল— আহোম শাল, হিন্দু শাল, হাবিদেও শালৰ বিস্তৃত বিৱৰণ দিছে। তেখেতে দিয়া বিৱৰণৰ পৰা উম্‌ফা পূজাৰ তাৎপৰ্য অনুধাৱন কৰা সহজ হ'ব। দৰাচলতে উম্‌ফা ধৰ্মীয় সহঅৱস্থান আৰু আহোমৰ ধৰ্মীয় উদাৰতাৰ এক মহান উদাহৰণ।

আহোম নিয়মে জন্ম সংস্কাৰ, মৃত সংস্কাৰ আৰু বিবাহ পালন সকলোবোৰ সংস্কাৰ অন্তৰ্ভুক্ত কৰি আহোম ধৰ্মৰ সম্পূৰ্ণৰূপ দিবলৈ যত্ন কৰিছে। আনকি আই লখিমী আদৰা, ন-খোৱা (কিন্ আন্ মৌ) ব্যৱস্থাও সামৰিছে।

আহোমসকলে শুভ দিন চাই দিয়াৰ পিচতহে ধৰ্মীয় অনুষ্ঠান পালন কৰে। ম'লুংসকলে মঙ্গল চোৱা তিনিটা পদ্ধতি হ'ল বানহেং, কেলুং কেৰান গণনা আৰু কুকুৰা ঠেং চোৱা। আটাইকেইটাতে কেইটামান নিৰ্দিষ্ট নিয়ম মনা

হয়। আহোম স্বৰ্গদেউসকলে কুকুৰা ঠেঙৰ মঙ্গল চোৱাত গভীৰ বিশ্বাস আছিল বুলি বুৰঞ্জীৰ পৰা জনা যায়।

দেওধাই, মহন আৰু বাইলুঙসকলে পৰম্পৰা পদ্ধতিৰে সকলো ধৰ্ম কাজ আজিও চলাই আছে। যথাৰ্থতে তেওঁলোকেই প্ৰাচীন ধৰ্মীয় আচাৰ-বিচাৰৰ প্ৰধান হোতা। আন আহোমৰ মাজত নোপোৱা পৰম্পৰা তেওঁলোকৰ মাজত বিদ্যমান আহোম ভাষাৰ পুথি-পাঁজিবোৰ তেওঁলোকেই বুকুত বান্ধি ৰাখিছে। অনেক পৰিবৰ্তন আৰু সংঘাতৰ মাজতো তেওঁলোকে নিজৰ ধৰ্ম আৰু পৰম্পৰাত বিশ্বাস ৰাখিছে। সেয়ে তেওঁলোক আহোম সমাজৰ নমস্য।

ড° বীৰেন্দ্ৰ কুমাৰ গোহাঁইদেৱৰ এই কিতাপখন উপৰোক্ত কথাবোৰ সহজ ভাষাত থাউকতে পোৱাকৈ ৰচনা কৰিছে। কিতাপখন পঢ়ি নতুন তথ্য আৰু তেখেতে আগবঢ়োৱা বিশ্লেষণৰ দ্বাৰা পঢুৱৈ সমাজ উপকৃত হ'ব বুলি আমাৰ বিশ্বাস।

যোগেন্দ্ৰ নাথ ফুকন

১৬/৯/২০০৮

# লিখকৰ একাষাৰ

আমাৰ পূৰ্বপুৰুষসকল অসমলৈ কেনেকৈ আৰু ক'ৰপৰা আহিছিল বা আহোমসকলনো কোন পঞ্চাশ দশকৰ ল'ৰালি কালৰ পৰা আৰম্ভ কৰি বুজিব পৰা হোৱালৈকে সেই বিষয়ে আমি অজ্ঞ আছিলো। কিছুৱে বিশ্বাস কৰে যে ছ্যুকাফা নামৰ মংগোলীয়াৰ শক্তিশালী দলপতি এজনৰ নেতৃত্বত তেওঁলোকে প্ৰব্ৰজন কৰিছিল আৰু বহুতেই ভাৱে যে তেওঁলোক থাইলেণ্ডৰ পৰা আহিছিল। অন্য কিছু ব্যক্তিয়ে তেওঁলোক ম্যানমাৰৰ (বাৰ্মা) পৰা আহিছিল বুলি অনুমান কৰে। বহুত দিনৰ পৰাই এই অনিশ্চয়তাটোৱে আমাৰ মনত বিৰাজ কৰি আছিল। চাওলুং ছ্যুকাফা নামৰ এই বীৰ পুৰুষজনক আৰু তেওঁৰ অতুলনীয় কীৰ্তিৰ বিষয়ে জানিবলৈ হ'লে আমি তেওঁৰ বংশাৱলী জানিব লাগিব। ১৯৯২ চনৰ পৰাই ছ্যুকাফানো কোন আৰু তেওঁ ক'ৰ পৰা আহিছিল সেই বিষয়ে জানিবলৈ আমি অহৰহ প্ৰচেষ্টা চলাই আহিছো। 'চাওলুং ছ্যুকাফা' নামৰ এখন পুস্তক মই ৰচনা কৰি ইতিমধ্যে প্ৰকাশ কৰিছো।

এই কিতাপখনিৰ ৰচনাৰ ক্ষেত্ৰত অসমৰ শিৱসাগৰ জিলাৰ পাটসাঁকোত বাস কৰা আহোমৰ পুৰোহিত শ্ৰেণীৰ কেইজনমান ব্যক্তিৰ সহায় ল'ব লগা হৈছে। মই তেখেতসকলৰ তাই-আহোমৰ ভাষা, বুৰঞ্জী, ক'লা-কৃষ্টিৰ দিশত থকা গভীৰ জ্ঞানৰ সম্বন্ধে জানিব পাৰিলো আৰু তেখেতসকল যে আহোম ভাষা আৰু বুৰঞ্জীৰ একো একোটি জ্ঞানৰ ভঁৰাল সেইটোও ভালকৈ উপলব্ধি কৰিব পাৰিলো। লগতে তেখেতসকলৰ সংস্পৰ্শলৈ আহি আনন্দিত হ'লো। তেখেতসকলৰ ঘৰত হাতে লিখা অৱস্থাত থকা পাণ্ডুলিপিসমূহ সংগ্ৰহ কৰাৰ কাম আৰম্ভ কৰিলো আৰু তেখেতসকলৰ দ্বাৰাই সেইবোৰ অসমীয়ালৈ অনুবাদ কৰোৱালো। সেই সময়ৰ আহোম পণ্ডিত শ্ৰীযুতা য়ে হম বুঢ়াগোহাঁইয়ে (বৰ্তমান গুৱাহাটীত থকা বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ আহোম অধ্যয়ন সম্পৰ্কীয় বিশেষ বিষয়া) এই দিশত অকুণ্ঠভাৱে সহায় কৰিছে। বিকেইখন তাই পাণ্ডুলিপি মই সেই প্ৰশংসনীয় ব্যক্তিসকলৰ পৰা লাভ কৰিছিলো সেইকেইখনৰ এখনো তেওঁ নোচোৱাকৈ থকা নাছিল। আহোম বুৰঞ্জীৰ বিষয়ে গভীৰ জ্ঞান থকা ব্যক্তি যোগেন্দ্ৰ নাথ ফুকন আৰু য়ে হম বাইদেউৱে আমাৰ দ্বাৰা সংগৃহীত পাণ্ডুলিপি পঢ়ি আহোম বুৰঞ্জীৰ চন্দ্ৰসিংহ স্বৰ্গদেউৰ ৰাজত্ব

কালৰ হেৰাই যোৱা পাঠ উদ্ধাৰ কৰিছিল যিখিনি কথা ৰায়বাহাদুৰ গোলাপ চন্দ্ৰ বৰুৱাই প্ৰকাশ কৰা তাই-আহোম বুৰঞ্জীৰ ইংৰাজী প্ৰকাশনত পাবলৈ নাই। পাটসাঁকোৰ পণ্ডিত দুজনৰ পৰা পোৱা দুখন পাণ্ডুলিপি অনুবাদ কৰি শ্ৰীযুত ফুকন আৰু শ্ৰীযুতা বুঢ়াগোহাঁই বাইদেউৱে সম্পূৰ্ণ আহোম বুৰঞ্জীখন অনুবাদ কৰি উলিয়াবলৈ যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। শ্ৰীযুত ফুকন, শ্ৰীযুতা বুঢ়াগোহাঁই আৰু শ্ৰীৰমেশ বুঢ়াগোহাঁইয়ে পাণ্ডুলিপি ২ (বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ), পাণ্ডুলিপি ৩৪ (বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ), পাণ্ডুলিপি ৬(এ) (বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ), পাণ্ডুলিপি ১০(এ) (বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ) আৰু মোৰ সংগৃহীত পাণ্ডুলিপি অনুবাদ কৰি তাৰ ভিত্তিত "Chao-Lung-Siu-Ka-Pha, Documentary History of the Ahom Vol. 1" ১৯৯৭ চনত প্ৰকাশ কৰি উলিওৱা হৈছে। এইটো এটা গুৰুত্বপূৰ্ণ আৰু মহৎ কাম।

উল্লিখিত মোৰ দুয়োখন কিতাপে পণ্ডিতসকলক আৰু বিশেষকৈ জনসাধাৰণক স্পষ্টভাৱে দেখুৱাই দিছে যে ছ্যুকাফা প্ৰকৃততে মঙ্গোলীয়া থাইলেণ্ড বা বাৰ্মাৰ পৰা নহয় তেওঁ দিহং-দাই-চিংযৌ স্বায়ত্বশাসিত খণ্ডৰ এটা অংশ দক্ষিণ চীনৰ অন্তৰ্ভূক্ত ম্যুং-মাউৰ পৰাহে আহিছিল।

অৱশ্যে ড° পদ্মেশ্বৰ গগৈৰ "The Tai and the Tai Kingdom" নামৰ গ্ৰন্থখনত চাওলুং ছ্যুকাফা যে ম্যুংমাউ নামৰ নগৰখনৰ পৰা আহিছিল সেইকথা স্পষ্টকৈ উল্লেখ কৰা আছে।

পাটসাঁকোৰ পাৰিজাত গাঁৱৰ আহোম পুৰোহিত শ্ৰীযুত তিলেশ্বৰ মহন আৰু হাতীবৰুৱা গাঁৱৰ শ্ৰীযুত সৰ্বেশ্বৰ হাতীবৰুৱাই উপযুক্ত সময়ত তেখেতসকলৰ উপদেশ আৰু পৰামৰ্শ আগবঢ়োৱাৰ বাবেহে আমাৰ এই মহান প্ৰচেষ্টা ফলৱতী হৈছে।

মই তিনিখন আহোম গাঁৱৰ পৰা আহোমৰ ধৰ্ম আৰু প্ৰচলিত প্ৰথাৰ বিষয়ে জনা তিনিগৰাকী অভিজ্ঞ আহোম যুৱক নিৰ্বাচন কৰিছিলো। মোক সকলো দিশতে সকলো প্ৰকাৰে সহায় কৰাৰ ভিতৰত এজন হ'ল কেশৱ ফুকন। তেওঁ বাইলুং ফৈদৰ। মই তেওঁৰ সহায়তে বহুতো ধৰ্মীয় ৰীতি-নীতি জনাৰ লগতে তাই আহোম ভাষাৰ পাণ্ডুলিপি পাইছো।

গাঁৱলৈ গৈ আহোমসকলৰ জীৱন চৰ্চাৰ বিষয়ে আৰু তেওঁবিলাকৰ ধৰ্মীয় ৰীতি-নীতি আৰু কলা-কৃষ্টিৰ বিষয়ে এটি সম্যক ধাৰণা ল'ব পাৰিলো।

তাই-আহোম বসবাস কৰা গাঁওবোৰত ধৰ্মীয় আচাৰ পদ্ধতি আৰু ঈশ্বৰ বিশ্বাসৰ পুনৰুত্থান হোৱা আমি দেখিবলৈ পাইছিলো। শিৱসাগৰৰ গাঁওবোৰত অপ্ৰকাশিত হৈ থকা অসংখ্য আহোম পাণ্ডুলিপিবোৰত সাগৰ সদৃশ জ্ঞান সোমাই থকাটো এখন প্ৰশান্ত মহাসাগৰৰ দৰেই কৌতূহলপূৰ্ণ। শ্ৰীযুতা বুঢ়াগোহাঁই, আহোম পণ্ডিত শ্ৰীযুত নবীন শ্যাম (বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ) আৰু শিক্ষিত পুৰোহিতসকলে সাগৰ সদৃশ গভীৰ জ্ঞানৰ দুৱাৰ মুকলি কৰি দিলে। তেওঁবিলাকৰ জ্ঞান চক্ষুৰ দ্বাৰাই আমি সেইবোৰ দেখা পাইছো আৰু ধৰ্মীয় পুথিসমূহত লিখি থৈ যোৱা পবিত্ৰ বাক্যবোৰৰ শব্দৰ সৌন্দৰ্য উপভোগ কৰিছো। তেওঁবিলাকৰ প্ৰজ্ঞা আৰু বুদ্ধিৰ মাজেদি আমি ধৰ্মীয় ৰীতি-নীতিবোৰ জানিব পাৰিছো। তেওঁবিলাকৰ পাণ্ডিত্যৰ গুণতে আমিও সৰ্বতোপ্ৰকাৰে উপকৃত হৈছো।

গতিশীল সমাজলৈ পৰিবৰ্তন অহাটো স্বাভাৱিক। জীৱন ধাৰণৰ পদ্ধতি, কলা কৃষ্টি আৰু ধৰ্মই পৰিবৰ্তন আনে। কিন্তু মূল পৌৰাণিক ধৰ্মীয় ৰীতি-নীতিসমূহ একেদৰেই থাকে। যেতিয়া এজন আহোম পণ্ডিতে পবিত্ৰ 'আই চিং লাও' প্ৰাৰ্থনা জনাই তেওঁ হয়তো সেই শব্দৰ উচ্চাৰণ ভুলো কৰিব পাৰে কিন্তু মন্ত্ৰৰ প্ৰতিক্ৰিয়াটো একেই থাকে। এইয়া নিৰ্মল আৰু স্বৰ্গীয়।

গতিকে তাই আহোম ধৰ্ম আৰু কলা-কৃষ্টিৰ লগত হিন্দু ধৰ্মৰ বহুতো ক্ষেত্ৰত মিল আছে বাবেই তাই পৰিচয়টো নাই বুলিয়েই বহুতে ক'ব বিচাৰে। কিন্তু তাই যুগসূত্ৰটো একেই আছে। আপুনি ভাবি গৌৰৱ অনুভৱ কৰিব পাৰে যে পৃথিৱীৰ অন্যান্য তাইসকল অসমলৈ আহি তাই আহোমসকলৰ জীৱন শৈলী চাই, পুথি-পাঁজি ইত্যাদি পঢ়ি আৰু অনুধাৱন কৰি বুজিব পাৰে যে তাই-আহোম হৈছে বৃহত্তৰ তাই জাতিৰ দূৰ সুদূৰ অতীতত হেৰাই যোৱা এক ভ্ৰাতৃ। তাই পাণ্ডুলিপিবোৰত ভাষা আৰু ধৰ্মীয় ৰীতি-নীতিৰ বিষয়ে যিবোৰ লিখা আছে সেইবোৰ আন তাই বা থাই পাণ্ডুলিপিৰ লগত নিমিলে। তাই-আহোমৰ গুৰুত্ব সেই পাণ্ডুলিপিবোৰ অধ্যয়ন কৰিলেই বুজিব পৰা যায়।

অসমৰ তাই-আহোম বসবাস কৰা ঠাইসমূহ পৰীক্ষা কৰিলেই এই সত্যটো কোনো বহিৰাগত পণ্ডিতে পাহৰিব নোৱাৰে।

আমি আমাক পুনৰ জানিবৰ বাবে প্ৰয়াস কৰি গৌৰৱ কৰো যে আমি নিজৰ বিষয়ে জ্ঞাত।

এই কিতাপখনিৰ পাণ্ডুলিপি অৱস্থাত পঢ়ি চাই শুদ্ধ কৰি দিয়াৰ বাবে মোৰ বন্ধু শ্ৰীবিজন দত্তৰ সহায় লোৱা হয়। তদুপৰি অনুবাদৰ ক্ষেত্ৰত প্ৰফেচাৰ শম্ভুনাথ চক্ৰৱৰ্তী আৰু সন্দীপ শৰ্মাৰ সহায় অভাৱনীয়।

কিতাপখনি পাণ্ডুলিপি অৱস্থাতে পঢ়ি দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে শ্ৰীযুতা য়ে হুম বুঢ়াগোহাঁই বাইদেউৰ শলাগ ল'লো। তদুপৰি ইয়াৰে কিছু অংশ পঢ়ি সু-পৰামৰ্শ আগবঢ়োৱাৰ বাবে মই শ্ৰীযুত কৰুণাকান্ত বৰুৱাদেৱৰ শলাগ ল'লো। শ্ৰীযুত যোগেন্দ্ৰ নাথ ফুকনদেৱে মোৰ কিতাপখনি পঢ়ি তেখেতৰ অভিমত লিপিবদ্ধ কৰি দিয়াৰ বাবে মই তেখেতৰ ওচৰত বিশেষভাৱে ঋণী।

মোৰ ভাতৃপ্ৰতিম শ্ৰীকেশৱ ফুকনে এই ক্ষেত্ৰত যথেষ্ট কষ্ট কৰিছে। আহোমৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠান আৰু ৰীতিসমূহ গাঁওসমূহত উদ্‌যাপন হৈ থাকোতেই তথ্য-চিত্ৰৰ প্ৰস্তুত কৰা, বিভিন্ন পুথি-পাঁজি আনি মোক দি সহায় কৰা আদিৰ ক্ষেত্ৰত তেওঁৰ অৱদান অতুলনীয়। তেওঁৰ লগতে তেওঁৰ বন্ধু পাটসাঁকো অঞ্চলৰে শ্ৰীনবাৰুণ লাহন আৰু শ্ৰীমুজিবৰ ৰহমানেও এই ক্ষেত্ৰত যথেষ্ট সহায়-সহযোগ আগবঢ়াইছে। বিদ্যায়তনিক দিশত পণ্ডিত-প্ৰৱৰ শ্ৰীযুত তিলেশ্বৰ মহন আৰু শ্ৰীযুত সৰ্বেশ্বৰ হাতীবৰুৱাই মোক সকলো ক্ষেত্ৰত পৰামৰ্শ আৰু সহযোগ আগবঢ়াইছে। ভাতৃ-প্ৰতিম শ্ৰীমনোৰঞ্জন ফুকনে যথেষ্ট সহায় কৰিছে। তদুপৰি শ্ৰীযুতা য়ে হুম বুঢ়াগোহাঁইয়ে বিশেষ সহায় আগবঢ়াইছে।

শেষত কিতাপখন ডি.টি.পি কৰি দিয়াৰ বাবে শ্ৰীসমীন বৰ্মন আৰু শ্ৰীপ্ৰাণজিৎ বেজবৰুৱাৰ শলাগ ল'লো। কিতাপখন সুন্দৰকৈ সজাই তোলাৰ বাবে শ্ৰীযুতা ময়ুৰী গোস্বামী আৰু মোৰ ভাতৃপ্ৰতিম শ্ৰীউপেন চক্ৰৱৰ্তীৰ ওচৰত মই ঋণী।

ৰীৰেন্দ্ৰ কুমাৰ গোহাঁই

# বিষয় সূচী


অধ্যায়সমূহ ঃ

| | | |
|---|---|---|
| প্ৰথম অধ্যায় ঃ | তাইসকলৰ অভ্যুত্থান | ১-১৭ |
| দ্বিতীয় অধ্যায় ঃ | তেৰ শতিকাৰ কামৰূপৰ সামাজিক, ৰাজনৈতিক প্ৰেক্ষাপট আৰু চাওলুং ছ্যু-কা-ফাৰ আগমনৰ তাৎপৰ্য | ১৮-৩২ |
| তৃতীয় অধ্যায় ঃ | চাওলুং ছ্যু-কা-ফা, তেওঁৰ উত্তৰাধিকাৰীসকলৰ ইতিহাস আৰু বংশাৱলী। | ৩৩-৬৯ |
| চতুৰ্থ অধ্যায় ঃ | হিন্দু ধৰ্মৰ প্ৰচাৰ<br>অন্য জাতিৰ আহোমত অন্তৰ্ভুক্তি | ৭০-৭৯ |
| পঞ্চম অধ্যায় ঃ | আহোমসকলৰ ভাষা আৰু লিপি | ৮০-৯০ |
| ষষ্ঠ অধ্যায় ঃ | আহোমৰ পুৰোহিত শ্ৰেণী<br>আহোমৰ খেলসমূহ<br>পণ্ডিতৰ জীৱনী<br>ডম্বৰু দেওঁধাই ফুকন<br>তী-ফী-ছ্যাং<br>বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ কৃতি | ৯১-১৪০ |
| সপ্তম অধ্যায় ঃ | তাই-আহোমৰ মহাপ্লাৱন আৰু সৃষ্টিৰ অতিকথা | ১৪১-১৫২ |
| অষ্টম অধ্যায় ঃ | আহোমৰ ধৰ্ম<br>পৰিয়াল কেন্দ্ৰিক ডাম পূজা<br>ন-পুৰুষ সহ চিৰেণ ডাম<br>ৰাজঘৰৰ মে-ডাম-মে-ফি<br>উমফা পূজা<br>ফুৰালুং<br>লখিমী পূজা অৰ্চনা আৰু আদৰা গীত-মাত<br>জাছিংফা বন্দনা<br>হাবিদেও (প-ফী-ছু)<br>ছুইফা<br>প্ৰাচীন দেৱতা লাংকুৰী | ১৫৩-২৪৮ |

| | | |
|---|---|---|
| | বাতিখোৱা সমাজ | |
| | বৰসেৱা বা বৰসকাম | |
| | আলোকচিত্ৰ | ২৪৯-২৬০ |
| নৱম অধ্যায় ঃ | ন খোৱা পৰ্ব | ২৬১-২৭৫ |
| দশম অধ্যায় ঃ | জন্ম-সংস্কাৰ - আহোম নিয়মেৰে | ২৭৬-২৮২ |
| একাদশ অধ্যায় ঃ | মৈদাম দিয়াৰ পৰম্পৰাৰ সৈতে জড়িত নীতি-নিয়মসমূহ আলোকচিত্ৰ | ২৮৩-২৯৯ |
| দ্বাদশ অধ্যায় ঃ | আহোমৰ বিবাহ পদ্ধতি-চক্লং | ৩০০-৩০৯ |
| | আলোকচিত্ৰ | |
| ত্ৰয়োদশ অধ্যায় ঃ | বানছেং পদ্ধতি | ৩১০-৩২৬ |
| | সাঁচিপতীয়া পুথি বানছেং | |
| | কাঠি বানছেং | |
| | ফে লুঙ ফে বান | |
| | গণনা কৰা তালিকা | |
| | তাই-আহোমৰ গণনা পদ্ধতি | |
| | তাৰকা মণ্ডলী | |
| চতুৰ্দশ অধ্যায় ঃ | ৰিক্খুন বা খুন মিং (আয়ুতোলা) | ৩২৭-৩৪৩ |
| পঞ্চদশ অধ্যায় ঃ | তাই-আহোম ভাষাত বৌদ্ধ জাতক কাহিনী | ৩৪৪-৩৮৩ |
| | ফুৰা আলঙ - নেমিমাঙ জাতক | |
| | উৰাক-ফা-ফ্ৰা | |
| ষষ্ঠদশ অধ্যায় ঃ | পৰিবৰ্তন | ৩৮৪-৩৯৮ |
| পৰিশিষ্ট ঃ | 'ক' আহোম বুৰঞ্জীৰ ৰজা-মন্ত্ৰীসকলৰ নাম | ৩৯৯-৪৩৬ |
| | ১ - ছ্যুকাফাৰ বংশলতা | |
| | ২ - ওঁ - ঙিৎ | |
| | ৩ - উমফা পূজাৰ আহোম মন্ত্ৰ | |
| | ৪ - উমফা পূজাৰ মন্ত্ৰ | |
| | ৫ - ২০০৪ চনত অনুষ্ঠিত হোৱা উমফা পূজাৰ পুৰোহিতসকলৰ তালিকা | |
| | ৬ - ফুৰালুঙত গোৱা প্ৰাৰ্থনা গীত (আই চিং লাও) | |
| | গ্ৰন্থপঞ্জী | ৪৩৭-৪৬০ |
| | আলোকচিত্ৰ (ক) | ৪৬১-৪৬৪ |

প্ৰথম অধ্যায়

# তাইসকলৰ অভ্যুত্থান

**পৃষ্ঠভূমি ঃ**

বিভিন্ন জাতি, জনগোষ্ঠী আৰু সংস্কৃতিৰ মিলনভূমি অসম। যুগ যুগান্তৰ ধৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ উৰ্বৰ ভূমিভাগে বিদেশী প্ৰব্ৰজনকাৰীসকলৰ মনোযোগ আকৰ্ষণ কৰি আহিছে। বিভিন্ন জাতি আৰু ধৰ্ম বিশ্বাসৰ লোক ইয়ালৈ অহাৰ কাৰণ এয়েই। এই দেশৰ সাৰুৱা ভূমিভাগতেই মিলিত হৈছে দেশৰ অন্যান্য অংশৰ লগতে দক্ষিণ-পূব এচিয়া আৰু তিব্বতৰ পৰা অহা বিভিন্ন লোকৰ সাংস্কৃতিক ভাবধাৰা। আজিৰ বৃহত্তৰ অসমীয়া সংস্কৃতিলৈ প্ৰত্যেকটো জনগোষ্ঠীৰেই স্বকীয় অৱদান আছে আৰু তেওঁলোকৰ বৈচিত্ৰ্যময় সাংস্কৃতিক উপাদানে অসমীয়া সংস্কৃতিৰ পথাৰখন চহকী কৰি ৰাখিছে।

অসমলৈ প্ৰব্ৰজন কৰা জনগোষ্ঠীসমূহৰ ভিতৰত আহোম সকলৰ অৱদান অতুলনীয়। 'অহম' নামৰ পৰাই কালক্ৰমত 'অসম' নামৰ উৎপত্তি হোৱা ঘটনাৰ পৰাই ইয়াৰ উমান পোৱা যায়। খ্ৰীষ্টীয় ১২২৮ চনত আহোমসকলৰ প্ৰথমটো প্ৰব্ৰজনকাৰী গোটে যেতিয়া পাটকাই পাৰ হৈ এই ভূখণ্ডৰ ফালে ৰাওনা হৈছিল, সেইসময়ত কোনেও ভাবিব পৰা নাছিল যে তেওঁলোকৰ বাবে এই ঠায়েই হ'ব বসতিস্থান। ইয়ালৈ আহি তেওঁলোকে আৰ্দ্ৰভূমিত কৃষিকাৰ্য কৰাৰ পদ্ধতিৰ দৰে প্ৰযুক্তিগত পৰিবৰ্তন আনিলে, জটিল সামাজিক আৰু ৰাজনৈতিক সংগঠন কেতবোৰ গঢ়ি তুলিলে। ইয়াৰ সকলো জাতি-উপজাতি আৰু জনজাতিক একগোট কৰি এক বৃহৎ জাতিসত্ত্বা গঠন কৰিবলৈ সক্ষম হ'ল। মধ্যযুগৰ ভাৰতৰ বীৰসকলৰ সমান্তৰালভাৱে আহোমসকলে অসমত প্ৰায় ছশবছৰ কাল শাসনকাৰ্য চলাইছিল।

আহোমসকলৰ ভিতৰত আহোম ৰাজবংশৰ প্ৰতিষ্ঠাতা চাওলুং ছু-কা-ফাৰ নাম অসম বুৰঞ্জীত সদায়েই উচ্চ স্থানত থাকিব। কেৱল দুঃসাহসিক অভিযান, সৈন্য শক্তিৰ প্ৰতিষ্ঠাতা হিচাপেই নহয়, আহোম ৰাজত্বৰ ভেটি আৰু কাৰ্যবিধি প্ৰতিষ্ঠা কৰোতা ৰাষ্ট্ৰনায়ক হিচাপে তেওঁ সদায়েই উচ্চ আসন লাভ কৰি থাকিব।

ছু-কা-ফা আৰু অনুগামীসকল আছিল তাই মূলৰ। তেওঁলোক বৃহত্তৰ তাই মূলৰ এক অংশ। তেওঁলোকৰ বংশধৰসকল এতিয়াও তাই আহোম নামেৰে জনাজাত। এওঁলোক তাইসকলৰ পশ্চিমাংশৰ বংশোদ্ভৱ। তাইসকলৰ বিভিন্ন গোটবোৰ দক্ষিণ-পূব এচিয়াৰ উত্তৰৰ মূল খণ্ডৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলবোৰত বসবাস কৰে। বহু হাজাৰ বছৰ ধৰি এই তাই লোকসকলে অসমৰ পৰা দক্ষিণ চীনৰ য়ুনান প্ৰদেশ আৰু বেংককৰ পৰা ভিয়েটনামলৈকে বসতি স্থাপন কৰি আহিছে।

**তাই আৰু থাই : প্ৰকৃত নামকৰণ :**

'তাই' বা 'থাই'ৰ প্ৰকৃত জাতিগত নামৰ বিশ্লেষণ বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণেৰে কৰিছে যদিও এইসকলোবোৰ তত্ত্বৰ সীমাবদ্ধতা দেখা পোৱা যায়। যি কি নহওক, 'থাই' শব্দটো পাচত উদ্ভৱ হোৱা শব্দ আৰু ইয়াৰ জৰিয়তে 'মুক্ত' বা 'মুক্ত মানুহ'ক বুজোৱা হয়। থাইলেণ্ড (পূৰ্বৰ শ্যাম)ৰ বাসিন্দা থাইসকলৰ নিজা স্বকীয় বৈশিষ্ট্য আৰু পৰম্পৰা আছে। সপ্তম শতিকাত ফ্ৰা ৰুৱাং নামৰ এজন তাই ৰাজকুমাৰে চাংকলক (স্বৰ্গলোক)ত শাসন কাৰ্য চলাইছিল। এইখন জিম্মে (চিয়েংমাই)ৰ কৰতলীয়া ৰাজ্য আছিল। তেতিয়াৰ দক্ষিণ ইণ্ডো-চীনৰ শক্তিশালী ৰাজ্য কম্বোডিয়াৰ কৰতলীয়া ৰজা আছিল ফ্ৰা ৰুৱাং। কিন্তু ফ্ৰা ৰুৱাঙে জিম্মেৰ স্বাধীনতা ঘোষণা কৰিলে আৰু কম্বোডিয়াৰ বশ্যতা অস্বীকাৰ কৰিলে। ইয়াৰ পাচত খ্ৰীষ্টীয় ৫৩৮ চনত শ্যামিজ বৰ্ষ আৰম্ভ হ'ল। ফ্ৰা ৰুৱাঙক থাইসকলৰ ৰাষ্ট্ৰীয় সেনাধ্যক্ষ হিচাপে অভিহিত কৰে। অৱশ্যে তেওঁৰ ৰাজত্বকাল দীৰ্ঘস্থায়ী হোৱা নাছিল। তেওঁৰ মৃত্যুৰ পাচত পুতেক ৰজা হৈছিল আৰু এই সুযোগতে কম্বোডিয়াৰ ৰজা (জয় বৰ্মনে) কিয়াংজেনে পুনৰবাৰ

ৰাজ্যখন নিজৰ দখললৈ নিছিল। অৱশ্যে ইয়াৰ পাচত ইন্দ্ৰাদিত্যই পুনৰ এই ৰাজ্য কম্বোডিয়াৰ কবলৰ পৰা উদ্ধাৰ কৰে আৰু ৰাজবংশ পুনৰ প্ৰতিষ্ঠা কৰে। এই ক্ষেত্ৰত বিচপ পালে গইম্বৰ এটা মতবাদ সৰ্বজন গৃহীত। তেওঁৰ মতে ফ্ৰা ৰুৱাঙে দেশখনৰ স্বাধীনতা ঘোষণা কৰাৰ পাচত ইয়াত বসবাস কৰা শ্যাম মানুহখিনিক থাই (স্বাধীন/মুক্ত) নামেৰে নামকৰণ কৰা হয়।

উল্লেখযোগ্য যে ফ্ৰা ৰুৱাঙক বীৰ হিচাপে কেইবাজনো ৰজাই স্বীকাৰ কৰি গৈছে। ইয়াৰ ভিতৰত থাইলেণ্ডৰ ৰজা ৰাম খাম-হেঙৰ নাম প্ৰণিধানযোগ্য। এওঁ ফ্ৰা ৰুৱাঙৰ নাম মুদ্ৰা 'ডাই'ত মোহৰ মৰাইছিল। ইন্দ্ৰাদিত্য আৰু ৰাম খাম-হেঙৰ দৰে কেইবাজনো শক্তিশালী ৰজাই ফ্ৰা ৰুৱানৰ পথ অনুসৰণ কৰা আৰু তেওঁক বীৰ হিচাপে আখ্যা দিয়াৰ কথাই থাইসকলে কম্বোডিয়াৰ কবলৰপৰা মুক্তি লাভ কৰাৰ প্ৰৱণতাৰ কথাকেই ইংগিত বহন কৰে। সেই কালৰ পৰা চাই 'থাই' শব্দটো অষ্টম শতিকাতহে সৃষ্টি হৈছিল বুলি নিঃসন্দেহে ক'ব পাৰি।

গেইট (Edward Gait) চাহাবৰ 'এ হিষ্ট্ৰী অৱ আসাম'তো তাই শব্দৰ অৰ্থ এনেদৰে উল্লেখ আছে। এওঁৰ মতে 'তাই শব্দৰ অৰ্থ মহান (Glorious) আৰু চীনাসকলে Celestial বা দেৱস্বৰূপ বুজাবলৈ এই শব্দৰ ব্যৱহাৰ কৰিছিল। একেদৰে 'আহোম বুৰঞ্জী'তো তাইসকলক স্বৰ্গৰ অধিবাসী হিচাপে বৰ্ণনা কৰা হৈছে। আকৌ Nai Likhit Huntrakul ৰ "দ্য হিষ্ট্ৰিকেল ৰেকৰ্ডছ অৱ দ্য শামিজ-চাইনিজ ৰিলেছন'ৰ মতে প্ৰাচীন কালত যথেষ্ট অধিকাৰ আৰু সুবিধা লাভ কৰিবলৈ সক্ষম হোৱা এক শ্ৰেণীৰ লোকক 'তাই' খিতাপ প্ৰদান কৰা হৈছিল। এওঁৰ মতে চীনৰ দ্বিতীয় জন সম্ৰাট চিউ-হাউ (২৫৯৬-২৫১৩ খ্ৰীষ্টপূৰ্ব) আছিল 'তাই' খিতাপ লাভ কৰা প্ৰথমজন ব্যক্তি। এওঁ চীনৰ প্ৰথম সম্ৰাট হোৱাং তাই (২৬৯৭-২৫৯৬ খ্ৰীঃপূঃ) ৰ দ্বিতীয়জন পুত্ৰ আৰু তৃতীয়জন সম্ৰাট টুৱান-য়ক (২৫১৩-২৪৩৫ খ্ৰীঃপূঃ)ৰ দদায়েক। এওঁৰ বংশোদ্ভৱসকলকো 'তাই' বোলা হৈছিল আৰু তেওঁলোকে জলপথ ব্যৱহাৰ কৰা লোকৰ পৰা কৰ সংগ্ৰহ কৰিছিল। তৃতীয় সম্ৰাট টুৱান য়কে তেওঁৰ সেনাধ্যক্ষ 'চিন্-হাউ'ক 'তাই-তাই' খিতাপ প্ৰদান কৰি এক

বিশেষ তাই পৰিয়ালৰ সৃষ্টি কৰিছিল। 'চিন-হাউ আছিল চিউ-হাউৰ নাতিয়েক আৰু টুৱান-য়কৰ ভাগিনীয়েক। সেনাধ্যক্ষ চিন্-হাউ আৰু তেওঁৰ উত্তৰাধিকাৰীসকলে জলপথ ব্যৱহাৰ কৰা লোকৰ পৰা শুল্ক সংগ্ৰহ কৰিছিল। তেওঁলোক পুন (বা ফেন্ - হোৱাংহুৰ প্ৰাচীন নাম) জলপথেদি (চান্-চি-আৰু হু-নানৰ মাজেদি বৈ যোৱা) আহ্-যাহ্ কৰা লোকৰ পৰা মাচুল সংগ্ৰহ কৰিছিল। অৱশ্যে হায়া ৰাজবংশৰ পতন (২২০৫-১৭৬৬খ্ৰীঃপূঃ)ৰ পাচত এই 'তাই তাই' খিতাপ নোহোৱা হৈ পৰিল।

গতিকে দেখা যায় যে তাই সকলৰ অস্তিত্ব খ্ৰীষ্টপূৰ্ব ২৫১৫ চনতেই চীনৰ চান-চি আৰু হু-নানত পোৱা গৈছিল। প্ৰাচীন চীনত ৰাজকীয় আৰু সম্ভ্ৰান্ত পৰিয়ালৰ লোকসকলক তাই হিচাপে গণ্য কৰা হৈছিল। অৱশ্যে পাচৰ কালত ৰাজকীয় মৰ্য্যাদা নাথাকিলেও আন কেতবোৰ সম্ভ্ৰান্ত লোকক এই সম্মান দিয়া হৈছিল। এওঁলোকৰ ভিতৰত চোৱাং-তাই (মন্ত্ৰী), চি-তাই (ভাইচৰয়), টাং-তাই (অৱৰ সচিব), পু-তাই (প্ৰাদেশিক ৰাজপাল), গীট-তাই (প্ৰাদেশিক আচাৰ্য) পান-তাই (প্ৰাদেশিক কোষাধ্যক্ষ), টিয়েন তাই (প্ৰাদেশিক সেনাধ্যক্ষ) আৰু টাও তাই (আঞ্চলিক ৰাজপাল) আদি প্ৰধান।

ইয়াৰ পৰা বুজিব পাৰি যে প্ৰাচীন কালত 'তাই' শব্দটোৱে উচ্চস্তৰৰ, ক্ষমতাশীল, সম্মানীয় আৰু স্বাধীন ব্যক্তিসত্বাক বুজোৱা হৈছিল। কিন্তু এই তত্ত্ব অনুসৰি প্ৰথমজন সম্ৰাট হোৱাং-তাই আৰু তেওঁৰ উত্তৰাধিকাৰীসকল 'তাই' নোহোৱা কথাটোৱে জটিলতাৰহে সৃষ্টি কৰে। গতিকে এই তত্ত্ব সম্পৰ্কে আমি পুনৰবাৰ আলোচনা কৰিম।

**তাই জাতিৰ অভ্যুত্থান আৰু চীনাৰ লৈতে সম্পৰ্ক ঃ**

ফ্ৰান্সৰ পণ্ডিতসকলৰ মতে, 'সুখোতাই' (সুখোদয়) নামৰ প্ৰাচীন ৰাজ্যখনত বসবাস কৰা অধিবাসীসকলক 'তাই' বুলি কোৱা হৈছিল। এই অঞ্চলটোৰ অধিবাসীসকলক শ্যাম, চায়াম, চিয়েম আৰু চিহ্নেন (Hein) আদি বিভিন্ন নামেৰে বুজোৱা হৈছিল যদিও পাচৰ কালত চিয়াম নামেৰেই

অভিহিত কৰা হয়গৈ। কালক্ৰমত শ্যাম বা সাজাম লোকসকলে 'থাই' নাম লৈছিল (তাই নহয়)। অৱশ্যে সুখোতাইত বসতি কৰা 'তাই'সকলৰ পাচৰ ক্ৰম সম্পৰ্কে কোনো নিৰ্ভৰযোগ্য তথ্য-পাতি পোৱা নাযায়।

George Scott ৰ মতে পূৰ্বৰ তাইসকলক ইউৰোপীয়ানসকলে শ্যানমূলৰ বুলিয়েই উল্লেখ কৰি আহিছে। আকৌ এ. এইছ কিয়ানেৰ মতে 'শ্যান' শব্দটো মূলতঃ চীনা শব্দ যদিও পাচত বাৰ্মাৰ সংস্পৰ্শলৈ আহে আৰু সেয়েহে ইয়াৰ সৈতে 'লাও'ৰ যোগসূত্ৰ আছে। তেওঁৰ মতে এই নাম ৰাজনৈতিকভাৱেহে ব্যৱহৃত হৈছিল, জনগোষ্ঠীৰ ভিত্তিত নামকৰণ হোৱা নাছিল। 'শ্যান' শব্দই বাৰ্মাৰ সকলো তাই লোককেই সামৰি লয় আৰু সেই একেদৰে 'লাও' শব্দই সকলো তাই লোককেই সামৰি লয়। শ্যান শব্দটোত ব্ৰিটিছ সত্বা আৰু লাও শব্দটোত ফৰাচী সত্বা থকা বুলিও তেওঁ ক'ব খোজে।

আনহাতে ডঃ গ্ৰিয়চনে কৈছে যে 'শ্যান' শব্দটো হ'ল 'শ্যাম' শব্দৰ বাৰ্মিজ উচ্চাৰণ। চীনা ভাষাত শ্যান মানে পৰ্বত বা ওখ ঠাই। শ্যান ৰাজ্য আৰু য়ুনানৰ দক্ষিণবৰ্ত্তী পৰ্বতীয়া ৰাজ্যসমূহৰ পৰা আৰম্ভ কৰি উজনি বাৰ্মাৰ সমতল ভূমিলৈকে এই শ্যানসকলে বসতি বিস্তাৰ কৰিছিল। বৰ্মীসকলে 'শ্যান' শব্দটোৱে ওখ ঠাইৰ বাসিন্দাক বুজাইছিল। চীনা শব্দ 'শ্যাম'ৰ বৰ্মী ভাষাত শ্যান হয়; কিয়নো বৰ্মী ভাষাত লিখা শব্দৰ শেষত 'ম' থাকিলে 'ন' হয়। সেয়ে বাৰ্মিজ সংস্কৰণ 'শ্যান' কৰা হ'ল। দুয়োটাৰে অৰ্থ একেই। কিন্তু এই শ্যানসকলে নিজকে 'তাই বুলিহে অভিহিত কৰি আহিছে।

প্ৰাক্-ঐতিহাসিক আৰু ঐতিহাসিক মূল্যায়ন কৰা পণ্ডিতসকল এটা কথাত একমত যে তাই ভাষা আৰু সংস্কৃতিৰ অভ্যুত্থান হৈছিল চীনদেশত। খ্ৰীষ্টজন্মৰ ২০ শতিকাৰ পূৰ্বেই টেৰিয়েন লাক'পাৰিয়ে তাই লোকৰ এটা জঁকাৰ অৱস্থিতি বিচাৰি পাইছিল আৰু তেওঁলোকৰ চেহেৰাৰ বৰ্ণনাও কৰি গৈছিল। টেৰিয়েনৰ মতে এই জঁকাটো হ'ল হ্লান, হুপেই আৰু আনহুইৰ সংযোগ আৰু এই কেওটাই হ'ল অন্য এটা তাই গোষ্ঠী আই-লাও, লাও অংগই-লাওৰ সংযোগ।

অৱশ্যে টেৰেইন আৰু ককৰেইনৰ (Cochrane) এই মতামতৰ ওপৰত সন্দেহৰ অৱকাশ নথকা নহয়। তেওঁলোক দুয়োজনেই দক্ষিণ চীনৰ হান গোষ্ঠীৰ ভিতৰত নপৰা চীনা লোকসকলক 'তাই' বুলি চিনাক্ত কৰিবলৈ চেষ্টা কৰিছে। কিন্তু এই জনগোষ্ঠীবোৰেই যে তাই জনগোষ্ঠীৰ লোক সেয়া সন্দেহৰ উৰ্ধত নহয়।

উনৈশ শতিকাৰ শেষৰ ফালে আৰু কুৰি শতিকাৰ আৰম্ভণিতে কেইবাজনো পণ্ডিতে মত প্ৰকাশ কৰিছিল যে তাইসকলৰ আদি মূল চীন দেশত। এই ভাৱধাৰা অনুসৰি খ্ৰীষ্টপূৰ্ব ২৩ শতিকাত পশ্চিম এচিয়াৰ পৰা অহা আগ্ৰ-আলতাইক, বক জনগোষ্ঠীসমূহৰ পৰা চীনাসকলে নিজৰ ভাষা, সংস্কৃতি, বিজ্ঞান, কলা আৰু সংগঠনৰ জ্ঞান আহৰণ কৰিছিল। সেই ফালৰ পৰা চালে টেৰেইনে কোৱা মতে শ্যান লোকৰ অৱস্থান আছিল কিউলুং পৰ্বত, অৰ্থাৎ চীনদেশৰ জেন-চোৱানৰ উত্তৰে আৰু চেনছিৰ দক্ষিণে। ডঃ গ্ৰিবচনৰ মতেও তাইসকলৰ আদি বাসস্থান হ'ল উত্তৰ-পশ্চিম চীনৰ য়াংছে আৰু হোৱাংহোৰ উত্তৰ দিশত।

লা ক'পাৰিৰ মতে চীনা ভাষা, কলা, বিজ্ঞান আৰু সমাজ গাঁথনিৰ উপাদানসমূহ পশ্চিম এচিয়াৰ পৰা অহা আগ্ৰ-আলটেক বক লোকৰ পৰা আয়ত্ব কৰিছিল। এই উপাদানবোৰ আয়ত্ব কৰাৰ বাবে উচ্চ শিক্ষিত সংস্কৃতিবান লোকৰ সহায় ল'ব লগা হৈছিল আৰু এই ক্ষেত্ৰত চীনাসকলক সহায় কৰিছিল প্ৰতিবেশী চুচিয়ানসকলে। এই শিক্ষাৰ লগত বেবিলনীয়ান সভ্যতাৰ ছাপ আছিল আৰু এইবোৰ সংস্কাৰ কৰাও হৈছিল। লা ক'পাৰিয়ে কৈছিল যে চীনা যুৱকসকল শক্তিমন্ত আৰু ক্ষমতাশালী আছিল আৰু তেওঁলোকে চীনলৈ প্ৰব্ৰজন কৰা বক বা পেহশিং (চীনা অনুপ্ৰৱেশকাৰীৰ নাম) লোকসকলক খেদি পঠিয়াই দেশখনত নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।

আকৌ তাইসকলৰ আদি মূল মংগোলীয় বুলি কৰা ধাৰণাটো লা ক'পাৰিৰ এই মতবাদৰ পৰা সৃষ্টি হৈছে বুলি ক'ব পাৰি। কিন্তু লা ক'পাৰিৰ এই তত্ত্বটো প্ৰত্যাহ্বান জনাইছে (B.J. Terwil) টেৰৱেইলে। তেওঁ কৈছে, "এই

কলনীবোৰত তাইসকল আছিল নে নাছিল সেই লৈ লেখক নিশ্চিত নহয়। তেওঁ কেৱল মতবাদটো জনপ্ৰিয় কৰাৰ বাবেই তাইসকলৰ আদি মুল মংগোলীয় বুলি এটা জনৰৱ সৃষ্টি কৰিব বিচাৰিছে।"

Rev. William Clifton Dodd নামৰ এজন মাৰ্কিন মিছনেৰীয়ে মিছনৰ কামত দীৰ্ঘদিন থাইলেণ্ডত থাকি, বিভিন্ন মানুহৰ লগত কথা-বতৰা পাতি, বিভিন্ন জনগোষ্ঠীৰ ভাষা আৰু সংস্কৃতিলৈ লক্ষ্য ৰাখি আৰু মিছনেৰী, ব্ৰিটিছ আৰু ফৰাচী পণ্ডিসকলৰ প্ৰবন্ধ-পাতি অধ্যয়ন কৰি কৈছিল যে তাইসকল হ'ল চীনৰ আটাইতকৈ প্ৰাচীনতম অধিবাসী আৰু চীনৰ বুৰঞ্জীত তেওঁলোকক তামাং আই-লাও আৰু সততে দক্ষিণৰ বৰ্বৰ জাতি হিচাপে উল্লেখ কৰা হৈছে।

প্ৰাচীন বুৰঞ্জীত তাইসকলক 'লাও' হিচাপে অভিহিত কৰা হৈছে। চীনাসকলৰ সৈতে সততে হৈ থকা সংঘৰ্ষৰ বাবে এওঁলোক ক্ৰমাৎ দক্ষিণ অঞ্চললৈ গৈ বসতি বিস্তাৰ কৰে। তাইসকলৰ বহুবাৰ প্ৰব্ৰজন হৈছিল আৰু প্ৰতিবাৰেই তেওঁলোক দক্ষিণলৈ ভটিয়াই গৈছিল। অৱশেষত কুবলাই খানৰ নেতৃত্বত মংগল সকলে এই তাইসকলক দক্ষিণৰ পৰাও খেদি পঠিয়ায়। দদে আৰু কৈছে যে বৰ্তমানৰ তাইসকল হ'ল পশ্চিমৰ 'শ্বান' আৰু দক্ষিণৰ 'শ্যাম' লোক আৰু এওঁলোক বিষুৱীয় অঞ্চলৰ আদিম বাসিন্দা নহয়। আনহাতে তেওঁলোকে ২২০০ খ্ৰীষ্টপূৰ্বৰ পৰা ১২৩৪ খ্ৰীষ্টপূৰ্বলৈকে উত্তৰৰ নাতিশীতোষ্ণ অঞ্চলত কেতবোৰ শক্তিশালী ৰাজ্য গঠন কৰি বসতি কৰিছিল। দদৰ মতে তাইসকলৰ মূল হ'ল মংগোলীয় আৰু চীনা সকলৰ সৈতেও তেওঁলোকৰ ওচৰ সম্পৰ্ক আছে। তেওঁ উল্লেখ কৰিছে যে চীনা বুৰঞ্জীত 'মহান পুৰুষ' হিচাপে আখ্যা দিয়া হৈছে।

দৈহিক গঠন আৰু ভাষাগত মিললৈ লক্ষ্য কৰি ফ্ৰা চাৰছাছ (Phra Sarasas) নামৰ এজন থাই পণ্ডিতে কৈছে যে চীনা আৰু তাইসকল একে জনগোষ্ঠীয় মূলৰ লোক। এই মতবাদ অনুসৰি চীনা আৰু তাইসকল ভাই-ককাই। এইজনা পণ্ডিতৰ মতে চীনৰ আদিমতম সভ্যতা আছিল তাই সভ্যতা। পূৰ্বতে চীনত ১২ খন ৰাজ্য আছিল আৰু পাচত ইয়াৰ সংখ্যা হ্ৰাস হৈ ৯ খন

হ'ল। এই নখন ৰাজ্যৰ ভিতৰত মাত্ৰ এখনতহে চীনাসকল আছিল আৰু বাকী সকলোতে তাইসকলে আধিপত্য বিস্তাৰ কৰিছিল।

যদিও চীনৰ এই সম্পৰ্কীয় তথ্য-পাতিৰ ভিত্তিত হানসকলৰ বাদে চীনত শাসন চলোৱা সকলো ৰাজবংশকে 'তাই' বুলি অভিহিত কৰা হৈছে, তথাপিতো এই তথ্য-পাতিসমূহ কিমান নিৰ্ভৰযোগ্য সেয়া সন্দেহৰ উৰ্ধত নহয়। পণ্ডিত ম'টেই (Mote) কৈছে যে টেৰিয়েন আৰু ককৰেইনৰ দৰে লেখকে চীনৰ হান জনগোষ্ঠীটোৰ বাদে সকলোকে 'তাই' জনগোষ্ঠীৰ মৰ্যাদা দিবলৈ চেষ্টা কৰিছে। এই ক্ষেত্ৰত তাইমাং আৰু আই-লাওৰ প্ৰসংগ অনাটো একেবাৰেই সহজ। কিয়নো এওঁলোকে প্ৰথমে য়াং ট্ৰেজে (Yangtse) নদীৰ দক্ষিণত আৰু পাচলৈ নান চাউৰ য়ুনান সাম্ৰাজ্যত আধিপত্য বিস্তাৰ কৰিছিল। টেৰিয়েনে তাইসকলৰ দৈহিক অৱয়ব সম্পৰ্কত দিয়া বৰ্ণনা (তাকো খ্ৰীষ্ট জন্মৰ বিশ শতিকাৰ আগত) আৰু এই জনগোষ্ঠীক চীনৰ 'পা' জনগোষ্ঠী হিচাপে পৰিচয় দিব বিচৰা মতবাদ আধুনিক পণ্ডিতসকলে একেমুখে অগ্ৰাহ্য কৰিছে।

## তাই জনগোষ্ঠী : অভ্যুত্থান আৰু প্ৰব্ৰজন

ওপৰত কৈ অহা হৈছে যে তাইসকল মংগোলীয়ান মূলৰ বুলি পতিয়ন যাব পৰাকৈ বুৰঞ্জী বা পুৰাতত্ব বিদ্যাত কোনো নিৰ্ভৰযোগ্য সমল বিচাৰি পোৱা নাযায়। তদুপৰি তাইসকলে মংগোলীয়াৰ এহাজাৰ মাইল আশে-পাশে অথবা আলটাই পৰ্বতত বাস কৰাৰো কোনো নিৰ্ভৰযোগ্য তথ্য নাই। দ্বিতীয়তে তাইসকলৰ বসতিস্থল হ'ল গ্ৰীষ্ম প্ৰধান আৰু বৰ্ষাকালীন শস্য গজা ভূমিখণ্ডহে। তেওঁলোকৰ পৰম্পৰাগত ঘৰবোৰ ওখকৈ সজোৱা হয়। গতিকে উত্তৰ চীন বা মংগোলীয়াৰ দৰে মৰুভূমি সদৃশ জলবায়ুত তাইসকলে কোনো পধ্যেই বসতি স্থাপন কৰিব নোৱাৰে। তাই আৰু এষ্ট্ৰ-এচিয়ানসকলৰ দৈহিক গঠন আৰু বংশানুক্ৰমিকতালৈ লক্ষ্য কৰা পণ্ডিত সকলে মানি ল'বলৈ বাধ্য হৈছে যে তাইসকলৰ সৈতে চীনাসকলৰ নহয়, এষ্ট্ৰ-এচিয়ানসকলৰহে কায়িক সাদৃশ্য আছে।

অষ্টমৰ পৰা ত্ৰয়োদশ শতিকাৰ ভিতৰত নান চাউৰ (Nan Chao) য়ুনান সাম্ৰাজ্যৰ কথা আলোচনা কৰিবলৈ গ'লেই তাইসকলৰ প্ৰসংগ আহি

পৰে। এই নান চাউখন তাই সাম্ৰাজ্য আছিল বুলি কৰা ধাৰণাটো শেহতীয়াভাৱেহে প্ৰতিষ্ঠা কৰা হৈছে। বোধকৰো পৰিভ্ৰমী ইউৰোপীয়ান বুৰঞ্জীবিদসকলেহে এই শতিকাৰ মাজভাগত এই ধাৰণাটো সত্য বুলি প্ৰতিপন্ন কৰিব বিচাৰিছে। আনহাতে প্ৰিন্স ডেমৰঙে (Prince Damrong) এই ধাৰণাটো সত্য বুলি মানি ল'বলৈ অস্বীকাৰ কৰিছে। ১৯১৪ চনতে তেওঁ লিখিছে যে ইউৰোপীয়ান বুৰঞ্জীবিদসকলেহে তাইসকলক নান চাউৰ বাসিন্দা বুলি ধাৰণা দিবলৈ চেষ্টা কৰিছে। কিন্তু ইয়াৰ কোনো ঐতিহাসিক সমল পোৱা নাযায়।

১৮৮৫ চনত লা ক'পাৰিয়ে লিখা The Cradle of the Shan Race শীৰ্ষক প্ৰবন্ধত কোৱা হৈছিল যে 'নান চাউ' সাম্ৰাজ্যখন থাইসকলে স্থাপন কৰিছিল। তেওঁৰ এই নতুন তত্ত্বটোৰ সুদূৰপ্ৰসাৰী প্ৰভাব পৰিছিল আৰু আনকি থাইলেণ্ড আদি দেশৰ পাঠ্যপুথিটো এই তত্ত্বটোৱে ঠাই পাইছিল।

চীন দেশৰ ঝাং জিল নামৰ এজন ইতিহাসবিদে কৰা এলানি অনুসন্ধানৰ অন্তত ঠাৱৰ কৰিছে যে ডালি আৰু আৰহাই (Erhai) হ্ৰদ এলেকাত বসতি কৰা বাই জনগোষ্ঠীৰ লোকসকলৰ লগত টাং আৰু চাং ৰাজবংশৰ দিনত নান-চাউ আৰু ডালিত বসতি কৰা বাইমান (বা হেমান বা এৰ্‌হামান) লোকসকলৰ ওচৰ সম্পৰ্ক আছে। অন্য কথাত নান চাউ আৰু ডালি সাম্ৰাজ্যৰ হেমানসকলেই বাই জনগোষ্ঠীৰ পূৰ্বপুৰুষ। তেওঁলোকে প্ৰায় এহেজাৰ বছৰ ধৰি দক্ষিণ-পূব চীনৰ সীমান্ত এলেকাত বসতি কৰি আহিছে আৰু এই এলেকাৰ অৰ্থনীতি আৰু সংস্কৃতিলৈ এওঁলোকে অৰিহণাও যোগাইছে। নান-চাউৰ প্ৰায়সংখ্যক উচ্চপদস্থ বিষয়াই বাইমান গোষ্ঠীৰ লোক। সেইদৰে ডালি সাম্ৰাজ্যৰ ৰজা আৰু পাৰিষদবৰ্গও এই একে জনগোষ্ঠীৰ লোক। তেওঁ আৰু কৈছে যে এই জনগোষ্ঠীৰ সৈতে থাই জনগোষ্ঠীৰ লোকসকলৰ বুৰঞ্জী, ভাষা, পৰম্পৰা আৰু ধৰ্মৰ বহু পাৰ্থক্য আছে। গতিকে ঝাং জিল'ই মন্তব্য কৰিছে যে নান চাউ সাম্ৰাজ্য থাইসকলে স্থাপন কৰা নাছিল। তেওঁৰ এই মতবাদ অন্য এজন চীনা পণ্ডিত হু হৰা ছেঙেও সমৰ্থন জনাইছে। ছেঙে কৈছে যে তাইসকল নান-চাউত বাস কৰা

লোকসকলতকৈ সাংস্কৃতিকভাৱে সম্পূৰ্ণ পৃথক। তেওঁ কৈছে যে তাই বা ডাই সকলে এই নান-চাউ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল বুলি কৰা ধাৰণাটো একেবাৰে সত্য নহয়।

চীনৰ কুনমিঙত অনুষ্ঠিত তাই ছাত্ৰসকলৰ চতুৰ্থ আন্তৰ্জাতিক সমাবৰ্তনত (১৯৯০) বহুসংখ্যক চীনা আৰু তাই পণ্ডিতে মত প্ৰকাশ কৰিছিল যে নান ঝাওত তাইসকলৰ কোনো অস্তিত্বই নাছিল। য়ুনানৰ ছেন লুফাৰ (Chen Lu-far) নেতৃত্বত অহা এই পণ্ডিতসকলে কৈছিল যে তাইসকলৰ মূল নান-চাউ বুলি কৰা ধাৰণাটোৱেই ভুল আৰু বিভ্ৰান্তিকৰ। আনহাতে, বাৰ্লিয়ে (Jean Barlic) তাইসকলৰ মুল নান-চাউ বুলি দৃঢ়তাৰে ক'ব বিচাৰিছে। তেওঁ কৈছে, "বহু কেইজন চীনা পণ্ডিতে প্ৰাচ্যৰ বুৰঞ্জীবিদসকলে নান ঝাও (নান চাও)ত তাইসকলৰ অস্তিত্ব সম্পৰ্কে ভুল মন্তব্য কৰা বুলি উল্লেখ কৰিছে। কিন্তু মই কৈছো, হয়, এই নান ঝাও (নান চাও) আছিল তাই সাম্ৰাজ্য। ১৯৬০ চনতেই 'এচচিয়েছন অৱ হিষ্ট্ৰিয়ানছ অৱ এচিয়াৰ' হংকংত হোৱা অভিবৰ্তনত এই ঠাইত তাইৰ অস্তিত্ব নথকাৰ বিষয়টো আলোচনা কৰা হৈছে। তেতিয়াৰ পৰাই ছেন লুফান, হোৱাং হুইকান (Huang Hui Kun) আৰু চাৰ্লছি কেবাছে নান ঝাওত তাইসকলক অস্তিত্বহীন বুলি মন্তব্য কৰি আহিছে। কিন্তু মই দৃঢ়ভাৱে বিশ্বাস কৰো যে এইখন তাই ৰাজ্য আছিল। উদাহৰণ স্বৰূপে ছেন লুফানে পূৰ্বৰ বাই মতবাদকে সমৰ্থন জনোৱা পৰিলক্ষিত হৈছে। সেইদৰে কেবাছেও তাই সম্পৰ্কত চীনাসকলে চৰকাৰীভাৱে কৰা মতবাদকেই নিজৰ ভিত্তি হিচাপে বাছি লৈছে। মই এই কথা মানি লওঁ যে তাইসকলৰ সৈতে বাইসকলৰ ভাষাগত মিল আছে। কিন্তু এইসকল পণ্ডিতে য়ুনানত নৃতত্ব বিদ্যাৰ সকলো ধৰণৰ অধ্যয়ন আৰু গৱেষণাত হেঙাৰহে সৃষ্টি কৰিছে।"

টাং বুৰঞ্জীয়ে আকৌ অন্য এটা তথ্য দিব বিচাৰিছে। ৮২৪ খ্ৰীঃ পূঃৰ পৰা ৮৩৫ চনৰ ভিতৰত উত্তৰ ভিয়েটনামৰ নাং (নং) এ বহুবাৰ নান ঝাওৰ পৰা সহায় বিচাৰিছিল। এই কথাই পশ্চিমাঞ্চলৰ তাই আৰু পূৰ্বাঞ্চলৰ তাইৰ মাজত থকা সম্পৰ্কৰ কথাৰেই ইংগিত বহন কৰে। এই সামৰিক আৰু সাংস্কৃতিক

সম্পৰ্কৰ কথাই প্ৰমাণ কৰে যে নান ঝাওত এসময়ত তাইসকলৰ আধিপত্য আছিল। য়ুনান আৰু নান ঝাওত তাইসকলৰ বাদে অন্য কোনো জনগোষ্ঠীয় শক্তিয়ে এনেধৰণৰ ৰাজনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক স্থাপন কৰাৰ বাবে সক্ষম নাছিল। নান ঝাওৰ তাইসকলৰ সামৰিক-সামাজিক-ৰাজনৈতিক-সংগঠনৰ সৈতে অসমৰ আহোমসকলৰ সামৰিক আৰু ৰাজনৈতিক সংগঠনৰ বহু সাদৃশ্য লক্ষ্য কৰা যায়। অন্য এটা উল্লেখনীয় দিশ হ'ল নান ঝাও আৰু আহোম দুয়োটা গোষ্ঠীয়েই যুদ্ধসমূহত কাঁড়ী, পাইক আৰু হাতীৰ ব্যৱহাৰ কৰিছিল।

অৱশ্যে তাইসকলৰ আত্মিক বিকাশ দেৰিকৈ হৈছিল। সেই হেতুকে নান ঝাওত তাই নামটো পৰিদৃষ্ট হোৱা নাছিল। ডালিৰ দক্ষিণে বসবাস কৰা শ্বান বা লাও (এওঁলোকক সচৰাচৰ মান বুলিয়েই জনা যায়) সকলে ষষ্ঠ বা অষ্টম সাম্ৰাজ্য মেংগেছে স্থাপন কৰিছিল। কিন্তু অন্য বাই বা ৰি জনগোষ্ঠীৰ লোকসকলে তাইৰ দৰে শক্তিশালী সামাজিক-সাংস্কৃতিক গাঁথনিৰ ৰাজনৈতিক ব্যৱস্থা গঢ় দিব পৰা নাছিল। তাই সকলৰ প্ৰায় ৫০ হাজাৰৰ বিশাল সেনা বাহিনীয়ে ভিয়েটনামত পদাৰ্পণ কৰিছিল আৰু ছান ঝাও বসতি কৰা অন্য জনগোষ্ঠীসমূহৰ বাবে ই আছিল দুৰূহ কাম।

য়ুনান ইন্সটিটিউট অৱ চাউথ ইষ্ট এচিয়াৰ প্ৰখ্যাত গৱেষক ছেং টিপেনে ১৯৯৩ চনত স্বীকাৰ কৰিলে যে নান ঝাওত পূৰ্বতে তাইসকলৰ আধিপত্য আছিল। ইয়াৰ পূৰ্বে তেওঁ লিখা নিবন্ধসমূহত নান ঝাওত তাইৰ অস্তিত্ব নাই বুলি কৈ এই ৰাজ্যখন বাইসকলৰ অধীনত আছিল বুলি উল্লেখ কৰিছিল। ১৯৯৩ চনত বাৰ্লিয়ে মেং ৰাজবংশৰ সামন্ত ৰাজ্য মানচে্ত তাই জনগোষ্ঠীৰ আধিপত্য থকা বুলি লেখা প্ৰবন্ধই এই সম্পৰ্কীয় গৱেষণাৰ এক নতুন মাত্ৰা প্ৰদান কৰিছিল। তেওঁৰ মতে মানচেৰ ৰজা গে লুবাফো আছিল বাই বা ৰি পৰিয়ালৰ উত্তৰাধিকাৰী আৰু তেওঁৰ ৰাজনৈতিক আৰু সামৰিক ব্যৱস্থাও বাইসকলৰ সৈতে একে আছিল।

আনহাতে কাদাইসকলৰ বুৰঞ্জী অধ্যয়ন কৰিলে এক নতুন বিষয় লক্ষ্য কৰা যায়। কাদাইসকলৰ সৈতে থাইসকলৰ সংযোগ বহুতৰপীয়া। এই মতে প্ৰাচীন থাই, কাদাই আৰু ইণ্ডোনেচিয়ান জনগোষ্ঠীসমূহৰ মাজত

ওচৰঘৰীয়া সম্বন্ধ আছে। কিন্তু তাইসকলক ভাষাগত আৰু নৃতত্ত্বগতভাৱে- চীন, ইণ্ডিয়ান মূলৰ বুলি ক'ব নোৱাৰি। চীনা বা তিব্বতীয় বৰ্মনসকলতকৈ তাইসকলৰ সৈতে কাদাই আৰু ইণ্ডোনেচিয়ান সকলৰ সৈতেহে বংশানুগত সম্পৰ্ক আছে। কিন্তু এই অনুক্ৰম চীনাৰ প্ৰভাৱত পৰি সাংঘাতিক ধৰণেৰে পৰিবৰ্তন হৈছে। শব্দগত বৈশিষ্ট্যও চীনা আৰু তাইসকলৰ মাজত তেনেই সীমিত, মাত্ৰ কেইটামান শব্দৰ মিল থাকিলেও সেয়া বংশানুক্ৰমিক সাদৃশ্য বুলি ধৰা নাযায়। আনহাতে তাইসকলৰ সৈতে ইণ্ডোনেছিয়ানসকলৰ শব্দগত মিল দেখাৰ। বেন'ডিক্ট নামৰ (Paul K. Benedict) পণ্ডিত গৰাকীয়ে কৈছে যে যদিও তাইসকলৰ সৈতে ইণ্ডোনেছিয়ান সকলৰ পোনপটীয়া সংযোগ ঠাৱৰ কৰিব নোৱাৰি, তথাপিতো কাদাইসকলৰ লগত যোগসূত্ৰৰ কথা নিশ্চিতভাৱে ক'ব পাৰি।

বেনেডিক্টে আৰু কৈছে যে স্বৰ সম্বন্ধীয় বৈশিষ্ট্যৰ ক্ষেত্ৰটো তাই আৰু ইণ্ডোনেছিয়ান সকলৰ মাজত সাদৃশ্য লক্ষ্য কৰা যায়। চেইডেনফাদেন নামৰ (Erik Seidenfaden) নামৰ আন এজন বুৰঞ্জীবিদেও কৈছে যে তাইসকল কোনো কাৰণতে চীনাসকলৰ সম্পৰ্কীয় নহয়। তেওঁ কৈছে যে য়ুনানৰ কোনো এঠাইত তাইসকলে কাদাই-ইণ্ডোনেছিয়ানসকলৰ পৰা পৃথক হৈছিল। ক্ৰেডনাৰে (Crednar) ১৯৩৫ চনতে য়ুনানত চলোৱা অধ্যয়নৰ অন্তত মন্তব্য কৰিছে যে চীনৰ দক্ষিণাঞ্চলতেই তাইসকলৰ অভ্যুত্থান হৈছিল। তেওঁ যুক্তি দিছে যে তাইসকলৰ আবাসভূমি বিষুৱীয় অঞ্চল হ'বই লাগিব, য'ত প্ৰচুৰ পৰিমাণে ধান উৎপন্ন হয়; কিয়নো এই ধান বা চাউল এওঁলোকৰ প্ৰধান খাদ্য। তাইসকলৰ বিষুৱীয় অঞ্চললৈ বা য়ুনানৰ সমতল ভূমিলৈ প্ৰব্ৰজন উত্তৰ ফালৰ পৰা হোৱা নাছিল, পূৰ্বৰ আৰ্দ্ৰভূমি আৰু দক্ষিণ চীনৰ উপকূলৰ পৰাহে এই প্ৰব্ৰজন হৈছিল।

বৰ্তমান তাই সম্পৰ্কীয় অধ্যয়ন আৰু গৱেষণাত ছেজুৱান আৰু য়ুনানক তাইসকলৰ আদিমতম বাসস্থান বুলি ধাৰণা কৰাৰ বিপৰীতে উপকূল অঞ্চলসমূহৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা দেখা গৈছে। এই উপকূলসমূহত এসময়ত বসবাস কৰা য়েহ নামৰ জনগোষ্ঠীটোৰ প্ৰতি গৱেষকসকলৰ দৃষ্টি নিবদ্ধ হৈছে।

বেনেডিক্টে তেওঁৰ ভাষা তত্ত্বত তাইসকলক কাদাই আৰু ইণ্ডোনেছিয়ান মূলৰ বুলি উল্লেখ কৰি কৈছে যে এই তিনিওটা ভাষাৰ লোকৰ বিচ্যুতিৰ স্থান হ'ল কাদাইসকলৰ বৰ্তমানৰ বাসস্থান য়ুনান বুলি সমিধান দিছে। তেওঁৰ মতে এই য়ুনানেই হ'ল তাইসকলৰ আদিমতম বাসস্থান।

ছ্যু-ফান্-চিহৰ বিভিন্ন তথ্য-পাতি পৰীক্ষা কৰি তাইসকলৰ অভ্যুত্থান সম্পৰ্কে কোনো মত নিদি গৱেষক লুইচে (Louis) কৈছে যে তাইসকল ভাৰত-চীনলৈ আহিছিল উত্তৰ পূব (কোৱাংচি -বা উজনি টন্‌কিং সীমান্ত) ফালেদিহে, উত্তৰ পশ্চিম দিশেৰে নহয়। মটে (Mote) নামৰ এজন চীনা পণ্ডিতে কৈছে যে কোৱাংচি টন্‌কিং সীমান্তইদি তাইসকলৰ অনুপ্ৰৱেশ হৈছিল বুলি পতিয়ন নিয়াৰ পৰাকৈ যথেষ্ট ঐতিহাসিক সাক্ষ্যৰ অভাৱ। তাইসকল আদিতে টন্‌কিন্ অঞ্চলৰ বাসিন্দা আছিল। কিন্তু জনসংখ্যাৰ স্বাভাৱিক বৃদ্ধিৰ বাবে তেওঁলোকে নদীৰ উপত্যকাৰ ফালে ধাওনা হ'ল। তেওঁলোক কোৱাংচি প্ৰদেশৰ দক্ষিণাংশলৈ আগুৱাই আহিছিল। ব্ৰমান (Broman) নামৰ এজন পুৰাতত্ত্ববিদৰ মতে তাই সংস্কৃতি আৰু ভাষাৰ উৎপত্তি সম্পৰ্কে মন্তব্য কৰিবলৈ ভাল, কিন্তু তাই জাতিটোৰ উত্থান সম্পৰ্কে মতামত দিয়া কঠিন।তেওঁৰ মতে চীনাসকলৰ হেঁচাৰ ফলত তাইসকল সুসংগঠিত হ'ব লগা হৈছিল। প্ৰব্ৰজনৰ সময়ত শত্ৰুক প্ৰতিহত কৰিব পৰাকৈ তেওঁলোকে একোজন মুৰব্বীৰ অধীনত সমৰসজ্জাৰে সুসজ্জিত হৈ আহিছিল। শান্তিকালীন অৱস্থাত এই মুৰব্বীজনেই তেওঁলোকৰ ৰজা আৰু যুদ্ধকালীন অৱস্থাত তেওঁ সেনাধ্যক্ষ আছিল। তাইসকলে প্ৰতিৰক্ষাৰ বাবে চীনাসকলৰ সৈতে যুদ্ধ কৰিবলগা হৈছিল। আৰু আনহাতে তেওঁলোকে গমন কৰা ঠাইসমূহতো বসবাস কৰা জাতিসমূহক বশ মনাবৰ বাবে আক্ৰমণ কৰাৰ পথ বাছি লৈছিল। এই ৰণকৌশল তেওঁলোকে চীনাসকলৰ পৰা আয়ত্ত কৰিছিল। তেওঁলোকৰ সামৰিক কৌশল আৰু সংগঠন যিয়েই নহওক যুদ্ধৰ পদ্ধতিয়ে এটা কথা প্ৰমাণ কৰে যে তেওঁলোক অত্যন্ত যুদ্ধপ্ৰিয় আছিল। কেৱল

দক্ষিণ-পূব এচিয়ালৈ প্ৰব্ৰজন হোৱা সময়তে নহয়, তাইসকলৰ সমগ্ৰ বুৰঞ্জীয়ে এই কথাকেই প্ৰতীয়মান কৰি আহিছে।

সি যি কি নহওক তাইসকলৰ প্ৰব্ৰজনৰ মূল আৰু একমাত্ৰ কাৰণ আছিল এওঁলোকে হান জনগোষ্ঠীৰ আধিপত্য স্বীকাৰ কৰিবলৈ অমান্তি হোৱাটো। এই কাৰণৰ ব্যাখ্যা হৈছে মূলতঃ দুটা- প্ৰথমটো জনগাঁথনিগত আৰু দ্বিতীয়টো ৰাজনৈতিক। প্ৰথমতে খ্ৰীষ্টজন্মৰ আগৰ শতিকালৈকে হান জনগোষ্ঠীৰ জনগাঁথনিয়ে তাইসকলক প্ৰভাৱান্বিত কৰিব পৰা নাছিল যদিও এই শতিকাৰ শেষৰ ফালে জনসংখ্যা বৃদ্ধিৰ ফলত তেওঁলোকে বৰ্ষাকালীন শস্য উৎপাদন কৰি খাদ্যৰ চাহিদা পূৰণ কৰাটো প্ৰয়োজনীয় কথা হৈ পৰিছিল। ইয়াৰ বাবে তেওঁলোকে নদীৰ উপত্যকাৰ সমতল ভূমি বিচাৰি অগ্ৰসৰ হ'ব লগা হৈছিল। এনেদৰে অগ্ৰসৰ হওঁতে অন্যান্য জনগোষ্ঠীৰ মাজতো তাই সংস্কৃতি বিকশিত হৈ সমগ্ৰ দক্ষিণ-পূব এচিয়াতেই এক নতুন সাংস্কৃতিক ধাৰাৰ সৃষ্টি হৈছিল। ভাৰত চীন এলেকালৈ প্ৰব্ৰজন হওঁতে তেওঁলোকে বহুতো নদ-নদী পাৰ হৈ আহিছিল। মেকং আৰু চালুইন নদীৰ বাবে তেওঁলোকৰ গতিপথ সুগম হৈ পৰিছিল। মেকং পাৰ হৈ আহি তেওঁলোকে উত্তৰ থাইলেণ্ডত এখন সৰু ৰাজ্য প্ৰতিষ্ঠা কৰিলে আৰু ইয়াৰ পাচত চাউ ফ্ৰায়া নদীৰ পাৰত অন্য এখন ৰাজ্য প্ৰতিষ্ঠা কৰিলে। আনহাতে চালুইন নদীৰ উপত্যকালৈ প্ৰব্ৰজন হোৱা তাইসকলে শ্যান ৰাজবংশৰ আৰ্হিৰে শাসন পদ্ধতি আৰম্ভ কৰিছিল। মেকং নৈৰ উপত্যকালৈ প্ৰব্ৰজন হোৱা গোটটো কেইবাটাও ভাগত বিভক্ত হৈ মেকঙৰ দক্ষিণে টংকিনৰ চং শ্বু-থাই অঞ্চললৈ অগ্ৰসৰ হৈছিল। এই অঞ্চল উত্তৰ থাইলেণ্ডৰ দক্ষিণ-পশ্চিমত। অৱশ্যে তেৰশ শতিকাৰ পৰা তাইসকলৰ বুৰঞ্জীৰ সবিশেষ পোৱা যায়। তাই মুৰব্বীসকলে নদীৰ উপত্যকাসমূহত নিজৰ আধিপত্য সূচনা কৰিছিল আৰু এতিয়াৰ লাওৰ দেশৰ উত্তৰাঞ্চলত নিজৰ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। মেকঙৰ দক্ষিণাঞ্চলতো তেওঁলোকে খোপনি পুতি বহিছিল। সেই সময়ত উত্তৰ থাইলেণ্ডত থকা খেমৰ সাম্ৰাজ্যৰ সীমান্তৰ

দুৰ্বলচিতীয়া শাসনৰ বাবে তেওঁলোক ক্ৰমাৎ দক্ষিণলৈ আগুৱাই যাবলৈ সক্ষম হৈছিল। সোনকালেই তেওঁলোকে বৰ্তমানৰ থাইলেণ্ডত ৰাজনৈতিক আধিপত্য লাভ কৰিছিল। চিন্দুইন, ইৰাৱতী আৰু চিন্দুইনৰ উপত্যকাসমূহো ক্ৰমাৎ তেওঁলোকৰ অধীনলৈ আহিছিল আৰু এই বোৰ ঠাইত তেওঁলোকে এতিয়াও আধিপত্য বিস্তাৰ কৰি আছে। তাই লোকসকলৰ এতিয়া য'ত য'ত বাসস্থান আছে তালৈ তেওঁলোকৰ প্ৰব্ৰজন তেৰ শতিকাতহে হৈছিল। এওঁলোকৰ এটা গোষ্ঠী ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাৰুৱা অঞ্চলত আৰু আনটো কোৱাংচিৰ সমতলভূমিত এতিয়াও আধিপত্য বিস্তাৰ কৰি আছে।

তাইসকলে বাস কৰা ভূখণ্ড সমতলভূমি বুলিও ক'ব নোৱাৰি। উত্তৰ লাও আৰু উজনি বাৰ্মাৰ বেছিভাগ অঞ্চলেই ওখ পৰ্বত আৰু নদ-নদী, জান-জুৰিৰে পৰিবেষ্টিত আছিল। সেই কাৰণেই বোধকৰো এই অঞ্চললৈ পোনপটীয়াভাৱে তাইসকল আহিব পৰা নাছিল। তেওঁলোক চীন হৈহে ইয়ালৈ আহিব লগা হৈছিল। এই পৰ্বতবোৰৰ বাবে তেওঁলোক চীনলৈ পুনৰবাৰ উভতি যোৱাৰ ক্ষেত্ৰতো বাধাৰ সৃষ্টি হৈছিল।

কোৱাংচি উপত্যকা আৰু টংকিন্ উপত্যকাত বসতি কৰা তাইসকলৰ দুয়োটা ফৈদৰ মাজত কোনো যোগসূত্ৰ ৰক্ষা কৰা সম্ভৱ নহৈছিল। সেইদৰে লাও অঞ্চল, চিন্দুইন উপত্যকা, ইৰাৱতী উপত্যকাত বসবাস কৰা তাই ফৈদসমূহৰ মাজত যোগাযোগ বিচ্ছিন্ন হৈ পৰিছিল।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে তাইসকল দক্ষিণ-পূব চীনৰ উপকূলতে অভ্যুত্থান হৈছিল বুলি ধাৰণা কৰা মতবাদটো যুক্তিৰ আধাৰত প্ৰতিষ্ঠিত। তেওঁলোক চীনৰ আদিমতম ৰাজবংশ বুলি দিয়া মতবাদ বিশ্বাসযোগ্য নহয়। আধুনিক পণ্ডিতসকলৰ দৃষ্টিত তাইসকল প্ৰকৃততে ইয়াংচি নদীৰ উপত্যকাৰ বাসিন্দা আৰু এই উপত্যকাৰ জনজাতিসকলৰ সৈতে তেওঁলোকৰ ভাষিক আৰু সাংস্কৃতিক মিল আছে।

ব্ৰমানে উচিত ভাৱে কৈছে "পূৰ্বৰ ঐতিহাসিক পণ্ডিতসকলে থাই আৰু তাই সম্পৰ্কত দিয়া অভিমতসমূহ যুক্তিৰ আধাৰত প্ৰতিষ্ঠিত নহয় যেন লাগে। উনৈশ শতিকাৰ বুৰঞ্জীবিদসকলে এই মতবাদ আৰু ধ্যান-ধাৰণাসমূহ পোনছাতেই অগ্ৰাহ্য কৰিছে। ইউৰোপীয়ান পণ্ডিতৰ পৰা মিছনাৰীলৈকে এই সকলো লেখকেই তাইসকলৰ অতীতৰ গৰিমাহে বৰ্ণাইছে, বৰ্তমানৰ অস্তিত্ব সম্পৰ্কে একো তথ্য দিব পৰা নাই। দুৰ্ভাগ্যজনকভাৱে বৰ্তমানৰ বহু লেখকে এই লেখকসকলৰ মতবাদকে অনুসৰণ কৰি আহিছে।" এই একেদৰেই বহু লেখকেই তাইসকলক সুসভ্য আৰু চীনৰ ৰাজবংশ বুলি প্ৰচাৰ কৰি আহিছে। এনে ধৰণৰ মতবাদবোৰ সম্পূৰ্ণ বিভ্ৰান্তিকৰ।

প্ৰাচীন তাই ভাষা কোৱা লোকসকলৰ অধ্যয়নৰ পৰা এই কথা সুস্পষ্ট হৈ পৰিছে যে তেওঁলোকৰ পূৰ্বপুৰুষ হিচাপে খুন্‌লুং আৰু খুন্‌লাইক অভিহিত কৰা হয়। তাইসকলৰ শাস্ত্ৰটো ইয়াৰ উল্লেখ আছে। আহোমসকলৰ দেৱতাসকলৰ ভিতৰতো এওঁলোক অন্যতম। গতিকে এই কথাৰ পৰাই তাইসকলৰ আদিমতম বসতিস্থান ঠাৱৰ কৰিব পৰা যায়।

প্ৰাচীন শাস্ত্ৰমতে, স্বৰ্গৰ ৰজা লেংডনে খুন্‌লুং আৰু খুন্‌লাই নামৰ দুজন ৰাজকুমাৰক মন্ত্ৰী পাৰিষদৰে সৈতে সোণৰ জখলা দি পৃথিৱীলৈ পঠিয়াই দিছিল। সেইমতে খুন্‌লুং আৰু খুন্‌লায়ে সোণৰ জখলাৰে নামি আহি এখন জনশূন্য অঞ্চল মুংৰিমুংৰামত ভৰি দিছিলহি।

এই মুংৰিমুংৰাম হ'ল শ্বানসকলৰ মুংহি-মুংহাম। শাস্ত্ৰমতে এই মুংহি-মুংহাম স্বৰ্গৰ তলত থকা ঠাই। খুন্‌লুং আৰু খুন্‌লাই নামি অহাৰ পাচত ওচৰত বাস কৰা তাই মানুহখিনিয়ে তেওঁলোকক উষ্ণ আদৰণি জনাইছিল। ("এইবোৰ অতি প্ৰয়োজনীয় পৰামৰ্শ দি তোমালোকক স্বৰ্গৰ পৰা মই প্ৰেৰণ কৰিলো। তাইসকলক আগতেই প্ৰেৰণ কৰা হৈছে আৰু তেওঁলোক তাতেই আছে" এই বুলি স্বৰ্গৰাজ লেংডনে কোঁৱৰ দুজনক ক'লে।)

চেং উইত বৰ্ণনা কৰা মতে এই মুংৰিমুংৰামৰ অৱস্থান হ'ল মেকং নৈৰ পাৰত। ইয়াত কোৱা হৈছে যে মুংহি আৰু মুংহামৰ অৱস্থান হ'ল ছেংমাই প্ৰদেশৰ মংলা নামৰ ঠাইৰ প্ৰান্তত অৱস্থিত। ঐতিহাসিকভাৱে

মুংৰিমুংৰাম মংলা, মংয়ু, মংকাং আৰু মংপাৰে গঠিত আৰু ছিয়েংমাইৰ প্ৰান্তত অৱস্থিত।

গতিকে শাস্ত্ৰৰ ফালৰ পৰাও তাইসকলৰ আদিমতম বাসস্থান হিচাপে দক্ষিণ চীন বিশেষকৈ য়ুনানকেই দেখুওৱা হৈছে। আমাৰ মতে তাইসকলৰ উত্থান হৈছিল য়ুনানৰ দক্ষিণাঞ্চল, শ্যান ৰাজ্য আৰু উত্তৰ চিয়াম ৰাজ্যৰ এক অংশবিশেষত। নৃতাত্বিক দিশৰ পৰাই ইয়াৰ প্ৰমাণ আদিম মানৱৰ বাসস্থান হিচাপে পোৱা গৈছে। অৱশ্যে এই ক্ষেত্ৰত সৰ্বসম্মত সিদ্ধান্তত উপনীত হোৱাটো এতিয়ালৈকে সম্ভৱ হোৱা নাই।

### দ্বিতীয় অধ্যায়

# তেৰ শতিকাৰ কামৰূপৰ সামাজিক-ৰাজনৈতিক প্ৰেক্ষাপট আৰু চাওলুং ছ্যু-কা-ফাৰ আগমনৰ তাৎপৰ্য্য

চাওলুং ছ্যু কা-ফাৰ আগমনৰ পূৰ্বে পূব কামৰূপ জনজাতীয় ৰাজন্যবৰ্গৰ অধীনত আছিল।

চুতীয়া ৰাজ্য সোৱণশিৰী আৰু দিচাঙৰ পূৱফালে আৰু সম্ভৱ দিখৌ আৰু ব্ৰহ্মপুত্ৰৰ দাঁতিকাষৰীয়া কেইটামান অঞ্চল সামৰি শদিয়াত ৰাজধানী পাতিছিল। দিখৌৰ পশ্চিম দিশত কছাৰীসকলৰ অন্যতম এটা শক্তিশালী ডাল হিড়িম্বিয়াল কছাৰীসকলে ধনশিৰীৰ পাৰত ডিমাপুৰত ৰাজধানী পাতি ৰাজ্য শাসন কৰিছিল। হিড়িম্বিয়াল কছাৰীসকলৰ ৰাজ্য দিখৌৰ পূবৰ পৰা কলঙলৈকে বা ব্ৰহ্মপুত্ৰৰ দক্ষিণলৈকে আৰু ধনশিৰীৰ উপত্যকা আৰু উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চললৈকে সামৰি বিস্তৃতি লাভ কৰিছিল। কছাৰীসকলৰ আন এটা অন্যতম শক্তিশালী ডাল হ'ল ডিমাছা কছাৰীসকল। তেওঁলোক আজিৰ নামনি অসমৰ বড়ো কছাৰীসকলৰ পৰা সম্পূৰ্ণ পৃথক আছিল। ছ্যু-কা-ফাৰ সমসাময়িক ডিমাছা ৰজা-বিচাৰপটিফা শিৱ দেৱতাৰ পুত্ৰ বুলি খ্যাত আছিল। তেওঁৰ ৰাজ্য পূবে মহঙলৈকে আছিল কিন্তু ছ্যু-কা-ফাই বৰহাটৰ পূবে আৰু জয়পুৰৰ দক্ষিণে থকা পাহাৰীয়া অঞ্চললৈ খেদি পঠিয়াই তেওঁৰ ৰাজ্য অধিকাৰ কৰে।

চৰাইদেউৰ চুবুৰীয়া ৰাজ্য আছিল মৰাণ আৰু বৰাহী সকলৰ। তেতিয়া তেওঁলোকৰ মুঠ জনসংখ্যা আছিল প্ৰায় চাৰি হাজাৰ আৰু তেওঁলোকৰ ৰাজ্য চাৰিঙৰ দক্ষিণে আৰু কছাৰীসকলৰ ৰাজ্যৰ উত্তৰে আছিল। মৰাণ সকল

তেতিয়া উত্তৰে বুঢ়ী দিহিং, দক্ষিণে দিচাং, পূবে চক্ৰাই আৰু পশ্চিমে ব্ৰহ্মপুত্ৰই আগুৰি থোৱা অঞ্চলটো শাসন কৰিছিল । তেওঁলোক এই অঞ্চলটোতে সিঁচৰতি হৈ থকা স্বত্বেও তেওঁলোকৰ গোষ্ঠীপ্ৰধান বদৌচাৰ নেতৃত্বত কাকতলিত ৰাজধানী অৰ্থাৎ মুখ্য প্ৰশাসনীয় কেন্দ্ৰ হিচাপে লৈ সংঘবদ্ধ হৈছিল। ছ্যু-কা-ফাই একাংশ মৰাণৰ প্ৰচণ্ড বাধাৰ সন্মুখীন হ'ব লগাত পৰিছিল কিন্তু পিচলৈ তেওঁ বলপূৰ্বক দমন আৰু শান্তি প্ৰচেষ্টা উভয় নীতিৰে তেওঁলোকক জয় কৰিবলৈ সক্ষম হৈছিল। ছ্যু-কা-ফায়েই মৰাণ সকলক মটক নামেৰে অভিহিত কৰিছিল আৰু তাই ভাষাত মটকৰ অৰ্থ 'ক্ষমতাশালী মানুহ'।

আনহাতে পশ্চিম কামৰূপত উচ্চবৰ্ণ আৰু জনজাতীয় লোকৰ একপ্ৰকাৰ সু-সমন্বয়ৰ মন কৰিবলগীয়া ইতিহাস আছিল যদিও প্ৰাচীন অসমৰ (প্ৰাগ্‌জ্যোতিষ বা কামৰূপ) ইতিহাসৰ পুনৰ নিৰ্মাণৰ বাবে থকা আহিলাবোৰ বিভ্ৰান্তিকৰ আৰু অবিন্যস্ত; তথাপি ৰামায়ণ আৰু মহাভাৰতৰ পৰা জনা যায় যে প্ৰাচীন প্ৰাগ্‌জ্যোতিষ ৰাজ্য আধুনিক অসমৰ ভৌগোলিক পৰিমণ্ডলতকৈ ভালেখিনি বিস্তৃত আছিল আৰু নিশ্চিতভাৱে চিলেট ইয়াৰ অন্তৰ্ভূক্ত আছিল। ৰামায়ণৰ প্ৰসংগই দেখুৱাই যে প্ৰাগ্‌জ্যোতিষ ৰাজ্য দক্ষিণৰ সাগৰ পৰ্য্যন্ত বিস্তৃত আছিল। এই তথ্যটো মহাভাৰতেও সমৰ্থন কৰে ।

যি কি নহওক, প্ৰাচীন অসমৰ যথাৰ্থ ৰাজনৈতিক ইতিহাসৰ সূচনা হয় বৰ্মন বংশৰ ৰজাসকলৰ পৰা। নৰক ভগদত্তৰ বৰ্মন বংশৰ উত্তৰাধিকাৰী পুষ্যবৰ্মনেই এই বংশৰ প্ৰথমজন ৰজা। সেয়ে বৰ্মন বংশৰ আৰম্ভণি কমেও সম্ভৱতঃ খৃঃপূৰ্ব প্ৰথম শতিকাত। সেইফালৰ পৰা নৰক আৰু ভগদত্তই সেই সময়ত প্ৰকৃততে প্ৰথম ঐতিহাসিক ৰাজবংশৰ প্ৰতিষ্ঠা কৰে। সেই কালছোৱাৰ সকলোবোৰ শাসকেই পাল বংশৰ শেষলৈকে নৰক আৰু ভগদত্তৰেই উত্তৰাধিকাৰী আছিল। অৱশ্যে আমি প্ৰথম নৰক আৰু ভগদত্তৰ মাজৰ পোনপটীয়া সম্পৰ্ক চিহ্নিত কৰিব নোৱাৰো যদিও পিচৰজন সম্ভৱতঃ শেষৰজন নৰকৰ পুত্ৰ আছিল যিজন নৰক, নৰকে প্ৰতিষ্ঠা কৰা ভৌম বংশৰ দূৰসম্পৰ্কীয়। ইতিহাসত একাধিক নৰকৰ উল্লেখ পোৱা যায়, যাৰ মাজত কালিকা পুৰাণৰ

কিংবদন্তী পুৰুষ নৰকো অন্তৰ্ভূক্ত যিজন জনক আৰু বানাসুৰৰ সমসাময়িক আছিল।

খৃঃ পূঃ পঞ্চম শতিকাত কামৰূপত ৰাজত্ব কৰা ভূতিবৰ্মাৰ শাসন কালত, এই সীমান্ত অঞ্চলটোত বিভিন্ন গোত্ৰৰ প্ৰায় তিনিশ ব্ৰাহ্মণ বসতি স্থাপন কৰি আৰ্যীকৰণ কৰাৰ এক উল্লেখযোগ্য প্ৰচেষ্টা চলোৱাৰ তথ্যই এই জনা ৰজাৰ কাৰ্য প্ৰণালীৰ এটা আভাস দিয়ে। (প্ৰসংগ ভূতিবৰ্মাৰ বৰ গংগা শিলালিপি, হৰ্ষচৰিত, ভাস্কৰ বৰ্মাৰ নিধানপুৰ তামৰ ফলি)। ভৌম -নৰক বংশৰ বিভিন্ন শিলালিপি আৰু তামৰ ফলিবিলাকে স্পষ্ট কৰি দেখুৱায় যে স্থানীয় ৰজাসকল ভূমিপুত্ৰ জনজাতীয় ৰজা হ'লেও আৰু তেওঁলোকৰ প্ৰজাসকলৰো অধিকাংশই জনজাতীয় হোৱা স্বত্বেও তেওঁলোক বাৰুকৈয়ে আৰ্যীকৃত হৈছিল আৰু শিব দেৱতা আৰু দেৱী পাৰ্বতীৰ উপাসক হৈ পৰিছিল। তেওঁলোকে আনকি ভাৰতৰ অন্যান্য অঞ্চলৰ ব্ৰাহ্মণ সকলৰো পৃষ্ঠপোষকতা কৰিছিল। ভাস্কৰবৰ্মাৰ ৰাজত্ব কালতে গৌড় অধিকাৰ কৰা হৈছিল আৰু কামৰূপৰ হৃত গৌৰব কিছু পৰিমাণে উদ্ধাৰ হৈছিল (প্ৰসংগ ঃ ভাস্কৰবৰ্মাৰ নিধানপুৰ তামৰ ফলি) । তেওঁ ক্ষমতাশালী ৰজা হৰ্ষবৰ্দ্ধনৰ সৈতে মিত্ৰতা কৰিছিল যাৰ ফলত কণৌজৰ উচ্চবৰ্ণৰ লোকৰ সৈতে এটা যোগসূত্ৰ গঢ় লৈ উঠিছিল আৰু তেওঁলোকৰ বুজন এচাম আহি কামৰূপত বসবাস কৰিছিল। অসমলৈ ব্ৰাহ্মণসকল ঘাইকৈ নিজৰ উদ্যোগতেই আহিছিল আৰু কোনো কোনো ক্ষেত্ৰত ৰজাৰ আমন্ত্ৰণ ক্ৰমেও কিছুসংখ্যক আহিছিল যিসকলক অসমত থাকিবলৈ ৰজাই নমনীয় কেতবোৰ সা-সুবিধা দান কৰিছিল। তেৰ শতিকাৰ আগৰ অধিকাংশ লিপিয়েই ব্ৰাহ্মণ সকলক মাটি দান কৰা বিষয়ক আছিল। ব্ৰাহ্মণ সকলৰ উপৰিও ককেছিয় নৃগোষ্ঠীয় আন দুটা আৰ্য্য ভাষা ভাষী সম্প্ৰদায় কলিতা আৰু কায়স্থ সকলেও সম্ভৱতঃ খৃষ্টীয় শতিকাৰ আৰম্ভণি কালছোৱাত অসমলৈ প্ৰব্ৰজন কৰিছিল। যদিও কায়স্থ সকলতকৈ কলিতাসকল আগতেই অসমত প্ৰৱেশ কৰিছিল পুৰণি ইতিহাসত সেই কথাৰ উল্লেখ পোৱা নাযায়। যি কি নহওক কেতবোৰ প্ৰাচীন লিপিত 'কৰণ কায়স্থ' শব্দটো পোৱা

যায়। কলিতা সকলৰ বিষয়ে উল্লেখত বিলম্ব হোৱাৰ কাৰণ বোধহয় এইটোৱেই যে তেওঁলোক কায়স্থ সকলৰ দ্বাৰা পৰিবেষ্টিত হৈ আছিল। যি কি নহওক কলিতা সকলৰ প্ৰব্ৰজন সম্ভৱতঃ অতি প্ৰাচীন কালতেই হৈছিল আৰু তিব্বত বৰ্মী ভাষা গোষ্ঠীৰ (কিৰাট) মানুহৰ লগত তেওঁলোকৰ যোগসূত্ৰ আৰু তেজৰ সংমিশ্ৰণৰ ফলত ঘটা সামাজিক বিবৰ্ত্তনৰ মাজেদি তেওঁলোকৰ মাজত আৰ্য্য-অনাৰ্য্যৰ জনবিশ্বাস, আচাৰ-ব্যৱহাৰ আৰু জীৱন চৰ্যাৰ একপ্ৰকাৰ সমন্বিত সংস্কৃতি গঢ় লৈ উঠিছিল। তিব্বত বৰ্মী সকলৰ মাজত উল্লেখযোগ্য জনগোষ্ঠীবোৰ হ'ল কোঁচ (এওঁলোক হিন্দু ধৰ্মান্তৰিত কছাৰী), কছাৰী (বড়ো কছাৰী, ডিমাছা কছাৰী, সোণোৱাল কছাৰী, মেচ, ৰাভা আৰু অন্যান্য, চুতীয়া (হিন্দু ধৰ্মান্তৰিত কছাৰী), দেউৰী, মৰাণ, লালুং আদি। কায়স্থ বাৰভূঞা সকলো আছিল হিন্দু আৰু আৰ্যভাষাভাষী। ব্ৰাহ্মণ সকলে তেওঁলোকৰ লগত উচ্চ বংশজাত মানুহো লৈ আহিছিল যিসকলে তেওঁলোকক কেৱল খেতি বাতিতে নহয় পূজা পাতলৰ কামতো সহায় কৰিছিল। খৃঃ পূৰ্ব দ্বিতীয় সহস্ৰাব্দৰ আৰম্ভণিত যদিও ইণ্ডো এচিয়ান ভাষা-ভাষী মানুহৰ সংখ্যা আন ভাষা ভাষীতকৈ তুলনামূলকভাৱে কম আছিল; তথাপি উন্নতৰ ভাষা আৰু সমন্বয়মূলক সংস্কৃতিৰ প্ৰভাৱত তেওঁলোকে ইণ্ডো এচিয়ান অসমীয়া ভাষাক বাৰ শতিকাৰ আৰম্ভণি কালতেই গঢ় দিবলৈ সমৰ্থ হৈছিল। ড° সুনীতি কুমাৰ চেটাৰ্জীৰ ভাষাত " The steady Hinduisation of the Tibeto-Burman people during the ancient period brought about a Sanskritisatic of the local pre-Aryan names of both Sino-Tibe and Austric origin in bringing them in line Brahmanical Hindu notions and religious notio rent among the people Sacred place Hindu religious world were grad myths and legends which w Puranas. Indirect influence of the

evolution of late vedic and Brahmanical Hindu ritual can also be postulated in this way" সামৰণিত তেওঁ কৈছে যে "By the end of the early medieval period, i.e, by 1200 A.D. Assam meaning specially the plain lands watered by the Brahmaputra, definitely appears to have become a part of Aryan speaking India" এইদৰে পুৰণি কালতেই অসমীয়া ভাষাৰ বিকাশ ঘটে। চীনা পৰিব্ৰাজক হিউ-এন-চাঙে প্ৰথম ভাস্কৰবৰ্মাৰ ৰাজত্ব কালত কামৰূপ ভ্ৰমণ কৰিবলৈ আহি মন্তব্য কৰিছিল যে কামৰূপৰ মানুহৰ ভাষা মধ্য ভাৰতৰ ভাষাৰ লগত ভালেখিনি পাৰ্থক্য আছে। তেওঁ সম্ভৱতঃ কেইবা শতিকা মানৰ পিছত বিকশিত হোৱা প্ৰাক্ অসমীয়া ভাষা কামৰূপী প্ৰাকৃত ৰ কথাই কৈছিল যাৰ দৃষ্টান্ত পোৱা যায় সহযানী বৌদ্ধ সকলে খৃঃপূৰ্ব অষ্টম আৰু দ্বাদশ শতিকাত ৰচনা কৰা চৰ্যাগীত বোৰত। মোটামুটিকৈ দশম শতিকাৰ পৰা অসমীয়া ভাষাই সাহিত্য আৰু হিন্দু ধৰ্ম আৰু সংস্কৃতিৰ বাহক স্বৰূপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই কথাৰ সত্যতা পোৱা যায় চৈধ্য শতিকাৰ বৰাহী ৰজা মহামাণিক্যৰ শাসন কালত ৰচিত অসমীয়া ৰামায়ণৰ পৰা। এইদৰেই বিস্তৃতভাৱে ছু-কা-ফাৰ অসম আগমনৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া উমৈহতীয়া ভাষা হিচাপে প্ৰচলিত আছিল। স্থানীয় জনজাতীয় মানুহে নিজৰ নিজৰ দোৱান কৈছিল কিন্তু অসমীয়া ভাষাক উমৈহতীয়া যোগাযোগৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল। এইদৰেই অসমীয়া ভাষা জনসাধাৰণৰ এটা স্বতন্ত্ৰীয়া ভাষা হোৱাৰ উপৰিও বিভিন্ন জন গোষ্ঠীৰ মাজত যোগাযোগৰ মাধ্যম হৈ পৰিল।

ছু-কা-ফাই কামৰূপৰ সৌমাৰপীঠত (পাটকাই পৰ্বতমালা পাৰ হৈ অসমৰ পূবফালে) প্ৰবেশ কৰিয়েই লগ পোৱা প্ৰথম চাম মানুহেই আছিল মৰাণ আৰু বৰাহী জনগোষ্ঠীৰ লোক । বৰাহী কছাৰী মূলৰ ইন্দো- মংগোলীয় (Indo-Mongoloid) ঠালৰ আনহাতে মৰাণ হ'ল পুৰণি তাই । তেওঁলোক সীমান্তবাসী হোৱাৰ বাবে সম্ভৱতঃ পাৰ্বত্য সীমাৰ সিপাৰে পূব দিশত বসবাস

কৰা শ্যান (Shan) সকলৰ বিষয়ে জানিছিল আৰু সেইবাবে বিনা প্ৰতিবাদে ছ্যু-কা-ফাক তেওঁলোকৰ অধিপতি ( over lord) বুলি মানি লৈছিল। কছাৰীসকল সংখ্যাত বিপুল আৰু চৌদিশে ব্যাপ্ত হৈ আছিল, কিন্তু আহোমে স্বেচ্ছাই তেওঁলোকৰ আস্থাভাজন হ'বলৈ আগবাঢ়ি যোৱা নাছিল। চুতীয়া সকলৰো ক্ষেত্ৰত ছ্যু-কা-ফাই তেনে কৰা নাছিল। স্থানীয় জনগোষ্ঠী সমূহৰ লগত আহোমৰ সংযোগ স্থাপনত আটাইতকৈ ক্ৰিয়াশীল দিশটো আছিল যে স্থানীয় জনজাতীয় লোকে আহোম সকলক অতি সহজভাৱেই গ্ৰহণ কৰি লৈছিল আৰু ইয়াৰ পৰাই বুজিব পাৰি যে আহোমৰ খাদ্যাভাসৰ সৈতে প্ৰভূত সাদৃশ্য থকা মৰাণ আৰু বৰাহীসকল একেই জনজাতীয় লোক আছিল। তেওঁলোকে সাঁজ-পানী প্ৰস্তুত কৰিছিল, গো-মাংস বাদে সকলো ধৰণৰ খাদ্য গ্ৰহণ কৰিছিল। তেৰ শতিকাৰ আদি ছোৱাত কামৰূপৰ সেই অঞ্চলটোত ব্ৰাহ্মণ আৰু উচ্চ বৰ্ণসকলৰ আধিপত্য নাছিল বাবে তেওঁলোক গভীৰভাৱে হিন্দুকৃত হোৱা নাছিল। মৰাণ বা মটকসকল আদিতে তাইভাষী (ফু-কাও আন কাও) আছিল যদিও পিছত কছাৰীৰ লগত মিলি গৈছিল।

তেৰ শতিকাত, এই অঞ্চলৰ ভূমিপুত্ৰ সকলৰ ধৰ্ম-চৰ্চা মূলতঃ বিভিন্ন ৰূপ আৰু ভাৱমূৰ্ত্তিৰ শিৱ আৰু পাৰ্বতীৰ উপাসনা কেন্দ্ৰিক আছিল। পশ্চিম অসমত অৱশ্যে, তেতিয়া বৌদ্ধ ধৰ্মৰ বিকৃত চৰ্চা আৰু সহযানী বৌদ্ধসকল আছিল। মৰাণ, চুতীয়া, দেউৰী, কছাৰীসকল শিৱ আৰু দেৱী কেঁচাইখাতীৰ উপাসক আছিল; আনফালে অন্যান্য জনজাতীয় গোষ্ঠীয়ে শিৱ আৰু দেৱী পাৰ্বতীক বুঢ়া-বুঢ়ী (মৰাণ), শিৱৰায় হেৰেমেদী (ডিমাছা), ফা মহাদেউ-মহামায়া (তিৱা), শিৱ-পাৰ্বতী (দেউৰী), বাথৌ বৰাই-শিৰি (বড়ো), শিৱ-মহাকাল দুৰ্গা (ৰাজবংশী), লাংগা-কেঁচাইখাতী (ৰাভা), বাইথ বুঢ়ী (সোণোৱাল) আদি ভিন্ ভিন্ নামেৰে নামাঙ্কিত কৰিছিল। অসমৰ মানুহৰ ধৰ্মীয় বিশ্বাসৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো আছিল যে শিৱ আৰু দেৱী পাৰ্বতীৰ উপাসক সকলৰ মাজত কেতিয়াও কোনো কাৰণত সংঘাত সৃষ্টি হোৱা নাছিল। সেই সময়ত ভগৱান বিষ্ণুৰ নাম মানুহে নাজানিছিল, তেনেও

নহয়। বৰাহীসকলৰ মাজত শিৱ-পাৰ্বতীৰ লগতে বিষ্ণুৰ উপাসনাৰো প্ৰচলন আছিল। আচৰিত কথা নহয় যে মাধৱ কন্দলীয়ে ভগৱান ৰামক কেন্দ্ৰীয় চৰিত্ৰ ৰূপে লৈ অসমীয়া ৰামায়ণ ৰচনা কৰোতে ৰামচন্দ্ৰক ভগৱান বিষ্ণুৰ অৱতাৰ ৰূপত অংকন কৰিছে। কথিত আছে যে চৰাইদেউ বৰাহীসকলৰ উপাসনা-থলী আছিল আৰু সম্ভৱতঃ ৰজা প্ৰজা উভয়েই তাত ভগৱান বিষ্ণুৰ সন্তুষ্টিৰ অৰ্থে পূজা-পাতল দিছিল। ইয়েই তেৰ শতিকাতে বৰাহীসকল এটা পৰ্য্যায়লৈ আৰ্যীকৃত হোৱাটোকে সূচায়। কথিত আছে যে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বিষ্ণু উপাসনা প্ৰথাই এনে বিস্তৃতি লাভ কৰিছিল যে স্থানীয় ৰজা সকলে বিষ্ণুৰ কৃপা লাভ কৰিবলৈ ৰাজ্যৰ বাহিৰৰ ব্ৰাহ্মণসকলকো ভূমিদান কৰিছিল। হাবুং অঞ্চলৰ এই ব্ৰাহ্মণসকলে ৰচনা কৰা 'সত্যনাৰায়ণ ব্ৰত কথা'ই হেনো বংগ দেশৰ জনসমাজত অতিশয় জনপ্ৰিয়তা লাভ কৰিছিল। ইয়াৰ পৰা বুজিব পাৰি যে কামৰূপৰ অধিকাংশ জনজাতীয় জনগোষ্ঠীৰেই ধৰ্মবিশ্বাসত ভগৱান শিৱ আৰু দেৱী পাৰ্বতীয়ে মুখ্য স্থান অধিকাৰ কৰিছিল, যাক ভিন্ ভিন্ জনগোষ্ঠীয়ে সুকীয়া নামেৰে নামাঙ্কিত কৰিছিল । আনহাতে, ব্ৰাহ্মণ সম্প্ৰদায় আছিল উপাসনাৰ কট্‌কটীয়া হিন্দু প্ৰথাৰ অনুগামী আৰু তেওঁলোকৰ অধিকাংশই যিহেতু বংগদেশৰ পৰা প্ৰব্ৰজিত হোৱা সেইবাবে তেওঁলোকৰ ধৰ্ম-চৰ্চা ঘাইকৈ বংগীয় ব্ৰাহ্মণ্য উপাসনা প্ৰথাৰ দ্বাৰা প্ৰভাৱিত আছিল । জনজাতীয় পুৰোহিত শ্ৰেণীয়ে (Janthai)' শিৱ দেৱতা আৰু দেৱী পাৰ্বতীৰ উপাসনা তেওঁলোকৰ পৰম্পৰাগত ৰীতিৰে পৰিচালনা কৰিছিল আৰু কোনো কোনো জনগোষ্ঠীয়ে ছাগলী, কুকুৰা, হাঁহ আদি শিৱ দেৱতাৰ পূজাত বলিও দিছিল; তাৰ বিপৰীতে হিন্দু ব্ৰাহ্মণ্য বিধি অনুসৰি শিৱপূজাত বলি বিধান নিষিদ্ধ আছিল । তেৰ শতিকাত ধৰ্মীয় আদৰ্শ- ভ্ৰষ্টতাই এনে এক চৰম পৰ্য্যায় পায় যে স্থানীয় গোষ্ঠী প্ৰধান আৰু ৰজাসকলৰ পৃষ্ঠপোষকতাত দেৱী পাৰ্বতীৰ পূজাত নৰবলি পৰ্য্যন্ত দিয়া হৈছিল। প্ৰাপ্ত তথ্য মতে কুৰি শতিকাৰ পঞ্চাশৰ দশকলৈকে কেতবোৰ পৰ্বতীয়া জনজাতিৰ মাজত নৰবলিৰ প্ৰথা প্ৰচলিত

আছিল। এই কথাও সঁচা যে ৰামায়ণ আৰু মহাভাৰতৰ আখ্যান অসমৰ মানুহৰ মাজত জনপ্ৰিয় আছিল।

যি কি নহওক, পশ্চিম অসমৰ ব্ৰাহ্মণসকল সততে হিন্দু আচাৰ বিধি পালনত কঠোৰ পন্থী আছিল আৰু কামৰূপত প্ৰাচীন কালৰে পৰা ওঠৰ শতিকালৈকে প্ৰাধান্য বিস্তাৰ কৰা স্মৃতি-শাস্ত্ৰ সন্মত ধাৰাৰ (School) অনুগত দশ সংস্কাৰ অনুসৰণ কৰিছিল। ওঠৰ শতিকাত পূৱ অসমত এই ধাৰাটো ৰঘুনন্দন ধৰ্ম ধাৰাৰ প্ৰভাৱত প্ৰান্তীয় ধৰ্মীয় ধাৰালৈ পৰ্যবসিত হয় য'ত আহোমৰ ৰাজ পৃষ্ঠপোষকতা লাভ কৰা পৰ্বতীয়া আৰু মুকলিমূৰীয়া গোসাঁই পৰিয়ালৰ প্ৰভাৱো কিছু পৰিমাণে আছিল। তেৰ শতিকাত ছ্যু-কা-ফাৰ আগমনৰ সময়ত অসমৰ পূৱ -প্ৰান্তত ব্ৰাহ্মণ সম্প্ৰদায়ৰ পৰিয়াল প্ৰায় নাছিল বুলিলেও হয়। কঠোৰ পন্থী সকলৰ মাজত সন্তান জন্ম হোৱাৰ পৰা বিবাহ আৰু মৃত্যুলৈকে থকা সংস্কাৰমূলক অনুষ্ঠানবোৰৰ ক্ষেত্ৰত স্থানীয় মানুহৰ মাজত সন্তান জন্মক লৈ কোনোধৰণৰ সংস্কাৰমূলক উৎসৱৰ কোনো ধাৰণা নাছিল। কিন্তু কায়স্থ, কলিতা আদি সমাজত ব্ৰাহ্মণ সকলৰ দৰেই এই উৎসৱবোৰ পালিত হৈছিল। মৃত্যুৰ বেলিকা মৃতদেহ সমাধিস্থ কৰাৰ পৰিবৰ্তে দাহ কৰা হৈছিল। সকলো জনগোষ্ঠীৰ মাজতে শুচি কৰাৰ অনুষ্ঠান পালন কৰা হৈছিল। কিন্তু আহোমে আহি মৃতদেহ মৈদামত সমাধিস্থ কৰাৰ ৰীতি আৰু তাৰে সৈতে বিস্তাৰিত সংস্কাৰমূলক অনুষ্ঠানৰ ৰীতি প্ৰবৰ্তন কৰিলে। মৃতদেহ সৎকাৰৰ এই বিৰল পদ্ধতি ইজিপ্টৰ মামী পদ্ধতিৰ লগতহে তুলনীয়।

ছ্যু-কা-ফা পূৱ কামৰূপত প্ৰৱেশ কৰোতে তেওঁ লগত লৈ আহিছিল তাই সকলৰ ধৰ্মীয় বিশ্বাস। তেওঁলোকে পূৰ্বপুৰুষৰ উপাসনা ৰীতিও লগত লৈ আহিছিল । তেওঁলোকৰ মতে মৃত্যুৰ পিছত মানুহ ফি (God) হয়। হিন্দু, আনকি অসমৰ জনজাতি সকলৰ মাজত থকা পুনৰ জনমৰ বিশ্বাস তেওঁলোকৰ মাজত নাছিল। আহোম সকলে বিশ্বাস কৰা মতে মৃত্যু আৰু মে-ডাম-মে-ফিৰ পিছত ঢাপে ঢাপে মানুহ স্বৰ্গলৈ যায় আৰু স্বৰ্গত তেওঁলোক তেওঁলোকৰ আত্মীয় স্বজনৰ সৈতে বসবাস কৰে। ই আহোম সকলৰ এক অসাধাৰণ

বিশ্বাস। ধৰ্মীয় কাম কাজত আহোম সকলৰ প্ৰধান উপাস্য হ'ল লেংডন, লাংকুৰী, জাচিংফা, আই লেং দিন, খাওখাম, জানচাই হুং, লাউথ্ৰী, পুজাকজ্ঞি , চিত্‌লামচাম আদি। এই সকলৰ লগতে সূৰ্যদেৱতা (Khunban) আৰু চন্দ্ৰ-দেৱতাৰো (Khun-dun) স্থান আছে। আহোম সকলে এজন সৰ্ব্বশক্তিমান ঈশ্বৰকো বিশ্বাস কৰে (যাক তেওঁলোকে ফা তু চিং ফ্ৰম হুম বোলে) । আহোম সকলৰ ধৰ্মীয় উৎসৱ বিলাক আছিল উম্‌ফা, মে-ডাম মে-ফি, ফুৰালুং, ৰিক্‌খ্বন আদি। চোমদেউৰ বাহিৰে আহোম সকলৰ দেৱ-দেৱতাৰ মন্দিৰ নাছিল। চোমদেউ আহোম ৰজাৰ প্ৰধান উপাস্য বিগ্ৰহ আছিল আৰু কেৱল ৰজাইহে স্পৰ্শ কৰিব পাৰিছিল। ছ্যু-কা-ফাৰ লগতেই অসমলৈ বুঢ়া ডাঙৰীয়া আৰু পৰ্বত-পাহাৰ, নদ-নদী আদিৰ লগত জড়িত দেৱতা সকলৰ বিশ্বাস বা ধাৰণা আহে। সেই সময়ত অৱশ্যে আহোম সকল ব্ৰাহ্মণ সকলৰ সংস্পৰ্শলৈ অহা নাছিল আৰু সেই কাৰণেই আহোম আৰু হিন্দুসকলৰ দেৱ-দেৱীৰ চিনাক্তকৰণ কৰাৰ প্ৰচেষ্টাও নাছিল। সেই কাম আহোম ৰাজত্বৰ শেষৰ ফালেহে হয়। সেয়েহে ছ্যু-কা-ফাৰ সময়ত হিন্দু আৰু আহোমৰ ধৰ্মৰ মাজত কোনো ধৰণৰ সংঘাত সৃষ্টি হোৱা নাছিল আৰু স্থানীয় জনসাধাৰণে নিৰ্ভয়ে আৰু নিৰপেক্ষভাৱে নিজস্ব ধৰ্ম চৰ্চা কৰিব পাৰিছিল।

ছ্যু-কা-ফাৰ অন্য এক মহান অৱদান আছিল কৃষিক্ষেত্ৰত। ছ্যু-কা-ফা পানী খেতিৰ বিষয়ত অতিশয় দক্ষ আছিল। স্থায়ী কৃষি কাৰ্য্য আৰু বসবাসৰ বাবে ভূমি নিৰ্বাচন কৰোতে কেনেবোৰ দিশৰ ওপৰত গুৰুত্ব দিব লাগিব সেই সম্পৰ্কে তেওঁ যে ভালদৰে জানিছিল তাৰ প্ৰমাণ পোৱা যায় তেওঁ দিখৌ নৈৰ উজনি সোঁতৰ পানীৰ ভৰ দিখৌৰ ভটিয়নী সোঁতৰ পানীৰ ভৰৰ দুগুণ বুলি জুখি উলিওৱাৰ পৰাই। হাবুং, ডিমৌ, শিমলুগুৰি আদি প্ৰবাসলৈ যাওঁতে তেওঁ সকলো ঠাইতে থকা নাছিল। আৰু বোকাময় মাটি প্ৰত্যক্ষ কৰি তেওঁ টিমনত স্থায়ীভাৱে থকা নাছিল। কিয়নো তাত বানপানী হোৱাৰ সম্ভাৱনা দেখিছিল। সেই কাৰণে তেওঁ বানপানীৰ আশংকা নথকা প্ৰচুৰ কৃষিৰ উপযোগী মাটিৰে পৰিবেষ্টিত চৰাইদেউত স্থায়ীভাৱে বসবাস কৰিছিল। তেওঁ গছিকলা, বৰখোৱা

আৰু এঙ্গেৰাত মুঠ তিনিখন খাত (শস্য-পথাৰ) খুলিছিল। আৰু বহু সংখ্যক মৰাণক মাটি উলিওৱা কামত নিয়োগ কৰিছিল। সেইকালত পশ্চিম অসমৰ বাৰভূঞা আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বাদে অসমীয়া মানুহে শালি খেতিৰ পদ্ধতি নাজানিছিল। বাৰভূঞা সকলে পানী খেতিত গৰুৰে হাল বাইছিল, ম'হ ব্যৱহাৰ কৰা নাছিল আৰু জলসিঞ্চন পদ্ধতি সম্পৰ্কে জ্ঞাত নাছিল। ছ্যু-কা-ফাই দেখিলে যে সৌমাৰ পীঠত বাস কৰা মানুহবোৰে (মৰাণ, বৰাহী, কছাৰী, চুতীয়া, দেউৰী আদি) হালবাব নাজানিছিল আৰু জুই লগাই বৰোধান সিঁচি ঝুম খেতিহে কৰিছিল। তেওঁ দেখিছিল যে বৰাহী আৰু মৰাণ সকলে আহল বহলকৈ চোতাল ৰাখিছিল, ঘৰৰ চৌহদ চকুত লগাকৈ বেৰিছিল আৰু ছাগলী, গাহৰি, কুকুৰা, হাঁহ আদি পুহিছিল। কিন্তু তেওঁলোকে পানী খেতিৰ কৌশল নাজানিছিল। সেইবাবে তেওঁ পানীখেতিৰ পদ্ধতি আৰু এটি য়া ম'হেৰে হালবোৱা পদ্ধতি প্ৰৱৰ্ত্তন কৰিলে। তেওঁ লগত মাতৃভূমিৰ পৰা আঠায়ুক্ত ৰৰা ধানৰ সঁচ লৈ আহিছিল আৰু অসমতো ইয়াক প্ৰচলন কৰিলে। এই নতুন কৃষি পদ্ধতি মৰাণ আৰু বৰাহীসকলে অতি সহজেই গ্ৰহণ কৰি পানীখেতিৰ সূচনা কৰিলে। পূৱ অসমৰ ধানখেতিত ই এক বৈপ্লৱিক পৰিৱৰ্ত্তন আনিলে আৰু জলসিঞ্চন পদ্ধতিৰ লগতে সৰু সৰু আলি বান্ধি পথাৰত ডৰা ডৰাকৈ পানী খেতি কৰা পদ্ধতিয়ে স্থানীয় কৃষকৰ উদ্ভাৱনা শক্তিক জাগৰিত কৰি অতিশয় জনপ্ৰিয়তা অৰ্জন কৰিলে। পানী খেতিৰ উদ্দেশ্যেই তেওঁলোকে ম'হ আৰু গৰু পুহিবলৈ ল'লে কিয়নো স্থানীয় জনজাতীয় মানুহে ম'হ বা গৰুৰ গাখীৰ নাখাইছিল। এনেদৰেই ছ্যু-কা-ফাই পূৱ অসমৰ গ্ৰাম্য জীৱনৰ স্বৰূপ সলনি কৰি পেলালে আৰু জনসাধাৰণৰ এনে এক সবল জীৱিকাৰ পদ্ধতি প্ৰদান কৰিলে যি এক সমৃদ্ধিশালী অসমৰ বাট মোকলাই দিলে।

স্বৰ্গদেউ ছ্যু-কা-ফাই আৰু আনকি তেওঁৰ প্ৰধানমন্ত্ৰী বুঢ়াগোহাঁইয়ে প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি বৰাহী আৰু মৰাণ ছোৱালী বিয়া কৰাইছিল। অবিবাহিত সৈন্য সামন্তইও একে পথকে অনুসৰণ কৰিছিল আৰু বিৰিলাক স্থানীয় ছোৱালীয়ে আহোমৰ পাণি গ্ৰহণ কৰিছিল তেওঁলোকক ছ্যু-কা-ফাই

লগত অনা সঁচৰ মুগা পুহিবলৈ শিকাইছিল। গতিকে ছ্যু-কা-ফাৰ দিনৰ পৰাই অসমীয়া ৰেচম মুগা আৰু পাট প্ৰস্তুত কৰাৰ এটা সমৃদ্ধিশালী পৰিৱেশ অসমত গঢ় লৈ উঠিল। এনেদৰে গঢ় লৈ উঠিল যে আহোম ৰাজত্বৰ কালছোৱাত অসমীয়া মানুহে বাহিৰৰ পৰা সাজ-পোছাক আমদানি কৰাৰ প্ৰয়োজন হোৱা নাছিল। অসমত ৰেচম শিল্পৰ এক দৃঢ় ভেটি স্থাপিত হ'ল। এনে কথাও নহয় যে স্থানীয় লোক সকলে ৰেচম শিল্প সম্পৰ্কে জ্ঞাত নাছিল। দৰাচলতে বৰাহী, কছাৰী, দেউৰী, চুতীয়া আদি জনগোষ্ঠীবোৰে কপাহৰ সূতা আৰু সাজ-পোছাক বা এড়ী সূতা আৰু সাজ-পোছাক তৈয়াৰ কৰিব জানিছিল আৰু ছ্যু-কা-ফাই মুগা পলু আৰু মুগা সূতা প্ৰচলন কৰি ৰেচম শিল্পত আৰু এক মাত্ৰা সংযোজন কৰিছিল।

ছ্যু-কা-ফায়েই অসম আৰ্হিৰ ঘৰো প্ৰচলন কৰে। এই সম্পৰ্কে এটি আখ্যান পোৱা যায়। সেই আখ্যানটো হ'ল - এদিনাখন চুতীয়া সম্প্ৰদায়ৰ এজন লোকে আজি কালিৰ অসম আৰ্হিৰ দুখন এঢলীয়া চালৰ ঘৰৰ আকৃতিৰ চৰাইৰ সঁজা এটা লৈ ছ্যু-কা-ফাৰ ওচৰলৈ আহিল। সঁজাটোৰ আকৃতি দেখি ছ্যু-কা-ফাৰ পচন্দ হোৱাত ৰজা আৰু মন্ত্ৰী সকলৰ বাসগৃহৰ ক্ষেত্ৰটো সেই আৰ্হিকে মানি চলাৰ ৰীতি প্ৰচলন কৰিলে। তেওঁ নিৰ্দেশ জাৰি কৰিলে যে সাধাৰণ প্ৰজাই পূৰ্বাপৰ কৰি অহাৰ দৰেই এঢলীয়া ঘৰত বসবাস কৰিব। তেতিয়াৰ পৰাই ছ্যু-কা-ফা প্ৰৱৰ্ত্তিত নীতি অনুসৰি 'অসম আৰ্হিৰ ঘৰ'ৰ প্ৰচলন হয়।

ছ্যু-কা-ফাৰ ৰাজত্ব কালত পূব অসমৰ জনজাতীয় মানুহৰ মাজত কেঁচাইখাতী, শিৱ, বুঢ়া বুঢ়ী আদি দেৱ-দেৱীৰ পূজা উপলক্ষত হোৱা ধৰ্মীয় উৎসৱ-পাৰ্বনৰ উপৰিও শস্য তোলাক কেন্দ্ৰ কৰি বিভিন্ন সাংস্কৃতিক উৎসৱও পালিত হৈছিল। বিহু উৎসৱও স্থানীয় জনসাধাৰণৰ মাজত অনুষ্ঠুপীয়াকৈ উদ্‌যাপিত হৈছিল, কিয়নো কেৱল গীত আৰু নাচৰ মাজত্‌ ই সীমাবদ্ধ আছিল। স্থানীয় লোকে ডাণ্ডৰ আৰু দীঘল আকাৰৰ ঢোল বজাইছিল, কিন্তু আহোম সকলে মধ্যমীয়া আকাৰৰ ঢোলৰ প্ৰচলন কৰিলে আৰু কালক্ৰমত

এইবিধ ঢোলেই কেৱল জনপ্ৰিয় হোৱাই নহয় স্থায়ীত্বও লাভ কৰিলে। গৰু - বিহুও সম্ভৱতঃ ছ্যু-কা-ফায়েই অসমত প্ৰৱৰ্ত্তন কৰিছিল । উল্লেখযোগ্য যে উম্‌ফা, চোমদেউ পূজা আদিত ঢোল বজোৱাটো অপৰিহাৰ্য্য আছিল। হুচৰি গাওঁতে দীঘলীয়াকৈ আশীৰ্বাদ দিয়াৰ ৰীতিও সম্ভৱতঃ তাই ভাষাত আহোম সকলে দিয়া ৰীতিৰ পৰাই প্ৰচলিত হৈছিল। দৰাচলতে হুচৰি গোৱা ৰীতিও সম্ভৱতঃ আহোম সকলেই প্ৰচলন কৰিছিল। ছ্যু-কা-ফাৰ দিনত মৰাণ আৰু বৰাহী সকলৰ মাজত মাঘবিহু নথকাৰ পৰা বুজা যায় যে এই উৎসৱটোও আহোম সকলৰেই অৱদান।

তাই ৰাষ্ট্ৰ উজনি ব্ৰহ্মদেশ আৰু দক্ষিণ চীনত তাই সকলৰ প্ৰাচীন শাসন প্ৰণালী ছ্যু-কা-ফাই অসমত আহি প্ৰৱৰ্ত্তন কৰে। তাই পৰম্পৰাৰ বাহক হিচাপে ছ্যু-কা-ফাই তেওঁ অধিকাৰ কৰা অঞ্চল বিলাকত একোজনকৈ মুখ্য প্ৰশাসক নিযুক্ত কৰিছিল । সম্ভৱতঃ তাইৰ নীতিৰ প্ৰশাসনীয় বিভাজন মুং অনুসৰিয়েই তেওঁ অসমৰ প্ৰশাসনীয় ব্যৱস্থাকো একো একোটা অঞ্চল, প্ৰদেশ বা জিলাত বিভক্ত কৰি শাসন কৰাৰ পদ্ধতি প্ৰৱৰ্ত্তন কৰিছিল। প্ৰত্যেক প্ৰদেশ বা জিলাত একো একোজন প্ৰশাসক নিযুক্ত কৰিছিল যাক ৰাজখোৱা (ফু-কিন্ মুং) বোলা হৈছিল। তেওঁ প্ৰৱৰ্ত্তন কৰা প্ৰশাসনীয় ব্যৱস্থাটো একপ্ৰকাৰ ৰাজতন্ত্ৰ আছিল য'ত ৰাজবংশৰ পুৰুষ এজন আৰু ৰজাৰ সন্তানেহে কেৱল সিংহাসনৰ দাবীদাৰ হ'ব পাৰে। প্ৰশাসনীয় ব্যৱস্থাটো উত্তৰাধিকাৰিত্বৰ ওপৰত ভেটি কৰি সংগঠিত হৈছিল য'ত ৰজাৰ পিছতে মন্ত্ৰী সভাৰ (বুঢ়াগোহাঁই, বৰগোহাঁইৰ) স্থান। মন্ত্ৰীসভাৰ পিছতে স্থান আছিল প্ৰদেশ বিলাকৰ মুখ্য প্ৰশাসক সকল। উল্লেখিত মন্ত্ৰীসভাৰ প্ৰশাসনীয় ব্যৱস্থাটো পুৰৰ মাউলুং বা মুংমিট আৰু অন্যান্য তাই ৰাজ্যত প্ৰচলিত প্ৰশাসনীয় ব্যৱস্থাৰ সমতুল্য। পুত্ৰ সন্তান নাথাকিলে ৰজাৰ মৃত্যুৰ পিছত উল্লেখিত পৰম্পৰা অনুযায়ী একে বংশলতাৰ এজন ৰাজকোঁৱৰক সিংহাসনত বহুৱাব নোৱাৰালৈকে মন্ত্ৰী সভাই ৰাজকাৰ্য্য পৰিচালনা কৰে। সমগ্ৰ আহোম শাসন কালছোৱাত মন্ত্ৰীয়ে সিংহাসনত বহিবলগীয়া পৰিস্থিতি কেতিয়াও সৃষ্টি হোৱা নাছিল কাৰণ তেওঁলোকে

ভাবিছিল সিংহাসন কেৱল স্বৰ্গৰ ৰজা লেংডনৰ দ্বাৰা প্ৰেৰিত ৰজা সকলৰ বাবেহে। ছ্যু-কা ফাই এই বৈশিষ্ট্যপূৰ্ণ শাসন ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিছিল যিটো শেষলৈকে চলি আছিল। প্ৰশাসনীয় ব্যৱস্থাটো সৰ্বব্যাপি আছিল আনকি তৃণমূল স্তৰলৈকে প্ৰশাসনীয় কাম কাজ চলাই যাব পৰাকৈ বিষয়া নিযুক্ত কৰা হৈছিল। আহোমসকলৰ কোনো স্থায়ী সৈন্যবাহিনী নাছিল কিন্তু প্ৰত্যেকজন সুষ্ঠ সবল পুৰুষে বাধ্যতামূলক সামৰিক সেৱা আগবঢ়োৱাৰ এক বিশেষ ব্যৱস্থা গঢ়ি তোলা হৈছিল। এই ব্যৱস্থাই ডেকা সকলক স্বাস্থ্যৱান আৰু সকলো সময়তে যুদ্ধৰ বাবে সাজু হৈ থাকিবলৈ সমৰ্থ কৰি তুলিছিল।

ছ্যু-কা-ফাই মাউলুঙৰ পৰা অনা বাৰুদ আৰু বৰটোপ অসমৰ সমৰ কলাৰ ক্ষেত্ৰত প্ৰচলন কৰিলে। কামৰূপী ৰজা সকলে বৰটোপ আৰু বাৰুদৰ ব্যৱহাৰ নাজানিছিল। তেওঁলোকে ধেনু- কাঁড়, দা- কটাৰী, যাঠী, হাতীহে যুদ্ধত ব্যৱহাৰ কৰিছিল। বাৰুদ আৰু বৰটোপৰ সূচনাই সমৰ কলাত এক বৈপ্লৱিক পৰিবৰ্তন আনিলে।

সাজ-পোছাক আৰু গহনা- গাঁঠৰিৰ ক্ষেত্ৰত ছ্যু-কা-ফাইয়ে প্ৰথম পাদুকা, নৰা চোলা (তাই পোছাক) আদি প্ৰচলন কৰে। তেওঁ লগত লৈ অহা গহনা গাঁঠৰিবোৰ আছিল- জাংফাই, জোনবিৰি, বিভিন্ন মুকুতামালা আদি আৰু সাজ-পোছাকৰ ভিতৰত আছিল কিংখাপ, আহোম মেখেলা, মুগাৰ বিভিন্ন সাজ আদি, আৰু বাচন বৰ্ত্তনৰ ভিতৰত মাইহাং, বানবাটি, বানকাঁহী আদি । অসমীয়া সংস্কৃতিৰ ছ্যু-কা-ফাৰ আন এক উল্লেখযোগ্য অৱদান হ'ল হেংদাং।

কামৰূপী ৰজাসকলৰ দিনত ৰাজকীয় ঘটনা প্ৰবাহৰ বিৱৰণ লিপিবদ্ধ কৰাৰ প্ৰথা প্ৰচলিত নাছিল। গতিকে আমি ইতিহাসৰ সমল বিচাৰি শিলালিপি, তাম্ৰলিপি আদিৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হয়। ছ্যু-কা-ফায়েই প্ৰথম বুৰঞ্জী লিখাৰ প্ৰথা প্ৰৱৰ্তন কৰে। আহোম বুৰঞ্জীত পোৱা যায় যে ছ্যু-কা-ফাই তেওঁ ন কৈ প্ৰতিষ্ঠা কৰা খাম য়াং ৰাজ্যৰ পণ্ডিত সকলক ৰজাই কোৱা, কৰা আৰু দেখা প্ৰতিটো কথাৰে সত্যাসত্য লিপিবদ্ধ কৰিবলৈ আৰু এই প্ৰথা অব্যাহত ৰাখিবলৈ আদেশ দিছিল। অসমৰ ৰজাসকলৰ আৰু তেওঁলোকৰ

ৰাজ্যৰ ইতিহাস বিজ্ঞানসম্মত আৰু প্ৰণালীবদ্ধ ভাবে ৰচনা কৰা প্ৰথাৰ এনেদৰে সূচনা হয়। বুৰঞ্জী সাহিত্যক লৈ অসমীয়া জাতিয়ে যে গৌৰব কৰিব পাৰিছে সেই কথাত একো অস্বাভাৱিকতা নাই কিয়নো সমগ্ৰ দেশত অসমৰ দৰে প্ৰণালীবদ্ধ বুৰঞ্জী লিখাৰ আন কোনো দৃষ্টান্ত পাবলৈ নাই।

ছ্যু-কা-ফাৰ আটাইতকৈ মহত্বপূৰ্ণ অৱদান আছিল তেওঁ পোষকতা কৰা সামাজিক আৰু ধৰ্মীয় সমন্বয়-সম্প্ৰীতি। তেওঁ তেওঁৰ প্ৰজাৰ ওপৰত কেতিয়াও ধৰ্মক জাপি দিব খোজা নাছিল বা তাই ভাষা গ্ৰহণ কৰিবলৈ বাধ্য কৰোৱা নাছিল। এই ক্ষেত্ৰত তেওঁ লোৱা পদক্ষেপ আহোমৰ এই ছশ বছৰীয়া ৰাজত্ব কালত আহোম ৰজা সকলে দেখুওৱা উদাৰতা, ধৰ্মীয় আৰু সামাজিক সহনশীলতাত সুস্পষ্ট হৈ প্ৰকাশ পাইছিল, আৰু অসমীয়া ভাষা এটা উমৈহতীয়া ভাষা হিচাপে পূৰ্ণৰূপত গঢ়লৈ উঠাৰ লগতে প্ৰজাসাধাৰণ এক অসমীয়া জাতি হিচাপে ঐক্যবদ্ধ হৈছিল।

ছ্যু-কা-ফা অসমলৈ অহাৰ সময়ত অসমীয়া জাতিৰ অংকুৰণেই হোৱা নাছিল তেতিয়া জাতিৰ পৰিৱৰ্তে মানুহে বৰ্ণ আৰু গোষ্ঠীৰ নামেৰেহে আত্মপৰিচয় দিছিল । সেই কালত ছ্যু-কা-ফাই কেনেকৈ পূব অসমৰ জনসাধাৰণক ঐক্যবদ্ধ কৰি অসমীয়া জাতি গঠনৰ বাট কাটি দিলে সেই সম্পৰ্কীয় প্ৰচুৰ তথ্যপাতি আহোম বুৰঞ্জীত উপচি আছে। প্ৰথমে তেওঁ মৰাণ আৰু বৰাহী ৰজাসকলৰ লগত তেওঁলোকৰ জীয়ৰী বিয়া কৰাই মিত্ৰতা স্থাপন কৰিলে। যিবিলাক মৰাণে তেওঁলোকৰ অধিপতি বুলি মানি ল'বলৈ অমান্তি হ'ল তেওঁলোকক গাৰ জোৰেৰে মানি ল'বলৈ বাধ্য কৰালে। আনবোৰে মিত্ৰতা কৰিলে তাৰে কিছুমানক আহোম ফৈদত অন্তৰ্ভূক্ত কৰি ল'লে। দিহিং নদীৰ কাষৰ টিপামত থাকোতে তেওঁক বেঙেনা যোগান ধৰা মটক এজনৰ প্ৰতি আকৃষ্ট হৈছিল। ছ্যু-কা-ফাই লানমাখৰু (বেঙেনা আহোম ভাষাত মাখ্ৰু ) নাম দিলে। নগাৰ লগত যুদ্ধ কৰাৰ সময়তো লানমাখুৰুয়ে বহু প্ৰকাৰে সহায় কৰিছিল। তাৰেই পুৰস্কাৰ স্বৰূপে ছ্যু-কা-ফাই তেওঁক আহোমৰ ফৈদত অন্তৰ্ভূক্ত কৰিলে। লানমাখৰুয়েই পিছলৈ তেওঁৰ নামেৰে পৰিচিত এটা বিশেষ

আহোম ফৈদ বা খেলৰ আদি পুৰুষ বুলি খ্যাত হ'ল। বৃত্তিত ওজনদাৰ মৈমাই খৈৰাট নামৰ টিপামৰ আন এজন মটককো এইদৰে আহোম ফৈদত অন্তৰ্ভূক্ত কৰে। তেওঁক খোৰা ৰজাই '১৫৫৩-১৬০৩' কালক্ৰমত পাটৰ উপাধি দিয়ে।

আহোম বুৰঞ্জীত উল্লেখ আছে যে ছ্যুকাফা অসমলৈ আহোতে সাতটা বৰাহী পৰিয়ালৰ পৰা গাম, লখাই, মুপেুং, ৰঙী, হতাই ঠাকুৰ,ৰাগাম আৰু বৰকুমাৰ এই কেইজনক লগত লৈ আহিছিল। (ABP-34) তেওঁলোকৰ প্ৰতি সদয় হৈ, তেওঁলোকক কুমাৰ, পানীভাৰী, জলাধাৰ ৰখীয়া, চিকিৎসক আৰু ভঁড়ালীৰ বাবত নিয়োগ কৰিলে। এইদৰে ছ্যু-কা-ফাৰ ৰাজত্ব কালতেই ঐক্য সংহতিৰ এক প্ৰক্ৰিয়া আৰম্ভ হৈছিল আৰু অসমীয়া জাতি গঢ় লৈ উঠিছিল যাৰ পূৰ্ণ বিকাশ ঘটিছিল আহোম শাসন কালৰ পৰৱৰ্ত্তী ছশটা বছৰত।

তৃতীয় অধ্যায়

# চাওলুং ছ্যু-কা-ফা, তেওঁৰ উত্তৰাধিকাৰীসকলৰ ইতিহাস আৰু বংশাৱলী

আহোমসকলৰ আঁতিগুৰি জানিবলৈ হ'লে এই বিষয়ক দুটা বিশ্বাসযোগ্য উৎস 'আহোম বুৰঞ্জী' আৰু 'পাক পেঁঞ্চ কা কা'ত বৰ্ণিত আহোমসকলৰ উৎপত্তিৰ কাহিনী বিশ্লেষণ কৰি চোৱাটো প্ৰয়োজনীয়।

'আহোম বুৰঞ্জী' আৰু 'পাক পেঁঞ্চ কা কা'ত বৰ্ণিত কাহিনীৰ আলম লৈ আহোমৰ উৎপত্তি সম্পৰ্কে সংক্ষেপে কব পাৰি যে ঈশ্বৰে তেওঁৰ বক্ষস্থলৰ পৰা খুনথেউখাম নামৰ এজন দেৱতা সৃষ্টি কৰিছিল। খুনথেউখামৰ নাভিৰ পৰা এজোপা পদুম ফুলৰ গছ বাহিৰ ওলাইছিল; এটা কেঁকোৰা আৰু আঠখন ফণাযুক্ত এডাল সাপে মেৰিয়াই থকা কাছ এটাবো সৃষ্টি হৈছিল। উত্তৰ আৰু দক্ষিণ ফালে পাহাৰৰ সৃষ্টি কৰি তাৰ ওপৰত স্তম্ভ স্থাপিত কৰা হৈছিল (মেৰুসমূহ)। এযোৰ সোণোবালী বৰণৰ মকৰা সৃষ্টি কৰিছিল আৰু সেই মকৰাহালে আকাশত উৰি ফুৰাৰ সময়ত তললৈ বিষ্ঠা পেলাই পৃথিৱীখনৰ সৃষ্টি কৰি দাণ্ডি ধৰিছিল। এখন সোণোবালী সিংহাসনৰ আকাৰত মকৰাহালে এখন সৰগৰ সৃষ্টি কৰিছিল। তাৰ পিচত ঈশ্বৰে স্ত্ৰী অংগ-যুক্তা দেৱী এগৰাকী সৃষ্টি কৰি মিলিত হৈছিল আৰু তাৰ পিছতেই দেৱী গৰাকীয়ে চাৰিটা কণীৰ জন্ম দিছিল। বহু বছৰ ধৰি থাওলুঙে কণীকেইটাত উমনি দিয়াৰ পিচত তেওঁ কণীকেইটাত অলপ অমৃত ছটিয়াই দিয়াত কণীকেইটা ফুটিছিল। তাৰ পিচত তেওঁৰ চাৰিপুত্ৰ ক্ৰমে ফাচাংদিন খুমীউ (সৰগৰ অধিপতি), খেং চাফাকাকাম (জলত থকা আঠ লাখ সৰ্পৰ অধিপতি) খেং-কামৃফা (আঠনিযুত বজ্ৰপাতৰ

দেৱতা) আৰু তেওঁৰ কনিষ্ঠ পুত্ৰ নীংঙাওখাম বা ফুৰা (ঈশ্বৰক জগত সৃষ্টিত যি জনে সহায় কৰিব)ৰ জন্ম হৈছিল। দেউতাকৰ ইচ্ছাৰ বিৰুদ্ধে কাম কৰা বাবে মৃত্যুৰ পিচত খেং-কামফা অপদেৱতা হৈছিল। তেওঁৰ পুত্ৰ খেংকাফা ৰজা হৈছিল আৰু মৃত্যুৰ পিচত ঘৰ-জেউতি হৈছিল।


ঈশ্বৰে সৰগৰ পৰা চাই দেখিছিল যে তেওঁৰ ল'ৰাইঁতক বাট দেখুৱাব পৰা জ্ঞানী পুৰুষ নাই। সেয়ে হুন-খামঙ্গান নামৰ জ্ঞানী লোক এজন সৃষ্টি কৰি তেওঁক সৰগৰ কুঁৱৰীয়ে আৱৰি ৰখা ঠাইলৈ গৈ তাত থাকিবলৈ নিৰ্দেশ দিছিল। নীতি-নিয়মবোৰ লিখা কাম তেওঁক অৰ্পণ কৰা হৈছিল। ফুকা নামৰ অইন এজনকো (ডেউকা-যুক্ত) সৃষ্টি কৰা হৈছিল। নীংঙাওখাম (ফুৰা) উত্তৰ দিশত আছিল আৰু ৰজাৰ দৰে জিলিকি উত্তৰ মেৰুত শুই গভীৰ ধ্যানত মগ্ন হৈ আছিল। ন-হেজাৰ লগুৱা-লিকচৌৰ সতে ৰুংৰাইৰ পৰা পুফিচাই নীংগাওখামক লগ ধৰিবলৈ নামি আহিছিল। পুফিচাই তেওঁক মুং-ক্লিং-খ্ৰু লৈ আনি তেওঁক তাৰ ৰজা পাতিছিল।


তেওঁৰ নাম ৰখা হৈছিল ফাবু-ইকংচামদাম্। তেওঁৰ কনিষ্ঠ পুত্ৰ ফাচি-ইপ-চাংডিন ফাকাওখ্ৰুৰ ৰজা হৈছিল। তেওঁৰ চাৰিজন পুত্ৰৰ ভিতৰত ডাঙৰ জন ল'ৰা আছিল ইংইং (পৰীৰ দেশৰ ৰজা) সৰু ল'ৰা চাওদাখামে (মুংলাই আৰু উমুঙৰ ৰজা) নাংচেংডাও নামৰ ৰাজকুঁৱৰীক বিয়া কৰাইছিল। চাওদাখামৰ চাৰিজন পুত্ৰৰ ভিতৰত ফাচাংপাও নামৰ তিনিমূৰীয়া ল'ৰা জন পানীত ডুবি মৰিছিল। তেওঁৰ কনিষ্ঠ পুত্ৰ ঙীৰিংখাম খেংডাম ফুলৰ পৰা ওপজা বাবে তেওঁক লেংডন আৰু চাইৰেফাও বোলা হৈছিল। লেংডনৰ খাংখেংজাও নামেৰে এজনী সুন্দৰী ভনীয়েক আছিল আৰু তেওঁ দাখাম নামৰ ৰাজকোঁৱৰ এজনক বিয়া কৰাইছিল। লেংডনৰ এজন ভায়েক আছিল চেংটাও নুৱ' কাইফা থুনখাম (মুংফিৰ ৰজা)। তেওঁৰ পুত্ৰ; চেংটাও ন্যেন কাইফা থেনখামে তেওঁৰ পুত্ৰদ্বয় খুন্‌লুং আৰু খুন্‌লাইক সৰগৰ ৰজা লেংডনৰ আদেশ অনুসৰি পৃথিৱীত ৰাজত্ব কৰিবলৈ পঠিয়াইছিল।

চাও দাখামেই যে লেংডনৰ পিতৃ আৰু লেংডনৰ ভনীয়েক এজনীক তেওঁলৈ বিয়া দিয়া সম্পৰ্কত সংশয় থকা বাবে আহোমৰ সৃষ্টি সম্বন্ধীয় পবিত্ৰ গ্ৰন্থ 'পাক পেঁঞ কাকা'ত চাই এই কথা জনা গৈছিল যে চাও দাখামে নাং চেং

দাও নামৰ মহিলা এগৰাকীক বিয়া কৰাইছিল। প্ৰকৃততে লেংডনৰ ভনীয়েকক চাও দাখামৰ পৰিবৰ্ত্তে লেংডনৰ সমসাময়িক, চেং-ডাওৰ ৰজা দাখামলৈহে বিয়া দিয়া হৈছিল। লেংডনৰ নুমলীয়া ভায়েক চেং তাও নু' কাই ফা কা থ্যুন খাম ম্যুং ফি (এখন স্বৰ্গীয় ৰাজ্য)ৰ ৰজা আছিল আৰু তেওঁৰ পুত্ৰ অইন এখন স্বৰ্গীয় ৰাজ্য মংথিলাৰ ৰজা চেংটাও ন্যোন কাইফা থেনখাম খুন্‌লুং আৰু খুন্‌লাইৰ পিতৃ আছিল।

টাই ৰজা সকলৰ পূৰ্বপুৰুষ খুন্‌লুং আৰু খুন্‌লাইৰ পবিত্ৰ বংশাবলী তলত দিয়া ধৰণৰঃ



অসমীয়া ভাষাত ৰচিত কিছুমান বুৰঞ্জীত লেংডনক ইন্দ্ৰ বুলি আৰু জ্যাছিংফাক সৰস্বতী বুলি চিহ্নিত কৰিবলৈ চেষ্টা চলোৱা দেখা যায়। আহোম ৰজাসকলে হিন্দু দেৱ-দেৱীসকলৰ পূজা-পাতলৰ অৰ্থে অনা ব্ৰাহ্মণসকলে যোল্ল শতিকাৰ শেষৰ ভাগৰ পৰা আহোম ৰজা আৰু ৰাজ বিষয়াসকলৰ আৰ্যকৰণৰ প্ৰচেষ্টা চলাই তেওঁলোকৰ বৈদিক দেৱতা ইন্দ্ৰৰ সৈতে যোগসূত্ৰ থকা বুলি কাল্পনিক আৰু পৌৰাণিক কাহিনীৰ সৃষ্টি কৰিবলৈ যত্ন কৰিছিল। তাই আহোম ভাষাত ৰচিত ইতিহাসৰ পৰা শুংসূত্ৰ লৈ ব্ৰাহ্মণ সকলে ক'বলৈ চেষ্টা কৰে যে ইন্দ্ৰ দেৱতা (সৰগৰ ৰজা)ক বশিষ্ঠ ঋষিয়ে শাপ দিয়াৰ পিচত তেওঁ দানৱ ৰূপ লৈছিল আৰু এগৰাকী দানৱী (প্ৰকৃততে এজনী অপেশ্বৰী)ক বিয়া কৰাইছিল। হিন্দু শাস্ত্ৰ অনুসৰি সৰগৰ ৰজা ইন্দ্ৰক কেন্দ্ৰ কৰি কাহিনীবোৰৰ সৃষ্টি কৰা হৈছিল। আৰু আহোম ৰজাসকলক হিন্দু বুলি প্ৰমাণিত কৰাৰ প্ৰচেষ্টা চলোৱা হৈছিল। কাংকতীয়ে থেনখামক জন্ম দিয়া বুলি (ঋতুমতী অবস্থাত ইন্দ্ৰৰ সৈতে সহবাসৰ ফলস্বৰূপে) যিটো কাহিনীৰ জৰিয়তে ইন্দ্ৰদেৱতা আৰু মহাভাৰতৰ কাংকতী (ধৃতৰাষ্ট্ৰৰ এগৰাকী পত্নী)ৰ লগত আহোম ৰজাসকলৰ তেজৰ সম্বন্ধ আছে বুলি কোৱাৰ প্ৰচেষ্টা চলোৱা হৈছিল সেই কাহিনী আহোম ৰজাসকলক আৰ্য বুলি প্ৰমাণ কৰাৰ প্ৰচেষ্টা বুলি অভিহিত কৰি অগ্ৰাহ্য কৰিব পাৰি।

থেনখামৰ পুত্ৰ খুনলুং (বৰ কোঁৱৰ) আৰু খুনলাই (সৰু কোঁৱৰ)ক পৃথিৱীৰ শাসনভাৰ চলাবৰ বাবে বাছি উলিওৱা হৈছিল। এডাল বৃহৎ গছত বাস কৰি পৃথিৱীৰ অৰণ্যসমূহত শাসন চলাবৰ বাবে লেংডনে পুফিচুক পঠিয়াইছিল। লেংডনে দুয়োজন কোঁৱৰকে আহাৰ (দিনপেট) মাহত ম'হ বলি দি সকলো মানুহৰ উপস্থিতিত অৰণ্যদেৱ পুফিচুক সন্তুষ্ট কৰিবলৈ নিৰ্দেশ দিছিল। লেংডনে খুনলাইক এগৰাকী মহা দেৱীৰ মূৰ্তি থকা বাকচ দি সেই বাকচটো সযতনে ৰাখিবলৈ কৈছিল।

তাৰ পিচত তেওঁ কোঁৱৰ দুজনক এটা দঁতাল হাতী, এযোৰ কাইচেংমুং (পবিত্ৰ দেশৰ কুকুৰা), এখন ফুলবছা কাপোৰ, এযোৰ ঢোল, এখন তৰোৱাল (হেংদাং)ৰ উপৰিও এটা বাকচত চুংকাবেং-চেংমুং (চোমদেউ)ৰ মূৰ্তি এটা থৈ কৈছিল সেই বাকচটো কেতিয়াও কোনোমতেই মাটিত পৰিব নালাগিব আৰু অতীজত ফালাইবেট (ঈশ্বৰ)এ মূৰ্তিটো ফাফুৰুং চাংদাম (ফুৰা)ৰ হাতত দি

পঠিয়াইছিল আৰু তেওঁ ৰীতি অনুযায়ী সেই মূৰ্ত্তিক পূজা-অৰ্চনা কৰিছিল। চুমফাকংমুঙৰ মূৰ্ত্তিটোক বছৰি এবাৰকৈ দেৱভূষণ পৰিধান কৰাব লাগিব। মাঘ (দিনধাম) মাহৰ এটা শুভ দিনত দুয়োজন কোঁৱৰেই সুগন্ধি দ্ৰব্যেৰে পবিত্ৰ কৰা পানীত গা ধুই পৰিষ্কাৰ পোছাক পিন্ধি একো মুখত নিদিয়াকৈ চুংফোকংমুঙৰ মন্দিৰলৈ যাব লাগিব। মন্দিৰত দুয়োজনে ঈশ্বৰৰ বেদীৰ আগত আঁঠু লৈ শ্ৰদ্ধা নিবেদন কৰাৰ পিচত মূৰ্ত্তিটো পানীৰে ধুৱাই তাৰে অলপ পানী কোঁৱৰ দুজনে খাব লাগিব। তাৰ পিচত তেওঁলোকে মূৰ্ত্তিটো পুনৰ বাকচত থৈ ঢাকনিখন বন্ধ কৰিব লাগিব। অইন কাকোৱেই তেওঁলোকে সেই মূৰ্ত্তিটো চাবলৈ দিব নালাগিব। চোমদেওৰ বিষয়ে 'আহোমৰ ধৰ্ম' শীৰ্ষক অধ্যায়ত বিতং বিৱৰণ দিয়া হৈছে।

লেংডনে পৃথিৱীৰ তাই আৰু দাসেৰে ভৰা দেশখনত কোঁৱৰসকলে ৰাজত্ব কৰাটো বিচাৰিছিল। কোঁৱৰসকলে তৰাবছা জিকমিকিয়া চোলা, উজ্জ্বল চাদৰ আৰু পাগুৰি পৰিধান কৰিছিল। খুনটুন (চন্দ্ৰবংশীয়) আৰু খুনবান (সূৰ্যবংশীয়) তেওঁলোকৰ লগত আছিল। বহুতো তাই (স্বৰ্গীয় বংশোদ্ভৱ) লোক তেওঁলোকৰ আগে আগে গৈছিল। তাৰ পিচত এডাল সোণৰ জখলাৰে নামি আহি তেওঁলোক পৃথিৱী পাইছিল আৰু তাইসকলে ৰখা সোণৰ সিংহাসনত বহিছিল। তেওঁলোকৰ মূৰৰ ওপৰত এটা ৰাজকীয় ছাতি মেলি ধৰা হৈছিল। তেওঁলোকৰ ভোগৰ বাবে তাইসকলে বনৰীয়া ফল সংগ্ৰহ কৰিছিল। খুনটুন, খুনবানকে ধৰি আঠাইবোৰ তাইলোক ৰজা দুজনৰ চাৰিওফালে বহিছিল। তেওঁলোকৰ ৰন্ধা-বঢ়াৰ বাবে তিনি হেজাৰটা পাত্ৰ লগত আনিছিল। এটা পাত্ৰৰ খাদ্য তিনিজন মানুহে খাব পাৰিছিল। দেশখনৰ নাম আছিল মুংৰিমুংৰাম (মুংৰিমুংৰাম, অৰ্থাৎ পৰিত্যক্ত ঠাই)। কেইবালাখো মানুহ তেওঁলোকৰ লগত লগ লাগি ৰজা দুজনৰ (খুনলুং আৰু খুনলাই)ৰ বাবে এটা ডাঙৰ অট্টালিকা সাজিছিল। এখন পাহাৰৰ দাঁতিৰ উপত্যকাত তেওঁলোকে গাঁও পাতিছিল। ৰজাসকলক তেওঁলোকে খাদ্যৰ যোগান ধৰিছিল।

ৰাজকোঁৱৰ দুজনে দেশখন সুন্দৰকৈ চলাইছিল। তেওঁলোকে এটা হলুং (ৰাজঘৰ) সাজিছিল। তাৰ পিচত তেওঁলোক স্বৰ্গীয় হাতীটোত উঠি দেশখন পৰিদৰ্শন কৰি তেওঁলোকৰ তলতীয়া লোকসকলৰ মাজত বিভিন্ন অঞ্চল ভাগ

কৰি দি পুনৰ ৰাজধানীলৈ উভতি আহিছিল। তেওঁলোকৰ আটায়ে মুংৰিমুংৰামত আছিল আৰু বহল পথাৰবোৰৰ উৎপাদনেৰে জীৱন নির্বাহ কৰিছিল।

খুন্‌লুং আৰু খুন্‌লায়ে স্বৰ্গীয় কুকুৰা হাল আৰু তৰোৱালখন আনিবলৈ পাহৰিছিল। অইন লোকৰ কথা বাদেই সামগ্রী দুপদ আনিবলৈ দীঘল জখলাডাল বগাই পুনৰ সৰগলৈ যাবলৈ খুন্‌লুং আৰু খুন্‌লায়েও ইচ্ছা কৰা নাছিল। লাংগু নামৰ এজন অত্যুৎসাহী লোকে খে' (য়ুন্নান)ৰ অধিকাৰ লাভৰ চৰ্ত্তত বস্তু দুপদ আনিবলৈ ৰাজী হৈছিল। সৰগলৈ গৈ লাংগুৱে প্ৰথমে জাছিংফাক লগ ধৰিলে। জাচিংফাই স্বৰ্গীয় কুকুৰা হালৰ উৰুৰ হাড় খাবলৈ ৰাজকুমাৰ দুজনক হাক দিবলৈ তেওঁক কৈছিল। তৰোৱালখন ৰজা বহা ঠাইৰ ওচৰৰ খুটা এটাত লগাই ঘৰৰ সোঁমাজত থ'বলৈ কৈছিল। জাছিংফাই কৈছিল যে তেওঁলোকে এটা গৰু বলি দিয়াৰ পিচত কেৱল যুদ্ধৰ সময়তহে ঢোলটো বজাব পাৰিব, অইন সময়ত নহয়। লাংগুৱে বস্তুকেইপদ ঠিকেই ওভোতাই আনিছিল কিন্তু কোঁৱৰ দুজনক সকলো কথা ওলোটাই কৈছিল। তৰোৱালখন তেওঁ নিজৰ হাতত ৰাখিবলৈ বিচাৰি কৈছিল যে জাছিংফাৰো সেয়াই ইচ্ছা। তেওঁ ৰাজকোঁৱৰ দুজনক কুকুৰাহালৰ উৰুৰ হাড় গ্ৰহণ কৰিবলৈ কোৱাৰ লগতে এই কথাও কৈছিল যে 'খে' ৰাজ্যখন তেওঁক দিয়াটো জাছিংফাই বিচাৰিছে। কোঁৱৰ দুজনে লাংগুৰ কথামতেই কাম কৰিছিল।

সম্ভৱতঃ দুষ্ট বুদ্ধিৰ লাংগুৱে সাগৰৰ সীমান্তলৈকে ৰাজ্য শাসন কৰিবলৈ বিচাৰিছিল আৰু কৌশলেৰে সিংহাসন দখল কৰিবৰ বাবে সৰু কোঁৱৰ খুন্‌লাইক কিছুমান দুষ্টবুদ্ধি দি কোঁৱৰ দুজনৰ মাজত মনোমালিন্য ঘটাইছিল। লাংগু উভতি অহাৰ পিছদিনা দুয়ো ৰজা মিলি ডাঙৰজনৰ ৰাজ অভিষেক উপলক্ষে এজোপা বৰগছ কইছিল আৰু মানুহৰ মাজত নিমখ বিলোৱাৰ পিচত দুয়ো ৰাজপ্ৰাসাদলৈ উভতি আহিছিল। তাৰ পিচত ককায়েকে নজনাকৈ খুন্‌লায়ে বৰগছ জোপাৰ ওচৰলৈ গৈ গছজোপাৰ শিপাত কিছুমান সোণৰ তাঁৰ বান্ধি দিছিল। এদিনাখন খুন্‌লায়ে ককায়েকক কৈছিল যে যিহেতু তেওঁ গছৰ শিপাত সোণৰ তাঁৰ বান্ধিছে সেয়ে মুংৰি-

মুংৰামৰ প্ৰকৃত ৰজা তেওঁহে। খুন্‌লুঙে ভায়েকৰ এই চক্ৰান্তত মৰ্মাহত হৈ ৰাজ্য এৰি সৰগলৈ উভতি গৈছিল। তেওঁ গৈ লেংডনক সকলোবোৰ কথা কোৱাত লেংডনে খঙত জ্বলিপকি উঠি খুন্‌লাইক এইবুলি অভিশাপ দিছিল যে খুন্‌লায়ে নিৰ্বংশ হৈয়েই মৃত্যু বৰণ কৰিব লাগিব।

তাৰ পিচত তেওঁ খুন্‌লুঙক মুংখুমুংজা (অৰ্থাৎ বৰ কোঁৱৰৰ মহান সাম্ৰাজ্য)ত পুনৰ ৰাজ্য স্থাপন কৰিবলৈ উপদেশ দিছিল। খুন্‌লুঙে মহাপ্ৰতাপেৰে ৰাজত্ব কৰি জনপ্ৰিয় হৈছিল। পিচলৈ তেওঁৰ ৰাজ্যখন তেওঁৰ পুত্ৰসকলৰ মাজত ভাগ-বাটোৱাৰা কৰি দিছিল। তেওঁৰ বৰ পুত্ৰক টাইটাম্‌কাঙৰ ৰজা পতা হৈছিল। তেওঁৰ ল'ৰা খুন্‌ফাক মুংটিউ (নামনি দেশ)ৰ ৰজা পতা হৈছিল আৰু খুন্‌লুঙক তেওঁ প্ৰতিবছৰ দহ লাখকৈ ঘোঁৰাৰ যোগান ধৰিব লাগিছিল। তৃতীয় পুত্ৰ খুন্‌জুক লামুংটাইৰ ৰজা পতা হৈছিল আৰু তেওঁ খাজনা দিছিল হাতীৰে। অইন এজন পুত্ৰ খুন্‌কাকফাক অইন এখন ডাঙৰ ৰাজ্যৰ ৰজা পাতিছিল আৰু তেওঁ বছৰত এক লাখকৈ মুদ্ৰা পঠিয়াব লাগিছিল। বছৰেকত মূল্যবান পাথৰ আৰু হাতীৰে খুন্‌লুঙক কৰ শোধোৱাৰ নিৰ্দেশ দি অইন এজন পুতেক খুন্‌লাক আভাত থৈ ব্ৰহ্মদেশত শাসন চলাবলৈ দিয়া হৈছিল।

খুন্‌লুঙে তেওঁৰ পুত্ৰসকলৰ ভিতৰত খুনচু নামৰ পুতেকজনক তেওঁৰ উত্তৰাধিকাৰী হিচাপে নিজৰ লগত ৰাখিছিল। তেওঁক খুন্‌লুঙে ভালদৰে শিকাই বুজাই লোৱাৰ লগতে লেংডনে দিয়া তৰোৱাল আৰু ঢোলকেইটা তেওঁলৈ হস্তান্তৰ কৰিছিল। ভায়েকৰ সৈতে হোৱা খৰিয়ালৰ কথাও খুন্‌লুঙে তেওঁক কৈছিল আৰু লেংডনৰ পৰা কিদৰে তেওঁৰ সেই সোণৰ সিংহাসন লাভ কৰিছিল সেই কথাও ৰেকত কৰিছিল। খুন্‌লুঙে তেওঁৰ পুত্ৰক সিংহাসনখনক অসন্মান নকৰিবলৈ আৰু লেংডনৰ কথা অমান্য নকৰিবলৈ কৈছিল। খুন্‌লুঙে ৰাজত্ব কৰা চল্লিশ বছৰ কালত তেওঁৰ বিশাল সাম্ৰাজ্য পূৰে উত্তৰ শ্যাম চেংমাইৰ পৰা পশ্চিম চুবুৰীয়া লোহিত (ব্ৰহ্মপুত্ৰ নৈ) আৰু অসমৰ পাহাৰীয়া অঞ্চললৈকে বিস্তাৰ কৰিছিল। ব্ৰহ্মদেশৰ উজনি অঞ্চল, মেকঙৰ পশ্চিমে থকা এটা অংশ আৰু সম্ভৱত আভাৰ দক্ষিণৰ লগতে শস্য-উৰ্বৰ ভূমিখণ্ডও সেই

সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। অৱশ্যে খুন্‌লুঙে তেওঁৰ প্ৰকৃত সাম্ৰাজ্যনো কিমানলৈ বিস্তাৰ কৰিছিল সেই সম্বন্ধে আহোম বুৰঞ্জীত কোনো উল্লেখ নাই। কিন্তু এই কথা অনুমান কৰিব পৰা যায় যে খুন্‌লুঙ আৰু অন্যান্য নেতাৰ অধীনত সেই সময়ত তাই লোকসকলে ব্ৰহ্মদেশৰ উজনি অঞ্চলত দখলৰ প্ৰচেষ্টা চলাইছিল। খুন্‌লুঙৰ বৰপুতেক আই-খুন্-লুং নামেৰে জনাজাত বৰপুতেকজনেই টাও-লুং-পা-টাও লু-লো হ'ব লাগিব। এইটোও মন কৰিবলগীয়া কথা যে ভায়েক খুন্‌লাইৰ প্ৰৱঞ্চনাৰ বলি হোৱাৰ পিচত খুন্‌লুঙে লেংডনক লগ ধৰি তেওঁৰ পৰামৰ্শ লোৱাৰ উদ্দেশ্যেৰে সৰগলৈ গৈছিল। সেইসময়ত তেওঁ তেওঁৰ পুত্ৰ টাও-লং-পা-টাও-লু-লোক মুংৰি-মুংৰামৰ ৰজা পাতি থৈ গৈছিল। সৰগৰ পৰা উভতি অহাৰ পিচত তেওঁ মুং-খুচ-মুং-য়াও নামৰ ৰাজ্যখন পাতিছিল আৰু মুংৰি-মুংৰাম ৰাজ্যখন ত্যাগ কৰিছিল। তেওঁৰ সপ্তম পুত্ৰ খুন্ চুৱে খুন্‌লুঙৰ মৃত্যুৰ পিচত তেওঁৰ উত্তৰাধিকাৰী হিচাপে মুংখু-মুংজাওত ৰাজপাটত বহিছিল। মুং-ৰি-মুংৰামৰ ৰাজধানী আছিল লাই-দৈ। খুন্‌লায়ে তাত সত্তৰ বছৰ কাল ৰাজত্ব কৰিছিল। তেওঁৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ চাও-আই-জিপ (তামুলীফুকনৰ ট্যাও আই-জেপ-ট্যাত-ফা আৰু নেই ঈলিয়াচৰ আই-দেপ-টাত-ফা) ৬৩৮ খৃষ্টাব্দত সিংহাসনত বহিছিল আৰু চল্লিশ বছৰ কাল ৰাজত্ব কৰিছিল। বিখ্যাত আই জেপ্ লাৰ্ক্‌নি অথবা মাও চান সকলৰ নতুন যুগ চাও আই জেপে সিংহাসনত আৰোহণ কৰাৰ বছৰৰ পৰাই আৰম্ভ হৈছিল।[১] আই জেপে ৬৭৮ খৃষ্টাব্দত মৃত্যুবৰণ কৰিছিল। তেওঁৰ কোনো উত্তৰাধিকাৰী নথকাৰ বাবে সিংহাসন খালী হৈ আছিল। সেইবাবে মন্ত্ৰী আৰু বিষয়াসকলে মুং-খো-মুংজাওৰ শাসনকৰ্তা চাও-খুন্-জুনৰ (খুনচুৰ) ওচৰলৈ গৈ সকলো কথা বিৱৰি কৈছিল আৰু তেওঁৰ বংশোদ্ভৱ এজন কোঁৱৰক ৰাজ্যখন শাসন কৰিবৰ বাবে পঠিয়াবলৈ অনুৰোধ জনাইছিল। চাও-খুন্-জুনে তেওঁৰ পুত্ৰ খাম-পং-ফাক তালৈ পঠিয়াইছিল। পাঁচ বছৰ কাল ৰাজত্ব কৰাৰ পিচত ৭০৩ খৃষ্টাব্দত বৰ পুতেক খাম্ ট্যাগ-ফাক উত্তৰাধিকাৰী হিচাপে এৰি মৃত্যুবৰণ কৰিছিল।

একে বছৰতে খাম্ ট্যাপ্ ফাৰ ভায়েক খাম ট্যীপ-ফাই-মুং-মাও-লুঙৰ শাসনভাৰ গ্ৰহণ কৰি মা কাও মুং লুঙত (মাওলুঙত) ৰাজধানী স্থাপিত কৰিছিল। (১ঃ Introductory sketch of the History of the shans: N.Elias: 1876)

কিন্তু নে ঈলিয়াচৰ মতে খাম ট্যাপ ফাই (ঈলিয়াচৰ কামচিপ ফা) তেওঁৰ ককায়েকৰ উত্তৰাধিকাৰী হিচাপে ৭০৩ খৃষ্টাব্দত সিংহাসনত আৰোহণ কৰিছিল আৰু মাও-কাও-মুং-লুঙত ৰাজধানী স্থাপন কৰি, মুং-ৰি-মুং-ৰামক ৰাজধানী হিচাপে বৰ্জন কৰিছিল।

ঐতিহাসিকভাৱে চাবলৈ গ'লে চাও আই জেপে ৬৩৮ খৃষ্টাব্দত সিংহাসনত আৰোহণ কৰি ৪০ বছৰ ৰাজত্ব কৰিছিল। এইদৰে সপ্তম শতিকাত মেকং উপত্যকা আৰু ব্ৰহ্মদেশৰ উজনি অঞ্চলত তাই শক্তিৰ প্ৰথমটো উল্লেখযোগ্য ক্ৰমবিকাশ ঘটিছিল। ড° কুচিঙে আঙুলিয়াই দিছে যে খৃষ্টীয় ষষ্ঠ শতিকাত দাক্ষিণাত্যৰ য়ুন্নান পৰ্বতাঞ্চলৰ পৰা নাম-চাও (শ্বেলী নৈ) উপত্যকা আৰু তাৰ সংলগ্ন অঞ্চললৈ তাই সকলৰ অনুপ্ৰৱেশ ঘটিছিল। প্ৰায় সমগ্ৰ শ্বেলী উপত্যকা শ্বানসকলৰ বিচৰণভূমি আৰু তাই ৰাজনৈতিক শক্তিৰ ক্ষমতাস্থলী হৈ পৰিছিল। এই অঞ্চলৰ পৰাই তাইসকল উত্তৰ, পশ্চিম আৰু দক্ষিণ-পূৱলৈ বিস্তৃত হৈ পৰিছিল। এইদৰে কেৱল উপত্যকাই নহয় ব্ৰহ্মদেশৰ শ্বান ৰাজ্যসমূহকে ধৰি মেকং আৰু ইৰাৱতীৰ মাজৰ সমগ্ৰ অঞ্চল মাও-শ্বান নামেৰে পৰিচিত তাই গোষ্ঠীৰ নিয়ন্ত্ৰণাধীন হৈছিল। কিন্তু এই কথাটো শ্বানসকলৰ ইতিবৃত্ততহে পোৱা যায় আৰু সেই ইতিবৃত্তসমূহ সম্পূৰ্ণ নিখুঁত নোহোৱাৰ লগতে কোনো কোনো ক্ষেত্ৰত বিশ্বাসযোগ্যও নহয়।

আই জে'প-লাকৃনিৰ তাৎপৰ্য হৈছে যে মুং-ৰি-মুংৰামৰ ৰজা হিচাপে খুন্-লাইৰ পুতেক চাও আই-জেপৰ অভিষেকৰ এটা বুৰঞ্জীমূলক অৱিধ প্ৰদান কৰে।

'আহোম বুৰঞ্জী'ৰ বিশেষত্ব হ'ল এয়াই যে ইয়াত ১২২৮ খৃষ্টাব্দত প্ৰথম আহোম ৰজা ছুকাফাই সিংহাসনত আৰোহণ কৰা বুলি নিৰ্দিষ্টকৈ উল্লেখ

কৰা হৈছে আৰু ইয়াৰ আধুনিক অসমীয়া উৎসৰ পৰাও একে কথাকে লোৱা হৈছে। গৌৰীকান্ত সিংহৰ ৰাজত্বকাল পৰ্যন্ত (১৭৮০-১৭৯৫) অসমীয়া বুৰঞ্জীমূলক নথি-পত্ৰসমূহ সু-শৃংখলিতকৈ ৰখা হোৱা নাছিল। কিন্তু এইজন ৰজাই কেইজনমান নৰা জ্যোতিষী আৰু জনা-বুজা লোকৰ এটা দলক ম'গঙলৈ সেইঠাই শ্বান বৌদ্ধধৰ্মী পুৰোহিতসকলৰ হাতত থকা তেওঁলোকৰ ৰাজত্বৰ ইতিহাসসমূহ পৰীক্ষা কৰিবলৈ আৰু ছ্যুকাফাই এই দেশলৈ অনা গ্ৰন্থ (আৰু দস্তুৰ) সমূহৰ বিষয়ে প্ৰমাণ চাবলৈ পঠিয়াইছিল। পৰীক্ষা-নিৰীক্ষাৰ অন্তত সেই পণ্ডিতসকলে আহোম বুৰঞ্জী নতুনকৈ অসমীয়া ভাষাত লিখিছিল আৰু চাম-লু-ফাৰ অসম অভিযানৰ পৰা আৰম্ভ কৰি শ্বেলী নৈৰ পাৰত প্ৰথম শ্বান ৰাজধানী পতাৰ কথা উল্লেখ কৰিছিল। এনে কৰিবলৈ যাওঁতে তেওঁলোকে দুটা উক্তি দি থৈ গৈছিল, তাৰে যিকোনো এটাকেই প্ৰাৰম্ভণি বুলি ধৰি ল'ব পৰা যায়।

প্ৰথম কথাটো এই যে জ্যোতিৰ্বিদ আৰু অন্যান্য পণ্ডিতসকলে গণনা কৰি পাইছিল যে সৰগৰ পৰা নামি খুন্‌লুং-খুন্‌লায়ে ৰাজ্য প্ৰতিষ্ঠা কৰাৰ সময়ৰ পৰা ছ্যুকাফাই উজনি অসমৰ ৰাজপাটত উঠালৈকে এঘাৰটা টাও চিঙা (যুগ) পাৰ হৈ গৈছিল। দ্বিতীয়টো হৈছে এই ব্ৰহ্মদেশীয় লোক সকলে মাউ ৰজা আই জেপ (বা আইজ্যেপ-টাট-ফা)ৰ ৰাজত্ব কালৰ পৰা তেওঁলোকৰ ৰাষ্ট্ৰীয় যুগ আৰম্ভ কৰিছিল। এতিয়া এঘাৰটা টাও-চিঙা বা ৬৬০ বছৰ ১২২৮ খৃষ্টাব্দৰ পৰা অৰ্থাৎ ছ্যুকাফাই ৰাজপাটত উঠা সময়ৰ পৰা বাদ দিয়া হয় তেন্তে আমি ৫৬৮ খৃষ্টাব্দ পাম। আকৌ শ্বানসকলে আৰম্ভ কৰা আই জেপৰ শাসন মুংৰি মুংৰাম স্থাপিত হোৱাৰ ৭০ তম্ বৰ্ষত আৰম্ভ হৈছিল (৫৬৮+৭০= ৬৩৮ খৃষ্টাব্দ)। এই বৰ্ষটোতে ব্ৰহ্মদেশীয় ৰাষ্ট্ৰীয় যুগ আৰম্ভ হোৱা বুলি ধৰি লোৱা হয়। এনেদৰে আই-জেপ-লাক্‌নিৰ বুৰঞ্জীমূলক তাৎপৰ্য আছে; কাৰণ ই পৌৰাণিক চৰিত্ৰ খুন্-লুং আৰু খুন্-লাইক বুৰঞ্জীত ঠাই দিছে।[২] (২: Introductory Sketch of the History of the Shans: N.Elias: 1876)

আমি 'আহোম বুৰঞ্জী' আৰু কাশীনাথ তামুলীফুকনৰ বুৰঞ্জী অধ্যয়ন কৰি ছ্যুকাফাৰ বংশলতা তলত দিয়া ধৰণৰ বুলি সিদ্ধান্তত উপনীত হৈছো।

খুন্‌লুঙৰ বহু পুত্ৰ আছিল। তাৰে ভিতৰত খুন্‌চু মুংখো-মুংজাওৰ ৰজা হৈছিল। খুন্‌লুঙে ৪০ বছৰ কাল ৰাজ্য চলোৱাৰ পিচত পুতেক খুন্‌চু তাৰ ৰজা হয়। খুন্‌লুঙৰ অন্য এক পুত্ৰ খুন্‌খক্‌ফা জুন্‌লুং বা মুংজং ৰাজ্যৰ ৰজা আছিল। ২৫ বছৰ ৰাজত্ব কৰি খুন্‌চুৰ মৃত্যু হয়। খুন্‌চুৰ পিচত তেওঁৰ পুত্ৰ চাও চেংচাও ৰজা হয় আৰু ১৫ বছৰ মুংখোং-মুংজাওৰ ৰজা হয়। তেওঁৰ পিচত তেওঁৰ পুত্ৰ ট্যাও খুন্‌জুন ৰজা হয়। ইফালে, খুন্‌লায়ে ৭০ বছৰ মুংৰিমুংৰামত ৰজা হোৱাৰ পিচত তেওঁৰ মৃত্যু হোৱাত তেওঁৰ পুত্ৰ ট্যাও আই-জেপ-ট্যাওফা ৰজা হয়। ৪০ বছৰ ৰাজত্ব কৰি তেওঁ নিঃসন্তান হৈ মৃত্যু হয়। এনেদৰে খুন্‌লাইৰ বংশলতাৰ যৱনিকা আহি পৰে। আই-জেপৰ মৃত্যুত তেওঁৰ মন্ত্ৰীপৰিষদে খুন্‌লুঙৰ বংশধৰ খাম্পংফাক মুংৰি-মুংৰামৰ ৰজা পাতে। আই-জেপৰ ৰাজত্বকালত প্ৰধান ঐতিহাসিক কথা হ'ল আই-জেপ-লাক্‌নি নামৰ টাই বৰ্ষ-চক্ৰৰ সূচনা। ৬৩৮ খৃঃৰ পৰা এই ৬০ বছৰীয়া টাই বৰ্ষ-চক্ৰৰ আৰম্ভণি হয়। এই বছৰৰ পৰাই ব্ৰহ্মদেশীয় বৰ্ষ-চক্ৰৰো আৰম্ভণি। গতিকে ই এক গুৰুত্বপূৰ্ণ ঐতিহাসিক সত্য বুলি গণ্য কৰিব পাৰি।

২৫ বছৰ কাল ৰাজত্ব কৰি খামপংফাই তেওঁৰ জ্যেষ্ঠ পুত্ৰ খামট্যাপফাক মুংৰিমুংৰামৰ ৰজা পাতে। তেওঁৰ সৰু পুতেক খামট্যিপফাক মাওলুঙৰ ৰজা পাতে। ৫০ বছৰৰ পিচত ৰজা হয় খামট্যিপফাৰ পুত্ৰ নিফামাও। ৪০ বছৰৰ পিচত ৰজা হয় নিফামাওৰ পুত্ৰ ছ্যুখুনফা। ছ্যুখুনফাই ৪১ বছৰ ৰাজত্ব কৰাৰ পিচত ৰজা হয় ছ্যুকাইফা। ৩৪ বছৰৰ পিচত ৰজা হয় ছ্যুহেনফা। ৩৩ বছৰৰ পিচত ৰজা হয় তেওঁৰ পুত্ৰ ছ্যুটাওফা। ৩২ বছৰৰ পিচত ৰজা হয় তেওঁৰ পুত্ৰ ছ্যুপংফা। ২৭ বছৰৰ পিচত ৰজা হয় ছ্যুঅন-ফা। ২৩ বছৰৰ পিচত ৰজা হয় তেওঁৰ পুত্ৰ ছ্যুহনফা। ১২ বছৰৰ পিচত ৰজা হয় তেওঁৰ পুত্ৰ ছ্যুহাওফা। ১৯ বছৰৰ পিচত ৰজা হয় তেওঁৰ পুত্ৰ ছ্যুলিপ্‌-ফা। ২১ বছৰ ৰাজত্ব কৰাৰ পিচত ছ্যুলিপ্‌ফাৰ নিঃসন্তান হৈ মৃত্যু হোৱাত মন্ত্ৰীপৰিষদে জুনলুঙৰ ৰজা খুন্‌কেক্‌ফাৰ

বংশধৰ ট্যাও টাই পুঙক ৰজা পাতে। ১৫ বছৰৰ পিচত তেওঁৰ পুত্ৰ ট্যাও টাইফা ৰজা হয়। ১২ বছৰৰ পিচত তেওঁৰ পুত্ৰ ট্যাও লুলু ৰজা হয়। ১৯ বছৰ ৰাজত্বৰ পিচত তেওঁৰ পুত্ৰ চাও চাংবুন (তামুলীফুকনৰ ট্যাও টাংমুন) ৰজা হয়। তেওঁৰ মৃত্যুৰ সময়ত তেওঁৰ পুত্ৰ চাও চেংন্যু মুংৰিমুংৰামত আছিল। গতিকে অন্য এজন পুত্ৰ টাও চিঙা ৰজা হয়। ১১ বছৰৰ পিচত তেওঁৰ ভাতৃ টাও লুচু (আহোম বুৰঞ্জীৰ টাও লুলু) ৰজা হয়। তাৰ পিচত তেওঁৰ ভাতৃ টঙাক্ৰেম (তামুলীফুকনৰ টঙাচু) ৰজা হয় আৰু ৮ বছৰ ৰাজত্ব কৰে। তাৰ পিচত টাও খনুবিনে ১৮ বছৰ ৰাজত্ব কৰে। তাৰ পিচত টাও খুনকুমে ৮ বছৰ ৰাজত্ব কৰে। তেওঁৰ ৰাজত্বকালত ঠাও খুনৰা নামৰ মাওলুঙৰ ৰজাজনে মাওলুঙ ত্যাগ কৰিবলৈ বাধ্য হয় আৰু তেওঁ মাওলুঙ ৰাজ্যখন খুনকুমত দিয়ে। খুনকুমে সেই ৰাজ্যত টাও টাইপ্লুং (টাইপুঙ) নামৰ পুত্ৰক ৰজা পাতে। টাইপ্লুঙে তেওঁৰ ৰাজ্যসমূহ পুত্ৰকেইজনৰ মাজত ভগাই দিয়ে। ডাঙৰ পুতেক আই টাইলুঙক মুংজিন ৰাজ্য, মাজুপুতেক চাম ফুচাংখাঙক মুংমিট আৰু সৰু পুতেক নি পামেওপুঙক মাওলুঙ ৰাজ্য দিয়ে।

চাও চাং-ন্যুও মহান চাও চাং-বুনৰ পুতেক আছিল । তেওঁ লাকনি ৰাইমিটত খুনলুং টুবকৰ নাতিয়েক খুন-লু-চিও অহা বাটেৰেই মুংৰিমুংৰামৰ পৰা আহিছিল। তেওঁ আহি আহি ক্ৰমে মুংখুমুঙ্জা তাৰ পিছত মংবেংবা মুংখান আৰু কিংচেন মাও-লুঙত প্ৰৱেশ কৰে । মাওলুঙৰ ৰজা পা-মেও পুঙে চাও চাং ন্যুক ক'লে "তোমালোকে নাম-কিউ নৈ পাৰ হৈ নাহিবা। আমি একেটা স্বৰ্গীয় বংশলতাৰ । সৰগৰ পৰা একেলগে নামিছো, মগুহ খাইছো, একেটা পেটলৈকে গৈছে । একেই পঘাৰে বান্ধি অনা গৰু, একেই পঘাৰেই বান্ধি অনা ম'হ, একেলগে জাপি কুচি অনা কাপোৰ হেৰুৱাবলগীয়া যেন নহয়। গতিকে আ-অলংকাৰবোৰ একেখন কাপোৰেৰে টোপোলা বান্ধি ল'ব লাগে ।" তাৰ পিছত তেওঁ একে পিতৃ-মাতৃ গৰ্ভজাত সৰু ভনীয়েক নাংমুং-রুক-খাম-চেঙক চাও চাংন্যুক গটালে । চাও টাই পুং চাও লুঙ-ছ্যুকাফাৰ মাকৰ দেউতাক আছিল।* (৩ - চাওলুঙ ছ্যু-কা-ফাৰ বংশলতা ১ নং পৰিশিষ্টত দ্ৰষ্টব্য)

চাও পা-মেও পুং অপুত্ৰক আছিল । চাওলুঙ ছ্যু-কা-ফাৰ এনায়েক পা-মেও-পুঙৰ মাকে নাতিনীয়েকক কিং-চেন মাও-লুকৰ ৰাজপ্ৰাসাদলৈ লৈ আহে । লাকনি মংকাও, প্লেক-চিও, কাট-প্লাও, খকুট-নি, কং-মাও, টাও-চি, কা-চাও, কাপ-চি-গা, ডাপ-মুত- ৰাই-চান, মুং-ৰাও, প্লেক-মিট, কাট-কাও, খুট-কাও, কংপাও, টাও-নি, কা-মাও, কাপ চি, ডাপ-চাও, চাওলুং-কা-ফা চিং-চেন-মাওলুঙৰ ৰাজকোঁৱৰ আছিল। লাকনি বায়-চি-প্ৰাত চাও-কা মক-খাম-ডেং ধৰালৈ আহে আৰু ৰাণী নাং নাম আপমৰ সম্ভোগ ঘটে। তেতিয়া পা-মেও পুঙে তেওঁৰ ৰাণী নাংনাম আপক ৰাজকাৰেঙৰ পৰা বিতাৰিত কৰে । মুং-মুট লাকনি বৰ্ষত ছ্যু-খান্-ফাৰ জন্ম হয়। তাৰ অলপ দিনৰ পিছতে ছ্যু-কা-ফাৰ পিতাক চাও চাং-ন্যে স্বৰ্গগামী হয়। পা-মেও পুং মানসিক ৰোগত আক্ৰান্ত হয় আৰু কাটৰাও লাকনি বৰ্ষত তেওঁ নিজে ডিঙি কাটি মৃত্যুবৰণ কৰে। ছ্যু-খান্-ফা সেই বছৰতে কিং-চেন্-মাও-লুঙত সিংহাসনত আৰোহণ কৰে । ছ্যু-খান্-ফাৰ ককাক থাও খেন্-পুঙে তেওঁৰ মৃত্যুৰ সময়ত ছ্যু-ফান্-ফা আৰু ছ্যু-কা-ফা ভাতৃদ্বয়ক এইবুলি পৰামৰ্শ দিয়ে "তোমালোক দুয়ো ককাই-ভায়ে কেতিয়াও কটাকটি-মৰামৰিত লিপ্ত নহ'বা ।" ছ্যু-কা-ফাৰ মাকৰ ফালৰ আইতাকেও ছ্যু-কা-ফাক উপদেশ দিছিল অন্য কোনোবা ৰাজ্যত গৈ শাসন কৰিবলৈ কৈছিল । তেতিয়া ছ্যু-কা-ফাই কিং-চেন্-মাওলুং ত্যাগ কৰিবলৈ মনস্থ কৰিলে আৰু মাকৰ ফালৰ সম্পৰ্কীয় মাওলুঙৰ ৰজা ছ্যু-খান্-ফাক ক'লে "মই পশ্চিম ফালৰ মুং-পা-কাম ৰাজ্যলৈ যাও য'ত চৰাইয়েও শান্তিৰে জিৰণি লয় আৰু তাত মই ৰাজ্য শাসন কৰিম।" তেতিয়া তেওঁৰ লগত খুন্‌ৰা, খুন্‌লাং, খুন্-বিং, খুন্‌চেং, আৰু খুন্-ফু-কিন্-মুং ডাঙৰীয়াসকলক লগত লৈ চিৰকালৰ বাবে মুং মাওলুং ৰাজ্য ত্যাগ কৰিলে। তাৰ পিছত ছ্যু-কা-ফা তেওঁৰ পৈতৃক ৰাজ্য মুংখা-মুং-জালৈ গ'ল । তেওঁ তেওঁৰ লগত পৈতৃক ৰাজ্যৰ উত্তৰাধিকাৰী সূত্ৰে পোৱা পাৰিবাৰিক অস্থাৱৰ সম্পত্তি, খুন্‌লুঙৰ ৰাজবংশৰ প্ৰতীক চুম্‌চাচেং-বাংমুংৰ বিগ্ৰহও লগত ল'লে । তেওঁৰ লগত পৈতৃক ৰাজ্য মুখা মুংজাৰ পৰা অহা মানুহবিলাককো ল'লে । প্ৰতিটো পাত্ৰত তিনিজন মানুহৰ খাদ্য আঁটাকৈ

মুঠ তিনিহাজাৰ তামৰ পাত্ৰ তেওঁৰ লগত দিয়া হৈছিল । তেওঁৰ লগত যোৱা ৰাজ বিষয়াসকলৰ অন্যতম আছিল টা-খুন্‌লাক (মুং-খাম ৰাজ্যৰ ফু-কিন্-মুং), খুন্-কং (মুং-খু-ৰাজ্যৰ খু-কিন্ মুং), ফালুংখুন্‌টং (মুংখো মুংপুং ৰাজ্যৰ ফু-কিন্-মুং), কান্-গান্ (মুংলি ৰাজ্যৰ ফু-কিন-মুং)। থাউ-মুং-কিউ-খেন্ আৰু থাউ-মুংটি চু-মুং-খাম ও ছ্যু-কা-ফাৰ লগত আহিছিল। তেওঁৰ লগত এটা মতা হাতী আৰু এজনী মাইকী হাতী, চকুৰ ঢাকনিৰে সৈতে তিনিহাজাৰ ঘোঁৰা লগত লৈ আনিছিল । ফ্ৰৰং-পেন আছিল তেওঁৰ হাতীৰখীয়া ।

খুট-মিট, ৰুং-কাও,টাউ চাও লাকনি বৰ্ষত চাওলুং ছ্যু-কা-ফা পূৰ্বতে খুন্-লুং চিউ অহাৰ বাটেৰেই আহিছিল।

কা পাউ লাকনি বৰ্ষত কাপ্‌নি কাট্-ৰুং মুং বান পথেৰে আহিছিল । ডাপ-মাও ৰায় চি লাকনি বৰ্ষত তেওঁ মুংনা মুং টেত আছিল । মুচাও প্লেক-চি-গা লাকনি বৰ্ষত তেওঁ খউক-চাং-ভিং মেইনলৈ আহিছিল। ৰুং-ৰাও, টাও-মিট লাকনি বৰ্ষত তেওঁ চাক-চাং-খাই গাঁৱত আহি প্ৰৱেশ কৰিছিল । কা-কাউ লাকনি বৰ্ষত তেওঁ মুং-কেলৈ আহি তাতে কিছুদিন থাকিল। ছ্যু-কা-ফাই মুংকঙৰ বানলাক নামৰ ঠাইলৈ যুদ্ধ কৰিবলৈ তা-খুন-লাক, খুন-টং, কং-খ্ৰু-মুং, কান-গান, থাউমুং ক্যু-খুন থাউ খেন লুং থাউ মুংমুং-খাম আৰু আন জেষ্ঠ নেতৃবৰ্গক পঠিয়াইছিল। তাৰ পিছত তেওঁ লুং-মি-চে-কাউ আৰু ফাক কে চিন্-ৰিণ্ লৈ গ'ল । তাৰ পৰা তেওঁ পাক-টু-লুং পৰ্বতমালা অতিক্ৰম কৰিলে । ৰিন্-মেন মুং -নেন আৰু পিছত নাম-তি-লিক কংটাই লৈ আহিল । কাপ-চাউ লাকনি বৰ্ষত তেওঁ আহি মুং-খামজাং পদাৰ্পণ কৰিলে। নাম-জাং নৈ পৰা হৈ তেওঁ ৰু-খু পালেহি আৰু নং-জাং-হ্ৰুদৰ পাৰত বাহৰ পাতিলে। ৰজা বিষয়াসকল খা-ৰু-খু, পুং-কাং আৰু থি-থাং-ভি লাও লৈ আহিল । তাতে বহুসংখ্যক লাটেমা, লান-পাং-কো আৰু তাৰ বংশলতাৰ খা নৃগোষ্ঠীৰ (অৰণ্যবাসী জনগোষ্ঠীৰ) লোকে বসবাস কৰিছিল ।

ৰাজ বিষয়াসকলক টপাটপ' জনগোষ্ঠীক আক্ৰমণ কৰিবলৈ নিৰ্দেশ দিয়া হ'ল । কাং-খ্ৰু-মুঙক তাৰ শাসনকৰ্তা পতা হ'ল । ছ্যু-কা-ফাই নং জং নৈৰ

পাৰে পাৰে আহি ৰাজবিষয়াসকলক নাম জং নৈৰ উজনি আৰু নামনি অঞ্চলত বসবাস কৰি থকা খা জনগোষ্ঠীৰ ওপৰত আক্ৰমণ চলাবলৈ নিৰ্দেশ দিলে। খা সকলৰ ভালেমান মানুহ মৰিল, ভালেমান পলাই গ'ল । জংগীবোৰৰ মগুহ কাটি জুইত সেকি সিহঁতৰেই ককাই-ভাইক খুওৱা হ'ল । সিহঁত আতংকগ্ৰস্ত হৈ বিজেতা ছ্যু-কা-ফাৰ শৰণাগত প্ৰজা হৈ পৰিল । চাওলু ছ্যু-কা-ফাই দৈ-কাও ৰং পৰ্বত পাৰ হৈ নাম-পুং নৈয়েদি আহি নাম-ৰুক্ (নামৰূপ) নৈৰ পাৰত উপস্থিত হ'ল । খা জনগোষ্ঠীৰ লোকসকলে সাজি দিয়া ভুৰত তুলি তিনি হাজাৰ ঘোঁৰা লৈ তেওঁ ভটিয়াই আহি নাম জিন্ নৈ পালেহি । যুদ্ধৰ ভালেমান অস্ত্ৰ-শস্ত্ৰ সংগ্ৰহ কৰি লৈ নাম জিন্-নৈৰ পাৰে পাৰে তেওঁ আগবাঢ়ি গৈ মুংলা খেন্ টৈন্-চাত উপস্থিত হ'ল । ৰায়ঙী লাকনি বৰ্যত ফা-লুং-খুন-টুভক তাতে থাপিলে। ছ্যু-কা-ফাই নাম-জিন্ নৈয়েদি ভটিয়াই গৈ টিপামত পদাৰ্পণ কৰিলে। টিপাম ঠাইখন সততে বানে ধোৱা ঠাই বাবে বসতিৰ বৰ উপযোগী বিবেচিত নোহোৱাত কান-নঙানক তাতে থাপি ছ্যু-কা-ফাই নাম জিন্ নৈয়েদি পুনৰ ভটিয়াই গৈ মুং-কুং-চে-খু পাই বাঁহৰ পাতিলে আৰু খুট-চি-ঙা, কংমুট, তাও-চন, কাট-ৰাও, কাপ মিট লাকনি বৰ্ষ কালছোৱাত তাতেই থিতাপি ল'লে । এই ঠাইখন হাবিতলীয়া ঠাই আছিল । পিছত তেওঁ পুনৰ টি-লাও (ব্ৰহ্মপুত্ৰ)য়েদি ভটিয়াই গৈ মুং হাবুঙত প্ৰবেশ কৰে । ডাপ কেও, ৰায়-চেও, মুং প্লাউ লাকনি বৰ্ষৰ কালছোৱা তেওঁ হাবুঙতে বাহৰ পাতি থাকিবলৈ লয়। তিনিটা বছৰ তাতে খেতি-খোলা পাতি কটায় । হাবুঙো বানাক্ৰান্ত অঞ্চল আছিল বাবে তেওঁ ব্ৰহ্মপুত্ৰইদি পুনৰ ভটিয়াই গৈ নাম চাও (দিখৌ) নৈৰ মুখ পায় আৰু দিখৌয়েদি উজনিমুৰা হৈ যাত্ৰা কৰে । নাম খুন্ (দিচাং) নৈৰ মুখ পাই তাৰ পানীৰ জোখ লৈ নৈখন টিপামৰ পৰা প্ৰবাহিত হৈ আহিছে বুলি জানিব পাৰি তেওঁ নাম- চাও (দিখৌ)য়েদি উজাই গৈ মুং-কই-মুং-চেন ৰাজ্য পালেগৈ । তাতে তেওঁ চন্টক নৈৰ পানীৰ জোখ লৈ নাম-চাও (দিখৌতকৈ জোখত তাৰ ভৰ দুগুণ পালে। প্ৰেকনি কাট-মাও লাকনি বছৰকেইটা তাতে কটাই ছ্যু-কা-ফাই টা-খুন্-লাকৰ হাতত মুং কই মুং চেনৰ শাসনভাৰ গতালে । তাৰ পিছত তেওঁ দিখৌয়েদি

ভটিয়াই গৈ খেন্ টুন্ নিউ (শিমলুগুৰি) পাই তেওঁ বিষয়াবৰ্গৰ সৈতে গো-মাংস আৰু সাজ-পানীৰে ভোজভাত খায়। তেওঁৰ জৰীপকাৰীসকলে দিয়া তথ্য অনুসৰি নামদাং, আৰু চাৰিগুত তিনিশঁকে ঘাট থকাৰ কথা জানিব পাৰি তেওঁ তাত থাকিবলৈ নিবিচাৰিলে । খুটছি, কংচাও, টাও-চি-ঙা, কা-মুট কাপ-চান্, দাপ ৰাও লাকনি বৰ্ষককালছোৰা তেওঁ শিমলুগুৰিতে খেন্-টুন্-নিউ) থাকিবলৈ ল'লে তাৰ পিছত টমক নৈয়েদি উজাই যায়। ৰায় মিট লাকনি বৰ্ষত তেওঁ লাং টাও ফাত নগৰ পাতে। ন কৈ খেতি খোলা পাতে, নকৈ ৰাজচ'ৰা পাতে। সমাৰোহেৰে বিক্-খুন-মুং উৎসৱ উদ্‌যাপন কৰে । সেই অঞ্চলটো বানাক্ৰান্ত অঞ্চল আছিল সেয়ে মুং-কাও লাকনি বৰ্ষত পাহাৰীয়া ঠাইত নকৈ নগৰ পতা হয়। নগৰখন অতি দৃষ্টিনন্দন, আকাৰত বিশাল আৰু সু-সজ্জিত আছিল । দেৱতাৰ নামত নগৰৰ উত্তৰে আৰু দক্ষিণে এটাকৈ থোঁৰা সমাধিস্থ কৰা হৈছিল । চাৰি বং ওজনৰ সোণৰ সূতাৰে এজোপা টুন্-পাং (বৰগছ) ত মেৰিয়াও হৈছিল আৰু গছ জোপাৰ মূলত এটা ৰূপৰ পাত্ৰ সংস্থাপন কৰা হৈছিল।

তাৰ পিছত মে-মুং মে বান মহাসমাৰোহেৰে উদ্‌যাপিত হয় আৰু নগৰ নিৰ্মাণ কাৰ্য সম্পন্ন হোৱাত তাতে থিতাপি লয়। চাওলুং ছ্যু-কা-ফাই তিনিখন অনা তাই ৰাজ্য, মুং কামতা (কমতা), মুং-টুমিছা (কছাৰী) আৰু মুং-তিউৰা (চুতীয়া) আৰু তিনিখন তাই ৰাজ্য খামজাং (টিপাম), বিখন ৰাজ্য তেওঁ নিজে প্ৰতিষ্ঠা কৰি এজন তলতীয়া শাসনকৰ্তাৰ হাতত কাৰ্যভাৰ অৰ্পণ কৰি থৈ আহিছিল, মুং আইতন আৰু মাউলুঙলৈ একোখনকৈ শুকুলা কাপোৰ, চৰাইৰ পাখিৰে বোৱা কঁথা, দহ বং ওজনৰ ৰূপৰ দীঘল ডিঙিৰ লোটা, একোটাকৈ দূতৰ হাতত উপহাৰ চিন স্বৰূপে পঠিয়ালে। তেওঁও প্ৰতিদানত কমতা ৰজা, চুতীয়া ৰজা, কছাৰী ৰজা আৰু টিপাম ৰাজ্যৰ লগতে তেওঁৰ ভাঙৰ মোমায়েকৰ পুত্ৰ ৰুকাই ছ্যু-খান্-ফা আৰু কিন্-চেন্ মাওলুৰ ৰজাৰ পৰা উপহাৰ লাভ কৰিলে । ছ্যু-কা-ফাই তেওঁৰ তলতীয়া

আইতন আৰু খামজাং ৰাজ্যৰ ৰজাই সংগ্ৰহ কৰা সোণ আৰু ৰূপৰ বহুমূলীয়া উপহাৰ সামগ্ৰী এখন চিঠিৰে গুপ্তচৰৰ যোগেদি ছ্যু-কান্-ফালৈ পঠিয়ালত চাওলুং ছ্যু-খান্-ফাইও প্ৰতিদানত তেওঁলৈ এটা ঘোঁৰা, ঘোঁৰাৰ জীন, লেকাম, বহুৰঙী মীনাকৰা কাৰুকাৰ্য খচিত সোণৰ টুপি সোণচৰোৱা বাখৰ খটোৱা সমুখ আৰু পিঠিফালে ভৰিলৈকে ও ওলমি পৰা দীঘল চোলা, তিনিসিৰীয়া সোণৰ ফুল বছা এযোৰ জোতা, এটা কাঠৰ মূঢ়া, বিক্ খুন উপলক্ষে উপহাৰ স্বৰূপে পঠিয়ালে। এইদৰে দুয়ো ভাই-ককাইৰ মাজত উপহাৰ আদান-প্ৰদান কৰাৰ পৰম্পৰা চলিছিল ।

তাৰ পাছত দেশ আৰু ৰাজ্যসমূহৰ উপাস্য দেৱতাৰ সন্তুষ্টিৰ বাবে পূজা-পাতল চলিল। এইজনা ৰজাই এই পাহাৰীয়া নগৰীৰ পৰাই সুদীৰ্ঘ একচল্লিছ বছৰকাল ৰাজত্ব কৰে । প্লেক নী লাকনি বৰ্ষত তেওঁ স্বৰ্গগামী হয়। তেওঁক চৰাইদেউতে মৈদাম দিয়ে। তেওঁৰ মৃত্যুৰ পিচত পুত্ৰ ছ্যু-টেউফা ৰজা হয়।(১২৬৮-১২৮১) চন।

সাঁচিপতীয়া এখন বুৰঞ্জীত পোৱা তথ্যমতে ছ্যু-কা-ফাই মুংকেংৰ এজন মন্ত্ৰী নৰা চাই গোহাঁইৰ কন্যা তৰাচেং কুঁৱৰীৰ পাণি গ্ৰহণ কৰিছিল । তেওঁৰ চুলি সাত হাত দীঘল আছিল বুলি লিখকৰ দ্বাৰা সংগৃহীত তাই ভাষাৰ পুথিত উল্লেখ আছে। তেওঁ বৰাহী ৰজা ঠাকুমতা আৰু মটক ৰজা বদোচাৰ একোগৰাকী কন্যাৰো পাণি গ্ৰহণ কৰিছিল। তেওঁলোকৰ নাম আছিল ক্ৰমে নাগেশ্বৰী আৰু গজেশ্বৰী। তৰাছেং কুঁৱৰীৰ দুই পুত্ৰ ছ্যুটাউফা আৰু ছ্যুটউফা নাগেশ্বৰী নিসন্তান আৰু গজেশ্বৰীৰ পুত্ৰ ছ্যুহাউফা আছিল। ছ্যু-তেউ-ফাই তেৰ বছৰত ৰাজত্ব কৰি ১২৮১ খৃষ্টাব্দত স্বৰ্গগামী হয়। তেওঁৰ শাসনকালত কছাৰীয়ে দিখৌৰ দুয়োপাৰৰ ৰাজ্যখণ্ড আহোমৰ দখললৈ এৰি দিয়ে। ছ্যু তেউ-ফাৰ পিছত ৰবপুত্ৰেক ছ্যু-বিন-ফা ৰজা হয়।

এওঁৰ ৰাজত্বকালত আহোম ৰাজ্যৰ সম্প্ৰসাৰণ ঘটা নাছিল । তেওঁ আহোম প্ৰজাক বৰগোহাঁই আৰু বুঢ়াগোহাঁইৰ মাজত সমানে দুটা ফৈদত ভগাই দিয়াৰ ব্যৱস্থা কৰিছিল ।

তেওঁৰ পিছত পুতেক ছ্যু-খাং-ফা ৰাজপাটত বহে । তেওঁলোক থিতাপি লোৱা অঞ্চলৰ আদি বাসিন্দাসকলক জয় কৰি লোৱাৰ পিছত সুদীৰ্ঘ কালজুৰি বিৰাজ কৰা শান্তিময় পৰিৱেশত আহোমসকলৰ জনসংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পায় । জনসংখ্যাৰ এনে বৃদ্ধি কেৱল স্বাভাৱিক প্ৰক্ৰিয়াৰে হৈছিল বুলিব নোৱাৰি; থলুৱালোকক আহোমলৈ অন্তৰ্ভুক্তিৰে সমন্বিতকৰণ, আৰু সম্ভৱতঃ আহোমসকলৰ আদি বাসভূমিৰ পৰা হোৱা ন-ন প্ৰব্ৰজনেও এনে বৃদ্ধিত ক্ৰিয়া কৰিছিল। যিয়েই কি নহওঁক, জনসংখ্যাৰ বৃদ্ধিয়ে তেওঁলোকক এতিয়া এনে এক স্থিতিত উপনীত কৰালে যে তেওঁলোকে অকলেই নিজ শকতিৰে চৌপাশৰ ক্ষমতাশালী ৰজাসকলৰ বিৰুদ্ধে থিয় দিব পৰা হ'ল । ফলস্বৰূপে, খনদিয়েক যুদ্ধ-বিগ্ৰহৰ মাজেদি তেওঁলোক সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ অবিসম্বাদী শক্তি হৈ পৰিল। প্ৰথমে তেওঁলোক কমতাৰ ৰজা (কোঁচ ৰাজ্য নিশ্চয় নহয়)ৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে আৰু কমতাৰ ৰজাই ততালিকে চুক্তিত আবদ্ধ হোৱাৰ লগতে জীয়েক ৰজনীক আহোম ৰজালৈ বিয়া দিলে । ১৩৩২ খ্ৰীষ্টাব্দত ছ্যু-খাং-ফা স্বৰ্গগামী হয়।

ছ্যু-খ্ৰাম-ফা চাৰিগৰাকী পুত্ৰৰ মাজৰ বৰজনা ছ্যু-খ্ৰাম-ফাৰ ৰাজপাটত বহে । বত্ৰিশ বছৰ ৰাজত্ব কৰি ১৩৬৪ খ্ৰীষ্টাব্দত তেওঁ স্বৰ্গী হয়। তেওঁৰ পিছত ভায়েক ছ্যু-টু-ফা ১৩৬৪ চনত ৰজা হয়। তেওঁক চুতীয়া ৰজাই প্ৰৱঞ্চনা আৰু চক্ৰান্ত কৰি হত্যা কৰে ।

তেওঁৰ মৃত্যুৰ পিছত ৰজা হ'বলৈ কোনো ৰাজকোঁৱৰ নথকাত, বুঢ়াগোহাঁই আৰু বৰগোহাঁইয়ে ৰাজকাৰ্য পৰিচালনা কৰিছিল । পিছত ১৩৮০ চনত, তেওঁলোকে স্বৰ্গী ৰজাৰ ভায়েক ট্যাও-খাম-থি ক ৰজা পাতে। ৰজা হৈয়েই তেওঁ চুতীয়া ৰজাৰ বিৰুদ্ধে প্ৰতিশোধ ল'বলৈ যুদ্ধ যাত্ৰা কৰে আৰু বিজয় গৌৰৱেৰে উভতি আহে । কিন্তু তেওঁৰ অনুপস্থিতিৰ সুবিধালৈ বৰকুঁৱৰীয়ে সৰুকুঁৱৰীৰ বিৰুদ্ধে এক ষড়যন্ত্ৰ ৰচনা কৰি শিৰচ্ছেদ কৰিবলৈ নিৰ্দেশ দিয়ে। আনহাতে ৰাজবিষয়াবৰ্গ ৰজাৰ ওপৰত বিক্ষুব্ধহৈ তেওঁক হত্যা কৰে ।

যোগ্য উত্তৰাধিকাৰী নথকাত মন্ত্ৰীবৰ্গই ৰাজ্যৰ ৰাজকাৰ্য পৰিচালনা কৰিবলগীয়া হ'ল। তেনেতে, ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে এজন ব্ৰাহ্মণৰ পৰিয়ালত ছ্যু-ডাং নামেৰে এজন ডেকা ল'ৰাৰ সন্ধান পোৱা গ'ল যাক ব্ৰাহ্মণজনে তেওঁৰ তোলনীয়া পুতেক বুলি পৰিচয় দিছিল । পিচে, বুঢ়াগোহাঁইয়ে এই ডেকাজন প্ৰয়াত ৰজা ট্যাও-খাম-থিৰ পুত্ৰ বুলি নিশ্চিত হ'ল আৰু জানিব পাৰিলে যে সগৰ্ভা সৰু কুঁৱৰীৰ শিৰচ্ছেদৰ আদেশ হোৱাত মন্ত্ৰীবৰ্গই তেওঁক শিৰচ্ছেদ নকৰি এখন ভুৰত তুলি ব্ৰহ্মপুত্ৰত উটুৱাই দিবলৈ আজ্ঞা দিয়াৰ পিছত এই ব্ৰাহ্মণজনেই কুঁৱৰীক পাই উদ্ধাৰ কৰে আৰু ট্যাও-খাম-থি কুঁৱৰীৰেই গৰ্ভজাত সন্তান ছ্যু-ডাং-ফা ১৩৯৮ খ্ৰীষ্টাব্দত ৰজা হয়। ৰজা হৈ তেওঁ তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হোৱা টিপমীয়া মুখিয়াল সকলক ভোজমেললৈ মাতি আনি হত্যা কৰে । বাকী টিপমীয়া সকলৰ লগত সম্প্ৰীতি বজাই ৰাখিবলৈ যত্ন কৰে আৰু খুন্‌তাই নামৰ টিপমীয়া মুখিয়াল এজনৰ কন্যাৰ পাণি গ্ৰহণ কৰে । কন্যাটিৰ তাই চুলাই নামৰ টিপমীয়া ডেকা এজনৰ সৈতে প্ৰণয় আছিল বুলি জানিব পাৰি ৰজাই সোধ-পোছ কৰিবলৈ মাতি পঠিয়ালে। তাই চুলাই পলাই গৈ মুং কংৰ ৰজাৰ সহায় ভিক্ষা মাগিলে। যুদ্ধত আহোম বৰগোহাঁইৰ সৈন্যই শত্ৰুসেনাক পাটকাইলৈকে খেদি নিলে আৰু শেষত ১৪০১ খ্ৰীষ্টাব্দত পাটকাইক দুয়োখন ৰাজ্যৰ মাজৰ সীমা নিৰ্দ্ধাৰণ কৰি আনুষ্ঠানিকভাৱে এখন চুক্তি স্বাক্ষৰ কৰা হয়। তাই চুলাইয়ে কমতা ৰাজ্যৰ ৰজাৰ আশ্ৰয় লয় আৰু যুদ্ধ ত্যাগ কৰি কমতাৰ ৰজাই জীয়েক ভাজনীক ছ্যু-ডাং-ফালৈ বিয়া দিয়ে।

তেওঁৰ শাসনকালত ছ্যু-ডাং-ফাই তেওঁৰ বিৰোধিতা কৰা খামজাং আৰু আইতন জনজাতীয় মুখিয়ালসকলক কৰতলীয়া কৰি লৈছিল । ১৪০৭ চনত ছ্যু—ডাং-ফাৰ মৃত্যু হয়। ছ্যু-ডাং-ফাৰ মৃত্যুৰ পিছত ৰৰজনা কোঁৱৰ ছ্যু-জাং-ফা ১৪০৭ ৰজা হয়। ১৫ বছৰ শান্তিৰে ৰাজ্য শাসন কৰি ১৪২২ চনত তেওঁ স্বৰ্গী হয়। তেওঁৰ মৃত্যুত ছ্যু ফুক্-ফা সিংহাসনত বহে। ১৭ বছৰ ৰাজত্ব কৰি ১৪৩৯ চনত স্বৰ্গী হয়। তেওঁৰ পিছত ছ্যু-ছেন্-ফা ৰজা হয়। ১৪৮৮ চনত তেওঁ স্বৰ্গী হয়। তেওঁৰ পিছত তেওঁৰ পুতেক ছ্যু-হেন্-ফা ৰজা হয়। টংচু নগাৰ

বিৰুদ্ধে এওঁ পুনৰ যুদ্ধ চলোৱাৰ অন্তত নগাসকলে পৰাজয় বৰণ কৰিবলগীয়া হয়। ১৪৯০ খ্ৰীষ্টাব্দত কছাৰীৰ সৈতে যুদ্ধ আৰম্ভ হয়। দিখৌৰ পাৰত ডামপুকত আহোম সৈন্য পৰাস্ত হয়, সন্ধিৰ প্ৰস্তাব লোৱা হয় আৰু কছাৰী ৰজালৈ এগৰাকী ৰাজকন্যা প্ৰেৰণ কৰা হয়।

টাইৰুংগবান জনগোষ্ঠীৰ এচাম মানুহৰ হাতত ১৪৯৩ খ্ৰীষ্টাব্দত ছ্যু-হেন্-ফা নিহত হয় আৰু তেওঁৰ ঠাইত তেওঁৰ পুতেক ছ্যু-পিম্-ফা ৰজা হয়। এইজনা ৰজাৰ মৃত্যুৰ পিছত পুতেক ছ্যু-হুং-মুং ১৪৯৭ খ্ৰীষ্টাব্দত চৰগুৱাত সিংহাসনত অভিষিক্ত হয়। তেওঁ গ্ৰহণ কৰা স্বৰ্গ নাৰায়ণ উপাধিৰ পৰাই ব্ৰাহ্মণসকলৰ ক্ৰমবৰ্দ্ধমান প্ৰভাৱৰ কথা অনুধাৱন কৰিব পাৰি । তেওঁ ঘাইকৈ দিহিঙীয়া ৰজা বুলিয়েই খ্যাত আছিল কিয়নো তেওঁ দিহিংপাৰৰ বকতাত ৰাজধানী পাতি ভালেমান আহোম পৰিয়ালক তাৰ আশে-পাশে থাপিছিল । ১৫০৪ খ্ৰীষ্টাব্দত আইতনীয়াৰ বিদ্ৰোহ দমন কৰা হয়। ১৫১০ খ্ৰীষ্টাব্দত দেশৰ প্ৰজা সাধাৰণৰ সংখ্যা, অৱস্থা আৰু অৱস্থানৰ বিষয়ে অনুসন্ধানৰ কাম হাতত লোৱা হয় আৰু প্ৰজাসাধাৰণক কেতবোৰ খেলত বিভক্ত কৰা হয়। ১৫১২ খ্ৰীষ্টাব্দত হাবুঙক আহোম ৰাজ্যৰ সতে চামিল কৰা হয়।

ছ্যু-হুম-মঙৰ গৌৰৱময় কৃতিত্ব আছিল চুতীয়াসকলক পৰাভূত কৰা । ১৫১৩ খ্ৰীষ্টাব্দত চুতীয়া ৰজা ধীৰ নাৰায়ণে আহোম ৰাজ্য আক্ৰমণ কৰে । চুতীয়াসকলে চৰম পৰাজয়ৰ সন্মুখীন হৈ পৃষ্ঠভংগ দিবলৈ বাধ্য হয়। ছ্যু-হুম-মুঙে মুং-খ্ৰাং আৰু নামদাঙৰ চৌপাশৰ ৰাজ্য অধিকাৰ কৰি তাতে নগৰ পাতে। ১৫২০ খ্ৰীষ্টাব্দত চুতীয়াই পুনৰ মুং-খ্ৰাঙত থকা আহোমৰ দুৰ্গত আক্ৰমণ চলায় আৰু মুং-খ্ৰাং দখল কৰে। দুবছৰৰ পিছত ছ্যু-হুম-মুংয়ে চুতীয়াৰ ওপৰত আক্ৰমণ চলাই চেঁচা নৈৰ মুখত চুতীয়া সেনাক পৰাভূত কৰি টিফাও নৈৰ মুখলৈকে চুতীয়া ৰাজ্য দখল কৰে । তাতে এটা দুৰ্গ স্থাপন কৰা হয়।

১৫২৩ খ্ৰীষ্টাব্দত চুতীয়াসকলে এই দুৰ্গ অৱৰোধ কৰিবলৈ আক্ৰমণ চলোৱাত ছ্যু-হুং-মুয়ে এক শক্তিশালী সৈন্য বাহিনী লৈ তড়িত গতিত আহি চুতীয়া সেনাৰ ওপৰত চৰম আঘাত হানে ।চুতীয়াই সন্ধিৰ প্ৰস্তাৱ আগবঢ়োৱাত

ছ্যু-হুম-মুংয়ে চুতীয়া ৰজাক তেওঁৰ সোণৰ মেকুৰী, সোণৰ হাতী আৰু সোণৰ ছত্ৰ হস্তান্তৰ কৰিবলৈ আদেশ দিয়ে। চুতীয়া ৰজাই সেই আদেশ পালন কৰিবলৈ অস্বীকাৰ কৰাত পুনৰ যুদ্ধ চলে। আহোমে চৌদাংগিৰি পাহাৰৰ আঁৰৰ পৰা চুতীয়া সেনাৰ ওপৰত আচম্বিতে আক্ৰমণ চলায়। হতভম্ব চুতীয়া সেনা জুন মুংখাম (মঠাদাং)ৰ পিনে ছেদেলি-ভেদেলি হৈ পলাবলৈ ধৰোতে তেওঁলোকৰ ওপৰত দ্বিতীয়টো আক্ৰমণ চলোৱা হয়। তেওঁলোকৰ ৰজাক কড়ীয়াই হত্যা কৰা হ'ল । তেওঁৰ ৰৰপুতেকো নিহত হয়। চুতীয়া সেনাই ছত্ৰভংগ দি পলাবলৈ ধৰে আৰু আহোম সেনাই বীৰদৰ্পে পিছ লয়। বহুসংখ্যক চুতীয়া সেনা আৰু ৰৰৰাণীৰ বাদে চুতীয়া ৰাজ-পৰিয়ালৰ সমূহ সদস্য আহোম সেনাৰ হাতত বন্দী হয়। এপাত শেলেৰে হানি ৰৰৰাণী আপোনঘাতী হয়।

সমগ্ৰ চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ অন্তৰ্ভূক্তি হয় আৰু ইয়াৰ শাসনভাৰ শদিয়াখোৱা গোহাঁই নামেৰে ন-কৈ নিযুক্তি দিয়া এজন প্ৰশাসনিক ৰাজ বিষয়াৰ ওপৰত ন্যস্ত কৰা হয়।

দিহিঙীয়া ৰজাই প্ৰয়াত ৰজা ছ্যু-পিম-ফাৰ পুতেক চেংলুঙ আৰু তেওঁৰ ৰাণীৰ (যাক ছ্যু-পিন্-ফাই অন্তঃসত্বা অৱস্থাত তেওঁ কৰা অবিবেচক আচৰণৰ অভিযোগত এজন নগা মুখিয়ালৰ সৈতে দেশান্তৰিত কৰিছিল) তত্বাৱধানৰ বাবে ন-কৈ ৰৰপাত্ৰ গোহাঁইৰ পদ সৃষ্টি কৰি আনি গোহাঁইসকলৰ (বুঢ়াগোহাঁই আৰু ৰৰগোহাঁই) দায়িত্বত নথকা ৰৰাহী, চুতীয়া আৰু মৰাণ সকলৰ দায়িত্ব তেওঁৰ ওপৰত ন্যস্ত কৰে ।

১৫২৮ খ্ৰীষ্টাব্দৰ আগছোৱাত ছ্যু-হং-মুং যে কছাৰীৰ বিৰুদ্ধে আক্ৰমণ চলাই ধনশিৰি আৰু ৰৰদুৱাৰ অধিকাৰ কৰিলে। মৰঙীত তেওঁ এটা দুৰ্গ স্থাপন কৰিলে। ১৫২৭ চনৰ আগছোৱাত চুতীয়াসকলে পুনৰ বিদ্ৰোহ ঘোষণা কৰিলে। তৎকালেই বিদ্ৰোহীসকলক বশ কৰা হয়। সেই বছৰতে মুছলমানৰ প্ৰথমটো আক্ৰমণ সংঘটিত হয়। আহোম সৈন্যই মুছলমানৰ সেনাধ্যক্ষ বজীৰৰ নেতৃত্বাধীন সৈন্যবাহিনীৰ ওপৰত আক্ৰমণ চলাই পৰাস্ত কৰিলে । ১৫২৯ খ্ৰীষ্টাব্দত চুতীয়া সকলে পুনৰ বিদ্ৰোহ ঘোষণা কৰে, কিন্তু সেইবাৰো পৰাজয় বৰণ

কৰিবলগীয়া হয়। ১৫৩২ খ্ৰীষ্টাব্দত আন এজন সেনাধ্যক্ষ তুৰ্বকৰ নেতৃত্বত মুছলমানে আহোম ৰাজ্য আক্ৰমণ কৰে কিন্তু তিনি বছৰ চলা যুদ্ধৰ অন্তত মুছলমানসকল আহোম সেনাৰ হাতত পৰাস্ত হয়। আহোম সেনাই মুছলমান সেনাক কৰতোৱা নৈ লৈকে খেদি পঠিয়ায়।

১৫৩৯ খ্ৰীষ্টাব্দত ছ্যু-হুম-মুং জনৈক কছাৰীৰ হাতত নিহত হয়। তেওঁৰ মৃত্যুৰ পিছত ৰাজকোঁৱৰ ছ্যু-ক্লেং-মুং সিংহাসনত অভিষিক্ত হয়। এইজনা ৰজাৰ শাসনকালত ১৫৪৬ খ্ৰীষ্টাব্দত কোঁচ ৰজা নৰনাৰায়ণে আহোম ৰাজ্য আক্ৰমণ কৰে। আৰম্ভণিতে আহোম সেনা পৰাস্ত হলেও শেষলৈ কোঁচসকলেই পৰাজয় বৰণ কৰিবলগীয়া হয়।

১৫৫২ খ্ৰীষ্টাব্দত ছ্যু-ক্লেং-মুং স্বৰ্গী হয়। তেওঁৰ মৃত্যুৰ পিছত খোৰা ৰজা নামে পৰিচিত ছ্যু-খাম্-ফা (Siu-kham-pha) সিংহাসনত অভিষিক্ত হয়। তেওঁৰ ৰাজত্বকালত কোঁচ ৰজা নৰনাৰায়ণে পুনৰ আহোম ৰাজ্য আক্ৰমণ কৰে আৰু ৰণত আহোম সেনাই পৰাজয় বৰণ কৰে। ছ্যু-খাম্-ফাই নৰনাৰায়ণৰ আধিপত্যক স্বীকৃতি দিবলৈ বাধ্য হয় আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ একাংশ অঞ্চল হস্তান্তৰ কৰে । ১৬০৩ খ্ৰীষ্টাব্দত তেওঁ স্বৰ্গী হয়।

তেওঁৰ মৃত্যুৰ পিছত ছ্যু-ছেং-ফাই প্ৰতাপ সিংহ নাম লৈ ৰাজপাটত বহে । জয়ন্তীয়া ৰজাই প্ৰতাপ সিংহলৈ তেওঁৰ জীয়েকক যাচি এই বুলি চৰ্ত আৰোপ কৰে যে ন-কইনাক কছাৰী ৰাজ্যৰ সাতগাঁৱৰ (Satgaon) মাজেদি যোৱা বাটেৰে নিব লাগিব। কছাৰীসকলে আহোমক বাধা দিয়ে আৰু ৰণত আহোমৰ হাতত কছাৰীসকল পৰাস্ত হয়। জয়ন্তীয়া কুঁৱৰীক সুকলমে আৰু নিৰাপদে আহোম ৰাজ্যলৈ অনা হয়। আহোম ৰজাই কছাৰীৰ বিৰুদ্ধে পুনৰ সেনা পঠিয়ায় যদিও সেইবাৰ আহোম সেনাই পৰাজয়বৰণ কৰিবলগীয়া হয়।

১৬১৫ খ্ৰীষ্টাব্দত বংগৰ শাসনকৰ্তাৰ নিৰ্দেশত ছৈয়দ হাকিম আৰু ছৈয়দ আবু বকৰে আহোম ৰাজ্য আক্ৰমণ কৰি পৰাস্ত কৰে । কিন্তু পিছত মোগলৰ শোচনীয় পৰাজয় হয়। মোগলৰ সৈতে সংঘৰ্ষ পুনৰ আৰম্ভ হয় আৰু সেইবাৰ আহোমে আক্ৰমণ চলাই পাণ্ডু অধিকাৰ কৰে । প্ৰথমছোৱাত পৰাজিত

হ'লেও শেষত আহোমৰেই বিপুল বিজয় সাব্যস্ত হয়। এই ঘটনাই আহোমৰ সমৰ শক্তিৰ গতি সলনি কৰি পেলায় আৰু সেইবাবে ১৬৩৯ খ্রীষ্টাব্দত আহোমৰ মোমাই তামুলী বৰবৰুৱা আৰু গুৱাহাটীৰ ফৌজদাৰ আল্লাহ-য়াৰ-খানৰ মাজত এখন চুক্তি সম্পাদিত হয়। এই চুক্তি অনুসৰি উত্তৰে বৰনদী আৰু দক্ষিণে ব্রহ্মপুত্রৰ পাৰক লৈ আহোম আৰু মোগলৰ সীমা নির্দ্ধাৰণ কৰা হয়।

১৬৪১ খ্রীষ্টাব্দত প্রতাপ সিংহ স্বর্গী হয়। তেওঁৰ মৃত্যুত তেওঁৰ বৰপুতেক ছ্যু-তিং-ফা উত্তৰাধিকাৰী সূত্রে ৰজা হ'লেও মন্ত্রীসকলে তেওঁক অযোগ্য বিবেচনা কৰি তেওঁৰ ঠাইত ছ্যু-ৰাম-ফাৰ ভায়েক ছ্যু-তিন্-ফাক ৰজা পাতে। এইজনা ৰজাৰ ৰাজত্বকালত চুঙ্গি সকলক আহোমৰ কবললৈ অনা হয়।

১৬৪৮ খ্রীষ্টাব্দত মন্ত্রীসকলে স্বাস্থ্যজনিত কাৰণত ছ্যু-তিন্-ফাক সিংহাসনচ্যুত কৰে আৰু তেওঁৰ পুতেক ছ্যু-তা-মালাক ৰজা পাতে। ৰজা হৈ তেওঁ হিন্দুমতে জয়ধ্বজ সিংহ নাম লয়। হিন্দু ধর্মত দীক্ষিত হোৱা তেৱেঁই প্রথমজনা আহোম স্বৰ্গদেউ আছিল ।

এইজনা ৰজাৰ ৰাজত্বকালৰ উল্লেখযোগ্য ঘটনা আছিল -১৬৬২ খ্রীষ্টাব্দৰ ৪ জানুৱাৰী তাৰিখে বঙ্গৰ শাসনকর্তা মিৰজুমলাৰ অসম আক্রমণ । আহোম সেনাৰ আভ্যন্তৰীণ শীৰ্ষস্তৰত থকা কন্দলৰ বাবে মোগল সেনাই হাজো, শৰাইঘাট, ভৰলু নৈৰ পাৰৰ চামধৰা আৰু ব্রহ্মপুত্রৰ দক্ষিণ পাৰৰ শিমলাগড় অধিকাৰ কৰালৈকে আহোম সেনাই আক্রমণ চলোৱাৰ পৰা বিৰত আছিল । ১৬৬২ খ্রীষ্টাব্দৰ ৩ মার্চ তাৰিখেহে আহোম নৌ বাহিনীয়ে কলিয়াবৰত মোগল সেনাক ভেটিবলৈ আক্রমণ চলাই শোচনীয়ভাৱে পৰাজয় বৰণ কৰে । মিৰজুমালাই ১৬৬২ খ্রীষ্টাব্দত, ১৭ মার্চ তাৰিখে ৰাজধানী গড়গাঁও অধিকাৰ কৰে আৰু জয়ধ্বজ সিংহ নামৰূপলৈ পলাই যায়।

যিয়েই কি নহওক, বাৰিষা আহোম সেনাই চোৰাং খণ্ডযুদ্ধ, নিশাৰ আন্ধাৰৰ আঁৰ লৈ চলোৱা আক্রমণ আৰু খাদ্য-সৰবৰাহৰ বাট বন্ধ কৰি দি মাজে মাজে মোগলক হাৰাশাস্তি কৰিবলৈ আৰম্ভ কৰে । সন্ধিৰ প্রস্তাৱত

সম্মতি দিবলৈ মিৰজুমলা বাধ্য হয় আৰু জয়ধ্বজ সিংহই জীয়েকক সম্রাটৰ পুতেকলৈ বিয়া দিয়ে।

১৫৮৫ শকৰ (১৬৬৩ খ্ৰীষ্টাব্দৰ) কাতি মাহৰ ২৫ তাৰিখে জয়ধ্বজ সিংহৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পিছত তেওঁ অপুত্ৰক হোৱাৰ বাবে চাৰিং ৰজাক ৰজা পতা হয়। চক্ৰধ্বজ সিংহই মোগলৰ বশ্যতা স্বীকাৰ নকৰাৰ পণ লৈ মোগলৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিবলৈ সিদ্ধান্ত লয় আৰু সেই লক্ষ্যৰে সমৰ সজ্জাৰে পূৰ্ণ প্ৰস্তুতি গ্ৰহণ কৰে । প্ৰয়াত মোমাই তামুলী বৰবৰুৱাৰ পুতেক লাচিতক আহোম সেনাৰ সেনাপতি পতা হয়। ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ ৰাজধানী কাজলীৰ মোগলৰ ছাউনীত আৰু উত্তৰে বাঁহবাৰীত ফুকনৰ নেতৃত্বত আহোম সেনাই আক্ৰমণ চলায়। ছৈয়দ ফিৰোজকে মুখ্য কৰি ভালেকেইজন মুছলমান সেনাধ্যক্ষ ৰণত পৰে । ১৬৬৭ খ্ৰীষ্টাব্দৰ ডিচেম্বৰ মাহত দিল্লীৰ মোগল সম্রাটে অম্বৰৰ মিৰ্জা ৰজা জয়সিংহৰ পুতেক ৰাজা ৰাম সিংহক বঙ্গৰ সেনাৰে পৰিপুষ্ট এটা সেনাবাহিনীৰ সেনাপতি হিচাপে নিযুক্তি দিয়ে। ৰাম সিংহৰ সেনাবাহিনীত ১৮,০০০ হাজাৰ অশ্বাৰোহী, ১৫,০০০ হাজাৰ কাঁড়ী আৰু ৩০,০০০ পদাতিক সৈন্যৰে সু-সজ্জিত আছিল ।

গুৱাহাটীৰ বৰফুকনেও মোগলৰ সম্মুখীন হ'ব পৰাকৈ যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰিলে । তিনিওজন মন্ত্ৰী, ফুকন আৰু ৰাজখোৱা সকলৰ লগত আলোচনা কৰি প্ৰতিৰক্ষাৰ আঁচনি যুগুতোৱা হ'ল । ৰামসিংহই অচিৰেই গুৱাহাটী তথা বৰনদীৰ পশ্চিমাংশৰ সমগ্ৰ ৰাজ্য খালী কৰি দিবলৈ আদেশ জাৰি কৰিলে । বৰফুকনে ৰামসিংহৰ দাবী অগ্ৰাহ্য কৰি সৈন্য বাহিনী লৈ আগিয়াঠুৰিৰ ফালে অগ্ৰসৰ আৰু ফুকনসহ আন আন বিষয়াসকলক শত্ৰুৰ ওপৰত আক্ৰমণ চলাবলৈ নিৰ্দেশ দিলে । কেইবালানিও সংঘৰ্ষ চলিল আৰু অৱশেষত মোগল সেনা পৰাভূত হ'ল । পৰাজয়ৰ পোতক তুলিবলৈ গৈ ৰামসিংহই ৰাজপুত অশ্বাৰোহী সেনাৰে আহোম সেনাৰ ওপৰত আক্ৰমণ চলাই একে দিনাই ১০,০০০ হাজাৰ অসমীয়া ৰণুৱাক হত্যা কৰিলে। এই যুদ্ধ অসমৰ বুৰঞ্জীত "আলাবৈৰ ৰণ" বুলি খ্যাত ।

যুদ্ধৰ কিছুদিনৰ পিছতে চক্ৰধ্বজ সিংহৰ পৰলোকপ্ৰাপ্তি হয়। মৃত্যুৰ সময়ত পূৰ্বপুৰুষৰ ৰীতিৰে তেওঁ বনমালীদেৱক মতাই অনাই তেৰাৰ আশীৰ্বাদ লয়। চক্ৰধ্বজ সিংহৰ পিছত তেওঁৰ ভাতৃ মাজু গোহাঁইয়ে হিন্দুমতে উদয়াদিত্য সিংহ (ছ্যু-ন্যেউ-ফা নাম লৈ ৰাজপাটত বহে। ৰাম সিংহই আলাবৈৰ ৰণত বিজয়ী হোৱাৰ পিছত আহোমৰ সৈতে সন্ধিৰ বাবে আলাপ-আলোচনা আৰম্ভ কৰিলে আৰু মোমাই তামুলী বৰবৰুৱা আৰু আল্লাহ য়াৰ খানে খ্ৰীষ্টাব্দ ১৬৩৯ সময়ৰ পুৰণি সীমাকে বাহাল ৰখাৰ পক্ষত কুটুৰিবলৈ ধৰিলে । বৰফুকনে ৰজাৰ পৰামৰ্শ মৰ্মে ৰামসিংহৰ প্ৰস্তাব অগ্ৰাহ্য কৰিলে আৰু পুনৰ যুদ্ধ ঘোষণা কৰিলে । ৰামসিংহই গুৱাহাটী আক্ৰমণ কৰি দখল কৰিবলৈ সেনাবাহিনীক নিৰ্দেশ দিলে । আক্ৰমণৰ একমাত্ৰ সুচল উপায় আছিল নৌ যুদ্ধ। চৰিপখানে নৌ বাহিনীক নিৰ্দেশ দিলে। তেওঁক সহায় কৰিলে লাচিত খান আৰু মোনোৱাৰ খানে । এনে সংকটপূৰ্ণ পৰিস্থিতিত তিনিজন আহোম সেনাপতি- ডাউকী পানী ফুকন, নাওবৈচা ফুকন আৰু গুৱাহাটীৰ বৰফুকন ৰোগাক্ৰান্ত হৈ পৰিল। মোগলে ৰণতৰী ঘোঁৰা আৰু সৈন্য লৈ গুৱাহাটী অভিমুখে আগুৱাই আহিল। গুৰুতৰ ভাবে ৰোগাক্ৰান্ত হোৱা অসুস্থ বৰফুকনে নিজেই সাতখন নাৱৰ এটা সেনা বাহিনী লৈ হিলৈ-বৰটোপেৰে মোগলক ভেটিবলৈ আগবাঢ়ি গ'ল। আহোম সেনাপতিৰ অস্বাভাৱিক আৰু দুঃসাহসী আচৰণত আহোম নৌ বাহিনীৰ হৃত উদ্যম তৎমুহূৰ্ততে ঘূৰি আহিল। নদীৰ দুপাৰৰ পৰা হিলৈ বৰটোপৰ গুলি উফৰিবলৈ ধৰিলে আৰু অসমীয়া সেনাই শত্ৰুপক্ষৰ ঘন ৰণতৰীৰ বেহ ফালি সোমাই বিস্তৰ হানি বিঘিনী ঘটালে। আহোম সেনাই এক দুৰ্ভেদ্য প্ৰাচীৰ হৈ শত্ৰু সেনাক আগুৰি ধৰিলে আৰু পাণ্ডুলৈকে মোগল সেনাক খেদি পঠিয়ালে। এই নৌ যুদ্ধৰ পিছত আৰু যুদ্ধ সংঘটিত হোৱা নাছিল। ১৬৭১ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহত সংঘটিত হোৱা এই বিখ্যাত 'শৰাইঘাটৰ ৰণ'তেই মোগলে চূড়ান্ত পৰাজয় বৰণ কৰিবলগীয়া হয়। উদয়াদিত্য সিংহৰ মৃত্যুৰ পিছত তেওঁৰ ভাতৃ সৰুজনা গোহাঁইয়ে আহোম মতে ছ্যু-ক্লন-ফা আৰু আৰু হিন্দুমতে ৰামধ্বজ সিংহ নামলৈ সিংহাসনত বহে ।

সিংহাসনত বহিয়েই ৰজাই দেবেৰা ওৰফে লেচাইক বৰবৰুৱাৰ পদত নিযুক্তি দিয়ে। ১৬৭৫ খ্ৰীষ্টাব্দত মাৰ্চ মাহত দেবেৰাই বিহ খুওৱাই ৰজাক হত্যা কৰে। তাৰ পিছত দেবেৰাই ছ্যু-হুং নামেৰে চামুগুৰীয়া বংশৰ এজন কোঁৱৰক ৰজা পাতে আৰু চৈধ্যজনকৈ অধিক আন আন কোঁৱৰক হত্যা কৰে। মাত্ৰ একৈশতা দিন ৰাজত্ব কৰিবলৈ পোৱা ছ্যু-হুমক দেবেৰা বৰবৰুৱাই হত্যা কৰে। ১৬৭৫ খ্ৰীষ্টাব্দতৰ এপ্ৰিল মাহতেই দেবেৰাই গোবৰ নামেৰে আন এজন কোঁৱৰক ৰজা পাতে। এইজনা কোঁৱৰক তুংখং গাঁৱৰ পৰা অনা হৈছিল। বুঢ়াগোহাঁইৰ নেতৃত্বত শৰাইঘটীয়া দল এটাই ৰাজধানী অভিমুখে ৰণযাত্ৰা কৰি আহি দেবেৰাৰ সেনাবাহিনীক আক্ৰমণ কৰি পৰাস্ত কৰে আৰু দেবেৰাক হত্যা কৰে। এইজনা নতুন কোঁৱৰ ছ্যু-জিন্-ফা সিংহাখনত বহে পিচে তেওঁ সিংহাসনচ্যুত হয়। ১৬৭৭ খ্ৰীষ্টাব্দৰ পৰা ১৬৭৯ খ্ৰীষ্টাব্দলৈ পৰ্বতীয়া ফৈদৰ এজন কোঁৱৰক ৰজা পতা হয়। ৰজা হৈ তেওঁ ছ্যু-ডৈ-ফা উপাধি লয়। তেওঁক পৰ্বতীয়া ৰজা বুলিও জনা যায়।

কিন্তু গুৱাহাটীৰ বৰফুকনে বুঢ়াগোহাঁইৰ লগত মতানৈক্য ঘটাৰ পিছত এক গোপন ষড়যন্ত্ৰত লিপ্ত হয় আৰু তেওঁক অসমৰ ৰজা পাতিলে গুৱাহাটীৰ দুৰ্গ মোগলক গতাই দিব বুলি সন্মতি জনায়। লাচিত বৰফুকনৰ জ্যেষ্ঠ ভাতৃ এইজনা বৰফুকন লালুকসোলাই ১৬৭৯ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহত গুৱাহাটী মোগলৰ হাতত সমৰ্পণ কৰে। তাৰ পিচত তেওঁ পৰ্বতীয়া ৰজাক হত্যা কৰি চামগুৰীয়া ফৈদৰ কোঁৱৰ এজনক ৰজা পাতি দেশ শাসন কৰিবলৈ লয়।

ল'ৰা ৰজা নামে খ্যাত এইজনা কোঁৱৰে আহোম মতে ছ্যু-লিক্-ফা নাম লয়। কাৰ্য্যক্ষেত্ৰত আচল ৰজা বৰফুকনে তুংখুঙীয়া ফৈদৰ গোবৰ ৰজাৰ পুত্ৰ গদাপানিৰ বাদে আন আন কোঁৱৰ সকলৰ অংগক্ষত কৰিবলৈ লয়। ১৬৮১ খ্ৰীষ্টাব্দত জনৈক ভোটাই ডেকাই লালুকক হত্যা কৰে, ছ্যু-লিক্-ফাক্ সিংহাসনচ্যুত কৰি নামৰূপলৈ দেশান্তৰিত কৰাৰ পিছত হত্যা কৰা হয়। ১৬৮১ খ্ৰীষ্টাব্দত জুলাই মাহত গদাপানি ৰাজপাটত বহে আৰু আহোম মতে ছ্যু-পাট্-ফা আৰু হিন্দুমতে গদাধৰ সিংহ নাম লয়। তেওঁ মোগলৰ হাতৰ পৰা গুৱাহাটী

উদ্ধাৰ কৰে। ৰাজ্যৰ শাসনকাৰ্যত অসুবিধা সৃষ্টি কৰাৰ জগৰত তেওঁ বৈষ্ণৱ সত্ৰ সমূহৰ প্ৰতি সদয়ভাৱ পোষণ কৰা নাছিল আৰু আটাইকেইটা সংহতিৰে সত্ৰসমূহৰ সত্ৰাধিকাৰৰ ওপৰত উৎপীড়ন চলাইছিল । ১৬৯৬ খ্ৰীষ্টাব্দৰ ফেব্ৰুৱাৰী মাহত তেওঁ স্বৰ্গী হয়।

বৰপুত্ৰ লাই গোহাঁই তেওঁৰ পিছত ৰজা হয় আৰু আহোমমতে ছু-খ্ৰুং-ফা আৰু হিন্দু মতে ৰুদ্ৰসিংহ নাম লয়। তেওঁ সত্ৰাধিকাৰ সকলক পুনৰ সংস্থাপিত কৰে আৰু তেওঁলোকৰ সম্পত্তি ঘূৰাই দিয়ে। ৰুদ্ৰসিংহই কছাৰীৰ বিৰুদ্ধে যুদ্ধাভিযান চলাবলৈ মনস্থ কৰে আৰু কছাৰী ৰজা তাম্ৰধ্বজৰ বিৰুদ্ধে আহোম সৈন্য পঠিয়ায় । তাম্ৰধ্বজে জয়ন্তীয়া ৰজা ৰাম সিংহৰ সহায় ভিক্ষা কৰে। কিন্তু ৰাম সিংহই ৰাজধানী জয়ন্তীপুৰত তাম্ৰধ্বজক বন্দী কৰি থয়। তাম্ৰধ্বজে ৰুদ্ৰসিংহৰ ওচৰলৈ এজন কটকী পঠিয়াই বশ্যতা স্বীকাৰ কৰাৰ লগতে তেওঁক উদ্ধাৰ কৰিবলৈ প্ৰাৰ্থনা জনায়। আহোম ৰজাই জয়ন্তীয়া ৰজাৰ বিৰুদ্ধে আক্ৰমণ চলাবলৈ এদল সৈন্য পঠিয়ায় কিন্তু জয়ন্তীয়া ৰজাই আক্ৰমণ প্ৰতিহত কৰিবলৈ কোনো উদ্যম নল'লে আৰু আহোম সেনাৰ হাতত বন্দী হয়। কছাৰী আৰু জয়ন্তীয়া ৰজা উভয়কে আহোমৰ ৰাজধানী ৰংপুৰলৈ অনা হয়।

ৰুদ্ৰসিংহই বংগদেশৰ ঢাকা পৰ্য্যন্ত অধিকাৰ কৰিবলৈ মন মেলি নিজে গুৱাহাটীলৈ গৈ এটা বৃহৎ সৈন্য বাহিনী গঠন কৰিছিল । কিন্তু ১৭১৪ খ্ৰীষ্টাব্দৰ আগষ্ট মাহত গুৱাহাটীত তেওঁৰ আকস্মিক মৃত্যু ঘটে ।

ৰুদ্ৰসিংহৰ বৰপুতেক (বৰজনা গোহাঁই) ৰাজপাটত বহে আৰু আহোম মতে ছু-তন-ফা আৰু হিন্দুমতে শিৱসিংহ নাম লয়। ব্ৰাহ্মণ পুৰোহিত আৰু জ্যোতিষীয়ে কৰা অশুভ ভৱিষ্যৎ বাণী মৰ্মে বিস্ত খণ্ডন কৰিবলৈ তেওঁ ৰাজছত্ৰ ৰাণী ফুলেশ্বৰী কুঁৱৰীলৈ হস্তান্তৰ কৰিছিল । তেওঁৰ (ফুলেশ্বৰী) ৰাজত্বকালত, ক্ৰমাবৰ্দ্ধমান শাক্ত ধৰ্মৰ প্ৰভাৱ গভীৰতৰ হয় আৰু কৰা অপমানৰ বাবে বৈষ্ণৱ সত্ৰ আৰু মোৱামৰা গোসাঁই তেওঁৰ প্ৰতি বিতুষ্ট হৈ উঠে ।

তেওঁ ৰাম ভট্টাচাৰ্যক তেওঁৰ ধৰ্মগুৰু স্বৰূপে গ্ৰহণ কৰে আৰু তেওঁক কামাখ্যা পৰ্বতৰ কামাখ্যা দেৱীৰ মন্দিৰৰ তত্বাৱধানৰ দায়িত্ব অৰ্পণ কৰে ।

ৰজা শিৱসিংহই চিনাতলীৰ নট কোঁচ পৰিয়ালৰ ফুলমতী নামেৰে এগৰাকী নাচনী ছোৱালীক বিয়া কৰাইছিল । ৰজা-ৰাণী দুয়ো ক্ৰমবৰ্দ্ধমান শাক্ত ধৰ্মৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাৱিত হৈছিল ।ব্ৰাহ্মণ-পুৰোহিত আৰু জ্যোতিষীৰ অশুভ ভৱিষ্যৎবাণী খণ্ডন কৰিবলৈ ৰজাই সাৰ্বভৌমত্বৰ প্ৰতীক ৰাজসত্ৰ ৰাণীৰ হাতত অৰ্পণ কৰে আৰু তেওঁক 'বৰ ৰজা' বা প্ৰধান শাসনকৰ্তা নামেৰে অভিষিক্ত কৰে । তেওঁৰ শাসনকালত হিন্দু শাক্ত পন্থাই প্ৰভূত বিকাশ লাভ কৰে । শিৱসিংহৰ মৃত্যুত, তেওঁৰ কনিষ্ঠ ভাতৃ চাৰিং ৰজা ১৭৪৪ খ্ৰীষ্টাব্দত ডিচেম্বৰ মাহত (২৫ আঘোণ) ৰাজপাটত বহে । তেওঁ আহোম মতে ছ্যু-নেন্-ফা আৰু হিন্দুমতে প্ৰমত্ত সিংহ নাম লয়।

ৰাজপাটত বহিয়েই প্ৰমত্ত সিংহই তেওঁৰ অভিষেকৰ বিৰোধিতা কৰা কালুগয়া বৰপাত্ৰ গোহাঁই আৰু খামচেং দিহিঙীয়া বৰগোহাঁইক পদচ্যুত কৰে ।

প্ৰমত্ত সিংহৰ ৰাজত্বকাল নদন-বদন হ'লেও ঘটনাবহুল নাছিল । তেওঁ পশু-যুঁজৰ বাবে ইটাৰে ৰংঘৰ বা মুকলি ৰঙ্গভূমি আৰু গড়গাঁৱৰ পকীতোৰণ নিৰ্মাণ কৰিছিল । তেওঁ ১৭৫১ চনত আহিন মাহত স্বৰ্গী হয়।

প্ৰমত্ত সিংহৰ মৃত্যুৰ পিছত তেওঁৰ পিছৰজন ভায়েক ৰমানাথ গোহাঁই ৰজা হয়। তেওঁ ৰাজেশ্বৰ সিংহ নাম লয়। ১৭৫৮ খ্ৰীষ্টাব্দত ডফলাসকলে চুবুৰীয়া ঘিলাধাৰীত লুট-পাত চলায়। শাস্তি স্বৰূপে ডফলাসকল নামনিলৈ আহিব নোৱাৰাকৈ বাধা দিবলৈ সীমান্ত অঞ্চলত গড় বন্ধা হয়। কিন্তু এই ব্যৱস্থাই আশানুৰূপ ফল নিদিয়াত অৱশেষত সীমান্ত অঞ্চলৰ প্ৰতিঘৰ পৰিয়ালৰ পৰা একপ্ৰকাৰ বলপূৰ্বকভাৱে ধন সংগ্ৰহ কৰিবলৈ ডফলাসকলক অনুমতি দিয়াৰ চুক্তি সম্পাদন কৰা হয়। ব্ৰহ্মদেশৰ আক্ৰমণ প্ৰতিহত কৰাৰ উদ্দেশ্যে মণিপুৰৰ ৰজা জয়সিংহই কছাৰী ৰজাৰ কটকীৰ যোগেদি ৰাজেশ্বৰ সিংহলৈ আবেদন জনায়। আহোম ৰজাই মণিপুৰৰ ৰজাৰ পুনঃসংস্থাপনৰ অৰ্থে মণিপুৰলৈ এদল সৈন্য পঠিয়াবলৈ মান্তি হ'ল ।

আহোম সৈন্যই এই যাত্ৰাত অশেষ দুৰ্যোগৰ সম্মুখীন হ'ব লগা হয়। খাদ্য অভাৱত, বিপদ-সংকুল পৰিস্থিতিত পৰি, সৰ্প দংশনত বহুতো যুঁজাৰু

মৃত্যু মুখত পৰে । ৰজাই সৈন্যদলক ওভটাই আনিবলৈ বাধ্য হয়। হাবি-জংঘল ভাঙি, গছ-লতা কাটি অসমীয়া সৈন্যদল বহু কষ্টেৰে যুদ্ধ-যাত্ৰা কৰিবলগীয়া হৈছিল বাবে অসমীয়া মানুহে এই ৰণক 'লতা-কটা ৰণ' আখ্যা দিছিল । ১৭৬৮ খ্ৰীষ্টাব্দত ৰহা আৰু কছাৰী ৰাজ্যৰ মাজেদি নতুন উদ্যমেৰে পুনৰ এক সৈন্যবাহিনী পঠিওৱা হয়। এইবাৰ মণিপুৰৰ ৰজাই পুনৰ হৃত ৰাজপদ ঘূৰাই পাই সিংহাসনত আৰোহণ কৰে । জয়সিংহই জীয়েক কুৰঙ্গনয়নীক অজস্ৰ বহুমূলীয়া উপঢৌকন আৰু এদল মণিপুৰী প্ৰজাক যৌতুকত পঠিয়াই ৰাজেশ্বৰ সিংহলৈ বিয়া দিয়ে।

ৰাজেশ্বৰ সিংহৰ মৃত্যুত কালশিলিয়া গোহাঁই নামে খ্যাত (কালশিলৰ চাউনিত ওপজাৰ বাবে) তেওঁৰ কনিষ্ঠ ভাতৃ নামৰূপীয়া ৰজা ৰাজপাটত বহে । ৰাজেশ্বৰ সিংহ স্বৰ্গী হোৱাত দেৰগাঁৱৰ ৰাজহাউলীতে লক্ষ্মী সিংহক ৰজা পতা হয়। লক্ষ্মীসিংহই স্বদেশৰ শাক্ত গোসাঁই ৰমানন্দ আচাৰ্যৰ শিষ্যত্ব গ্ৰহণ কৰে আৰু তেওঁক পহুমৰীয়া গোসাঁই নাম দি নিগাজিকৈ সংস্থাপিত কৰে । লক্ষ্মী সিংহৰ ৰাজত্বকালত মোৱামৰীয়া পন্থী বৈষ্ণৱসকলে আহোম শাসন ব্যৱস্থাৰ বিৰুদ্ধে প্ৰত্যক্ষ বিদ্ৰোহ ঘোষণা কৰে । শিৱসিংহৰ ৰাজত্বকালত ৰাণী ফুলেশ্বৰী কুঁৱৰীৰ হাতত নিৰ্যাতিত হোৱা মোৱামৰীয়া গোসাঁই পুনৰ কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ দ্বাৰা অপমানিত হ'ব লগা হয়। এই ঘটনাত মোৱামৰীয়া বিদ্ৰোহে অধিকতৰ বিস্তৃতি লাভ কৰে । মোৱামৰীয়া গোসাঁইৰ শিষ্য মৰাণ নেতা ৰাঘ আৰু নাহৰক বৰুবৰুৱাই কোবায়। এনেবোৰ ঘটনাই মোৱামৰীয়াসকলক বিদ্ৰোহী কৰি তোলাত প্ৰভূত ইন্ধন যোগায়।

মৰাণসকলৰ বিদ্ৰোহৰ বাতৰি গৈ ৰাজধানী পোৱাত টেকেলা বৰা-বেজৰ অধীনত তুৰন্তে এটা সৈন্য বাহিনী বিদ্ৰোহ দমন কৰিবলৈ পঠিওৱা হ'ল। কিন্তু ৰাজ সৈন্যই পৰাজয়বৰণ কৰিবলগীয়া হয়। দ্বিতীয় এটা সৈন্যবাহিনী হৰনাথ ভিতৰুৱাল ফুকনৰ নেতৃত্বত পঠিওৱা হ'ল। আনহাতে, মৰাণসকল নিৰ্বাসিত ৰাজকোঁৱৰ মোহনমালাদেউ, মাজু গোহাঁই আৰু সৰু গোহাঁইৰ সৈতে এক চুক্তিত উপনীত হয়। নিৰ্বাসিত কোঁৱৰ তিনিজনাই মোহনমালাদেউক ৰজা পতাৰ চৰ্ত্তত মোৱামৰীয়াৰ লগ লাগিল। ৰজাৰ সেনা পৰাস্ত হ'ল, কিন্তু

মৰাণসকলে নির্বাসিত কোঁৱৰ তিনিজনৰ কোনোজনকে ৰাজপাটত নবহুৱালে। তেওঁলোকে তেওঁলোকৰ স্বজাতীয়ক ৰাজপাটত বহুৱালে আৰু লক্ষ্মী সিংহক জয়সাগৰৰ দৌলত বন্দী কৰি থলে । কেইমাহমানৰ পিছত ৰাজ-অনুগত আহোম আৰু অনা-আহোম উভয়ৰে নেতৃস্থানীয় ব্যক্তিসকলে এক প্রতি-বিদ্রোহ সংঘটিত কৰি আহোমক পুনৰ ক্ষমতাত অধিষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰে । ৰাজ অনুগতসকলে মণিপুৰীয়া ৰাণী কুৰঙ্গনয়নীৰ সহায়ত ১৭৭০ খ্রীষ্টাব্দত মৰাণ ৰজা আৰু তেওঁৰ ৰাঘ বৰুৱাক হত্যা কৰিলে । আহোম স্বর্গদেউ লক্ষ্মীসিংহক বন্দী অৱস্থাৰ পৰা মুকলি কৰি অনা হ'ল আৰু আন আন বিদ্রোহীইঁতকো কৰায়ত্ব কৰি হত্যা কৰা হ'ল । ন-কৈ আহোম বিষয়াসকলক নিযুক্তি দিয়া হ'ল আৰু এনেকৈয়ে মোৱামৰীয়া শাসনৰ অন্ত পৰিল ।

৬৭ বছৰ বয়সত ১৭৮০ খ্রীষ্টাব্দত ডিচেম্বৰ মাহত লক্ষ্মীসিংহ গ্রহণী ৰোগত আক্রান্ত হৈ স্বৰ্গী হয়।

লক্ষ্মী সিংহৰ মৃত্যুত, তেওঁৰ বৰপুতেক লোক নাথ গোহাঁই ৰাজপাটত বহে । ৰজা হৈ তেওঁ হিন্দুমতে গৌৰীনাথ আৰু আহোম মতে ছ্যু-হিত-পং-ফা নাম লয়।

১৭৮৩ খ্রীষ্টাব্দৰ এপ্রিলমাহত মোৱামৰীয়াসকলে গড়গাঁৱৰ শিঙৰীঘৰত জুই দিয়ে আৰু ৰাজধানী ৰংপুৰ অধিকাৰ কৰে । ইতিমধ্যে, ৰুদ্রেশ্বৰ বৰপাত্র গুৱাহাটীলৈ পলাই যোৱাত ঘনশ্যাম বুঢ়াগোহাঁই ৰাজমন্ত্রী ৰূপে নিযুক্ত হয়। গুৱাহাটীৰ বৰফুকনে অৱশ্যে মোৱামৰীয়াসকলক ৰংপুৰৰ পৰা বিতাৰিত কৰিবলৈ সমর্থ হয়।

মোৱামৰীয়াসকলৰ আন এটা গুৰুতৰ বিদ্রোহৰ সূচনা হয় ১৭৮৬খ্রীষ্টাব্দত লুইতৰ উত্তৰপাৰে । মোৱামৰীয়াসকলে ব্ৰহ্মপুত্ৰ পাৰ হৈ গড়মূৰ সত্ৰত আক্ৰমণ চলাই ঘৰ-বাৰী জ্বলাই দিয়ে। আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ গৈ ভালেসংখ্যক ভকত নিহত হয়। ৰংপুৰৰ ওচৰৰ সোণাৰিত বুঢ়াগোহাঁইৰ নেতৃত্বত পৰিচালিত আহোম সেনাৰ দলটোত উত্তৰ পাৰৰ আহোম সেনাৰ দলটোৰ অৱশিষ্ট সেনাই আহি যোগ দিলেহি । মোৱামৰীয়াসকলে আহোম সেনাৰ দুর্বল প্ৰতিৰোধ ওফৰাই ৰংপুৰ অধিকাৰ কৰিলে। ৰজাই

পৃষ্ঠভংগ দিলে ।

উজনিৰ দায়িত্বত থকা পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে বিদ্ৰোহীৰ সৈতে যুঁজিবলৈ বিবুধি গড় নামেৰে খ্যাত গড় বান্ধিলে। কছাৰী আৰু জয়ন্তীয়া ৰজাই সহায়ৰ হাত আগবঢ়াবলৈ অস্বীকাৰ কৰিলে। কিন্তু মণিপুৰী ৰজা জয়সিংহই ৫০০ অশ্বাৰোহী আৰু ৪০০ পদাতিক সৈন্য লৈ নগাঁও অভিমুখে আগুৱাই আহিল আৰু নগাঁৱৰ পৰা গৌৰীনাথ সিংহই তেওঁক বাট দেখুৱাই আনিলে। মণিপুৰী সৈন্য বাহিনীৰ শোচনীয় পৰাজয় ঘটিল আৰু বিস্তৰ হৰণ-ভগনৰ সম্মুখীন হৈ পিছ হুহঁকি আহিবলগীয়া হ'ল।

গৌৰীনাথ সিংহ গুৱাহাটীলৈ পলাই গ'ল। দৰঙী ৰজা কৃষ্ণনাৰায়ণে বিদ্ৰোহ ঘোষণা কৰিলে আৰু উত্তৰ কামৰূপৰ এক বিস্তৃত অঞ্চল অধিকাৰ কৰিলে।

"কেপ্টেইন ওৱেল্চৰ অসম অভিযান"

অসহায় হৈ গৌৰীনাথ সিংহই লৰ্ড কৰ্ণৱালিচক সামৰিক সাহায্য বিচাৰি আবেদন জনালে। আন ৰাজ্যৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰিবলৈ ইংৰাজ চৰকাৰৰ স্পষ্ট নীতি থকা স্বত্বেও লৰ্ড কৰ্ণৱালিচে লেফটেনেন্ট ৰবাৰ্ট মেকগ্ৰেগৰক বিচাৰক আৰু এনচাইন উড (Ensign Wood)ক তত্বাৱধায়ক স্বৰূপে লগত দি কেপ্টেইন ওৱেল্চৰ নেতৃত্বত ছটা কোম্পানীৰ চিপাহী অসমলৈ পঠিয়ালে। ডঃ জে.পি. বাডেককো সহকাৰী চাৰ্জন হিচাপে লগত পঠিওৱা হৈছিল। কেপ্টেইন ওৱেল্চৰ মূল উদ্দেশ্য আহোমৰ ৰাজ্যৰ পৰা বংগৰ দস্যুদলক উৎখাত কৰা।

১৭৯২ খ্ৰীষ্টাব্দৰ ৮ নবেম্বৰ তাৰিখে কেপ্টেইন ওৱেল্চ আহি গোৱালপাৰাত উপস্থিত হ'ল। তাৰ পৰাই আহোম ৰাজ্যৰ আভ্যন্তৰীণ পৰিস্থিতিৰ বিষয়ে খা-খবৰ সংগ্ৰহ কৰিলে। দৰঙীয়া ৰজা বিষ্ণু নাৰায়ণে তাতে তেওঁক সাক্ষাৎ কৰি গৌৰীনাথ সিংহই পঠোৱা চিঠি এখন দিলে, য'ত গৌৰীনাথে নিজকে বব নোবাৰা বোজাৰে ডুবিবলৈ ধৰা এখন জাহাজৰ সৈতে তুলনা কৰি

পৰিস্থিতিৰ বুজ দিছিল।

কৃষ্ণনাৰায়ণে বংগদেশৰ পৰা অনা দস্যুবোৰক খেদি পঠিওৱাটোহে যদিও কেপ্টেইন ওৱেল্চৰ মূল লক্ষ্য আছিল, গুৱাহাটী পাই তেওঁ মোৱামৰীয়াৰ বিৰুদ্ধেহে যুঁজিবলগীয়া হ'ল। মোৱামৰীয়াৰ বিৰুদ্ধেও যুদ্ধত আহোম ৰজাক সহায় কৰিবলৈ কেপ্টেইনক অনুৰোধ জনোৱা হয়।

কেপ্টেইনে ব্ৰহ্মপুত্ৰ পাৰ হৈ উত্তৰ পাৰলৈ গ'ল আৰু কৃষ্ণনাৰায়ণক যুদ্ধত পৰাস্ত কৰিলে। তাৰ পিছত তেওঁ যোৰহাটলৈ অগ্ৰসৰ হৈ তাত মোৱামৰীয়াসকলক পৰাস্ত কৰিলে। ১৭৯৪ খ্ৰীষ্টাব্দৰ ১৮ মাৰ্চ তাৰিখে ইংৰাজ চিপাহীয়ে ৰংপুৰ আৰু গৌৰীনাথক উদ্ধাৰ কৰি মাৰ্চ মাহৰ ২১ তাৰিখে ৰংপুৰত উপস্থিত হ'ল। কেপ্টেইন ওৱেলচৰ অনুৰোধ মৰ্মে এপ্ৰিল মাহৰ শেষৰ ফালে কলিকতাৰ পৰা আৰু পাঁচটা কোম্পানী গুৱাহাটী আহি পায় কিন্তু বাৰিষা কালটো গুৱাহাটীতে শিবিৰ পাতি থাকিবলগীয়া হয়। মোৱামৰীয়াসকলে ৰংপুৰ আক্ৰমণ কৰিবলৈ কৰা শেষৰটো প্ৰচেষ্টা কেপ্টেইন ওৱেল্চে ব্যৰ্থ কৰি ১৭৯৪ খ্ৰীষ্টাব্দৰ ৩০ মে'ৰ দিনা ৰংপুৰ এৰে আৰু জুলাই মাহৰ ৩ তাৰিখে ইংৰাজৰ এলেকাত গৈ উপস্থিত হয়।

১৭৯৫ খ্ৰীষ্টাব্দত (১৭১৭ শক) গৌৰীনাথ সিংহ যোৰহাটত স্বৰ্গী হয়। তেওঁ "এজন নিশকতীয়া, দুৰ্বল, প্ৰশাসনীয় কাম-কাজৰ তত্বাৱধানত অসমৰ্থ, স্নান আৰু প্ৰাৰ্থনাতে সদাব্যস্ত সততে কানি সেৱনত আসক্ত হৈ থকা ব্যক্তি আছিল। আহোম ৰাজ্যৰ পতন দৰাচলতে গৌৰীনাথ সিংহৰ পৰাই আৰম্ভ হৈছিল বুলিব পাৰি।"

**কমলেশ্বৰ সিংহ ওৰফে ছ্যু-ক্লিং-ফা** (১৭৯৫খ্ৰীষ্টাব্দ ১৮১০ খ্ৰীষ্টাব্দ)

গৌৰীনাথ সিংহৰ মৃত্যুৰ পিছত মন্ত্ৰীমণ্ডলীয়ে লেচাই নামৰূপীয়া ৰজাৰ পৰিনাতি কিনাৰামক ৰজা পাতে। ন- ৰজাই হিন্দুমতে কমলেশ্বৰ সিংহ আৰু আহোম মতে ছ্যু-ক্লিন্-ফা নাম লয়। তেওঁ প্ৰশাসনীয় গাঁথনিত কেতবোৰ

পৰিৱৰ্তন সাধন কৰে। দুৰ্গেশ্বৰৰ পুতেক ৰুদ্ৰেশ্বৰক বৰপাত্ৰ গোহাঁই পদত, গংগাৰামক বৰগোহাঁই পদত আৰু গেন্ধেলা ৰাজখোৱাক কলিয়াভোঁমোৰা নাম দি বৰফুকনৰ পদত নিযুক্তি দিয়া হয়। ৰজাৰ পিতাক কদম দীঘলাক চাৰিঙৰ ৰজা পতা হয়।

কমলেশ্বৰৰ অভিষেকৰ পিছত কামৰূপত এক উল্লেখযোগ্য গুৰুতৰ অভ্যুত্থানৰ সূচনা হয়। হৰদত্ত আৰু বীৰদত্ত বুজৰবৰুৱাই কিছুসংখ্যক কছাৰী, পঞ্জাবী আৰু হিন্দুস্থানী শৰনাৰ্থীক সংগঠিত কৰি নিজকে স্বয়ম্ভু বুলি ঘোষণা কৰে। কলিয়াভোঁমোৰা বৰফুকনে উজনি অসমৰ পৰা কোনো ধৰণৰ সহায়-সাৰথি লাভ কৰিবলৈ অসমৰ্থ হৈ হিন্দুস্থানী আৰু বেলতলা আৰু ডিমৰুৱা ৰজাৰ সংগৃহীত স্থানীয় সৈন্যৰ এটা বাহিনী গঠন কৰে। বাজু সিং আৰু আলো সিং জামাদৰক সেনাপতিৰ পদত নিযুক্তি দিয়া হয়। এই বাহিনীটোৱে বিদ্ৰোহীসকলক একাধিক খণ্ডযুদ্ধত পৰাস্ত কৰে, হৰদত্ত বীৰদত্তক বিচাৰি উলিয়াই হত্যা কৰা হয়।

কমলেশ্বৰৰ শাসন কালতে যুদ্ধৰ সময়ত গাঁৱৰ খেতিয়কক সংগ্ৰহ কৰি আনি সেনাস্বৰূপে ব্যৱহাৰ কৰা, পুৰণি ৰণ-নীতি পৰিত্যাগ কৰি এটা স্থায়ী সৈন্য বাহিনী গঠন কৰা হয়।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে মোৱামৰীয়া আৰু ডফলাৰ সম্মিলিত আক্ৰমণে ৰাজ্যৰ শান্তিভংগ কৰিছিল । বুঢ়াগোহাঁয়ে নৱগঠিত স্থায়ী সৈন্য বাহিনীৰে বিদ্ৰোহীসকলক পৰাস্ত কৰে। কিন্তু মোৱাৰীয়া আৰু ডফলাই ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে বাহুকাটাৰ ওচৰত পুনৰ বিদ্ৰোহ আৰম্ভ কৰে। জনৈক ফোপাই সেনাপতিয়ে বিদ্ৰোহী বাহিনীক সংগঠিত কৰিছিল । বুঢ়াগোহাঞে নিজেই সু-শৰীৰে এক শক্তিশালী অভিযান চলাই বিদ্ৰোহীসকলক সমূলি প্ৰতিহত কৰে আৰু ফোপাই সেনাপতিক হত্যা কৰে। ১৭৯৯ খ্ৰীষ্টাব্দত জনৈক ভাৰথি ৰজাৰ নেতৃত্বত বেংমৰাত পুনৰ মোৱামৰীয়াসকলে বিদ্ৰোহ ঘোষণা কৰে । পুনৰ বিদ্ৰোহ দমনৰ বাবে সেনা অভিযান চলোৱা হয় আৰু অধিকাংশ বিদ্ৰোহী নেতা নিহত হয়। এই ঘটনাৰ পিছতে আহোম প্ৰশাসনে মোৱামৰীয়া নেতা সৰ্বানন্দক

স্বীকৃতি দিবলৈ আৰু বেংমৰাত বসবাস কৰা মোৱামৰীয়াসকলৰ ওপৰত কঠোৰ নীতি উঠাই ল'বলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

পোন্ধৰ বছৰ শাসন কৰাৰ পিছত কমলেশ্বৰ সিংহও বসন্ত মহামাৰীত পৰি ১৮১০ চনত স্বৰ্গগামী হয়। তেওঁৰ পুত্ৰ সন্তান নথকাত তেওঁৰ ভাতৃ চন্দ্ৰকান্ত সিংহ ছ্যু-দিন-ফা ৰজা হয়। ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই চন্দ্ৰকান্ত সিংহৰ অভিভাৱকৰ দৰে আছিল । ডাঙৰ হৈ ৰজাই বুঢ়াগোহাঁই ডাঙৰীয়াক অৱজ্ঞা কৰিবলৈ ধৰে । তেওঁৰ সংৰাম নামে এজন সংগী আছিল । ৰজাই তেওঁক সিংহাসনৰ কাষতে বহুৱাইছিল । ডা-ডাঙৰীয়াসকল এই কথাত বিতুষ্ট হৈছিল। তিনিওজনা ডাঙৰীয়াই বিশেষ মেল পাতি সংৰামৰ কু-কৰ্মৰ বিচাৰ কৰিলে আৰু তেওঁক নামৰূপলৈ নিৰ্বাসন দিলে । সংৰামে বুঢ়াগোহাঁইক মাৰিবলৈ কৰা প্ৰচেষ্টাত বদন বৰফুকনৰ হাত থকা বুলি বিশেষ মেলত ওলাল । বদন বৰফুকনৰ জীয়েক বুঢ়াগোহাঁইৰ বোৱাৰী আছিল। বৰফুকনক মেললৈ মাতি পঠোৱাত জীয়েক পিজৌ গাভৰুৱে বৰফুকনক জনায় । বৰফুকন কলিকতা পায়গৈ । পিছত ব্ৰহ্মপুত্ৰৰ ৰজা বদৌফায়া বদনৰ সম্পৰ্কীয় হোৱাত ব্ৰহ্মদেশত চাৰিমাহ থাকি ১৮১৬ চনৰ শেষৰফালে মুংয়াং, মান-মৌ আৰু মুং-কঙৰ তিনিজন সেনাপতিৰ তলত মান ৰজাই আঠ হেজাৰ সেনা বদনৰ লগত পঠিয়ালে । উদ্দেশ্য পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ ধ্বংস । বদনে অসমত সোমাই শিলিখাগুৰিৰ পৰা স্বৰ্গদেউলৈ চিঠি প্ৰেৰণ কৰিলে ।কিন্তু ৰজাৰ হাতত চিঠিখন নপৰিল । বুঢ়াগোহাঁয়ে ফালি পেলালে। বুঢ়াগোহাঁই ডাঙৰীয়াই মান সৈন্যক ভেটা দিবলৈ এদল সৈন্য পঠিয়ালে, কিন্তু পৰাজিত হ'ল। এই বাৰ্তা পোৱাৰ পিচতে স্থিতপ্ৰজ্ঞ অসমৰ অভিভাৱক পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মৃত্যু হয়। তেওঁৰ পুত্ৰ, ৰুচিনাথ বুঢ়াগোহাঁই হয় আৰু তেওঁ পঠিওৱা সৈন্যও পৰাস্ত হয়। ৰজা চন্দ্ৰকান্ত সিংহক গুৱাহাটীলৈ গৈ আশ্ৰয় ল'বলৈ কোৱাত ৰুচিনাথৰ কথা নেমানিলে । ৰুচিনাথ পৰিয়ালসহ গুৱাহাটীলৈ ৰাজধানী যোঁৰহাট এৰি গ'ল । মানেই সৰ্বেসৰ্বা হ'ল । বদনে চন্দ্ৰকান্তক সিংহাসনচ্যুত নকৰি প্ৰধানমন্ত্ৰী হৈ চলালে । পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ সংগীসকলক প্ৰাণদণ্ড দিলে । ১৮১৭ চনৰ

এপ্ৰিল মাহত মান সৈন্যক সোণ-ৰূপ, বয়-বস্তু, ভাৰ-ভেটি দি বিদায় দিলে আৰু তুংখুঙীয়া ফৈদৰ বগা কোঁৱৰৰ জীয়েক হেমো বা ভামো আইদেউক ব্ৰহ্মদেশৰ ৰজালৈ বিয়া দি বদনৰ প্ৰতি সৰ্বসাধাৰণ মানুহৰ বিশেষকৈ মান সৈন্যক আনি দেশবাসীক অত্যাচাৰ কৰাত ঘৃণা উপজিল আৰু ৰূপসিং চুবেদাৰ নামৰ এজন বঙাল চিপাহীৰ দ্বাৰা তেওঁক হত্যা কৰোৱালে ।

বদনৰ মৃত্যুত ৰুচিনাথে ৰাজেশ্বৰ সিংহৰ আজু-নাতি ব্ৰজনাথ সিংহক ৰজা পাতিবলৈ বংগদেশৰ পৰা মতাই আনিলে । ১৮১৮ চনৰ ফেব্ৰুৱাৰী মাহত ৰুচিনাথ বুঢ়াগোহাঁয়ে যোৰহাট অধিকাৰ কৰি ব্ৰজনাথক সিংহাসনত বহুৱালে । মোহৰো মৰালে । কিন্তু তেওঁক আগতে অংগক্ষত কৰা আছিল । গতিকে এমাহৰ পিচত তেওঁৰ দহ বছৰীয়া পুতেক পুৰন্দৰ সিংহক ৰজা পাতে। চন্দ্ৰকান্ত সিংহক অংগক্ষত কৰাত তেওঁ মৰ্মান্তিক অপমান পাই গোপনে মান ৰজালৈ মানুহ পঠিয়াই সকলো জনালে । মানৰজাই এইবাৰ প্ৰতিশোধৰ ভাৱেৰে আলং মিঙ্গিক সেনাপতি পাতি ত্ৰিশ হাজাৰ সৈন্য দি অসমৰ বিৰুদ্ধে পঠিয়ালে। ১৮১৯ চনৰ ফেব্ৰুৱাৰী মাহত মান আহি দ্বিতীয়বাৰ অসম সোমাল । ৰুচিনাথে বাধা দিও একো কৰিব নোৱাৰিলে ।ৰুচিনাথ পুৰন্দৰ সিংহৰ সৈতে গুৱাহাটীলৈ পলাল । মানে যোৰহাট অধিকাৰ কৰি চন্দ্ৰকান্তক ৰাজপাটত বহুৱালে । নামত ৰজা চন্দ্ৰকান্ত সিংহ, সকলো ৰাজ কাৰ্য মানেই চলালে ।

পুৰন্দৰ সিংহ গুৱাহাটীলৈ গৈ মান খেদিবলৈ সৈন্য গোটালে । এদল সৈন্য পঠিয়ালে যদিও মানৰ হাতত পৰাস্ত হয়। তেতিয়া তেওঁ কোম্পানীৰ ৰাজ্য ৰংপুৰৰ শিলমাৰীলৈ গৈ মান খেদিবলৈ সহায় বিচাৰিলে কিন্তু কোম্পানীয়ে নিদিলে । মানে গুৱাহাটী অধিকাৰ কৰিলে। ৰুচিনাথ বুঢ়াগোহাঁই গুৱাহাটীৰ পৰা পলাই কোম্পানীৰ এলেকাত সোমাই মান খেদিবলৈ সৈন্য গোটোৱাত লাগিল । মানক ব্যতিব্যস্ত কৰিবলৈ ধৰিলে । মান সেনাপতি আৰু তেওঁলোকে পতা ৰজা চন্দ্ৰকান্তই কোম্পানীৰ ৰাজ্যত থকা অসম ৰাজ্যৰ মানুহবোৰ উলিয়াই দিবলৈ আৰু পুৰন্দৰ সিংহকো কোম্পানীৰ এলেকাৰ পৰা খেদি পঠিয়াবলৈ কোম্পানীক আপত্তি দিলে। কিন্তু কোম্পানীয়ে একো নকৰিলে । পুৰন্দৰ

সিংহই একো কৰিব নোৱাৰিব বুলি জানি মান সেনাপতিয়ে বেছিভাগ সৈন্য বাহিনী লৈ ঘূৰি গ'ল ।

মানৰ দ্বিতীয় আক্ৰমণত অসমবাসী জুৰুলা হ'ল । তেওঁলোকৰ অত্যাচাৰৰ সীমা নাছিল। মানৰ প্ৰত্যাবৰ্তনৰ পিচত চন্দ্ৰকান্ত সিংহৰ কিছু জ্ঞান আহিল আৰু মান আহিব নোৱাৰা কৰি গড় আৰু দুৰ্গ নিৰ্মাণ কৰালে ।

ইফালে অসমৰ ঐশ্বৰ্য্য-বিভূতিৰ কথা শুনি মান ৰজা বদৌফায়াই অসম দেশ নিজৰ কৰি ল'বলৈ মনস্থ কৰিলে । মিঙ্গিমাহা তিলোৱা বজুক সেনাপতি পাতি এদল সৈন্য প্ৰেৰণ কৰিলে ।

চন্দ্ৰকান্ত সিংহই যোৰহাট ৰাজমন্ত্ৰী কলিবৰ গোহাঁইৰ হাতত দি গুৱাহাটীলৈ গুচি গ'ল। মিঙ্গিমাহা তিলোৱা আহি যোৰহাট সোমাল । কলিবৰ হাৰিল আৰু বন্দী হ'ল। মানৰ সেনাপতিয়ে চন্দ্ৰকান্তক ৰজা হ'বলৈ মাতিলে, কিন্তু চন্দ্ৰকান্ত সিংহ স্বৰ্গদেউ নহাত বগাকোঁৱৰৰ পুতেক যোগেশ্বৰ সিংহক ১৮২১ চনত আঘোণ মাহৰ ১২ তাৰিখে আহোমৰ ৰজা পাতিলে। তেওঁ ব্ৰহ্মদেশৰ ৰাণী হেমো আইদেউৰ ককায়েক আছিল।

চন্দ্ৰকান্ত সিংহ গুৱাহাটী এৰি কোম্পানীৰ ৰাজ্য বংগদেশ সোমাল। মানে গুৱাহাটী অধিকাৰ কৰিলে। মানে চৌদিশে লুটপাত, অত্যাচাৰ কৰি অসম জুৰুলা কৰিলে। পিচত ম'হগড়ৰ যুদ্ধত চন্দ্ৰকান্ত সিংহ পৰাস্ত হ'ল। শেষত মান কোম্পানীৰ ৰাজ্য গোৱালপাৰাত সোমাই দুই এখন গাঁও লুটপাত কৰাত কোম্পানীৰ সৈন্য গুৱাহাটী পৰ্যন্ত পালে। মান সেনাপতিয়ে ৰজা পতা হ'ব বুলি চন্দ্ৰকান্ত সিংহক মাতি বন্দী কৰে। পিচত মিঙ্গিমাহা বন্দুলাই ব্ৰহ্মদেশলৈ ওভতে ।

১৮২৪ চনৰ ১৭ জানুৱাৰী দিনা কোনো যুদ্ধ ঘোষণা নকৰাকৈ বিক্ৰমপুৰত মানক আক্ৰমণ কৰে। পিচত ৫ মাৰ্চত ইষ্ট ইণ্ডিয়া কোম্পানিয়ে ব্ৰহ্মদেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। গুৱাহাটী অধিকাৰ কৰিবলৈ মন কৰি মান সৈন্যবোৰ কলীয়াবৰত গোট খালে। তাৰ পৰা ৰহা পালেগৈ। অসমৰ ডাঙৰীয়াসকল আহি গুৱাহাটীত গোট খালেহি। কোম্পানীয়ে সকলোকে

নিশ্চিত কৰি মানৰ বিৰুদ্ধে যুদ্ধ কৰি অসমীয়া প্ৰজাক ৰক্ষা কৰিবলৈহে আহিছে বুলি জনায়। ১৮২৪ চনৰ অক্টোবৰ মাহত খবালি অহাৰ লগে লগে কোম্পানীয়ে অসমৰ মাটিত অবৈধ অভিযান আৰম্ভ কৰিলে। শেষত মানৰ বিৰুদ্ধে যুদ্ধ কৰি মানক হৰুওৱাত মানৰ শান্তি প্ৰস্তাৱ কোম্পানীয়ে গ্ৰহণ কৰিলে। ২ ফেব্ৰুৱাৰীত মানে আত্ম-সমৰ্পণ কৰিলে।

ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড আমহাৰ্ষ্টে ১৮২৪ চনত বৰ্মাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি, অসমেদি মান খেদি অহাৰ উপৰিও, সাগৰেদিও কোম্পানীৰ সৈন্য পঠিয়াই মানদেশ আক্ৰমণ কৰিছিল। ব্ৰহ্মদেশ হাৰি সন্ধিৰ প্ৰস্তাৱ আগবঢ়ালে। কোম্পানী মান্তি হ'ল আৰু ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধি সাক্ষৰিত হ'ল। যোগেশ্বৰ সিংহ ১৮২৬ চনৰ কাতি মাহত যোগীঘোপাত ঢুকাল। চন্দ্ৰকান্ত সিংহ গুৱাহাটীতে থাকিল।

এই চুক্তিমতে পুৰন্দৰ সিংহই বছৰি পঞ্চাশ হাজাৰ টকা কৰ দিবলৈ মান্তি হয়। চুক্তি অনুযায়ী পুৰন্দৰ সিংহ নামতহে ৰজা হ'ল। তদুপৰি মটক আৰু শদিয়া অঞ্চল এই চুক্তিৰ পৰা বাদ পৰিছিল।

২৫ বছৰীয়া ডেকা পুৰন্দৰ সিংহই মন্ত্ৰী আৰু বিষয়াবৰ্গ নিয়োগ কৰি ল'লে। কিন্তু মন্ত্ৰীসভা অক্ষম আৰু অসমৰ্থ আছিল। মণিৰাম দত্ত পুৰন্দৰ সিংহৰ চিৰস্তাদাৰ আৰু বৰভঁৰালী আছিল। হৰকান্ত সদৰ আমীনৰ বুৰঞ্জীত এনেদৰে লিখিছে: 'পূৰ্বে ৫০,০০০/- টকাত লালবন্দী পোৱাতো এই মণিৰাম কালেক্টৰী চিৰস্তাদৰ ও কাশীনাথ তামুলী ফুকন ও লঠৌ ফৌজদাৰী চিৰস্তদাৰ থাকোতে ৰজাৰ বদনাম হৈ লালবন্দী গুচিল।"

১৮৩৮ চনৰ মাজভাগত পুৰন্দৰ সিংহৰ ৰাজ্যৰ ভিতৰুৱা কথা জানিবলৈ অহা কেপ্তেইন জেন্‌কিন্সে পুৰন্দৰ সিংহৰ বিৰুদ্ধে দীঘলীয়া প্ৰতিবেদন দিলে। ১৮৩৮ চনৰ ১৬ ছেপ্তেম্বৰ তাৰিখে পুৰন্দৰ সিংহৰ পৰা উজনি অসম ৰাজ্যখণ্ড কাঢ়ি ল'লে। এনেদৰে স্বৰ্গদেউ ছ্যু-কা-ফাই প্ৰতিষ্ঠা কৰা আহোম ৰাজ্যৰ ৰবি ডুবিল।

চতুৰ্থ অধ্যায়

# হিন্দু ধৰ্ম প্ৰচাৰ

শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মই আহোম ৰজা আৰু বিষয়াসকলক প্ৰভাৱান্বিত কৰিছিল। তেওঁ কেৱল ধৰ্ম প্ৰচাৰকেই নহয়, সাহিত্যিক, সমাজ সংস্কাৰক, সংগীতৰ নতুন ধাৰা প্ৰৱৰ্তন কৰোতা, চিহ্ন-নাট্য আৰু ভাওনা, গায়ন বায়ন আদি প্ৰবৰ্তন কৰোতা এক সুৰীয়া ধৰ্মৰ প্ৰচাৰক আছিল আৰু অসমীয়া সাধাৰণ শ্ৰেণীৰ লোকে তেৰাৰ প্ৰচাৰিত মহাপুৰুষীয়া ধৰ্ম অতি আপোন কৰি আঁকোৱালী লৈছিল। গতিকে তেওঁৰ মৃত্যুৰ পিছত এই মহাপুৰুষীয়া ধৰ্ম আহোম ৰাজ্যত অতি জনপ্ৰিয় হৈ পৰিছিল আৰু অসমত এই মহাপুৰুষীয়া ধৰ্ম প্ৰধানকৈ চাৰিটা ভাগত বিভক্ত হৈছিল। ব্ৰহ্ম সংহতি হ'ল দামোদৰদেৱৰ দ্বাৰা প্ৰচলিত সংহতি, শ্ৰীমন্ত শংকৰদেৱৰ নাতিয়েকে প্ৰচলিত কৰা সংহতি হ'ল পুৰুষ সংহতি, শ্ৰীশ্ৰীমাধৱদেৱৰ মত হ'ল নিকা সংহতি আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ শিষ্য ভৱানীপুৰীয়া গোপালদেৱ আৰু তেৰাৰ শিষ্য শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ আদিয়ে প্ৰচলন কৰা সংহতি হ'ল কাল সংহতি। তদুপৰি শ্ৰীমন্ত শংকৰদেৱৰ ভাগৱতী বাপু হৰিদেৱে মানেৰিত সত্ৰ পাতি যি পন্থা অৱলম্বন কৰে সেইয়াই হ'ল হৰিদেৱ পন্থা। তদুপৰি ৰাতি সেৱা (বা ৰাতি খোৱা) পন্থাৰ প্ৰৱৰ্তন আছিল গোপাল আতাৰ অন্যতম শিষ্য বৰ যদুমণিৰ শিষ্য ৰমাই বা ৰামদেৱ। তেখেত হ'ল চলিহা বাৰেঘৰ সত্ৰৰ প্ৰতিষ্ঠাপক সৰু কৃষ্ণদেৱৰ নাতি। ৰামদেৱৰ লগতে সুনন্দদেৱে ৰচনা কৰা গীতসমূহ ৰাতিসেৱা পন্থাৰ ভকতসকলে সেৱা অনুষ্ঠানত পৰিৱেশন কৰে। বিশেষকৈ চেঁচা, বাৰেঘৰ, বুদবৰী, কাটনীপাৰ, কৰ্দৈগুৰীয়া সত্ৰৰ শিষ্যসকলে

ৰাতিসেৱা অনুষ্ঠান কৰে। আহোম স্বৰ্গদেউসকলে এই বৈষ্ণৱ সত্ৰ আৰু সত্ৰাধিকাৰসকলক স্থাপিত-সঞ্চিত কৰিছিল আৰু প্ৰত্যেক সত্ৰতে নিষ্কৰ মাটি-বৃত্তি তামৰ ফলিত লিখি দান কৰিছিল। সত্ৰাধিকাৰ আৰু তেওঁলোকৰ ভকতসকলে স্বৰ্গদেৱক খাটি দিব বা খাজনা দিব নালাগিছিল আৰু যুদ্ধলৈও যাব নালাগিছিল। মুঠতে ৰজা আৰু দেশৰ প্ৰতি বাধ্যতামূলক শ্ৰমদান আৰু যুদ্ধত অংশগ্ৰহণ কৰাৰ বাধ্যবাধকতাৰ পৰা তেওঁলোক মুক্ত আছিল। আহোম ৰাজত্ব কালত যোল্ল শতিকাৰ শেষভাগত বংশীগোপালদেৱে আহি বাৰভূঞাৰ পৃষ্ঠপোষকতাত বৰ্তমান শোণিতপুৰ জিলাৰ কলাবাৰীত সত্ৰ স্থাপন কৰে। তদুপৰি ভাগুৰী গোহাঁই আৰু সুন্দৰ গোহাঁয়ে খোৰা ৰজাৰ দিনত তেওঁক ডেবেৰাপাৰাত সত্ৰ পাতি দিছিল। দামোদৰদেৱৰ পন্থী ব্ৰাহ্মণ বংশীগোপালদেৱে উজনি অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে আৰু দুই চাৰিজন আহোম বিষয়া শিষ্য হয়। স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত লাঙি পানীসিয়াক সৌৰানিত আৰু কুমৰ গোহাঁয়ে মহৰাত তেওঁৰ সত্ৰ পাতি দিয়ে। শেষত কুৰুৱাবাহীত সত্ৰ পাতে। উজনি অসমৰ সত্ৰসমূহৰ ভিতৰত কুৰুৱাবাহীয়েই প্ৰথম সত্ৰ।

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে কাল-সংহতিৰ মায়ামৰা বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰে। এই সত্ৰৰ সেৱকসকলৰ গুৰু পৰকাষ্ঠা আৰু গুৰুক ভগৱান বুলি ভৰা পৰম্পৰা আছে। এই মায়ামৰা সত্ৰৰ সেৱকসকলে বিশেষকৈ নতুনকৈ শৰণ লোৱা মৰাণসকলে 'মোৱামৰীয়া বিদ্ৰোহ'ৰ সূত্ৰপাত কৰে আৰু আহোম ৰাজসিংহাসন কঁপাই তোলে।

ভবানীপুৰীয়া আতা গোপালদেৱৰ বাৰজন শিষ্যৰ এজন হেঙুলীয়া যদুমণিদেৱ স্বৰ্গদেউ খোৰা ৰজাৰ দিনতে বাঁহবাৰীত সত্ৰ পাতে। শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ ককায়েক ভবানকা বা মোহনমুৰাৰীয়ে খোৰা ৰজাৰ দিনতে বেঙেনাআটি পাতে আৰু স্বৰ্গদেউসকলে ২৫০০ একৰ লাখেৰাজ মাটি দান কৰিছিল।

বংশীগোপালদেৱৰ লগতে নৱদ্বীপৰ পৰা যদুমণিদেৱ আহিছিল আৰু তেওঁ বংশীগোপালৰ শিষ্য আছিল। স্বৰ্গদেৱে তেওঁক খিলাম্বৰাত (লক্ষীমপুৰত)

স্থাপন কৰে। তেওঁৰ পুত্ৰসকলে ঘাৰমৰা, বৰমাহাৰা আধাৰ আৰু পতিয়তি সত্ৰ স্থাপন কৰে।

শ্ৰীশ্ৰীমাধৱদেৱে বদলা আতাক আহোম ৰাজ্যৰ কমলাবাৰীত সত্ৰাধিকাৰ পাতে। খোৰা ৰজাৰ দিনত এই সত্ৰ স্থাপিত হয়। স্বৰ্গদেউসকলে ৫৯০০ একৰ লাখেৰাজ মাটি এই সত্ৰক দিয়ে।

স্বৰ্গদেউ খোৰা ৰজাই প্ৰথমে দুৰ্গোৎসৱ পাতে। বৈষ্ণৱ গুৰুসকলক ধৰ্ম প্ৰচাৰ কৰিবলৈও সুবিধা দিয়ে। ভাগৱতী ধৰ্ম স্বৰ্গদেৱে গ্ৰহণ কৰা নাছিল। স্বৰ্গদেউ প্ৰতাপসিংহই হিন্দুধৰ্মৰ কাৰণে প্ৰথমে মাটি দান কৰে। এই স্বৰ্গদেৱে আনকি মাতৃশ্ৰাদ্ধও হিন্দুমতে বামুণীয়া প্ৰথাৰে কৰে।

চুৰামফা (ভগাৰজা)ৰ দিনত মায়ামৰা সত্ৰাধিকাৰ নিত্যানন্দদেৱক মৃত্যুদণ্ড দিয়ে। স্বৰ্গদেউ জয়ধ্বজ সিংহই ৰাজমাওৰ পৰামৰ্শ মতে মায়ামৰা সত্ৰাধিকাৰ জয়ৰামদেৱৰ ওচৰত শৰণ ল'বলৈ বিচৰাত সত্ৰাধিকাৰ অমান্তি হোৱাত প্ৰথমে কিছুমান ভকতক বন্দী কৰে। কিন্তু কুৰুৱাবাহী সত্ৰৰ সত্ৰাধিকাৰৰ ওচৰত শৰণ ল'বলৈ পৰামৰ্শ দিয়াত কুৰুৱাবাহী সত্ৰাধিকাৰে ভয় কৰি ভাগৱতীবাপু নিৰঞ্জন পাঠকক পঠিয়াই দিয়ে। স্বৰ্গদেৱে শৰণ লৈ সত্ৰ পাতি সত্ৰৰ নাম আউনী-আটি সত্ৰ পাতি দিয়ে। ২১,০০০ একৰ লাখেৰাজ আৰু ৬০০ একৰ নিস্পিখেৰাজ মাটি স্বৰ্গদেউসকলে এই সত্ৰত দান কৰে।

জয়ধ্বজ সিংহই বনমালীদেৱক জখলাবন্ধাত স্থাপন কৰি বৰসেনাপতিৰ হতুৱাই সত্ৰ পাতি দিয়ে। বংশীগোপালদেৱৰ খুড়াক জয়হৰিদেৱক ছোৱাতলগড়ৰ মূৰত গড়পুৰ সত্ৰ পাতি দিয়ে। জয়ধ্বজ সিংহই দামোদৰ পন্থাৰ আউনী আটি, দক্ষিণপাট আৰু গড়মূৰ পাতি দিয়ে।

স্বৰ্গদেউ চক্ৰধ্বজ সিংহই দক্ষিণপাট সত্ৰত পুখুৰী খন্দাই, ঘৰ-দুৱাৰ ভালকৈ কৰাই বৈকুণ্ঠপুৰ নাম দিয়ে। কলাবাৰীত অচ্যুতপুৰ নামে সত্ৰাধিকাৰে স্বৰ্গদেউৰ সহায়ত স্থাপন কৰি অচ্যুতানন্দ ৰায় মূৰ্তি প্ৰতিষ্ঠা কঁৰে।

স্বৰ্গদেউ চ্যুন্যতফাই শংকৰদেৱৰ বংশধৰ চক্ৰপাণিক মাতি আনি

চামগুৰিত মাটি-বৃত্তি দি শৰণ লয়। তিনিজনা গোহাঞি আদি কৰি সমস্তকে বৈৰাগীত শৰণ লোৱালে।

স্বৰ্গদেউ চ্যুজিনফাই লক্ষ্মীনাৰায়ণ শালগ্ৰাম, গীতা, ভাগৱত, তাম-তুলসীৰ আগত সকলোকে শৰণ দিয়ালে যাতে স্বৰ্গদেউৰ বিৰুদ্ধাচৰণ কৰিব নোৱাৰে। বুঢ়াগোহাঁয়ে স্বৰ্গদেৱৰ কথাত অসন্তোষ পাই বিদ্ৰোহ কৰিলে।

বন্দৰ বৰফুকন দক্ষিণপটীয়া অধিকাৰৰ শিষ্য আছিল আৰু ল'বা ৰজাও তেওঁৰ শিষ্য আছিল। স্বৰ্গদেউ গদাধৰ সিংহই বহুতো মহন্তক নামৰূপলৈ নিৰ্বাসন দিছিল আৰু কিছুমানক মাৰিছিল। তেওঁ উমানন্দ দৌল, বিশ্বনাথ দৌল, ভোগদৈ দৌল, গোটা দৌল, চণ্ডী আৰু সূৰ্য-মাধৱ দৌল নিৰ্মাণ কৰাইছিল। আউনীআটি, বেঙেনাআটি, কাটনীপাৰৰ সত্ৰাধিকাৰ আনি বহুদৈ পুখুৰী উৎসৰ্গা কৰায়।

ৰুদ্ৰসিংহ স্বৰ্গদেউ মহাদেৱৰ পৰম ভক্ত আছিল আৰু অসমীয়াত শিৱপুৰাণ ৰচনা কৰিছিল। আউনীআটীয়া গোসাঁইক বিশেষভাৱে সন্মান কৰিছিল। কোনো বুৰঞ্জীত শৰণ লৈছিল বুলি উল্লেখ আছে। তেওঁৰ দিনতে কৃষ্ণৰাম ভট্টাচাৰ্য ন্যায়বাগীশক নদীয়া জিলাৰ মালিপোটৰ পৰা মাতি আনিছিল কিন্তু গুৰু হিচাপে শৰণ লোৱা নাছিল। তেওঁৰ পুত্ৰ স্বৰ্গদেউ শিৱসিংহইহে তেওঁৰ ওচৰত শাক্তমতে দীক্ষা লৈছিল আৰু অসমৰ ব্ৰাহ্মণসকলক তেওঁৰ ওচৰত শাক্ত মতে দীক্ষা দিয়াইছিল।

ৰুদ্ৰসিংহ স্বৰ্গদেউৰ দিনত শাক্ত সত্ৰ তিনিখন প্ৰতিষ্ঠিত হয়— পৰ্বতীয়া, মুকলিমুৰীয়া আৰু পহুমৰীয়া বা ন গোসাঁইৰ। শিৱসিংহৰ পত্নী বৰ ৰজা ফুলেশ্বৰীৰ দিনত আহোমৰ পূৰ্বৰ নিয়ম গুচাই মৰাক পোৰালে। শূদ্ৰ সত্ৰাধিকাৰসকলক আনি আউনীআটি, গড়মূৰত সেৱা কৰাই শ্ৰীমূৰ্ত্তি ভাগৱত, শালগ্ৰাম, দেউৰী, ভাগৱতী দি পূজা-সেৱা কৰিব দিলে।

শিৱসিংহৰ দিনতে হিন্দুধৰ্ম প্ৰধান ধৰ্ম হ'ল। আগৰ ধৰ্ম-বিশ্বাস আৰু ৰীতি-নীতি মতে চলি থকা আহোমসকলক পৃথক আৰু নীচ বুলি গণ্য কৰা হ'ল। দেওধাই, বাইলুং, মহনসকলে পাৰ্যমানে ইয়াৰ বিপক্ষে যুঁজিছিল

আৰু কিছুদিনৰ বাবে চোমদেউ পূজা আদি দুই-চাৰি উৎসৱ মানি চলাত কৃতকাৰ্য হৈছিল। আহোমে হিন্দু গোসাঁই গুৰু হিচাপে ল'ব ধৰিলে আৰু অবাধে মদ-মাংস খোৱা ৰীতি পৰিত্যাগ কৰে। এই পৰিৱৰ্তন ধ্বংসমূলক হ'ল আৰু আহোমে অলপীয়া শক্তিযুক্ত খাদ্য খাই দেহৰো অৱনতি ক্ৰমান্বয়ে ঘটালে।

স্বৰ্গদেৱে অশ্বক্ৰান্ত আৰু দীৰ্ঘেশ্বৰীত দৌল আৰু ৰুদ্ৰপদ, বুঢ়ামাধৱ, পুৰ্বশংকৰ আৰু উমা দৌল কৰায়। ফুলেশ্বৰীয়ে গৌৰীসাগৰ দৌল, দ্বিতীয়া বৰকুঁৱৰী দ্ৰৌপদীয়ে শিৱসাগৰ দৌল আৰু পুখুৰী আৰু তৃতীয় বৰকুঁৱৰী সৰ্বেশ্বৰী দেৱীয়ে কেৰি ৰাজমাও দৌল নিৰ্মাণ কৰোবায়। চিনাতলি বাহৰত স্বৰ্গদেৱে দ্ৰৌপদীৰ মৃত্যুৰ পিচত দৌল কৰায়। ফুলেশ্বৰীৰ ভায়েক হৰিনাথ কালুগঞা বৰপাত্ৰগোহাঁয়ে কালুগাঁৱত দৌল আৰু পুখুৰী খন্দোৱায়। শিৱসিংহ স্বৰ্গদেউৱে সুন্দৰীদিয়া সত্ৰ, গণককুচি, নসত্ৰ, পাটবাউসী আদি প্ৰত্যেক সত্ৰতে মাটি দান কৰিছিল।

স্বৰ্গদেউ প্ৰমত্তসিংহ পৰ্বতীয়া গোসাঁইৰ শিষ্য আছিল। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ ন গোসাঁইৰ শিষ্য। ভায়েক স্বৰ্গদেউ লক্ষ্মীসিংহ ৰমানন্দ আচাৰ্য পহুমৰীয়া গোসাঁইৰ শাক্ত শিষ্য। তেওঁৰ দিনত পৰ্বতীয়া গোসাঁই, ন-গোসাঁই আৰু মুকলিমুৰীয়া গোসাঁই নামে তিনিঘৰ শাক্ত গোসাঁই আছিল।

লক্ষ্মীসিংহই বিদ্ৰোহৰ পিচত পুনৰ ৰজা হৈ ভট্টাচাৰ্য ব্ৰাহ্মণ গোসাঁইক জয়সাগৰত স্থাপন কৰে আৰু তেওঁক ধৰ্মগুৰু পাতে। দেৱকগাঁৱত নদৌল আৰু পুখুৰী, গুৱাহাটীৰ তামৰ ঘৰ, ৰংপুৰ নগৰত দৌল আৰু পুখুৰী, অশ্বক্ৰান্তত জনাৰ্দন দৌল আৰু কামৰূপৰ বজালীত পৰিহৰেশ্বৰ মন্দিৰ কৰোৱায় আৰু ৰুদ্ৰেশ্বৰ দেৱালয়ত ৰুদ্ৰসাগৰ পুখুৰী খন্দোৱায়। পৰ্বতীয়া কুঁৱৰীয়ে ভটিয়াপাৰাত দৌল সজায় আৰু পুখুৰী খন্দোৱায়। চাৰিং ৰজাই ৰুদ্ৰসাগৰৰ কাষত এটি পুখুৰী খন্দোৱায়। ১৭০০ শকত বিশ্বনাথত ১৭০০ শকত মাটি দান কৰে।

তেওঁৰ পিচত পুতেক গৌৰীনাথ সিংহই স্বৰ্গীৰজাৰ মৃত শ দিখৌ কাষৰ হাতীখোক বৰঘাটত খৰি দি এণ্ডেৰাখাটত ছাইখিনি মৈদাম দিয়ে। হিন্দুমতে শ্ৰাদ্ধ কৰা হয়।

স্বৰ্গদেৱে ৰমানন্দ আচাৰ্য ন-গোসাঁইৰ মাজুপুতেক গংগাধৰৰ শিষ্যত্ব ১৭৮০ খৃঃত গ্ৰহণ কৰে। শাক্ত হ'লেও অন্য ধৰ্ম সম্প্ৰদায়ক সমান ব্যৱহাৰ কৰিছিল। দক্ষিণপাট সত্ৰ, পহুমৰীয়া গোসাঁইৰ ঘৰ আৰু নবোৱা সত্ৰলৈ স্বৰ্গদেউ গৈছিল। তদুপৰি তেওঁ মায়ামৰীয়াৰ সত্ৰবিলাক স্থাপন কৰিছিল। স্বৰ্গদেৱে নামতিত জয়াদুৰ্গা আৰু হৰিহৰৰ মন্দিৰ এটা, তামৰ ঘৰ, এখন সোণৰ মূৰ্তি আৰু বিহালীত শিৱমন্দিৰ কৰোৱায়।

গৌৰীনাথ সিংহৰ পিচত কমলেশ্বৰ সিংহ (ছু ক্লিংফা বা ছু হেংফা) ৰজা হয়। স্বৰ্গী ৰজাৰ মাছখোৱা হাটক ধৰি দিয়ে আৰু অস্থি, ছাই আনি চৰাইদেউত মৈদাম দিয়ে। হিন্দু মতে শ্ৰাদ্ধ কৰে। তেওঁ ৰৰজনা পহুমৰীয়া গোসাঁই (ন-গোসাঁই) গংগাবল্লভৰ শিষ্য হয়। কামাখ্যাত তামৰ ঘৰ, গুৱাহাটীত ছত্ৰাকাৰ দেৱালয় আৰু বিশ্বনাথত কমলেশ্বৰ দেৱালয় নিৰ্মাণ কৰে।

কমলেশ্বৰ সিংহৰ পিচত ভায়েক স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহ (ছুদেন ফা) ৰজা হয় তেওঁৰ ৰমাবল্লভ বহমুৰীয়া ৰৰজনা গোসাঁইৰ শিষ্য হয়। স্বৰ্গদেৱে বিশ্বনাথ দেৱালয়ৰ বাবে মাটি দান কৰে। ৰাজমাও দেউতাই যোৰহাটত পুখুৰী খন্দোৱাই বিষ্ণুসাগৰ নাম দিয়ে। মহামতি পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই যোৰহাটৰ হাতীগড়ত পুখুৰী খন্দোৱাই তাৰ পাৰত শিৱদৌল নিৰ্মাণ কৰায়। বৰএলেঙি সত্ৰ স্থাপন কৰি তেওঁ শিষ্য হয়।

এনেদৰে আহোম স্বৰ্গদেউ আৰু মন্ত্ৰীসকলে বিভিন্ন গোসাঁইৰ শৰণ লৈছিল আৰু হিন্দু ধৰ্মক আদৰিছিল। ফলত আহোমৰ পুৰোহিত শ্ৰেণীৰ প্ৰভাৱ ক্ৰমান্বয়ে কমি আহিছিল। আনকি ৰাজ-অভিষেকৰ সময়তো ব্ৰাহ্মণসকলক পৃষ্ঠপোষকতা কৰিছিল যদিও ই প্ৰকৃততে এক তাই আহোম অনুষ্ঠানহে আৰু কেৱল দেওধাই, মহন আৰু বাইলুঙৰহে নিজস্ব পৰম্পৰাগত পূজা-বিধিৰ পৰম্পৰা।

## অন্য জাতিৰ আহোমত অন্তৰ্ভূক্তি

আহোমৰ বুৰঞ্জীত লিখা আছে, "মু-নান তুন্-ফান মান ফুখাও চাম বে মটক" অৰ্থাৎ, সেই সময়ত ফুখাওসকলক মটক বোলা হৈছিল। পিচত তেওঁলোকক ফুখাও-আন-খাও বোলা হৈছিল। ফুখাও তাই জাতি (বগা তাই)।

প্ৰথমতে ছ্যুকাফাই ফুখাও-আন-খাও বা মটকৰ ৰজা বদৌচা আৰু বৰাহীৰ থাকুমথা (থামিথুমা)ৰ দুগৰাকীকৈ কন্যা বিবাহ কৰে। মটকৰ বহুসংখ্যককে বশ কৰি খৰিভাৰী বা বাৰীচোৰা কৰি আহোম কৰে। আদিতে একে তাইগোষ্ঠীৰ লোক হোৱাৰ কাৰণে ছ্যুকাফাই মটক পালেই লগত লৈছিল। তেনেদৰে বৰাহীক কাঠকটীয়া আৰু চাংমাই, ৰান্ধনী চাংমাই, জৰাধৰা, বেজা, কুকুৰাচোৰা, ভঁৰালী আদি কৰি আহোমত অন্তৰ্ভূক্ত কৰে। স্বৰ্গদেৱে চুতীয়া ৰাজ্য ধ্বংস কৰি তাৰ পৰা এজন মানুহক আনি চুমচিৰি কৰে। অন্য মত মতে তেওঁ দেওধাই বংশৰ লোক আছিল আৰু চুতীয়া ৰাজ্য চাবলৈ আগতীয়াকৈ গৈ তাত এবছৰ আছিল। গতিকে এজন আহোমকহে চুমচিৰি কৰি চোমদেৱৰ ৰখীয়া পাতিছিল। ছ্যুকাফাই টিপামত মাইমাই খ্ৰি-উৰং নামে তুলাচালনি ধৰা ঘৰৰ এজন মটক মানুহ আনিছিল। তেওঁ ৰাজপোছাক তৈয়াৰ কৰিছিল। স্বৰ্গদেউ ছ্যুখামফাই তেওঁক 'পাতৰ' পাতি আহোম কৰিলে। সেই বংশৰে এঘৰক বৰগোহাঁইয়ে তিংখাঙলৈ নি হাতীমূৰীয়া পাতিলে। ছ্যুকাফাই টিপামৰ পৰা এঘৰ মটক আনিছিল. তেওঁ ৰজাক বেঙেনা যোগাইছিল। নগাৰ বিৰুদ্ধে কৰা যুদ্ধত মূল মানুহজনে নগাক ঘটুৱাই স্বৰ্গদেউৰ প্ৰিয়পাত্ৰ হৈছিল। থাওমুং কাংগান নামৰ প্ৰথম বৰগোহাঁই ডাঙৰীয়াই তেওঁক লানমাখ্ৰু (আহোম ভাষাত বেঙেনা) আহোম কৰিলে। চেতিয়াৰ মাজত লানমাখ্ৰু ফৈদ আছে। প্ৰতাপসিংহৰ দিনত হালধি ঠেঙা আৰু ল'ৰা ৰজাৰ দিনত বন্দৰ বৰফুকন এই বংশৰ পৰা হৈছিল।

স্বৰ্গদেউ ছ্যুকাফাই কমতাপুৰৰ পৰা কৰ তুলিবলৈ এজন কটকী, চুতীয়াৰ পৰা কৰ তুলিবলৈ এজন মটক কটকী আৰু কছাৰীৰ পৰা কৰ তুলিবলৈ

এজন নগা কটকী নিয়োগ কৰিছিল। মিমুন নামৰ মটক এজনে কৰ দি স্বৰ্গদেউৰ লগত থাকিবলৈ ইচ্ছা কৰাত তেওঁক মিমুন পাতৰ পাতি আহোম কৰিলে। এজন তাই মানুহক মটক পাতৰ পাতি আহোম কৰিলে। মটকসকল আদিতে তাই (বগা তাই) লোক। গতিকে ছুকাফাই তেওঁলোকক আত্মীয় বুলি জানি বৈবাহিক সম্পৰ্ক ৰাখিছিল। তেওঁলোকৰ নিজা লিখিত তাই ভাষা আৰু লিপি নথকাৰ বাবে আৰু কছাৰীৰ সংস্পৰ্শত তাই পৰিচয় হেৰুৱালে।

স্বৰ্গদেউ ছুডাংফাই তেওঁ প্ৰতিপালিত বামুণ পৰিয়ালৰ সাতোটা ল'ৰাকে কোঁৱৰ পাতিলে। নাম বামুণী কোঁৱৰ। খোৰা ৰজা ছুখামফাৰ দিনত তেওঁৰ কুঁৱৰীৰ বংশ নাই বুলি ইঁহাত পিচদিনা ফুৰিবলৈ যাওঁতে যাকে পালে তাকে আনি বণ্ডল বুলি সোণোৱালী হিলৈ দি লগত ল'লে। পিচত প্ৰতাপসিংহ স্বৰ্গদেৱৰ দিনত এই মানুহখিনিকে বামুণী কোঁৱৰইতক গোটাই কোঁৱৰ হিলৈদাৰী খেল পাতিলে আৰু গিয়াতি কোঁৱৰ নাম দিলে। স্বৰ্গদেউ ছুহানফাৰ দিনত টংচু নগাৰ ৰণত নাংচুক বৰগোহাঁয়ে নগাৰ চাং গৰকি নগাক মাৰি নগাৰে গোষ্ঠী টংচু এঘৰ, নেফেৰা এঘৰ, মৌপিয়া নগা এঘৰ আনিলে আৰু আহোম কৰিলে।

স্বৰ্গদেউ ছুহুংমুঙৰ দিনত বাৰভূঞাক অধীন কৰি তেওঁলোকৰ ল'ৰা কেইজনমানক পাঁচনি কৰি লগত ল'লে। কলিতা ভূঞাৰ লাচামক স্বৰ্গদেৱে মৰাণীৰ পৰা কছাৰীবিলাকক খেদাৰ পিচত টুৰ্পা নাম দি মৰাণীৰ শাসনকৰ্তা (মৰাণীখোৱা গোহাঁই) পাতি বাঁহবড়িয়া চেতিয়া পাতিলে।

স্বৰ্গদেউ ছুহুংমুঙৰ দিনত ল'ৰা ৰজাক ঘটুওৱা ত্যাও ছুংলুঙক থাওম্যুং-মুংতাও নাম দি আহোম কৰিলে। তেওঁ জাতত মিৰি।

ফ্ৰাচেংমুং বৰগোহাঁয়ে শদিয়া দখল কৰোতে চুতীয়া ৰজাৰ ওঁৱালীয়ে এখন দা আৰু বাকচ দি বৰিছিল। বৰগোহাঁয়ে তেওঁক নিজৰ খেলত ৰাখি খোকোৰাত পাতিলে। সেই চুতীয়াৰ লাঙিমুই আৰু লাঙিথপক বুলি দুজন ল'ৰা আছিল। তন্খাম বৰগোহাঁয়ে নাংচাং গাভৰুক খোৰা ৰজালৈ বিয়া দিওঁতে লাঙিমুই চুতীয়াক যৌতুকত দিলে। স্বৰ্গদেৱে তেওঁক তাওৰী গোহাঁই,

ভাণ্ডাৰী চেতিয়া পাতিলে। লাঙিথপক বৰগোহাঁইৰ ঘোঁৰাচোৰা হৈ থাকিল। দুয়ো আহোম হ'ল।

স্বৰ্গদেউ ছুহুংমুঙে তুৰ্বকৰ সৈতে হোৱা যুদ্ধত বন্দী হোৱা এজন ধুনীয়া মানুহক, নাম নুকটুৰদাং দি, কাটিদাং দুৱৰা পাতিলে। স্বৰ্গদেউ ছুচেংফাই তেওঁৰে নাতিনীয়েকক তামুলী দুৱৰী আৰু পাছত তামুলী পাতিলে। তেওঁৰ পুতেকক হিলৈদাৰী বৰুৱা পাতি কলিয়াবৰত থাকিবলৈ দিলে। এই বংশৰ এজন (লাঙি)ক কলিয়াবৰত পানীসিয়া পাতিলে। পিচত স্বৰ্গদেউ ছুচেনফাই বৰফুকন পাতিলে। আহোম বুৰঞ্জী মতে লাঙি কছাৰী বন্দীৰ বংশধৰ।

নগাৰ পৰা হোৱা বৰচিৰিঙৰ ঘৰে কেঞ্লোখুন নাম পায়।

স্বৰ্গদেউ ছুখামফাই ল'ৰা ৰজাৰ লগত মিত্ৰতা কৰাত যৌতুকত অহা মানুহ নৰাকোঁৱৰ আৰু নৰা বাইলুং আৰু নৰা মানুহ এহাজাৰ আহিল। আখৈখোৱা দেওধাই ঘৰ নৰা কুঁৱৰীৰ লগত অহা নৰা। লাই সন্দিকৈ ঘৰ কছাৰী। ছুখামফাৰ দিনৰ ঘৰ পাতৰ ঘৰও কছাৰী। নেওগ ফুকন বংশ আদিতে নগা। প্ৰতাপসিংহৰ তোলনীয়া নগাৰ ল'ৰা জপৰজল বৰচেতিয়া। বুঢ়াৰজা গদাধৰ সিংহৰ বেজিনী কছাৰনী বেটীৰ ল'ৰাক স্বৰ্গদেৱে নাতি বুলি লৈছিল। ল'ৰাৰ বংশক বুঢ়াচেতিয়া নাম দিলে। নগা ল'ৰা লাচিতক চাওডাঙৰ বৰুৱা পাতিলে। নগা ল'ৰা আঁওক পো বুলি আওগোহাঁই নাম দি হাতী মাউত আৰু ঘোঁৰাচোৰাক তেওঁক জাতি কৰি দিলে। তেওঁক ঘোঁৰাকোঁৱৰৰ খেলত ভুক্ত কৰি ঘোঁৰা বৰুৱা পাতিলে। মিৰিৰ ল'ৰা এটা পুত্ৰ বুলি ধৰি মিৰি সন্দিকৈ পাতিলে।

বৰৰজা ফুলেশ্বৰীৰ ভায়েক হৰনাথক বৰপাত্ৰ গোহাঁই কৰি উক্ত খেলভুক্ত কৰিলে।

প্ৰতাপসিংহৰ দিনত মটকৰ লাকুক বৰপাত্ৰ পাতিছিল। সেই ঘৰ মটক ঘৰীয়া বৰপাত্ৰ গোহাঁই বুলি জনাজাত। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত চাওফ্লুং নামে মটকৰ বুঢ়াগোহাঁই আছিল। মটক ৰজা সৰ্বানন্দ সিংহৰ পুতেক কলিবৰক চন্দ্ৰকান্ত সিংহই বুঢ়াগোহাঁই পাতিছিল। এইঘৰ বুঢ়াগোহাঁই মটক নামে প্ৰখ্যাত হ'ল। চন্দ্ৰকান্ত সিংহই কছাৰী পাতালক বৰবৰুৱা পাতি আহোম খেলত ভুক্ত

কৰিলে। 'চকৰীফেটী বুৰঞ্জী'ৰ কথাবোৰ অত্যুক্তি বুলি ভাবি আমি সেইবোৰ উল্লেখ কৰা নাই।

এনেদৰে মানুহ মিহলি হ'ল। এই সংমিশ্ৰনৰ ফলত বহু জাতিৰ লোকৰ লগত আহোম-তাই জাতি সাংস্কৃতিক সংস্পৰ্শলৈ অহাৰ পিচত লগে লগে সেই জাতিৰ সাংস্কৃতিক উপাদানবোৰো ল'বলৈ ধৰিলে। এই ক্ষেত্ৰত ধৰ্ম বিষয়ত এই মানুহ মিহলিয়ে যথেষ্ট প্ৰভাৱ পেলালে। লাহে লাহে ৰজা আৰু ডা-ডাঙৰীয়াসকল হিন্দুধৰ্মৰ প্ৰতি আকৃষ্ট হৈ হিন্দুধৰ্ম আৰু বিশেষকৈ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম ল'বলৈ ধৰাত আহোমৰ প্ৰাচীন ধৰ্ম ফুৰালুং আৰু বান্‌ফিয়ে প্ৰাধান্য হেৰুৱালে আৰু ফলত আহোমৰ পুৰোহিত শ্ৰেণীৰ লোক দেওধাই, মহন, বাইলুঙসকল প্ৰায় এঘৰীয়া হ'ল। পূৰ্বতে যেনেকৈ এই ম'লুঙসকলক বাদ দি ধৰ্মীয় জীৱন আহোমে পালন কৰিব নোৱাৰিছিল, তাৰ পৰিবৰ্তে গোসাঁই-ব্ৰাহ্মণ আৰু সত্ৰাধিকাৰ গোসাঁই-মহন্তই তেওঁলোকৰ স্থান ল'লে। ফলত আহোমৰ প্ৰকৃত ধৰ্ম ফুৰালুং আৰু বান্‌ফি অৱহেলিত হ'বলৈ ধৰিলে। ৰজা আৰু মন্ত্ৰীসকলে বৈষ্ণৱ সত্ৰ স্থাপন আৰু দেৱ-দেৱী মন্দিৰ নিৰ্মাণত অধিক ব্যস্ত হৈ পৰিল আৰু আহোমৰ দেওশালবোৰ অৱহেলিত হ'ব ধৰিলে। এক যোদ্ধা জাতিৰ বাবে বৈষ্ণৱ ধৰ্ম একেবাৰে অনুকূল নহয়, কাৰণ বৈষ্ণৱ ধৰ্মত ভকতক আঁঠু কাঢ়ি সেৱা জনাব লাগে। প্ৰবল প্ৰতাপী ডা-ডাঙৰীয়াই যেতিয়া ৰজাৰ উপৰিও বৈষ্ণৱ গুৰু আৰু ভকতৰ আগত আঁঠু লোৱাৰ বাধ্যবাধকতা আহি পৰিল, তেতিয়া যোদ্ধা জাতিয়ে যি এক আভিজাত্য শ্ৰেণী এটি সৃষ্টি কৰি চমুৱা হৈ পাইকক সদায় নিজৰ অধীনত ৰাখিবলৈ সমৰ্থবান হৈছিল, বৈষ্ণৱ ধৰ্মত দীক্ষা লৈ এক বিপৰীত পৰম্পৰা আনি দিলে, য'ত কিছুসংখ্যক প্ৰজাক বৈষ্ণৱ গুৰু আৰু ভকত বুলি সেৱা কৰিব লগাত পৰিল। সেয়েহে এই বৈষ্ণৱ ধৰ্মৰ পৰম্পৰাই আহোম জাতিক দুৰ্বল কৰি পেলালে, কালক্ৰমত এনে এক পৰ্যায় পালেগৈ যে মানুহৰ তেজ দেখিলে মূৰ আচন্দ্ৰাই যোৱা আহোমৰ মাজতো দেখা পোৱা হ'ল।

এই ধৰ্ম পৰিবৰ্ত্তনৰ বিষয়ে আমি আলোচনা কৰিছো।

পঞ্চম অধ্যায়

# আহোমসকলৰ ভাষা আৰু লিপি

চীন দেশৰ বৰ্তমানৰ য়ুনান প্ৰদেশৰ মাও-শ্বান (তাই) সকলৰ মাজত প্ৰচলিত তাই ভাষা আৰু তাই লিপি অসমলৈ আনিছিল অসমৰ প্ৰথম আহোম ৰজা চাওলুং ছ্যু-কা-ফাই। শ্বান (তাই) সকলৰ প্ৰধান বসতি অঞ্চল মুং-মাও-লুঙত ৰাজত্ব কৰা মাও শ্বানসকলৰ অধীনত বৰ্তমানৰ দক্ষিণ চীন, ব্ৰহ্মদেশ (ম্যানমাৰ)ৰ উত্তৰাঞ্চল আৰু থাইলেণ্ডৰ তাই বসতি প্ৰধান অঞ্চলসমূহ আছিল। ছ্যু-কা-ফা আৰু তেওঁৰ অনুগামীসকলৰ ভাষা আছিল ত্ৰয়োদশ শতিকাৰ তাই ভাষা আৰু ইয়াৰ লিপি আছিল মনসকলৰ 'মন' লিপিৰ আধাৰত বিকশিত (তাই সকলে এই লিপিকে নিজৰ লিপি হিচাপে গণ্য কৰিছিল।) তাই লিপি। মন লিপি আকৌ ভাৰতবৰ্ষৰ ব্ৰাহ্মী লিপিৰ আধাৰত গঢ় লৈ উঠিছিল। সম্ভৱতঃ খৃষ্টীয় দশম শতিকাত বৌদ্ধ ধৰ্মৰ হীনযান শাখাৰ প্ৰভাৱ মাও-শ্বান অধ্যুষিত অঞ্চললৈ বিস্তাৰিত হয়। ইয়াৰ আগতে মাও-শ্বান সকল বৌদ্ধ মহাযান শাখাৰ প্ৰভাৱত আছিল। হীনযান বৌদ্ধ ধৰ্মৰ লগতে ভাৰতীয় ব্ৰাহ্মী লিপিৰ এই অঞ্চলবোৰত প্ৰচলন হৈছিল। প্ৰবাদ আছে যে ত্ৰয়োদশ শতিকাৰ শেহৰ ফালে এই অঞ্চলসমূহৰ তাই (শ্বান) সকল সম্পূৰ্ণভাবে বৌদ্ধ ধৰ্মলৈ (হীনযান) ধৰ্মান্তৰিত হয়।

সেইকাৰণে আহোমসকলৰ (যিহেতু তেওঁলোক মাও-শ্বান (তাই) জাতিৰ লোক) তাই ভাষা আৰু তাই লিপি অতি প্ৰাচীন ৰূপত পোৱাত আচৰিত হ'বলগীয়া একো নাই। তাই ভাষা প্ৰচলন নথকা অসমলৈ অহাৰ পিছত আহোমসকলৰ তাই ভাষাৰ বিশেষ পৰিবৰ্ত্তন হোৱা নাই। গতিকে অসমীয়া ভাষাক (মাগধী প্ৰাকৃত আৰু সংস্কৃতৰ লগত সংপৃক্ত) নিজৰ ভাষা বুলি গ্ৰহণ কৰা লিখকসকলে ব্যৱহাৰ কৰিবলৈ লোৱা কিছুমান অসমীয়া শব্দ (কম সংখ্যক)

সোমাই পৰাৰ বাহিৰে আহোম ভাষা আৰু লিপি প্ৰায় অপৰিৱৰ্ত্তিত হৈয়েই থাকি গ'ল। অসমীয়া লিপিৰ উপস্থিতি তাই-আহোম ভাষাত একেবাৰে শূন্য।

আহোম লিপিৰ বৈশিষ্ট্য বহুত; যথা (১) এই লিপি কেৱল আহোম ভাষাতহে প্ৰযোজ্য; তাই-য়াই লিপিসমূহৰ এটাৰ লগত ইয়াৰ সামঞ্জস্য আছে। (২) প্ৰাচীন মন লিপিৰ আধাৰত গঢ় লোৱা আহোম লিপিয়ে আহোম ভাষাৰ কিছুমান ধ্বনিগত বৈশিষ্ট্য ফলপ্ৰসূভাৱে প্ৰতিফলিত কৰিব নোৱাৰে। আহোম ভাষা এটা সুৰীয়া (Tonal) ভাষা; কিন্তু ইয়াৰ লিপিয়ে সেই সুৰীয়া ৰূপটো ফুটাই তুলিব নোৱাৰে। হয়তো সেই সম্পৰ্কীয় প্ৰয়োজনীয় জ্ঞানৰ অভাৱত পৰৱৰ্ত্তী কালৰ আহোম লিখকসকলে সেইবোৰ ধৰি ৰাখিব নোৱাৰিলে। (৩) বৰ্তমান কালৰ তাই-আহোম ভাষা ভাষী লোকসকলে তাই-আহোম ভাষাৰ সুৰ তথা ধ্বনি সম্পৰ্কে জ্ঞাত নাছিল; অতি সাম্প্ৰতিক কালতহে অপ্ৰচলিত হৈ হেৰাই যাব ধৰা এই সুৰ (Tones) পুনৰুদ্ধাৰ কৰাৰ বাবে এটা সজাগতা সৃষ্টি হৈছে।

দ্বিতীয় সহস্ৰাব্দৰ প্ৰথম শতিকা কেইটাৰ ভিতৰতে আজি যাক উজনি ম্যানমাৰ বোলা হয় তাৰে প্ৰাচীন মন লিপিৰ পৰা গ্ৰহণ কৰা আহোম বৰ্ণসমূহেই মূল তাই লিপি। খৃষ্টীয় ১২২৮ চনত চাওলুং ছু-কা-ফাৰ আদেশত এই লিপি আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকালৈ লৈ আহে। নিম্ন উল্লেখিত তথ্যৰ আধাৰত এই সূত্ৰটোৰেই যুক্তিসঙ্গত বুলি টেৰৱিলে (Terwiel) অভিমত দিছে।

(১) আহোম লিপি আৰু প্ৰাচীন মন আৰু একাদশ-দ্বাদশ শতিকাৰ বুলি চিহ্নিত পাগানত (Pagan) পোৱা প্ৰাচীন বাৰ্মিজ শিলালিপিৰ মাজৰ সম্পৰ্ক নিৰূপণ কৰা হৈছে বৰ্ণ বা অক্ষৰৰ ৰূপত পোৱা অসংখ্য সদৃশ ৰূপৰ (features) বৈশিষ্ট্য অধ্যয়ন কৰি। আহোম লিপি আৰু দক্ষিণ-পূব এচিয়াৰ অন্যান্য লিপিৰ মাজতো বহুতো সাদৃশ্য দেখা যায়; কিন্তু সেইবোৰ বৰকৈ উচ্চাৰিত নহয় আৰু লিপিৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা পৰিৱৰ্ত্তন এইবোৰৰ ক্ষেত্ৰতো প্ৰায়েই দেখা যায় আৰু শেষ পৰ্যন্ত ভাৰতীয় লিপিৰ আধাৰহে গ্ৰহণযোগ্য হোৱা দেখা যায়।

(২) ম্যানমাৰৰ লিপিৰ লগত আহোম লিপিৰ সুন্দৰ মিল থাকিলেও খৃষ্টীয় ৫ ম শতিকাৰ পৰাই ব্ৰহ্মপুত্ৰ উপত্যকাৰ লিপিৰ লগত তাৰ কোনো

ধৰণৰ সামঞ্জস্য নাই। আহোমসকল অসমত প্ৰৱেশ কৰাৰ সময়ত এই বিস্তৃত অঞ্চলত বিশেষকৈ উত্তৰ পাৰ আৰু নামনিত শিক্ষাৰ বিস্তাৰ আছিল। আহোমসকলে লিখাৰ কৌশল নজনা হ'লে নিশ্চয় স্থানীয় লিপিকে গ্ৰহণ কৰিলেহেঁতেন; অথবা ইয়াৰ ওপৰত ভিত্তি কৰি আন এটা লিপিৰ উদ্ভাৱন কৰিলেহেঁতেন। সেইকাৰণেই এইটো প্ৰতীয়মান হয় যে দক্ষিণ-পূব এচিয়াতে আহোমসকলে তেওঁলোকৰ লিপি গ্ৰহণ কৰা বুলি আৰু বৰ্তমানৰ বসতিস্থানলৈ (অসম) সেই লিপি তেওঁলোকে বহন কৰি আনিছিল বুলি কৰা দাবী দুয়োটাই সম্পূৰ্ণ যুক্তিসঙ্গত।

মাইকেল ফাৰলাচে (Michal Ferlus) অলপতে আহোম লিপিৰ প্ৰাচীনত্ব সম্পৰ্কে সন্দেহ প্ৰকাশ কৰিছে। তেওঁ এই সিদ্ধান্তত উপনীত হৈছে যে আহোমসকলে ত্ৰয়োদশ শতিকাৰ প্ৰথমাৰ্দ্ধত তেওঁলোকৰ লিপি লগত লৈ অহা নাছিল; বৰঞ্চ অসমত বসতি স্থাপন কৰাৰ পিছতহে পৰৱৰ্ত্তী কালৰ কোনো এটা স্তৰত প্ৰাক্ শ্বান লিপি-সদৃশ লিপি এটা গ্ৰহণ কৰিছিল। তেওঁৰ আনুমানিক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ হ'লে তাই ভাষা-ভাষী সকলৰ আহোম ঠালটোৰ প্ৰাচীন ইতিহাসৰে মৌলিকভাৱে পুনৰীক্ষণ কৰিব লাগিব। আহোম বুৰঞ্জীৰ ত্ৰয়োদশ, চতুৰ্দ্দশ আৰু পঞ্চদশ শতিকাৰ অধ্যায়বোৰৰ সত্যতা আৰু বিশ্বাসযোগ্যতাৰ ওপৰতে সন্দেহৰ কুঁৱলী বিয়পাই দিয়া আৰু তাই ভাষী লোকসকলে প্ৰাচীন কালতে লিপি গ্ৰহণ কৰা বুলি সিদ্ধান্ত দিয়া সূত্ৰসমূহ (Terwiel) পুনৰ পৰীক্ষা কৰাৰ প্ৰয়োজন হ'ব। টেৰৱিলে ফাৰলাচে উত্থাপন কৰা বিষয়সমূহ পৰীক্ষা কৰি চাইছে। এই বিষয়সমূহৰ এটা হ'ল সংক্ষিপ্তসাৰ বা পটন্তৰ (epigraphy) সম্পৰ্কীয় আৰু আনটো হৈছে ব্যঞ্জন যুক্তাক্ষৰৰ (Consonant cluster) তথাকথিত অভাৱ।

ফাৰলাচৰ প্ৰথম যুক্তি হ'ল এই যে 'ৰ' আৰু 'দ(ড)' বৰ্ণদুটা ব্ৰহ্মদেশীয় আৰু মন ভাষাৰ সমগোত্ৰীয় বৰ্ণৰ লগত ওপৰা-ওপৰিকৈ বহে (juxtapozed)। ফাৰলাচৰ মতে আখৰৰ আকৃতিৰ তুলনাত্মক অধ্যয়নে আহোম লিপিৰ ব্ৰহ্মদেশীয় (Burmese) মূলহে নিশ্চিত কৰে আৰু সিয়েই আহোম লিপিৰ তুলনামূলক সাম্প্ৰতিকতাৰ প্ৰতীতিহে জন্মায়। টেৰৱিলে এই যুক্তি গ্ৰহণ কৰা নাই।

আহোম বৰ্ণ দুটা বৰ্মীয় (ব্ৰহ্মদেশীয়) আৰু মন ভাষাৰ বৰ্ণতকৈ দেখ্-দেখ্‌কৈয়ে বেলেগ। গতিকে আহোম বৰ্নমালা বৰ্মীয় মূলৰ পৰা ওলোৱা বুলি এই বৰ্ণকেইটাৰ তুলনাৰ পৰাই সিদ্ধান্ত ল'ব পাৰি বুলি ফাৰলাচে আগবঢ়োৱা যুক্তি গ্ৰহণ কৰাটো জটিল।

আহোম বৰ্ণৰ লগত তুলনা কৰিবলৈ ফাৰলাচে (Ferlus) গ্ৰহণ কৰা প্ৰাচীন মন বৰ্ণ কেইটা আচলতে প্ৰাচীন মন বৰ্ণই নহয়; এই বিসঙ্গতিৰ কাৰণেই ফাৰলাচে এটা ভুল সিদ্ধান্তলৈ আহিল। গতিকেই তেওঁৰ এই যুক্তি গ্ৰহণযোগ্য নহয়।

ফাৰলাচৰ দ্বিতীয় যুক্তিটো আছিল যে আহোম লিপিত ব্যঞ্জন বৰ্ণৰ যুক্তাক্ষৰৰ (consonant cluster) অভাৱ। লিপিত নথকা যুক্তাক্ষৰ আহোম পুৰোহিতসকলে আহোম লিপি পঢ়োতে যি আশ্চৰ্যজনকভাৱে উচ্চাৰণ কৰে তাৰ পৰাই সম্ভৱ ফাৰলাচে ধৰি ল'লে যে আহোম ভাষাত যুক্তাক্ষৰৰ ব্যৱহাৰ নাই। তেওঁ সিদ্ধান্ত কৰিলে যে যিটো লিপিক আমি প্ৰাক্ শ্বান লিপি (Proto-Shan) বুলি গ্ৰহণ কৰিছো, সেই লিপিয়ে যুক্তাক্ষৰৰ স্বাক্ষৰ বহন কৰাৰ প্ৰয়োজন নাছিল, কিয়নো যি ভাষাক ই ৰূপ দিবলৈ লৈছে তাত যুক্তাক্ষৰ নায়েই।

এইটো ঠিক যে আহোম পুৰোহিতসকলে লিখনিত ব্যঞ্জন যুক্তাক্ষৰৰ প্ৰয়োগ এৰাই চলে। উদাহৰণস্বৰূপে, 'পামেপ্লুং' নামটো লিখোতে তেওঁলোকে 'প্+ল্=প্ল' এই যুক্তাক্ষৰ এৰাই 'পামেওপুং' লিখিব। কিন্তু তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীক 'পামেওপুং' শব্দটো 'পামেপ্লুং' বুলিয়েই উচ্চাৰণ কৰিবলৈ শিকায়। তেওঁলোককো নিজৰ পিতৃ-মাতৃ আৰু শিক্ষকসকলে তেনেকৈয়ে উচ্চাৰণ কৰিবলৈ শিকাইছিল। ব্যঞ্জনবৰ্ণ নিলিখাকৈয়ে ব্যঞ্জনধ্বনি উচ্চাৰণ কৰাৰ এই আচহুৱা নিয়মটো আহোম পুৰোহিতসকলৰ মাজত আজিও প্ৰচলিত। গ্ৰীয়াৰছনেই প্ৰথমে এই নিয়মটো দৃষ্টিগোচৰ কৰিছিল। তেওঁ লক্ষ্য কৰিছিল যে লিখিত ৰূপত সচৰাচৰ ব্যৱহাৰ হোৱা শব্দত যুক্ত 'ৰ' বাদ পৰি যায়। টেৰৱিলৰ দৰে পণ্ডিতসকলে লক্ষ্য কৰিছে যে কোনো কোনো পুৰোহিতে আকৌ কিছুমান যুক্তাক্ষৰ লিপিত নাথাকিলেও উচ্চাৰণ কৰে। উদাহৰণ স্বৰূপে শাস্ত্ৰৰ লিপিত 'ৰ' আৰু 'ক' থাকিলেও তেওঁলোকে স্বতঃস্ফূৰ্তভাৱে 'ক্ৰ' আৰু 'ক্ল' উচ্চাৰণ কৰে। টেৰৱিলে ভাৱে যে আহোম পুৰোহিতসকলে বোধহয় ১৯২০ চনত

প্ৰকাশিত Ahom-Assamese-English Dictionary খন সঘনাই ব্যৱহাৰ কৰে আৰু তাৰেই প্ৰভাৱ তেওঁলোকৰ উচ্চাৰণত পৰিছে। এই অভিধানখনত আহোম ভাষাত 'খ্ৰ', 'ট্ৰ', 'ফ্ৰ', 'ক্ল', 'ব্ল', 'প্ল' আৰু 'ম্ল'— এই যুক্তাক্ষৰবোৰ একক ব্যঞ্জন বৰ্ণৰে বানান কৰা হৈছে। কিন্তু এই অভিধানতে অসমীয়া ভাষাত লিখোতে পূৰ্ণ যুক্তাক্ষৰৰ প্ৰয়োগ কৰা হৈছে। ১৯৬৪ চনত প্ৰকাশিত Ahom Lexicon নামৰ শব্দকোষখনত এই একেবোৰ আহোম শব্দকে সৰলীকৰণ কৰি যুক্তাক্ষৰ পৰিহাৰ কৰি বানান কৰা হৈছে; কিন্তু তাৰ অসমীয়া আৰু ইংৰাজী উচ্চাৰণ দেখুওৱা হৈছে পূৰ্ণ যুক্তাক্ষৰৰ ৰূপত '+ৰ্' আৰু '+ল্' যুক্ত কৰি। পিছে টেৰবিলৰ এই যুক্তিও মানি ল'ব পৰা নাযায়। আমি আহোম পুৰোহিতসকলৰ ঘৰত দেখিছো যে তেওঁলোকৰ ল'ৰা-ছোৱালীক আহোম ভাষাৰ শিক্ষাদান কৰা হৈছে আৰু একক বৰ্ণৰে লিপিবদ্ধ কৰিলেও আহোম পুৰোহিতসকলে ব্যঞ্জন যুক্তাক্ষৰ উচ্চাৰণ কৰি গৈছে। আহোম পুৰোহিতসকলৰ অধিকাংশৰ ঘৰতে এই প্ৰথাই চলি আছে। তেওঁলোকে লিখোতে কিছু যুক্তাক্ষৰৰ প্ৰয়োগ এৰাই চলে যদিও উচ্চাৰণৰ ক্ষেত্ৰত সেইটো নকৰে (অৰ্থাৎ যুক্তধ্বনি উচ্চাৰণ কৰি চলে)।

তদুপৰি এই লিখকে উদ্ধাৰ কৰা হাতে লিখা সাঁচিপাতৰ পুথিত দেখা পোৱা যুক্তাক্ষৰ সমূহেও ফাৰলাছৰ দ্বিতীয় যুক্তি সম্পূৰ্ণ অশুদ্ধ আৰু গ্ৰহণযোগ্য নহয় বুলিহে প্ৰমাণ কৰে। এই উল্লেখিত পুথিৰ লিখনিসমূহৰ ব্যাখ্যা জে. এন. ফুকন আৰু য়েহম বুঢ়াগোহাঁয়ে সুন্দৰভাৱে আগবঢ়াইছে। তেখেতসকলে এই ব্যঞ্জন যুক্তাক্ষৰৰ সন্ধানত ছু-কা-ফাৰ সময়ৰ আৰু তাৰো আগৰ কালৰ আহোম ভাষাত লিখা ভালেমান পুথি পৰীক্ষা কৰিছে। এই লিখকে আৰু অধ্যাপক জে. এন. ফুকনে সংগ্ৰহ কৰা আৰু অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সঞ্চালকালয়ত সংৰক্ষিত হাতেলিখা সাঁচিপতীয়া পুথিবোৰত (Manuscripts) এই যুক্তাক্ষৰ বা যুক্তধ্বনিৰ প্ৰয়োগ লক্ষ্য কৰা যায়। এই পুথিবোৰ আহোম পুৰোহিত সম্প্ৰদায়ে সংৰক্ষণ কৰা অতি প্ৰাচীন পুথি আৰু এইবোৰৰ আধাৰতে "আহোম বুৰঞ্জী" আৰু "আহোম-আচামীজ-ইংলিছ-ডিক্সনাৰী" (Ahom-Assamese-English-Dictionary) প্ৰস্তুত কৰা হৈছিল।

এই পুথিবোৰ লিখোতে বহুবাই যুক্তাক্ষৰ সম্বলিত সকলো আহোম শব্দকে সৰলীকৃত কৰি অসংযুক্ত ৰূপত লিখি উলিয়াইছিল। গতিকে দেখা যায় যে এই মৌলিক পুথিবোৰত ব্যঞ্জন যুক্তাক্ষৰৰ প্ৰয়োগ আছিল। এইটোৱেই ফাৰলাচৰ যুক্তিৰ ভিত্তিহীনতাৰ প্ৰমাণ দিয়ে। গতিকে তেনে যুক্তি কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে।

এতিয়ালৈ হাতত পৰা সকলো তথ্য-প্ৰামাণ্যই এই কথাকেই প্ৰতীয়মান কৰে যে ছ্যু-কা-ফাৰ সময়তে পোন প্ৰথমবাৰৰ বাবে অসমত আহোম ভাষাই লিখিত ৰূপ পৰিগ্ৰহ কৰে। টেৰবিলে এই মত পোষণ কৰে যে আহোম লিপি গ্ৰহণৰ ঘটনাই এই কথাই প্ৰতীয়মান কৰে যে তাই ভাষা-ভাষী লোকসকলৰ মাজত বহু প্ৰাচীন কালৰ পৰাই লিপিৰ ব্যৱহাৰ আছিল; ফাৰলাচে কোৱাৰ দৰে ত্ৰয়োদশ শতিকাৰ পৰা নহয়। তেওঁৰ মতে আহোম আৰু প্ৰাক্ শ্বান (Proto-Shan) লিপি ত্ৰয়োদশ বা চতুৰ্দশ শতিকাত পৃথক পৃথক ৰূপত বিকশিত হৈছে; আৰু ১২৮৩ খৃষ্টাব্দত আৱিষ্কৃত 'থাই' লিপিৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। এই 'থাই' লিপিয়ে এটা পৃথক থাই বৰ্ণমালাৰ উদ্ভৱত সহায়তা কৰিছে।

টেৰবিলে প্ৰত্নৰ যুগীয় ঐতিহাসিক, প্ৰচলিত আখ্যান, সামাজিক ৰীতি-নীতি আদি সম্ভৱপৰ সকলো তথ্য-প্ৰামাণ্য-পৰীক্ষা কৰিছিল। তেওঁ লক্ষ্য কৰিলে যে একাদশ শতিকাৰ 'পাগান' (pagan) লিখনিত ব্যৱহৃত প্ৰাচীন মন ভাষাৰ লিপিৰ বৰ্ণবোৰ থা ম্যাটৰ টেবুলত (Tha Myatt's table) দেখুওৱা চাৰিটা পৃথক পৃথক মন লিপিৰ বৰ্ণতকৈ বেলেগ। 'Old Burma -Early Pagan' গ্ৰন্থত প্ৰকাশিত আৰু মুদ্ৰিত বুদ্ধ মূৰ্তিবোৰৰ লগত খোদিত ফলকবোৰত ব্যৱহৃত প্ৰাচীন মন লিপিৰ লগত আহোম লিপিৰ স্পষ্ট যোগসূত্ৰ দেখা যায়। দক্ষিণ-পূব এচিয়াৰ আন কোনো ভাষাৰ লিপিৰ বৈশিষ্ট্যই আহোম লিপিৰ সৈতে ইমান সাদৃশ্য বহন নকৰে। কেৱল বৰ্ণৰ আকাৰ বা ৰূপৰ ক্ষেত্ৰতেই নহয়, শব্দৰ ব্যৱধান দূৰত্ব (Space) আৰু ধ্বনিৰ পাৰ্থক্য সূচক সাংকেতিক চিহ্নৰ (Diacritics) ক্ষেত্ৰতো এই সাদৃশ্য লক্ষণীয়। দ্বাদশ শতিকাত নামনি শ্যামৰ দ্বাৰাৱতী হৈ দক্ষিণ ভাৰতৰ পৰা অহা এই লিপি মন ভাষাই গ্ৰহণ কৰিছিল। তদুপৰি পালি ভাষাৰ ফলকসমূহত এই লিপি ব্যৱহাৰ কৰা হৈছিল। দ্বাদশ শতিকাত পোন প্ৰথম বাৰলৈ বৰ্মীয়

(Burmese) ভাষা লিখিত ৰূপত প্ৰকট হোৱাৰ সময়ত এই লিপিৰ বৰ্ণসমূহকে বাচি লোৱা হৈছিল। (Terwiel)

Pagan লিপিসমূহ সতৰ্কতাৰে পৰীক্ষা কৰাৰ পিছত টেৰৱিলে এই সিদ্ধান্তত উপনীত হৈছিল যে প্ৰাচীন মন লিপিয়েই আহোম লিপিৰ পূৰ্বসুৰী। মন লিপিৰ পৰাই আহোম লিপিৰ উদ্ভৱ — এই ধাৰণাটো নতুন নহয়। ৰাণু ৱিচাচিনৰ (Ranoo Wichasin) দৰে পণ্ডিতে এই মত গ্ৰহণ কৰিছিল। দ্বাদশ শতিকাত ব্ৰহ্মদেশৰ উজনি অঞ্চলত প্ৰচলিত প্ৰাচীন মন লিপি আৰু আহোম লিপিৰ মাজৰ সাদৃশ্য প্ৰকট। বৰ্তমানলৈ জ্ঞাত দ্বাদশ শতিকাৰ আন যি কোনো ভাষাৰ লিপিতকৈ ই আহোম লিপিৰ অধিক নিকটাত্মীয়। (Terwiel)

চাওলুং ছ্যু-কা-ফাই তেওঁৰ নিচাওৰ (মাকৰ ককায়েক) পুতেকৰ লগত তাই ভাষাত (লিপিত) চিঠি লিখি যোগাযোগ কৰাৰ কথা বুৰঞ্জীত উল্লেখ আছে। আহোমসকলে যদি তেওঁলোকৰ লগত দক্ষিণ-পূব এচিয়াৰ লিপি লৈ নাহিলহেঁতেন, তেনেহ'লে ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰচলিত লিপি এটাকে গ্ৰহণ কৰাটোৱেই তেওঁলোকৰ বাবে স্বাভাৱিক ঘটনা হ'লহেঁতেন। এই লিপিসমূহ আয়ত্ব কৰাটো প্ৰাচীন মন লিপিতকৈ মুঠেও জটিল নাছিল; আৰু আহোম ভাষাৰ সুৰ বৈশিষ্ট্য আৰু অৰ্থগত বৈশিষ্ট্য বহনৰ ক্ষেত্ৰত সমানেই অসুবিধাজনক। ষষ্ঠদশ আৰু সপ্তদশ শতিকাত দেখা গ'ল যে অসমীয়া লিপিয়ে আহোম লিপিৰ লগত প্ৰতিদ্বন্দ্বিতাত প্ৰবৃত্ত হ'ল আৰু প্ৰাচীনতম আহোম মুদ্ৰাসমূহ অসমীয়া হৰফতে পোৱা যায়।

১৬৬৩ খৃষ্টাব্দৰ পৰাহে আহোম ভাষা আৰু লিপি মুদ্ৰাত ব্যৱহাৰ হৈছে। আনহাতে, সময় নিৰূপণ কৰিব পৰা প্ৰাচীনতম আহোম লিপি পোৱা গৈছে চ্যু-হুং-মুঙৰ নাম খোদিত সৰ্পস্তম্ভত। এইজনা ৰজাই ৰাজত্ব কৰিছিল ১৪৯৭ খৃষ্টাব্দৰ পৰা ১৫৩৯ খৃষ্টাব্দলৈ। এই শৈল ফলকৰ উপৰিও মুদ্ৰা, তামৰ ফলিত লিখা আইন সম্পৰ্কীয় চুক্তি আৰু সাঁচিপাতত লিখা অসংখ্য লিখনিয়েই আহোম লিপিৰ ব্যাপক প্ৰচলনৰ ইংগিত দিয়ে।

ত্ৰয়োদশ শতিকাৰ আদি ভাগত ছ্যু-কা-ফাৰ লগতে যে আহোম লিপি আহিছিল, তাৰ গুৰুত্বপূৰ্ণ সাক্ষ্য বহন কৰে আহোমসকলৰ মাজত প্ৰচলিত কুকুৰাৰ হাড় পৰীক্ষা কৰি মঙ্গল চোৱা নিয়ম সম্বলিত কিতাপৰ ব্যাপকতাই।

হাতেলিখা অৱস্থাতে থকা এই কিতাপবোৰৰ ক'তো অসমীয়া বা আন বৌদ্ধ সাহিত্যৰ পৰা ধাৰ কৰা শব্দ এটাও নাই। সম্পূৰ্ণ আহোম ভাষাত লিখা পুথি এইবোৰ। এই কথাই এইটোকে প্ৰমাণ কৰে যে আহোম পুৰোহিতসকল আহোম ভাষাত লিখা এই পুথিসমূহ পঢ়ি ভৱিষ্যৎ বাণী কৰাত অভ্যস্ত আছিল। তদুপৰি ইয়াকো ক'ব লাগিব যে এই ধৰণৰ জ্ঞান মাত্ৰ কেইবছৰমানৰ অভিজ্ঞতাৰে লাভ কৰিব পৰা নাযায়। যিহেতু ছ্যু-কা-ফাৰ দিনৰ পৰাই কুকুৰাৰ ঠেং চাই ভৱিষ্যতবাণী কৰাৰ প্ৰথাটো প্ৰচলিত আছিল, গতিকে ছ্যু-কা-ফাৰ দিনতেই আহোম ভাষাত (লিপিত) সেই সম্পৰ্কীয় পুথি বোৰৰ প্ৰচলন আছিল।

আহোম লিপিৰ উৎসৰ সন্ধানত গৱেষণা কৰোতে উইলাইৱান খনিট্টনানে (Wilaiwan Khanittanan) চাও-লুং-ছ্যু-কা-ফাই তাই লিপি লগত অনা বিষয়ত সন্দেহ প্ৰকাশ কৰিছে। তেওঁ মন্তব্য কৰিছে যে তাই লিপি ৫০০ বছৰ (ছ্যু-কা-ফা অসমলৈ অহাৰ) বা তাৰো পিছতহে উদ্ভাৱন কৰা হৈছিল। তেওঁ এই বুলিও কৈছে যে আহোমসকলে নিজকে কেতিয়াও 'আহোম' হিচাপে পৰিচয় দিয়া নাছিল; আহোম বুৰঞ্জীত তেওঁলোকে নিজকে 'তাই' বা 'তাই-ৰাও' (Tai-Raw) বুলিহে অভিহিত কৰিছে। গৱেষক পণ্ডিতসকলৰ মাজত এই সন্দেহ থাকি গৈছে এই কাৰণেই যে তেওঁলোকে অসমত থকা তাই ভাষাৰ সকলো পুথি অধ্যয়ন কৰা নাই। তদুপৰি ছ্যু-কা-ফাৰ লগত অহা তাই লোকসকলক 'আহোম' নামটো দিছিল ইন্দো-মঙ্গোলীয় শাখাৰ বড়োভাষী বৰাহী, মৰাণ, কছাৰী আদি স্থানীয় বাসিন্দাসকলে। 'আহোম' শব্দটো নতুনকৈ অহা শ্যাম বা শানসকলক বুজাবলৈ ব্যৱহাৰ কৰা 'আসাম' বা 'অসম' শব্দৰ পৰাই উদ্ভৱ হৈছে।

আগতে উনুকিয়াই অহা হৈছে যে আহোম শব্দবোৰ মানুহে ভবাৰ দৰে সৰল নহয়। ক্লা, ক্লান, ক্লাক আদি যুক্তাক্ষৰৰ প্ৰয়োগ, বান-চেং (মঙ্গল-চোৱা) পুথিত ধাৰ কৰা শব্দৰ অনুপস্থিতি, বুৰুন আৰু ৰেহম বুঢ়াগোহাঁয়ে দেখুওৱাৰ দৰে এক বা সদৃশ অৰ্থবাচক প্ৰাচীন শব্দৰ (Archaic) প্ৰয়োগে স্পষ্টভাৱে প্ৰমাণ কৰে যে এই গৱেষকসকলৰ বেছিভাগ ধাৰণাই শুদ্ধ নহয়। ছ্যু-কা-ফাৰ দিনৰ পৰা বুৰঞ্জী লিখাৰ পৰম্পৰা সম্পৰ্কত এখন বুৰঞ্জীত (অসমীয়া ভাষাত)

তলত দিয়া উদ্ধৃতিটো পোৱা যায়। 'হায়! চৰ্চাৰ অভাৱত আহোম ভাষাই ইয়াৰ সুৰীয়া বৈশিষ্ট্য হেৰুৱাই পেলাইছে।' অন্যথা পণ্ডিতসকলৰ মনলৈ এই সন্দেহবোৰ নাহিলহেঁতেন।

কোনো কোনো পণ্ডিতে বিশ্বাস কৰে আহোম ভাষাৰ পুনঃগঠন প্ৰক্ৰিয়াত কৃতকাৰ্যতাৰ সম্ভাৱনাই খুব বেছি যদিহে আহোম ভাষা পুনৰুদ্ধাৰ আন্দোলনৰ নেতাসকলে বৰ্তমান প্ৰচলিত তাই ভাষাসমূহৰ কোনো এটাক মূল আধাৰ হিচাপে গ্ৰহণ কৰে। তেওঁলোকৰ মতে থাই, খামতি, ফাকে, খাময়াং আৰু আইটন ভাষাক আহোম শব্দ আৰু ধাৰণাৰ প্ৰধান বাহক বুলি বিবেচনা কৰাটো সঠিক নহ'ব। এই আটাইবোৰেই সুকীয়া সুকীয়া তাই ভাষা আৰু প্ৰত্যেকৰে পৃথক পৃথক সুৰ-বৈশিষ্ট্য আৰু উচ্চাৰণবিধি আছে। এই অঞ্চলত প্ৰচলিত (জীৱিত ৰূপত) আৰু আহোম ভাষাৰ লগত সৰ্বাধিক বৈশিষ্ট্যৰ মিল থকা তাই ভাষা এটাকে এই উদ্দেশ্যত গ্ৰহণ কৰিব লাগিব। এই পণ্ডিত সকলৰ মতে, আৰু আন বহুতৰ মতেও, আইটন ভাষাটোৱেই প্ৰাচীন আহোম ভাষাৰ সৰ্বাধিক ওচৰৰ জীৱিত ভাষা হিচাপে গণ্য কৰা উচিত। আইটন ভাষাৰ সুৰ বৈশিষ্ট্যকে আহোমসকলে আহোম শব্দৰ সুৰধ্বনি প্ৰকাশ কৰিবলৈ গ্ৰহণ কৰিব পাৰে আৰু আহোম ভাষাক সুৰ বৈশিষ্ট্য সম্পন্ন ভাষা হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে। এই ক্ষেত্ৰত তাই আহোমসকলৰ জাতীয় সাহিত্য সংগঠন, পূৰ্বাঞ্চলীয় তাই সাহিত্য সভাই উচিত পদক্ষেপ লোৱা প্ৰয়োজন।

তেওঁলোকে কিছু নিৰ্দ্দিষ্ট সুৰ-বৈশিষ্ট্য ধ্বনি গ্ৰহণ কৰি আহোম ভাষাক পুনৰুজ্জীৱিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা উচিত। যদি আইটন ভাষাকে আৰ্হি (Model) হিচাপে গ্ৰহণ কৰা হয়, তেনেহ'লে আইটন ভাষাৰ সুৰ-বৈশিষ্ট্যও গ্ৰহণ কৰিব লাগিব আৰু আহোম ভাষাৰ মৌলিক বৈয়াকৰণীয় (ব্যাকৰণ সম্পৰ্কীয়) নিয়মসমূহ স্থিৰ কৰিব লাগিব। কম্পিউটাৰ ব্যৱহাৰযোগ্য তাত্বিক সুৰ পদ্ধতি - অৰ্থাৎ প্ৰতিটো আহোম শব্দ অথবা বাক্য আইটনীয়া সুৰত উচ্চাৰণ, অভিলেখন (recording) আৰু নিগাজিকৈ সংৰক্ষণ কৰি তাৰ যথোচিত প্ৰচাৰ কৰিবলৈ দীঘলীয়া সময়ৰ প্ৰয়োজন হ'ব। তদুপৰি এই ভাষাৰ শিক্ষকসকলক প্ৰথমেই উচ্চাৰণ বিধি আৰু সুৰ বৈশিষ্ট্য সম্পৰ্কে, প্ৰশিক্ষণ দিব লাগিব। আহোম পণ্ডিতসকলৰ অসমীয়া বাক্য এটা আহোমলৈ ভাঙনি কৰোতে প্ৰতিটো অসমীয়া শব্দৰ আহোম প্ৰতিশব্দ তাই-আহোম লিপিৰ

প্ৰতীকলৈ ৰূপান্তৰ কৰাৰ যি পদ্ধতি - সেই পদ্ধতিৰে মূল আহোম ভাষাৰ বাক্য গাঁথনি ৰক্ষা নপৰিব; বৰঞ্চ এটা কৃত্ৰিম ভাষাৰহে সূত্ৰপাত হ'ব। নিৰ্ভৰযোগ্য আহোম উৎস সমূহত পোৱা আহোম শব্দ আৰু বাক্য সমূহক আইটন ভাষাৰ উচ্চাৰণ বিধিৰ আধাৰত প্ৰতিষ্ঠা কৰিলে আহোমসকলৰ উপকাৰ হ'ব।

এতিয়া আহোম ভাষাৰ ছপাশালৰ আখৰৰ 'টাইপ' বা আকাৰ আৰু ৰূপ (Font) সম্পৰ্কে কিছু কথা আলোচনা কৰা দৰকাৰ। ১৯২০ চনত কলিকতাৰ বেপ্টিষ্ট মিছন প্ৰেছৰ দ্বাৰা প্ৰকাশিত Ahom-Assamese-English Dictionary খনত ব্যৱহৃত ছপা আখৰেই আহোম ভাষাৰ প্ৰথম ছপা আখৰ। The Ahom Buranji (১৯৩০) আৰু The Ahom Primer (১৯৩৬) আৰু The Ahom Lexicon (১৯৬৪) গ্ৰন্থতো এই ছপা আখৰকেই ব্যৱহাৰ কৰা হৈছে। ১৯৮৭ চনত Assamese-Engish-Tai Dictionary প্ৰকাশ উপলক্ষে এটা নতুন আখৰৰ (Font) ব্যৱহাৰ কৰা হ'ল আৰু ই ১৯২০ চনত ব্যৱহৃত আখৰৰ টাইপতকৈ বহুগুণে পৃথক। ইয়াৰ পিছতো ১৯৯২ চনত টেৰৱিল আৰু ৰাণুৱে নতুন এক ধৰণৰ টাইপ উদ্ভাৱন কৰি ব্যৱহাৰ কৰিলে। ষ্টিফেন মোৰে আন এক ধৰণৰ টাইপ উলিয়ালে। এই ক্ষেত্ৰত 'পূৰ্বাঞ্চলীয় তাই সাহিত্য সভা'ৰ গধুৰ দায়িত্ব আছে। তেওঁলোকে হাতেলিখা অৱস্থাত থকা অপ্ৰকাশিত পুথিসমূহত ব্যৱহৃত অক্ষৰ আৰু শব্দৰ আধাৰত এক ধৰণৰ আখৰৰ টাইপ (Font) উদ্ভাৱন কৰা উচিত। ই আহোম ভাষা আৰু লিপিৰ বাবে এক নতুন পথ মুকলি কৰিব। গতিকে যিমান সোনকালে সম্ভৱ সিমান সোনকালেই এইটো কৰা উচিত।

## প্ৰসংগ টোকা :

(১) বি, জে, টেৰৱিল নামৰ এই পণ্ডিতজনে 'The Tai of Assam' নামৰ দুখন গ্ৰন্থত আহোমসকলৰ বিষয়ে বহল চৰ্চা কৰিছে। তেখেতে আহোম ভাষা আৰু লিপিৰ ওপৰত" প্ৰবন্ধ লিখিছে।

(২) ড° জে, এন ফুকনে 'Ahom Script in the Thirteenth Century' নামৰ প্ৰবন্ধত আহোম লিপিৰ ওপৰত মতামত দিছে আৰু ব্যঞ্জনবৰ্ণৰ যুক্তাক্ষৰৰ নিৰ্দিষ্ট উদাহৰণ দি আহোম লিপি যে তেৰশ শতিকাৰ আৰম্ভণিতে ছ্যু-কা-ফাই আনিছিল, সেই সত্য প্ৰমাণিত কৰিছে।

(৩) **B. J. Terwiel ৰ প্ৰবন্ধ ।** দ্ৰষ্টব্য।

হেইডেলবাৰ্গ (Heidelburg) বিশ্ববিদ্যালয়ৰ গবেষক পণ্ডিত অলফন্সচ ৱেইদাৰ (Alfons Weidert) আৰু ষ্টিফেন মৰেই (Stefen Morey) আহোম ভাষাৰ সুৰ বৈশিষ্ট্যৰ (Tone System) পুনৰ নিৰ্মাণ সম্পৰ্কে অধ্যয়ন কৰিছিল। তেওঁলোকে মন্তব্য কৰিছে যে তাই ভাষা সমূহৰ উত্তৰ-পশ্চিম উপভাষা সমষ্টিৰ ভিতৰতে (য'ত খামটি আৰু শ্যান ভাষা অন্তৰ্ভূক্ত) আহোম ভাষাৰ ভাষিক শ্ৰেণীভূক্তকৰণ কৰা হৈছে তাই লক্ষণ যুক্ত (Pro-Tai) ভাষা সমূহৰ শব্দৰ আদিত বহ্য ঘোষ স্পৰ্শবৰ্ণক অঘোষ মহাপ্ৰাণ অথবা অঘোষ অল্পপ্ৰাণ স্পৰ্শবৰ্ণলৈ ৰূপান্তৰ কৰাৰ আধুনিক তাইভাষা সমূহৰ প্ৰৱণতাৰ ভিত্তিত। খামটি আৰু শ্যান ভাষাৰ দৰেই Egerod এ ১৯৫৯ চনত শ্যান আৰু ছিয়াম ভাষা গোষ্ঠীৰ মাজত স্থান দিয়া খুন, টাই য়ুয়ান আৰু টাইলু ভাষাতো মূল ঘোষ বৰ্ণবোৰ অঘোষ অল্পপ্ৰাণ বৰ্ণলৈ ৰূপান্তৰ কৰাৰ প্ৰৱণতা আহোম ভাষাতো দেখা যায়। অন্যহাতেদি, খামটি আৰু শ্যান ভাষাত দেখাৰ দৰেই মূল Pro-Tai ভাষাৰ কণ্ঠ্য স্ফোটক ধ্বনিৰপৰা (ছিয়ামিজৰ দৰেই) আহোম ভাষা দন্ত্য আৰু ঔষ্ঠ্য স্ফোটক ধ্বনিক অনুনাসিক ব্যঞ্জনলৈ ৰূপান্তৰ কৰা দেখা যায়। তেওঁ ভাবে যে এহাতে আহোম, খামটি আৰু শ্যান, আৰু আনহাতে ছিয়ামিজ আৰু তাৰ উপভাষা বোৰৰ মাজৰ পাৰ্থক্য ইমান গুৰুত্বপূৰ্ণ নহয় যে তাৰ বাবে তাই ভাষা সমূহৰ পৃথক উপগোট বিভাজনৰ যুক্তি-যুক্ততা থাকিব।

সেইদৰে এই মত পোষণ কৰে যে শব্দৰ ধ্বনিতাত্বিক সাদৃশ্যৰ ভিত্তিত আহোম ভাষাৰ শব্দসম্ভাৰৰ লগত ছিয়ামিজ ভাষাৰ লিখিত ৰূপৰ বুৎপত্তিগত চিনাক্তকৰণ লক্ষ্য কৰা য়ায়। সেইবাবেই কেইবা শ আহোম শব্দক ছিয়ামীজ লিপিত দেখুওৱা দুটা সুৰ চিহ্নৰ সহায়ত তিনিটা সুৰ বৈশিষ্ট্যতে *A,*B, *C, পৰিসীমিত ৰাখিব পাৰি। (Journal of the German Orinted Academy 1979) এই ধৰণেই ভাষাতত্বৰ বিশেষজ্ঞসকলে আহোম ভাষাৰ সুৰ বৈশিষ্ট্য পদ্ধতিৰ পুনঃগঠন প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰে। কিন্তু তাকে কৰোতে আইটন আৰু তাই ফাকে ভাষাৰ সুৰ বৈশিষ্ট্য পদ্ধতিও বিবেচনা কৰিব লাগিব।

— x —

ষষ্ঠ অধ্যায়

# আহোমৰ পুৰোহিত শ্ৰেণী

সাধাৰণতে পণ্ডিতসকলে কয়, চাও লুং ছ্যুকাফাৰ লগত ম্যুং ডুন ছুন খাম (বৰ্ত্তমান অসম) লৈ আহোতে ম'ছাম আৰু মছাইক হে লগত আহিছিল আৰু বাইলুং বংশৰ পুৰোহিতে আগতেই এই খণ্ডত আছিল।

পুথিত এনেধৰণেৰে লিখা আছে ঃ 'লেংডন, থেনখাম, লাউথ্ৰী, জাচিংফা, চাওফা তাইসকলে আলোচনা কৰি খুন্‌লুং খুন্‌লাইক ম্যুংৰি-ম্যুংৰামলৈ নামি অহাৰ সময়ত দেশৰ মঙ্গলৰ অৰ্থে বিভিন্ন পূজা পাতলৰ বিষয়ে তেওঁলোকক বুজনি দিছিল। এনেধৰণেই দেশৰ মঙ্গলৰ অৰ্থে পূজা-পাতল চলি আহিছিল। চাওলুং ছ্যুকাফাই ম্যুংমাও ৰাজ্যত থাকিব নোৱাৰি 'চুমছেং' দেৱতা লগত লৈ ম্যুং-ডুন-ছুন খামলৈ নামি আহে। ডয় চে (চৰাইদেউ) ত থাকি স্বৰ্গদেৱে কুকুৰাধৰা ম'ছাম আৰু পাংপতা ম'ছাইক মে ম্যুং কৰিব দিলে। উত্তৰে দক্ষিণে পখৰা ঘোঁৰা বহুৱালে। অন্যান্য জীৱ-জন্তু আৰু বস্তুৰে দেৱ-দেৱতাক পূজা কৰি মে-ম্যুং- মে - বান (মে-ডাম-মে-ফি) কৰিলে। দেশত বিজুলী ঢেৰেকনিৰে বৰযুণ হোৱাত স্বৰ্গদেৱ দেৱ-দেৱতাক উদ্দ্যেশি ৰিক্‌খ্বন পাতিব দিলে। ডিন্‌ছাম্ (তৃতীয়) মাহত ছং ম্যুং পূজা কৰিলে।' এনেদৰে চাও ল্যুং ছ্যুকাফাই এই ৰাজ্যলৈ আহি পূজাৰ পৰম্পৰা আৰম্ভ কৰিলে।

২৭৭ নং পুথিত এনেদৰে আছে 'মহং লুক্ মান ছং পি নং চাম লে নংমান চাও খুংলুং চু মান তাও মোন লাই ছেং' অৰ্থাৎ মহং পণ্ডিতৰ পুত্ৰ দুই ককাই-ভাই । ভায়েক চাও মুং লুং, নাম তাও মেন লাইছেং। (DHAS 277)

মহন্তসকলৰ আঠটা, দেওধাইৰ তেৰটা আৰু বাইলুঙৰ উঠৈশটা বংশ।

**মহন্তৰ বংশ সমূহ ঃ** (১) দিহিঙীয়া (২) খনামুখীয়া (৩) চেঙেলীমৰীয়া (৪) গবেমৰীয়া (৫) জকুৱাবৰীয়া (৬) চৰাইমৰীয়া (৭) মাতিহৰীয়া (৮) ৰাজমৰীয়া।

**দেওধাই (চাংবুন)ৰ বংশ :** (১) কাউৰীক লাও (গৰীয়া) (২) চক্‌লী (চাগলী) (৩) ভুলিং (৪) ম'ছাই-তাউ (৫) ডং-ডণ্ডীয়া (ডাং-ডেং) (৬) ধুলা (ধু-কা-লা) (৭) বৰমতা (বা-হুম-তা) (৮) চেপেটা (চে-পেৎ-তা) (৯) লেমাই (১০) কুক-চা (কু কু খুচা) (১১) হাতীবৰুৱা (চ্যাং-ফু-কে) (১২) আখৈয়া (খাও-তেক) (১৩) ম'লিং।

**বাইলুং (ম'প্লং)ৰ বংশসমূহ :** (১) অকা (২) পকা (৩) খুমটাই (৪) কচুহতীয়া (৫) চফাগুৰিয়া (৬) শলগুৰিঁয়া (৭) শিমলুগুৰিয়া (৮) বৰ-তন্তীয়া (৯) পিৰা-চেলেকা (১০) পিৰা-কটিয়া (১১) নৰা (১২) বাঁহ-বৰীয়া (১৩) মৌপিয়া (১৪) মঠাডণ্ডীয়া (১৫) তিয়নীয়া (১৬) লো-চলীয়া (১৭) লেফেৰা (১৮) বাইদণ্ডীয়া আৰু (১৯) ঢাক-চোৰা। (পুৰোহিত শ্ৰেণীৰ পদ্য বুৰঞ্জী পৰিশিষ্ট ২নংত দ্ৰষ্টব্য)।

মহুং পণ্ডিতৰ ভগ্নী নাং ছেং ৰাউ (দুয়ো ঞিওয়াৰৰ নাতি-নাতিনী আৰু আই ঞিয়ৰ মুপিত খামৰ পুত্ৰ আৰু পুত্ৰী) দেৱগুৰু ম' লাওখ্ৰীৰ পত্নী আছিল। মহুং পণ্ডিতৰ পুত্ৰ আই ছাংচিৰ পুত্ৰ পুজাক জীৰ বংশৰ আছিল কাচেংদাম। কাচেংদামৰ পুত্ৰ চেংকালুক এওঁ মহন বংশৰ আদি পুৰুষ আৰু ছ্যুকাফাৰ লগত ম্যুং-দুন ছুন-খাম (অসমলৈ) আহিছিল।

নাং ছেং ৰাউ আৰু ম' লাওখ্ৰীৰ বংশধৰ সকলেই দেওধাইসকল। বংশাবলী তলত দিয়া হ'ল।

## <u>দেওধাই বংশাবলী</u>

চাও ফুৰা আলং ৰাং অক (পৰমেশ্বৰ)

↓

ফু চ্যেও চিং

↓

এঞীও ওৰো ম' পিক্‌খাম

↓

খুন থেও খাম

↓

কে খাও চাও থাও লুঙাম

↓

ম’ লাওখ্ৰী নাং ৰু জাং

↓

আই চাং চিং — জাচিংফা

↓

ম’ৰু মচিং

↓

মংৰু পাংৰাও চাংবুন

↓

লাচেং কেও (ছাগলী দেওধাই। পূৰ্বজ) | লাচেংডাম | লাচেংখাম | লাচেং চেং | লাচেং হেং | লাচেং চিং | লাচেং পেত

↓

প্ৰায় ৩৫ পুৰুষৰ পিচত

↓

থাও মুং ম’ছাম (ছ্যুকাফা লগত আহে)

↓

তি মুন চেন

↓


মুঙু পাংৰাও

↓

মুং জাং-ফা

↓

ডাং ডেং



খেতুলু
খোল দাং
কান-দ্যফলা
অগ্নি বানদেও
তালি বানদেও
লাচেং কৌ (ছাগলী দেওধাই পূৰ্বজ)
থাও মুং-ম'চাম
থাও মুং ম'চাম
মুঙু
থাওমুং লাছেং
থাওমুং লানছেং
থাওমুং বাও লেং
থাওমুংম'
থাওমুং লংকান
থাও মং লাছেং থাম
থাও মুং লান মাই (লামাই দেওধাই বংশ)
মঙু
তিমিনচিং ( গৰীয়া দেওধাই বংশৰ পূৰ্বজ )
বগা
কুকজে
লুঠুৰী
বেঙুলী
ককছা চাংবুন পৰিয়াল (পণ্ডিত বঙালী মহৰীৰ বংশলতা)
মটাওজা
মহেখুচা
টংওজা
বেনুওজা
মেহেঙাখোৰা
মঙলা (বা যশ)
গুকওজা

↓
লাইক
↓
লাইবৰ
↓
বছা

বছা
↓
- খুত
  - বাপুৰাম (মানে ধৰি নিলে)
  - মুনাই
    - চড়ালী
    - বণ্ডালী →
      - ভোগেশ্বৰ →
        - জলদীৰাম
        - কাপেশ্বৰ
        - টিমক
        - দুৰ্গাধৰ
        - মলপুৰ
        - ধনেশ্বৰী
      - চক্ৰেশ্বৰ
        - শংধৰ
          - নিয়ৰাম
          - হেম
          - মিন
      - ডেওৰাম (বংলুং)
    - মদাই
  - তুলাই (মানে ধৰি নিলে)
  - চণ্ডলা
  - মণ্ডলা
  - গোহাৰি
- লক্ষীম

ম' লাওশ্ৰী + নাং ছেংৰাউ
↓
লাইম্যুং চাংবুন
↓
খুক-লাই- চাংবুন
↓
খুন-লাই চাংবুন
↓
তিমিও চিং চাংবুন
↓
চাম দাম চাংবুন (ছ্যুকাফাৰ লগত অহা)

চাম দাম চাংবুন আৰু কোনো পুথিৰ মতে চাংবুনৰ বংশধৰ থাওমুংমচাম ছ্যুকাফাৰ লগত আহে। আমাৰ মতে চাম দাম চাংবুন আৰু থাওমুংমচাম একেজন ব্যক্তি।



থাও চাইছেং

↓

ফুতাই লান

↓

কুনলেং

↓

পৌ কুন লান

↓

লিক ম'লাই

↓

(১) থাও মুন (২) ম'বাও লাল (৩) হুম্‌ফা (৪) খামফা

↓ (from (২) ম'বাও লাল)

(১) লান্‌পিত ফুতাং (২) মমুং ছেং

↓

(১) লাছেংচৌ (২) লান ফুচাই (৩) ম'ফা

↓ (from (২) লান ফুচাই)

ম'লুং লফা লান মুংছেং ম'লুং পকা

↓ (from লান মুংছেং)

লান্‌ লাখেন ম'লাও

↓


(১) লাছু (২) ফুংখাম (৩) ম'লুং খাম

↓ (from (২) ফুংখাম)

(১) মছাই (২) লান বকল (৩) প'ছাংকুন লুং (৪) লান্‌ বলি

↓ (from (৩) প'ছাংকুন লুং)

(১) ম'দাম (২) নক জাং (৩) লাচাম (হাতীবৰুৱা)


ম'দাম
লেনখেন, ককছ্য
লেমাই (গদাধৰ সিংহৰ ৰাজপুৰোহিত)
(১) ছুনতিন
খাও জাং
ৰাইলুং
(১) বুঢ়াভেদা (২) মৌফী মৌৰী (৩) জাবেলী
(১) কমলেশ্বৰ চাওছেং (২) শকৰা শ্যামলী (৩) কনজাং (কলীয়া ফুকন) (৪) লাইপাত (লেবেলা)
(১) মেকী (২) ছেংলাই (৩) ফিৰিণ (কন্যাক নগা হ'ল)
(১) মাধৌপণ্ডিত (২) ডাপছেং (৩) মুতছেং (৪) তংছেং
পিয়লী
চকু পিৰিকা
পোনাৰাম
কতীয়া
কলি
ধনুৰা (ধনছেং)
কনোৰা

লেমাই (ৰাজপুৰোহিত)

↓

খাও জাং

↓

বুঢ়াভেদা

↓

(১) ঢুলীয়া — খাউখাম — কছাৰী — ডাঙৰীয়া

খাও জাং

↓

মৌফী মৌৰী

↓

শকৰা — চাওচেং — কনজাং — লাইপাত

কনজাং

↓

চেংলাই (চেঙেলা) — ফিৰিণ

চেংলাই (চেঙেলা)

↓

মাখৌ — ডাপচেং — মুতচেং — তংচেং (খাঁৰ)

মাখৌ

↓

ৰগাটেকেলা — নিমুৰা — চেঙেলী

খাওজাং
↓
জাৰেলী
↓
কলা ফুকন
↓
জবলা
↓

ৰতন বাঁহতলীয়া ওজা | ঘনশ্যাম দৌলচোৱা ফুকন

ৰতন বাঁহতলীয়া ওজা
↓
(১) লেকাই (২) মাণিক (৩) মানৈ (৪) চৈ

ঘনশ্যাম দৌলচোৱা ফুকন
↓
(১) মিলখাম (২) পদু (৩) ভ-ৰাম

খাও জাং
↓
বুঢ়া ভেদা
↓
টিটো | ভামবৌ | জটো | মলুং

জটো
↓
তেলিয়া
↓
দুৰ্গেশ্বৰ

মলুং
↓
কৃষ্ণ দেওধাই
↓
সৰ্বেশ্বৰ

বুঢ়াভেদা

↓

মটঙা

↓

নাম নাই (২) মিঠাই (৩) নাম নাই

↓

↓ ↓ ↓ ↓

হেমধৰ লক্ষ্মীনাথ সোমেশ্বৰ ৰামনাথ

↓

বুঢ়াভেদা

↓

লামন

↓ ↓ ↓

আপং ধুপা তপা

থাও ছেংখেনেই উম্‌ফা পূজাৰ বাবে বগা ম'হ বিচাৰি যাওতে হাবুঙত বামুণৰ পৰিয়াল এটাত বামুণী কোঁৱৰ ছুডাংফাক পাই পাত্ৰমন্ত্ৰীসকলক জনায়।


অন্য এক মতে

থাও মুং মচাম
↓
মুঙু (থাও মুংম হ'ব পাৰে)
↓
গেন্ধেলা
↓
দৰজী
↓
গৰং
↓
ঠেৰেজু মেলেচাম খৰখৰী


চাংবুন
↓
থাওলুংঙাম
↓
পিথাম (নিউবৰ)
↓
থামমুং (থাওমুংমচাম?)
↓
মঙু পানচৈ পাংকাউ তলমুং

মঙু
↓
তিমিন চিং (গৰীয়া দেওধাই)

তেওঁ গড়মা কুঁৱৰীৰ কন্যাক বিয়া কৰাইছিল। গড়মা কুঁৱৰী গৌড় ৰজাৰ (পাটচাহৰ) কন্যা আছিল। স্বৰ্গদেউ ছুহুংমুঙে বিয়া কৰিছিল। গড়মা কুঁৱৰীৰ এক কন্যা আছিল। পিতৃ কোন ক'ব পৰা নাযায়। টিমিনচিঙে গড়মা কুঁৱৰীৰ কন্যাক বিয়া কৰাৰ কাৰণে মানুহে গড়ীয়া দেওধাই বুলি কয়। টিমিনচিঙ জ্যেষ্ঠ পুত্ৰ আছিল যদিও আহোমসকল জাত-পাতৰ উৰ্দ্ধত থকাৰ বাবেই এনে দুঃসাহসিক সামাজিক কাম কৰিছিল। গৰীয়া দেওধাই বংশ অতি উচ্চ বংশ।





## অন্য এটা বংশ


থাওমুং ম'চাম
ধোকলা (পঞ্চমপুত্ৰ) তেওঁ থাওমুং লুকান যেন লাগে)
বালিঘৰীয়া
উঠাবঠা
বিজুমডাম
লাঙিমলাইঘৰীয়া
ঢকবা
উদংগুক
ভাতখোৱা
জটবামডাম
মলিং
বিথতা
হানে
(ইত্যাদি)

মহন (ম'হং) সকল পূজাকৃজীৰ বংশধৰ আৰু দেওধাই সকল (চাংবুন) লাওগ্ৰীৰ বংশধৰ। আনহাতে বাইলুংসকল পথিচুৰ বংশধৰ। আটাইকেইটা বংশই পৰমেশ্বৰ ফ্ৰা-ত্যু-চিং ফ্ৰং-হুমৰ পৰা উৎপত্তি বুলি বিশ্বাস কৰে আৰু প্ৰমাণ স্বৰূপে পেঁঞ কাঁ কাৰ উদ্ধৃতি দিয়ে।

মুংহুং সকলৰ বংশাৱলী



↓

- ফা-চাং-পাও (তিনিমূৰীয়া দেৱতা যাৰ পানীত ডুবি মৃত্যু হয়)
- চেঁ তাও ন্যু কাই-ফা (মুংফিৰ ৰজা)
- থেনখাম
- নাং চাং-চেং-দাও (কন্যা)
- এঠীৰিং -খাম (চাইৰেফা) বা লেংডন (বজ্ৰৰ দেৱতা)

↓

- চেংতাও ন্যেন কাইফা (ম্যুং-ফি স্বৰ্গৰাজ্যৰ ৰজা)
  ↓
  - খুন্ লুং
  - খুন্ লাই
  
  (পৃথিৱীৰ ৰজা)
- থেনখামতাই-ট্যেও-খু-কিও
  ↓
  গ্ৰিঙয়ৰ

  আই গ্ৰিঙয়ৰ মুপিত্ খাম

↓

মহুং মুং
আই-চাং-চিং

↓

আই— চাং—চিং

↓

পূজাক-জী

↓

মহং-ম' অক্কাই

↓

মহং কাই

↓

পাই— লাং— মুং

↓

মহং ম'চাই

↓

চাংদাম

↓

মহং কন্‌জাং ফা।

কাছেংদাম

↓

চেংকা - লুক (ছ্যুকাফা স্বৰ্গদেউৰ লগত অহা)

↓

মাই চেও | ম'-বাওনা | ত্যাঁও—ম্যু—চাং | লাচিত | খাপেত

কথিত আছে মহন বংশৰ পূৰ্বপুৰুষ ম'ছাই কাছেংডামে প্ৰথম মহন বংশাবলী প্ৰস্তুত কৰে। প্ৰথম মহন পণ্ডিত ছ্যুকাফাৰ লগত অহা চেংকালুক পূজাক-জি বংশৰ পণ্ডিত কাছেংদামৰ পুত্ৰ আছিল আৰু কাছেংদাম মানদেশতে থাকিল।

চেংকালুকৰ পুত্ৰ মাইচেও, মবাওনা, ত্যাঁও ম্যুং চাং, লাচিত আৰু লেপেতৰ ভিতৰত লেপেতৰ বংশ-পৰিয়ালৰ। বিৱৰণী এনেধৰণৰ ঃ

লেপেত

↓

লেচাংদাম | লেচাই হুংদি | লেচাই ৰঙা

### লেচাই ৰঙা হ'ল ৰজা ঘৰীয়া মহনৰ পূৰ্বজ

আনহাতে লাপেত লাওৰ পুত্ৰ লেচামডাঙ লেচাম্ ডাঙৰ পুত্ৰ সকল হ'ল বৰগিৰি, বৰাখোৰা, আৰু থাওৰা বানকাঞ্চি। এই থাওৰাবানকাঞ্চিৰ পুত্ৰ আৰেক, তিলাই নাহৰ, ধৰ্মী, টিকাগধুৰ আৰু ধেমেকী।

আনহাতে চেংকালুকৰ পুত্ৰ ত্যাও ম্যুং চাং আৰু তেওঁৰে পুত্ৰ কক্ বগলী আৰু দেবেৰা। স্বৰ্গদেউ ছুকাফাৰ পুতেক ছুতেওঁফাৰ ৰাজত্বৰ কালত দেবেৰা মহন অৰ্থাৎ চতাই ফুকনে পণ্ডিত কৰিছিল। এই দেবেৰা (চতাই ফুকন)ৰ বংশকে ত্যাওমুং চাঙ বংশ বুলি কোৱা হয়।

মহং বংশৰ তৃতীয় জনক স্বৰ্গদেউৱে সুবিধা অনুসৰি শিৱসাগৰ জাঁজী নদীৰ কাষত বানমুখ নামৰ ঠাইত খাটপাম দিছিল। পিচত খনামুখীয়া মহন বংশধৰ সকলে ঠাইভেদে বিভিন্ন ধৰ্মত দীক্ষা লব লগা হয়। কিছুমানে মায়ামৰাত সোমাল।

দেবেৰা চতাই ফুকনৰ সাতজন পুত্ৰ আৰু এগৰাকী কন্যা নাম ছেংদৈ। এই ছেংদৈ ৰূপে-গুণে অতি মনোমোহা। গোবৰ ৰজাই বিয়া কৰিবলৈ বিচৰাত ৰজাই গুৰুগৃহত বিয়া কৰিব নাপাই বুলি কোৱাত গোবৰ ৰজাই ছেংদৈৰ বিবাহ নহে ঘৰতে থাকি মৃত্যু বৰণ কৰিব বুলি অভিশাপ দিয়ে। সচাঁকৈয়ে ছেংদৈৰ বিয়া নহল।

চতাই ফুকনৰ সাতজন পুত্ৰ হ'ল দেওজু, ভোগজু, মনজু, এলেগা, শুভগা, বুঢ়িকুঠা আৰু ফলিকুঠা।

## বাইলুং পণ্ডিতৰ বংশাৱলী

ফাছ্যং দিন খুন এেঙউ

↓

থাও-লুং-ঙাম

↓

ঙি-ঙাও-খাম

↓

ছেং ফ্ৰা-খাম

↓

ছেং কাম-ফা

↓

বং বাই


↓

পু হাই প-ফী-ছ্যু

↓

ম' প্লঙ

কুচহুটীয়া বাইলুং পৰিয়ালৰ পুৰুষনামা (১৬০০ খৃঃ পাছৰ পৰা)
বগা বাইলুং (বদৰ)



ফাছাং-দিন-খুন ত্ৰিওউৰ পুত্ৰ থাও-লুং-ঙামে বিবাহ কৰাইছিল এনেকুৱা সময়ত যেতিয়া বিবাহৰ ক্ষেত্ৰত কোনো নীতি-নিয়মৰ সুব্যৱস্থা নাছিল। তেওঁৰ পুত্ৰ নিউবৰ নামৰ এজন সুপুৰুষ আৰু পু-হাই প-ফি-ছ্যু নামৰ এক মহান পণ্ডিত আৰু ধৰ্মগুৰু। পু-ফি-ছ্যুৰ আঠলাখ শিষ্য আছিল আৰু স্বৰ্গৰ 'ফুৰা' লেংডনৰ ম্যুং-ফী ৰাজ্যৰ ৰাজধৰ্মগুৰু আছিল। তেখেত নিৰুদ্দেশ হৈ আগতেই পৃথিৱীলৈ যোৱাত ফা-বৰুতক ৰাজগুৰু পতা হয়। প-ফি-ছ্যুৰ পুত্ৰ হ'ল ম'প্লঙ অৰ্থাৎ বাইলুঙ পণ্ডিত। এইজন মহান গুৰু মহঙ বংশৰ আই-ছ্যাং-চিঙৰ শিষ্য আছিল। উল্লেখীয় যে আই-ছ্যাং-ছিং পুত্ৰ পু-জাক-জী উচ্চ পৰ্য্যায়ৰ বিশেষজ্ঞ আৰু পণ্ডিত আৰু ধৰ্ম-গুৰু আছিল আৰু ম'প্লঙৰ সম-সাময়িক আছিল। মহং বংশৰ আই-ছা-চিঙৰ ৰ পৰা দুয়ো জ্ঞান লাভ কৰিছিল। আই-ছাঙ-ছিঙেই তাই-আহোমৰ প্ৰধান ধৰ্ম-পুথি "পাক পেঁএ্র কা কা " লিপিবদ্ধ কৰিছিল। এই কাৰ্য্য আৰম্ভ কৰোতে তিনিজন মহান গুৰু প-ফি-ছ্যু, ফু-চিত্-খ্ৰিং আৰু ছন-খম-ঙম অৰ্থাৎ জাছিংফাক তৰ্পণ কৰিছিল। সেই হেতুকে জাছিংফাক পূজা কৰোতে এখন ফুনতে (মেহেঙা) তিনিটা পাব দিয়ে। এইজন মহান গুৰু ম'প্লঙয়েই বাইলুং বংশৰ পূৰ্ব-পুৰুষ আছিল।

এই কথা সত্য যে বাইলুঙ পণ্ডিতৰ মূল মানুহজন ছ্যুকাফাৰ আগমনৰ আগতেই বাইচালি নামৰ এই ভূমিখণ্ড যাক মুং ডুন চুন খাম বুলি ছ্যুকাফাই অভিহিত কৰিছিল প্ৰৱেশ কৰিছিল আৰু ছ্যুকাফা স্বৰ্গদেউক এই ভূমিখণ্ডতে লগ পাইছিল। অসমীয়া ভাষাত লিখা বুৰঞ্জীত 'হবা পোৱা' বুলি কোৱা মানুহখিনিয়েই আছিল আদিতে তাই অভিযানত অহা লোকসকলৰ কিছু লোক। এই সকল লোককেই তাই ৰাজ্যৰ হৈ পৰাজিত চুতীয়া, মণিপুৰ আৰু গাৰো ৰাজ্যৰ পৰা 'সূত' বা কৰ তুলিবলৈ এৰি থৈ গৈছিল।

ছ্যুকাফা স্বৰ্গদেউয়ে এইসকল লোকক পূৰ্বতে অহা তাই বুলি জানি, তেওঁলোকৰ লগত তাই ভাষাত কথা পাতি নিজৰ মানুহৰ লগত সামৰি ললে। তাৰে ভিতৰত বাইলুঙৰ আদি লোকজন আছিল । গতিকে বাইলুঙসকলে

২১টা পূৰ্বপুৰুষ (Generation)ৰ কথা কয়, আৰু দেওধাই, মহনে ১৪ টা পুৰুষৰ কথা কয়।

লাওগ্ৰী-ছাংবুন বংশৰ থাওমুং ম'চাম ছ্যুকাফাৰ লগত আহিছিল। তেওঁৰে এজন পুত্ৰ বাওলেঙ ডেকাক স্বৰ্গদেউৱে চুতীয়া তিউৰা (চুতীয়া) গাঁও চাবলৈ পঠিয়ালে। এঘৰ মাক জীয়েক থকা মানুহ পাই তাতে থাকিল। বছৰটো গ'লত ৰজাই তেওঁক আৰু লগৰ মানুহক চুতীয়াই ধৰি ৰাখিলে বুলি ভাবি চুতীয়া গাঁও মাৰিবলৈ পঠিয়ালে। ৰজাৰ মানুহে তেওঁলোকক পাই ঘূৰাই লৈ আহিল। স্বৰ্গদেউয়ে দায় ধৰি সোধাত বাওলেঙে ক'লে, "সিহঁতৰ তিৰীয়ে পুৰুষক খোৱাই বোৱাই পিন্ধাই মেলি চাঙত উঠিলে চাঙ ঘৰ ল'ব লাগে। সিঁহতৰ পূজাৰ দেৱতা মাইকী। মই সেই কথা জানিবলৈ চাঙত উঠাৰ বাবে মই গাঁও এৰি আহিব নোবাৰা হলো।" ৰজাই ভাল পাই আৰু চৰাইদেউ ধোপাবৰ অঞ্চলৰ চুমচিৰিং পাতিলে । ঘৰ বাৰী লবলৈ দিলে। ম'ছামৰ নাতি লানমায়ে প্ৰথম বুঢ়াগোহাঁই ডাঙৰীয়া থাওৰুক বুঢ়াগোহাঁই হেৰাওতে ৪০ বছৰ মানৰ আছিল। লানমাইৰ সৰু গোহাঁইনীৰ পুত্ৰ, বুঢ়াগোহাঁই হ'ল। সেয়েহে বুঢ়াগোহাঁই আৰু দেওধাই একে ভাই ককাই বিবেচনা কৰি বিবাহ নকৰে। তদুপৰি দুয়োটা বংশ একেজন পিতৃপুৰুষৰ পৰা উপজা। পিছতো সেই ফৈদৰ পৰা ৰাজেশ্বৰ সিংহৰ দিনত বুঢ়াগোহাঁই পদ পাইছিল। ছ্যুকাফাই থাও মুং খুন্তালৰ কাছেং দাম আৰু ছেংকালুক লগত লৈ অসমলৈ আহিছিল। দুয়োজন দেৱজ্ঞানৰ পণ্ডিত আছিল আৰু ৰজা, প্ৰজা, সৈন্য নৰিয়াত পৰিলে এওঁলোকক বান-ছেং পাতিবলৈ দিছিল আৰু দেশৰ মংগল-অমংগলৰ বাতৰিও এওঁলোকৰ পৰাই লৈছিল। দেব-দেবতাৰ পূজাৰ কামতো এওঁলোকক দায়িত্ব দিছিল। তেওঁলোক আছিল মহুঙ বংশৰ লোক। ছ্যুকাফাই অসমলৈ আহি থাকোতে মান দেশতে কাছেংদামক ৰাখি চেংকালুকক লৈ ম্যুঙ-ডন-চুন-খামলৈ আহিছিল। চেংকালুকৰ চৰাইদেউত মৃত্যু হয়। তেওঁৰ পুতেক পাচঁজন। (১) মাইচেউ (২) মবাওঁনা (৩) ট্যাঙমুচাও (৪) লাচিত আৰু (৫) লেপেটে।

মহুঙসকলে তাই ভাষাৰ সাঁচিপত্ৰীয়া মন্ত্ৰৰ পুথি আৰু বুৰঞ্জী আদি পুথি লিখিছিল। মঙল চোৱা, কুকুৰা ঠেং মৰা অদ্ভুত পুথি মেলা আদি

তেওঁলোকৰ বিশিষ্টতা। মহুও সকলৰ ৭টা ফৈদ। মানৰ আক্ৰমনত খনামুখত থকা মহুং সকলে বিভিন্ন ঠাইলৈ পলাই যাব লগীয়াত পৰে। বহুতো খনামুখীয়া মহলে ঠাই ভেদে বিভিন্ন ধৰ্মত দীক্ষা লয়। কিছুমান খনামুখীয়া মহন অনিৰুদ্ধদেৱৰ সেৱক হৈ মটক জাতিভূক্ত হয়। হিন্দুধৰ্মৰ বিভিন্ন পন্থা তথা বৈষ্ণৱ ধৰ্মত দীক্ষিত হৈ বিভিন্ন ঠাইত থাকিলে এওঁলোকে বংশ পৰিচয় ত্যাগ কৰা নাই। কথিত আছে, মাওমুং ম'ছামৰ অষ্টম পুৰুষত থাওছেংকেন নামৰ পুৰোহিত এজনে কেনেকৈ উমফা পূজাৰ বাবে ম'হ বিচাৰি দিহিঙৰ সিপাৰলৈ যাওঁতে উত্তৰ পাৰত হাবুঙত বামুণী কোঁৱৰক ৰজাৰ পুত্ৰ বুলি গম পাই ৰজা-ঘৰত বাতৰি দিয়াত ডাঙৰীয়াসকলে আনি ৰজা পাতে। হাবুঙৰ বামুণী কোঁৱৰক তুলি লোৱা ঘৰৰ ল'ৰা কেইজনক কোঁৱৰ পাতি বামুণী কোঁৱৰ ছ্যুডাংফাই খাট পাম দি ৰাখিলে। মিত্ৰ সূত্ৰে কেইঘৰমান ম'লুং হাবুঙৰ বামুণ গাঁৱত বসতি কৰিবলৈ লয়। বংশৰ পৰা ফাটি যোৱা বাবে এই কেইঘৰ ম'লুঙক ঘৰফলীয়া বা ফিক চাই বুলি কয়। পিচত বামুণীয়া হিন্দু ধৰ্মৰ প্ৰভাৱ বৃদ্ধি পোৱাত হাবুঙত বামুণ আৰু ম'লুঙৰ ধৰ্ম বিবাদ হয়। শেষত ম'লুঙসকল অলপ আঁতৰি দক্ষিণলৈ আহিল। সেয়ে ম'লুঙক বৰ পণ্ডিত বুলি উপহাস কৰিছিল। ম'লুং কিছুমান মিছিং সম্প্ৰদায়ত মিহলি হৈ দেওধাই মিছিং হৈ থাকিল।

স্বৰ্গদেউ ছ্যুহুংমুঙে সকলোৰে খেল ফৈদত বিভক্ত কৰে। তেতিয়াৰ পৰা হিন্দু ধৰ্মৰ প্ৰভাৱত আৰু ব্ৰাহ্মণ পুৰোহিতৰ উচটনিত ম'ছাম মুং কেইঘৰক সাতঘৰীয়া আহোমৰ পৰা বাদ দিয়ে। তেওঁলোকে তাই মানুহৰ ধৰণ-কৰণেৰে থাকিবলৈ ধৰে। কিন্তু পূৰ্বৰ ফালৰ ৰাজ্যবোৰৰ লগত যোগাযোগৰ সুবিধাৰ বাবে তাই ভাষা প্ৰয়োজন হোৱাত কিছুমান ম'লুঙ ফৈদৰ ল'ৰাক তাই ভাষা শিকিবলৈ নৰাদেশ মুংকঙলৈ পঠায়। এনেদৰে ম'লুঙসকলে তাই ভাষাৰ উন্নতিৰ বাবে কামকাজ কৰি নৰাদেশত থকা নৰা মানুহৰ লগত তাই ভাষা শিক্ষাৰ জৰিয়তে যোগাযোগ ৰাখে। কিছুমান ম'লুঙে কাৰিকৰী বিদ্যা শিকি বিভিন্ন কাম কাজ কৰিবলৈ লৈ নিজৰ পুৰোহিত তথা মঙল চোৱা আদি কাম এৰে। কোঁচে বন্দী কৰি নিয়া ম'লুঙে কামৰূপ বৰপেটাত বাস ললেগৈ। কোঁচৰ

ৰণলৈ যোৱা ঘৰফলীয়া বামুণ হ'ল। খোৰা ৰজাৰ দিনত নৰা কুঁৱৰীৰ লগত তাই ভাষা শিকিবলৈ যোৱা ম'লুঙৰ ল'ৰাবোৰ নৰাদেশৰ পৰা ঘূৰি আহে। নৰা বাইলুং, পকা বাইলুং আদি তেনেকৈ আহে। বহুদিনৰ ব্যৱধানৰ বাবে নৰা বাইলুঙৰ ঘৰৰ লগত অন্য বাইলুঙৰ লগত বিবাহ হোৱা দেখা যায়। প্ৰতাপ সিংহৰ দিনৰ পৰা চক্ৰধ্বজ সিংহৰ দিনলৈকে মছাই দেওধাই ৰজাঘৰৰ সকলো সময়তে ৰাজজ্যোতিষী আছিল। মহনৰ ঘৰতো এজন ম'ছাই ফুকন আছিল। মছাই দেওধাইৰ ভায়েক পছাং বনলুঙ বৰ দেওধাই আছিল। পছাং বনলুঙৰ বৰ পুত্ৰ মডাম বন্ধাই বৰুৱা হৈ গুচি গৈছিল। একেবাৰে সৰু পুত্ৰই হৈছে জয়ধ্বজ সিংহৰ দিনৰ লাচাম হাতীবৰুৱা। জয়ধ্বজ সিংহৰ উগ্ৰ হিন্দুবাদে ম'লুংসকলক ব্যতিব্যস্ত কৰিলে। জয়ধ্বজ সিংহই এনেদৰে আহোম পূজা-পাৰ্বণ বাদ দি হিন্দু ধৰ্মৰ মতে যোৱাত মুছলমানে (মোগল) অসম দেশ ল'লে আৰু ৰজা পলৰীয়া ৰজা হ'ল। বামুণ গোসাঁইৰ কথামতে জয়ধ্বজ সিংহ পুনৰ ৰজা হৈ মলুঙ সকলক ৰাজদ্ৰোহত পেলাই শাস্তি দিবলৈ যো-জা কৰা শুনি মলুঙসকলে আত্মগোপন কৰিবলৈ বাধ্য হ'ল। পিচত ৰজাই সকলো কথা বুজি পাই মলুঙসকলক মাতি আনিলে। পমানদাম নামৰ এজনে দেশত খৰাং হোৱাত পূজা কৰি বৰষুণ নমালে। ৰজাই তেওঁৰ কথামতে উম্‌ফা পূজা পাতিলে। পিছত আহোমৰ পূৰ্বৰ নীতি মতে পূজা পাৰ্বণ মলুঙসকলৰ দ্বাৰা কৰাত দেশ স্বাধীন হ'ল — শৰাই ঘাটত আহোমে মোগলক ঘটুৱালে।

গদাধৰ সিংহ স্বৰ্গদেউৰ দিনত লোমাই প'দান বৰদেওধাই বৰুৱা হৈছিল। তেওঁ এজন কথাচহকী আৰু চিন্তাশীল ব্যক্তি আছিল। স্বৰ্গদেৱে আহোম পদ্ধতিৰে পূজা পাতল কৰাইছিল আৰু নিজেও একে পদ্ধতিৰে আহোমৰ পৰম্পৰাগত পূজা কৰিব জানিছিল। পৰম্পৰাত পৰম বিশ্বাসী গদাধৰ সিংহই ম'লুঙসকলক যথেষ্ট গুৰুত্ব দিছিল। কিন্তু, তেওঁৰ পুত্ৰ ৰুদ্ৰ সিংহৰ দিনত ৰজাই বঙালী গোসাঁইত শৰণ লৈ আহোমৰ পৰম্পৰা মানিবলৈ এৰিলে। হিন্দু পৰম্পৰাত বিশ্বাসী এই ৰজাৰ দিনত জাত-জখলাত আহোমৰ স্থান তললৈ গ'ল। ম'লুঙসকলৰ গুৰুত্ব নাইকিয়া হ'ল। প্ৰমত্ত সিংহ স্বৰ্গদেউৰ

দিনত ম'লুঙসকলক হিন্দুধৰ্মৰ পৰিপন্থী ভাবি ম'ছাম ম'লুঙসকলৰ কিছুমানক নাক-কাণ কাটি ঘৰলৈ পঠিয়াইছিল। ৰুদ্ৰসিংহৰ দিনত হিন্দু ধৰ্ম ৰক্ষাৰ বাবে হিন্দু ধৰ্ম আগ্ৰহী ডেকাক নবদ্বীপ, কনৌজ, কাশীলৈ বামুণীয়া শিক্ষা ল'বলৈ পঠিয়াইছিল। সেইসকলৰ লগত লেমাই দেওধাইৰ সৰু পুত্ৰ বাইলুঙ বৰুৱাই বামুণৰ লিটিকাই হৈ গৈছিল। কিছুদিন বৈৰাগী হৈ বিদেশত থাকি কামাখ্যা, ভৈৰৱ আদিত থাকি পিছত ৰংপুৰলৈ আহি বামুণ হৈ থাকে। কিছুমান বৈৰাগী বৰুৱাও হৈছিল। ৰজা চন্দ্ৰকান্ত সিংহৰ ল'ৰালি বন্ধু সংৰাম আৰু কৃষ্ণ-কৃষ্ণ বাইলুঙ পঞ্চম পুৰুষৰ লোক আছিল। ৰাজ অনুগ্ৰহত কৃষ্ণই পিছত কৃষ্ণৰাম ভঁৰালী বৰুৱা হৈছিল। কৃষ্ণ ভক্ত হিচাবে তেওঁক সকলোৱে কৃষ্ণদাম বুলিহে চিনি পাইছিল-- জাতত বাইলুঙহে । আহোমৰ পুৰোহিত শ্ৰেণীৰ।

স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই কৰা বুৰঞ্জী দাহৰ কালত চাওছেং ছেংধোৰা বৰুৱাই পুথি-পাঁজি লৈ পাহাৰলৈ পলাই যায়। সেই দোষতে সৰু ভায়েক দুজনক শূলত দিলে। অন্য ম'লুঙ ফৈদৰ এজনক পকা-তেলত দি মাৰিলে। কিছুমানক নাক-কাণ কাটি এৰি দিলে। বৰবৰুৱাৰ গোসাঁইৰ নিৰ্মালি মিঠৈ খাই মৌবি (বা পিঠা খোৰা) ৰ সৰু পুতেক লাইপাতৰ (লেৰেলাৰ) মটকৰ ৰণত মৃত্যু হৈছিল। মৌবিয়ে মিঠৈ খাই পুথি লুকোৱাৰ অপৰাধৰ পৰা মুক্তি পাইছিল।

স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত পূৰ্ণানন্দ বুঢ়াগোহাঁই প্ৰবল প্ৰতাপী ৰাজমন্ত্ৰী আছিল। হিন্দু ধৰ্মমতে চলি পৰাম্পৰাগত ভাবে চলা আহোমক বিশেষকৈ ম'লুঙসকলক হেমাহি কৰিবলৈ ধৰিছিল। পানীমুৱা নামৰ এজনে আহোম নিয়ম প্ৰচলনৰ বাবে টিংপাই (বাঁহৰ টোকাৰী) বজাই আহোম ৰীতি-নীতি, পৰম্পৰাৰ জয়গান গোৱাত হিন্দু পন্থী মন্ত্ৰী, ডা-ডাঙৰীয়াই পানীমুৱাক ৰাজদ্ৰোহী পাতিলে। বন্দী কৰি সংগীবোৰক কাটিলে। সৰহভাগেই ছাম ম'লুংসকলৰ ঘৰৰ। তেতিয়াই লেমাই ঘৰৰ হুকৰাৰ (শুকুৰা) পুত্ৰ-নাতি সকলোকে কাটি নিৰ্বংশ কৰিলে। হুকৰা বুঢ়া মৰাত বংশই চিনস্বৰূপে ডাঙৰ মৈদাম সাজি ওচৰতে পুখুৰী খন্দোৱায়। খালৈ ঘোঘোৰা নাহৰতলি দেওধাই চুকত এতিয়াও আছে। এজন ম'লুঙ নগা পাহাৰলৈ পলাই গ'ল। আজিও নগা হৈ আছে।

এইবোৰ কাৰণতে বহুতো ছাম-ম'মুণ্ডসকল শৰণীয়া হয়। বিভিন্ন সময়ত বিভিন্ন বিষয়-বাব লৈ বেলেগ বেলেগ ঠাইত থাকি সেই উপাধিৰে অন্য ফৈদলৈ ৰূপান্তৰিত হৈ বহু ফৈদ হল। তেনে বন্ধাই হৈ যোৱা মানুহ ডিব্ৰুগড় জিলাৰ চাবুৱাত আছে। বাইলুং বৈৰাগী বৰুৱা ঘৰ একেবাৰে বামুণ হ'ল। ঘৰফলীয়া দেওধাই আৰু বন্ধাই বৰুৱা সকল এতিয়া মটক জাতিৰ অন্তৰ্ভূক্ত হ'ল।

**********

**গ্ৰন্থপঞ্জী ঃ**

১) আহোম বুৰঞ্জী (ৰায়চাহাব গোলাপচন্দ্ৰ বৰুৱা সম্পাদিত ১৯৩০)

২) দেওধাই অসম বুৰঞ্জী - শ্ৰীসূৰ্য্যকুমাৰ ভূঞা (সম্পাদিত) ১৯৯০

Documentary History of the Ahom (Translated, edited and annotated - J. N. Phukan, Romesh Buragohain, Ye Hom Buragohain)

৩) বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ পুথিসমূহৰ নং -

১০, ২৭৭, ১৯৬০ বি.কে গোহাঁই সংগৃহিত পুথি

৪) ৰাজ বুৰঞ্জী - ১

৫) ৰাজ বুৰঞ্জী - ২

৬) দেওধাই মহন বাইলুং বংশাৱলী

## আহোমৰ খেলসমূহ

(১) আহোম ৰাজকোঁৱৰ "লেংডন" বংশধৰ।

(২) বুঢ়াগোহাঁইসকল "চেংবান" বংশধৰ।

(৩) বৰগোহাঁইসকল "চেংহোন" বংশধৰ।

(৪) মহং (মহন)সকল অককাই মহং "ম্যাং মচাই" বংশধৰ।

(৫) দেওধাইসকল "লাওখ্ৰী" বংশধৰ।

(৬) বাইলুঙসকল "পফিচু বংশধৰ"

### (২) সাতঘৰীয়া আহোম

(১) ৰাজকোঁৱৰ (২) বুঢ়াগোহাঞি (৩) বৰগোহাঞি (৪) মহন (৫) দেওধাই (৬) বাইলুং (মপ্লঙ) (৭) চুমচিৰিং এই সাতঘৰক সাতঘৰীয়া আহোম বোলে। পিছত ইয়াৰ পৰিবৰ্তন হয়। (৪) ৰপৰা (৭) লৈকে বাদ দিয়ে।

### (৩) বাৰঘৰীয়া আহোম

(১) খুনটাই বা বৰআহোম (২) দিহিঙিয়া (৩) খামুন (৪) হাতীমূৰীয়া (৫) চোলাধৰা (৬) ছত্ৰধৰা (৭) আৰোৱান (৮) জৰাধৰা (৯) পিকবান ধৰা (১০) হেংদানধৰা (১১) জাপিধৰা (১২) চাবুকধৰা

### (৪) চৌবিশঘৰীয়া আহোম

(১) খুমটাই বা বৰ আহোম (২) দিহিঙিয়া (৩) খামুন (৪) হাতীমূৰীয়া (৫) চোলাধৰা (৬) ছত্ৰধৰা (৭) আৰোৱান ধৰা (৮) জৰাধৰা (৯) পিকবানধৰা (১০) হেংদানধৰা (১১) জাপিধৰা (১২) চাবুকধৰা (১৩) চেতিয়া (১৪) পাটৰ (১৫) কটকী (১৬) চাউক (১৭) সন্দিকৈ (১৮) লাহন (১৯) দুৱৰা (২০) লুখুৰাখন (২১) শেনচোৱা (২২) কুকুৰাচোৱা (২৩) চাংমাই (২৪) চৰাই মৰিয়া এই কেইখেলক চৌবিশঘৰীয়া আহোম বোলে।

### লোকমাই আহোম

(১) চাংলাই (২) বেজ (৩) কুকুৰাচোৱা (৪) চাউদাং (৫) পমোৱা (৬) চোলাধৰা (৭) ছত্ৰধৰা (৮) আৰোৱানধৰা (৯) জৰাধৰা (১০) পিকবানধৰা (১১) হেংদানধৰা (১২) জাপিধৰা (১৩) টাঙোনধৰা (দা ধৰা) (১৪) লাখুটিধৰা

এই কেইখলক লোকমাই আহোম বোলে। এওঁলোকে ৰজাৰ লগত থাকি ৰজাক সততে পৰিচৰ্যা কৰিছিল।

### ৰাজকোঁৱৰসকলৰ ফৈদ

(১) স্বৰ্গদেও ছুকাফাই ৰাজকোঁৱৰসকলক তিনিটা ফৈদত ভাগ কৰিছিল। যেনে - টিংখণ্ডিয়া, দিহিঙিয়া আৰু চাৰিঙীয়া ফৈদ।

(২) ১৪৯৭-১৫৩৯ চনত স্বৰ্গদেউ চুহুংমু ৱে ৰাজকোঁৱৰসকলক চাৰিটা ফৈদত ভাগ কৰিলে। যেনে - দিহিঙিয়া, চামগুৰিয়া, পৰ্ব্বতীয়া আৰু তুংখুঙীয়া ফৈদ।

### বুঢ়াগোহাঁই ফৈদ

১) টেঁপৰতলীয়া, ২) কুঁৱৈগঞা, ৩) বাঁহগৰীয়া, ৪) দিলিহিয়াল, ৫) লংককীয়া, ৬) বাইলুঙীয়া, ৭) পুখুৰীপৰীয়া, ৮) মটক, ৯) গৰুধৰীয়া, ১০) দাংধৰীয়া, ১১) মৌফৈদীয়া, ১২) ফুটুকাচলীয়া, ১৩) শদিয়ালীয়া, ১৪) ভেবা ১৫) খামটিয়াল, ১৬) মৰাণ ১৭) পিৰাকটীয়া ইত্যাদি।

৩) কোঁৱৰসকলৰ ফৈদ — ১) হিলৈদাৰী ২) বাজুৱাল ৩) ভিতৰুৱাল ৪) ঘোঁৰাকোঁৱৰ ৫) নবাকোঁৱৰ ৬) চাংঘৰীয়া ৭) মালপৰীয়া ৮) বোন্দাপৰীয়া ৯) এলেংপৰীয়া ১০) মৌপৰীয়া ইত্যাদি।

### বৰগোহাঁই ফৈদ

১) গুইমেলা ২) পৰ্বতীয়া ৩) পিলিঙা ৪) মেচাগৰীয়া ৫) মাদুৰীয়াল ৬) কালুগঞা ৭) দিহিঙিয়া ৮) চটাইঅলীয়া ৯) লাইথেপেনা ১০) সলাল। এই সকলৰ বাহিৰেও ১১) লাইলাংৰা ১২) চেনমুং ১৩) টনখাম ১৪) নাইহাং ১৫) নাংৰা ১৬) বাৰুকিয়াল ১৭) মিৰিসন্দিকৈ ইত্যাদি।

### বৰপাত্ৰ গোহাঁই ফৈদ

১) নগাঘৰীয়া কনচেং বৰপাত্ৰ গোহাঁই এই ফৈদ ৰাজবংশৰ। স্বৰ্গদেও চুহুংমুং বা স্বৰ্গনাৰায়ণৰ দিনত কনছেং বৰপাত্ৰ নাম দি আহোম ৰাজসভাত তিনিজনীয়া মন্ত্ৰীসভা গঠন কৰা হয়। ২। মৰাণ ঘৰীয়া ৩) কেন্দুগুৰিয়া ৪) কালুগঞা।

### সন্দিকৈ ফৈদ

১) আদাৰৰীয়া ২) চৈয়নীয়া ৩) টাঙোনধৰা ৪) কপচ্চৰা (কপলিয়াল) ৫) লাইসন্দিকৈ ৬) চলিহা ৭) দেবেৰাপৰীয়া ৮) বেটিয়নী ৯) গড়গঞা।

## দুৱৰা ফৈদ

১) বাঁহগৰীয়া ২) লফাবৰীয়া ৩) হাঁহপনীয়া ৪) বাঁহজেঙনীয়া ৫) লিংকাই ৬) বাকচু ৭) বকল ৮) জকাইঅলিয়া।

## চেতিয়া ফৈদ

১) জপৰজল ২) লানমাখ ৩) হালধিবৰীয়া ৪) ন-হতীয়া ৫) পিক-চাই ৬) বাঁহগৰীয়া ৭) দৰিকীয়াল ৯) গোহাঁই চেতিয়া ১০) ডেকা চেতিয়া ১১) লেকাই চেতিয়া ১২) লুথুৰি চেতিয়া ১৩) চাংবুং চেতিয়া ১৪) ভাৰধৰা চেতিয়া ১৫) খাতোৱাল চেতিয়া ১৬) তামুলী চেতিয়া ১৭) ভৰালী চেতিয়া ১৮) মেকুৰী চেতিয়া ১৯) কোৰেকটা চেতিয়া।

আহোম স্বৰ্গদেউসকলে কিছুমান বিষয় সৃষ্টি কৰিছিল। যেনে - ১) চাও ফা - ৰজা ২) চাও ফঙ ম্যুঙ - বুঢ়াগোহাঁই ৩) চাও থাও লুং - বৰ গোহাঁই ৪) চাও ছেং লুং - বৰপাত্ৰগোহাঁই।

৫) চাও ম ঙেন - শদিয়াখোৱা গোহাঁই। ৬) চাও মা ৰাঙ কি ৭) চাও ম্যুঙ চাওলা - সলাল গোহাঁই। ৮) ফু কিন ম্যুঙ - ৰাজখোৱা ৯) ফু কে বৰুৱা ১০) ফু কে লুং বৰবৰুৱা ১১) ফু কে কান ৰাম - দোলাকাষৰীয়া বৰুৱা ১২) ফু কে চাং ছা বী - বেজবৰুৱা ১৩) ফু কন - ফুকন ১৪) ফু কান খা ৰী - খাৰঘৰীয়া ফুকন ১৫) ফ কন খু বাং - খোৱাং খোৱাং ফুকন। ১৬) ফু কন খে - জালভাৰী ফুকন ১৭) ফু কন ফা কুট - ঢেকীয়াল ফুকন ১৮) ফু কন বাও - ডেকা ফুকন ১৯) ফু কন ফু ছন ঙিন - ন্যায়সোধা ফুকন ২০) ফু কন বাই লুং -বাইলুং ফুকন ২১) ফু কম মা মু - তামুলী ফুকন ২২) ফু কন ম ছাই - দেওধাই ফুকন ২৩) ফু কন মৌ - ন ফুকন। ২৪) ফু কন জাম ছু - চোলাধৰা ফুকন ২৫) ফু কন ৰু - নাওশলীয়া ফুকন ২৬) ফু কন টুন ৰঙ দাম - কলীয়া ৱৰীয়া ফুকন। ২৭) ফু কন বাই তাং - ৰাইডঙীয়া ফুকন। ২৮)ফু কন লু - বৰ ফুকন ২৯)ফু কন ছি ৰি - ছিৰিং ফুকন। ৩০) ফু কন ডয় পৰ্বতীয়া ফুকন ৩১) লান তাই ম্যুং - সন্দিকৈ ৩২) লা-চং ক্ৰং -দিহিঙিয়া হিলৈদাৰী

৩৩ )চাও চিং লুং - বৰ চেতিয়া ৩৪) ৰু চাও - বৰা ৩৫) ৰু পাক - শইকীয়া ৩৬) ৰু বিঙ - হাজৰিকা।

## পণ্ডিতৰ জীৱনী

বৃটিছ শাসন কালত চাকৰিৰ দায়িত্বত থাকি পি,আৰ, গৰ্ডন, চাৰ এডৱাৰ্ড গেইট, ডেল্‌টন, মেকেন্‌জি আদি চাহাবে শিৱসাগৰৰ আহোম পণ্ডিত অধ্যুষিত অঞ্চললৈ মানুহ পঠিয়াই আহোমভাষাৰ বুৰঞ্জী পুথিসমূহ সংগ্ৰহ কৰাৰ প্ৰচেষ্টা চলাইছিল। পাটসাঁকোৰ মৰাণজান, জজলী আদি অঞ্চলৰ ৫ জন আহোম ভাষাৰ পণ্ডিতৰ সহায়লৈ এই আহোমভাষাৰ পুথিবোৰ সংগ্ৰহ কৰাই আহোম বুৰঞ্জীখনি ইংৰাজী ভাষালৈ অনুবাদ কৰিছিল। এই অনুবাদ কাৰ্য্যত এই ৫ জন পণ্ডিতৰ সহায়-সহযোগ লোৱা হৈছিল। এই অনুবাদ কাৰ্য্যত সহায় কৰা পণ্ডিতসকল হ'ল - যজ্ঞৰাম বৰুৱা (আখৈয়া গাঁও), পঞ্চৰাম দেওধাই ফুকন (আখৈয়া দেওধাই গাঁও), লোপেশ্বৰ বৰুৱা হাতীবৰুৱা (হাতী বৰুৱা গাঁও) বঙালী মহৰী দেওধাই ফুকন (জজলী গাঁও), গদাই বাণ্টহীয়া বৰুৱা (মৰাণজান)। পণ্ডিত বাণী দেওধাই বৰুৱাই আহোম জাতিৰ সৃষ্টি তত্ত্ব আৰু ধৰ্মীয় পৰম্পৰা সন্নিবিষ্ট ধৰ্মপুথি 'লিটলাই পেঁঞ কা কা' খনি ভাঙনি কৰি ছপা কৰি উলিয়ায়।

পঞ্চৰাম আখৈয়া দেওধাই ফুকন দগা ফুকনৰ পুত্ৰ। দগা ফুকন হ'ল চাওফা ছু-পাত ফা (গদাধৰ সিংহ) স্বৰ্গদেউৰ দিনত (১৬৮১-৯৬) ৰাজপণ্ডিত খাও-তেক-ফুকন (বা আখৈয়া ফুকন) ৰ পুত্ৰ। আহোম পৰম্পৰামতে ৰাজপণ্ডিতৰ ঘৰে তাই ভাষাত পুথি লিপিবদ্ধ কৰাৰ উপৰিও পুৰণি পুথি-পাঁজিবোৰৰ চৰ্চা কৰাৰ উপৰিও পুনৰ লিখনৰ ব্যৱস্থা কৰিছিল। এই পঞ্চৰাম ফুকনে এডৱাৰ্ড গেইটৰ তত্বাৱধানত তাই পুথি অনুবাদ কৰিছিল। এই পঞ্চৰাম ফুকনৰ পুত্ৰ নন্দৰাম দেওধাই ফুকনো এজন পণ্ডিত আছিল। পণ্ডিত প্ৰৱৰ ড° সূৰ্য্যকুমাৰ ভূঞাক তেখেতেই তাই ভাষাৰ শিক্ষা প্ৰদান কৰিছিল। ড° ভূঞাদেৱে দেওধাই ফুকনক বন্ধু জ্ঞান কৰিছিল।

গধাই বাণ্টুঙীয়া বৰুৱাৰ ঘৰ মাহমৰা মৌজাৰ জজলী মানিকী গাঁৱত আছিল। তেওঁ মহন বংশৰ তাই পণ্ডিত আছিল। তেখেতৰ তাই ভাষাত বিস্তৰ

জ্ঞান আছিল আৰু বুৰঞ্জীৰ জ্ঞানৰ উপৰিও তাই সংস্কৃতিৰ জ্ঞান আছিল অসীম।

বঙালী মহৰী দেওধাই ফুকন আছিল দেওধাই বংশৰ 'পেত-তাই' ফৈদৰ লোক। ঘৰ মাহমৰা মৌজাৰ জজলী অঞ্চলৰ। তেওঁৰ তাই-ভাষাৰ উপযুক্ত জ্ঞান আছিল। তাই ভাষাৰ মণ্ডল চোৱা, পূজা সেৱা পৰিচালনাৰ জ্ঞান পণ্ডিতৰ পৰিয়ালৰ পৰা উত্তৰাধিকাৰী হিচাপে পাইছিল। কোনো বেতন ভোগী মহৰী নাছিল যদিও বৃটিছ আমোলে সৃষ্টি কৰা কেৰাণী-মহৰীৰ পদবীৰ দৰেই মহৰী নাম অতিৰিক্তভাৱে সংযোগ কৰি দিয়া হয়। এডৱাৰ্ড গেইট চাহাবৰ আমন্ত্ৰণ মতে তেওঁ পাঁচজন তাই পণ্ডিতৰ সৈতে আহোম ভাষাৰ পুথি পাঁজি সংৰক্ষণৰ ক্ষেত্ৰত আৰু আহোম বুৰঞ্জীৰ অনুবাদৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল।

পণ্ডিত নন্দনাথ দেওধাই ফুকনক ১৯৩২ চনত ৰায় চাহাব উপাধি ব্ৰিটিছ চৰকাৰে দিছিল। তদুপৰি প্ৰফেচাৰ সূৰ্য্যকুমাৰ ভূঞা তেখেতৰ ঘনিষ্ঠ বন্ধু আছিল আৰু তেখেতৰ ঘৰলৈ গৈ পুথি পাণ্ডুলিপিবোৰ চাইছিল। প্ৰফেচাৰ ভূঞাদেৱৰ পৃষ্ঠপোষকতাত পণ্ডিত নন্দনাথক ন্যস্ত কৰা দায়িত্ব অনুসৰি আহোম পুথি 'দিন চোৱা' 'লাটি অম্ৰ' 'বৰ অম্ৰ' অভিধান, নেমি মাং ফুৰা-লুং অসমীয়ালৈ' অনুবাদ কৰিছিল।

তদুপৰি ড° ভূঞা আৰু পণ্ডিত ফুকনৰ বন্ধুত্ব অতি প্ৰগাঢ় আছিল আৰু গুৱাহাটীৰ পৰা ৰেলেৰে দুয়ো আহি লাকুৱা ষ্টেচনত নামি আখৈয়া দেওধাই গাঁৱলৈ পদব্ৰজে আহি পণ্ডিতসকলৰ লগত আলোচনা কৰিছিল। ১৯৩২ চনৰ মে-মাহ ৰাতি পণ্ডিত ফুকনৰ ঘৰত আছিল। অসম পুৰাতত্ব আৰু বুৰঞ্জী অধ্যয়ন বিভাগৰ (Department of Historical and Antiquirian Studies, Assam) ৰ নথিৰ পৰা প্ৰফেচাৰ সূৰ্য্যকুমাৰ ভূঞা আৰু আহোম পণ্ডিত নন্দনাথ দেওধাই ফুকনৰ সান্নিধ্য আৰু বন্ধুত্বৰ কথা জানিব পৰা যায়। ১৯৩১ চনৰ ১ এপ্ৰিল তাৰিখৰ পৰা আহোম ভাষা পঢ়ুৱাবৰ বাবে দেওধাই পণ্ডিত নন্দনাথ দেওধাই ফুকনক ৬ মাহৰ বাবে নিয়োগ কৰে। মাহে ৪০ টকা পাৰিতোষিক দিয়ে। পুনৰ তিনিমাহৰ বাবে নিযুক্তিৰ সময় পৰিবৰ্দ্ধিত কৰা হয়। তেখেতে প্ৰফেচাৰ ভূঞাদেৱৰ ঘৰতে

থাকে। আহোম ভাষা শিক্ষা দান আৰু অনুবাদ কৰিছিল। প্ৰফেচাৰ ভূঞাৰ উপৰিও আনন্দৰাম গোহাঁই বি,এ, উমানন্দ গোহাঁই, বি.এ. অধ্যক্ষ জালুকবাৰী চাৰ্ভে স্কুল, বাসুদেৱ মিশ্ৰ, বি.এ., মাধৱচন্দ্ৰ বৰুৱা, মাধৱদেৱ বেজবৰুৱা, ৰামেশ্বৰ বৰুৱা, বি.এ., পূৰ্ণানন্দ চেতিয়া, বি.এ., কুসুম কুমাৰ ফুকন, বি.এ., গংগাৰাম ফুকন , শশীকান্ত শৰ্মা, বি.এ.বি.টি আৰু কৃষ্ণনাথ বৰুৱাই আহোম ভাষা শিকিছিল। তদুপৰি পুৰাতত্ব বিভাগে আহোম ভাষা শিক্ষাৰ উচ্চাৰণ তথা সুৰ ধৰি ৰাখিবৰ কাৰণে গ্ৰামোফোন ৰেকৰ্ড কৰাৰ ব্যৱস্থা কৰিছিল। ১৯৩২ চনত চৰকাৰে নন্দনাথ ফুকনক ৰায়চাহাব উপাধি প্ৰদান কৰে । মুখ্য সচিবৰ চিঠি আছিল এনেধৰণৰ —

Govt. of Assam
Shillong : 29.06.32
Shrijut Rai Saheb Nandanath Phukan
Gauhati, Assam

Sir,

You are entitled to Rai Saheb from the 1st July, 1932. You are authorised to write the title from the date mentioned and for which you should not come to Shillong.

Yours faithfully
Chief Secretary, Assam

এইজনা পণ্ডিতৰ বিষয়ে ড° সূৰ্যকুমাৰ ভূঞাই তেওঁৰ গ্ৰন্থ *"Men I have met"* ত এনেদৰে লিখি থৈ গৈছেঃ

"নন্দনাথ দেওধাই ফুকন আহোম পুৰোহিত দেওধাই ফৈদৰ লোক। দেওধাই সকলক স্বৰ্গদেউসকলৰ ৰাজত্বকালত ৰাজসভাত অতি সন্মান কৰিছিল। নন্দনাথে আহোমৰ বিষয়ে বিশেষকৈ জানিছিল; আহোম ভাষাৰ পুৰণি পুথি-পাঁজি, পাণ্ডুলিপিবোৰ ভালদৰে অৰ্থ বুজাই পঢ়িব জানিছিল; আৰু আহোম মন্ত্ৰবোৰ শুৱলাকৈ আবৃত্তি কৰিব পাৰিছিল আৰু অৰ্থও বুজাব পাৰিছিল। পুৰণি দিনৰ ভদ্ৰলোক ফুকনদেৱে মুগাৰ ধুতি আৰু চাপকন পিন্ধিহে ঘূৰিছিল। গুৱাহাটীত থাকোতে মোৰ লগতেই আছিল আৰু বুৰঞ্জী আৰু পুৰাতত্ব

বিভাগত আহোম পণ্ডিত হিচাপে নিয়োজিত হৈ তাত কাম কৰিছিল। বিভাগে বিভিন্ন স্থানৰ পৰা সংগ্ৰহ কৰি ৰখা আহোম পুথি কেইবাখনো অসমীয়ালৈ তেওঁ অনুবাদ কৰি দিছিল। মিন্‌মাং ফুৰালুং আৰু বৰ-অম্ৰ আৰু লতি-অম্ৰ — এই কেইখন গুৰুত্বপূৰ্ণ পুথি তেওঁ অনুবাদ কৰি দিছিল। বৰ-অম্ৰ আৰু লতি-অম্ৰ আহোম-অসমীয়া অভিধান। মই তেওঁৰ সংস্পৰ্শলৈ আহি আহোম বুৰঞ্জী আৰু ৰীতি-নীতি বহুতো শিকিছিলো আৰু উপকৃত হৈছিলো। মই শিৱসাগৰৰ ওচৰৰ চেপনত ১৯৪৩ চনত শেষবাৰৰ বাবে লগ পাইছিলো।"

স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ দিনত যজ্ঞোৰাম বৰুৱাৰ পূৰ্বজ পণ্ডিত লংকজে মলাই ঘৰীয়া বৰুৱা উপাধি লয়। বুৰঞ্জী আমোলত তাই ভাষাত থকা বুৰঞ্জীৰ সংস্কৃতি অসমীয়া ভাষালৈ ভাঙনি কৰিবলৈ দায়িত্ব দিয়া দেওধাই মহন বাইলুঙ পণ্ডিতৰ মাজত যজ্ঞোৰাম দেওধাই বৰুৱাও এজন। তেখেত প্ৰখ্যাত মলাই ঘৰীয়া বৰুৱাৰ ঘৰৰ। বংশাৱলীমতে, খাওতেক 'ম' ফুকনৰ পুত্ৰ হ'ল ৰবজ, ধ্বজ আৰু লংকজ। লংকজ হ'ল পৰিয়ালৰ মলাই ঘৰীয়া। মলাইৰ পুত্ৰ হ'ল যজ্ঞোৰাম আৰু জয়ভৰ।

লোপেশ্বৰ হাতীবৰুৱাই শিৱসাগৰ নগৰলৈ গৈ গৰ্ডন চাহাবক তাই আহোম ভাষা শিকাইছিল। তেতিয়া গাড়ী-মটৰ নাছিল। খোজকাঢ়ি যাব লগা হৈছিল। সেয়েহে গৰ্ডন চাহাবে দুখ বুজি এটা বিলাতী ঘোঁৰা তেখেতক দিছিল। দুদিনমান যোৱাৰ পিছত তেখেতে চাহাবক ঘোঁৰাটো ওভোটাই দি ক'লে, "হুজুৰ। এই ঘোঁৰাই মোক পেলাই মাৰিব। ইমান ওখ, মই উঠিব নোৱাৰো।" সেয়েহে তেখেতে ঘোঁৰাটো ঘূৰাই দিছিল। চাহাবে তেখেতক এটা ৰং বিৰঙৰ ধুনীয়া ছাতি দিছিল। কিন্তু তেখেতৰ পৰিবাৰে ছাতিটো থবলৈ দিয়াত জপাব নোৱাৰি জোৰ কৈ হাতুৰি লৈ টঙনিয়াই দিয়াত ছাতিটো ভঙাত হাতীবৰুৱাই মনত বৰ দুখ পালে। অহা যোৱাৰ কষ্ট দেখি চাহাবে তেখেতক নিগাজিকৈ থাকি তাই ভাষা শিক্ষা দিবলৈ গুৱাহাটীলৈ লৈ গৈছিল। তেখেতে গুৱাহাটীত থাকি চাহাবক শিক্ষা প্ৰদান কৰিছিল। গুৱাহাটীত থকা কালত নিজেই ৰান্ধি বাঢ়ি খাইছিল। পুৰৰ মতে, লোপেশ্বৰ

হাতীবৰুৱা হ'ল ভবক হাতীবৰুৱাৰ পুত্ৰ। ভবক হ'ল চেৰেলা হাতীবৰুৱাৰ পুত্ৰ। তেওঁলোক দেওধাই ফৈদৰ লোক।

গৰ্ডন চাহাবে হাতীবৰুৱা ডাঙৰীয়াক পৰীক্ষা কৰিছিল। হাতত সোণৰ আঙঠি এটা মুঠি মাৰি ৰাখি গৰ্ডন চাহাবে মণ্ডল চাই (বান ছেং) হাতত কি আছে কবলৈ ক'লে। আই ছাং ছিঙক আৰাধনা কৰি বান-ছেং খুচি মণ্ডল চালে। বানছেং চাই চাহাবক ক'লে, "আপোনাৰ সোঁহাতৰ মুঠিত 'ৰূপচপ' মানে এটা সোণৰ আঙঠি আছে।" কথাটো শুনি চাহাব জপিয়াই উঠি দুয়োখন হাত খুলি দেখুৱালে আৰু সোণৰ আঙঠিটো দি পণ্ডিত হাতীবৰুৱা ডাঙৰীয়াক আহোম ভাষা শিকাবলৈ অনুৰোধ জনালে। পৰিয়ালৰ মানুহে কয় যে গৰ্ডন চাহাব বহুবাৰ আহিছিল। বহু সাঁচিপতীয়া পুথি এই অঞ্চলৰ পৰা চাহাবে লৈ গৈছিল।

গৰ্ডন চাহাবে ছুকাফা স্বৰ্গদেউৰ দিনৰ এটা সোণৰ মুদ্ৰা সেই অঞ্চলৰ আহোম পণ্ডিতসকলক পঢ়িবলৈ দিয়ে। লোপেশ্বৰ হাতীবৰুৱাই মোহৰৰ আচল অৰ্থ ব্যাখ্যা কৰি গৰ্ডন চাহাবক সন্তুষ্ট কৰিলে। চাহাবে তেখেতক ৩০ টকাৰ মাননি দিয়ে। কিছুদিনৰ পিছত আখৈয়া গাঁৱৰ নামঘৰত চাহাবে মণ্ডল চাবলৈ কোৱাত বৰবৰুৱাই তিনিমাহৰ মূৰত উচ্চ পদবীলৈ যাব বুলি ক'লে। সঁচাসচিকৈ তিনিমাহৰ মূৰত গৰ্ডন চাহাব কমিশ্যনাৰ হ'ল। চাহাবে হাতীবৰুৱাক আশী টকাৰ এটি মাননি আগবঢ়ালে। তেখেতক গুৱাহাটীলৈও লৈ যায়। আহোম ভাষা শিক্ষা আৰু ভাষা উদ্ধাৰ কৰিবলৈ তেখেতক নিয়োগ কৰে।

## ডম্বৰু দেওধাই ফুকন

তাই আহোমৰ মুখ্য ম'লুঙৰ সন্মান লাভ কৰা ম'লুঙ দামচাও ডম্বৰুধৰ দেওধাই ফুকনৰ জন্ম হয় শিৱসাগৰ জিলাৰ চৰাইদেউ মহকুমাৰ অন্তৰ্গত খালৈঘোগুৰা মৌজাৰ আখৈয়া দেওধাই গাঁৱত। ম'লুঙ দামচাও দেওধাই ফুকনে জন্মলাভ কৰে ১৯১২ চনত।

এক চহকী পৰম্পৰাৰ উত্তৰাধিকাৰী হিচাপে ম'লুঙ দামচাও ডম্বৰু দেওধাই ফুকনে সৰুৰে পৰা নিজৰ ঘৰতে তাই-ভাষাৰ প্ৰথম পাঠ গ্ৰহণ কৰে।

নিজ পিতৃ দামচাও গংগাৰাম ফুকনে আৰু মাতৃ দাম-লাঙ ছাদৈ ৰাজকুমাৰী ফুকনে বিশেষ উদ্‌গনি দিয়াৰ লগতে দদায়েক তাই-ভাষাৰ চৰ্চা কেন্দ্ৰতে আশা সুধীয়াকৈ তাই-ভাষা চৰ্চা কৰে। ইয়াৰ উপৰিও একে বংশৰে খাওতেক ম-ফুকনৰ পৰিণাতি বিখ্যাত তাই-পণ্ডিত খাও-তেক্ ম' ফুকনৰ বংশৰ এই গৰাকী এজন মহান পণ্ডিত।

চাও-ফা- চুপাৎফাৰ (গদাধৰ সিংহ) দিনত খাও-তেক ম'-ফুকন আছিল দেওধাই বংশৰ ৰাজকীয় পণ্ডিত। মহন, দেওধাই বাইলুং এই তিনি পুৰোহিত পণ্ডিত বংশক তাই ভাষাত চাম-ম-ম্যুং (চাম-তিনি, ম-পণ্ডিত, ম্যুং-দেশ) অৰ্থাৎ দেশৰ তিনি ৰাজপণ্ডিত বুলি পৰিচয় দাঙি ধৰা হৈছিল। তদুপৰি এই তিনি পণ্ডিতক বুজাবৰ বাবে বহু সময়ত 'চাও-ম' (চাও সৰগীয়, ম-পবিত্ৰ), ম'-চাম (ম-পণ্ডিত, চাম-তিনিৰ উপৰিও মহং-চাংবুন-মলং বুলি অভিহিত কৰা হৈছিল।

এই তিনি পণ্ডিত বংশক চাওলুং ছুকাফাই ১২২৮ খৃঃত ম্যুং-দুন চুন-খামলৈ আহোতে লগত লৈ আহিছিল বুলি বুৰঞ্জীয়ে প্ৰমাণ দাঙি ধৰে। চাও-লুং ছুকাফাৰ দিনতে লগত অহা মানুহৰ কিছু হেৰ-ফেৰ ঘটাত চাওফাই তিনি পণ্ডিতক "যি দেখে যি হয়" তাক লিপিবদ্ধ কৰি যাবলৈ নিৰ্দেশনা দিয়ে। তেতিয়াই এই মুলুকত বুৰঞ্জী লিখা প্ৰথা উদ্ভাৱন হ'ল বুলি ক'ব পাৰি আৰু তেতিয়াৰ পৰাই তাইপণ্ডিতসকলে ধাৰাবাহিকভাৱে এই দেশৰ বুৰঞ্জী লিপিবদ্ধ কৰি যায়। এনেকৈয়ে তাই পণ্ডিতসকলে বুৰঞ্জী লিখি যোৱাৰ উপৰিও জ্যোতিষ-চৰ্চা, ধৰ্মীয় কাৰ্য পৰিচালনা কৰা, ৰোগ-ব্যাধিৰ নিদান দিয়া, পুথি-লিখা, পুথি-সংৰক্ষণ কৰা, সাহিত্য-চৰ্চা আদি কাম নিয়াৰিকৈ কৰি যাব লগা হৈছিল। ছশ বছৰীয়া আহোম ৰাজত্বৰ শেষৰফালে আহোম স্বৰ্গদেউসকলে আংশিকভাৱে হিন্দু ধৰ্মৰ সংস্পৰ্শলৈ অহাৰ আগলৈ তাই পণ্ডিতসকলে ৰাজকাৰ্য-সমাজকাৰ্য চলাই যোৱাৰ ক্ষেত্ৰত স্বৰ্গদেউ সকলক অতি নিষ্ঠাৰে সহায়-সহযোগ তথা দিহা পৰামৰ্শ দি সহায় কৰিছিল।

পৰৱৰ্তী পৰ্য্যায়ত কিছু বিচ্যুতি ঘটিলেও স্বৰ্গদেউসকলে তাই পণ্ডিতসকলৰ দিহা পৰামৰ্শ একেবাৰে এৰিব পৰা নাছিল। বৃটিছৰ দিনত

বাকীসকলে হিন্দুধৰ্মীয় প্ৰক্ৰিয়াও সামগ্ৰীকভাৱে সোমাই যোৱা সত্বেও এই তিনি পণ্ডিত শ্ৰেণীয়ে তাই-ভাষা, সংস্কৃতি, পৰম্পৰা নিজাববীয়াকৈ চৰ্চা কৰি তাই ভাষা সংস্কৃতিৰ বোৰ্বতী সুতিক অক্ষুন্ন কৰি ৰাখিলে। তেনেকৈয়ে স্বাধীনোত্তৰ কালতো একে উদ্যমেৰে নিজৰ ভাষা সংস্কৃতি চৰ্চাতি নিৰৱচ্ছিন্নভাৱে লাগি অহাৰ বাবেই তাই ভাষা সংস্কৃতিয়ে অসংমত বৰ্তমান এটা বিকশিত ৰূপ পাবলৈ সক্ষম হ'ল।

এক চহকী পৰম্পৰাৰ উত্তৰাধিকাৰী হিচাপে ম'লুঙ দামচাও ডম্বৰু দেওধাই ফুকনেও সৰুৰে পৰা নিজৰ ঘৰতে তাই ভাষাৰ প্ৰথম পাঠ গ্ৰহণ কৰে। নিজ পিতৃ দামচাও গংগাৰাম ফুকনে আৰু মাতৃ দাম লাঙ ছাদৈ ৰাজকুমাৰী ফুকনে বিশেষ উদ্‌গনি দিয়াৰ লগতে দদায়েক তাই-ভাষাৰ দামচাও সৰু নাথ ফুকনৰ গৃহত চলা 'টোল' সদৃশ তাই ভাষাৰ চৰ্চা-কেন্দ্ৰতে আশা সুকীয়াকৈ তাই ভাষা চৰ্চা কৰে। ইয়াৰ উপৰিও একে বংশৰে থাওতেক ম-ফুকনৰ পৰিনাতি বিখ্যাত তাই-পণ্ডিত তাই ভাষাৰ অভিধান প্ৰণেতা (Ahom Lexicon) দামচাও নন্দনাথ ফুকনৰ ওচৰত তাই ভাষা, তাই-ধৰ্মীয় পৰম্পৰা, তাই গীতমাত, মন্ত্ৰ চৰ্চা আদি সকলো দিশৰ জ্ঞান আহৰণ কৰে। নিয়মীয়া আধুনিক শিক্ষাত হাইস্কুলৰ দেওনা মাত্ৰ গছকা প্ৰয়াত ফুকন ডাঙৰীয়াৰ প্ৰখৰ মেধা শক্তিৰ বাবে অতি কম সময়ৰ ভিতৰত তাই-ভাষাৰ পণ্ডিত হৈ উঠিছিল। পিতৃ গংগাৰাম ফুকনে সেই সময়তে বৃটিছ কোম্পানীৰ লাকুৱা নাহৰহাবি বাগিছাত কেৰেণী চাকৰি কৰিছিল আৰু তেৱোঁ অতি প্ৰখৰ বুদ্ধিৰ লোক আছিল। চামচাও ফুকনৰ ডাঙৰীয়াৰ শ্ৰেষ্ঠ ভ্ৰাতৃ দামচাও কেশৱ ফুকন ডাঙৰীয়াইও উত্তৰাধিকাৰী সূত্ৰে অতি মেধা সম্পন্ন ব্যক্তি আছিল যিগৰাকীলোকে সেইসময়ত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এনট্ৰেন্স পৰীক্ষাত প্ৰথম বিভাগত লেটাৰসহ উত্তীৰ্ণ হৈছিল।

দামচাও ডম্বৰু দেওধাই ফুকনে ককায়েক দামচাও নন্দনাথ ফুকনে অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত কৰিবলৈ বাকী থাকি যোৱা তাই ভাষাৰ পুথি অনুবাদকৰ কাম কৰিবৰ বাবে পুনৰ ১৯৪৫ চনত গুৱাহাটীলৈ যাব

লগা হ'ল। ড° সূৰ্য্যকুমাৰ ভূঞাৰ সঞ্চালক হিচাপে সান্নিধ্য লাভ কৰি তাই ভাষাৰ ভালেমান পুথি নিয়মীয়াকৈ অনুবাদ কৰে। প্ৰায় পাঁচ বছৰ উক্ত বিভাগত কাম কৰি পুনৰ ঘৰলৈ ঘূৰি আহে আৰু পুনৰ ঘৰতে থাকি গাঁও অঞ্চলত তাই ভাষাৰ বিদ্যালয় প্ৰতিষ্ঠা, তাই পৰম্পৰাৰ প্ৰশিক্ষণ দিয়া কাৰ্য চলাই যায়। ১৯৬২ চনত তিনি পণ্ডিত মহন দেওধাই-বাইলুং সকলৰ ঐতিহ্য ৰক্ষাৰ বাবে সদৌ অসম মহন দেওধাই বাইলুং সন্মিলন গঠন কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰে। ইয়াৰ পাছতে ১৯৭৫ চনত তাই আহোমৰ ধৰ্মীয় পৰম্পৰা চৰ্চাৰ ধাৰাবাহিতকা ৰক্ষাৰ্থে সদৌ অসম ফুৰালুং সংঘ প্ৰতিষ্ঠা কৰাত অগ্ৰনী হিচাপে ভূমিকা লয়। ইতিপূৰ্বে নিয়মিতভাৱে তাই ভাষাৰ শিক্ষাৰ্থে দামচাও ফুকনৰ একক প্ৰচেষ্টাতে ১৯৬৪ চনত পাট সাঁকোত কেন্দ্ৰীয় তাই একাডেমী প্ৰতিষ্ঠা হয়। ইয়াৰ পাছত ১৯৮১ চনত নতুন দিল্লীত আন্তঃৰাষ্ট্ৰীয় তাই অধ্যয়ন চক্ৰত অসমৰ ওঠৰজনীয়া প্ৰতিনিধি দলক নেতৃত্ব প্ৰদান কৰে। দিল্লীতে তাই ভাষা চৰ্চাৰ এটা অনুষ্ঠানৰ অভাৱ অনুভৱ কৰি তাক পূৰণৰ অৰ্থে ১৯৮১ চনতে জন্ম দিয়ে পূৰ্বাঞ্চল তাই সাহিত্য সভা।

তাই আহোমৰ সমগ্ৰ ৰাইজে ডামচাও ফুকনকে পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতিৰ দায়িত্ব দিয়ে আৰু সম্পাদকৰ দায়িত্ব দিয়ে ড° পুষ্প গগৈক। ইয়াৰ পাছতে ১৯৮৪ চনত পুনৰ থাইলেণ্ডৰ বেংককত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় তাই অধ্যয়ন চক্ৰৰ আমন্ত্ৰণ পাই বেংককলৈ যায় আৰু তাত তাই ভাষা সংস্কৃতিৰ ওপৰত ডাঙৰীয়াৰ তাই ধৰ্মীয় পৰম্পৰাৰ ক্ষেত্ৰত বৃদ্ধি পোৱা বুৎপত্তিৰ বাবে মুখ্য ম'লুঙৰ সন্মান অৰ্পণ কৰা হয়। তেখেতে জীৱিতকালত তাই ধৰ্মীয় গুৰু হিচাপে ফুৰালুং পন্থাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ দক্ষিণপাৰ উভয়তে হাজাৰ হাজাৰ লোকক দীক্ষা দিলে। আমলখি দেওশাল প্ৰাংগনত অনুষ্ঠিত হোৱা ওম-ফা পূজাত বহুবাৰ মুখ্য ম'লুঙৰ ভূমিকা ল'লে। দিল্লী, বাৰানসীত অনুষ্ঠিত হোৱা বহুকেইখন বৌদ্ধ সন্মিলনত অংশ গ্ৰহণ কৰিলে। পুথি-পাঁজিৰ ক্ষেত্ৰত দাম-পতা, জন্ম জাতকৰ ক্ৰিয়াকৰ্ম, ৰিক-খুন মুংখনৰ, ওম-ফা বিধি আদি অনেক পুথি লিখি থৈ যোৱাৰ লগতে তাই ভাষা

সংস্কৃতিৰ ওপৰত অনেক গৱেষণামূলক প্ৰবন্ধ লিখি থৈ গৈছে। মুঠতে দামচাও ফুকন ডাঙৰীয়া এটা অনুষ্ঠানত পৰিণত হৈছিলগৈ। ১৯৯৩ চনৰ ১৫ ফ্ৰেঃ তাৰিখে পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ লেঙেৰী অধিৱেশনৰ স্থলিতে অতি সক্ৰিয় অৱস্থাতে নিজ কৰ্ম সামৰি ডম্বৰু দেওধাই ফুকনে ইহলীলা সামৰিলে।

## তী-ফী-ছ্যাং

আহোম স্বৰ্গদেউসকলৰ ৰাজত্বকালত ভালে কেইখন দেওশাল (তী-ফী-ছ্যাঙ) প্ৰতিষ্ঠা কৰা হৈছিল। শদিয়া দেওশাল, চৰাইদেও শাল আৰু আমলখি ৰঙাগড়া দেওশাল কেন্দ্ৰীয়ভাৱে প্ৰতিষ্ঠিত হৈছিল। তদুপৰি হাতীবৰুৱা দেওধাই গাঁও আৰু আখৈয়া দেওধাই গাঁৱৰ মধ্যস্থলত হাতীবৰুৱা দেওশাল, বৰচহকী মহন দেওধাই অঞ্চলত বাহগুৰি দেওশাল, আৰু বৰ দেওধাই গাঁও অঞ্চলত বৰদেওধাই বাইলুং গাঁও দেওশাল, বৈৰাগীবৰ দেওশাল, বৰদেওধাই দেওশাল (বকতা মৌজাত) প্ৰতিষ্ঠা কৰা হৈছিল। শিমলুগুৰি ৰামু দেওধাই গাঁও, চাৰিং দেওধাই গাঁৱতো এনে দেওশাল প্ৰতিষ্ঠিত হৈছিল। খালৈ ঘোগুৰা মৌজাৰ হাতীবৰুৱা দেওশাল আজি কেইবাবছৰমান অপ্ৰচলিত হৈ আছে। আনহাতে কেন্দ্ৰীয় আমলখি ৰঙাগড়া শালখনিত বাৰ বছৰৰ অন্তৰত কেন্দ্ৰীয়ভাৱে উমফা পূজা অনুষ্ঠিত কৰা দেখা যায়।

অতীত কালত ৰচিত তাই আহোম গ্ৰন্থৰাজি চিন্তা-চৰ্চা আৰু গৱেষণাৰ জৰিয়তে ইয়াৰ সত্য উদ্ধাৰ আৰু নীতি পৰম্পৰা মানি চলিবৰ বাবে ১৯৬২ চনত পুৰোহিত শ্ৰেণীৰ গোট এটি সৃষ্টি হৈছিল। একে উদ্দেশ্যতে বৰ্তমান কেইবাটিও গোট সৃষ্টি হোৱা দেখা যায়।

আহোমৰ পুৰোহিত শ্ৰেণীটোৱে হিন্দু ধৰ্ম গ্ৰহণ নকৰি পুৰণি আহোমৰ ৰীতি-নীতিকে পালন কৰি থাকিল। পাছলৈ অৱশ্যে এই তিনি পুৰোহিত ফৈদ-মহন, দেওধাই, বাইলুঙ সকলৰ মাজতো লাহে লাহে হিন্দু ধৰ্মৰ কিছু প্ৰভাৱ

পৰা দেখা যায়। এই বিষয়ে ইন্দিৰা বৰুৱাৰ কিতাপত কিছু উল্লেখ আছে। তদুপৰি ব্যক্তিগত অভিজ্ঞতাৰ পৰা আমি দেখা পাইছো যে বিভিন্ন কাৰণত এনে সামাজিক পৰিবৰ্তন তেওঁলোকৰ মাজত ঘটিবলৈ ধৰিলে। কিন্তু এটা কথা উল্লেখনীয় যে আজি কেৱল মহন দেওধাই, বাইলুঙ সকলেহে আহোমৰ আদি ধৰ্ম ধৰি আছে। ১৯৬২চনত গঠিত মহন-দেওধাই-বাইলুঙ সম্মিলনে প্ৰকৃত আহোম-ধৰ্ম সকলোতে প্ৰচাৰ আৰু প্ৰসাৰ কৰিবলৈ আৰু পুৰণি আহোম ধৰ্মৰ ৰীতি-নীতি মানি চলিবলৈ প্ৰয়োজনীয় বিধি-পুথিবোৰ ৰচনা কৰি সমগ্ৰ আহোম জাতিকে প্ৰকৃত ধৰ্মমত মতে চলিবলৈ অনুপ্ৰাণিত কৰি আহিছে। ব্যক্তিগত অভিজ্ঞতাৰ পৰা ক'ব পাৰি যে স্বাভাৱিক পৰিবৰ্তন সত্বেও মহন, দেওধাই, বাইলুঙ সকলে নিজকে হিন্দু বুলি মানি ল'ব নিবিচাৰে।

বৰ্তমান আহোম সকলে আদি আহোম ধৰ্মৰ তাৎপৰ্য্য আৰু নিজ ধৰ্ম মানি চলাৰ গুৰুত্ব বুজি উঠিছে। হিন্দু ধৰ্মৰ মাজত থাকিও সাধাৰণ আহোম সমাজে নিজৰ পৰম্পৰাগত ধৰ্ম মানি চলাৰ প্ৰৱণতা বাঢ়িছে। গতিকে মহন-দেওধাই-বাইলুং সম্মিলনে নিৰ্দিষ্ট কৰি দিয়া ৰীতি-নীতি আৰু বিধিমতে ঘৰতো আহোম ধৰ্মমতে বিভিন্ন পূজা সম্পন্ন কৰি আহিছে।

পূৰ্বতে আহোম স্বৰ্গদেউসকলৰ ৰাজত্বকালত মহন, দেওধাই আৰু বাইলুঙ সকলৰ বিশেষ ভূমিকা আছিল। মহন, দেওধাই আৰু বাইলুঙৰ মাজৰ পৰা জ্ঞানী-গুণী পণ্ডিতক স্বৰ্গদেৱে ফুকনৰ মৰ্য্যদা প্ৰদান কৰি স্বৰ্গদেউৰ পৰামৰ্শদাতা হিচাপে নিযুক্ত কৰিছিল। ৰাজসভাত উপস্থিত থাকি তেওঁলোকে মতামত দিব লাগিছিল আৰু গুৰুত্বপূৰ্ণ বিষয়ত ডা-ডাঙৰীয়াৰ লগতে স্বৰ্গদেউকো পৰামৰ্শ দিব লগা হৈছিল। ৰাজসভাত তেওঁলোকৰ মতামত সদায়ে গুৰুত্ব সহকাৰে বিবেচনা কৰা হৈছিল। ৰজাৰ উপৰিও বুঢ়াগোহাঁই, বৰগোহাঁই সকলৰ বুৰঞ্জী তথা পুৰুষনামা লিখিবলৈ আহোম-পণ্ডিত নিয়োজিত হৈছিল। এই তিনি বংশৰ পণ্ডিত সকলৰ মাজত বুৰঞ্জী, জ্যোতিষ আৰু সাহিত্য চৰ্চ্চা পুৰুষানুক্ৰমে চলি আহিছিল। ৰাজসভাত মণ্ডল চাই

দিয়া পৰামৰ্শ তথা শুভ মূহুৰ্ত নিৰ্ণয়ত আহোম পণ্ডিতৰ অৱস্থিতি গুৰুত্বপূৰ্ণ আছিল। শুদ্ধ, নিৰপেক্ষ আৰু সৎ পৰামৰ্শ দিয়াৰ ক্ষেত্ৰত তেওঁলোকৰ নাম আছিল।

চিৰিং ফুকনৰ তত্বাৱধানত তিনি বংশীয় পণ্ডিত সকলৰ ওপৰতেই ৰাজঘৰীয়া বুৰঞ্জী লিখাৰ দায়িত্ব ন্যস্ত আছিল। তদুপৰি ৰাজকোঁৱৰ, ডা-ডাঙৰীয়া সকলৰ সন্তানক বুৰঞ্জী আৰু ৰাজনীতিৰ শিক্ষা দিয়াৰ দায়িত্বও তেওঁলোকৰ ওপৰত ন্যস্ত আছিল।

কোনো এজন স্বৰ্গদেউ স্বৰ্গী হলে নতুন এজনক ৰাজপাটত বহুৱাবলৈ দেওধাই পণ্ডিতসকলৰ বিশেষ ভূমিকা আছিল। নতুন স্বৰ্গদেউক ৰাজপাটত বহুৱাৰ আগতে আগৰ জনাৰ ডাম সিংহাসনৰ পৰা আঁতৰাবলৈ দেওধাই পণ্ডিতক দায়িত্ব দিয়া হৈছিল। দেওধাই পণ্ডিতে বনধাই বৰুৱাক সিংহাসনত বহুৱাই দেও তোলে। দেও উঠা বনধাই বৰুৱাই তেতিয়া নতুন ৰজাৰ ৰাজভোগ, দেশৰ মাৰি-মৰক, যুদ্ধ-বিগ্ৰহৰ বিষয়ে ভৱিষ্যতবাণী কৰে। নতুন স্বৰ্গদেৱে (ৰাণীৰ সৈতে) দেও উঠা লোকজনৰ পৰা ৰাজভোগ কামনা কৰে আৰু পিচত সেইজন লোকৰ গাত লম্ভা দেওক বিদায় দিয়াৰ আৰু দেওধাই পণ্ডিতক সোণৰূপ দুচৰু দি আৰ্শীবাদ লৈ বিদায় লয়। তাৰ পিচতহে নতুন স্বৰ্গদেৱে পাটৰাণীৰ সৈতে হোলোঙৰ পাটত বহে। বনধাই বৰুৱাৰ ঘৰো এই তিনি পণ্ডিত ফৈদৰে। নতুন স্বৰ্গদেউক ৰাজপাটত বহুৱাই স্বৰ্গী হোৱা আগৰজনাৰ শ বাজলৈ উলিয়াই চৰাইদেউত মৈদাম দিয়ালৈকে সকলো ধৰ্মীয় কৰ্ম বিধিমতে পণ্ডিতে সমাপন কৰে। মৃতকৰ কাজ-সকামো তেওঁলোকৰ তত্বাৱধানতে হয়।

ৰাজ অভিষেক অনুষ্ঠানত এই পণ্ডিতসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। এই বিষয়ে অন্য এটা অধ্যায়ত বিস্তৰকৈ লিখা হৈছে। চিৰিং ফুকনৰ নেতৃত্বত পণ্ডিত সকলৰ ওপৰতেই উপৰিপুৰুষৰ পূজা-পাতলকে ধৰি ৰাজকীয় সকলো মাংগলিক ধৰ্মীয় অনুষ্ঠান সম্পাদিত হৈছিল। যুদ্ধৰ সময়তো তেওঁলোক ৰণলৈ যাব লগা হৈছিল।

পিচে দেওশাল আহোম শব্দ নহয়। ই জনজাতীয় ৰাইজৰ মূল দেৱ-দেৱী স্থাপিত কৰা আৰু পূজা আগবঢ়াবলৈ নিৰ্মাণ কৰা সাৰ্বজনীন পূজা-থলী।

আহোম স্বৰ্গদেউ ছুকাফাই মৰাণ ৰজা বডৌচা আৰু বৰাহী ৰজা থাকুমথাৰ লগত বিবাহৰ দোলেৰে বান্ধ খাই তেওঁলোকক সুধিছিল ঃ "পাচে ৰাজা বোলে, আমি থাকিবলৈ ক'ত ভাল? থাকুমথাই বোলে আমাৰ দেওঘৰ আছে তাতে থাকিবলৈ চল। আত পাছে আমাৰ মানুহে ভাল ঠাই বুলি ক'লেহি ৰজাত। পাছে ন ভাত খাই লাংকুৰি দেৱৰ ওচৰত উজনিত সৰু পৰ্বতখনিত পাটকৈ থাকিল।"

এই সৰু পৰ্বতখিনি হ'ল চৰাইদেউ আৰু তাতেই বৰাহীসকলৰ দেওঘৰ দেওশাল আছিল। এই ঠাইতে ছুকাফাই মাংগলিক অনুষ্ঠান পাতি ৰাজপাটত বহিছিল।

'আহোম বুৰঞ্জী'ত লাক্‌নি মুংকেনত ছুকাফাই সৰু পাহাৰ এটিৰ দাঁতিত চৰাইদেউত এখন চহৰ পাতি উত্তৰ দিশত এটা ঘোঁৰা, দক্ষিণ দিশত আন এটা ঘোঁৰা বলি দিলে। ৰূপ ভৰ্ত্তি এটা পাত্ৰ আগবঢ়াই 'কামলে', 'ৰংলে' আৰু 'ৰংমালাও' নামৰ তিনিজন স্থানীয় থল দেৱতাক উপাসনা কৰিলে আৰু ঠাই চাফা কৰি গছৰ গুৰিত পাত্ৰটো থাপিলে। ইয়াতেই আহোমৰ দেৱতাসকলক পূজা দিলে বুলি উল্লেখ আছে। খুউব সম্ভৱ এইয়াই আহোমৰ প্ৰথম দেওশাল স্থাপন উৎসৱ আছিল আৰু চৰাইদেউ দেওশালেই প্ৰথম ৰাজকীয় দেওশাল। তাতেই লাংকুৰি দেৱতাক স্থাপন কৰিলে। ৰাজকীয় তথা ৰজাৰ দায়িত্বত থকা পূজাসেৱা চৰাইদেউৰ দেওশালত ছুকাফা স্বৰ্গদেউৰ দিনৰে পৰা চলি আহিছিল। ডা-ডাঙৰীয়া, বিষয়া তথা প্ৰজাৰ বাবে ৰাজহুৱা দেওশালখনি গড়গাঁৱৰ ওচৰৰ লংকাক নামৰ ঠাইত আছিল। গড়গাঁৱৰ কাষতে উত্তৰ পশ্চিম দিশত উত্তৰে দিচাং আৰু দক্ষিণে দিখৌ নৈৰ মাজৰ অঞ্চলটোতে লংকাক। ইয়াৰ মাজেদি দৰিকা নৈ বৈ গৈছে। ছু পিম্-ফা স্বৰ্গদেউৰ ৰাজত্বৰ কালৰ পৰা (১৪৯৩-১৪৯৭ চন) লংকাকত বুঢ়াগোহাঞি পৰীয়া লোকৰ স্থায়ী বাসস্থান হয়। ছু-পিম্-ফা স্বৰ্গদেউৰ প্ৰধানমন্ত্ৰী আছিল খুং-লুং-খাম বুঢ়াগোহাঁই ডাঙৰীয়া।

তেখেতৰ বাসস্থান আছিল লংকাকত। এজনা বুঢ়াগোহাঁইৰ পুত্ৰ চাও চুৰাং কিংলুং আৰু তেওঁৰ চৈধ্যজন পুত্ৰৰ ভিতৰত ষষ্ঠ পুত্ৰ লা-জানৰ পৰা বঢ়া বংশধৰসকল হ'ল লংককীয়া বুঢ়াগোহাঁই ফৈদৰ।

এই লংকাকতে দেওশাল এখন যমুনা মুখত উদ্ধাৰ কৰে আৰু ১৯৯০ চনৰ ৩১ জানুৱাৰী তাৰিখে আঞ্চলিক ভিত্তিত মে-ডাম-মে-ফি অনুষ্ঠান পাতে। যোৰপাতি থকা বৃহৎ আঁহত গছজোপাৰ তলতেই এই দেওশাল প্ৰতিষ্ঠিত। পূৰ্বতে বুঢ়াগোহাঁই আৰু ডা-ডাঙৰীয়াৰ পৃষ্ঠপোষকতাত প্ৰতিষ্ঠিত দেওশালখনি ৰাইজে চলাই আছে। স্থানীয় ৰাইজে এই জাগ্ৰত দেওশালখনি অতি শ্ৰদ্ধাৰ চকুৰে চায় আৰু মানি আহিছে।

আহোম ৰাজত্বৰ শেষ ভাগলৈ চৰাইদেউৰ দেওশালখন লাকুৱাৰ আমলখি ৰঙাগড়ালৈ স্থানান্তৰিত কৰি নিয়া হ'ল। এই দেওশাল চলাইছিল ৰজাৰ গছিকলা খাটৰ উপাৰ্জনৰে।

## বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ কৃতি

বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ স্থাপন হৈছিল মেজৰ জেনেৰেল ফ্ৰান্সিছ জেন্‌কিনছে আৰম্ভ কৰা বুৰুঞ্জী আৰু পুৰাতত্ত্ব সমল আৱিষ্কাৰ আৰু সংৰক্ষণৰ দিনৰে পৰা; বিশেষকৈ অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ ইতিহাস আৰু নৃতাত্ত্বিক জ্ঞানৰ সন্ধানত আৰম্ভ কৰা বৃটিছ চৰকাৰৰ একনিষ্ঠ প্ৰচেষ্টা আৰু গৱেষণা তেতিয়াৰ অসমৰ শিক্ষা সঞ্চালক জে, আৰ, কানিংহামৰ (J. R. Cunningham) আশাসুধীয়া প্ৰচেষ্টাত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিষয়ক গৱেষণা আৰু সংগ্ৰহ আৰম্ভ হৈছিল আৰু অসমত তেতিয়া বিশ্ববিদ্যালয় নথকাৰ অভাব অনুভৱ হৈছিল।

কানিংহাম চাহাবক বহুবাৰ অসমত অন্য প্ৰদেশত থকাৰ বাবে কোনো গৱেষণা কেন্দ্ৰ বা বিশ্ববিদ্যালয় নথকাৰ বাবে পোৱা অসুবিধাৰ বিষয়ে তেখেতে শিক্ষা সঞ্চালক (১৯১২-৩১) থকাৰ কালচোৱাত চৰকাৰী আৰু বেচৰকাৰীভাৱে দিয়া বিভিন্ন দৰ্খাস্ত আৰু যোগাযোগৰ ফলস্বৰূপে তেখেতে

১৯২৮ চনৰ জানুৱাৰী মাহত স্থানীয় চৰকাৰলৈ (Local Government) বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ খোলাৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰিলে। ইয়াৰ ফলস্বৰূপে ১৯২৮ চনৰ জুন মাহত মহামহিম ৰাজ্যপাল চাৰ ল'ৰি লুকাচ্ হেমেনে এই বিভাগ স্থাপন কৰিয়ে ১৯২৮ চনৰ ২৫ জুন তাৰিখে এই বিষয়ে চৰকাৰৰ সকলো বিভাগ, আয়ুক্ত, বিভাগীয় মুৰব্বী বিষয়া, উপায়ুক্ত আৰু মহকুমাধিপতিসকললৈ বুৰঞ্জী আৰু পুৰাতত্ত্ব সম্পৰ্কীয় সমল পালে বিভাগৰ লগত যোগাযোগ কৰিবলৈ আৰু পাৰ্যমানে এই ক্ষেত্ৰত সহায়-সহযোগ আগবঢ়াবলৈ এক নিৰ্দেশনা জাৰি কৰে। এ, এইচ, বেণ্টিক (A.H.W. Bentick) তেতিয়া অসম উপত্যকাৰ আয়ুক্ত আছিল। তেওঁকেই এই বিভাগৰ অবৈতনিক প্ৰাদেশিক সঞ্চালক নিযুক্তি দিয়ে। লগতে চাৰ জে, পি, মিল্চ (Sir, J. P. Mills) (কাছাৰ জিলাৰ উপায়ুক্ত)ক আৰু কটন কলেজৰ অধ্যাপক সূৰ্য কুমাৰ ভূঞাক সুৰমা উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ অবৈতনিক সহকাৰী সঞ্চালক হিচাপে নিযুক্তি দিয়ে।[১]

কেৱল বুৰঞ্জী বিষয়ক গৱেষণা আৰু অধ্যয়নৰ বাবে এই বিভাগ স্থাপনৰ গুৰুত্ব নুই কৰিব নোৱাৰি। চৰকাৰে যথাৰ্থতে দেখিছিল যে এথ্নগ্ৰাফী (Ethongraphy) বিভাগৰ কাম যথেষ্ট বৃদ্ধি পাইছে আৰু বিভিন্ন জনগোষ্ঠীৰ নৃতত্ত্ব গৱেষণা আৰু চৰ্চাতে এই বিভাগ সম্পূৰ্ণৰূপে ব্যস্ত হয় আৰু বুৰঞ্জী-গৱেষণাৰ বাবে সময়েই নাথাকে। এই এক বিশেষ কাৰণতেই চৰকাৰে বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগটো খুলিবলগীয়া হ'ল।

তেতিয়া চীফ কমিশনাৰ (Officiating Chief Commissioner of Assam) ১৮৯৪ চনৰ ১৮ জুলাই তাৰিখে বুৰঞ্জী আৰু পুৰাতত্ত্ব গৱেষণাৰ গুৰুত্ব বুজি চৰকাৰলৈ এনেদৰে টোকা প্ৰেৰণ কৰিছিলঃ

এই প্ৰদেশত এতিয়ালৈকে সংৰক্ষিত হৈ থকা বুৰঞ্জী পুথিসমূহক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰাৰ সময় সমাগত। অসম উপত্যকাৰ জিলাসমূহত সিঁচৰতি হৈ থকা 'বুৰঞ্জী' আৰু তেনে ধৰণৰ সমলসমূহ ভালদৰে সংগ্ৰহ কৰি সংৰক্ষণ

কৰা বা সেইসমূহ পুথিৰ প্ৰতিলিপি প্ৰস্তুত কৰি ৰখাৰ সময় আহিল। বিশেষকৈ আহোম ভাষাত লিখা পুথি আৰু পাণ্ডুলিপিসমূহ ভালদৰে অনুদিত কৰি সংৰক্ষিত কৰাৰ আৱশ্যক হৈছে।"

১৮৯৪ চনৰ ছেপ্টেম্বৰ মাহত এডোৱাৰ্ড গেইট (Edward Gait) চাহাবে কৰণীয় কৰ্মৰাজিৰ বিৱৰণ দি চৰকাৰলৈ এক বিস্তৃত আঁচনি প্ৰেৰণ কৰিলে। তেওঁৰ প্ৰস্তাৱ গ্ৰহণ কৰি চৰকাৰে ১৮৯৪-৯৫ বিত্তীয় বৰ্ষত অনুদান আগবঢ়ালে। গেইট চাহাবৰ উদ্যোগত এই আঁচনিৰ ৰূপায়ন মৰ্মে তলত লিখা সমল সংগ্ৰহ কৰা হয় ঃ

(১) আহোম, কোঁচ, জয়ন্তীয়া, ত্ৰিপুৰা, কাছাৰ আৰু মণিপুৰ ৰজাৰ মুদ্ৰাসমূহ।

(২) প্ৰাক-আহোম আৰু আহোম শিলালিপি আৰু লিপিসমূহ, কোঁচৰ শিলালিপি আৰু মুছলমান লিপিসমূহঃ এইবোৰ শিল, তামৰ ওপৰত লিপিবদ্ধ - শিলালিপি, তাম্ৰলিপি।

(৩) আহোম আৰু অসমীয়া লিপি আৰু ভাষাত লিপি বুৰঞ্জী।

(৪) অৰ্দ্ধ-বুৰঞ্জী মূলক ধৰ্মীয়, অতি-কথা, লোক-সাহিত্য, কিংবদন্তী আদিৰ ওপৰত লিখিত পুথিসমূহ

(৫) পুৰাতত্ব আৰু পুৰণি কীৰ্ত্তিচিহ্ন আৰু সম্বলৰ তালিকা প্ৰস্তুতি।

সেই সময়তে চৰকাৰে এথ্‌নগ্ৰাফী (Ethnography) বিভাগ স্থাপন কৰে আৰু গেইট চাহাবক ইয়াৰ অবৈতনিক সঞ্চালক হিচাপে নিযুক্তি দিয়ে। গেইট চাহাব ১৮৯৭ চনত এই প্ৰদেশ এৰি যায় আৰু ১৯০৫ চনত তেখেতে সংগ্ৰহ কৰা আহোম আৰু অসমীয়া ভাষাত লিখা বুৰঞ্জী পুথিবোৰৰ ওপৰত নিৰ্ভৰ কৰি তেখেতৰ মহৎ কৰ্ম "A History of Assam" লিখি উলিয়ায়। আমাৰ চিন্দেৰেলা সদৃশ সুন্দৰ প্ৰদেশৰ লগত চিনাকী কৰি দিয়া এই মহৎ গ্ৰন্থ সদায়েই অসমীয়া তথা ঐতিহাসিক লেখক আৰু পঢ়ুৱৈসকলৰ বাবে আদৰণীয় হৈ থাকিব।

Sir Charles Lyall আৰু Sir Edward Gait ৰ প্ৰচেষ্টাত এনেদৰে বহু সমল গোট খায়। চাৰ গেইটৰ পিচত অবৈতনিক সঞ্চালক হয় Col. P.R.T. Gurdon চাহাব। 'হেমকোষ' প্ৰকাশ কৰা অসমীয়া ফকৰা যোজনা সংগ্ৰহ আৰু প্ৰকাশ, আহোম ৰাজবংশৰ কুমাৰ চন্দ্ৰনাৰায়ণ সিংহৰ পৰা চীনদেশীয় ধাতুৰে নিৰ্মিত পুৰণি প্লেক্ ( Plaque) এখন উদ্ধাৰ কাৰ্য, অসমীয়া মুদ্ৰাৰ ওপৰত তেওঁৰ ৰচনা, মৰাণ, খামতি আৰু আহোমৰ ওপৰত তেওঁৰ ৰচনা আদি তেওঁৰ কাৰ্যকালৰ কৃতিত্ব। ১৯২০ চনত গৰ্ডন চাহাবে অসম এৰি যায়। তেওঁৰ পিছত Ethnography বিভাগ চলাই Dr. J. H. Hutton চাহাবে। নৃতত্ত্বৰ দিশত দুয়োজনে পাহাৰীয়া জনজাতি যেনে - খাছি, মিকিৰ, কছাৰী, লুচাই-কুকী, মেইতেই (গৰ্ডন চাহাবৰ দিনত) আৰু চেমা, আংগামী, লোথা আৰু আও নগাৰ ওপৰত বহুতো কিতাপ প্ৰকাশ কৰে। নৃতত্ত্বৰ দিশত গুৰুত্বপূৰ্ণ আবিষ্কাৰ আৰু অধ্যয়ন বিভাগটো বুৰঞ্জীমূলক অধ্যয়ন আৰু গৱেষণাৰ বাবে সময় নাইকিয়া হ'ল। গতিকে বুৰঞ্জী আৰু পুৰাতত্ব বিভাগটো পূৰ্বতে উল্লেখ কৰাৰ দৰে চৰকাৰে সৃষ্টি কৰিব লগাত পৰিল। তেতিয়াৰ পৰা এই বিভাগটোৱে বুৰঞ্জী বিষয়ক অধ্যয়ন আৰু গৱেষণাত যথেষ্ট আগভাগ লৈ পুৰণি পুথি উদ্ধাৰ আৰু সংৰক্ষণৰ কাম কৰি আহিছে। আহোম বুৰঞ্জী আৰু আহোমসকলৰ পুৰণি পুথি-পাণ্ডুলিপিৰ সংৰক্ষণৰ বাবে ইয়াত এক আহোম অধ্যয়ন শাখাও আছে।

১৯২৯-৩০ চনৰ প্ৰাদেশিক বাজেটত টকা ধাৰ্য কৰা হৈছিল। ১৯২৯ চনৰ ১৫ জুলাই তাৰিখৰ পৰা প্ৰফেচাৰ সূৰ্যকুমাৰ ভূঞাৰ তত্ত্বাৱধানত গুৱাহাটীত এই বিভাগৰ কাম-কাজ আৰম্ভ হয়। সেই সময়ত তেওঁৰ সহায়ক হিচাপে ৰাধানাথ হাজৰিকা, উপেন্দ্ৰনাথ শৰ্মা, জীব চন্দ্ৰ নাথ, ১৯২৯-৩০ চনত কাম কৰে। ১৯৩১ চনৰ মাৰ্চ মাহৰ পৰা ধৰ্মকান্ত শৰ্মা, ত্ৰৈলোক্য নাথ গোস্বামী, লক্ষ্মীকান্ত শৰ্মা, পুষ্পকান্ত বৰকটকী, গুণাৰাম ডেকাক আৰু মাৰ্চ মাহৰ পৰা জুনলৈকে আনন্দৰাম বুঢ়াগোহাঁই পাণ্ডুলিপিবোৰৰ নকল কৰা কাৰ্যত নিয়োজিত

কৰা হয়। প্ৰফেচাৰ সূৰ্যকুমাৰ ভূঞাৰ ঘৰৰ পৰা কাৰ্যালয় চলোৱা হয়। ১৯৩১ চনৰ আগষ্ট মাহত A.H.W. Bentick চাহাবে আঠমাহৰ ছুটীত যাওঁতে প্ৰাদেশিক সঞ্চালকৰ দায়িত্বত থাকে।

বিভাগৰ দুজন সহকাৰী বাসুদেৱ মিশ্ৰ আৰু মাধৱচন্দ্ৰ বৰুৱাই অস্থায়ীভাৱে বিভাগটোৰ কাম কাজ কৰে। ১৯৩১ চনৰ এপ্ৰিল মাহৰ ১ তাৰিখৰ পৰা নন্দনাথ দেওধাই ফুকনক ৬ মাহৰ বাবে নিযুক্তি দিয়ে।[৫] বেতন হিচাপে মাহিলি ৪০/- টকাকৈ দিয়ে। আহোম ভাষাৰ শিক্ষকতাত দেওঁধাই ফুকনৰ পাৰদৰ্শিতাত সন্তুষ্ট হৈ আৰু ৩ মাহৰ বাবে নিযুক্ত কৰে। বিভাগে প্ৰকাশ কৰা গ্ৰন্থসমূহ হ'ল ঃ

(১) কাম-ৰত্ন-তন্ত্ৰ - পণ্ডিত হেমচন্দ্ৰ গোস্বামী তত্বভূষণৰ দ্বাৰা (সম্পাদিত)।

(২) Descriptive catalogue of Assamese Manuscript (collected by Hemchandra Goswami during his desputation in 1912-13 with preface, introduction and windex by prof. S. K. Bhuyan.

(৩) Ahom Buranji (with original Ahom text accompanied by paralled English translation by Rai Sahib Golap Chandra Barua).

(৪) অসম বুৰঞ্জী (কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জীৰ পৰিবৰ্দ্ধিত ৰূপ - হৰকান্ত শৰ্মা বৰুৱা চৌধুৰী সদৰ-আমীনৰ দ্বাৰা পৰিবৰ্দ্ধিত) সম্পাদনা - প্ৰঃ সূৰ্যকুমাৰ ভূঞা

(৫) কামৰূপৰ বুৰঞ্জী - সম্পাদক প্ৰঃ সূঃ কুঃ ভূঞা

(৬) দেওঁধাই অসম বুৰঞ্জী - সম্পাদক প্ৰঃ সূঃ কুঃ ভূঞা

(৭) অসমৰ পদ্য বুৰঞ্জী - সম্পাদক প্ৰঃ সূঃ কুঃ ভূঞা

(৮) তুংখুঙীয়া বুৰঞ্জী - সম্পাদক প্ৰঃ সূঃ কুঃ ভূঞা

(৯) Tungkhungia Buranji compiled and translated

(into English) edited by Prof. S. K. Bhuyan.

(১০) কছাৰী বুৰঞ্জী সম্পাদক প্ৰঃ সূঃ কুঃ ভূঞা - প্ৰথম প্ৰকাশ ১৯৩৬

এনেদৰে বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে অসমৰ বুৰঞ্জী বিশেষকৈ আহোম বুৰঞ্জী বহুতো সংগ্ৰহ কৰে আৰু প্ৰকাশ কৰে। এই বিভাগৰ পুথিভঁৰাল বৰ চহকী।

আহোম পণ্ডিত নন্দনাথ ফুকনে বহুতো আহোম ভাষাত লিখা সাঁচিপতীয়া বুৰঞ্জী সংগ্ৰহ কৰি থৈ যায়। 'দিন-চোৱা' বুলি কেইবাখনো গণনাৰ পুথি (ভাল দিন চোৱা) আনি বিভাগত জমা দিয়ে। মুগা কাপোৰত লিখা এনে এখন পুথি ৰুদ্ৰ সিংহ স্বৰ্গদেউৰ দিনত তেওঁৰ পূৰ্বজ এজনে লিখা। দুজন গুৰুত্বপূৰ্ণ আহোম-অসমীয়া অভিধান 'বৰ অম্ৰ' আৰু 'লতি-অম্ৰ' তেওঁ সংগ্ৰহ কৰি আনে। 'নেমি মাং ফুৰালুঙ' নামৰ এখন বৌদ্ধ জাতক পুথি অসমীয়ালৈ অনুবাদ কৰে। অন্য এখন আহোম বুৰঞ্জী (মনিৰাম দেৱানৰ ফাঁচী পৰ্যন্ত) অসমীয়ালৈ ভাঙনি কৰে।

চাৰ জৰ্জ গ্ৰীচনে এইবোৰ দেখি শুনি আশ্চৰ্য প্ৰকাশ কৰি লিখি থৈ গৈছে ঃ " The Assamese are justly proud of their national literature. In no department have they been more successful than in a branch of study in which India, as a rule, is curiously deficient. The historical works or 'Buranjis' as they are styled by the Assamese, are numerous and voluminous. According to the custom of the Country, a knowledge of the Buranji was an indispensable qualification to an Assamese gentlmen".

Sir Edward Gait চাহাবে Ethnography বিভাগৰ অবৈতনিক সঞ্চালক হিচাপে কাম কৰি থাকোতে গোলাপ চন্দ্ৰ বৰুৱাক আহোম অনুবাদক হিচাপে নিযুক্তি দিছিল। বৰুৱাদেৱে শিৱসাগৰ জিলাৰ খালৈঘোগ্ৰা মৌজাৰ এজন দেওধাই পণ্ডিতৰ ঘৰত চক্কাৰে পাই সংগ্ৰহ

কৰা .'আহোম বুৰঞ্জী' নামৰ সাঁচিপতীয়া পুথিখন অনুবাদ কৰিবলৈ অসম চৰকাৰে গেইট চাহাবৰ পৰমৰ্শমতে নিযুক্তি দিয়া শিৱসাগৰ জিলাৰ পণ্ডিতৰ সহায়ত পুথিখন অসমীয়ালৈ অনুবাদ কৰাই, নিজে আহোম ভাষা শিকি বুৰঞ্জীখন ইংৰাজীলৈ অনুবাদ কৰে। এই 'আহোম বুৰঞ্জী'ত ৰুদ্ৰসিংহ স্বৰ্গদেউৰ ৰাজত্ব কালৰ অতি সংক্ষিপ্ত বিৱৰণ পোৱা গৈছিল বুলি বৰুৱাদেৱে ১৯৩০ চনতে লিখি গৈছে। অৱশ্যে সেই সময়ত বৰুৱাদেৱে অন্য এখন আহোম বুৰঞ্জীত গদাধৰ সিংহৰ মৃত্যুৰ পিচৰ পৰা লক্ষ্মী সিংহৰ ৰাজত্বকাললৈ থকা তথ্যত ৰুদ্ৰসিংহৰ ৰাজত্ব কালৰ বিষয়েও আছিল বুলি অভিমত প্ৰকাশ কৰিছিল কিন্তু সেই পুথিখনিৰ অনুবাদ কৰা হোৱা নাছিল। গতিকে তেখেতে 'আহোম বুৰঞ্জী'ত সেই অংশ সন্নিৱিষ্ট নোহোৱাৰ বাবে 'আহোম বুৰঞ্জী'খনি সম্পূৰ্ণ নহ'ল বুলি লিখি থৈ গৈছে। (পাঁচজন পণ্ডিতৰ বিষয়ে পিছত লিখা হৈছে।)

যি কি নহওক, গোলাপ চন্দ্ৰ বৰুৱাদেৱে পাঁচজন আহোম পণ্ডিতৰ সহায়ত এই বুৰঞ্জীখনি ইংৰাজী অনুবাদ কৰি তদুপৰি আহোম ভাষাৰ কথাখিনি এফালে দি লগতে ইংৰাজী অনুবাদ দি ১৯৩০ চনত তেতিয়াৰ শিক্ষা সঞ্চালক J. R. Conningham ৰ সহায়-সহযোগ আৰু অনুমোদন আৰু পুঁজি পাই এক অসাধ্য সাধন কৰে।

এই ক্ষেত্ৰত এই লেখকে গৌৰৱেৰে ক'ব পাৰে যে আমি সংগ্ৰহ কৰা 'ৰাজ বুৰঞ্জী'ত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বৰ কথা বিতংভাৱে আছে আৰু এই ৰুদ্ৰসিংহৰ বুৰঞ্জী অংশ প্ৰখ্যাত বুৰঞ্জীবিদ শিক্ষাগুৰু প্ৰফেচাৰ যোগেন্দ্ৰ নাথ ফুকন আৰু প্ৰখ্যাত তাই-আহোম পণ্ডিত য়ে হম বুঢ়াগোহাঁয়ে অনুবাদ কৰি 'আহোম বুৰঞ্জী' সম্পূৰ্ণ কৰিছে। তদুপৰি আমি সংগ্ৰহ কৰা ৰাজ বুৰঞ্জী তথা আহোম বুৰঞ্জীখনি শুদ্ধভাৱে অনুদিত্ব কৰি বিশেষ অনুদান আগবঢ়াইছে।

প্ৰসঙ্গ টোকা ঃ

১) The Assam Gazette No.24, 1928, June 13, 1928. Part 1, P.901

(1) The 7th June, 1928

No. 1569E

The Government of Assam are pleased to appoint Mr. A.H.W. Bentinek, M.A., C.I.E., I.C.S., Commissioner, Assam Valley Division to be Honorary

Provincial Director of Historical and Antiquarian Studies in Assam

২) The 7th June, 1928

No.1572 E

The Government of Assam are pleased to appoint the following to be Honorary Assistant Directors of Historical and Antiquarian Studies for the Valley noted against each

1. Mr. J. P. Mills M.A., I.C S., Deputy Commissioner, Cachar - Honorary Assistant Director, Surma Valley Division

2. Srijut Surjya Kumar Bhuyan, M.A. B.L., Assam Educational Service, Professor, Cotton Colelge, Gauhati - Honorary Assistant Director, Brahmaputra Valley Division

Sd/- R. Friel

Secretary to the Goverment of Assam

In the Transferred Department

৩) বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ দ্বাৰা প্ৰকাশিত Bulletin No.1, পৃঃ ৮, বিভাগৰ নথিটো এটা কথা উল্লেখ আছে আৰু এই হুমাহত ৪০ টকাকৈ বেতন দিয়ে।

Srijt. Nandanath Deodhai Phukan has been appointed to

act as Ahom Pandit attached to the Department of Historical and Antiquarian Studies for 6 months on a pay of Rs.40/- per month, with effect from April 1, 1931

Sd/-
S.K. Bhuyan
H.A. Director, D.H.A.S.

৪) (১) কামৰত্ন তন্ত্র-পণ্ডিত হেমচন্দ্র গোস্বামী তত্ত্বভূষণৰ দ্বাৰা সম্পাদিত ১৯২৮ Published under the order of the Government of Assam
(২) Descriptive catalogue of Assamese Manuscripts - By Hemchandra Goswami (Published by the University of Calcutta on behalf of the Government of Assam, 1930)
(৩) Ahom Buranji (with paralled English translation) Translated and Edited by Rai Sahib Golap Chandra Barua (Published under the Authority of the Assam Administration 1930)

সপ্তম অধ্যায়

# তাই-আহোমৰ মহাপ্লাৱন আৰু সৃষ্টিৰ অতি-কথা

পুৰণি ৰচনাত মহাপ্লাৱনৰ কাহিনী লিপিবদ্ধ হৈ আছে। তাই-আহোমৰ পাণ্ডুলিপিত ইয়াৰ নাম 'লাইটু'। চাৰ এডৱাৰ্ড গেইটে ১৮৯৪ চনত পোন প্ৰথমবাৰে এনে এক আখ্যান কথা "বেংগল এচিয়াটিক চ'ছাইটি জাৰ্নেল"ৰ ৬৩ নং ভলিউম প্ৰথম খণ্ডৰ ২ নং পুথিত ১০৮ নং পৃষ্ঠাত ১৮৯৪ খৃষ্টাব্দত প্ৰকাশিত কৰিছিল। গোলাপ চন্দ্ৰ বৰুৱাইও 'লাইটু বা লাও ফালা' নাম দি এখন আহোম পুথিৰ পৰা অনুবাদ কৰি ১৯০১ চনত প্ৰকাশ কৰিছিল। তেখেতৰ 'আহোম বুৰঞ্জী'তো এই মহাপ্লাৱনৰ কথা চমুকৈ উল্লেখ কৰিছে। কক্ৰেনে ১৯১৫ চনত ৰেঙ্গুনৰ পৰা একে কাহিনীৰে এক অন্য ৰূপ "দি শ্যান্চ, ১ ম খণ্ড'ত প্ৰকাশ কৰিছিল।

বিৰাটকায় লাওৰ কাহিনী কৃষ্ণ তাই (Black Tai), শ্বেত তাই (White Tai), লাও আদি তাই জনগোষ্ঠীৰ মাজত বহুল প্ৰচাৰিত। মুঠতে দক্ষিণ-পূবে এচিয়াৰ অতি-কথাসমূহত এই কাহিনী অতি প্ৰচলিত। কৃষ্ণ তাই সকলে আকাশ আৰু পৃথিবীক বিশাল লতাবোৰে বান্ধি সংলগ্ন কৰি থোৱাৰ কথা কয়। পু থেন (Pu Thaen) হ'ল আকাশ-দেৱতাৰ ককাদেউতাক আৰু তেৱেঁই এই লতাবোৰ কাটি পৃথিবী আৰু আকাশৰ মাজৰ সংযোগ কাটি দিয়া বুলি কোৱা হয়। এই পু থানেই মহাপ্লাৱনৰ সৃষ্টি কৰিছিল। বিৰাটকায় লাওৰ গৰ্ভত আছিল ৩৩০ বিধ মানুহৰ সঁচ, ৩৩০ টা ধানৰ সঁচ, ৩৩০ টা মাছৰ সঁচ। এই পু-থানৰ ৭ টা সন্তান আৰু সপ্তম সন্তানজন হ'ল কৃষ্ণ তাইৰ পূৰ্বজ।

"আদিতে আকাশ আৰু পৃথিৱী ওচৰা-ওচৰিকৈ বন্ধা আছিল। তাৰ পিছত আহিল মহাপ্লাৱন। মহাপ্লাৱনৰ পিছত পু থানে মাটিৰ মানুহ সাজি উলিয়ালে আৰু এক বিৰাটকায় লাওৰ ভিতৰত ৰাখি থলে। পু-থানে পিছত লাও ফালি মানুহ উলিয়ালে তেওঁলোক হ'ল খা, খামু, ভিয়েট, লাও, লু ইত্যাদি।"

(শ্বেত-তাইসকলৰ সাধু)

"পু-থান খণ্ডত একো নাই হ'ল। মানুহবোৰে তেওঁক পূজা কৰিবলৈ এৰিলে। গতিকে তেওঁ মহাপ্লাৱনৰ সৃষ্টি কৰিলে। পিছত এটা ম'হ পৃথিৱীলৈ পঠিয়ালে। ম'হটো মৰাত এটা বিশাল লাও গৰ্ভৰ পৰা ওলাল। লাওটো পু থানে কাটিলে। বহু মানুহ ওলাল। পুয়ে ধান ৰুবলৈ আৰু খেতি কৰিবলৈ শিকালে। তদুপৰি কাপোৰ ববলৈ শিকালে। পুয়ে খুন বুৰমক ৰাজ্যশাসন কৰিবলৈ পঠিয়ালে। খুন বুৰমৰ ৭ জন পুত্ৰ। সাতটা দিশত সাতখন ৰাজ্য স্থাপন কৰি ৰাজ্যশাসন কৰিবলৈ পঠিয়ালে।"

(লাওসকলৰ কাহিনী)

"এক বিশাল লাও আছিল। মহাপ্লাৱনৰ কাহিনীত কেনেদৰে সূৰ্যৰ প্ৰখৰ ৰদত জলৰাশি শুকাই মৃত্যুৰে ছানি ধৰাৰ কথা আছে। পৃথিৱী ৰ'দৰ তাপত ফাটিল; গৰম পানীয়ে সকলো প্ৰাণী শেষ কৰিলে। থাকিল কেৱল থাওলিপ্ লিঙ নামৰ এক বৃদ্ধ আৰু এজনী গাই। এওঁলোক প্ৰস্তৰেৰে নিৰ্মিত এখন নাৱত থাকিল। মহাপ্লাৱনত এই বিশাল নাওখনি উত্তৰ-পূব দিশত থকা ইবা পৰ্বতত গৈ লাগিল। দেৱতাসকলে মানুহ আৰু পশু-পক্ষীৰ মৃতদেহৰ পৰা ওলোৱা বেয়া গোন্ধ সহ্য কৰিব নোৱাৰা হোৱা অৱস্থাত জুই লগাই পুৰি পেলালে। তেতিয়া বৃদ্ধ থাওলিপে গাইজনী মাৰি তাৰ ভিতৰত সোমাই সাৰিল। তাতে এটা লাওৰ গুটি পাই পিচত ৰোপণ কৰিলে। সেই গুটিৰ পৰা বিশালাকৃতিৰ লাও এজোপা হ'ল; চাৰিও দিশত তাৰ ডালবোৰ বাঢ়িবলৈ ধৰিলে। উত্তৰ দিশৰ লাওডালৰ ডাল প্ৰচণ্ড শীতত মৰিল। পশ্চিমৰ লাওডাল পানীত সোমাই মৰিল। কেৱল বাচি থাকিল পূব দিশৰ লাওডাল। তাৰ পৰা

বিশালাকাৰ লাও গজিল। সকলো প্ৰকাৰৰ প্ৰাণীৰ আধাৰ এই লাওটোৰ ভিতৰত থকা প্ৰাণীৰ ক্ৰন্দন শুনি লেংডনৰ জ্যেষ্ঠ পুত্ৰ 'আই ফালানে বজ্ৰপাত মাৰি লাওটো ফালিবলৈ পঠিয়ালে। যেতিয়াই যিফালেই তেওঁ বজ্ৰপাত মাৰিবলৈ পোনাই সেই দিশৰে পৰা "ৰক্ষা কৰা, ৰক্ষা কৰা, নামাৰিবা, নামাৰিবা," চিঞৰ শুনে। থাইলিপে লিঙ নামৰ বৃদ্ধজনে তেতিয়া নিজকে বলি হ'বলৈ আগবাঢ়ি আহিল। গতিকে থাও লিপ লিঙক আজিও আহোমৰ পুৰোহিত শ্ৰেণীয়ে মানুহৰ সৃষ্টিৰ বাবে আই ফালানক বজ্ৰপাত মাৰি লাওৰ মাজত আৱদ্ধ প্ৰাণীবোৰ বচাবলৈ নিজকে বিসৰ্জন দি পৰম ত্যাগ কৰাৰ কথা সুঁৱৰি পূজা কৰে। নহ'লে হয়তো এই প্ৰাণীবোৰ সেই প্ৰকাণ্ড লাওৰ মাজতে আৱদ্ধ হৈ থাকিলেহেঁতেন আৰু পৃথিৱীত মানুহ আৰু অন্যান্য প্ৰাণী সৃষ্টি নহ'লহেঁতেন।

কলিযুগৰ শেষৰ ফালে পৃথিৱীখন বহুতো সৰু-বৰ ৰাষ্ট্ৰত বিভক্ত হৈ পৰিল। কিন্তু এইবোৰত ৰজা নাছিল। ফলস্বৰূপে পৃথিৱীত এক অচলাৱস্থাৰ সৃষ্টি হৈছিল আৰু কোনেও কাকো কেৰেপ নকৰাকৈ নিজৰ খেয়াল-খুচিমতে চলিছিল। তেওঁলোকৰ মাজত কোনো শান্তি আৰু নিৰাপত্তা নাছিল। তেওঁলোক দুৰ্ঘোৰ পাপীত পৰিণত হৈছিল আৰু ঈশ্বৰক উপাসনা কৰিবলৈ বাদ দিছিল।

সেই সময়ত মং ক্লাও (মধ্য ৰাষ্ট্ৰ) নামৰ দেশখনত খুন-ফী আৰু পুক ফীৰ আবিৰ্ভাব হয়। তেওঁলোকক দেখিয়েই মানুহবোৰ পলাবলৈ আৰম্ভ কৰিছিল যদিও তেওঁলোকে নিৰাপত্তাৰ আশ্বাস দি মানুহবোৰক ঘূৰাই আনিছিল। ইয়াৰ পাচতে খুন ফী সিহঁতৰ ৰজা হৈছিল আৰু পুক ফী নামমাত্ৰ যুৱৰাজ হৈছিল। কিছুমান মুখিয়াল মানুহক তেওঁলোকে মন্ত্ৰী আৰু বিষয়া হিচাপে নিয়োগ কৰিছিল। পূৰ্বৰ অসূয়া অপ্ৰীতি আৰু হাই-কাজিয়া দূৰ হৈ মানুহৰ মাজত শান্তি-সম্প্ৰীতি প্ৰতিষ্ঠা হৈছিল। কিন্তু ধৰ্মৰ ক্ষেত্ৰত মানুহবোৰ উদাসীন হৈয়ে থাকিল আৰু ঈশ্বৰৰ উপাসনা কৰিবলৈ লোৱা নাছিল। ঈশ্বৰক উপাসনা কৰাৰ আৱশ্যকতা কোনেও অনুভৱ কৰা নাছিল। ইয়াত কোনো

ঈশ্বৰৰ অস্তিত্বও নাছিল। ঈশ্বৰক উপাসনা কৰাটো সম্পূৰ্ণৰূপে উপেক্ষা কৰা হৈছিল।

মানুহৰ পৰা কোনো পূজা-পাতল নোপোৱাত দেৱতাসকল অস্থিৰ হৈ পৰিল আৰু স্বৰ্গৰ অধিপতি লেংডনৰ ওচৰত উপস্থিত হ'লগৈ। দেৱতাসকলে লেংডনক মানুহৰ মাজত ঈশ্বৰ আৰু দেৱতা উপাসনাৰ নিয়ম প্ৰচলনৰ বাবে খাটনি ধৰিলে। কিয়নো ইয়াকে নকৰিলে মানুহ দিনক দিনে পাপিষ্ঠ আৰু অধাৰ্মিক হৈ পৰিব। ভগৱান লেংডনে মানুহৰ এই আসুৰিক স্বভাৱৰ কথা জানি শাস্তি দিবলৈ বিচাৰিলে। তেওঁ লগে লগেই নিউ-ফা-ফা (পক্ষীৰাজ গৰুড়)ক মৰ্ত্যলৈ পঠালে আৰু এটাৰ পাচত এটাকৈ মানুহ গিলি খোৱাৰ বাবে নিৰ্দেশ দিলে। গৰুড়ৰাজ আহি মৰ্ত্যত মানুহ গিলাৰ প্ৰক্ৰিয়া আৰম্ভ কৰাত মানুহৰ মাজত ত্ৰাসৰ সৃষ্টি হ'ল। কিন্তু গৰুড়ৰ পেট আছিল তেনেই সৰু। ইফালে মানুহৰ সংখ্যা আছিল অগণন। গতিকে গৰুড়ে মাত্ৰ নগন্যসংখ্যক মানুহকহে ভক্ষন কৰিবলৈ সক্ষম হ'ল। তদুপৰি পেট ভৰি থাকিলে গৰুড়ে লৰচৰ কৰিবও নোৱাৰে। গতিকে দুষ্ট মানুহবোৰে এই সুযোগতে এদিন গৰুড়ক ঘেৰাও কৰি লৈ এনেকৈ টঙনিয়ালে যে পক্ষীৰাজ মৃতপ্ৰায় হৈ পৰিল। এনে অৱস্থাতেই মানুহবোৰে পক্ষীৰাজক এৰি যোৱাৰ পাচত তেওঁ চেতনা ঘূৰাই পালে আৰু কোনোমতে লেংডনৰ ওচৰলৈ যাবলৈ সক্ষম হ'ল। নিউফাই লেংডনক সকলো কথা বিৱৰি ক'লে। ঘটনা শুনি লেংডনৰ খং উঠিল আৰু লগে লগেই নিউ-ফাক স্বৰ্গধামৰ পৰা বহিস্কাৰ কৰিলে।

ইয়াৰ পাচত দুষ্ট পাপী মানুহবোৰক শাস্তি দিবৰ বাবে লেংডনে এটা ভয়ংকৰ সিংহ প্ৰেৰণ কৰিলে। কিন্তু সিংহৰো ভক্ষণ ক্ষমতা আছিল গৰুড়ৰ দৰেই। পক্ষীৰাজ নিউ-ফা-ফাৰ দৰেই সিংহৰো একে দশাই হ'ল। এদিন এখন গাঁৱৰ যুৱকসকলে ঘেৰি লৈ সিংহক বেয়াকৈ টঙনিওৱাৰ পাচত সিংহ স্বৰ্গলৈ পলাই গ'ল আৰু দেৱৰাজ লেংডনক সকলো কথা জনালে। স্বৰ্গাধিপতি লেংডনে এই কথাত ক্ৰোধান্বিত হ'ল। দেৱতা আৰু ঈশ্বৰক অৱমাননা কৰা মানুহবোৰক শাস্তি দিব নোৱাৰি তেওঁ নিজকে দোষী অনুভৱ কৰিলে। স্বৰ্গৰ

পৰা দুবাৰকৈ দূত পঠাইও তেওঁ মানুহবোৰক ধৰ্মৰ প্ৰতি মোহগ্ৰস্ত কৰিব নোৱাৰিলে। তেওঁ ক্ষোভ আৰু অপমানত ফাটি পৰিল।

এইবাৰ লেংডনে মানুহবোৰক আক্ৰমণৰ বাবে বহু সংখ্যক বিষাক্ত সাপ পঠাই দিলে। প্ৰচণ্ড বিষধৰ এই সাপবোৰেমেঘৰ দৰে আকাশ ছানি মৰ্ত্যলৈ নামি আহিব ধৰিলে। এনে এক ভয়ংকৰ দৃশ্য দেখিও দেশখনৰ সাহসী যুৱকসকলে যথেষ্ট সাহসেৰে খেৰৰ মুঠা আটিকৈ বান্ধি জুই লগালে আৰু সাপবোৰৰ জাকটোৰ ফালে লগাই দিলে। জুইৰ ধোৱাঁত সাপবোৰ অন্ধ হৈ পৰিল আৰু বহুতো জুইত জাহ গ'ল। যি দুই এটা বাচি থাকি ভূমিত পৰিল, সেইবোৰো মানুহবোৰে মৰিয়াই মৰিয়াই মাৰি পেলালে।

এনেদৰে কেইবাটাও প্ৰচেষ্টাত যতি পৰা বাবে দুখ আৰু অপমানত দেৱৰাজ লেংডন মুমূৰ্ষ হৈ পৰিল। ইয়াৰ পাচদিনা তেওঁ সূৰ্য দেৱতাক মতাই অনালে আৰু তেওঁৰ সমগ্ৰ শক্তি প্ৰয়োগ কৰি সমগ্ৰ পৃথিৱীখন উত্তপ্ত কৰি তোলাৰ বাবে নিৰ্দেশ দিলে। সূৰ্য দেৱতাই তেতিয়া নিজৰ গাৰ পৰা শক্তিশালী ৰশ্মিবোৰ মৰ্ত্যলৈ পঠিয়াই দিলে আৰু পৃথিৱীৰ জলভাগ ক্ৰমাৎ শোষণ কৰি যাবলৈ ধৰিলে। অতি কম দিনৰ ভিতৰতে নদী, হ্ৰদ, পুখুৰী আদি শুকাই পৰিল। পৃথিৱীৰ বাসিন্দাসকল এহাতে জলহীনতা আৰু আনহাতে সূৰ্যৰ প্ৰখৰ তাপত বিতত হৈ পৰিল। পানীৰ অভাৱত জলচৰ প্ৰাণীবোৰ মৰি নিঃশেষ হ'ল। গছ, লতা, তৰু-তৃণ শুকাই যাবলৈ ধৰিলে আৰু ভূ-পৃষ্ঠৰ সকলো ঠাইতে ফাট মেলা দৃষ্টিগোচৰ হ'ল। পানীৰ অভাৱত বহুতো মানুহৰ প্ৰাণহানি হ'ল। কিন্তু এওঁলোকে ঈশ্বৰক উপাসনা কৰাৰ বাবে সম্বিত ঘূৰাই নাপালে। তেওঁলোকে পূৰ্বৰ অনাচাৰৰ মাজতেই কাল কটাই যাবলৈ ধৰিলে। অন্তৰত পাপ কামনা-বাসনা থকা আৰু বীভৎস চিন্তাৰে পৰিপূৰ্ণ মনৰ এই মানুহখিনিক বাৰু কোনে সংশোধন কৰিবলৈ সক্ষম হ'ব?

তেতিয়া লেংডনে ভাবিলে যে অতিশয় পাপী আৰু অধাৰ্মিক মানুহখিনিৰ বাসস্থল পৃথিৱীখন থকাই উচিত নহয়। যদি এই মানুহবোৰক আমি শাস্তি দিয়াত বিফল হওঁ, তেন্তে আমি দেৱতা হোৱাৰেই যোগ্য নহও।

লেংডনে প্ৰবল বৰষুণৰ সৃষ্টি কৰি পৃথিৱীত মহাপ্ৰলয় সৃষ্টি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে। এই উদ্দেশ্যৰে তেওঁ দেৱতাসকলক আলোচনাৰ বাবে মাতি পঠালে। চেং-কাই-ফা, থেন-খাম, লাও-খ্ৰী, তাই লাং, বাকলাং, চাও-ফা-কুন আৰু জাচিংফা আদি দেৱ-দেৱীসকল মিলিত হ'লত দেৱৰাজ লেংডনে নিজৰ অভিপ্ৰায় জনালে। সকলোবিলাক দেৱ-দেৱীয়েই দেৱৰাজৰ সিদ্ধান্তৰ প্ৰতি সন্মতি প্ৰকাশ কৰিলে। তেতিয়া জাচিংফাই ক'লে যে পৃথিৱী ধ্বংসৰ কথা চিন্তা কৰাৰ আগতে লেংডনে আই-খাং-খাকক (এক ঋষি)ৰ সৈতে আলোচনা কৰিব লাগে। আই-খাং-খাক তেতিয়া হিমালয়ৰ এটা হ্ৰদৰ ওচৰত তপস্যাত আছিল। তেওঁক থাউ-লিপ-লিঙৰ ওচৰলৈ পঠিয়াব লাগে আৰু তেওঁৰ জৰিয়তেহে পৃথিৱী ধ্বংসৰ পাচত এক নতুন সৃষ্টি সম্ভৱ হ'ব বুলি জাচিংফাই মত পোষণ কৰিলে। দেৱৰাজৰ নিমন্ত্ৰণ লাভ কৰি আই-খাং-খাকে আহি লেংডনক সাক্ষাৎ কৰিলেহি। ৰাজসভাত ঋষিগৰাকী প্ৰবেশ কৰাত দেৱতাসকলে থিয় হৈ তেওঁক সম্ভাষণ জনালে আৰু তেওঁক এখন সোণৰ আসনত বহিবলৈ দিলে। ইয়াৰ পাচত দেৱৰাজ লেংডন আৰু আই-খাং-খাকৰ মাজত গোপন আলোচনা অনুষ্ঠিত হ'ল। আলোচনাৰ শেষত আই-খাং-খাকে দেৱতাসকলক জনালে যে দেৱৰাজ লেংডনৰ সিদ্ধান্ত ৰূপায়ণৰ বাবে তেওঁ থাউ-লিপ-লিঙক সাক্ষাৎ কৰিবলৈ সাজু। ইয়াৰ পাচত দেৱৰাজে ৰাজসভা ভংগ কৰি আই-খাং-খাক লৈ নিজৰ গোপন কক্ষত প্ৰবেশ কৰিলে। দেৱৰাজৰ কথামতে আই-খাং-খাকে নিশাটো দেৱপুৰীতে কটাই পাচদিনা পুৱা-থাউ-লিপ-লিঙক সাক্ষাৎৰ বাবে ৰাওনা হ'ল। থাও-লিপ-লিং নিজৰ ফুলৰ বাগিছাতে টহল দি আছিল আৰু আই-খাং-খাকক দেখা মাত্ৰেই তেওঁক সম্ভাষণ জনালে। দুয়ো পিপল গছ এজোপাৰ তলতে বহিল। আই খাং-খাকে ক'লে যে তেওঁৰ আগমণৰ কাৰণ একান্তই গোপনীয় আৰু দুয়োৰে মাজত হোৱা আলোচনাৰ কথা আন কোনেও জানিব নালাগিব। তেওঁ ক'লে যে ২৫ দিনচিৰ (ফাগুনৰ) দিনা পৃথিৱীত মহাপ্ৰলয়ৰ সূচনা হ'ব।

আই-খাং-খাকে থাউ-লিপ-লিঙক ক'লে "লেংডনে আপোনাক এখন শিলেৰে ভুৰ বনাই ঘৰৰ দুৱাৰমুখত সাজু ৰাখিবলৈ কৈছে। মহাপ্লাৱনত সমগ্ৰ পৃথিৱীখনেই জলমগ্ন হ'ব আৰু ইয়াত থকা সকলোবোৰ জীৱ মৃত্যু মুখত পৰিব। তেতিয়া আপুনি আৰু মই এই ভুৰ খনত উঠি জীৱন ৰক্ষা কৰিম। আপোনাৰ আৰু মোৰ বাদে আন কোনো প্ৰাণী আনকি আপোনাৰ স্ত্ৰী-পুত্ৰও ইয়াত ল'ব নালাগিব।" থাও লিপ লিঙে এই কথা জানিব পাৰি দুখত মৰ্মাহত হ'ল। তেওঁ তেওঁৰ স্ত্ৰী-পুত্ৰক বানৰ ধ্বংসলীলাত অকলে এৰি দিব লাগিব বুলি জানিব পাৰি দুখ প্ৰকাশ কৰিলে। তথাপিতো তেওঁ বিষয়সুখৰ পৰা নিজকে বিচ্ছিন্ন কৰি লেংডনৰ নিৰ্দেশ মতে কাম কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিলে। ইয়াৰ পাচত আই-খাং-খাকে দেৱৰাজ লেংডনৰ ওচৰলৈ ঘূৰি গ'ল আৰু থাউ-লিপ-লিঙৰ সৈতে হোৱা সমগ্ৰ কথা-বাৰ্তা তেওঁক জনালে। ইফালে থাউ-লিপ-লিঙে দহটামান বৃহৎ শিল আনি এখন ভুৰ সাজিলে আৰু দুৱাৰ মুখত ৰাখিলে। ভুৰখন সজা কাম কৰি থকা সময়ত থাই-লিপ-লিঙ মৌন হৈ আছিল। তেওঁ কাৰো লগত একো কথা-বতৰাও পতা নাছিল।

সেই অভিশপ্ত দিনটোৰ আগে আগে আই-খাং-খক আই-লিপ-লিঙৰ ঘৰলৈ আহিল। তেওঁলোকে বন্ধু-বান্ধৱ, ইষ্টু-কুটুম্ব সকলোকে এটা নৈশ ভোজলৈ নিমন্ত্ৰণ জনালে। কাৰণ তেওঁ গম পাইছিল যে মহাপ্লাৱনৰ পাচত তেওঁৰ আৰু কাৰো স'তে দেখা নহ'ব। দুয়োজন ঋষিয়ে ধৰ্মালোচনা কৰি আৰু পবিত্ৰ ধৰ্মপুথি পাঠ কৰি নিশাটো অতিবাহিত কৰিছিল। ইয়াৰ পাচদিনাই আহিব পৰা সাম্ভাব্য বিপদ সম্পৰ্কে কিন্তু থাউ-লিপ-লিঙে তেওঁৰ পৰিয়ালৰ কাকো জনোৱা নাছিল।

পাচদিনা দোকমোকালিতে লেংডনে চাও-ফুন (বৰুণ)ক গৰম পানীৰ বৰষুণেৰে পৃথিৱীত মহাপ্লাৱন সৃষ্টি কৰিবলৈ নিৰ্দেশ দিলে। মুহূৰ্ততে আকাশত কলীয়া ডাৱৰে বিপদ ঘণ্টা বজালে আৰু মূষলধাৰেৰে পৃথিৱীত বৰষুণ আৰম্ভ হ'ল। মানুহ, জীৱ-জন্তু আৰু গছ-গছনি এই সকলোবোৰ উত্তপ্ত পানীত জাহ গ'ল। আনহাতে সেই শিলৰ ভুৰখন পানীত উপঙি থাকিল আৰু অৱশেষত ই

এটা পৰ্বতৰ শৃংগত লাগি ধৰিলেগৈ। ইয়াতে ভূৰখন ৰখোৱা হ'ল আৰু আই-খাং-খক, থাও-লিপ-লিঙ আৰু তেওঁলোকে লগত নিয়া ফুটুকী গৰু কেইজনী নামিল।

আনহাতে থাও-লিপ-লিং পিশাচৰ প্ৰভাৱত পৰিল। পিশাচে তেওঁক কামান্ধ কৰি তোলাত তেওঁ ফুটুকী গাই জনীৰ লগত ৰমণ কৰিলে। গাইজনীয়ে দেহত ঋষিৰ বীজ ধাৰণ কৰিলে।

যেতিয়া সকলো মানুহ আৰু প্ৰাণী জগত নাইকিয়া হ'ল আৰু বানত জাহ গ'ল তেতিয়া দেৱৰাজ লেংডনে বজ্ৰ মাৰি কিছু পানী শুকোৱাই পেলোৱাত মৃত মানুহ আৰু জীৱ-জন্তুৰ শ বোৰ ওলাই পৰিল। শ বোৰ ইতিমধ্যে গেলি-পচি গোন্ধ ওলাইছিল। এই গোন্ধ সহ্য কৰিব নোৱাৰি দেৱতাসকলে লেংডনক অভিযোগ কৰিলে। লেংডনে তেতিয়া ১০ লাখ সাপ এই শ বোৰ গিলি পেলাবৰ বাবে পঠিয়াই দিলে। কিন্তু এই সাপবোৰে শ বোৰ গিলাৰ বাবে অসমৰ্থ হ'ল। তেতিয়া লেংডনে ২০ লাখ সিংহ একে উদ্দেশ্যৰে মৰ্তলৈ প্ৰেৰণ কৰিলে। কিন্তু মৃত শৰ সংখ্যা ইমান বৃহৎ আছিল যে সিংহবোৰেও মাত্ৰ কেইটামানহে খাই শেষ কৰিবলৈ সক্ষম হ'ল। লেংডনে তেতিয়া চাও-ফা-ফাই (অগ্নি) দেৱক মাতি আনিলে আৰু শ বোৰ গিলি পেলাবলৈ নিৰ্দেশ দিলে। সেইমতে চাও-ফা-ফাই মৰ্ত্যলৈ নামি আহিল আৰু দুটা ভাগত বিভক্ত হৈ পূবৰ পৰা পশ্চিমলৈকে সকলোকে পুৰি যাবলৈ আৰম্ভ কৰিলে।

ইফালে অগ্নিৰ লেলিহান ৰূপ দেখি ভয়ত ত্ৰাসমান হ'ল থাও-লিপ-লিং। তেওঁ এডাল গধূৰ লাঠিৰে ফুটুকী গাইজনী মাৰি পেলালে আৰু ইয়াৰ নাৰী-ভূৰু সকলো উলিয়াই পেলালে। ইয়াৰ পাচত তেওঁ আই-খাংখাকক মাতিলে আৰু অগ্নিৰ কোপৰ পৰা বাচিবলৈ গাইজনীৰ নাভিত সোমাই থাকিল। গাইজনীৰ উদৰত থাও-লিপ-লিঙে এটা জাতিলাওৰ বীজ পালে। আই-খাং-খাকে এই বীজটো পৰ্বতৰ শিখৰত এটুকুৰা ঠাইত ৰোপণ কৰাৰ উপদেশ দিলে। লাওপুলিটো এনেদৰে বাঢ়ি আহিল যে ই কেইদিনমানৰ ভিতৰতে শিখৰ অতিক্ৰম কৰিলে। পুলিটো ডাঙৰ হোৱাৰ বাতৰি পাই

দেৱৰাজ লেংডনে খুন-থেউ-ৰেনক পুলিটোৰ গুৰিত সাৰ-জাবৰ দি অহাৰ বাবে নিৰ্দেশ দিলে। খুন-থেউ-ৰেন মৰ্ত্যলৈ আহিল আৰু পুলিটোৰ গুৰিত সাৰ-জাবৰ দি স্বৰ্গলৈ উভতিল। তেতিয়া লেংডনে বৰষুণ দিয়া ডাবৰবোৰক পুলিটোৰ ওপৰত মৃদুভাৱে বৃষ্টিপাত কৰাৰ বাবে নিৰ্দেশ দিলে। ইতিমধ্যে পুলিটোত এটা জাতিলাও লাগিছিল আৰু ই ক্ৰমাৎ বৃহৎ আকাৰ ধাৰণ কৰিছিল। জাতিলাওটোৰ আকাৰ দিনকদিনে বাঢ়ি থকা দেখি লেংডনে চাও-লা-পাওক এই গছজোপাৰ ৰক্ষণাবেক্ষণৰ ভাৰ দিলে। কথামতে চাও-লা-পাও আহি পুলিটোৰ চোৰা চিতাত লাগিল।

ইয়াৰ এমাহৰ পাচত লেংডনে নিজৰ জ্যেষ্ঠপুত্ৰ আই-ফা-লেনক মতাই তেওঁৰ হাতত বজ্ৰাস্ত্ৰ এপাত দি কলে "টাংছু পৰ্বতৰ শিখৰত এডাল জাতিলাও গছ পাবা আৰু তাতে এটা বৃহৎ জাতিলাও দেখা পাবা। এই বজ্ৰাস্ত্ৰৰে তুমি জাতিলাওটো দুছিটা কৰিবা আৰু তেতিয়াই এক নতুন সৃষ্টিৰ সূচনা হ'ব।" দেৱৰাজৰ কথামতে আই-ফা-লেন টাংছু পৰ্বতলৈ গ'ল আৰু তাত থাও-লিপ-লিং আৰু আই-খাং-খাক দেখা পালে। তেওঁ দুয়োজন ঋষিকে নিজৰ আগমনৰ উদ্দেশ্য বিৱৰি ক'লে। তেতিয়া দুয়োগৰাকী ঋষিয়ে আই-ফা-লেনক জাতিলাওটো থকা স্থানলৈ লৈ গ'ল। জাতিলাওটোক উদ্দেশ্যি বজ্ৰাস্ত্ৰ মৰাৰ সময়তে ইয়াৰ ভিতৰৰ পৰা আৰ্তনাদ শুনা গ'ল, "হে ঈশ্বৰ। আমাক নামাৰিবা। আপোনাৰ খং উঠিব পৰাকৈ আমি একো কাম কৰা নাই। আমি পৃথিৱীত ৰজা হ'ম। দেশবোৰ শাসন কৰিম আৰু ঈশ্বৰৰ উপাসনা কৰিম।" এই কাৰ্যত আচৰিত হৈ আই-ফা-লেনে অন্য এটা ফালৰ পৰা জাতিলাওটোৰ ওপৰত বজ্ৰ হনাৰ বাবে উদ্যত হ'ল। এইফালৰ পৰাও একে ধৰণৰ সমস্বৰ ভাহি আহিল, "হে প্ৰভু! আমাক নামাৰিবা। আমি তাই, আমি দেশ শাসন কৰিম।" আই-ফা-লেন যি ফালৰ পৰাই জাতিলাওটোত বজ্ৰাঘাত কৰিব বিচাৰিলে সেই ফালৰ পৰাই এনেধৰণৰ চিঞৰ ভাহি আহিল।

এই ঘটনাত আই-ফা-লেন বিমূঢ় হৈ পৰিল। তেওঁ এতিয়া পিতৃৰ আদেশ পালন কৰে কেনেকৈ? আনহাতে চাও-ফা-পাওৰেন এই সকলো দৃশ্য

চাই আছিল আৰু তেওঁ আই-ফা-লেনক উদ্দেশ্যি কবলৈ ধৰিলে, "হে ৰাজকুমাৰ! তুমি একো চিন্তা নকৰিবা। মই এই লাওটোৰ ওপৰত আছো আৰু তুমি মোৰ ওপৰত বজ্র নিক্ষেপ কৰা। বজ্রাঘাতত জাতিলাওটো দুছোৱা হৈ যাব। মই এই অসাৰ দেহটো জীৱ জগতৰ কল্যাণৰ নিমিত্তে উচৰ্গা কৰিছো।" আই-ফা-লেনে এই আহ্বান গ্ৰহণ কৰিলে আৰু আনহাতে চাও-লা-পাৰে লাওটোত বহি লৈ প্ৰাণীজগতক কবলৈ ধৰিলে, "হে জীৱজগত! মই তোমালোকৰ মুক্তিৰ বাবে এই দেহ উৰ্চ্গা কৰিছো। তোমালোকে বছৰত এবাৰকৈ গৰু-ম'হ উচৰ্গা কৰি মোৰ উপাসনা কৰিবা। আৰু আহাৰ গ্ৰহণৰ সময়ত মোৰ নামত মজিয়াত এমুঠি দান কৰিবা। ইয়াকে নকৰিলে তোমালোকে জীয়াতু ভূগিব লাগিব।" ইয়াকে কৈ চাও-লা-পাৰে আই-ফা-লেনক তেওঁৰ কৰ্তব্য সমাপন কৰিবলৈ কলে।

ইয়াৰ পাছত আই-ফা-লেনে চাও-লা-পাৰৰ ওপৰত বজ্র নিক্ষেপ কৰিলে। বজ্রৰ নিনাদত লাওটো ফাটি পৰিল আৰু আনহাতে চাও-লা-পাৰৰ শৰীৰো ছিন্ন-ভিন্ন হৈ পৰিল। চাও-লা-পাৰৰ মুৰৰ পৰা এটা স্বৰ্গজ্যোতি বাহিৰ হৈ দেৱপুৰীলৈ গমন কৰিলে আৰু দেৱতাসকলৰ সৈতে থাকিবলৈ ল'লে। বুকুৰ পৰা এটা পিশাচ বাহিৰ হ'ল আৰু ই বাঁহগছৰ ওপৰত থাকিবলৈ ল'লে। তেওঁৰ সোঁ চকুৰ পৰা সূৰ্য আৰু বাওঁচকুৰ পৰা চন্দ্ৰৰ জন্ম হ'ল আৰু আকাশত অৱস্থান কৰিলে। তেওঁৰ চকুৰ পতাৰ পৰা অমৃত ওলাই আহিল, নাকৰ পৰা সোণ আৰু ৰূপ ওলাই আহিল। তেওঁৰ কণ্ঠৰ পৰা অগ্নি বাহিৰ হ'ল আৰু শৰীৰৰ অন্যান্য অংশৰ পৰা পিশাচৰ জন্ম হ'ল।

বজ্রাঘাতৰ ফলত জাতিলাওটোৰ ভিতৰৰ পৰা হাজাৰ হাজাৰ তাই মানুহ, ম্লেছ, যৱন, নগা, মিকিৰ আৰু কছাৰীৰ জন্ম হ'ল। ইয়াৰ লগে লগে বিভিন্ন ধৰণৰ জন্তুও লাওটোৰ ভিতৰৰ পৰা ওলাই আহিল। আঁঘশ্যে ইয়াৰ পৰা কোনো হিন্দু মানুহ ওলাই অহা নাছিল। এইদৰে জাতিলাওটোৰ পৰা ওলাই অহা মানুহখিনিক তাই-কলঙিয়া-আহোম বুলি জনা গৈছিল। জাতিলাওটোৰ উদৰৰ পৰা ধান আৰু আন আন বহুতো বস্তু ওলাই আহিছিল।

লাকনি থাউছিংগা (৯শক)ত পৃথিৱী ধ্বংস হৈছিল কামুতত (২০ শক) পৃথিৱীখন অগ্নিয়ে পুৰি কঠিন কৰি তুলিছিল। কাপচান (২১ শক) বৰ্ষত জাতিলাওটোৰ পৰা নতুন সৃষ্টি সম্ভৱ হৈছিল। তাই কলঙীয়া আহোমসকলে নদীৰ পাৰত বসতি আৰম্ভ কৰি কৃষি কাৰ্য আৰম্ভ কৰিছিল। ম্লেছ আৰু যৱনসকলে সমতলভূমি বিচাৰি অন্য ঠাইলৈ ৰাওনা হৈছিল। ইয়াৰ পাচৰ পৰ্যায়ত তাই-খাং-খাকৰ জৰিয়তে আহোম কুলত হিন্দুৰ বীজ ৰোপণ হয়। ঈশ্বৰৰ নাভিৰ পৰা আই-খাং-খাকৰ জন্ম হৈছিল। হিন্দুসকলে সমতলভূমিত বসবাস কৰিছিল। লাওটোৰ ভিতৰৰ পৰা ওলাই অহা খাদ্য আৰু অন্যান্য সামগ্ৰীবোৰ আই-ফা-লেনে সকলোৰে মাজত সমানে ভগাই ধৰ্মপৰায়ণতা আৰু নৈতিকতা গঠনৰ বাবে থাও-লিপ-লিঙ আৰু আই-খাং-খাকক উপদেশ দি স্বৰ্গলৈ প্ৰত্যাগমন কৰে। স্বৰ্গলৈ গৈ আই-ফা-লেনে দেৱৰাজ লেংডনক সকলো কথা বিবৰি ক'লে*।

ইয়াৰ পাচৰ বছৰত পৃথিৱীত জীৱসমূহৰ অনুপযোগিতালৈ লক্ষ্য ৰাখি লেংডনে আই-ফা-লেনক চাৰিটা প্ৰজাতিৰ বীজ সিঁচিবলৈ নিৰ্দেশ দিলে। ইয়াৰে প্ৰথমবিধ আছিল আকাশত উৰিব পৰা জীৱ, দ্বিতীয় বিধ হ'ল পানীত সাঁতুৰিব পৰা, তৃতীয়বিধ মাটিৰ পৰা উপজা আৰু চতুৰ্থবিধ আছিল এঠাইৰ পৰা আনঠাইলৈ গমন কৰিব পৰা জীৱ। (উৰুণ,বুৰুণ, গজন আৰু গমন) তাই-ফা-লেনে এই চাৰিওবিধ প্ৰজাতিৰ বীজ সিঁচিলে। এয়াই পৃথিৱীৰ জীৱ আৰু উদ্ভিদজগতৰ আৰম্ভণি। প্ৰাণী জগতৰ ভিতৰত তিনিটা প্ৰজাতি থাকিল : ভূমিচৰ, জলচৰ আৰু উৰণীয়া।

প্ৰায় ছটা বছৰ ধৰি থাও-লিপ-লিঙ আৰু আই-খাং-খাকে মানৱ প্ৰজাতিৰ গতি-বিধি নিয়ন্ত্ৰণ কৰিছিল। ইয়াৰ পাচৰ কালত দেৱৰাজ লেংডনে তেওঁৰ দুজন নাতিয়েক ক্ৰমে খুন্-লুং (জ্যেষ্ঠ যুৱৰাজ) আৰু খুন্লাই (কনিষ্ঠ যুৱৰাজ)ক আন বহুতো স্বৰ্গবাসী পৰিষদ আৰু সাধাৰণ লোকৰ সৈতে পৃথিৱীত শাসন কৰিবলৈ পঠিয়ালে। তেওঁলোকে এটা লোহাৰ জখলাৰে পৃথিৱীলৈ নামি আহিল। তেওঁলোকে মুং-ৰি-মুং-ৰাম (ৰজা নোহোৱা ঠাই)ত

এখন নগৰ পাতিলে আৰু ইয়াত শাসন চলাবলৈ আৰম্ভ কৰিলে। তেতিয়াৰ পৰা পৃথিৱীত ন্যায়ৰ প্ৰৱৰ্তন হ'ল।

তাই-আহোমৰ লোককথা অনুসৰি জাতিলাওৰ পৰা আহোমসকলৰ সৃষ্টি হোৱা কথাই আহোমসকলৰ মূল যে দক্ষিণ পূবৰ তাই সকলৰ সৈতে সম্পৰ্কিত সেই বুজাইছে। জাতিলাওৰ পৰা জীৱজগত সৃষ্টিৰ ধাৰণাটো তাই আহোম, বাৰ্মা, তাই য়াই, য়ুনান আৰু ঝুৱাং আৰু ব্লেক তাই লাওসকলৰ লোককথাত পোৱা যায়। অৱশ্যে জনগোষ্ঠীভেদে এই আখ্যানবোৰৰ কিছু ভিন্নতা নথকা নহয়।

অষ্টম অধ্যায়

# আহোমৰ ধৰ্ম

বৰ্তমান অসম নামেৰে জনাজাত ৰাজ্যখনৰ পূৱপ্ৰান্তত প্ৰথম প্ৰৱেশ কৰাৰ সময়ত আহোমসকলৰ ধৰ্ম কি আছিল বা কেনে অৱস্থাত আছিল সেই সম্পৰ্কে এটা চূড়ান্ত সিদ্ধান্তত উপনীত হোৱাৰ আগতে আহোম ৰাজ্যৰ প্ৰতিষ্ঠাতা তথা আহোম ৰাজ বংশৰ পূৰ্বপুৰুষ তাই যুৱৰাজ ছ্যু-কা-ফাৰ নেতৃত্বত অসমত প্ৰৱেশ কৰাৰ সময়ত ম্যং মাওলুঙৰ পৰা আহোম সকলে নিজৰ লগত লৈ অহা ধৰ্মপুথি সমূহৰ বিষয়ে এটি বিশ্লেষণ দাঙি ধৰা উচিত হ'ব বুলি ভাবো।

এই কথা নিশ্চিতভাবে কব পৰা যায় যে আহোম সকলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ধৰ্মশাস্ত্ৰখন হৈছে 'লিং লাই পাক পেঁএ কা কা'। এই গ্ৰন্থখনক আহোমসকলৰ বাইবেল বুলিও আখ্যা দিব পাৰি। ঈশ্বৰ সম্পৰ্কে আহোম দৰ্শন ইয়াতেই সন্নিহিত হৈ আছে। এইটো সঁচাকৈয়ে বৰ ধৰ্মীয় তাৎপৰ্য্যৰ বিষয়ে যে 'পাক পেঁএ কা কা' গ্ৰন্থত এক সৰ্বব্যাপ্তমান, সৰ্ববিদ্যমান, সৰ্বশক্তিমান ঈশ্বৰৰ কথা কোৱা হৈছে ; কিন্তু তেওঁ নিৰাকাৰ।

এই সৰ্বশক্তিমান সত্বাক পাক পেঁএ কাকা পুথিত "ফা ট্যাও চিং ফ্ৰম হুম" অথবা সংক্ষেপতে 'ফ্ৰা' বুলিয়েই অভিহিত কৰা হৈছে।

নিৰাকাৰ ঈশ্বৰৰ ধাৰণাৰ তাৎপৰ্য্যটোৱেই অনুপম এই কাৰণেই যে ই এই ধাৰণাৰ পোষকতা কৰা লোকসকলৰ মনৰ প্ৰতিফলন ঘটাইছে আৰু বাস্তৱিকতে যি কোনো ধৰ্মীয় দৰ্শনৰ ভিতৰতে এই ধাৰণা বহু উন্নত। নিৰাকাৰ ঈশ্বৰৰ চিন্তাৰ বাবে মানুহৰ এক অসাধাৰণ মনৰ প্ৰয়োজন হয়। ঈশ্বৰ চিন্তা বা

ধৰ্মবিশ্বাসত এনে মানসিক ধ্যান ধাৰণা বহু পৰিমাণে উন্নত। ইয়াৰ দ্বাৰা অৱশ্যে এইটো কব বিচৰা নাই যে আহোম সকলৰ মাজত অন্য দেৱ-দেৱীৰ অস্তিত্ব নাছিল। এই পৱিত্ৰ ধৰ্মগ্ৰন্থত স্পষ্টকৈ কোৱা হৈছে কেনেকৈ 'ফ্রা ট্যও চিং ফ্রম হুম' এ দেৱ-দেৱী সকলক সৃষ্টি কৰিছিল। এই সৰ্বশক্তিমান, নিৰাকাৰ ঈশ্বৰ আৰু তেওঁ সৃষ্টি কৰা দেৱ-দেৱীসকলেই আহোমৰ ধৰ্মীয় ধাৰণাৰ মূল আধাৰ।

হাতেলিখা অৱস্থাত থকা আন গুৰুত্বপূৰ্ণ ধৰ্মগ্ৰন্থ সমূহত আহোমসকলে সৰ্ব্বোচ্চ স্থানত অধিষ্ঠিত কৰা লেংডনৰ পূজা-অৰ্চনা পদ্ধতি সম্পৰ্কে বৰ্ণিত হৈছে। এই ধৰ্মগ্ৰন্থ সমূহ হ'ল (১) খেক ফি ফা-নুৰু লেংডন আৰু (২) লিৎ খামফি লেংডন লানমুং ।

আহোম সকলৰ অতিকৈ গুৰুত্বপূৰ্ণ ধৰ্মীয় আচাৰ সমূহৰ ভিতৰত এটা হৈছে ফুৰালুং অৰ্থাৎ কোনো বলি-বিধান নোহোৱাকৈ আহোম দেৱ-দেৱীসকলৰ পূজা- অৰ্চনা। তলত উল্লেখ কৰা হাতেলিখা অৱস্থাত থকা গ্ৰন্থত ফুৰালুং ধৰ্মীয় ৰীতি-নীতিৰ বিষয়ে বিতং বিৱৰণ পোৱা যায়। এইখন পুথি হ'ল ফুৰালুং পুথি।

ফুৰালুং পুথিত 'ফুৰা'ৰ ধাৰণা সৰ্ম্পকে কোৱা হৈছে যে মৃতকে 'ফি' বা 'ডাম-ফি'ৰ ৰূপ পৰিগ্ৰহ কৰি শেষত স্বৰ্গলৈ গতি কৰে।

আমি ভাবো যে আৰম্ভণিতে উম্‌ফা পূজা মূলতঃ আহোম দেৱ-দেৱী সকলৰ পূজা অৰ্চনাতে সীমাবদ্ধ আছিল। ছ্যু- কা-ফাই স্থানীয় জাতি উপজাতিসমূহক পৰাভূত কৰি তেওঁলোকৰ ৰাজ্যখণ্ডবোৰ পদানত কৰাৰ সময়তো স্থানীয় দেৱ-দেৱীসকলে এই পূজাত স্থান পোৱা নাছিল। ভালেমান দিনৰ পিছতহে স্থানীয় লোক বিশ্বাস অনুসৰি তেওঁলোকৰ দেৱ-দেৱী সকলকো উম্‌ফা পূজাত স্থান দিয়া হয়। উম্‌ফা পূজাৰ পদ্ধতি সম্পৰ্কীয় ধৰ্মশাস্ত্ৰ দুখন হ'ল 'খেক্ -ফি উম্‌ফা' আৰু 'উম্‌ফা ফি কুন্-আন্ লাও' ।

আহোমসকলৰ অন্যান্য ধৰ্মীয় ক্ৰিয়াকাণ্ড সমূহ হ'ল (১) ৰিক্ খ্বন্ আৰু (২) ডাম- ফি । এই সম্পৰ্কীয় ধৰ্মগ্ৰন্থ দুখন হ'ল (১) ৰিক্ খ্বন্ আৰু

'ডাম-ফি-চি ফুন-ৰিক্ খুন্' । ৰিক্ খুন্'ত বৰ্ণিত হৈছে দীৰ্ঘজীৱন লাভৰ উদ্দেশ্যে পালন কৰি অহা তাই ধৰ্মীয় আচাৰ ।

আহোমসকলে উদ্‌যাপন কৰি অহা আন এটা গুৰুত্বপূৰ্ণ প্ৰথা হৈছে নাং হুন ফা বা চক্‌লং (বিবাহ উৎসৱ) আৰু এই সম্পৰ্কীয় ধৰ্মপুথি হ'ল (১) নাং হুন ফা আৰু (২) চক্‌লং । বিবাহ অনুষ্ঠানৰ লগত জড়িত ধৰ্মীয় ৰীতি-নীতি সমূহ এই ধৰ্ম পুথিবোৰত বৰ্ণিত হৈছে।

আমোদজনকভাৱে আহোমসকলৰ মাজত 'লাইটু' বা 'লাও-ফালা' নামেৰে এটা মহাপ্লাৱণৰ কাহিনীও প্ৰচলিত আছে। এই বিষয়ত পোৱা ধৰ্মপুথি হৈছে (১) লিট লাইটু আৰু (২) লাও-ফালা ।

এই আটাইবোৰ ধৰ্মগ্ৰন্থই আহোম ভাষা আৰু লিপিত হাতেলিখা অৱস্থাত আছে।

এতিয়া আমি এই ধৰ্মগ্ৰন্থ সমূহ এখন এখনকৈ বিশ্লেষণ কৰোঁহক। আহোম সকলৰ পৰম্পৰাগত আৰু মৌলিক ধৰ্মবিশ্বাস আৰু ধৰ্মীয় চিন্তাৰ সম্পৰ্কে এটা থুলমুল ধাৰণা লোৱাৰ উদ্দেশ্যে আমি এই ধৰ্মগ্ৰন্থ সমূহৰ বিষয়ে আৰু ধৰ্মীয় ৰীতি-নীতি সমূহৰ বিষয়ে একোটা চমু টোকা দিবলৈ যত্ন কৰিম।

'পাক পেঁঞ কা কা ' হৈছে পৃথিৱীত জীৱৰ বিকাশ হোৱাৰ আগৰ আদিম কালৰ এক সৃষ্টি কাহিনী (Myth.) । এই ধৰ্মশাস্ত্ৰৰ পাঠ উদ্ধাৰ কৰি এইটো ধাৰণা কৰা হৈছে যে আহোমসকলে মাত্ৰ এগৰাকী সৰ্ববিদ্যমান ঈশ্বৰৰ অস্তিত্বত বিশ্বাস কৰিছিল আৰু এই মহান ঈশ্বৰ মহাকাশত এজাক মৌমাখিৰ দৰে ওলমি আছিল । এইগৰাকী মহান ঈশ্বৰ 'ফা' টু্য চিং ফ্ৰম্ হুম'-এ তেওঁৰ নিজৰ বক্ষস্থলৰ পৰা 'খুনথেনখাম' সৃষ্টি কৰে।

এই কাহিনীত পৃথিৱীৰ সৃষ্টি সম্পৰ্কেও এটি বিবৰণ পোৱা যায়। এই বিৱৰণমতে পৃথিৱীখন সৃষ্টি হৈছিল সোণৰ ৰহণ চৰোৱা এহাল মকৰাৰ বিষ্ঠাৰ পৰা আৰু আঠটা বিশাল স্তম্ভই এই পৃথিৱীখন, পৰ্বত পাহাৰ আৰু আকাশ বা স্বৰ্গ (যি স্বৰ্গ হৈছে সোণৰ সিংহাসনৰ আকৃতিৰ) ধৰি ৰাখিছে। তাৰ পিছত ভগবান ফ্ৰাই নিজৰ পত্নী হিচাপে এগৰাকী দেৱীৰ সৃষ্টি কৰিলে, তেওঁক

যৌনাঙ্গ প্ৰদান কৰিলে আৰু নিজে যৌনক্ৰিয়াত প্ৰবৃত্ত হ'ল। দেৱী গৰাকীয়ে চাৰিটা কণী পাৰিলে । পিছত কণী নুফুটা দেখি ফ্ৰাই অমৃত 'য়া পুলক' আনি তাৰ ওপৰত ছটিয়াই দিয়াত কণীবোৰ ফুটিল আৰু চাৰিটা পুত্ৰ সন্তানৰ জন্ম হ'ল। জ্যেষ্ঠ পুত্ৰ ফাছাংডিনখুন্ময়েন পৃথিৱীৰ অধিপতি হ'ল। দ্বিতীয় পুত্ৰ ছেং কামফাক জলধিত বাস কৰা আঠ লক্ষ সৰ্পৰ অধিপতি পতা হ'ল। তৃতীয় পুত্ৰ ছেংকামফাক দিয়া হ'ল আঠ নিযুত বজ্ৰৰ দায়িত্ব। নুমলীয়া পুত্ৰ ঙিন্‌গাওখামক তেওঁৰ নিজৰ লগতে থাকি পৃথিৱী সৃজন কাৰ্য্যত তেওঁক সহায় কৰিবলৈ কোৱা হ'ল। তেওঁৰ নাম ৰখা হ'ল 'ফুৰা' । পিছত ছেংকামফাই ভ্ৰমৰ বশৱৰ্তী হৈ ঈশ্বৰৰ ইচ্ছাৰ বিৰুদ্ধে কাম কৰিলে। ফলত তেওঁ মৃত্যুৰ মুখত পৰিল আৰু এক অপশক্তিত (Evil Spirit) পৰিণত হ'ল। ছেংকাফা ৰজা হ'ল আৰু মৃত্যুৰ পিছত ঘৰ দেৱতালৈ ৰূপান্তৰিত হ'ল । তাৰ পিছত সৰ্বশক্তিমান ঈশ্বৰে হুম্‌খাম্‌ঙাম নামে বিদ্বান লোক এগৰাকীক স্বৰ্গৰ কুঁৱলীয়ে আৱৰা অংশলৈ পঠিয়ালে আৰু তাতে থাকিবলৈ ক'লে । তেওঁক ঈশ্বৰে সামাজিক আৰু ধৰ্মীয় ৰীতি-নীতি সমূহ নিৰূপণ কৰি উলিওৱাৰ দায়িত্ব অৰ্পণ কৰিলে। ঈশ্বৰে ফুকাও নামে আন এগৰাকী বিদ্বান লোকৰ সৃষ্টি কৰিলে। ঙাওখাম্ নামে লোক এজনাই উত্তৰ দিশত উত্তৰ কোণত ৰাজেশ্বৰৰ গৰিমাৰে অৱস্থান কৰি গভীৰ ধ্যানত মগ্ন আছিল।

বহু যুগৰ পিছত, ন-হেজাৰ অনুগামীসহ 'ৰুংৰাইত' বাস কৰা 'পফিছু' নামৰ দেৱতা এজনা নামি আহিল আৰু 'ঙাওখাম'ক গভীৰ ভাবে ধ্যানস্থ হৈ থকা অৱস্থাত পালে। তেৱেঁই 'ঙাওখাম'ক 'ফুংক্লিংখ্ৰ'ৰ ৰজা পাতিলে। তেওঁৰ কনিষ্ঠ পুত্ৰ ফাচি ইপ-চাংডিন 'ফাকওখ্ৰজ' নামে দেশৰ ৰজা হ'ল। তেওঁৰ চাৰিগৰাকী পুত্ৰ আছিল। জ্যেষ্ঠপুত্ৰ 'ইছিঙ'ক পৰীৰ দেশৰ ৰজা পতা হ'ল। একেবাৰে নুমলীয়া পুত্ৰ 'চাওডাখাম'ক 'খুংলাই'ৰ ৰজা পাতি তালৈ পঠিয়াই দিয়া হ'ল।

ডাখামে নাং চেংদাও নামৰ ৰাজকুমাৰী এগৰাকী বিয়া কৰালে । তেওঁ উমুং নামৰ পৰ্বতীয়া ৰাজ্য এখনলৈ নামি আহি তাতে ৰাজত্ব কৰিবলৈ ধৰিলে।

তেওঁৰ চাৰিজন পুত্ৰ আছিল। তাৰে এজনৰ নাম আছিল 'ফাছাংফাউ'। তিনিটা মূৰৰ আন এজন পুত্ৰৰ পানীত ডুবি মৃত্যু হ'ল। আটাইতকৈ নুমলীয়া পুত্ৰ গৰাকীৰ নাম আছিল ঙিৰিঙখাম্। তেওঁক লেংডন নামেৰেও মতা হৈছিল। ছাংদামৰ ফুলৰ (Placenta) পৰা উদ্ভূত হোৱা হেতুকে তেওঁৰ আন এটা নাম হৈছিল ছাইৰেফা। লেংডনৰ ৰূপহী ভনীয়েক ছাংছেংদাওক ডাখামলৈ বিয়া দিয়া হৈছিল। আনহাতে ফুংনাক্ফা আৰু যুংক্লিংখুৰ ৰজা কান্খান্ফালৈ বিয়া দিয়া হৈছিল ডাখামৰ ভনীয়েকক।

লেংডন দেৱতাসকলৰ ৰাজ্যলৈ নামি আহি তাতে ৰজা হৈছিল। তালৈ 'এৱয়াপুলক পঠিয়াই দিয়া হৈছিল বাবে 'জাদিপ' (অৰ্থাৎ অমৰৰ দেশ) নাম হ'ল। তেওঁক আঠ লক্ষ বজ্ৰ আৰু বিজুলীৰ অধিপতি পতা হ'ল । চাও ডাখামৰ চেংটাওন্যোন্কাইফা থেনখাম নামেৰে এজন পুত্ৰ আছিল । তেওঁ নামি আহি মুংথিলা নামে ঠাইত ৰজা হ'ল। তেওঁৰ নাতিহঁতৰ নাম খুন্লুং আৰু খুন্লাই । তেওঁলোকে এডাল সোণৰ জখলাৰে ধৰালৈ নামি আহি পৃথিৱীত ৰাজত্ব কৰিবলৈ ধৰিলে।

এইদৰে এই ধৰ্মশাস্ত্ৰখনে দেব-দেৱীসকলৰ সৃষ্টি সম্পৰ্কে আৰু ঈশ্বৰে কেনেকৈ পৃথিৱী, আকাশ, পানী আৰু পৰ্বত-পাহাৰ স্ৰজন কৰিলে তাৰ বিতং বিৱৰণ দাঙি ধৰিছে। এই গ্ৰন্থই সৰগত থকা বিভিন্ন দেৱতাই ৰাজত্ব কৰা স্বৰ্গৰাজ্য সমূহৰো আভাস দিয়ে । এই স্বৰ্গৰাজ্যৰ দেৱৰাজ লেংডন সৰ্বশক্তিমান ফ্রা বা ফুৰাৰে বংশধৰ।

যিজন দেৱতাক আহোমসকলে তেওঁলোকৰ সকলো ধৰ্মীয় অনুষ্ঠানতে পূজা কৰে আটাইতকৈ প্ৰসিদ্ধ সেই দেৱতাগৰাকী হ'ল লেংডন। লেংডন আহোমসকলৰ উপাস্য দেৱতা। উপৰোক্ত সৃষ্টি তত্বত লেংডন কোন আৰু তেওঁ কেনেকৈ সৰ্বশক্তিমান ঈশ্বৰৰ বংশধৰ হ'ল তাৰ বিৱৰণ আছে।

এতিয়া দেখা যাওঁক পবিত্ৰ ধৰ্মপুথি 'খেক্-ফি-ফা-নুক লেংডন' আৰু 'লিং খাম্ফি লেংডন লানমুঙ'ত কি আছে। 'খেক্- ফি- ফা-নক লেংডন'ত লেংডন দেৱতাৰ পূজা অৰ্চনাৰ ধৰ্মীয় ৰীতি-নীতিৰ বিশদ বৰ্ণনা আছে। ফা-নুক

লেংডনৰ পূজাৰ বাবে কলগছৰ চাৰিটা স্তম্ভৰ ওপৰত ওখকৈ এটি বেদী সজা হয়। একে লগতে অৰ্চনা কৰা আন দেৱতাসকল হ'ল 'খাওখাম্ ' (জলদেৱতা) 'আই লেংডিন' (পৃথিৱীৰ অধিপতি) আৰু 'জান্‌চাইহুং' (দেৱতা সকলৰ গুৰু)। দেৱতাসকললৈ নৈৱেদ্য বা ভোগ হিচাপে আগবঢ়োৱা হয় চাউলৰ পৰা প্ৰস্তুত কৰা দেশীয় সুৰা, সিজোৱা কল, পকাকল, কোমল চাউল, কুঁহিয়াৰ, জুলীয়া মিঠৈ, গুড়, পাণেৰে মেৰিয়াই দিয়া থুৰীয়া তামোল, এথোক গোটা তামোল আৰু ভাত (খাওখেম)। এই আটাইবোৰ দ্ৰব্য এটা ওখ বেদীত অৰ্পণ কৰা হয়। ইয়াৰ লগতে এটা কুকুৰা কাটি তাৰ বুকু, পেট ফালি তাত সিদ্ধ ভাত আৰু সিদ্ধ কণী ভৰাই বেদীত অৰ্পণ কৰা হয়। ফা-নুৰ-লেংডন, আই লেংডিন আৰু লেংডনৰ সাত গৰাকী পুত্ৰৰ (জাকৰুৱা) উদ্দেশ্যে এটি গাহৰি পোৱালি বলিদান কৰা হয় আৰু ফা-নুৰু লেংডনলৈ আগবঢ়োৱা হয় দামুৰী (গৰু পোৱালি) এটিৰ উতলোৱা তেজ।

'লিং খাম্‌ফি লেংডন লানমুং' গ্ৰন্থতো প্ৰাচীন কালৰে পৰা কেনেকৈ ফা-নুৰু লেংডনৰ হলুং হফি সজাই পূজা কৰি অহা হৈছে আৰু তেওঁৰ লগতে দূৰ অতীজৰে পৰাই কেনেকৈ জান্‌চাইহুং, আই লেংডিন, খাওখাম, চিং লামচাম (ফা-নুৰু লেংডনৰ সাতগৰাকী পুত্ৰ) মুটকুম টাইকুম (চন্দ্ৰ সূৰ্য দেৱতা), জাচিংফা (বিদ্যাধিষ্ঠাত্ৰী দেৱীক আহোমসকলে অৰ্চনা কৰি আহিছে তাৰ বৰ্ণনা আছে। এই বিৱৰণমতে কলগছৰ স্তম্ভৰ ওপৰত সজোৱা ওখ বেদীত (মাইহাং) পৱিত্ৰ চিংকাৰা ফুলৰ উপাচাৰ অৰ্পণ কৰি উঠি পৰিষ্কাৰ কলপাতত কটা তামোল-পাণ আগবঢ়োৱা হয়। সেই বেদীতে উচৰ্গা কৰা হয় চিৰা, জুলীয়া গুৰ, মিঠৈ, পকাকল, কুঁহিয়াৰ আৰু সিদ্ধভাত আৰু সিদ্ধ কল। লগতে কলদোনাৰে নিৰ্মিত পাত্ৰত আগবঢ়োৱা হয় চাউলৰ পৰা দেশীয় ভাবে প্ৰস্তুত কৰা সুৰা। পিছত এটা কুকুৰা চৰাই বুকু ফালি বলি দিয়া হয় আৰু তাৰ বুকুৰ ভিতৰত সোমোৱাই দিয়া হয় ভাত আৰু সিদ্ধ কণী । তিনি আখি পকা কল, কটা তামোল, চাউল আৰু তিনিটা পাতিহাঁহৰ কণীও 'খাও -খাম'ৰ উদ্দেশ্যে আগবঢ়োৱা হয়।

এইবাৰ আমি 'ফুৰা লুং পুথি'খনত নো কি আছে তাকে বিশ্লেষণ কৰিবলৈ লৈছো। এই পুথি খনতো সৰ্বশক্তিমান ঈশ্বৰ 'ফা ট্যা-চিং-ফ্ৰং-হুম্-এ কেনেকৈ বিশ্ব ব্ৰহ্মাণ্ডখন সৃজন কৰিলে তাৰ প্ৰায় একে ধৰণৰ কাহিনীয়েই পোৱা যায়। এই কাহিনী মতে ঈশ্বৰে (ফ্ৰা) সোণ বৰণীয়া দুটি মকৰা ফু-কাও-খাম্ সৃষ্টি কৰিলে। সিহঁতে আঠটা স্তম্ভ সাজি উলিয়ালে আৰু সিহঁতৰ বিষ্ঠাৰ পৰাই সৃষ্টি হ'ল আমাৰ এই পৃথিৱীখন। তাৰ পিছত সিহঁতহাল ৰতিক্ৰিয়াত মিলিত হ'ল আৰু দেৱ-দেৱীসকল, মানুহ আৰু পশু-পক্ষী, জড় আৰু জৈৱ সকলো বস্তুকে সৃষ্টি কৰিলে।

'মুং- ফি'ত কোনো শাসনকৰ্তা নাছিল। 'পুক-ফি' নামে এগৰাকী দেৱতাৰ আৱিৰ্ভাৱ হ'ল আৰু তাত ৰাজত্ব কৰিবলৈ ধৰিলে। কিন্তু তেওঁৰ শাসনকাৰ্য্যই অন্যায় আৰু অনিয়মৰ সূচনা কৰিবলৈ ধৰিলে। তেতিয়া হেন্ পুট্খিঙে ফুৰা অৱতাৰ পৰিগ্ৰহ কৰিলে আৰু মুং-ফিৰ ৰজায়ো তেওঁৰ শাসনকাৰ্যত ফুৰাৰ পথ অনুসৰণ কৰিবলৈ ল'লে। এই ঘটনাই দেৱতাসকলৰ ৰাজ্য সমূহৰ মাজত একতা আৰু সংহতি স্থাপিত কৰিলে।

"ফুৰা' পুথিসমূহে প্ৰধানকৈ 'নেমিমাং ফুৰা' পুথি খনত ফুৰা'ৰ অৱতাৰ ধাৰণাৰ কথাই প্ৰাধান্য লাভ কৰিছে। এই কথাই বৌদ্ধ জাতক সমূহৰ কথা (য'ত ভগবান বুদ্ধৰ অৱতাৰৰ কথা কোৱা হৈছে) আমাক সোঁৱৰাই দিয়ে। কাহিনীটো এনেকুৱা নেমি মাং ফুৰাই যাও চেং বং ফুৰা নাম লৈ বিথিলাত ৰাজত্ব কৰিছিল। নেমি মাংফুৰাই মানুহক সৰ্বশক্তিমান ঈশ্বৰৰ বিষয়ে (ফ্ৰা বা ফুৰা) ধৰ্মশিক্ষা দিছিল) নেমি মাং ফুৰাৰ দৰে 'মুংফি'ত ৰাজত্ব কৰা লেংডনেও একেই ফুৰা -নীতি সাৰোগত কৰি চলিছিল। লেংডনৰ পিছত ঙিৰেং লেংডনে মুং-ফি শাসন কৰিছিল। তেৰোঁ ফুৰা-নীতি সমূহকে মানি চলিছিল। 'খুন য়েউ নাঙ'লৈকে আঠ লাখ চল্লিশ হেজাৰ বছৰ লেংডনে মুং-ফি শাসন কৰিছিল। ফুৰা দেৱতাকে সকলো জীৱৰ আদি দেৱতা হিচাপে তেওঁ গণ্য কৰিছিল আৰু সেই বাবে তেওঁৰ ৰাজ্যত সদায়েই শান্তি আৰু শৃঙ্খলা বিৰাজ কৰিছিল।

ফুৰালুং হৈছে জীৱনৰ সদাচাৰ আৰু সৎ নীতি সমূহৰ অৰ্চনা আৰু ই মানুহৰ সততা আৰু মহত্বক মূল্য দিয়ে । প্ৰবাদ আছে যে চাওলুং ছ্যু-কা-ফাই তেওঁৰ লগত ফুৰালুং শাস্ত্ৰখন (নোম মাং ফুৰা) লৈ আহিছিল আৰু তেওঁৰ পুত্ৰ ছ্যু-তেও-ফাৰ ৰাজত্ব কালত বিশিষ্ট পণ্ডিত চেং কা লুক ম' ছাইৰ পুত্ৰ টেংৰাই মো'ছাইয়ে চতুৰ্দ্দশ শতিকাত 'ফুৰালুং' পুথি ৰচনা কৰিছিল ।

এই ধৰ্মশাস্ত্ৰখনত কোৱা হৈছে যে আদিতে ফুৰাৰ কোনো ৰূপ বা আকাৰ নাছিল কিন্তু তেওঁ এক উজ্জ্বল অগ্নিশিখাৰ দৰে মহাশূন্যতে জিলিকি আছিল। এই শাস্ত্ৰত এশ এগছি বন্তি প্ৰজ্বলনৰ কথাও উল্লেখ আছে আৰু কোৱা হৈছে যে আনকি ফা-নুৰু-লেংডনেও ওখ বেদীত এশ এগছি বন্তি জ্বলোৱা কাৰ্য্যৰ প্ৰশংসা কৰিছে। ফুৰালুং পূজাত পবিত্ৰ 'পাক পেঁঞ কা কা' ধৰ্মশাস্ত্ৰখন বেদীত প্ৰতিষ্ঠা কৰি এশ এক গছি বন্তি জ্বলোৱা হয়। এটা অতি পবিত্ৰ পৰিৱেশ সৃষ্টি হয় আৰু সকলো মানুহে তাতেই সৰ্বশক্তিমান ঈশ্বৰৰ (ফুৰা) ওচৰত দুখ-শোক, অপায় অমংগল, অসৎ অভিপ্ৰায়ৰ পৰা উদ্ধাৰ কৰি শান্তি প্ৰদান কৰিবলৈ প্ৰাৰ্থনা জনোৱা হয়। সংক্ষেপতে ক'বলৈ হ'লে ফুৰালুং পূজাৰ অৰ্থাৎ হ'ল ফুৰা দেৱতালৈ শ্ৰদ্ধাৰ্ঘ্য আগবঢ়োৱা, মহান আলঙলৈ সেৱা জনোৱা । এইটো স্পষ্টকৈ কোৱা হৈছে যে পবিত্ৰ পাক পেঁঞ কা কা গ্ৰন্থখনত ফুৰা অন্তৰ্নিহিত হৈ আছে আৰু ফুৰা হ'ল জ্ঞান প্ৰদায়ক শক্তি । গতিকে অতি বিনম্ৰভাৱে আৰু কোনো ৰক্তপাত জনিত বলি বিধান নোহোৱাকৈ ফুৰা পূজা কৰিব লাগে।

'ৰিক্ খ্বন পুথিত 'ৰিক্খ্বনৰ (আয়ুস বৃদ্ধি) আৱশ্যকীয় অনুষ্ঠানৰ ৰীতি নীতিৰ বিতং বিৱৰণ পোৱা যায়। এই ধৰ্মীয় অনুষ্ঠানটো পৰিয়ালৰ মঙ্গলাৰ্থে ঘৰে ঘৰে পতা হয় যদিও সমূহীয়াভাৱেও উদ্‌যাপন কৰা হয়। আহোম ৰজাসকলৰ ৰাজত্ব কালত ভিন্ ভিন্ সময়ত ৰিক্-খ্বন' উদ্‌যাপন কৰা হৈছিল। ৰজাৰ অভিষেকৰ সময়ত বা ৰজাই যুদ্ধ জয় কৰিলে, অথবা কিবা অপায়-অমঙ্গলৰ ভৱিষ্যৎবাণী থাকিলে ৰজাই ৰাজহুৱাভাৱে এই অনুষ্ঠান পাতিছিল। আহোম ৰজাসকলে কোনো যুদ্ধত বিজয় লাভ কৰিলে ৰজা -প্ৰজা সকলোৰে মঙ্গল কামনা কৰি যুদ্ধ জয় কৰি পোৱা সামগ্ৰী সমূহ চৰাইদেওৰ পূজা থলীলৈ

(দেওশাল) নি এই অনুষ্ঠান উদ্‌যাপন কৰিছিল। কোনো লোকক তেওঁৰ অপকৰ্ম জনিত পাপৰ পৰা মুক্ত কৰাৰ উদ্দেশ্যেও ৰিক্-খুন অনুষ্ঠান পতা হয়।

এই ধৰ্মকৃত্যত দেৱদেৱীৰ উদ্দেশ্যে ভোগ উচৰ্গা কৰা হয় আৰু তাত 'য়া-পুলক' (অমৃত) ছটিয়াই দিয়া হয়। পুৰোহিত সকলে দেব-দেবীসকলৰ মন্ত্ৰ গায় আৰু কুকুৰা চৰাই এটা বলিদান কৰে। তাৰ পিছত কুকুৰাটোৰ পাখিবোৰ জুইত পুৰি বুকুখন ফালি নাড়ী ভুৰুবোৰ উলিয়াই পেলায়। তাৰ পিছত সৰিয়হৰ তেল, নিমখ, মিহিকৈ বাতিলোৱা আদা সানি কুকুৰাটো জুইত সেকি দেৱতাসকলৰ উদ্দেশ্যে ভোগ হিচাপে ওখ বেদীত অৰ্পণ কৰা হয়। সেই কুকুৰাটোৰ ওপৰতে ভাতৰ টোপোলা আৰু সিদ্ধ কণী উচৰ্গা কৰা হয়। কুকুৰাটোকো আহাৰ খুওৱাৰ প্ৰতীক হিচাপে অলপ ভাত দিয়া হয়। আহোম পুৰোহিতসকলে যথাবিহিত মন্ত্ৰধ্বনিৰে এই ভোগৰ সামগ্ৰীসমূহ দেৱতা সকলৰ উদ্দেশ্যে আগবঢ়ায়।

এই অনুষ্ঠানৰ অন্তত পুৰোহিত সকলে দেৱতাসকলক বিসৰ্জন (বইটাং) দিয়ে। বিসৰ্জনৰ পিছত উপাসক আৰু অতিথিসকলক পূজাৰ ভোগ আৰু পানীয়ৰে আপ্যায়ন কৰা হয়।

এই পূজা সম্পন্ন কৰাৰ বাবে পুৰোহিতসকলে সাধাৰণতে কলপাতত উপবেশন কৰে। উপাসক সকলক (অৰ্থাৎ পৰিয়ালৰ লোক বা যিয়ে পূজা আগবঢ়াইছে) বহিবলৈ একো দিয়া নহয়। তেওঁলোকে প্ৰাৰ্থনা কৰাৰ বাবে আঁঠু লৈ থাকিব লাগে।

'ডাম ফি চি ফুন ক্বা ৰিক্ খুন' বিধিত লাংকুৰীৰ উপৰিও জ্ঞানচাইহুং, লাৰেং, লেংডন আৰু জাচিংফাৰ উদ্দেশ্যে আগবঢ়োৱা পূজাৰ বিস্তৃত ৰীতিৰ বৰ্ণনা প্ৰথম স্তৱত দিয়া আছে। দ্বিতীয় স্তৱত ডামসকললৈ (মৃতকৰ আত্মা) পূজা আগবঢ়োৱাৰ নিয়ম । পূজাৰীসকলে প্ৰথমে দেৱ-দেৱীসকলক আৱাহন কৰি পূজাৰ উপাচাৰ আগবঢ়ায়। তাৰ পিছত 'ডাম-ফি' সকলক মৃতক অৰ্থাৎ 'ঘাই-ডাম' (প্ৰধান মৃতক দেৱতা )' চিৰেন-ডাম' (সামূহিক মৃতক দেৱতা) আৰু ' ন-ডাম' (ন-মৃতক দেৱতা), সাধাৰণতে পিতৃ-মাতৃৰ ডামক পূজা দিয়া

হয়। শেষত পূজাৰীসকলে পানী ছটিয়াই দেৱতাসকলক বিসৰ্জন (বইটাঙ) দিয়ে।

"নাংখা উম্‌ফা পুথিত" উম্‌ফা' পূজাৰ ৰীতি-নীতি সম্পৰ্কে বিতং বিৱৰণ আছে। উম্‌ফা পূজাৰ প্ৰচলন প্ৰথম কেনেকৈ হ'ল ইয়াত উল্লেখ আছে। নিজৰ ৰাজ্যৰ আহোম আৰু মৰাণ, বৰাহী, চুতীয়া আদি অনা-আহোম লোকসকলৰ মাজত সংহতি আৰু সম্প্ৰীতি স্থাপনৰ উদ্দেশ্যে চাওলুং ছ্যু-কা-ফাই পৰম্পৰাগত আহোম দেৱ-দেৱীৰ উপৰিও স্থানীয় লোকৰ উপাস্য দেৱ-দেৱীসকলক অন্তৰ্ভূক্ত কৰি এই পূজাৰ প্ৰচলন কৰিছিল। উম্‌ফা পূজাত অৰ্চনা কৰা আহোম দেৱতাৰ উপৰিও স্থানীয় দেৱ-দেৱী আৰু প্ৰান্তীয় দেৱতাক পূজা কৰা হয়।

এই পূজাত আহোমৰ উপাস্য দেৱতা ফা-নুৰু-লেংডনৰ উদ্দেশ্যে আগবঢ়োৱা হয় (বলিদান কৰা হয়) বগা দমৰা/দামুৰী আৰু স্থানীয় দেৱ-দেৱীসকলৰ উদ্দেশ্যে বলি দিয়া হয় কুকুৰা, ছাগলী,গাহৰি, কুকুৰ, ম'হ, হাঁহ আদি। যেতিয়া এই পূজা কেৱল কোনো এক পৰিয়ালৰ/গৃহস্থৰ মঙ্গলৰ কাৰণে কৰা হয় তেতিয়া কেৱল আই ন- ভনী,সৰু বাউলী, বৰ বাউলী, অঘৰী বাউলী আৰু ডংডঙীয়া, গোসাঁনী এই দেৱী কেইজনাৰহে পূজা কৰা হয়। ভিন্ ভিন্ স্থানত গোসাঁনীক ভিন্ ভিন্ নাম দিয়া হৈছে, যেনে ধানৰ ভঁৰালত লখিমী, চোতালৰ পিছফালৰ বাৰীত 'নাং চিচাও', আলিবাটৰ দাঁতিত বাটৰ গোসাঁনী, ঘৰৰ ভিতৰত 'সুবচিনী' আৰু নদীৰ পাৰত জলদেৱতা 'খাওখাম'ৰ পত্নী। এই বিধিৰ পৰা এই কথা স্পষ্টকৈ ক'ব পাৰি যে প্ৰথম অৱস্থাত অসমত আহি আহোম সকল শক্তি পূজা বা দেৱীপূজা পদ্ধতিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ পৰিছিল কিয়নো এই দেশৰ প্ৰাচীন বাসিন্দাসকল প্ৰধানকৈ চুতীয়া, বৰাহী, মৰাণ আৰু কছাৰীসকল এই অঞ্চলৰ আটাইতকৈ শক্তিশালী দেৱীৰূপে চিহ্নিত কেঁচাইখাতী বা বুঢ়ী গোসাঁনীৰ উপাসক আছিল। এইটো কোনো আশ্চৰ্যৰ বিষয় নহয় যে ছ্যু-কা-ফাই দেশৰ এই অঞ্চলত প্ৰবাসী জীৱন অতিবাহিত কৰা কালত অঞ্চলটোৰ জাতি -উপজাতি সমূহৰ মাজত ঐক্য আৰু সংহতি স্থাপনৰ উদ্দেশ্যে স্থানীয় লোকসকলৰ উপাস্য দেৱ-দেৱীসকলকো নিজৰ উপাসনাৰ বাবে গ্ৰহণ

কৰিব লগা হৈছিল। কিয়নো তেওঁ উপলব্ধি কৰিছিল যে প্ৰধান ধৰ্মীয় আচাৰবোৰ গ্ৰহণ নকৰাকৈ সমাজত ফলপ্ৰসূ ঐক্য সংহতি সাধন কৰাটো সম্ভৱ নহয়। ছু-কা-ফাই জনসমাজৰ মানসিকতা অতি সুন্দৰকৈ বুজিব পাৰিছিল আৰু সেই কাৰণেই তেওঁ ইমান সাফল্য লাভ কৰিব পাৰিছিল।

'নাং-হুন-ফা'ত ম'লুং গুৰু 'কনজানফাৰ' জীয়াৰী নাং হুন ফাৰ লগত লেংডনৰ বিবাহ উৎসৱৰ বৰ্ণনা আছে। গুৰু ম'লাওগ্ৰীৰ নেতৃত্বত লেংডন কেনেকৈ নাং-হুন-ফ্ৰাৰ পাণি প্ৰাৰ্থী হ'ল আৰু সেই বিবাহ অনুষ্ঠান কেনেধৰণে সম্পন্ন কৰা হ'ল তাৰ বিৱৰণ ইয়াত আছে।

'চক্‌লং' গ্ৰন্থখনত বিবাহ অনুষ্ঠানৰ বিভিন্ন ৰীতি-নীতিৰ বিশদ বৰ্ণনা আছে। চক্-লঙত মৰল প্ৰস্তুত কৰাটো অতি আৱশ্যকীয় বিষয়। এই মৰল সৰলৰৈখিকো হ'ব পাৰে ; অথবা পদুমৰ আকৃতিৰ হ'বও পাৰে। সাতটা ৰঙেৰে এই মৰল সজোৱা হয়। মৰলৰ চাৰিওটা দিশ আঠটা সৰু কলপুলিৰে আবৃত কৰা হয়। তাৰ পিছত পুৰোহিতৰ মন্ত্ৰধ্বনিৰ লগে লগে এশ এগছি বন্তি প্ৰজ্বলন কৰা হয়। ফুল, চাউল আৰু পাণেৰে চাৰিখন পিতলৰ শৰাই সজোৱা হয়। তাৰে এখনত এখন হেংদান স্থাপন কৰা হয়। দৰা আহি পোৱাৰ লগে লগে আদৰি আনি মৰলৰ ওচৰত বহুওৱা হয় আৰু তাৰ পিছত কইনা গৰাকীক সেই ঠাইলৈ আনি দৰাৰ ওচৰত বহুওৱা হয়। পুৰোহিত সকলে লাংকুৰী, জান-চাইহুং, ফা-নুৰু-লেংডন্ আৰু জাচিংফাক আৰাধনা কৰি মন্ত্ৰপাঠ কৰে তাৰ পিছত কইনাৰ পিতৃয়ে (অথবা, পিতৃৰ অনুপস্থিতিত তেওঁৰ পুৰুষ অভিভাৱকে) আনুষ্ঠানিকভাৱে বৈবাহিক সূত্ৰে কইনাজনীক দৰাৰ হাতত সমৰ্পণ কৰে। পুৰোহিত আৰু দৰা -কইনাই দেৱতাসকলৰ উদ্দেশ্যে মৰলত ফুল আৰু চাউল দি অৰ্চনা কৰে। মহিলা সকলে উৰুলি ধ্বনি কৰি দৰা কইনাৰ মঙ্গল কামনা কৰে। তাৰ পিছত কইনাই হেংদানখন দৰাৰ হাতত তুলি দিয়ে। তেওঁ দৰাক পবিত্ৰ পোছাক এসাজো দিয়ে। পুৰোহিত আৰু বিবাহ-মণ্ডপত গোটখোৱা বুঢ়া মেথা সকলে দৰা-কইনাক আশীৰ্বাদ দিয়ে। বৈবাহিক তথা দাম্পত্য জীৱনৰ ব্যৱহাৰিক দিশ সম্পৰ্কে তেওঁলোকে দৰা কইনাক উপদেশো দিয়ে।

তেওঁলোকে দুয়োটা পৰিয়ালৰ উপৰি পুৰুষসকলৰ কথাও দোহাৰে, তেওঁলোকে সৰগৰ দেৱতা লেংডনৰ লগত নাং হুন্ ফাৰ পৱিত্ৰ বিবাহৰ কাহিনীও কৈ শুনায়।

এইদৰেই আহোম ধৰ্মশাস্ত্ৰ সমূহত তেওঁলোকৰ পৰম্পৰাগত ধৰ্মীয় ৰীতি-নীতি সম্পৰ্কে বিস্তৃত নিৰ্দ্দেশনা পোৱা যায়। কিন্তু এই ৰীতি-নীতি সমূহ পালনৰ বাস্তৱ পন্থা আৰু বিস্তৃত পদ্ধতিসমূহ ব্যক্তিগতভাবে পৰ্য্যবেক্ষণ কৰিলেহে আহোম সকলৰ মাজত প্ৰচলিত ধৰ্মীয় প্ৰথাসমূহৰ মাজত থকা সূক্ষ্ম পৰিৱৰ্ত্তনবোৰৰ বিষয়ে জানিব পাৰি। এই ৰীতি-নীতি সমূহৰ সৈতে বিজড়িত ধৰ্মীয় ধাৰণা আৰু সেইবোৰ কাৰ্য্যতঃ পালন কৰাৰ বাধ্যবাধকতাই আহোমসকলৰ ধৰ্মীয় দৰ্শনৰ ভেটি প্ৰস্তুত কৰিছে। এই অধ্যয়নত আমি এই ধৰ্মীয় আচাৰ সমূহ পালনৰ বাস্তৱ পদ্ধতি আজি যি ভাবে প্ৰচলিত হৈ আছে তাৰ ওপৰতহে গুৰুত্ব দিব বিচাৰো। এই প্ৰথাবোৰ দৰাচলতে তাই আহোম পুৰোহিত শ্ৰেণীৰ ঘৰে ঘৰে যথাৰীতি পালিত হৈ আছে বাবে আমি তেওঁলোকৰ ঘৰত পালন কৰা ধৰ্মীয় ক্ৰিয়া কাণ্ডৰ ওপৰতে সৰ্বাধিক গুৰুত্ব দিম। এই ক্ষেত্ৰত আহোম পুৰোহিত সম্প্ৰদায়েই (মহুং, চাংবুন, মপ্লং অৰ্থাৎ মহন, দেওধাই, বাইলুঙসকলেই) প্ৰাচীন ধৰ্মশাস্ত্ৰ সমূহৰ আধাৰত বিভিন্ন পূজা/পাৰ্ব্বনৰ ৰীতি-নীতি সমূহ নিৰূপণ কৰে। সঁচা অৰ্থত তেওঁলোকেই এই ৰীতি-নীতিবোৰ কঠোৰভাৱে পালন কৰি আহিছে। মে-ডাম-মে -ফি আৰু চক্-লং আদিৰ দৰে অনুষ্ঠানৰ বাবে তাই আহোমৰ অন্য লোকেও পুৰোহিতৰ কাম কৰিব পাৰে। কিন্তু মহন, দেওধাই আৰু বাইলুঙ সকলহে প্ৰকৃতাৰ্থত নীতি কঠোৰ ধৰ্মনেতা আৰু সকলো বিষয়তে তেওঁলোকৰ কথাইহে শেষ কথা অৰ্থাৎ চূড়ান্ত সিদ্ধান্ত। সেই কাৰণেই আহোম সমাজত তেওঁলোকৰ স্থান বৰ গুৰুত্বপূৰ্ণ।

এতিয়া পৰম্পৰাগত আহোম গাঁওবিলাকত আৰু পৰম্পৰাগত ৰীতি-নীতি মনা আহোম পৰিয়ালত এই ধৰ্মীয় অনুষ্ঠান তথা ৰীতি-নীতিবোৰ কেনেধৰণে পালন কৰা হয় তাৰে সন্ধান কৰোচোন।

আমি ভাবো যে কোনো লোকেই ব্যক্তিগতভাবেই হওঁক বা

সমূহীয়াভাবেই হওঁক আন্তৰিক বিশ্বাস নোহোৱাকৈ অৰ্থব্যয় কৰি ধৰ্মীয় অনুষ্ঠান পালন নকৰে। তলত বৰ্ণনা কৰা ধৰ্মীয় ক্ৰিয়াকাণ্ড তথা ৰীতি-নীতিবোৰ আহোম গাঁওসমূহত বিশেষকৈ দেওধাই, মহন, বাইলুঙৰ গাঁৱত পৰম্পৰাগতভাৱে পালন কৰা হয় আৰু দিনে দিনে ক্ৰমান্বয়ে অধিক লোক এই অনুষ্ঠানসমূহৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰিছে।

আহোমসকলৰ মাজত ব্যাপকভাবে উদ্‌যাপিত আটাইতকৈ গুৰুত্বপূৰ্ণ ধৰ্মীয় অনুষ্ঠানটো হৈছে মে-ডাম-মে-ফি । এই গুৰুত্বপূৰ্ণ ধৰ্মীয় অনুষ্ঠানটোৰ আলোচনা আমি দুটা ভাগত কৰিব বিচাৰো (১) পাৰিবাৰিক বা পৰিয়াল কেন্দ্ৰিক ডাম পূজা (কোনো এক পৰিয়ালৰ পূৰ্বপুৰুষসকলৰ পূজা) আৰু (২) ৰাজহুৱা মে-ডাম-মে-ফি (সকলো পূৰ্বপুৰুষৰ ৰাজহুৱা পূজা)

## পৰিয়াল কেন্দ্ৰিক ডাম পূজা ঃ

আহোমসকলৰ পৰম্পৰাগত ধৰ্মমত অনুসৰি কোনো আহোম পৰিয়ালৰ পূৰ্বপুৰুষসকলৰ পূজা কৰাকে পৰিয়াল কেন্দ্ৰিক ডাম পূজা বোলা হয়। এনে ডামপূজাত মৃত পিতৃ-মাতৃ, পিতামহ-মাতামহ আৰু প্ৰপিতামহ- প্ৰমাতামহৰ মৃতক দেৱতাক (ডাম) পূজা কৰা হয়। পিতামহ/মাতামহৰ মৃতক দেৱতাক 'ঘাই ডাম' (অৰ্থাৎ প্ৰধান দেৱতা) বা 'চাওঁ টুং ডাম' বোলা হয়। পিতা মাতাৰ মৃতক দেৱতাক 'ন-ডাম' (অৰ্থাৎ নতুন দেৱতা) বা 'অন-মৌ-ডাম' বোলে। প্ৰপিতামহ/ মাতামহৰ প্ৰেতাত্মাক 'চিৰেণ-ডাম' বোলা হয় আৰু অন্যান্য পূৰ্বপুৰুষসকলক 'জাকৰুৱা ডাম' বা 'ডাম থাও ডাম বাও ডাম লিখা লিখি' বোলে।

আহোমসকলৰ প্ৰধান বাসগৃহৰ একেবাৰে উত্তৰ দিশত অৱস্থিত (অন্তিম মূৰৰ কোঠালি) বান্ধনি ঘৰতে পৰম্পৰাগত আহোম ধৰ্মাচৰণ অনুসৰি কৰা আহোম পৰিয়ালে ডামপূজাৰ স্তম্ভ বা খুঁটা প্ৰতিষ্ঠা কৰে। এই খুঁটাক 'ডাম-খুঁটা (পূৰ্বপুৰুষ মৃতক দেৱতাসকলৰ খুঁটা) বা 'ফো-কাম'খুঁটা বোলা হয়। মহনসকলে পশ্চিমত আৰু দেওধাই-বাইলুঙসকলে পূব দিশত এই খুঁটা প্ৰতিষ্ঠা কৰে।

প্ৰবাদ আছে যে মহনসকলৰ এজনা পূৰ্বপুৰুষ চন্দ্ৰদেৱতাৰ (খুনটুন) বংশধৰ আৰু দেওধাইসকলৰ এজনা পূৰ্বপুৰুষ সূৰ্য দেৱতাৰ (খুন্‌বান) বংশধৰ হোৱা হেতুকে পূজাৰ খুটাও যথাক্ৰমে পশ্চিম আৰু পুবফালে প্ৰতিষ্ঠা কৰা হয়। নিজ নিজ ডাম খুটাৰ ফালে ভৰি মেলাটো এৰাই চলাৰ উদ্দেশ্যে মহনসকলে বিচনাত পশ্চিমৰফালে মূৰ থৈ আৰু দেওধাইসকলে পূবৰফালে মূৰ থৈ শোৱে।

মৃত্যুৰ তিনিদিন পিছৰ 'তিলনি' আৰু দহদিন পিছৰ 'দহা' অনুষ্ঠান হৈ যোৱাৰ পিছত ঘৰৰ মুখীয়ালজনৰ মৃতক-দেৱতা বা ডামক পূৰ্বপুৰুষৰ স্তম্ভ বা খুটাত প্ৰতিষ্ঠা কৰা হয়। মৃত্যুৰ পিছৰ দশমদিনটোত 'ন-ডাম'ৰ উদ্দেশ্যে মাইকী কুকুৰা (প কৰি) মধুৰী গছৰ ডালেৰে মাৰি আৰু অন্যান্য সামগ্ৰী আগবঢ়াই 'খেন-খাও' অনুষ্ঠান সম্পন্ন কৰিহে নতুন পুৰুষৰ মৃতক দেৱতাক 'ন-ডাম' হিচাপে প্ৰতিষ্ঠা কৰা হয়।

আহোমসকলৰ এটা লোকবিশ্বাস আছে যে মানুহৰ আত্মাৰ দুই ধৰণৰ অস্তিত্ব আছে; তাৰে এটাক কোৱা হয় 'পু' আৰু আনটোক কোৱা হয় 'ফু বা 'হান্' । শিশুৱে মাতৃগৰ্ভত থকা অৱস্থাতে পিতৃৰ পৰা আত্মাৰ যি চৈতন্য পায় তাকেই 'পু' বোলা হয়। আনহাতে জন্মৰ লগে লগে শিশুৱে যেতিয়া বায়ু, মাটি, পানী, পোহৰ আৰু শব্দৰ সংস্পৰ্শলৈ আহে,তেতিয়াই আত্মাৰ 'ফু'বা' বা 'হান' ৰূপটো প্ৰকট হয়। জন্মৰ সময়তে আত্মাৰ দুয়োটা ৰূপৰ মিলন হয়। কিন্তু কোনো লোকৰ মৃত্যু হোৱাৰ লগে লগে আত্মাৰ 'পু' ৰূপটোৱে 'ডাম-খুটা'ত অৱস্থান লয় আৰু পৰিয়ালটোৰ পূৰ্বপুৰুষ হিচাপে ডাম পূজা পোৱাৰ যোগ্যতা অৰ্জন কৰে। তিনি পুৰুষৰ পিছত আত্মাৰ এই 'পু' অংশই 'ফি' অথবা 'দেৱতা' ৰূপে মুক্তি লাভ কৰে আৰু 'উম্-ফা 'চাই-ফা আদি পূজাত অৰ্চনাৰ যোগ্য দেৱতা হিচাপে বিবেচিত হয়। আনহাতে আত্মাৰ 'ফু' বা 'হান' ৰূপটোক সুন্দৰকৈ এটা মৈদাম সাজি মৃতদেহৰ লগতে সমাধিস্থ কৰি চিৰশান্তিৰ স্থান কৰি দিয়া হয়। মৃতদেহ পাল্কী বা শৱাধাৰত অৱস্থান কৰাই মাটিত সমাধিস্থ কৰা হয় আৰু সমাধিৰ চাৰিওফালে তামোল গছৰ মজবুত বেৰ সজাই দিয়া হয়। এই

বেৰৰ চাৰিওফালে সৰিয়হ আৰু অন্যান্য শস্য সিঁচি দিয়া হয়। আত্মাৰ 'ফু' বা 'হান' ৰূপটো আহোম সংস্কাৰ অনুসৰি পাৰ্ক্ষী বা শৱাধাৰত স্থাপন কৰি মৈদামত সমাধিস্থ কৰা মৃতদেহৰ সৈতে একীভূত হৈ পৰে। লোক বিশ্বাস আছে, আত্মাৰ 'ফু বা 'হান' ৰূপটো কেইবছৰমানৰ পিছত প্ৰকৃতিৰ লগত বিলীন লৈ যায়। সেই কাৰণেই পৰিয়ালৰ লোকসকলে মৃতকক মৈদাম দিয়াৰ সময়ত এই আশা পোষণ কৰে এই আত্মাটো তেওঁলোকৰ প্ৰতি সন্তুষ্ট হৈ এই পৃথিৱী এৰি গুচি যায় যেন।

পাৰিবাৰিক ডাম পূজাত যে কেৱল পৰিয়ালটোৰ ঘনিষ্ঠ উপৰিপুৰুষ সকলৰহে পূজা হয় তেনে নহয়, বৰঞ্চ এইসকলৰ লগতে স্বৰ্গৰ দেৱ-দেৱী যেনে- লাংকুৰী, স্বৰ্গৰ পুৰোহিত জানচাই হুং, সৰগৰ দেৱতা ফা-নু-ৰূ-ল্যেগুডন, জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী আই -চাং-ছিং জাছিংফা, ফী-লাম্যেঙ্ আদিৰো পূজা হয়।

'খেন্-খাও' অনুষ্ঠান পতাৰ আগতে পৰম্পৰাগত সংস্কাৰত বিশ্বাসী পৰিয়ালবোৰে পাৰিবাৰিক ডাম পূজা বছৰত এবাৰকৈ পাতে। এই ডাম পূজাত ব্লক-ছিং-ফা (চিংকাৰা) ফুল ব্যৱহাৰ কৰা হয়। প্ৰতি গৰাকী দেৱতাৰ বাবে বাঁহেৰে একোখনকৈ ওখ বেদী সজোৱা হয়। ইয়াকে ফুন বা মেহেঙা বোলে। লাংকুৰী আৰু জান চাই হুঙৰ বাবে একেখন বেদীৰে দুটা পৃথক ভাগত পূজাৰ উপাচাৰ আগবঢ়োৱা হয়। লাংকুৰীৰ কাৰণে আগবঢ়োৱা হয় (ব্লক জঙ) লখিমী ফুলেৰে জপা কটা তামোল। চাউলেৰে প্ৰস্তুত কৰা দেশীয় সুৰা, সৰিয়হৰ তেল, আদা আৰু নিমখ মিহলোৱা আৰৈ চাউল। জান্-চাই হুঙৰ বাবে সেই একেখন ওখ বেদীতে আগবঢ়োৱা হয় চিংকাৰা ফুলেৰে মেৰিওৱা দুখন কটা তামোল, সোমৰস (লুকলাও) দুটা পাত্ৰ আৰু চাউল। জান চাই হুঙৰ পিচতে ফী লাৰেঙৰ আসন প্ৰতিষ্ঠা কৰা হয়। এই আসন ফুনত কলপাতৰ পিঠি ওপৰলৈ পাৰি ব্লক জঙৰ (লখিমী ফুলৰ) কূপকৰা বা জপা তামোল এখন দ্ৰব্য এভাগি দিয়া হয়। সেইদৰে লেংডনৰ বাবে আগবঢ়োৱা উপাচাৰ সমূহ হ'ল - চিংকাৰা ফুলেৰে মেৰিওৱা কটা তামোল, ফুলৰ ওপৰত তিনিখন, বেদী বা তলত এখন, ফুলৰ ওপৰত লুকলাওৰ ঠোলা তিনিটা ফুলৰ তলত এটা থুল।

নিমখ, মিঠাতেল, আদা মিহলোৱা আৰৈ চাউল। জাচিংফালৈ আগবঢ়োৱা হয় চিংকাৰা ফুলেৰে আৱৰা তিনিখন কটা তামোল, চাউলৰ পৰা প্ৰস্তুত কৰা লুকলাওৰ ঠোলা তিনিটা মিঠাতেল, আদা, নিমখ মিহলোৱা আৰৈ চাউল। এই আটাইবোৰ উপাচাৰ যথাস্থানত অৰ্পণ কৰি পুৰোহিতে চিংকাৰা ফুল তিওৱা পানী ছটিয়াই পৰিয়ালৰ আটাইবোৰ লোককে পৱিত্ৰ কৰি লয়। তাৰ পিছত প্ৰতি গৰাকী দেৱ-দেৱীৰ গুৰুত্বৰ বিষয়ে আহোম ভাষাতে ব্যাখ্যা কৰে আৰু দেৱ-দেৱীসকলক আৱাহন কৰে। আহোম ভাষাত ইয়াকে 'আওটাং বোলে। পুৰোহিতে ইয়াৰ পিছতে লাং কুৰীক আৱাহন কৰি এইদৰে মন্ত্ৰধ্বনি কৰে "চাও নুৰু চাও কাও অ'ই । খুন থাও ন্যেউ লাং-কুৰী,প-ফী-খ্ৰা মে-ফী-এ্ৰেউ। টা খ্যুন বা থ্যুং খ্ৰু । তেউফা বা ম্যুং ন্যেন । জিম্ মউ ফুন্ দিন বউ মী এ্ৰা' ইত্যাদি । তাৰ পিছত পুৰোহিতে 'মেহেঙা'ত অৰ্পণ কৰা পূজাৰ উপাচাৰসমূহৰ বৰ্ণনা কৰে। এনেকৈ তিনিবাৰ মন্ত্ৰধ্বনি কৰাৰ অন্তত 'কিন্‌টাং' অনুষ্ঠানৰ সামৰণি পৰে। ইয়াৰ পিছত পুৰোহিতে পৰিয়ালটোক আশীৰ্বাদ দিয়ে । ইয়াকে 'জনটাং' বোলে। 'জনটাঙ'ৰ অন্তত মন্ত্ৰধ্বনি কৰি দেৱ-দেৱীসকলক বিসৰ্জন দিয়া হয়। ইয়াকে 'বই-টাঙ্' বোলে । এনেকৈয়ে স্বৰ্গদেৱতাৰ পূজা সম্পন্ন কৰা হয়। এই স্বৰ্গদেউ লাংকুৰী পূজা তাই লাক্নী (তাই আহোম পঞ্জিকা) অনুসৰি 'ডেনচিং' মাহত অৰ্থাৎ আঘোণ মাহত অনুষ্ঠিত কৰা হয়। কিন্তু কেতিয়াবা অন্য মাহতো এই পূজা পতা হয়। সাধাৰণতে ধানখেতি চপোৱাৰ পিছতে এই পূজা পতা হয়। সাধাৰণতে এই স্বৰ্গদেউ পূজাৰ পিছতহে পাৰিবাৰিক ডাম পূজা অনুষ্ঠিত কৰা হয়। 'খেন-খাওঁ' দিয়া পূজা তাই পঞ্জিকা অনুসৰি 'ডেনচিং' (অৰ্থাৎ আঘোণ) মাহত অনুষ্ঠিত কৰা হয়। এই পূজাত কেৱল গৃহস্থৰ 'ডাম'সকলক (উপৰিপুৰুষ সেৱাত) উদ্দেশ্যে কৰিহে পূজাৰ উপাচাৰ আগবঢ়োৱা হয়। ইয়াৰ উপৰিও 'খেন-খাও' উপাচাৰ আগবঢ়োৱা হয় খেতি চপোৱাৰ সময়ত, 'বান্-চেঙ'ৰ (মণ্ডল চোৱাৰ) সময়ত যদিহে কাৰোবাৰ মৃত্যুৰ লগত কিবা অশুভ লক্ষণ জড়িত হৈ পৰে, নতুন ঘৰত গৃহ প্ৰৱেশ কৰাৰ সময়ত আৰু যেতিয়া পৰিয়ালৰ কোনো লোকৰ মৃত্যু হয়। (মৃত্যুৰ দহ দিনৰ

দিনাখন এই উপাচাৰ আগবঢ়োৱা হয়)। 'খেন-খাও' অনুষ্ঠানত ঘাই ডাম, চিৰেণ ডাম, জাকৰুৱা ডাম আৰু ন-ডামক পূজা কৰা হয়। কোনো কোনো পৰিয়ালত অৱশ্যে জাকৰুৱা ডামৰ পূজা কৰা নহয়। কেৱল তিনি উপৰি পুৰুষৰহে পূজা কৰা হয়। ঘাই ডামৰ পূজাৰ বাবে আগবঢ়োৱা সামগ্ৰীসমূহ তিনিটা ভাগত ভাগ কৰি দিয়া হয়। ফলৰ ওপৰত ভাগ দুটা, তলত ভাগ এটা সামগ্ৰী সমূহ হ'ল- চিংকাৰা ফুলেৰে মেৰিওৱা কটা-তামোল দুখন, চাউলেৰে প্ৰস্তুত কৰা দেশীয় (হুমৰস) নাম লাও ঠোলা দুটা আৰু মৰা শাক বা লাইশাক। সেইদৰেই ওপৰত উল্লেখ কৰা উপাচাৰ সমূহ সমান পৰিমাণে লৈ দুটা ভাগ কৰি আগবঢ়োৱা হয় চিৰেণ ডামৰ উদ্দেশ্যে। জাকৰুৱা ডামৰ বাবে আগবঢ়োৱা হয় চাউলৰ পৰা প্ৰস্তুত কৰা দেশীয় (হুমৰস) বা নাম লাও ঠোলা তিনিটা, এখন কটা তামোল আৰু তিনিবিধ শাক-পাচলি। ন-ডামৰ উদ্দেশ্যে ফুলৰ ওপৰত এভাগ তলত এভাগ সকলো দ্ৰব্য আগবঢ়োৱা হয় প্ৰতিগৰাকী ডামৰ (ওপৰত উল্লেখ কৰা) বাবে আগবঢ়োৱা সামগ্ৰীবোৰৰ একোবিধ সামগ্ৰী। ম-হুং পৰিয়ালত ঘাইডামক আসন দিয়া হয় ডাম-খুটাৰ সোঁফালে; আনহাতে দেওধাই আৰু বাইলুং পৰিয়ালত এই আসন দিয়া হয় বাওঁফালে। পুৰোহিতে কলপাত, কলৰ দোনা, ওখ বেদী একেখন ফুন বা মেহেঙা আৰু কল পটুৱাৰ ঠোলা আদি সজাই লৈ চিংকাৰা ফুল তিওৱা পানী ছটিয়াই সকলোবোৰ বস্তু পৱিত্ৰ কৰি লয়। তাৰপিছত ঘাই-ডাম, চিৰেণ ডাম, ন-ডাম আদিৰ বাবে সজোৱা ওখ বেদীত ফুন বা মেহেঙাত পূজাৰ সামগ্ৰীসমূহ অৰ্পণ কৰা হয়। ইয়াৰ পিছতে পুৰোহিতে পৰিয়ালৰ লোকসকলক ঘাই-ডাম, জাকৰুৱা ডাম, ছিৰ্য়েন ডাম, ন-ডাম, ডাম-খাও, ডাম বাও, ডাম লিখাই ফ্চাই মানৰ উদ্দেশ্যে প্ৰণাম কৰিবলৈ কয়। প্ৰেতাত্মা দেৱতাসকলকো পূজা গ্ৰহণ কৰিবলৈ মিনতি জনায়। এই ক্ৰিয়াক 'আও-টাং' কোৱা হয়। প্ৰতিটো বেদীৰ সন্মুখতে কলপাত পাৰি একোজনী মাইকী কুকুৰা আগবঢ়োৱা হয়। কুকুৰাজনী কোবাই মাৰিবলৈ মধুৰী আমৰ সৰু ডাল এটা বা দীঘলতি গছৰ ঠাৰি এডাল ৰখা হয়। মন্ত্ৰেৰে কিনং-টাং মন্ত্ৰ উচ্চাৰণ কৰি কুকুৰাকেইজনী সেই মাৰিডালেৰে কোবাই মাৰে।

তাৰ পিছতে কুকুৰাকেইজনী পানীত উতলাই পাখিবোৰ জুহালত পুৰি পেলোৱা হয়। ইয়াৰ পিছত কুকুৰাকেইজনী ফালি কলিজাটোৰ বাহিৰে ভিতৰৰ বাকীবোৰ বস্তু উলিয়াই পেলাই পৰিষ্কাৰকৈ ধুই সৰিয়হৰ তেল আৰু আদা- নিমখ সানি জুইত সেকা হয়। তাৰ পিছতে কুকুৰাকেইজনীৰ প্ৰতিটোৰে ভিতৰত বৰা চাউল (বা অন্য চাউল) আৰু পছন্দ অনুসৰি শাক-পাচলি ভৰাই দিয়া হয়। পাচলিবোৰ কুকুৰাকেইজনীৰ ঠোঁটেৰে ভৰাই দিয়া হয়। তেনে সময়তে মলুঙে ওপৰত উল্লেখ কৰা দেশীয় (হুমৰস) নামলাও ডাম সকলৰ কাৰণে অৰ্পণ কৰে আৰু কিন টাং মন্ত্ৰ (ভোজন ক্ৰিয়াৰ) উচ্চাৰণ কৰে। প্ৰতিটো উপাচাৰ তাই আহোম ভাষাত প্ৰেতাত্মা- দেৱতা সকলৰ উদ্দেশ্যে উচৰ্গা কৰা হয়। 'চাঙ নায় চাও নু-ৰূ চাও কাও ঐ।" এই মন্ত্ৰ তিনিবাৰকৈ গায় আৰু 'নুক্ টু-ৰাঙ ডাম টী ৰ্‌য়েন ডাম, ডাম নক চক চক্ টাই পিন ডাম' আদি মন্ত্ৰ গাই ঘাই ডামক প্ৰাৰ্থনা কৰা হয়। এইদৰে মন্ত্ৰ উচ্চাৰণ কৰি ভোগৰ সামগ্ৰী আগবঢ়োৱাৰ পিছত চাউলৰ পৰা প্ৰস্তুত কৰা দেশীয় (হুমৰস) নামলাও (পানী মিহলোৱা ৰহিলাও) আগবঢ়াই ভোগ অনুষ্ঠান সম্পন্ন কৰা হয়। তাৰ পিছত পুৰোহিতে পৰিয়ালৰ লোকসকলক আশীৰ্বাদ (জনমিঙ) দিয়ে। ইয়াৰ পিছত মলুংঙে ৰন্ধা মাংসৰ বচা বচা কেইডোখৰমান নিজে ভোজন কৰে। তাৰ পিছতে মলুংঙে 'ব'ই-টাঙ' মন্ত্ৰ (বিসৰ্জন) গায় আৰু চিংকাৰা ফুলেৰে পৱিত্ৰ কৰা পানী তিনিবাৰকৈ ছটিয়াই মেহেঙা (খুন অৰ্থাৎ বেদীবোৰ) কিঞ্চিৎ আগলৈ ঠেলি ডাম পূজাৰ পৰিসমাপ্তি ঘটায়। এইদৰেই কোনো কোনো পৰিয়ালে কেৱল 'খেন্-খাও' অনুষ্ঠান পাতি 'ন-খোৱা' উৎসৱ সম্পন্ন কৰে। কিছুমান পৰিয়ালে আঘোণ (ডেন্‌চিং) মাহত শালি খেতি চপাই 'ন-খোৱা' অনুষ্ঠান পাতে। সেইদৰেই আহু খেতি চপাই ন-খোৱা অনুষ্ঠান পাতে আহাৰ বা শাওণ মাহত।

বসন্ত উৎসৱ ব'হাগ মাহৰ সময়ত পাৰিবাৰিক ডামসমূহৰ পূজা পতা হয়। সেইদৰে কাতিবিহু আৰু মাঘবিহুৰ সময়তো পাৰিবাৰিক ডাম পূজা পতা হয়।

*গৃহস্থৰ বা পৰিয়ালৰ ডামসকলৰ গুৰুত্ব সম্পৰ্কীয় আহোম প্ৰবচনবোৰ হ'ল " ঘৰৰ দেৱে এৰিলে পৰৰ দেওৱে পায়, পৰৰ দেওৱে পালে ফি-চাই নিয়ে*

খায় (অৰ্থাৎ যদি গৃহৰ দেৱতাই ঘৰ এৰি যায় অন্য দেৱতা আহি তাত থিতাপি লয়।) "চালে নেৰাখে বেৰে নেৰাখে, নেৰাখে ত্ৰিদেশৰ দেও ঘৰৰ ডামদেওৱে নেৰাখিলে ৰাখোতা নাই কেও যাৰ থাকে মৃতকৰ সহায়, সাপে নেখায়, বাঘে নেখায়, যমেও থাকে ডৰায়।" "শত্ৰুক ক্ষয় কৰি মিত্ৰক জয় কৰি জোঙোলাক ভোটা কৰি গৃহদেৱে ৰক্ষা কৰি থাকিবা।"

তাই আৰু অসমীয়া ভাষাত গোৱা মন্ত্ৰসমূহৰ পৰা এগৰাকী আহোম ব্যক্তিৰ জীৱনত 'ডাম্-ফিৰ' বিশেষ তাৎপৰ্যৰ বিষয়ে জানিব পাৰি। তাৰে কিছু আভাস, দিয়াৰ উদ্দেশ্যে কিছুমান মন্ত্ৰৰ অৰ্থ তলত উল্লেখ কৰা হ'ল।

এইদৰেই মে-ডাম-মে-ফি হৈছে আহোম সকলৰ ধৰ্মৰ অতি লাগতিয়াল অনুষ্ঠান। প্ৰতিটো মাঙ্গলিক অনুষ্ঠানৰ লগতে এই 'ডাম-ফি' পূজা কৰা হয়। অৱশ্যে 'গৃহ ডাম পূজা' কেৱল আহোম পুৰোহিত সম্প্ৰদায়ৰ মাজতে আবদ্ধ আছে।

আঘোণ মহীয়া ন-খোৱাত অনুষ্ঠিত কৰা ধৰ্মীয় কাৰ্য ডাম ফী পূজা অনুষ্ঠান ভাগিত পাঁচটা অধ্যায়ত মন্ত্ৰ উচ্চাৰণ কৰা হয়।

১। আওতাঙ =মন্ত্ৰ উচ্চাৰণৰ লগতে পূজা ভাগ ল'বলৈ কোৱা।

২। কিনতাঙ = মন্ত্ৰ উচ্চাৰিত কৰাৰ লগতে দ্ৰব্যাদি গ্ৰহণ কৰিবলৈ কোৱা।

৩। জনতাঙ = আশীৰ্বাদ প্ৰদান ও গ্ৰহণ কৰা।

৪। বয় তাঙ = পুৰোহিতে বঢ়া টুটা ক্ষমা বিচাৰি (প্ৰাৰ্থনা) নমস্কাৰ জনায়।

৫। কিনলায় বঘলায়=দ্ৰব্যাদি গ্ৰহণৰ পাচত মুখ 'আওতাঙ' ধুবলৈ কোৱা ও নমস্কাৰ জনোৱা।

চাঙনায় চাওনুন্ধ। চাও কাও ঐ। চাঙ নায় চাওনুন্ধ। চাও কাও ঐ। চাঙ নায় চাওনুন্ধ।

চাও কাও ঐ। নুক তু ৰাঙ ডাম তী ব্যেন ডাম। পূথাও ডাম। মেথাও ডাম। ডাম নক খক চক তাই পিন ডাম। কাছু খয় পিনফী। ছিপমউ পয় পিন ডাম। ছাওমউ পয় পিন ফী। ছাও তুঙ ডাম। মউ চয় কুম। তীতুঙ ডাম। মউ চয় খেঞ। চাঙ নায় চাওনুন্ধ। চাও কাও ঐ। ডাম থাও ডাম বাও কান তী কান ডাম লী খা লী খী ডাম তাঙলায় খাও ঐ। চাঙ নায় চাও নুন্ধ চাও কাও ঐ। পূছীব্যেন তী লিক। জা ছীব্যেন তী জুক। পুতা লাক। জাতালাক। পূ ঐ পূজা জাক জা মন। চাঙ নায় চাও নুন্ধ। চাও কা ঐ। অনমউ ৰাঙডাম তীব্যেন ডাম

। ডাম নক খক চক্ তাই পিন ডাম। কাছু খয় পিন ফী। ছিপমউ পয় পিন ডাম। ছাও মউ পয় পিন ফী। ছাও তুঙ ডাম । মউ চয় কুম । ঙী তুঙ ডাম । মউ চয় খেঞ। চাঙ নায় চাও নুৰু চাও কাও ঐ ।

ৰু পী ম্যোৱ মাথা । না (ফা) (কা) ম্যোৱ মা থ্যোঙ । ৰু পী তাও বাও লা । লা পী তাও বাত ছঙ। দ্যিন ছিপ ছঙ। জাও পয় কা। দ্যিন ছিঙ পয় তাও মা। জাঙ পী মউ মা থ্যোঙ। নাদ্যিন ফাঙ খাত কুন মেথাও । য়ে ছেকছী। তুন খাও আওমা তাই। খ্যেক্লঙ তাম হিত দী এগাপিন হুয় কান। দ্যিন ছিঙ পুহায় লাও। বায়ক্লাঙ ৰ্যেন। ত্যেঙ হায় লাও। বায় ক্লাঙ হুম। মাকমুব অনমউ তঙ অনমউ ফুন অনমউ । লাউ অনমউ । আওতাঙ নাঙ না পাঙ। খাঙ না জাঙ। আও তাঙ নাঙ না পাঙ্। খাঙনা ফুন । তঙমউ কুপতঙ ফা। তঙমউ কুপতঙ বুন । ব্লকছিঙফা। কাৰিঙ চাঙ। ছিঙ ফা কাৰিঙ প্লায় । মাকমুৱ কুপবউপ্লু। ফাক খুদী আঙ চাঙ। ফাকখুদী ল্যেঙ ছাঙ। লুকলাও দ্যেঙ। কাম নাঙ খাম। নাম লাও দ্যেঙ। কাম নাঙ ল্যেত। কায় মে থাও খ্যেঞ খাও। চাঙ নায় চাও নুৰু। চাও কাও ঐ। তীৰ্যেন দায় মান ৰু। কুন পমান মেমান লুকমান লান মান লীখা লীখী পী কায় পীনঙ পিন্ৰা পিনতুক ফিফাছী। চাঙ নায় চাও নুৰু চাও কাও ঐ। চাও ৰ্যেন মান ৰু ম্যে ঙ মউ চয় কুম। লাম্যোঙ মউ চয় খেঞ। বান অক মউ চয় কুম। বানতুক মউচয় খেঞ। তীথ্যেন তীবান মউচয় কুম। চাঙ চয় খেঞ। হুতিম ৰ্যেন। মুতিম খক। কায় তিম লাও। খায় তিম লাক। জীখাও ছঙ ছাম লাঙ। কান্যো কা তেও। প্যোন জনমান কিন মান হেও। ফায়ক্লা তাঙ। জাহেও ডাপ। নাম ক্লাঙ তাঙ। জা হেও খুম। ফামউ খাও কাও জাফা ৰ্যেন। চাঙ নায় চাও নুৰু। চাও কাও ঐ। ৰুপী ৰু বুচেও। লাপী কয়াঙ হেও। কায় মে থাও খেঞ খাও। প কায় দী। খুকায় হেন। মে কায় দী। ৰুম ৰাম চেও। জা কুত নাঙ লাও কাও। জাখু মায় তা ছে। চাঙ নায় চাও নুৰু। চাও ক্লাও ঐ।

**ওপৰৰ তাই আহোম ভাষাৰ শ্লোক মন্ত্ৰৰ ভাবাৰ্থ ঃ- আমাৰ উপৰি পিতৃ পিতামহসকল ঘাইডাম, জাকৰুৱা ডাম, চিৰেণ ডাম ন-ডাম; আগেয়ে আছিলা মনিচ, এতিয়া হ'লা দেও, ভৱনদী পাৰ হৈ নিচিনিলা কেও। জী লাগে দানলৈ,**

পো লাগে পিণ্ডলৈ, যত পুত্ৰ ত'ত পিণ্ড। আম খাই বকৰানিত পেলাই থৈ গৈছে, ভাৰস্তত ক'বলৈ হৈছে, কাৰ পো কাৰ নাতি, কোনে ক'ব জনম জাতি। আমাৰ পো-নাতি সজ কাম সজ কীৰ্ত্তি (নীতি) কৰিছে বুলি আশীৰ্ব্বাদ কৰিব লাগে। আশীৰ্ব্বাদৰ দ্বাৰাই কোনো বিঘিনি নকৰাকৈ ৰাখিব লাগে। চালে নেৰাখে বেৰে নেৰাখে, নেৰাখে ত্ৰিদশৰ দেও। গৃহ ৰক্ষক মৃত দেৱতাই নেৰাখিলে ৰাখোতা নাই কেও। জল পিণ্ড বাঢ়িবলৈ ভেটি মাটি ৰক্ষা কৰিবলৈ বংশত বংশাৱলী কৰি থাকিবলৈ আশীৰ্বাদ কৰিব লাগে।

কাতি গৈ আঘোণ সোমাইছে, আঘোণৰ ন হেন বুলি ন ফুল, ন তামোল, ন লাও এবাৰী জবৰা, এজনী সচৰুৱা বুঢ়ী কুকুৰা উচৰ্গা কৰা হৈছে, এই সেৱাতে তুষ্ট হৈ ভাই ককাই, সখা, ককালত টকা, খোজত চাৰিকড়া পাৱনি কৰিব লাগে। খেতিৰ ফলিতা, মুগাৰ ফলিতা আদি য'তে ধৰে, ত'তে জয় কৰিব লাগে। বংশত বংশাৱলী কৰি উন্নতি বঢ়াই থাকিব লাগে। বছেৰেকীয়া কায় মেথাও খেওঁখাও হিচাপে সেৱা আগবঢ়োৱা হৈছে। এই সেৱাকে তুষ্ট হৈ মৃত দেৱতাসকলে গৃহখন মঙ্গল কৰি উন্নতি বঢ়াই বংশত বংশাৱলী কৰি থাকিবলৈ আশীৰ্ব্বাদ কৰিব লাগে।

**"কিন তাঙ"** প্ৰথম অধ্যায়ৰ আৰম্ভণিতে একেবোৰ মন্ত্ৰ উচ্চাৰে। যেতিয়া আওতাঙ নাঙ না পাঙ। খাঙ না জাঙ। নাঙ না পাঙ, খাঙ না ফুন পাবগৈ ইয়াৰ পিচৰখিনি এনেদৰে হ'ব। ছুবয় মউ কিন তাঙ। মাক মূং কুপ বউপ্লু। ছুবয় মউ কিন তাঙ। নুকায় দী হুম ৰাও। নুকায় দী হুম খেঞ। (খেন)। ক্লু তুক তেও। খ্ৰিঙতুক ন্যেৱ। হুম ৰিঙ ৰিঙ। হুম চাচা। ৰত খ্ৰিঙ বুন। ছুবয় মউ কিন তাঙ। খাও খাও দী চপ। খাও খাও দী লা লুঙ। ফাকখ্ৰুদী আঙ ছাঙ। ফাকখ্ৰুদী ল্যোঙ চাঙ। ছুবয় মউ কিন তাঙ। উঙ কায় খ্ৰুদী হুমৰাও। উঙ কায় খ্ৰুদী হুম খেন। ছু বয় মউ কিনতাঙ ফাক ন ছুম। দী হুম ৰাও। ফাকন ছুম। দী হুম খেন। ছুবয় মউ কিন তাঙ। প্লা পিঙ দী হুম ৰাও। প্লাপিঙ দী হুম খেন। ছুবয় মউ কিন তাঙ।

লুক লাও দ্যেঙ। কাম নাঙ খাম। নাম লাও দ্যেঙ। কাম নাঙ ল্যেত। চাঙনায় চাও নুৰ্ক। চাও কাও ঐ। তীব্যেন দায় মান ৰু। কুন পমান মেমান লুক মান লান মান লীখা লীখী পীকায় পীনঙ মান ৰু। খায় চিপ খায় নেও ফিতফ্ৰাছী। চাঙ নায় চাও নুৰ্ক। চাও কাও ঐ। চাও ব্যেন মান। ৰুম্যোঙ মু চয় কুম। লাম্যোঙ মউ চয় খেঞ। বান অক মউ চয় কুম। বানতুক মউ চয় খ্যেঞ। তীথ্যেন তীবান মউ চয় কুম। চাঙ চয় খেঞ। হুতিম ব্যেন। মূ ডীম খক। কায় তিম লাও। খায় তিম লাক। জীখাও ছঙ ছাম লাঙ। কান্যো কাতেও পুন জন কিন। খাও বও চ্যক দায় মান হেও। নাম ক্লাঙ তাঙ জাহেও খুম। ফায় ক্লাঙ তাঙ। জা হেও দাপ। ফামউ খাও। কা জাফা। চাঙনায় চাও কাও ঐ।

**"জন তাঙ"** চাঙ নায় চাও নুৰ্ক। চাও কাও ঐ। চাঙনায় চাও নুৰ্ক। চাও কাও ঐ। চাঙ নায় চাও নুৰ্ক। চাও কাও ঐ। চাও ব্যেন মান। জন খন ৰাও। জনখন মিঙ। জন জুৰ্ক। নাঙলাও কাও। জন জুথাও নাঙ লাও খ্ৰী। জাৰ্ক হুক পয় ডাম। থা ৰুহুক পয় কে। নুক জাঙ বুডাম কা বুফ্যোক। ৰিন বুফু। ফাক ফাদ্যিত। মায় ছিঙৰ্ক। জাফান মায়। ৰিঙ পী জাপিন বান। লান ফা জালন মিঙ। জনখন ৰাও। জন খন মিঙ।

**"বয় তাঙ"** চাঙ নায় চাও নুৰ্ক। চাও কাও ঐ। চাঙ নায় চাও নুৰ্ক। চাও কাও ঐ। চাঙনায় চাও নুৰ্ক। চাও কাও ঐ। পুথাও ডাম। মে থাও ডাম। ডাম লী খা লীখী। ডাম তাঙ লায় খাও ঐ। ডাম ছীব্যেন। ডাম অন মউ। ডাম তাঙ লায় খাও ঐ। বয় তাঙ ডাম তাঙ লায় খাও ঐ। মচেও বুৰ্ক খাচেও বান। ক্নি নাঙ হু। নন নাঙ মু। কাও খা তুখা। ছিপ কুনিউ। ৰঙ বয় বয়। চাঙ নায় চাও নুৰ্ক। চাও কাও ঐ।

**"কিন লায় বয়লায়"** কিন লায় লায়। বয় লায় লায়। লায় লায় বয় মউ চাও। লায় লায় বয় মউ ফী। কিন ছাম বাত। জাও পয়কা। জু হাবাত। পয় তাও মা। ছুপ ম্যোদী মাঙা। ছায় ম্যোদী মাকিন। ছুপ ম্যো ছায় ম্যো ক ম্যো লিন ম্যো পাক ম্যো খ্রিউ ম্যো অপাক বায় না বা তাঙ খ্রিঙ ছাঙ। অপাক বায়না বা। নাম তাও দী। নাম ফ্রাওছী। কাও খা তুখা চিপ কৃ ন্যিউ ৰঙ বয়। চাঙ নায় চাও নুৰু। চাও কাও ঐ।

**"পয় দ্যিন ছাম"** মাঘ বিহুত অনুষ্ঠিত ডাম পূজা। (আও তাঙ) ওপৰৰ উল্লেখিত ১ ম খণ্ডৰ ১ম অধ্যায়ৰ ডামৰ মন্ত্র একেদৰে উচ্চাৰিব। যেতিয়া অন মউ ৰাঙ ডাম তীব্যেন ডাম। ডাম নক থক চক তাই পিন ডাম। কাছু খয় পিন ফী। ছিপ মউ পয় পিন ডাম। ছাও মউ পয় পিন ফী। ছাও তুঙ ডাম। মউ চয় কুম। ঙী তুঙ ডাম। মউ চয় খেএঙ। চাঙ নায় চাও নুৰু। চাও কাও ঐ। ইয়াৰ পাচৰ পৰা উচ্চাৰিব।

২ য় খণ্ডৰ এই খিনিৰ পৰা উচ্চাৰিব ঃ-

ৰু পী ম্যোমাথা। না কা ম্যো মা থ্যোঙ। দ্যিন কাম জাও পয় কা। দ্যিন ছাম পয় তাও মা। জাঙপী মউ মা থ্যোঙ। চাঙ নায় চাও নুৰু চাও কাও ঐ। আও তাঙ নাঙ না পাঙ। খাঙ না জাঙ। নাঙনা পাঙ। খাঙ না ফুন। তঙ মউ কুপতঙ ফা। তঙ মউ কুপতঙ বুন। আও তাঙ ব্লক ছিঙফা। কাৰিঙ চাঙ। ছিঙ ফা কাৰিঙ প্লায়। আও তাঙ মাকমূ কুপ বউ প্লূ। আও তাঙ খাও মাও দী হ্ম ৰাও। আও তাঙ খাও মাও দী হ্ম খেন। আও তাঙ নাম থুমদী হ্ম ৰাও। আও তাঙ নাম থুমদী হ্ম খেন। আও তাঙ ফাফ্যোক মান ছেএঙ দী হ্ম ৰাও। আও তাঙ ফাফ্যোক মান ছেএঙ দী হ্ম খেন। আও তাঙ লুকলাও দ্যেঙ। কাম নাঙ খাম। আও চাঙ তাঙ নাম লাও

দ্যেঙ। কা নাঙল্যেত। চাঙ নায় চাও নূৰ্ক চাও কাও ঐ। তীৰ্ব্যেন দাই মান ক। কুন প মান মে মান লুক মান লান মান পী কায় পী নঙ্ লী খা লীখী তাঙ ফুঙ মান। পিনৰা পিনতুক ফিত ফ্ৰাছী। চাঙ নায় চাও নূৰ্ক। চাও কাও ঐ। চাও ৰ্ব্যেন মান। ৰ্কম্যোঙ মউ চয় কুম। লা ম্যোঙ মউ চয় খেঞ। বান অক মউ চয় কুম। বান তুক মউ চয় খেঞ। তীথ্যেন তীবান মউ চয় কুম। চাঙ চয় ছাঙ চয় খেঞ। চাও ৰ্ব্যেন মান। হুতিম ৰ্ব্যেন। মূতিম খক। কায় তিম লাও। খায় তিম লাক। জীখাও ছুঙ ছাম লাঙ। কান্যো কাতেও প্যোন জনমান। খাও বউ চ্যেক দায় মান হেও। তিম দী তিম পম ঙীন খাম তা তিম পম। চাঙ নায় চাও নূৰ্ক। চাও কাও ঐ।

১ ম খণ্ডৰ ১ ম অধ্যায় ডামৰ মন্ত্ৰ একেদৰে উচ্চাৰিব । অনমউ ডামৰ মন্ত্ৰ শেষ হোৱাৰ পিচৰ পৰা চাঙনায় চাওনূৰ্ক । চাওকাও ঐ। এনেদৰে মাতিব বা উচ্চাৰিব ।

"কিন তাঙ" ৰ্ক পী ম্যোৰ মাথা । না কা ম্যো মাথ্যেঙ । ৰ্কপীতাও বাওলা । লাপী ম্যো মাথ্যেঙ । দ্যিন কাম জাও পয়কা । দ্যিন ছাম পয় তাওমা । জাঙপী মউমাথ্যেঙ। চাঙনায় চাওনূৰ্ক। চাওকাও ঐ। আও তাঙ ব্লক ছিঙফা কাৰিঙ চাঙ । ছিঙফা কাৰিঙ প্লায়। ছূবয় মউ কিনতাঙ। মাক মূ কুপ বউ প্লু। ছূ বয় মউ কিনতাঙ। খাওমাওদী হুমৰাও। খাও মাও দী হুম খেন । ছূবয় মউ কিন তাঙ। নাম থুমদী হুমৰাও। নাম থুম দী হুমখেন । ছূ বয় মউ কিন তাঙ । ফাফ্যেক মান চেঞ দী হুমৰাও । ফাফ্যোক মান চে ঞদী হুম খেন । ছূ বয় মউ কিন তাঙ। লুক লাঙ দ্যেঙ কাম নাঙ খাম। নাম লাও দ্যেঙ। কাম নাঙ ল্যেড। চাওনূৰ্ক। চাও কাও ঐ। তীৰ্ব্যেন দায় মান ক। কুন পমান মেমান লুক মান লান মান লীখা লীখী পীকায় পীনঙ। পিনৰা পিন তুক ফিত ফ্ৰাছী। চাও

ঝ্যেন মান। ৰূ ম্যোঙ লাম্যোঙ বান অক বান তুক তীথ্যেন তীবান মউ চয় কুম। ছাঙ চয় খেনত। হুতিম ঝ্যেন। মূতিম খক। কায় তিম লাও। খায় তিম লাক। জী খাও হুঙ ছাম লাঙ। কান্যো কাতেও পুন জন কিন। খাও বউ চ্যেক দায় মান হেউ ৰূ। ফায় ক্লাঙ তাঙ। জাহেও দাপ। নামক্লাঙ তাঙ। জাহেও খুম। চাঙ নায় চাও কাও ঐ।

"জন তাঙ" "ব য়তাঙ" আৰু "কিন লায় বয় লায়" এই তিনিওটি অধ্যায় প্ৰথম খণ্ডত থকা অধ্যায় কেইটিত থকাৰ দৰে মন্ত্ৰ ও আশীৰ্ব্বাদ বিলাক উচ্চাৰিব লাগে।

পয় দ্যিনৰুক ব'হাগ বিহুত অনুষ্ঠিত ডাম পূজা। "আওতাঙ"।

**ন-ডামক আহ্বান কৰাৰ বন্দনা গীত**

ভালবোলে ঘাই ডাম, চিৰেণ ডাম, জাকৰুৰা ডাম্ আৰু ন-ডাম. আগেয়ে আছিলা মনিষ এতিয়া হ'লা দেও, ভব নদী পাৰ হৈ নিচিনিলা কেও। দেহা এৰি দেৱতা হ'লা। এই ভু-ভাৰত্তত তোমালোকৰ সতি-সন্ততি, পো-বোৱাৰী, নাতি-নাতিয়াল এৰি থৈ গৈছা। আজি হেন বাৰে বছৰেকীয়া খেন খাও দিয়া হৈছে। পুৰণি বছৰ গৈ নতুন বছৰ সোমাইছে। পুৰণিয়েই নতুন হৈছে, নতুনেই পুৰণি হৈছে। পুহ মাহ গৈ আঘোণমাহ সোমাইছে। নতুন বছৰ বুলি ন-ভাত, ন-শাক, ন-নামলাও, ন-তামোল, ন-ফুল, ন-পাণে এজনীকৈ সচোঁৱা বুঢ়ী কুকুৰা পাত-মেহেঙা ভাগি যোৱাকৈ দিয়া হৈছে। য'ত পুত্ৰ ত'ত পূজা, তাকে নকৰিলে শাস্ত্ৰই দুৰাচাৰ বুলি কয়। পুত্ৰ লাগে পূজিবলৈ, জী লাগে দানলৈ। এই সেৱা ভাগিতে সন্তুষ্ট হৈ ঘৰখনত যিখিনি আছে,

শিব-জীব, কৰুলা-কপিলা,

দাস-দাসী, ল'ৰা-ছোৱালী, সকটিৰ
পৰা বৰটিলৈকে ঘৰখনৰ ভিতৰত
থকা সকলোখিনিকে নিৰ্বিঘ্ন,
হাবিৰ চিনা জোকে নোখোৱাকৈ,
ইকৰা পাতে গা নকটাকৈ, শত্ৰুত
ক্ষয় কৰি মিত্ৰত জয় কৰি,
জোঙা শুলক ভোটা কৰি
ধাম-ধুঙলি বান্ধি ৰক্ষা কৰি
থাকিব লাগে।

বিহু উপলক্ষে তাম পূজাত গোৱা বন্দনা

ভালবোলে ঘাই ডাম, ন-ডাম, জাকৰুৱা ডাম্, চিৰেণ ডাম, আগেয়ে আছিলা মনিচ্ এতিয়া হ'লা দেও, ভৱ নদী পাৰ হৈ হৈ নিচিনিলা কেও। দেহা এৰি দেৱতা হৈ গৃহডামৰূপে ঘৰখনক ৰক্ষা কৰি আছা। আম খাই গুটি ভূ-ভাৰস্থত থৈ গৈছা, তোমালোকৰ সতি-সন্ততি স্বৰূপে আজি ব'হাগৰ বিহু বুলি তোমালোকক স্মৰণ কৰি এই সেৱাভাগি ফুলে-তামোলে, বিহুৰ বৰ পিঠা, বৰা সান্দহ, গুৰে-নাম লাওৰে সৈতে বৈ বৈ যোৱাকৈ আগবঢ়োৱা হৈছে। বিহুবুলি গৰুটি ধুউৱা হৈছে ম'হটি ধুউৱা হৈছে, মানুহেও ৰং-ৰহইচ কৰি লাহনীৰে পানী ছটিয়াই ইজনে-সিজনক গা ধুৱাই আনন্দ কৰিছে। এই সেৱা ভাগিতে তুষ্ট হৈ ঘৰখনৰ ভিতৰত যিখিনি আছে সৰুটিৰ পৰা বৰটিলৈকে, ল'ৰা-ছোৱালী, দাস-দাসী, সবাওটিকে, নিলগৰ বৌ-বমলি, বেমাৰ-আজাৰ, পীড়া-পিষ্টি দূৰ কৰি আগলৈকে অনুজ্বল বস্তু উন্নতি ঘটাই ৰাজঘৰে-বেজঘৰে সু-কথা, সু-বুদ্ধি লগ দিয়াই সন্তোষতে কাল নিয়াবলৈকে আশীৰ্বাদ কৰি থাকিব লাগে।

চালে নেৰাখে, বেৰে নেৰাখে, নাৰাখে ত্ৰিদশৰ দেওঁ। ঘৰৰ ডাম্-দেৱতাই নাৰাখিলে ৰাখোতা নাই কেও। সাপে নাখায়, বাঘে নাখায়, যমেও থাকে ডৰায়। যাৰ থাকে মৰামৃতকৰ সহায়। জোঙা শূলকে ভোটা কৰি, শত্ৰুক ক্ষয় কৰ মিত্ৰক জয় কৰি আগলৈকে তোমালোকৰ নাম যশস্যা উজাই-বোৱাবলৈগে আশীৰ্বাদ কৰিব লাগে।

**ঘাই ডামক বন্দনা**

ছাঙ্ নাই চাও কাও ঐ (তিনিবাৰ)। নুক টু ডাম্ টি ৰেণ্ ডাম্ ডাম্ নক্ চক্ খক্ টাই পায় পিন ডাম। চিপ মৌ পয় পিন্ ডাম্ চাও মৌ পয় পিন ফী, চাও টুঙ্ ডাম্ মৌ চয় কুম। ঙী টুঙ্ ডাম্ মৌ চয় খেন ছাঙ্ নাই চাও কাও ঐ।

ভাবাৰ্থ ঃ হে উপৰিপুৰুষ, মৃতক ঘাই ডাম্দেৱতা, মুগাৰ দৰে পচা শৰীৰ এৰি বা দেহা এৰি দেৱতা হ'লো। হে স্বজন পিতা, মৃতক দেৱতা, দহদিনৰ পিছত দহা উৎসৱৰ দিন ধৰি তুমি গৃহ ডাম্ৰূপে থাকি পিছত উন্নীত হৈ গৃহ ঘাই ডাম্দেৱতাৰূপে ধৰণী ধৰি ৰক্ষা কৰি আছা হে গৃহডাম্, ঘাই ডামদেৱতা।

**<u>চিৰেণ ডামক বন্দনা কৰা মন্ত্ৰ</u>**

চাও নায় চাও নু-ৰু চাও কাও ঐ (তিনিবাৰ)। পু-ছি-ব্যেন-টী লিক, জা-ছী-ব্যেন টী, জুক- পু-টা লাক, যা টা লাক্। পু-ঐ-পু-আ যাক্ জা মন, ফা-ৰুক্ মৌ চয় খেন্ ছাঙ নাই চাও কাও ঐ।

ভাবাৰ্থঃ হে উপৰিপুৰুষ, পিতৃ-মাতৃ গৃহ ডাম্দেৱতা, গৃহ ডাম্ খুঁটাৰ শেষ চাপত উপবিষ্ট হৈছা, হে পিতৃ-মাতৃ। ওপৰৰ দুৱাৰ দলিত জিৰণি লৈ আছা হে উপৰি পিতৃ-মাতৃ গৃহডাম্দেৱতা।

**ভাকৰুৱা ডাম্‌ক বন্দনা কৰা মন্ত্ৰ**

ছাঙ্‌ নাই চাও কাও ঐ (তিনিবাৰ)। ডাম্‌ থাও, ডাম্‌ বাও,
ডাম্‌ কাণ্‌ ঙি কাণ, ডাম্‌ চাও ফেউক ডাম্‌, ডাম লি খা লি
খি ডাম্‌ টাঙ্‌ লাই খা ঐ ছাঙ্‌ নাই চাও কাও ঐ।

ভাবাৰ্থ ঃ হে উপৰিপুৰুষ, মৃতক বৃদ্ধ-বৃদ্ধা, ডেকা-গাভৰু, ডাঙৰ-সৰু, ল'ৰা-ছোৱালী, কেঁচুবা-আবিয়ৈ অপ্ৰাকৃতিক মৃতকসকল।

**ন ডাম্‌ বা অন্‌ মৌ ডাম্‌ৰ বন্দনা**

ছাঙ্‌ নাই চাও কাও ঐ (তিনিবাৰ)। অন্‌ মৌ ডাম্‌, টি ৰেণ্‌
ডাম্‌ ডাম্‌ নক্‌ ছ,থক্‌ টাই পিন্‌ ডাম্‌ ছাঙ্‌ চাও
কাও ঐ।

ভাবাৰ্থঃ হে উপৰি পুৰুষ, ন-গৃহ ডাম্‌ দেৱতা পিতৃ-মাতৃসকল। তোমালোকে দেহা এৰি দেৱতা হ'লা। দহ দিনৰ পিছত গৃহ ডাম্‌ ৰূপে নকৈ স্থান পাইছা। হে পিতৃ-মাতৃ মৃতক দেৱতাসকল।

## ন-পুৰুষ সহ চিৰেণ্‌ ডাম

ন-পুৰুষ অনুষ্ঠানটো বিশেষকৈ মহন, দেওধাই আৰু বাইলুং সকলৰ ভিতৰতহে প্ৰচলিত হৈ থকা দেখা যায়। ন-পুৰুষ প্ৰধানকৈ ঘৰুৱা ডামফি্‌ সকলক পূজা দি ন-পুৰুষৰ কাম সমাধী কৰা হয়। ন-পুৰুষত ডামফি্‌সকলৰ বাদেও খা- দাই চিৰেণক জখলা মুখত অৰ্থাৎ দুয়োটা ঘৰৰ পানী পোতাত দিয়া হয়।

খা-দাই চিৰেণৰ নৈবেদ্য সমূহ হ'ল ৰঙা-বাঙলী (মতা -মাইকী) কুকুৰা দহটা, নেকেৰা গাহৰি এটা, পকা কেঁচা ক'ল, কুঁহিয়াৰ, আখৈ, খাও খেন (তিনিকুণীয়া টোপোলা ভাত), কেঁচা মিঠৈ আদি দিয়া হয়। ইয়াৰ মুঠ পাঙ্‌ হ'ল চাৰিটা। তাৰ ভিতৰত প্ৰথম পাঙ্‌ এখন মেহেঙা (মাইহাং), দ্বিতীয়টো এখন পুৰুলা ডলাত সজোৱা হয়, আৰু শেষৰ দুটা মাটিত সজোৱা হয়। এই পাঙ্‌ বিলাকত আগলি কলাপাত বিশেষকৈ প্ৰথম পাঙ্‌ত তিনিযোৰ দ্বিতীয় আৰু তৃতীয় পাঙ্‌ত

দুযোৰকৈ পাত পৰা হয়। পাতৰ ওপৰত টাংকোক (কলৰ পটুৱাৰে সৰুকৈ কাটি দুই তিনি খাপকৈ শিঙি ফুল তামোল দিবৰ বাবে বনোৱা ওখ শলা) দিয়া হয়। এই টাংকোকৰ ওপৰত কুপ কৰা চিংকোৱা ফুলৰ তামোলৰ থোক তামোল দিয়া হয়। যাৱতীয় নৈবেদ্য সমূহ ভাগ-ভাগকৈ সজাই দিয়া হয়। আৰু কলৰ পটুৱাৰে বনোৱা পেৰা বা জপা বনাই হালধি, পাতিদৈ আদি কাটি জপাত ভৰাই পাঙ্ত সজাই দিয়া হয় আৰু তাকেই "বেনলি-বেনখাম" বুলি কোৱা হয়।

তাৰ পাছতেই ম'লুঙে শান্তি পানী জাৰি পাঙ্ বিলাকত চতিয়াই গিৰিহঁতক খাবলৈ দিয়ে। মন্ত্ৰ পাঠ কৰি কুকুৰা,গাহৰি আদি মাৰি চাফা কৰি বুকু ফালি আদা, তেল, নিমখ আদি ঘঁহি জুইত জঁহাই খাং কৰি পাঙ্ৰ ওপৰত দিয়ে আৰু টোপোলা ভাত কুকুৰাৰ বুকুত ওখোৱা কলীসহ দি ঠোলাত দেশীয় মদ দিয়ে।

ঘৰুৱা ডাম ঃ বিশেষকৈ ঘৰুৱা ডামফি সকল হ'ল ১। ঘাই ডাম, ২। চিৰেণ ডাম, ৩। জাকৰুৱা, ৪। ন-ডাম। এই সকলক মেহেঙো (মাইহাং) সাজি আসনত বহুৱাই মেহেঙোৰ ওপৰত আগলি কলপাত পাৰি তাত চিংকোৱা ফুলৰ কুপ কৰা তামোল ক্ৰমে প্ৰথম খনত তিনিখন, দ্বিতীয় খনত ২ খন তৃতীয় খনত তিনিখন, চতুৰ্থ খনত দুখন দিয়া হয়। ইয়াৰ উপৰিও মৰা শুকুতা, তেল, নিমখ আদা আদি দি সিজাই প্ৰত্যেক পাঙ্তে ভাগ ভাগকৈ দিয়া হয়। আৰু ইয়াৰ উপৰিও প্ৰত্যেক ডামকে এজনীকৈ বণ্ডা মাইকী কুকুৰা, এজনীকৈ গাহৰি আৰু লাও ঠোলা সহ দি ডামফি কৰা হয়।

এই ন-পুৰুষৰ ডামফি সকলক ঘৰৰ ভিতৰৰফালে কুকুৰা মাৰি খাং কৰি দিয়াৰ পাছত বেৰৰ বাহিৰৰফালে প্ৰত্যেককে এযোৰকৈ পাত পাৰি কুপ কৰা তামোল এখনকৈ দি প্ৰত্যেককে এজনীকৈ মাইকী গাহৰি মাৰি চাফা কৰি বুকুফালি আদা তেল নিমখ সানি জঁহাইলৈ ভিতৰত দিয়া পাঙ্ৰ ওপৰত দিয়া হয়।

সেইদৰে ন-পুৰুষৰ নখেলৰ ন-জন ভকত আনি এটা ভোৰা গাহৰি ("মুনছে") মাৰি ন খন আঞ্জা বনাই ন-পুৰুষলৈ আগবঢ়োৱা হয়। তাৰ উপৰিও ন-পুৰুষৰ ন-জন ভকত অহাৰ লগে লগে গিৰিহঁতে ভৰি হাত ধুৱাই ভিতৰলৈ নি মতা কুকুৰা মাৰি বনোৱা কল পচলা সহ গুৰ গাখীৰ, কোমল চাউল আদি খুৱাই দিনৰ বাৰ খেনৰ শুভ মঙ্গলৰ বাবে ভকত সকলক আপ্যায়িত কৰে।

ইয়াৰ পাছতেই ৰান্ধনি সকলে বনোৱা ভাতকে আদি কৰি ন-খন আঞ্জা সহ ন-জন ভকতৰ বাবে ন-খন মেহেঙাত সজাই লোৱা হয়। তাৰ পাছতেই ন-খেলৰ ন জন ভকত বহুৱাবৰ বাবে ন খন ঢৰা নিৰ্দিষ্ট ঠাইত সজাই লোৱা হয়। তাৰ পাছতেই গিৰিহঁতৰ মুৰব্বীকে আদি কৰি সকলোৱে খনিয়া কাপোৰ পাৰি পণ্ডিত সকলক ক্ৰমান্বয়ে এজন এজনকৈ তামুলী পীৰাৰ ওপৰত ভৰি ধুৱাই আসনত বহিবৰ বাবে আহ্বান জনায়। পণ্ডিত বহা শেষ হোৱাৰ লগে লগে গিৰিহঁতে সজাই থোৱা পাঙ্‌বোৰ আনি ওপৰত কুপ কৰা তামোল লাও ঠোলা আদি দি কাৰ্য্য সমাধা কৰে। ইয়াৰ পিছতেই ম'লুঙে জনমিং (আশীৰ্বাদ) দি পৰিয়ালৰ মঙ্গল কামনা কৰে।

**'খা-চিৰেণ' বা 'খা-দাই চিৰেণ'ত গোৱা মন্ত্ৰখিনি এনেধৰণৰ ঃ**

খা -ছিৰেণ খ খাই দাই ছিৰেণ ম্-কেক্-লেৰ ৰেণ খাও।
ছুং মউ চাও-ছুং-মউ ফি।
কাই ছাম ৰাঙ বান ট নান।
কাই ছাম ৰাঙ-বান ট-ফি।
পুঞ্ ছাম পা-লিক অই, পা-লিক্ কা খাই
ছাম পলিৰক অই পনিককা খিন্ ছ-ফা।
খিন ছি-ফি। খিন ছি-লিক্ ছি লাই।
খিন হেউ কান। কাই ছাম-ৰাঙ্ ব্যন-ট হান।
কাই-ছাম ৰাঙ - বান-ট-ফি।
খিনি-লিংডন, খিন-লিং ডিন।
খিন আই লাং। খিন্ ঙি ই-লাং।
খিন-ছাম লাং-খিন হেউ হান।।

এইয়া হ'ল খা-চিৰেণ পূজাৰ মন্ত্ৰ। এনে পৰম্পৰাৰে পূজা দি মাৰি-মৰক, অপায়-অমংগল, আকস্মিক বিপদ-আপদ দূৰ কৰাৰ অৰ্থে পূজা গভীৰ অৰণ্যলৈ আঁতৰ কৰি বিদায় দিয়া হয়।

## ৰাজহুৱা মে-ডাম-মে-ফি

পৃথিবীৰ প্ৰায় সকলোবোৰ সংস্কৃতিসম্পন্ন সমাজতেই স্বকীয় বৈশিষ্ট আৰু গৰিমাৰে পূৰ্ব পুৰুষসকলৰ উপাসনা কৰে। দূৰ অতীজত ১২২৮ খৃষ্টাব্দতে দক্ষিণ চীনৰ মুং মাওলুং অঞ্চলৰ পৰা অহা আহোমসকলো ইয়াৰ ব্যতিক্ৰম নহয়। যদিও তেওঁলোকৰ সগোত্ৰীয় লোকসকলক দক্ষিণ চীনত প্ৰধানকৈ দক্ষিণ চীনৰ বৰ্তমানৰ ডিহং-ডাই-চিংফৌ অঞ্চলত বাস কৰা লোকসকলক ডাই বা তাই বুলি কোৱা হয়, যিসকল লোক ১২২৮ খৃষ্টাব্দত ৰাজকুমাৰ চাও লুং ছু-কা-ফাৰ লগত আহিল আৰু অসমত বসতি কৰিবলৈ ল'লে, তেওঁলোক তাই আহোম (তাইলং অৰ্থাৎ বৰ তাই বা থাই গোষ্ঠীৰ এটা প্ৰধান শাখা) নামে জনাজাত হ'ল। আহোমৰ মাজত উপৰিপুৰুষৰ পূজাক 'মে-ডাম-মে-ফি' বোলা হয়। 'মে' মানে পূজা, 'ডাম' মানে মৃত আৰু 'ফি' মানে দেৱতা। অৰ্থাৎ মৃতকসকলক আহোমসকলে দেৱতা জ্ঞান কৰি পূজা কৰে। মৃতকৰ দেৱত্ব প্ৰাপ্তিৰ ধাৰণাটো বৰ প্ৰাচীন আৰু প্ৰবাদ আছে যে তাই ভাষা-ভাষী সকলো মানুহৰ মাজতেই উপৰিপুৰুষসকলক দেৱতা হিচাপে পূজা কৰাৰ স্বকীয় বৈশিষ্ট আৰু পৰম্পৰা আছে। উদাহৰণস্বৰূপে, ইউনান গুইঝন প্ৰদেশ আৰু গুৱাংচি স্বায়ত্বশাসিত অঞ্চলত বাস কৰা ডং (কাম) লোকসকলৰ মাজত নিজস্ব ধৰণে উপৰিপুৰুষৰ পূজা কৰা প্ৰথা আজিও চলি আছে। পূৰ্বপুৰুষৰ পূজা অৰ্চনাৰ ধাৰণাটোৰ লগত আত্মাৰ অমৰত্বৰ ধাৰণা সাঙোৰ খাই আছে। মানুহৰ মৃত্যুৰ পিছত তেওঁৰ আত্মাই দেহত্যাগ কৰি তেওঁৰ পূৰ্বপুৰুষসকলৰ বাসস্থানলৈ (অৰ্থাৎ স্বৰ্গলৈ) উভটি যায় — এইটোৱেই লোক বিশ্বাস। বহুতো পৰিয়ালে তেওঁলোকৰ ঘৰৰ মূল কোঠালীত 'স্বৰ্গ, পৃথিবী, উপৰিপুৰুষ আৰু গুৰু'ৰ উদ্দেশ্যে পূজা-অৰ্চনা কৰে। যেতিয়া মানুহে আনৰ পৰা কোনো উপহাৰ পায় অথবা নতুনকৈ উৎপাদিত কোনো বস্তু পায়, তেতিয়াপোনতে তেওঁলোকে সেই সামগ্ৰীবোৰ উপৰিপুৰুষৰ উদ্দেশ্যে উচৰ্গা কৰে আৰু তাৰ পিছতহে খায়।

তাই আহোমসকলে বিশ্বাস কৰে যে কোনো লোকৰ মৃত্যু হ'লে তেওঁ প্ৰেতাত্মা হৈ থাকে আৰু মৃতকৰ আত্মীয়-স্বজনে দেৱ-দেৱীসকলৰ পূজা কৰাৰ পাছতহে মৃতকগৰাকী 'ফি' অৰ্থাৎ দেৱতালৈ ৰূপান্তৰিত হয়।

তাই-আহোম বিশ্বাস মতে মৃত্যুৰ পিছত মানুহৰ আত্মাৰ পুনৰ জন্ম নহয়। মৃত্যুৰ পিছত মৃত ব্যক্তি গৰাকী দেৱতালৈ ৰূপান্তৰিত হয় আৰু কোনো এখন সৰগৰ (বহুতো সৰগৰ ভিতৰত) তেওঁৰ বাবে সুকীয়াকৈ ৰখা স্থানত প্ৰয়াত আত্মীয়-

স্বজনেৰে সৈতে বাস কৰে।

তেওঁলোকে বিশ্বাস কৰে যে যদি নিকটাত্মীয় বা সামগ্ৰীকভাৱে গোটেই সমাজখনে পূৰ্বপুৰুষৰ পূজা (মে-ডাম-মে-ফি) ভক্তিভাৱে কৰে, তেতিয়া মৃতকসকল বিশেষকৈ পিতৃ-মাতৃ আৰু পিতামহ-পিতামহীসকল সৰগৰ পৰা নামি পৃথিৱীলৈ আহে আৰু মে-ডাম-মে-ফি পূজাৰ অন্তত তেওঁলোকৰ পুত্ৰ-কন্যা, নাতি-নাতিনী আৰু অন্য সকলোৰে মঙ্গল কামনা কৰি আশীৰ্বাদ দিয়ে। তাই-আহোমসকলৰ দৰে ভিয়েটনামৰ ৰঙা-তাইসকলে (Red Tais) বিশ্বাস কৰে যে স্বৰ্গখন বিভিন্ন স্তৰত বিভক্ত; একোটা স্তৰ আকৌ কেইবাখনো প্ৰদেশত বিভক্ত আৰু প্ৰতিটো গোত্ৰ বা গোষ্ঠীৰ লোকৰে নিজস্ব বাসস্থান, গাঁও বা নগৰ আছে। সেইদৰে স্বৰ্গৰ ৰাজধানীত স্বৰ্গৰ ৰজা প'-থেন-খাম অন্য দেৱ-দেৱীসকলৰ লগত বাস কৰে। প্ৰতিগৰাকী দেৱ-দেৱীৰ অধীনত 'ফি' অৰ্থাৎ আত্মাবোৰ থাকে।

আহোমসকলৰ মাজৰ এটা গুৰুত্বপূৰ্ণ প্ৰথা হ'ল এই যে তেওঁলোকে মৃতকৰ দাহ সংস্কাৰ নকৰে (অৰ্থাৎ চিতাদাহ নকৰে); শৱধাৰত ভৰাই সমাধিস্থ কৰে। ইয়াকে 'মৈদাম' বোলে। এই প্ৰথা উত্তৰ ভিয়েৎনামৰ 'থো'সকলৰ দৰে আন আন থাইলোকৰ মাজতো প্ৰচলিত আছে। তেওঁলোকে মৃতকৰ পূজা অৰ্চনা ৪৯ দিনৰ পিছত এবাৰ আৰু ১০০ দিনৰ পিছত এবাৰ অনুষ্ঠিত কৰে।

আহোম বুৰঞ্জীত এইটো কোৱা হৈছে যে যেতিয়া ৰাজকুমাৰদ্বয় খুন্-লুং আৰু খুন্-লাইক উপাস্য দেৱতা লেংডনে ৰাজত্ব কৰা সৰগৰ পৰা পৃথিৱীলৈ পঠিয়াই দিলে, তেতিয়া দেৱী জাচিংফাই তেওঁলোকক এইবুলি উপদেশ দিলে ঃ 'তোমালোকৰ পিতামহ প্ৰভু লেংডনে পৃথিৱীত ৰাজত্ব কৰাৰ কাৰণে তোমালোকক পৃথিৱীলৈ পঠিয়াইছে। 'দিন হা' (চ'ত মাহ) মাহত যেতিয়া পবিত্ৰ 'চিংকাৰা' ফুল ফুলিব তেতিয়া সেইমাহৰে এটা শুভদিন বাছনি কৰি প্ৰভু লেংডন আৰু অন্য দেৱ-দেৱীসকলক সন্তুষ্ট কৰাৰ অৰ্থে পশু-পক্ষী বলি দি আৰু অন্যান্য সুমধুৰ সামগ্ৰী উচৰ্গা কৰি পূজা কৰিবা। লেংডন আৰু আঠশ হেজাৰ দেৱ-দেৱী পৃথিৱীলৈ নামি গৈ তোমালোকক শুভাশীষ দিব।' টাই জনসাধাৰণ আৰু টাই ৰজাৰ কাৰণে এইটো লেংডনৰ বাণী হৈ ৰ'ল। তেওঁলোকে বিশ্বাস কৰে যে তেওঁলোক সৰগত জন্ম লাভ কৰা লোক; আৰু সোণৰ জখলাৰে ৰাজকুমাৰসকল পৃথিৱীলৈ নামি অহাৰ আগতেই তেওঁলোকক পৃথিৱীলৈ নমাই পঠিওৱা হৈছিল।

বুৰঞ্জীত ইয়াকো লিখা আছে যে টাই-আহোমসকলৰ প্ৰথম স্বৰ্গদেউ (সৰ্গীয় ৰজা) চাওলুং ছু-কা-ফাই এই পবিত্ৰ মে-ডাম-মে-ফি উৎসৱ উদযাপন কৰিছিল আৰু তেওঁৰ নতুন ৰাজপ্ৰসাদত পূৰ্বপুৰুষসকলৰ আশীৰ্বাদ বিচাৰি প্ৰাৰ্থনা কৰিছিল। মৃত্যুৰ পিছত চাওলুং ছু-কা-ফাক চৰাইদেউত সমাধিস্থ কৰা হৈছিল। তেওঁৰ পুত্ৰ ৰজা হৈ মে-ডাম-মে-ফি পূজা অনুষ্ঠিত কৰিছিল। সকলো তাই-আহোম ৰজা-ৰাণীকে এই পবিত্ৰ স্থানতে সমাধিস্থ কৰা কাৰণে সকলো তাই-ভাষীলোকৰ বাবেই চৰাইদেউ প্ৰাচ্যৰ জেৰুজালেম ৰূপে বিবেচিত হৈছে আৰু মৈদাম সমূহৰ নক্সা আৰু কাৰুকাৰ্যসমূহ সকলো জ্ঞানপিপাসু লোকৰ বাবে আকৰ্ষণৰ বস্তুৰেই যে হৈ পৰিছে এনে নহয়, কৌতুহলী গৱেষকসকলৰ বাবেও গৱেষণাৰ বিষয় হৈ পৰিছে।

স্বৰ্গদেউ জয়ধ্বজ সিংহৰ আগলৈকে ছু-কা-ফাৰ পৰা আৰম্ভ কৰি সকলো আহোম ৰজাই প্ৰতি বছৰে মে-ডাম-মে-ফি উৎসৱ উদ্‌যাপন কৰা কথাটো বুৰঞ্জী সমূহত উল্লেখ আছে। কেৱল জয়ধ্বজ সিংহৰ ৰাজত্ব কালত মে-ডাম-মে-ফি উদ্‌যাপন কৰা নহ'ল। মীৰজুমলাৰ অধীনত মোগল সেনাবাহিনীয়ে যেতিয়া জয়ধ্বজ সিংহক পৰাস্ত কৰিলে, তেতিয়া ৰজাই গভীৰ দুখ আৰু বেদনাত প্ৰধানমন্ত্ৰী আতন বুঢ়াগোহাঁইক কলে "গোহাঁইদেউ, দেৱতাসকলে মোক এৰা দিছে।" তেতিয়া গোহাঁইদেৱে কলে "স্বৰ্গদেউ, দুখ নকৰিব। জয় পৰাজয় একেটা মুদ্ৰাৰে দুটা পিঠি। দেৱতাসকলে যেতিয়া অনুগ্ৰহ কৰিব তেতিয়া স্বৰ্গদেৱে নিজ শক্তিৰেই বহিৰাগত শত্ৰুক পৰাস্ত কৰিব পাৰিব। জয়ধ্বজ সিংহৰ মৃত্যুৰ পিছত তেওঁৰ কনিষ্ঠ ভ্ৰাতৃ চক্ৰধ্বজ সিংহ ৰাজপাটত উঠিল। তেওঁ উপলব্ধি কৰিলে শক্তিশালী আহোম ৰজাক মোগল সেনাই কেনেকৈ পৰাভূত কৰিব পাৰিলে। তেওঁ ভাবিলে যে তেওঁৰ জ্যেষ্ঠ ভ্ৰাতৃয়ে দেৱতাসকলৰ পূজা নপতা কাৰণে দেৱতাসকল তেওঁৰ ওপৰত ৰুষ্ট হ'ল। গতিকে এই পূজাৰ গুৰুত্ব উপলব্ধি কৰি লাংচেঙ বৰগোহাঁইৰ প্ৰত্যক্ষ তদাৰকতাৰে এইজনা ৰজাই মহা ধুমধামেৰে চৰাইদেউত মে-ডাম-মে-ফি উৎসৱ উদ্‌যাপন কৰিলে। দেওধাই, মহন আৰু বাইলুংসকলে তাত সক্ৰিয়ভাৱে সহায়-সহযোগ কৰিলে। চক্ৰধ্বজ সিংহই ইয়াৰ পিছতেই শৰাইঘাটৰ যুদ্ধত বিজয় লাভ কৰি আহোমৰ হেৰুৱা গৌৰৱ পুনৰুদ্ধাৰ কৰিলে।

আগতে উল্লেখ কৰি অহা হৈছে যে স্বৰ্গদেউ ছু-কা-ফাই আমাৰ দেশৰ এই খণ্ডত পোন প্ৰথমবাৰৰ বাবে মে-ডাম-মে-ফি উৎসৱৰ শুভাৰম্ভ কৰিলে। তেওঁ

একাধিক বাৰ এই পূজা কৰিছিল। এই দেশলৈ অহাৰ বাটত 'নাম-কিউ' (ইৰাৱতী) নদী পাৰ হোৱাৰ পিছতো ছ্যু-কা-ফাই মে-ডাম-মে-ফি পূজা পাতিছিল। দৈ-কাও ৰং নদী পাৰ হোবাৰ পিচতো বুঢ়ীদিহিঙৰ পাৰত নামৰূপত (নামৰূক) লেংডন দেৱতা আৰু আন দেৱ-দেৱীসকল আৰু পূৰ্বপুৰুষ সকলৰ উদ্দেশ্যে বিজয় লাভ আৰু নতুন ৰাজ্য কামনা কৰি এই উৎসৱ পাতিছিল। এই উৎসৱৰ পিছতো চৰাইদেউৰ নামনি ভাগত লাংটৈৰকট নামে ঠাইত তেওঁ পুনৰ পূৰ্বপুৰুষসকলক পূজা-অৰ্চনা কৰিছিল। ইয়াৰ পিছতো চৰাইদেউত নিজৰ ৰাজধানী পাতি ছ্যু-কা-ফাই উপৰিপুৰুষৰ আৰু দেব-দেৱীসকলৰ আশীৰ্বাদ বিচাৰি এই অনুষ্ঠান উদ্‌যাপন কৰিছিল।

ত্ৰয়োদশ শতিকাৰশেষৰ ফালে প্ৰায় সকলো তাই লোকেই বৌদ্ধ ধৰ্মৰ (হীনযান পন্থাৰ) অনুগামী হৈ পৰিছিল। কিন্তু ধৰ্মান্তৰৰ পিচতো তাইসকলে নিজৰ আচাৰ-বিচাৰ পৰিহাৰ কৰা নাছিল। খাম্‌টি, খামেয়াং, ফাকে আৰু আইত নসকলে নিজৰ নিজৰ পূৰ্ব পুৰুষৰ আশীৰ্বাদ বিচাৰি ফুল আৰু চাউল অৰ্পণ কৰে। সেইদৰে লাওচ, ম্যানমাৰ আৰু থাইলেণ্ডৰ লাও, শ্যান আৰু থাইসকলে আৰু দক্ষিণ চীনৰ লু আৰু দাইসকলে বৌদ্ধ ধৰ্মাৱলম্বী হৈও এই প্ৰথা মানি চলিছে।

বৌদ্ধ ধৰ্ম গ্ৰহণ নকৰা থাইসকলে উত্তৰ ভিয়েটনামৰ তাইডাম, তাই খাও নাং আৰু নুঙকলৰ দৰেই মৃতকৰ উদ্দেশ্যে মাংস আৰু অন্যান্য খাদ্যসামগ্ৰী উৎসৰ্গা কৰি এই অনুষ্ঠান উদ্‌যাপন কৰে।

আন আন আহোম ৰজাসকলেও বছৰেকীয়া উৎসৱ হিচাপে মে-ডাম-মে-ফি অনুষ্ঠানটো উদ্‌যাপন কৰিছিল। দিহিঙ্গিয়া ৰজা প্ৰতাপ সিংহ, গদাধৰ সিংহ আৰু প্ৰমত্ত সিংহই এই উৎসৱ পালন কৰিছিল। মে-ডাম-মে-ফি অনুষ্ঠানৰ লগত জড়িত জনবিশ্বাস চক্ৰধ্বজ সিংহৰ কথাত প্ৰতিধ্বনিত হৈছিল "মোৰ ককাইদেউ ছ্যু-টাম-লাই (জয়ধ্বজসিংহই) ফা-নুৰু আৰু অন্য দেৱতাসকলৰ শুভাশীষ লাভ কৰিব নোৱাৰিলে, কিয়নো তেওঁ তেওঁৰ উপৰিপুৰুষৰ পূজা-অৰ্চনা নকৰিলে। সেইকাৰণে আমাৰ দেশ মোগল আক্ৰমণত বিপৰ্যস্ত হ'ল আৰু আমাৰ সৈন্যসকল মৃত্যুৰ মুখত পৰিল অথবা অপমানিত হ'ল।" এই উৎসৱটো আহোমৰ শেষৰ জনা ৰজা চন্দ্ৰকান্ত সিংহৰ ৰাজত্ব কাললৈকে বেছ জাকজমকতাৰে উদ্‌যাপিত কৰা হৈছিল।

মে-ডাম-মে-ফি তিনি প্ৰকাৰৰ (১) ৰাজহুৱাকৈ পতা (ৰজা, ৰাজ্য আৰু ৰাইজৰ বাবে) মে-ডাম-মে-ফি, (২) ঘৰুৱাভাৱে পতা মে-ডাম-মেঁ-ফি (বাঁহেৰে সজোৱা পাঁচোটাকৈ ওখ বেদী 'মাইহাং' লৈ) আৰু (৩) ঘৰুৱাভাৱে পতা আন এক প্ৰকাৰৰ মে-ডাম-মে-ফি (তিনিটা মাইহাং বা বেদী লৈ)। এইধৰণে পূজা-অৰ্চনা কৰি

দেৱ-দেৱীসকল হ'ল — খাও খাম (মজিয়াত), আই-লেং-ডিন, লেংডন, লাংকুৰী আৰু জান চাই হুং (ওখ বেদীত); আৰু চিটলাম্-চাম,-মুট-কুম-তাই-কুম আৰু জাচিংফা। আহোমসকলৰ ধৰ্মগ্ৰন্থ 'পাক- পেঁএ-কাকা'খন পূজাৰ বেদীত ভক্তিভাবে ৰখা হয়। বান-ফী পদ্ধতিৰে কৰা ৰাজহুৱা মে-ডাম-মে-ফীৰ উপৰিও ফুৰালুং পদ্ধতিৰে বলি-বিধান নোহোৱাকৈ পালন কৰা দেখা যায়।

**ৰাজহুৱা মে ডাম মে-ফিত পূজিত দেৱতা সকলৰ নাম হ'লঃ**

(১) খাও খাম — জলাধিপতি (২) আই লেংডিন— পৃথিৱীৰ গৰাকী (৩) লেংডন— স্বৰ্গাধিপতি (৪) লাংকুৰি — সৰ্বাধিপতি (৫) জান চাই হুং — দেৱগুৰুপ (৬) চিৎলাম চাম — সপ্ত স্বৰ্গাধিতি (৭) মুট কুম টাই কুম — সূৰ্য চন্দ্ৰৰ অধিপতি (৮) জা চিং ফা — সৰ্ববিদ্যাৰ অধিষ্ঠাত্ৰী।

প্ৰথমতে আঠ কোণীয়াকৈ পূজা মণ্ডপ (ৰেণ চেন) সাজি লব লাগে। তাৰ পিচত মাইহাঙৰ ভেটি পূবলৈ ধৰি উত্তৰৰ পৰা দক্ষিণলৈ অৰ্দ্ধ চন্দ্ৰ আকাৰত মাইহাঙ স্থাপন কৰি লৈ ভেটি সাজিব লাগে। ভেটি প্ৰতিষ্ঠা কৰি আঠগৰাকী দেৱ-দেৱীৰ বাবে আঠখনি মাইহাঙ দিব আৰু মাইহাঙত প্ৰসাদ, তামোল ইত্যাদি দেৱ-দেৱী হিচাপে উৎসৰ্গা কৰি থ'ব লাগে। মাইহাঙ প্ৰতিষ্ঠা কৰাৰ পিছত পুৰোহিত গ্ৰহণ কৰিব লাগে। পুৰোহিতে আসন গ্ৰহণ কৰি মন্ত্ৰ পাঠ আৰম্ভ কৰে। পবিত্ৰ মন্ত্ৰ উচ্চাৰণৰে ম'লুঙে পূজা কৰে আৰু প্ৰত্যেক জন দেৱ-দেৱীৰ নামত বিশেষ বিশেষ মন্ত্ৰ উচ্চাৰিত হয়। সেৱকীসকলে শৰাই উৎসৰ্গা কৰিলে পুৰোহিত (ম'লুঙে) আশীৰ্বাদ দিয়ে পবিত্ৰ মন্ত্ৰ পাঠেৰে। দেৱতা, দিক্‌পাল আৰু পূৰ্বপুৰুষৰ উদ্দেশ্যে মন্ত্ৰ উচ্চাৰিত হয়। তাৰ পিছত পুৰোহিতে আশীৰ্বাদ দিয়ে। দেৱতা সকলক মন্ত্ৰপাঠেৰে বিদায় দিয়াৰ অন্তত মাইহাঙৰ প্ৰসাদ আৰু সেৱকীসকলে যুগুতোৱা প্ৰসাদ গ্ৰহণ কৰে। এনেধৰণেৰে মে-ডাম মে-ফি উৎসৱ পালন কৰা হয়। পবিত্ৰ মন্ত্ৰৰ দুফাকিমান তলত উদ্ধৃত কৰা হ'ল ঃ

চাও নুৰু চাও কা ঐ (তিনি বাৰ)  
চাও ফ্ৰা ত্ৰা আলঙ  
চিকিয়া ৰাণীপাণ  
ৰঙ বই বই  
চাম ম্ মুন বাই জিম কণ্  
ম চাম্ ম্ চাই ম প্ৰঙ  
খাও তাঙ লাই  
ৰঙ বই বই।— ইত্যাদি

## উমফা পূজা ঃ

আহোম ৰজাসকলে অন্ততঃ ১৬ বাৰ উমফা পূজা কৰিছিল। পোন প্ৰথমবাৰ উমফা পূজা সম্পন্ন কৰিছিল চাওলুং ছ্যু-কা-ফাই ১২৫৩ খৃঃত যেতিয়া তেওঁ চে-টাম-ড'ইত (চৰাইদেউত) স্বকীয়ভাবে ৰাজধানী পাতিছিল। এই উপলক্ষে তেওঁ অৰণ্যৰ দেৱতা ফি-হুঙক তুষ্ট কৰাৰ বাবে দুজোপা বট গছৰ তলত দুটা ফুটুকীয়া নোমৰ কুকুৰ বলি দিছিল। (আহোম বুৰঞ্জী, ৪৭)। চাওফা চৌফা ছ্যু হিট পুংফাৰ ৰাজত্ব কালত তলত উল্লেখ কৰা ধৰণে উমফা পূজা উদ্‌যাপন কৰি হৈছিল।

"তাৰ পিছত ৰজাই ম'ৰু, মচিং আৰু ম'চাই লংসকলক মতাই আনিলে আৰু তেওঁলোকক কুকুৰাৰ ঠেঙত মঙল চাবলৈ (বানচেং) আজ্ঞা কৰিলে। সেইমতে পুৰোহিতসকলে কুকুৰাৰ ঠেং পৰীক্ষা কৰিলে আৰু গণনাৰ ফল অনুকূল পালে। তেতিয়া ৰজাই পুৰোহিতসকলক ফা-নু-ৰু-উম-ফা অনুষ্ঠিত কৰি দেৱতাসকলৰ পূজা কৰিবলৈআজ্ঞা কৰিলে। ৰজাৰ আদেশ সাৰোগত কৰি, উম্‌ফা পূজা অনুষ্ঠিত কৰা হ'ল; এটা বগা ম'হ এজনী চৌউৰী গৰু আৰু বহুতো কুকুৰা, দেৱতাসকলৰ উদ্দেশ্যে বলিদান কৰা হ'ল। সৰগৰ সকলো দেৱতাকে যথোপযুক্তভাৱে পূজা কৰা হ'ল।" (আহোম বুৰঞ্জী, ৩৫৬ পৃ)

উম্-ফা পূজাত তিনিধৰণৰ দেৱতাক পূজা কৰা হয়। আহোম ধৰ্মবিশ্বাসৰ দেৱতাসকলৰ উপৰিও (যিসকলৰ পূজা প্ৰধান পূজামণ্ডপ বৰ দেও-শালত কৰা হয়), হিন্দু-শাল-অৰ্থাৎ হিন্দু পূজা মণ্ডপত হিন্দুৰ দেৱ-দেৱীসকলৰ আৰু হাবি-দেওশালত অৰণ্যৰ দেৱতাসকলৰ পৃথকে পৃথকে পূজা কৰা হয়। প্ৰধান পূজামণ্ডপত পূজা দিয়া আহোম দেৱ-দেৱীসকল হ'ল — (১) খাওখাম (জল আৰু সমুদ্ৰৰ অধিষ্ঠিতা জলাধিপতি দেৱতা) (২) আই লেংডিন (পৃথিৱীৰ অধিষ্ঠাত্ৰী), (৩) জান চাইহুং (দেৱতাসকলৰ গুৰু আৰু জ্ঞানৰ আধাৰ) (৪) লেংডন (সৰ্বশক্তিমান ঈশ্বৰ 'ফ্ৰা-টু-চিং-ফ্ৰং হুম'ৰ প্ৰতীকস্বৰূপ সৰগৰ দেৱৰাজ আৰু টাই ৰজাসকলৰ পিতৃ-স্বৰূপ), (৫) জা-চিং-ফা ('বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী, (৬) মুং-কুম-আই-কুম (চন্দ্ৰ আৰু সূৰ্য দেৱতা) (৭) চিং লাম-ফ্ৰাম(সাততাৰাকী উপাস্য দেৱত্ৰৰ সমষ্টি। তেওঁলোক হ'ল — আই-

যা-লান, ডেং-খ্রই-লুম, বাও-হু-খে, বাও-প্লং-মং, বাও-টেং-চাং, চাও-যা-ফেং লেংডন। এওঁলোকে বজ্ৰপাত, ধুমুহা, বিজুলীৰ চমকনি, ৰ'দ, উত্তাপ, পোহৰ, নিয়ৰ আৰু কুঁৱলী, শিলাবৃষ্টি, নদী আৰু সমুদ্ৰৰ শক্তিসমূহ প্ৰতিনিধিত্ব কৰে)

দ্বিতীয় মণ্ডপত হিন্দু দেৱ-দেৱীসকলক প্ৰতিষ্ঠা কৰা হয়। এই দেৱ-দেৱীসকল হ'ল— (১) সৰস্বতী (২) মহাদেৱ (৩) গোসানী (ফি-মেথাও), (৪) বৰ বাউলী (৫) সৰু বাউলী , (৬) খেটৰ (৭) আই-ন-ভনী (৮) সাত-ঘৰীয়া (৯) পাঁচ ঘৰীয়া (১০) শেল-কোঁৱৰ, (১১) ধোবা-ধুবিনী, (১১) মাল-কোঁৱৰ (১২) গৰীয়া ৰাজা (১৩) মৰীয়া ৰাজা (১৪) ধোবা-ধুবুনী (১৫) দং-দণ্ডীয়া (গোসানী) (১৬) জল কুৱৰী (অপেশ্বৰী)।

তৃতীয় মণ্ডপত প্ৰতিষ্ঠা কৰা হয় অৰণ্য আৰু সীমান্ত অঞ্চলৰ দেৱতাসকল। তেওঁলোক হ'ল (১) লাংকুৰী (২) নাঙ চি চাও (কলিমতী) (৩) প-ফিচু (বৰ চেমান) (৪) লিখা চেমান (৫) গভিয়াল (৬) ছান-পালিক (৭) হ পালিক (৮) খেটৰ (৯) যশ (১০) ভূত (১১) বাঘ-বাঘিনী।

আজিকালি বাৰ-বছৰৰ মূৰে-মূৰেহে উমফা পূজা পতা হয়। আগতে হাতীবৰুৱা দেওশাল, বকতা দেওশাল আৰু আমলখী ৰঙাগড়া দেওশালত উমফা পূজা যথাক্ৰমে ৩ বছৰ, ৫ বছৰ আৰু ৭ বছৰৰ মূৰত পতা হৈছিল।

উম্‌ফা পূজা উৎসবটো নিচেই পুৱাৰে পৰা গধূলি পৰলৈ ব্যাপ্ত এটা দিনজোৰা অনুষ্ঠান। মূল অনুষ্ঠানৰ আগতেই যথাস্থানত যথাবিহিত নিয়ম অনুসৰি পৃথক বেদী (পাং) সজা হয়।

কেন্দ্ৰীয় বেদীৰ ওচৰত 'কট-লাক' বা 'ফুক-চাং' বোলা কাঠৰ খুটা এটাও পুতি ৰখা হয়। পূজাৰ বলিৰ বাবে অনা গৰু-ম'হ, গাহৰি, কুকুৰ, হাঁহ-কুকুৰা আৰু পাৰ চৰাইবোৰ তাতে বান্ধি ৰখা হয়। প্ৰতিটো বেদীকে এই পশু বন্ধা খুটাৰ লগত সংলগ্ন কৰি ৰখা হয়। উল্লেখযোগ্য যে তাই আহোমৰ আৰাধ্য দেৱতাৰ পূজা মন্ত্ৰত ক্ৰমাগতভাৱে (১) দেৱতাৰ উৎপত্তি কাহিনী (২) দ্ৰব্যাদি উচৰ্গা (৩) ধৰ্মীয় কাৰ্য্যৰ নাম (৪) অমংগলসূচক পৰিবেশ আদি পূজাৰ কাৰণ (৫) আশীষ কামনা আৰু (৬) পূজা কৰোতে হোৱা ভুল ভ্ৰান্তিৰ ক্ষমা প্ৰাৰ্থনা উল্লেখিত হয়।

দেৱ-দেৱীসকলৰ উদ্দেশ্যে আগবঢ়োৱা উপচাৰসমূহ এনে ধৰণৰ —

(১) খাওখামঃ খাও খাম হৈছে জলাধিপতি। তেওঁক পূজা কৰিলে ৰজা-প্ৰজা সকলোৰে আয়ুস বাঢ়ে। খাও খামক বিশেষকৈ উম্‌ফা, ছাইফা, খুনমিঙ, লখিমী পূজা, ৰাজছৱা মে-ডাম-মে-ফী আদিত পূজা কৰা হয়। পূজাৰ বাবে আগবঢ়োৱা নৈবেদ্যসমূহ হ'ল— তিনিযোৰ কলপাতত তিনিভাগ কৰি দিয়া আদা আৰু নিমখ মিঠাতেল সনা আৰৈ চাউল, তিনিটা হাঁহ কণী, এখন মিঠাতেলৰ চাকি তিনি আখি পকা কল আৰু চাউলৰ পিঠা গুৰিৰ পিঠা। কলপটুৱাৰে দুটা চিটিকা মাৰি এটা এটুপীয়া মদঘৰ সাজি উক্ত সামগ্ৰীবোৰ কলপাতত ৰখা হয়।

(২) আই লেংডিন ঃ কলপটুৱাৰে এটা এটুপীয়া মদঘৰ (বগা হ-ফক) সাজি তাৰ ভিতৰত তিনিযোৰ আগলি কলপাতত তিনিকোণীয়া নেজলগা টোপোলাভাত, নিম্ন উল্লেখিত সামগ্ৰীবোৰৰ দুটাকৈ ভাগ দিয়া হয়-কেঁচাকল-পকাকল, ফল-মূল, চিংকাৰা ফুলেৰে বন্ধা কুপ কৰা তামোল, কণী, মিঠৈ, মাটিৰ চাকি (তেলৰ), নিমখ আৰু আদা। বেদীৰ সন্মুখত মাটিত আগলতি কলপাত পাৰি ওপৰত উল্লেখিত বস্তুবোৰৰ এটাকৈ দিয়া হয়।

(৩) ফা-নু-ৰু-লেংডন ঃ কিছু ওখকৈ খুটাৰ ওপৰত চাং-ঘৰ-সাজি হ-লুঙত জখলা সজাই দিয়া হয়। হলুঙৰ দাঁতিত সোঁফালে এটা ঢোল ৰখা হয়। হলুঙৰ (চাংঘৰৰ) তলত কলগছেৰে এটা বগা হাতী, কল মধুনাৰে সজা হয়। ওখ বেদীত (মেহেঙা) প্ৰধান পুৰোহিত বৰদেউৰীৰ বাবে কলপটুৱাৰে প্ৰস্তুত কৰা গামখাৰু, মণি, টুপি, আঙুঠি, কেৰু আৰু সাজপাৰ ৰখা হয়। বৰ দেউৰীৰ কাৰণে এটা চোলা আৰু এখন ধুতী আগবঢ়োৱা হয়। আহোম ভাষাত ইয়াকে হু-চুং বুলি কোৱা হয়। ওখৰ থাপনা কৰা চিলিঙত তিনিটাকৈ আৰু মাটিত কলপাতত এটিকৈ আই লেং ডিনলৈ

আগবঢ়োৱা প্ৰতিটো বস্তুকে ঠিক একে ধৰণেই উৎসৰ্গা কৰা হয়। লেংডনৰ কাৰণে নটা বগা কুকুৰা, নটা সিদ্ধ কুকুৰা কণী, এজনী বগা চেঁউৰী, গাহৰি আৰু এটা খটিখুন নথকা ৰঙাৰঙৰ চেঁউৰী গৰু আগবঢ়োৱা হয়। বৰদেউৰী গৰাকীয়ে তেওঁলৈ আগবঢ়োৱা নতুন চোলা আৰু ধুতী পিন্ধি প্ৰকাণ্ড কুঠাৰ এখনেৰে ৰঙা গৰুজনীক (বৰপহু) মৰিয়াই মাৰিব লাগে। কেতিয়াবা কুঠাৰৰ সলনি মধুৰীআমৰ শকত ডাল এডালো গৰুজনী কোবাই বধ কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। প্ৰধান পুৰোহিতগৰাকীয়ে এনেকৈ বধ কৰা গৰুজনীৰ ডিঙি কাটি তেজ সংগ্ৰহ কৰে আৰু সেই তেজ উতলোৱাৰ কাৰণে বাহৰ চুঙাত ৰখা হয়। উতলা তেজখিনি চুঙাৰ পৰা উলিয়াই ডোখৰ ডোখৰ কৰি খৰিকাত দি প্ৰত্যেক ভাগতে দিয়ে। গৰুজনীৰ মাংসত আদা, মিঠাতেল আৰু নিমখ সানি তাৰ লগত তেজখিনি মিহলাই পাত্ৰত দিয়া হয়। সেইদৰেই অন্যান্য পশুপক্ষী বলি দি বাঁহৰ পাত্ৰত ৰখা হয়। প্ৰধান পুৰোহিতে তাৰ পিছত কলপাতেৰে ঢাকি ৰখা বাহৰ খুটা আৰু কামীৰে সজা ওখ আসন এখনত উপবেশন কৰে। এই ওখ আসনত বহি বৰদেউৰীয়ে ভৱিষ্যতবাণী কৰে।

চিৎলাম চাম : এই দেৱতাসকলৰ উদ্দেশ্যে আই লেংডিনৰ বাবে আগবঢ়োৱা সামগ্ৰীসমূহৰ সাতোটাকৈ এখন থালত আগবঢ়োৱা হয়।

মুৎকুম-টাইকুমি : এই চন্দ্ৰ আৰু সূৰ্য দেৱতাৰ কাৰণে উল্লেখিত উপাচাৰবোৰক দুটাকৈ দিয়া প্ৰয়োজন।

জা-চিং-ফা : বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীগৰাকীৰ বাবে উল্লেখ কৰা উপাচাৰসমূহ প্ৰতিটোৰে তিনিভাগকৈ দিয়া প্ৰয়োজন।

জান চায় হুঙ : এওঁৰ আসন আই ল্যোঙৎ দিনৰ পাচতে স্থান দিয়া হয়। ওপৰত কৈ অহা ধৰণে সামগ্ৰীসমূহৰ যথাক্ৰমে দুপদ আৰু এপদ কৈ দিব লাগে।

পাৰ্থিৱ (হিন্দু) দেৱতাসকল ঃ

মহাদেৱ ঃ কলগছৰ দোনাৰে বেৰ-ছাল দি এটি সৰু ঘৰ সজোৱা হয়। সেই ঘৰৰ ভিতৰত দুডোখৰ কলপাত পৃথকে পৃথকে পাৰি দিয়া হয়। চাউলৰ পিঠা, পকাকল, তামোল আৰু তুলসীপাত পৃথকে পৃথকে দুভাগ কৰি দিয়া হয়। ঘৰটোৰ ওপৰত এখন মিঠা তেলৰ চাকি জ্বলোৱা হয়। এযোৰা কুকুৰা, এটা বগা ছাগলী, এহাল পাতিহাঁহ, এযোৰ পাৰ চৰাই, দুটা জালুক, (গোটে গোটে) আৰু নিমখ অৰ্পণ কৰা হয়। তুলসী পাত, টংলতি আৰু এটা মাটিৰ ৰন্ধা পাত্ৰ তাত ৰখা হয়।

ফি মে থাও (গোসাঁনী) ঃ কলপটুৱাৰে এটা সৰু ঘৰৰ ওপৰত উল্লেখ কৰা ধৰণেই সজা হয়। তিনিখন কলপাত তাত বেলেগ বেলেগে পতা হয়। সেই কলপাতৰ ওপৰত পিঠা, পকাকল, তামোল-পাণ, চিংকাৰা ফুলেৰে মেৰিওৱা তামোল দিয়া হয়। টংলতি আৰু তুলসী পাতো দিয়া হয়। চাৰিটা কুকুৰা উচৰ্গা কৰি দিয়া হয়। গোটা জালুক আৰু নিমখ দিয়া হয়। এহাল বগা ছাগলীও উচৰ্গা কৰা হয়। তিনিটা হাঁহ, এযোৰ পাৰ চৰাইও দিয়া হয়। এটা মাটিৰ পাত্ৰ ৰন্ধাৰ বাবে দিয়া হয়। এখন মিঠাতেলৰ চাকি জ্বলাই দিয়া হয়। ডিঙিত তুলসী পাতৰ মালা এধাৰি পিন্ধাই এটা বগা ম'হ আগবঢ়োৱা হয়। টংলতি আৰু তুলসীপাতৰ দিয়া তিনিটা মাটিৰ পাত্ৰ ৰখা হয়। এজন দেউবী ক লপটুৱাৰে তৈয়াৰী আসনত বহে।

বৰবাউলী ঃ কলপটু বাৰে সৰু ঘৰ এটি সজাই তাত তিনিটা বেদী প্ৰস্তুত কৰা হয়। প্ৰতিটো বেদীতে কেঁচা কল, পিঠা, গোটা তামোল-পাণ, কটা তামোল, টংলতি আৰু তুলসী পাত আগবঢ়োৱা হয়। তিনিটা কুকুৰা উৎচৰ্গা কৰা হয়। তিনিটা কলদোনাত তিনিটা জালুক আৰু নিমখ ৰখা হয়। এযোৰ পাৰ চৰাই, তিনিটা হাঁহ

আৰু এখন মাটিৰ চাকি জ্বলোৱা হয়। মাটিৰ চৰু, আন তিনিটা মাটিৰ পাত্ৰ (টেকেলি) তুলসীপাতৰ দৰকাৰ। পুৰোহিত (দেউৰী) গৰাকী বহাৰ কাৰণে কল মধুনাৰে আসন এখন সজা হয়। মাটিৰ ঘট এটিত পানী আৰু ফুলেৰে সৈতে এটা টংলটিভাল ৰখা হয়।

সৰু বাউলী ঃ কলপটুৱাৰে নিৰ্মিত সৰু পূজাগৃহ এটা সাজি কেঁচাকল, চাউলৰ গুৰিৰ পিঠা, কটা তামোল, তুলসীপাত, গোটা-তামোল-পাণ আৰু এখন মিঠাতেলৰ চাকি আগবঢ়োৱা হয়। বলিৰ কাৰণে এটা ছাগলী। এটা মাটিৰ চৰু আৰু আন তিনিটা মাটিৰ পাত্ৰ টেকেলি লাগে। তিনিটা কুকুৰা, তিনিটা হাঁহ, এযোৰ পাৰ চৰাই উৎসৰ্গা কৰা হয়। দেউৰীৰ বাবে লাগে কল মধুনাৰে নিৰ্মিত আসন এখন। পানী আৰু তুলসী দিয়া মাটিৰ টেকেলি এটা।

খেটৰ ঃ কলগছৰ ডাঁহিৰে বাওঁহাতখন ভঙা অৱস্থাত এটা খেটৰৰ মূৰ্তি সজা হয়। মূৰ্তিটোৰ দুয়োকাষে দুডাল যাঠি ৰখা হয়। মূৰ্তিটোক হালধীয়া কাপোৰ পিন্ধাই দিয়া হয়। মূৰ্তিৰ সন্মুখত দুখন আগলতি কলপাত পৰা হয়। পকাকল, পিঠা, কটা-তামোল আৰু গোটা তামোল-পাণ আগবঢ়োৱা হয়। এহাল কুকুৰাও আগবঢ়োৱা হয়।

আই-ন-ভনীঃ কলদোনাৰে তিনিখন নাও সজা হয়। সেই নাৱঁত পাখিযুক্ত নাৰীমূৰ্তি আৰু এখন বʼঠা ৰখা হয়। প্ৰতিখন নাৱঁতে নটাকৈ খোটালি থাকে। প্ৰতিটো খোটালিত পাতৰ ওপৰত পিঠা, পকাকল আৰু একোখন কটা তামোল ৰখা হয়। নাওখনৰ মাজভাগত সৰু ঘৰ এটি সাজি তাৰ ভিতৰত কলগছৰ ডাঁহিৰে এটা বেদী নিৰ্মাণ কৰা হয়। এই বেদীৰ ওপৰত কেঁচা কল, কেঁচা পিঠা, তিনিখন কটা তামোল আৰু গোটা তামোল পকা

আগবঢ়োৱা হয়। এই উপাচাৰবোৰৰ লগত টংলতি আৰু তুলসী পাত দিয়া হয়। প্ৰতিখন নাৱঁতে একোখনকৈ তেলৰ চাকি জ্বলোৱা হয়। ন-গৰাকী বাই-ভনী (দেৱী) বুজোৱা এই দেৱীসকলক ৰেক্‌ৰেকী, চেক্‌চেকী কোৱা খাটী, চিলাখাটী, আকাশী, চৌৰাঙ্গী, ঔৰাণ্ডি, গোধী, গেৰালী, নাৱৰ টিঙত উভটি নাচন্তি বুলি কোৱা হয়।

টেকেলা ঃ পকা কল, কেঁচা পিঠা, মতা-মাইকীসহ কুকুৰা ৯টা, বগা ছাগলী ১টা, বগা পাৰ ১যোৰ, বগা হাঁহ এযোৰ, টংলতি ফুল, তুলসী ফুল, তামোল পাণ, কল পুলি ৪টা, চন্দ্ৰতাপ ১খন, মাটিৰ চৰু ১টা, মাটিৰ টেকেলি ১টা, বাহৰ ঘট ৯টা, কলৰ পটুৱাৰে সজা বলি দোঙ ৯টা, মাটিৰ চাকি ১০খন আৰু শৰাই ১ খন।

সাতঘৰীয়াঃ উপাচাৰসমূহ হ'ল পকাকল, কেঁচা পিঠা, দুখন কটা তামোল, দুটা গোটা তামোল আৰু পাণ। বলি বিধান আগবঢ়োৱাৰ বাবে কলগছৰ দোনা এটা ৰখা হয়।

পাঁচঘৰীয়া হেল কোঁৱৰ, মালকোঁৱৰ, গৰীয়াৰজা, মৰীয়া ৰজা আৰু ধোবা-ধুবুনীৰ বাবে আগবঢ়োৱা উপাচাৰসমূহো সাতঘৰীয়ালৈ আগবঢ়োৱা উপচাৰৰ দৰেই একে।

দংদঙীয়া ঃ কলগছৰ ডাঁহি আৰু দোনাৰে এটা মূৰ্ত্তি সজা হয়। ন'পাত কাঁড় কাষত ৰখা হয়। মূৰ্ত্তিটোৰ চাৰিওফালে আগলতি এযোৰ কলপাত পাৰি তাৰ ওপৰত (প্ৰতিখনতে) পকাকল, কেঁচা পিঠা, কটা তামোল আৰু গোটা তামোল-পাণ দিয়া হয়। বলি বিধান আগবঢ়োৱাৰ বাবে নটা কলদোনা, কলদোনা, নটা কুকুৰা, এটা মাটিৰ চৰু, টংলতি, তুলসী পাত দিয়া হয়। মূৰ্ত্তি টোৰ মূৰত বগা আৰু ৰঙাফুল দিয়া হয়। মুগা বৰণৰ (Brown) এটা টঙালীমূৰীয়া ছাগলী, এহাল হাঁহ, এযোৰ পাৰ চৰাই দিয়া হয়। পকা কল, কেঁচা পিঠা, কটা তামোল আৰু ফুলো দিয়া হয়। টেকেলাৰ কাৰণে দোনাটোত এটা কুকুৰা ৰখা হয়। দহগছি তেলৰ চাকি জ্বলোৱা হয়।

অপেশ্বৰী সবাহ : মাটিত নযোৰ কলপাত ঘূৰণীয়াকৈ পাৰি দিয়া হয়। ন প্ৰকাৰৰ কলৰ ন আখি আনি আগবঢ়োৱা হয়। ফুল আৰু টংলতিৰ লগত কেঁচা পিঠা আৰু নটা থোক তামোল দিয়া হয়। দুখন তেলৰ চাকি দিয়া হয়। বলি বিধান ৰখাৰ বাবে দুটা কল দোনা ৰখা হয়। টেকেলাৰ বাবে আন এটা দোনা। জালুক আৰু নিমখ আন দুবিধ উপাচাৰ দিয়া হয়। দোনা কেইটাৰ ওচৰত চাৰিদাল বাঁহৰ কাঠি থোৱা হয়। এই কাঠিকেইটাৰ ওপৰৰ মূৰত ছাটিৰ দৰেকৈ সূঁতা বন্ধা হয়। তাৰ পিছত ক'লা, বগা আৰু ৰঙা সূতাৰে লাইন টানি সন্মুখৰ ফালে একোটাকৈ মুকলি বাট ৰাখি আকাশত ৰামধেনু ওলোৱাৰ ইঙ্গিত সূচক 'মঙ্গল-পতা' অনুষ্ঠান সম্পন্ন কৰা হয়।

হাবিদেওশালত তলত উল্লেখ কৰা ধৰণৰ ব্যৱস্থা কৰা হয়।

লাংকুৰী : কলগছৰ ডাঁহি আৰু দোনাৰে দেৱীগৰাকীৰ মূৰ্ত্তি এটি সজা হয়। মূৰ্ত্তিটোৰ মূৰত ত্ৰিশূলৰ দৰে তিনিটা জোঙ থকা সঁজুলি এটা স্থাপন কৰা হয় আৰু জোঙ কেইটাত কৌপাতেৰে মেৰিয়াই বন্ধা হয়। তিনিতৰপ কৌপাত লম্বভাৱে মূৰ্ত্তিৰ সন্মুখত ৰখা হয়। কৌপাতেৰে মেৰিয়াই তিনিটা তামোল গোটে গোটে দিয়া হয়। পকা কল, কেঁচা পিঠা তিনিটা, সান্দহগুৰি, ভজাপিঠা, মিঠাতেল, বেতগাজ আৰু আদা আগবঢ়োৱা হয়। তিনিটা কুকুৰা আগবঢ়োৱা হয়। কলগছৰ দোনা তিনিটাত জালুক, নিমখ আৰু চাউলৰ পৰা প্ৰস্তুত কৰা দেশীয় সুৰা আগবঢ়োৱা হয়। এজনী ক'লা ৰঙৰ গাহৰি পোৱালিও উৎসৰ্গা কৰা হয়।

নাং-চি-চাও (কলিমতী) : মাটিত এটা কৌপাত পাৰি লোৱা হয়। দুখন কটা তামোল, গোটা তামোল-পাণ, এজনী ক'লী কুকুৰা আগবঢ়োৱা হয়। অন্যান্য সামগ্ৰীসমূহ লাংকুৰীলৈ আগবঢ়োৱা সামগ্ৰীৰ দৰেই।

প-ফি-চু (বৰ চেমান)ঃ গছজোপাৰ তলত কাঠেৰে এখন সৰু চাং সজা হয়। তাৰ ওপৰত কৌপাতৰ সাতটা তৰপ জাপি জাপি দিয়া হয়। চাংখনৰ খুটা কেইটা কৌপাতেৰে সাত খাপকৈ বান্ধি দিয়া হয় আৰু পাত জাপৰ ওপৰত সাতদাল আওক গুজি দিয়া হয়। সাতখন তামোল, সাতটা গোটা তামোল আৰু পাণ, সাতটা মাইকী কুকুৰা, সাতটা মাইকী গাহৰি, এটা ৰঙা কুকুৰ আৰু চাউলৰ পৰা প্ৰস্তুত কৰা লুকলাও (মদ) লাগিব। বাঁহৰ আগেৰে তৈয়াৰ কৰা এখন ধনু, সেই ধনুত লগাবলৈ বেতৰ গুণ, দুটা বাঁহৰ চুঙাৰে সজা ঢোল তাৰে এটাত ছাগলী আৰু আনটোত বাকী নৈবেদ্যসমূহ ভৰাই কৌপাতেৰে বান্ধি ধনুত বন্ধা হয়। ঢোল দুটা ধনুখনৰ মাজত বান্ধি ৰখা হয় আৰু তাৰ ওপৰত উল্লেখ কৰা খাদ্য সামগ্ৰীবোৰ ধনুখনৰ বাহিৰত সূতাৰে সাত মেৰ দি বন্ধা হয়। ধনুখনৰ মাজভাগত সাতখন কটা তামোল আৰু ফুল ৰখা হয়। অনুষ্ঠানৰ শেষৰ ফালে নাচি থকা অৱস্থাতে দেউবীজনে (পুৰোহিত) ধনুখনত বান্ধি ৰখা কুকুৰ এটা কাটি কুকুৰটোৰ ঠেং কেইখন তেল নিমখ আৰু আদা সানি চাংখনৰ চাৰি খুটাত ওলোমাই দিয়া হয়। (মা-জং)।

লিখা চেমানঃ গছ এজোপাৰ তলত আগতে উল্লেখ কৰা দৰেই চাং এখন সজা হয়। চাঙখনৰ ওপৰত ক'পাত পাতৰ তিনিটা তৰপ পাৰি দিয়া হয়। তিনিটা কুকুৰা আগবঢ়োৱা হয়। অন্য সামগ্ৰীবোৰ বৰ চেমানলৈ আগবঢ়োৱা সামগ্ৰীৰ দৰেই। কেবল ধনু আৰু কুকুৰ দিয়া নহয়।

গটিয়াল ঃ এখন চাং পতা হয়। ক'পাত (Caupat) পাতৰ দুটা তৰপ তাৰ ওপৰত পাৰ দিয়া হয়। দুখন কটা তামোল আৰু দুটা গোটা তামোল আৰু পাণ দিয়া হয়। দুটা পাত্ৰত উপাচাৰবোৰ বৰচেমানক দিয়া উপাচাৰৰ দৰেই।

চান-পালিক-হ পালিক ঃ মাটিত এটা পাত পাৰি তাতে এখন কটা তামোল আৰু এটা গোটা তামোল আৰু পাণ আগবঢ়োৱা হয়। কুকুৰাটো টুকুৰা-টুকুৰকৈ কটা পছলাৰ লগত ৰন্ধা হয় আৰু ভাতৰ লগত আগবঢ়োৱা হয়।

ভূত ঃ এটা পাতত কেঁচাকল আৰু কেঁচা (নভজা) পিঠা দিয়া হয়। কলগছৰ দোনা এটাত কেইটামান জালুকগুটি, নিমখ আৰু এটা কুকুৰা আগবঢ়োৱা হয়। সান্দহ গুৰি আৰু সৰু সৰুকৈ কটা পছলাৰ টুকুৰাৰে কুকুৰাটো ৰান্ধি ভাতৰ লগত দিয়া হয়। এখন কটা তামোল আৰু এটা নকটা তামোল পাণসহ দিয়া হয়।

বাঘিনী ঃ মাটিত পাত পাৰি কেঁচা কল, কেঁচা থুৰীয়া তামোল আৰু গোটা তামোল আগবঢ়োৱা হয়। তাৰ লগতে তিনিটা কুকুৰা আগবঢ়োৱা হয়। জালুক, নিমখ আৰু পিঠাও দিয়া হয়।

এই আটাইবোৰ প্ৰস্তুতি সম্পূৰ্ণ হোৱাৰ পিছত পূজাৰ আগদিনাখন পুৰোহিতসকল আহি দেওশালত উপস্থিত হয়। দেওশালখন অতি পৰিষ্কাৰ পৰিচ্ছন্নকৈ ৰখা হয়। পুৰোহিতসকল তিনিটা ভাগত ভাগ হৈ দেৱ-দেৱীসকলৰ বাবে সজা (ওপৰত উল্লেখ কৰাধৰণৰ) দেৱ-গৃহসমূহ সঠিকভাৱে নিৰ্মাণ কৰা হৈছে নে নাই তাক পৰীক্ষা কৰে। তিনিটা মণ্ডপ প্ৰস্তুত কৰা হয়। পুৰোহিতসকলে কঠোৰ নীতি-নিয়ম পালন কৰি তিনিদিন অনাহাৰে নিঃসঙ্গ হৈ থাকিব লাগে। তেওঁলোকৰ পোছাক পৰিচ্ছদ. চাল-চলন আৰু আচৰণবিধিয়ে এক অলৌকিক চৰিত্ৰ পৰিগ্ৰহ কৰে। পূজাৰ দিনাখন খুব পুৱাতে ঢুলীয়াই 'কং-লুং' অৰ্থাৎ পৱিত্ৰ ঢোল বজাই অনুষ্ঠান আৰম্ভ হোৱা বুলি ঘোষণা কৰে। পুৰোহিতসকলে তেলৰ চাকি আৰু ধূপ জ্বলাই উঠি খটলকত (খুটাত) বলিৰ বাবে বান্ধি থোৱা পশু-পক্ষীবোৰ মোকলাই প্ৰথমে বিশাল বক্তিস্তম্ভৰ (লাক-কুইলেং) ওচৰলৈ নি তাৰ পৰা বলিদানৰ বাবে নিজ নিজ বেদীৰ ওচৰলৈ লৈ যায়।

ইয়াৰ মাজতে পুৰোহিতসকলে পৱিত্ৰ মন্ত্ৰ উচ্চাৰণ কৰি ভোগ (ন্যা-পু-লক) আৰু ডাঙৰ বাটি এটাত পৱিত্ৰ শান্তিজল (নাম-য়া-বিউ-বাই)

প্ৰস্তুত কৰে। তেওঁলোকে নিজে এই শান্তিজল ভগাই খায় আৰু বেদীবোৰত অৰ্পণ কৰা সামগ্ৰী আৰু বলিৰ বাবে সাজু কৰা পশু-পক্ষীবোৰৰ গাত ছটিয়াই দিয়ে। এই মন্ত্ৰবোৰ আচলতে পূৰ্বপুৰুষ আৰু দেৱতাসকললৈ কৰা প্ৰাৰ্থনাৰ বাহিৰে আন একো নহয়। সৰগৰ ঈশ্বৰক প্ৰণাম জনাই এই মন্ত্ৰ আৰম্ভ কৰা হয় এনেদৰে —

" চাও নু-ৰু-চাও-কাও-ঐ

অ' ফি ঐ কি য়া উ ৰই উ ৰা

অ' চাও ফ্ৰা নো চাও ফ্ৰা টেকপিন বা" ইত্যাদি।

আহোম প্ৰথামতে প্ৰথমে মন্ত্ৰধ্বনি কৰি দেৱতাসকলৰ নাম লৈ তেওঁলোকক আৱাহন কৰা হয়। ইয়াকে আও টাং বোলে। সকলো দেৱ-দেৱীয়ে আৱাহন কৰি তেওঁলোকৰ বাবে নিৰ্দিষ্ট কৰি থোৱা স্থানত অধিষ্ঠিত হবলৈ প্ৰাৰ্থনা কৰা হয়। তাৰ পিছত পুৰোহিতসকলে পূজাৰ উপাচাৰ, বলিৰ বাবে সাজু কৰা পশু-পক্ষী আৰু অন্যান্য ভোগৰ সামগ্ৰীৰ নাম উল্লেখ কৰি সেইবোৰ গ্ৰহণ কৰিবলৈ দেৱতাসকলক আহ্বান জনায়। ইয়াকে কিন্-টাঙ্ বোলে। ইয়াৰ পিছত পুৰোহিতসকলে দেশ আৰু দেশবাসীৰ কাৰণে দেৱতাসকলৰ শুভাশীষ আৰু কৰুণা ভিক্ষা কৰে। ইয়াকে জন্-মিঙ্ বোলে। ইয়াৰ পিছতে দেউৰীয়ে ভৱিষৎবাণী কৰে আৰু দেৱ-দেৱীসকলক তুষ্ট কৰি অপায়-অমংগল প্ৰতিৰোধ কৰাৰ বাবে প্ৰতিবিধানৰ নিৰ্দেশ দিয়ে। দেউৰীসকলে তিনিওখন মণ্ডপতে (দেওশাল) যেতিয়া নৃত্য কৰে, তেতিয়া বৰদেওশালত আহোম মন্ত্ৰ আৰু বাকীদুটা শালত অসমীয়াতে বৰদেউৰী আৰু অন্য দেউৰীসকলে প্ৰাৰ্থনা সংগীত গায়। নৃত্য কৰি কৰি দেউৰীসকলে উৎসৰ্গা কৰা ছাগলী আৰু অন্যান্য পশু-পক্ষী হাতেৰে মুচৰি ৰক্তপান কৰে আৰু ভৱিষ্যৎবাণী কৰে। ইয়াৰ পিছত পুৰোহিতসকলে দেউৰীসকলৰ ওপৰত মন্ত্ৰপুত পানী ছটিয়াই দিয়ে। তেতিয়াহে দেউৰীসকলে জক উঠা অৱস্থাৰ পৰা সম্বিত ঘূৰাই পায়। এইদৰে দেৱ-দেৱীসকলক বিদায় বা বিসৰ্জন দিয়া কাৰ্যক 'বইটাং'

বোলা হয়। 'বইটাঙ'ৰ পিচতে দেউবীসকল মাটিত ঢলি পৰে, কিয়নো তেওঁলোকৰ শৰীৰত লম্ভা দেব-দেৱীসকলে তেতিয়া তেওঁলোকক এৰি যায়। ইয়াৰ কিছু সময় পিছত তেওঁলোকে সংজ্ঞা (চেতনা) ঘূৰাই পায়। (উমফা পূজাৰ আহোম মন্ত্র ৩নং পৰিশিষ্টত দ্রষ্টব্য)।

হিন্দু মণ্ডপত দেব-দেৱীসকলৰ পূজাত আহোম মন্ত্র প্রয়োগ কৰা নহয়; ইয়াত অসমীয়াতহে মন্ত্র পাঠ কৰা হয়।

পূজা অর্চনা প্রধানকৈ সর্বশক্তিমান শিব (মহাদেব), বৃদ্ধা মাতৃ সুবচনী আৰু তেওঁলোকৰ পালি-প্রহৰীসকলক লক্ষ্য কৰিহে কৰা হয়। এইসকলৰ ভিতৰত আছে ইকোলা-সিকোলা, য়াজলী-মাজলী, বিধি-বিধাতা, তামুলী-টেকেলা, ৰোগ আৰু মহামাৰীৰ দেৱীসকল, বসন্তৰ (সকআই) দেৱী আৰু ন-গৰাকী বাই-ভনী দেৱী, গৰিয়া ৰজা, মৰিয়া ৰজা, শেল কোঁৱৰ, মাল কোঁৱৰ, ধোবা-ধুবুনী, পাঁচ ঘৰীয়া আদি। (উমফা পূজাৰ মন্ত্র পৰিশিষ্ট ৪ নংত দ্রষ্টব্য)।

প্রবাদ আছে যে দূৰ অতীতত মাটি বা পানী বুলি একো নাছিল। চন্দ্র-সূর্যই নিজ নিজ গতিপথত গতি কৰি আছিল। স্বৰ্গৰ দেৱতাসকল মহাকাশত বিৰাজ কৰিছিল। চাৰিগৰাকী সিদ্ধপুৰুষে এখন মাটিৰ নাও সাজি উলিয়ালে। পৃথিৱীখনৰ আবির্ভাব হ'ল। কিন্তু কোনে দেখা পালে? কোনে ইয়াৰ নাভি কর্তন কৰিলে? গছৰ ডালত ফেঁচাই কুকুলীয়ালে। চুক ভেকুলীয়ে নাভি কাটিলে। ব্রহ্মাই স্রজন কৰি, বিষ্ণুৱে পালন কৰিলে আৰু ৰুদ্রই বিনাশ কৰিলে। স্বৰ্গৰ দেৱতাসকলক যথাস্থানত সংস্থাপন কৰা হ'ল। এইবোৰ নষ্ট কৰিবলৈ কোনো শক্তি নোলাল। পূজা অর্চনাৰ কাৰণে কোনো দেৱতা নাছিল। তেতিয়াৰ পৰাই মানুহৰ অর্চনাৰ দেৱতাসকলৰ সৃষ্টি কৰা হ'ল।

সকলোৰে মঙ্গল কামনা কৰি আৰু বিভিন্ন বেমাৰ আজাৰ, মাৰি-মৰক আৰু সকলো প্রকাৰৰ অপায়-অমঙ্গলৰ পৰা পৰিত্রাণ কৰাৰ অৰ্থে (কিয়নো সেইসকলোবোৰ আমাৰ পদচ্যুতিৰ বাবেই সংঘটিত হয়।) মহান মাতৃ, প্রভু শিব আৰু দেৱী সুবচনীৰ ওচৰ চপা হয়। (২০০৪ চনত অনুষ্ঠিত হোৱা উমফা

পূজাৰ পুৰোহিতসকলৰ তালিকা ৫ নং পৰিশিষ্টত দিয়া হ'ল।)

## ফুৰালুঙ

আহোম ধৰ্মৰ এটা অতি গুৰুত্বপূৰ্ণ কথা হ'ল এই যে এই ধৰ্মৰ সমূহ আচাৰ-বিচাৰৰ ভিতৰত কেৱল 'ফুৰালুঙ'তে ৰক্তক্ষয়ী বলিবিধানৰ ব্যৱস্থা নাই। বেছিভাগ ধৰ্মীয় অনুষ্ঠানতে আহোমসকলে ৰক্তক্ষয়ী বলি-বিধানৰ ব্যৱস্থা কৰা দেখা যায়। কেৱল ফুৰালুংহে এটি ব্যতিক্রম। ফুৰালুং সম্পৰ্কে তাত্ত্বিক ব্যাখ্যা আগবঢ়োৱাৰ আগতে প্ৰথমে আহোম পুৰোহিত সম্প্ৰদায় আৰু আন কিছুমান আহোম পৰিয়ালত যি ধৰণে ফুৰালুং অনুষ্ঠান পতা হয় তাৰ পূৰ্ব-প্ৰস্তুতি সম্পৰ্কে দুষাৰমান কোৱা উচিত হ'ব।

এই অনুষ্ঠান কেইবাপ্ৰকাৰে উদ্‌যাপন কৰা হয়। যেনে —

(১) পূৰ্ণাঙ্গ অনুষ্ঠান উদ্‌যাপন;

(২) অধিকাংশ অনুষ্ঠান উদ্‌যাপন;

(৩) কোনো বিশেষ উদ্দেশ্যে কোনো গৃহস্থই উদ্‌যাপন কৰা ফুৰালুং;

(৪) ক্ষুদ্ৰ পৰিসৰত কোনো পৰিয়ালত উদ্‌যাপিত কেৱল প্ৰাথমিক স্তৰতে সীমাবদ্ধ অনুষ্ঠান।

যি কেনো প্ৰকাৰৰ ফুৰালু অনুষ্ঠান উদ্‌যাপনৰ ক্ষেত্ৰতে তলত উল্লেখ কৰা পৰ্য্যায়কেইটা বাধ্যতামূলক।

(১) মাটিৰ চাকি জ্বলাবৰ কাৰণে সাতদাল (পঠালিকৈ দিয়া) বাঁহৰ কামিৰে সজ্জিত ওখ বেদী এটা ('লক') ;

(২) এটা ওখ বেদীত 'পাক পেঁএ কা কা' স্থাপন ;

(৩) 'এৱা- পুলক' প্ৰস্তুত ;

(৪) 'আই চিং লাও' অৰ্থাৎ প্ৰাৰ্থনা সঙ্গীত গোৱাটো।

আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল এই যে ই অনুষ্ঠানত আবঢ়োৱা ভোগৰ সামগ্ৰী সম্পূৰ্ণ নিৰামিষ হ'ব লাগিব; মাছ, মাংস,কণী আৰু সুৰা সম্পূৰ্ণভাৱে

নিষিদ্ধ। সিদ্ধ বা ৰন্ধা কোনো খাদ্যবস্তু আগবঢ়োৱা নহয়। চাউলৰ গুৰি, গুৰ, গাখীৰ আৰু মৌ মিহলাই মিঠৈ প্ৰস্তুত কৰা হয়। তিওৱা বুটমাহ তেল, নিমখ আৰু আদা মিহলি চাউল কল, কুঁহিয়াৰ আৰু অন্যান্য ফল-মূলৰ লগত আগবঢ়োৱা হয়।

আহোমসকলৰ প্ৰতিটো ধৰ্মানুষ্ঠানতে তামোল-পাণ অতি অপৰিহাৰ্য সম্পদ হিচাপে বিবেচিত হৈ আহিছে।

ভকতসকলৰ (ফুকফুচিং) ওপৰত আৰোপ কৰা বিশেষ গুৰুত্ব। এই বিষয়টোৱে এই অনুষ্ঠানটোক আন আন আহোম ধৰ্মানুষ্ঠানৰ মাজত এক বৈশিষ্ট্য প্ৰদান কৰিছে। ইয়াত নিমন্ত্ৰিত এই ভকতসকলে তিনিগৰাকী আহোম পুৰোহিত বাছনি কৰি সমবেত ৰাইজে আৰোপ কৰা বিশেষ দায়িত্ব পালন কৰিবলৈ দিয়ে।

**(ক) ফুৰালুঙৰ বেদী নিৰ্মাণ ঃ**

বেদীৰ কাৰণে প্ৰথমে এডোখৰ ঠাই বাছনি কৰা হয়। মাটি বা বালিৰে আঠচুকীয়াকৈ এই বেদী নিৰ্মাণ কৰা হয়। প্ৰতিটো চুকতে বেদীৰ পৰা সামান্য আঁতৰত মাটিত গাঁত কৰি একোটা কলপুলি পোতা হয়। নিমন্ত্ৰিত ভক্তসকল বহাৰ বাবে যথেষ্ট ঠাই ৰখাটো বাঞ্ছনীয়। বেদীৰ পশ্চিম দিশত পুৰোহিতসকল আৰু পৰিয়ালৰ লোকসকল বহে। গতিকে তাত সেই অনুপাতে মুকলি ঠাই ৰখা দৰকাৰ। পূবফালে 'পাক পেঁও কা কা' গ্ৰন্থখন ৰখাৰ বাবে নিৰ্মাণ কৰা হয় এটা ওখ বেদী। কলদোনাত বা অন্য পাত্ৰত খাদ্য-উপাচাৰসমূহ আগবঢ়োৱাৰ বাবে যথেষ্ট ঠাই ৰখা প্ৰয়োজন।

**(খ) পুৰোহিত (মক ম-চিং) আৰু নিমন্ত্ৰিত অতিথিসকলক (ফুক ফুচিং) আদৰণিঃ**

ঘৰৰ মুখিয়াল ব্যক্তিগৰাকীয়ে পিতলৰ শৰাইত তামোল-পাণ আৰু কিছু পইচা দি পুৰোহিত আৰু ভকতসকলক আদৰণি জনায় আৰু বেদীৰ ওচৰত আসনগ্ৰহণ কৰিবলৈ আহ্বান কৰে। পৰিয়ালৰ লোকসকলে

সমবেতসকলক প্ৰণাম জনায়। তাৰ পিচতে সমবেতসকলে বাছনি কৰা তিনিজন পুৰোহিতক সেই শৰাই বা বঁটা আগবঢ়াই পৰিয়ালৰ লোকসকলে প্ৰণাম কৰে। পৰিয়ালটোৱে অভ্যাগতসকলৰ বাবে যদি ভোজ-ভাতৰ আয়োজন কৰে, এইখিনি সময়তে সমবেতসকলে নিৰ্বাচিত লোকসকলক ৰন্ধা-বঢ়া কৰাৰ অনুমতি দিয়ে। (ফুৰালুঙ অনুষ্ঠানত পৰিবেশন কৰা গীতসমূহ পৰিশিষ্ট-৬ত দ্ৰষ্টব্য)

**(গ) 'পাক পেঁঞ কা কা গ্ৰন্থ স্থাপন :**

পুৰোহিতসকলে এতিয়া 'পাক পেঁঞ কা কা' পবিত্ৰ-ধৰ্মগ্ৰন্থখন বেদীৰ ওপৰত স্থাপন কৰে। বেদী নিৰ্মাণৰ কাৰণে এটা মুদ্ৰা তাৰ মাটিত অৰ্পণ কৰা হয়। এখন ডাঙৰ শৰাইত পবিত্ৰ ধৰ্ম গ্ৰন্থখন স্থাপন কৰা হয়। শৰাইখনৰ ওপৰত এখনি আগলি কলপাত পাৰি তাৰ ওপৰত 'পাক পেঁঞ কা কা' পুথিখন ৰখা হয়। এখন ফুলাম গামোছাৰে পুথিখন ঢাকি ৰখা হয়। ফুলৰ পাহি বা পাতেৰেও ঢাকি ৰাখিব পাৰি। গামোছাখনৰ ওপৰত তিনিখন কটা তামোল চিংকাৰ ফুলেৰে ঢাকি দিয়া হয়। 'পাক পেঁঞ কা কা' গ্ৰন্থৰ সোঁফালে এখন মাটিৰ চাকি জ্বলোৱা হয়। শৰাইখনত তামোল-পাণৰ উপৰিও অলপ পইচাও দিয়া হয়। 'পাক পেঁঞ কা কা' স্থাপন কৰা পুৰোহিতসকলে সমবেত ভক্তসকলক প্ৰণাম কৰি আশীৰ্বাদ দিয়ে।

**(ঘ) য়া পুলক প্ৰস্তুতকৰণ :**

বেদীৰ পশ্চিমফালে 'পাক পেঁঞ কা কা'ৰ ফালে মুখ কৰি তিনিগৰাকী পুৰোহিত বহিব। এটা তামৰ খোৰা পানী ৰখা হয়। ইয়াত এটা তামৰ পইচা (বা এডোখৰ তাম) ডুবাই ৰখা হয়। পাত্ৰটোত সোণ আৰু ৰূপও দিয়া হয়। কলগছৰ ডাঁহিৰে সাজি লোৱা হেঁতা এখন চিংকাৰ ফুলেৰে সজ্জিত কৰি আৰু তাত এডোখৰ তাম বান্ধি তাৰে তামৰ পাত্ৰটোৰ পানী লৰাই লৰাই পুৰোহিতসকলে মন্ত্ৰ উচ্চাৰণ কৰে।

য়া পুলক হ'ল ঘিউ, মৌ, এৰাঁ গাখীৰ, দৈ, গুৰ আৰু চেনিৰ মিশ্ৰণ। মন্ত্ৰধ্বনি কৰি এই পঞ্চামৃত সদৃশ পবিত্ৰ মিশ্ৰণ তৈয়াৰ কৰাৰ পিছত পুৰোহিত

তিনিজনে প্ৰথমে তাৰে কিয়দাংশ পান কৰি পৰিশুদ্ধ কৰে। তাৰ পিছত তাৰে কিছু বেদী আৰু অন্যান্য উপাচাৰত ছটিয়াই দিয়া হয়। তাৰ পিছত ভকতসকলৰ মাজত ইয়াক বিতৰণ কৰি দিয়া হয়।

**(৬) লাক সজ্জা (বন্তি জ্বলোৱাৰ কাৰণে স্তম্ভ সজ্জা)**

পূৰ্ণাঙ্গ ফুৰালং অনুষ্ঠানৰ কাৰণে ১০১ গছি বন্তি জ্বলাব লাগে, আৰু তাৰ বাবে ছয় সাত ফুট ওখকৈ কলগছ কাটি মাটিত পুতি বন্তিস্তম্ভ সজাব লাগে। তলৰ পৰা ওপৰলৈ মুঠ সাতটা শাৰীত কলগছৰ স্তম্ভত ভিন্ ভিন্ জোখত বাঁহ ফালি তলৰ পৰা ওপৰলৈ ক্ৰমাৎ জোঙা (Conic) ৰূপত সজাই লোৱা হয়। একেবাৰে ওপৰত তিনিমুখীয়া এখন চাকি আৰু দ্বিতীয় শাৰীত চাৰিখন চাকিৰ বাবে ঠাই ৰখা হয়। তৃতীয় শাৰীৰ পৰা ৬ষ্ঠ শাৰীলৈ এই চাৰিশাৰীৰ প্ৰতিশাৰীতে ১৬ খনকৈ চাকি জ্বলোৱাৰ ব্যৱস্থা ৰখা হয় আৰু সপ্তম তথা শেষৰ শাৰীত ৩২ খন চাকি জ্বলোৱা হয়। 'শংকু' আকৃতিৰ এই বন্তি-স্তম্ভকে 'লাক' বোলা হয়।

ফুৰালুং অনুষ্ঠান ক্ষুদ্ৰ পৰিসৰত উদ্‌যাপন কৰিলে 'লাক'ত মাত্ৰ এঘাৰখন চাকি জ্বলোৱা হয়। এই ক্ষেত্ৰত মাটিৰ এটা মুদ্ৰা দিয়া হয়। মাটিৰ চাকিবোৰ তেল-শলিতাৰে প্ৰস্তুত কৰি ওপৰত কৈ অহা ধৰণে নিৰ্মাণ কৰা বন্তি-স্তম্ভৰ সাতটা শাৰীত জ্বলাই দিয়া হয়। একেবাৰে ওপৰত দিয়া প্ৰধান চাকিখনত তিনিডাল শলিতাহে দিয়া হয়। বহুলভাৱে উদ্‌যাপিত ফুৰালুং অনুষ্ঠান 'নিগমী' প্ৰথামতে চলোৱা হয়; কিন্তু 'আগমী' প্ৰথামতেও এই অনুষ্ঠান সম্পন্ন কৰা হয়।

'লাক'ৰ (অৰ্থাৎ বন্তিস্তম্ভৰ) সন্মুখত চাকিৰ সংখ্যা অনুযায়ী সমসংখ্যক কলদোনা ৰাখি তাত চিংকাৰা ফুলেৰে আবৃত কটা তামোল আৰু কিছু পইচা দিয়া হয়। খাদ্য-উপাচাৰবোৰো তাৰ সমুখতে ৰাখি কলপাতেৰে ঢাকি দিয়া হয়।

এইখিনি কাম যথাযথভাৱে হৈ গ'লেই চাকি জ্বলোৱাৰ বাবে 'লাক' অৰ্থাৎ বন্তিস্তম্ভ প্ৰস্তুত হৈ পৰে। পৰিয়ালৰ মুৰব্বী গৰাকীয়ে প্ৰধান মাটিৰ চাকিখন জ্বলাই দিব। বাকীবোৰ চাকি পুৰোহিত আৰু আন ভকতসকলে জ্বলাব।

**(চ) ভক্তসকললৈ প্ৰণাম ঃ**

এতিয়া পৰিয়ালৰ লোকসকলে ভকতসকললৈ প্ৰণাম জনাব। ঘৰৰ মুখিয়াল ব্যক্তিগৰাকীয়ে ফুৰালুং অনুষ্ঠান পতাৰ উদ্দেশ্যে ব্যাখ্যা কৰিব। পুৰোহিত আৰু ম'লুংসকলে পৰিয়ালটোক আশীৰ্বাদ দিব।

**(ছ) প্ৰাৰ্থনা সঙ্গীত ঃ**

ইয়াৰ পিছতে পুৰোহিত ভকতসকল, পৰিয়ালৰ লোক আৰু সমবেত আন আন লোকসকলে ঈশ্বৰৰ প্ৰাৰ্থনাসঙ্গীত (আই-চিং-লাও) গায় আৰু এই স্তুতিগীত গোৱা হ'লে 'লাক'ত পুষ্পাঞ্জলি প্ৰদান কৰে। (৬নং পৰিশিষ্টত আই-চিং-লাও উল্লেখ কৰা হৈছে)

**(জ) পৰিয়ালৰ লোকসকলৰ প্ৰণাম আৰু শৰাই অৰ্পণ ঃ**

আই চিং লাওৰ অন্তত পৰিয়ালৰলোকসকলে ভক্তসকলক প্ৰণাম কৰে আৰু তেওঁলোকলৈ শৰাই আগবঢ়ায়। পুৰোহিতসকলে আশীৰ্বাদ দিয়ে।

**(ঝ) নাম গোৱা ঃ**

এগৰাকী পুৰোহিতে ইয়াৰ পিছতে সমূহীয়া প্ৰাৰ্থনা পৰিচালনা কৰে। এই প্ৰাৰ্থনা তিনিভাগত বিভক্ত; প্ৰথমে পুৰোহিতসকললৈ প্ৰণাম কৰা হয়। ইয়াকে ম' ছুং ম' লিক ম'লাই বোলে। দ্বিতীয়তে ঈশ্বৰলৈ (ফুৰা) প্ৰণাম আৰু শেষত প্ৰাৰ্থনা কৰা হয়। ইয়াৰে প্ৰথম আৰু দ্বিতীয়টো পুৰোহিতসকলেই পৰিচালনা কৰে যদিও ভক্তসকলেও তাত সক্ৰিয় অংশ গ্ৰহণ কৰে। ইয়াত নাগৰা বা তাল ব্যৱহাৰ কৰা নহয়। এই অনুষ্ঠানত পুৰোহিতে নাম লগাই দিয়ে আৰু ভক্তসকলে হাত তালি বজাই সমূহীয়াভাৱে সেই পদ গায়। গোটেই অনুষ্ঠানৰ ভিতৰতে এই কাৰ্য বৰ আকৰ্ষণীয় হৈ পৰে।

**(ঞ) সমূহীয়া প্ৰাৰ্থনাৰ** পিছতে সমবেত ভক্তসকলৰ আপ্যায়নৰ ব্যৱস্থা কৰা হয়। কিন্তু মাছ, মাংস বা কণীৰ ব্যৱহাৰ নহয়।

**(ট) লিক -ফাট ঃ**

ইয়াৰ পিছত পুৰোহিত তিনিগৰাকীয়ে শাস্ত্ৰ পাঠ কৰে। প্ৰধান পুৰোহিত গৰাকীয়ে ভগৱান ফুৰা আৰু জাচিং ফাৰ উদ্দেশ্যে স্তুতিগীত গায়।

**(ঠ) সমূহীয়া ফুৰা নাম ঃ**

তাৰ পিছত সমবেত ভক্তসকলৰ এজনে ভগবান ফুৰাৰ উদ্দেশ্যে স্তুতিগীত গায় আৰু বাকীবোৰে লগে লগে গাই যায়। ইয়াৰ পিছত পৰিয়ালৰ মানুহে ভক্তসকলক প্ৰণাম কৰে। তাৰ পিছত তেওঁলোকৰ আত্মীয়-স্বজন আৰু বন্ধুবৰ্গই প্ৰণাম কৰে।

**(ড) যদি পৰিয়ালটোৱে** গায়ন-বায়ন মাতে, তেনেহ'লে সমবেত ভক্তসকলক আপ্যায়িত কৰাৰ পিছতহে গায়ন-বায়নৰ অনুষ্ঠান হয়। গায়ন-বায়নৰ দলটোলৈ শ্ৰদ্ধা জনাই এখন শৰাই আগবঢ়োৱা হয়।

**(ঢ) গায়ন-বায়নৰ অনুষ্ঠানৰ** পিছত গৃহস্থঘৰৰ সকলোৱে সমবেত ৰাইজৰ ওচৰত আঁঠু লয়। এই অনুষ্ঠান নাথাকিলে ফুৰা-নামৰ পিছত কৰা প্ৰণামেই গৃহস্থৰ শেষ প্ৰণাম হয়।

**(ণ) ইয়াৰ পিছতে ফুৰালুং** উদ্‌যাপন কৰাৰ বাবে ভক্তসকলে আৰু পুৰোহিতসকলে পৰিয়ালৰ লোকসকলক আশীৰ্বাদ (জন-মিং) দিয়ে।

**(ত) ইয়াৰ অন্তত** পুৰোহিতসকলে সৰ্বশক্তিমান ঈশ্বৰ আৰু অন্য দেৱ দেৱীসকলক বিসৰ্জন (বিদায়) দিয়ে।

**(থ) তাৰ পিছত** ভোগ বিতৰণ কৰা হয়।

ইয়াৰ পিছত পুৰোহিতে বন্তিস্তম্ভৰ একেবাৰে ওপৰত থকা প্ৰধান চাকিগছ মাটিত নমাই থয় আৰু শৰাইত স্থাপন কৰা 'পেঁঞ্চ কা কা' ধৰ্মগ্ৰন্থ নমাই আনে।

**(দ) ইয়াৰ পিছত** গৃহস্থই ভোজ-ভাতৰ ব্যৱস্থা কৰিলে উপস্থিত সকলোকে মিলি তাত অংশ গ্ৰহণ কৰে।

ইয়াৰ পিছত পুৰোহিত আৰু ভকতসকলক শ্ৰদ্ধাৰ চিন স্বৰূপে শৰাই আগবঢ়াই আনুষ্ঠানিকভাবে বিদায় সম্ভাষণ জনোৱা হয়। এই দৰেই ফুৰা-লুং অনুষ্ঠানৰ পৰিসমাপ্তি ঘটে।

আহোমসকলৰ পুৰোহিত সম্প্ৰদায়ৰ মাজত ফুৰালুং অনুষ্ঠানটো

এটা অতি গুৰুত্বপূৰ্ণ ধৰ্মানুষ্ঠান হিচাপে বিবেচিত হৈ আহিছে। বৰ্তমানে সকলো শ্ৰেণীৰ আহোম পৰিয়ালৰ মাজতো এই অনুষ্ঠানে জনপ্ৰিয়তা লাভ কৰিছে।

গোলাপ চন্দ্ৰ বৰুৱাই প্ৰনয়ণ কৰা 'Ahom Assamese English Dictionary ' (আহোম-অসমীয়া ইংৰাজী অভিধান)ত 'ফুৰা-তাৰা' শব্দৰ অৰ্থ ভগবান (God) বুলি আৰু ফুৰা শব্দৰ অৰ্থ এটা প্ৰেতাত্মাৰ নাম (the name of a spirit) এগৰাকী ঈশ্বৰৰ নাম (the name of a God) বুলি দিয়া হৈছে। কিন্তু এই প্ৰথম অভিধানখনত 'ফুৰালুং' শব্দৰ অৰ্থ দিয়া হোৱা নাই।

ফুকনে সঠিকভাৱে কৈছে (ফুৰালুংত) যে ফুৰালং সম্পৰ্কীয় ধৰ্মশাস্ত্ৰ কেৱল আহোম পুৰোহিত সম্প্ৰদায়ৰ মাজত সীমাবদ্ধ আছিল ( যেনে - দেওধাই, মহন, বাইলুং) আৰু সাধাৰণ শ্ৰেণীৰ আহোমসকলে তাৰ সন্ধান পোৱা নাছিল। কেৱল ঊনবিংশ শতিকাৰ শেষৰ ফালে অনুসন্ধিৎসু বিদ্বান আহোম ব্যক্তিসকলে যেতিয়া পুৰণি আহোম ধৰ্মশাস্ত্ৰৰ সন্ধানত নামিল তেতিয়াহে তেওঁলোকে গম পালে যে ফুৰালুং সম্বন্ধীয় শাস্ত্ৰবোৰ কেৱল আহোম পুৰোহিত সম্প্ৰদায়ৰ লগতহে আছে। Ahom Lexicon গ্ৰন্থত (নন্দনাথ দেওধাই ফুকন, ৬৪) 'ফুৰালুং' শব্দৰ অৰ্থ 'আহোমসকলৰ ধৰ্মশাস্ত্ৰ' (religious scripture of the Ahom) বুলিহে দিয়া আছে। আহোমসকলে ফুৰালুং বৰ সবাহ হিচাপেও মাহ্-প্ৰসাদ, কল-কুঁহিয়াৰ আদি দি সম্পূৰ্ণ বলি-বিধান নোহোৱাকৈ পালন কৰা দেখা যায়।

## চোমদেউ

## (Chumphra-rung-seng-mung)

আহোমসকল তেওঁলোকৰ ধৰ্মীয় পৰম্পৰাত মূৰ্ত্তি উপাসক নাছিল। তেওঁলোকৰ ধৰ্মীয় পুথিতো কোনো দেৱ-দেৱীৰ বিগ্ৰহৰ নামৰ উল্লেখ নাই।

কিন্তু একমাত্র আহোম ৰাজপৰিয়ালৰ মাজতহে চোমদেউৰ পূজা সীমাবদ্ধ আছিল। একচেটিয়া অধিকাৰত চোমদেউ নামৰ এটি বিগ্ৰহ আছিল।

তাই ৰজাসকলৰ আদি পুৰুষ খুন্ লুং আৰু খুন্ লাইক তেওঁলোকৰ ককাক স্বৰ্গৰ ৰজা লেংডনে স্বৰ্গৰ পৰা পৃথিৱী শাসন কৰিবলৈ পঠিয়াইছিল। তেওঁলোকৰ লগত অনা বহুতো পবিত্ৰ ধৰ্মীয় উপাচাৰ আৰু চোমদেউক দি এনেদৰে উপদেশ দি পঠিয়াইছিল।

"মই তোমালোকক চোমদেউক দিলো। এই বিগ্ৰহটোৰ পৰা তোমালোকে কেতিয়াও এৰাএৰি নহ'বা। বিগ্ৰহটো এটা বাকচৰ ভিতৰত আছে। প্ৰতি বছৰৰ শেষত তোমালোকে বাকচটো খুলিবা। সাৱধান হ'বা যাতে বিগ্ৰহটো মাটিত পৰি নাযায়। তেতিয়া তোমালোকে দীৰ্ঘায়ু লাভ কৰিবা। কোনো ৰজাই তোমালোকৰ অবাধ্য হ'ব নোৱাৰিব। মই বজ্ৰৰ ৰজা লেংডনে তোমালোকক পৃথিৱীলৈ পঠিয়াইছো। আমি সকলো দেৱ-দেৱতাই তোমালোকক আশীৰ্বাদ দিছো। জাচিংফা (Jashing pha) আৰু লাউ-খ্ৰীয়ে (Lao-Khri) তোমালোকক সহায় কৰিব।"

লেংডনে তেতিয়া এইদৰে বিগ্ৰহৰ আদি বৃত্তান্ত ক'লে— "অতি প্ৰাচীন কালত ফালাইবেটে (ঈশ্বৰ) এই বিগ্ৰহটো ফাবুটৰুং চাংদাম (Phabutrung Shangdam)ৰ লগত পঠিয়াইছিল। এই বিগ্ৰহটোৰ প্ৰভাৱতে চাংদাম এজন অতি সফল শাসক হ'ব পাৰিছিল। তেওঁ অতি নীতি নিয়ম মানি বিগ্ৰহৰ উপাসনা কৰিছিল। আজি মই তোমালোকক আকৌ এই বিগ্ৰহটো দিছো; এই বিগ্ৰহক উপাসনা কৰি তোমালোকে তোমালোকৰ ৰাজ্য শাসন কৰিবলৈ সমৰ্থ হ'বা। তোমালোকে চোমদেউক বছৰত এবাৰ ঐশ্বৰিক সাজত দেখিবলৈ পাবা। মই তোমালোকৰ লগত থাওমুং (Thaomung) আৰু খ্ৰুমুংনেওক (Khrumungnyeu) দিছো আৰু তেওঁলোকক তোমালোকে কেতিয়াও অসন্মান নকৰিবা। যেতিয়া ডিনছাম (Din Sham-মাঘ) আহিব তোমালোকে শুভ দিন এটা বাচি ল'বা আৰু গা ধুবা; তাৰ পিছত শুদ্ধ পোছাক পিন্ধিবা আৰু মন্ত্ৰপূতঃ পবিত্ৰ পানী লৈ চোমদেউৰ মন্দিৰলৈ উপবাসে ৰাতিপুৱা যাবা।

মন্দিৰ পাই তোমালোকে ভগৱানৰ বেদীৰ ওচৰত আঁঠু লৈ তোমালোকৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবা। তাৰ পিছত বাকচটোৰ সাঁফৰ খুলিবা আৰু চোমদেউলৈ চাবা। বিগ্ৰহটো উলিয়াই আনি পবিত্ৰ পানীৰে ধুবা। সেই পানীৰ এচলু খাবা। তাৰ পিছত তোমালোকে বিগ্ৰহটো বাকচৰ ভিতৰত থৈ সাঁফৰখন মাৰি দিবা। বিগ্ৰহ আন কাকো চাবলৈ নিদিবা। মই তোমালোকক এই উপদেশ দিলো আৰু কেতিয়াও মোৰ উপদেশ অমান্য নকৰিবা।"

লেংডনে কোঁৱৰদ্বয়ক উপদেশ দিলে যে তেওঁলোকে যেন মূৰেৰে মাটিত স্পৰ্শ কৰি চোমচেংৰুং (Chumshengrung)ক প্ৰণিপাত জনায়। তেওঁ কয় যে চুমফ্ৰাৰুংমুং (Chumphrarungmung)ৰ বিগ্ৰহ বগলীৰ আকৃতিৰ সোণৰ। (বৰুৱা ১৯৮৫ ঃ ১৩, ১৪, ১৫, ১৬, ১৭, ১৮)

তাই আহোমসকলৰ ধৰ্মীয় শাস্ত্ৰ লিক্ চুমফ্ৰাৰুংচেংমুঙ (Lik Chumphrarung seng mung)ত এনেদৰে কোৱা হৈছে যে ফ্ৰাই (সৃষ্টিকৰ্তা) বিগ্ৰহ বা জ্যোতিৰ্ময় ৰত্নৰূপী চুমফ্ৰা-ৰুং চেং মুঙ (chumphararung seng mung)ক ধ্যান কৰিলে আৰু এইদৰে প্ৰাৰ্থনা কৰিলে ঃ "হে মোৰ প্ৰভু, মোৰ অধিপতি! মই আপোনাক প্ৰাৰ্থনা জনাইছো, শুনক। ফ্ৰাবুত ৰুং ছাংডাম (Phrabut rung shang dam), সৃষ্টিকৰ্তাই, এইদৰে প্ৰাৰ্থনা কৰিছে "হে চুম-ফা, আপুনি ব্ৰহ্মাণ্ডৰ জ্যোতিৰ্ময় ৰত্ন। আপুনি সূৰ্যৰ দৰে পোহৰ দিয়ে। চুম-ফাক উপাসনা কৰিলে স্বৰ্গৰাজ্যত শান্তি বিৰাজ কৰে। তাত পুৰুষৰ পিছত পুৰুষ ধৰি সুশৃংখল বিধিগত শাসন চলে। ৰাজকোষলৈ চৌদিশৰ পৰা কৰ বৰষিবলৈ ধৰে। হে' মোৰ পিতামহ। আমি সোণ আৰু ৰূপ উচৰ্গিছো। কেৱল আপোনাৰ আশীৰ্বাদতহে, হে' চুমছেং (Chumseng), পৃথিৱীৰ ৰজা ক্ষমতাশালী হ'ব পাৰে।" (গোহাঁই ঃ ১৯৯০ ঃ ১২৬-১২৭)

অনুমান কৰিব পাৰি যে চুমফ্ৰা ৰুং চেং মুং সৰ্বশক্তিমান ঈশ্বৰৰ প্ৰতীক মূৰ্ত্তি আৰু 'চোমদেউ' তাই শব্দ চুমফ্ৰা ৰুং চেং মুং অসমীয়া সমাৰ্থক অপভ্ৰংশৰ বাদে আন একো নহয়। এইটোও প্ৰণিধানযোগ্য যে চুমফ্ৰাৰুংমুং

(Chumpharungmung) আৰু চেংৰুংমুং (Sengrungmung) (অসমীয়া চোমদেউ আৰ চেংদেউ) দুটা সুকীয়া বিগ্ৰহ বা মূৰ্তি নহয়, বৰং দুয়োটা শব্দই একেজন ঈশ্বৰকে বুজায়। চেংদেউক দেৱী বা সুকীয়া বিগ্ৰহ হিচাপে ল'ব নোবাৰি। দৰাচলতে, চোমদেউ আৰু চেংদেউৰে সৰ্বশক্তিমান জগদীশ্বৰ চুমফ্ৰাৰুং চেং মুঙকে বুজায়। কেতিয়াবা 'চোম' (Chum) বুলি আৰু কেতিয়াবা 'চেং' (Seng) বুলি কোৱা হয়।

Ney Elias বৰ্মা-শ্যান উৎসৰ ভিত্তিত কৰা গবেষণাত উল্লেখ কৰিছে যে চুং আৰু চেং খুন্‌লুং আৰু খুন্‌লাই পূৰ্বপুৰুষৰ প্ৰতিমূৰ্তি। তেখেতে বিস্তৃতভাৱে দেখুৱাইছে কেনেকৈ খুন্‌লুঙে এটা বাকচৰ ভিতৰত তেওঁৰ পূৰ্বপুৰুষৰ দুটা মূৰ্তি এটা চুং নামৰ পুৰুষৰ আৰু আনটো চেং নামৰ নাৰী ভৰাই বাকচটো মূৰত লৈ পশ্চিমৰ ফালে বাওনা হৈছিল (Scott : 1900:219)। ইয়াৰ পৰা অনুধাৱন কৰিব পাৰি যে শ্যানসকলৰ পৰম্পৰাগত দুটা মূৰ্তি আছিল আৰু তাৰ বিপৰীতে আহোম পৰম্পৰাত এটাহে আছিল যিটোক লেংডনে তেওঁৰ নাতিয়েক খুন্‌-লুং আৰু খুন্‌লাইক দিছিল। খুন্‌লাইৰ একমাত্ৰ পুত্ৰ আইজেপ(Ai Jep)ৰ পুত্ৰ সন্তান নথকাত, চোমদেউ বা চুমফ্ৰা ৰুং চেং মুং পিচলৈ খুন্‌লুং ফৈদৰ ৰজাসকলৰ হস্তগত হয়।

এইদৰে চোমদেউ খুন্‌লুং ফৈদৰ চাওলুং ছু-কা-ফাৰ হাতলৈ আহিল। আহোম বুৰঞ্জীত আছে যে লাক্‌নি কাতৰাও (lakni Katrao)ত, অৰ্থাৎ যি বছৰত তেওঁৰ ককায়েক ছু-খান-ফা মুং মাউলুঙৰ ৰজা হয়, সেই বছৰতে ছু-কা-ফাই তেওঁৰ মাকৰ ফালৰ ককাকৰ লগত কৰা আলোচনা মৰ্মে মুং মাউলুঙৰ শাসনভাৰ মোমায়েকৰ পুত্ৰৰ হাতত সঁপি থৈ পশ্চিমৰ পালে প্ৰব্ৰজন কৰে। তেওঁ গৈ তেওঁৰ পিতাকৰ (Chao Changnyeu) ৰাজ্য মুং খু মুং জাউ পালেগৈ। তাৰে পৰা তেওঁ লগত চুমফা-ৰুং-চেং-মুং বা চোমদেউটো নিছিল। এইদৰেই ছু-কা-ফা তেওঁৰ পিতাক চাও ছাংন্যু (Chao Changnyeu)ৰ পৰা উত্তৰাধিকাৰী সূত্ৰে চোমদেউৰ বিগ্ৰহৰ গৰাকী হ'ল। কথিত আছে যে চুম-চেংক ভিত্তিত ওলোমাই লৈ তেওঁ মুং-ডুন-চুন-খাম (Mung-dun-shun-

kham) বা অসম পালেহি। {10(A) DHAS. Folio (R)}

গতিকে বুৰঞ্জীত উল্লেখিত মৌলিক তথ্য পাতিব পৰা এই কৰা স্পষ্টকৈ বুজিব পাৰি যে ছ্যু-কা-ফাই তেওঁৰ পিতাকৰ পৰা উত্তৰাধিকাৰীসূত্ৰে লাভ কৰি পিতৃৰাজ্যৰ পৰাই চোমদেউ আনিছিল। সাতসৰী অসম বুৰঞ্জীত বিবৃত হোৱাৰ দৰে ছ্যু-কা-ফাক তেওঁৰ মাকৰ ফালৰ আইতাকে নকল চোমদেউ দিছিল বোলা তথ্য সত্য বুলি মানি ল'ব নোৱাৰি। DHAS {folio 6 (R) & 6 (V) পুথিত স্পষ্টকৈ কোৱা আছে যে ছ্যু-কা-ফাই তেওঁৰ ভাগিনীয়েক ছ্যু-খান-ফালৈ এজন দূতৰ মাৰফৎ এখন চিঠিৰ সৈতে পঠিওৱা উপহাৰৰ টোপোলাটো ৰিক্-খ্বন উৎসব উদ্‌যাপনত সাদৰেৰে গ্ৰহণ কৰা হৈছিল আৰু ছ্যু-খান-ফাইও মূল্যবান উপহাৰ পঠিয়াই এই বদান্যতাৰ শলাগ লৈছিল। ছ্যু-কা-ফাই বিগ্ৰহটো চুৰ কৰা হ'লে এনে নঘটিলহেঁতেন।

আহোম বুৰঞ্জীত উল্লেখ আছে যে এই বিগ্ৰহটো ছ্যু-কা-ফাৰ উত্তৰসূৰী আহোম ৰজাসকলৰ দখলত আছিল। আৰু স্বৰ্গদেউ পুৰন্দৰ সিংহৰ মৃত্যুৰ পিছত বিগ্ৰহটো হৰলুকী হয়।

আহোম স্বৰ্গদেউসকলৰ ৰাজ অভিষেকত চোমদেউ বিগ্ৰহটো অতি অপৰিহাৰ্য আছিল। যেতিয়া স্বৰ্গৰ ৰজা লেংডনে তেওঁৰ নাতি দ্বয় খুন্‌লুং আৰু খুন্‌লাইক পৃথিৱীৰ ৰাজ্য শাসন কৰিবলৈ পঠিয়ালে তেওঁ তেওঁলোকৰ হাতত বিগ্ৰহটো অৰ্পণ কৰিলে। জ্ঞান আৰু বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী জা-চিং-ফাই স্বৰ্গৰ ৰাজকোঁৱৰ দুজনক এইদৰে উপদেশ দিলে— "তোমালোকে পৃথিৱীত শাসন কৰিবলৈ গৈ স্বৰ্গৰ ৰজা ফা-নুৰু-লেংডনক পাহৰি নাযাবা। তোমালোকৰ ৰাজ কাৰেঙটো শিঙৰি কাঠেৰে সাজিবা। একেই কাঠেৰে এটা বৰঢোল (big drum) সাজিবা। অভিষেকৰ সময়ত চোমদেউ বিগ্ৰহটো ডিঙিত ওলোমাই ল'বা।" এইদৰে কৈ জা-চিংফাই লেংডনৰ পৰা চোমদেউৰ বিগ্ৰহটো লৈ বৰজনা কোঁৱৰ খুন্‌লুঙক দিলে। এই স্বৰ্গীয় উপদেশ অনুসৰি স্বৰ্গৰ কোঁৱৰ খুন্‌লুঙৰ উত্তৰাধিকাৰী আহোম বংশৰ ৰজাসকলে শিঙৰি ঘৰ সাজিলে। আহোম স্বৰ্গদেউয়ে একাধিক নৈৰ পৰা পানী অনাই এই উপলক্ষে নিৰ্মাণ কৰা মৰং

ঘৰত গা ধুলে। শুকুলা সাজ পৰিধান কৰিলে। তাৰ পিছত তেওঁ হাতীত উঠি চোমদেউ থকা মন্দিৰলৈ যাত্ৰা কৰিলে। তেওঁ মন্দিৰত সোমাল, অকলে নীৰলে চোমদেউলৈ চালে আৰু সোণ ৰূপৰ মালাৰে তেওঁক (চোমদেউক) সজ্জিত কৰিলে। তাৰ পিছত তেওঁ বিগ্ৰহটো সোণৰ হাৰেৰে ডিঙিত ওলোমাই ল'লে। হাতীৰ ওপৰত স্বৰ্গদেউক লৈ ঢোলে-দগৰে শিঙৰি ঘৰৰ পৰা যাত্ৰা আৰম্ভ কৰি পুনৰ ঘূৰি অহা ৰাজসিক শোভাযাত্ৰাটো অতি দৃষ্টিনন্দন আৰু গাম্ভীৰ্যপূৰ্ণ আছিল। হাতীৰ দাঁত দুটা বগা ৰঙেৰে বোলোৱা হৈছিল আৰু হাতীৰ গা বগা কাপোৰেৰে, ডিঙিত সোণৰ অলংকাৰেৰে আবৃত কৰা হৈছিল। শোভাযাত্ৰা আহি ৰাজকাৰেঙৰ সন্মুখত ৰৈছিল। বিগ্ৰহটো লৈ স্বৰ্গদেউয়ে কাৰেঙৰ মূল ৰাজচ'ৰাত প্ৰৱেশ কৰিলে। তেওঁ বিগ্ৰহটো এখন পালেঙত থ'লে। তাৰ পিছত বৰুৱাই আকৌ একাধিক নৈৰ পৰা তোলা পানীৰে গা ধুলে। তাৰ পিছত তেওঁ ৰাজসিক ৰণসজ্জাৰে নিজকে সজ্জিত কৰি কবচ পৰিধান কৰিলে। হাতৰ আঙুলিত সোণ আৰু হীৰাৰ আঙঠি পিন্ধিলে, মূৰত নুকৰাংচা (Nokrangcha) চৰাইৰ এখন পাখিৰে সৈতে ৰাজমুকুট পৰিধান কৰিলে। মূৰৰ ওপৰত সোণালী ৰাজছত্ৰ (জাপি) ৰাখিলে। এইদৰে একাধিক নৈৰ পৰা তোলা সুগন্ধি পানীৰে গা ধুই নিজকে শুদ্ধ কৰি স্বৰ্গদেউয়ে একেদৰেই নৈৰ সুগন্ধি পানীৰে চোমদেউক গা ধুৱালে। তাৰ পিছত বৰুৱাই পালেঙৰ ওপৰত সোণৰ কেৰু, সোণৰ জাংফাই আদি গহনা-গাঁঠৰি, সোণ-ৰূপৰ ফুল, সোণ-ৰূপৰ পানীৰ পাত্ৰ (bowls) আৰু বানকাঁহী, বানবাটি আদি থ'লে। তাৰ পিছত তেওঁ দীৰ্ঘায়ু কামনা কৰি চোমদেউলৈ পুষ্পাঞ্জলি আগবঢ়ালে। তাৰ পিছত তেওঁ স্নানৰ ব্যাৰে বিগ্ৰহটো তিনিমোকোৱা পানীত ডুবাই দিয়ে। তাৰ পিছত সোণৰ পালেঙত থোৱা বিগ্ৰহৰ সন্মুখত এগছি চাকি জ্বলালে। তাৰ পিছত স্বৰ্গদেউয়ে লগে লগে বিগ্ৰহটো ঢাকিবলৈ কোঠাৰ চাৰিওফালে আঁৰ কাপোৰ তৰি দিলে আৰু বিগ্ৰহটো লৈ এডাল সোণৰ হাৰেৰে ডিঙিত আঁৰি ল'লে। তেওঁ ৰাজসিংহাসনৰ ওচৰলৈ আহিল আৰু তিনিজন ডাঙৰীয়াই (Ministers) সিংহাসনৰ ওপৰত এটা গাৰু দি থ'লে। পিতৃ-মাতৃ আৰু পত্নী

জীয়াই থকা এজন পুৰুষক সোণৰ সিংহাসনখনৰ ৰখীয়া পাতিলে। তাৰ পিছত স্বৰ্গদেউ পূব মুৰাকৈ সিংহাসনত উপবিষ্ট হ'ল। লগে লগে ঢোল বাজি উঠিল আৰু এজাঁই টোপধ্বনি হ'ল। বিবিধ বাদ্যযন্ত্ৰৰ সমলয় বাজি উঠিল। দেওধাই(Ahom priests)সকলে এচৰিয়া সোণ আৰু এচৰিয়া ৰূপ স্বৰ্গদেউলৈ উপহাৰস্বৰূপে আগবঢ়ালে। তাৰ পিছত তেওঁলোকে স্বৰ্গদেউক নৈতিক আৰু আধ্যাত্মিক নীতি কথা শুনালে আৰু ৰজাই একাগ্ৰচিত্তে শুনিলে। তিনিজন ডাঙৰীয়াই(Phukins) সাতবাৰ দণ্ডবৎ হৈ স্বৰ্গদেউক সেৱা জনালে। স্বৰ্গদেউয়ে তেতিয়া দেৱ-দেৱীসকললৈ বহুতো চৰাই আৰু জন্তু উচৰ্গা কৰিলে। তাৰ পিছত স্বৰ্গদেউয়ে সিংহাসনৰ পৰা নামি আহি এডাল সোণৰ যাঠিৰে এটা গুজুলা ম'হ খুচি নিধন কৰিলে। তিনিজনা ডাঙৰীয়াইও প্ৰত্যেকে এটা ম'হ ৰূপৰ যাঠিৰে খুচি নিধন কৰিলে। তাৰ পিছত ভোজভাত আৰু আনন্দ উৎসৱ পালন কৰা হয়। তাৰ পিছত স্বৰ্গদেউ হাতীত উঠি চোমদেউ মন্দিৰলৈ আহি বিগ্ৰহ পুনৰ সংস্থাপিত কৰিলে। এইদৰেই অভিষেকৰ উৎসৱত বিগ্ৰহৰ ভূমিকা বিশেষ গুৰুত্বপূৰ্ণ আছিল। 'হৰকান্ত বৰুৱা সদৰামীন বুৰঞ্জী'ত কোৱা হৈছে যে 'শিঙৰি ঘৰত আৰোহণ কৰাৰ ৰীতিৰ সূচনা হৈছিল চুদাংফাৰ (বামুণী কোঁৱৰ) দিনৰ পৰা। স্বৰ্গদেৱে ৰাজ অভিষেকৰ বাবে সৰগোৱাত (Sargua) 'শিঙৰি ঘৰ' নিৰ্মাণ কৰাইছিল, শিঙৰি গছৰ কাঠেৰে ঘৰটোত শিঙৰি কাঠৰ তক্তা ব্যৱহাৰ কৰা হৈছিল আৰু ৰং বোলাই দৃষ্টিনন্দনকৈ সজাই পৰাই তোলা হৈছিল। নিৰ্দ্ধাৰিত দিনত ৰঙচঙীয়া পোছাক আৰু আ-অলংকাৰ পৰিধান কৰি মন্ত্ৰী আৰু বিষয়াবৰ্গ গৈ তাত উপস্থিত হৈছিল। স্বৰ্গদেউ আৰু বৰ ৰাণীয়ে স্নানাদি সমাপন কৰি আৰু ৰাজকীয় বসন পৰিধান কৰি আহোম পুৰোহিত দেওধাই, মহন আৰু বাইলুঙৰ সৈতে গৈ আসনত উপবিষ্ট হয়। তাৰ পিছত গায়ক আৰু নাচনীইঁতে নৃত্য-গীত পৰিবেশন কৰে, বাদ্যযন্ত্ৰীসকলে বাদ্য বজায়। পুৰোহিতসকলে লেংডন আৰু আহোমসকলৰ অন্যান্য দেৱ-দেৱীৰ পূজা-অৰ্চনা কৰে আৰু স্বৰ্গদেউক আশীৰ্বাদ দিয়ে। ৰাজ অভিষেক উদ্‌যাপনৰ উদ্দেশ্যে সোণ-ৰূপৰ মোহৰ মৰা হয়। তাৰ

পিছত মন্ত্রীবর্গ, বিষয়াবর্গ আৰু পুৰোহিতসকলক ৰাজকীয় ভোজ ভাতেৰে আৰু উপহাৰ স্বৰূপে বস্ত্র আগবঢ়াই আপ্যায়িত কৰা হয়। 'তুংখুঙীয়া বুৰঞ্জী'তো ৰাজ-অভিষেক উৎসৱৰ বিশদ বিৱৰণ আছে।

'শুকুৰবাৰে ৰাতিপুৱা, আহাৰ মাহৰ তিনি তাৰিখে (১৬৬৭), স্বৰ্গদেৱে শিঙৰি ঘৰত আৰোহণ কৰিলে। বেলা চাৰিদণ্ড বা দুপৰীয়া হ'লত তিনিজন মন্ত্রীয়ে স্বৰ্গদেউৰ ওচৰত আঁঠু ল'লে আৰু নিৰ্দিষ্ট ঠাইত মাটি দিলে। তাৰ পিছত স্বৰ্গদেউৱে মাউত পৰমাইক (Parmai) 'মিঠা কপাৰী' নামৰ হাতীটোক আনি তাৰ পিঠিত হাওদা বান্ধিবলৈ আদেশ দিলে। টংককৰ (Tangkak)পৰা স্বৰ্গদেউৱে চেং দেউৰ (Chengdeo) বিগ্ৰহ আনিবলৈ যাওনা হ'ল। বিগ্ৰহ থকা মন্দিৰ পাই স্বৰ্গদেৱে হাতীৰ ওপৰৰ পৰা নামি বেদীলৈ অগ্রসৰ হ'ল আৰু বিগ্ৰহটোক ডিঙিক ওলোমাই ল'লে। টংককলৈ উভটি আহি তেওঁ লোকচক্ষুৰ পৰা আঁৰ কাপোৰ দি থোৱা আচুতীয়া কোঠাত গৈ আসনত উপবিষ্ট হ'ল। বিগ্ৰহটো তেতিয়াও তেওঁৰ ডিঙিত ওলোমাই লোৱাতে আছিল। আঁৰ কাপোৰৰ বাহিৰত উত্তৰ-দক্ষিণাকৈ সিংহাসনখন পাতি থোৱা আছিল। পাখি থকা কল্পিত দৈত্য (Dragons) বা এশিঙীয়া ঘোঁৰা (Unicorns)ৰ মূৰ্তি খোদাই কৰা খুঁটাৰে আন তিনিখন কাঠৰ আসনো সিংহাসনৰ মুখামুখিকৈ আৰু উত্তৰে-দক্ষিণ ফালতকৈ চাপৰ কৰি পাৰি থোৱা আছিল। তিনিওখন আসন সিংহাসনৰ উত্তৰ দিশত খটখটিৰ দৰে এশাৰীকৈ সংস্থাপন কৰি প্রতিখন আসনকে এখনীয়া কাপোৰেৰে ঢাকি দিয়া হৈছিল। স্বৰ্গদেৱে সিংহাসনত আৰোহণ কৰিবলৈ লোৱাৰ সময়ত বুঢ়াগোহাঁইয়ে সোঁফালে অৱস্থান লৈ পূব ফালৰ খুটাকেইটা ধৰি থাকে। বৰগোহাঁয়ে পশ্চিম ফালৰ খুটা কেইটা আৰু বৰপাত্র আৰু বৰবৰুৱাই দক্ষিণৰ খুটা ধৰি থাকে। সিংহাসনৰ ওপৰত পাখি লগা দৈত্যৰ মূৰ্ত্তি খোদিত খুঁটাৰে আন এখন আসন তুলি থোৱা থাকে। সেই উত্তোলিত আসনখনৰ পশ্চিম দিশত থাকে এটা খোদিত সাপৰ মূৰ্ত্তি।

স্বৰ্গদেৱে ডিঙিত চেংদেউৰ বিগ্ৰহ ওলোমাই লৈ বুঢ়াগোহাঁইৰ মূৰত হাত দি দক্ষিণ দিশৰ পৰা সিংহাসনত আৰোহণ কৰে। তেওঁ পূব দিশে মুখ কৰি

পশ্চিম দিশে পিঠি দি খোদিত সাপটোৰ ওপৰত ভৰ দি সিংহাসনলৈ উঠে। বাইলুং তথা আহোম পুৰোহিতসকলে মন্ত্ৰ উচ্চাৰণ কৰে, নটা টোপধ্বনি কৰা হয় আৰু লগে লগে ৰবঢাক, ঢোল আৰু অন্যান্য বাদ্য বাজি উঠে। সেই সময়ত সেই ঠাইত কেৱল তিনিজন ডাঙৰীয়া, বৰবৰুৱা, ৰাজকোষৰ দায়িত্বত থকা আহোম বৰুৱা আৰু তিনিজন বাইলুঙহে উপস্থিত থাকে। তাৰপিছত স্বৰ্গদেৱে বুঢ়াগোহাঁইৰ মূৰত হাত থৈ সিংহাসনৰ পৰা অৱৰোহন কৰে। দেওধাই বা আহোম পুৰোহিতসকলে পুনৰ মন্ত্ৰ উচ্চাৰণ কৰে আৰু স্বৰ্গদেৱে আঁৰ কাপোৰেৰে বেৰি থোৱা নিৰ্দিষ্ট ঠাইত চেংদেউৰ বিগ্ৰহ সংস্থাপন কৰি ওলাই আহে আৰু ওপৰ মহলাৰ আগচালিৰ (Balcony) এখন নৰা-পীৰাত উপবিষ্ট হয়। তাৰ পিছত বৰুৱা তথা ৰাজকোষৰ তত্বাৱধায়কসকলে স্বৰ্গদেউলৈ উপহাৰস্বৰূপে যচা তামোল-পাণ, চাউল, হাঁহৰ কণী, কাপোৰ আদি গ্ৰহণ কৰি সিবিলাকৰ তালিকা প্ৰস্তুত কৰে। সেইখিনি কাম সমাধা হোৱাৰ পিছত আঁৰকাপোৰ আঁতৰাই দিয়া হয় আৰু তিনিজনা ডাঙৰীয়াৰ লগতে বৰুৱা আৰু ফুকনসকলে বিগ্ৰহক ন বাৰ আঠুলৈ সেৱা জনায়। তাৰপিছত সকলো ওলাই আহে আৰু তিনিজনা ডাঙৰীয়াই ৰাজসভাত আসন লয়। তেওঁলোকক হোলোংঘৰত ভোজ-ভাতেৰে আপ্যায়িত কৰা হয়। দিনান্তলৈ দুই দণ্ড থাকোতে স্বৰ্গদেৱে আহি ন টাকৈ খট্‌খটি থকা সিংহাসনত আৰোহণ কৰে। ডাঙৰীয়া, বৰুৱা আৰু ফুকন পদবীধাৰীসকলে পৰম্পৰা অনুসৰি পুনৰ স্বৰ্গদেউক সাতবাৰ সেৱা জনায়। স্বৰ্গদেৱে সিংহাসনৰ পৰা নামি আহি হোলোংঘৰৰ পশ্চিমফালে এখন নৰা-পীৰাত আসন লয়। তাৰ পিছত তেওঁ আসনৰ পৰা উঠি আহি যাঠিৰে খুচি এটা শুকুলা ম'হ নিধন কৰে। স্বৰ্গদেউৰ পিছতে তিনিগৰাকী ডাঙৰীয়াইও এটা ক'লা মহ নিধন কৰে। এনেদৰে একাধিক ম'হ বলিৰে উৎসৱৰ বিভিন্ন কাৰ্যক্ৰম আৰু ৰং ধেমালি সাত দিন ধৰি চলে।

অষ্টম দিনা চেংদেউৰ বিগ্ৰহ পুনৰ পূৰ্বৰ উপাসনা থলী বা মন্দিৰলৈ স্বৰ্গদেৱে দোলাত উঠি লৈ যায়,আনিৰৰ দিনাৰ দৰে একেই আড়ম্বৰতাৰে। ডাঙৰীয়াসকল পূৰ্বাপৰ প্ৰথা অনুসৰি চটাই-চ'ৰাত উপবিষ্ট হয়। স্বৰ্গদেৱে

ৰাজ-অভিষেক উৎসৱৰ অনুষ্ঠান উপভোগ কৰিবলৈ জয়ন্তীয়া আৰু কাছাৰৰ ৰাজদূতক আমন্ত্ৰণ কৰি আনিবলৈ আদেশ দিয়ে। তেওঁ ডাঙৰীয়া তিনিজনাৰ সৈতে আলোচনাত মিলিত হয়। আলোচনাত বৰগোহাঁই আৰু বৰপাত্ৰগোহাঁয়ে ক'লে - "হয়, এনে এটা উৎসৱলৈ তেওঁলোকক মাতিব লাগে।" বুঢ়াগোহাঁয়ে তেওঁলোকৰ কথাৰ খেও ধৰি ক'লে - "জয়ন্তীয়া আৰু কাছাৰ ৰাজ্য দুখনক স্বৰ্গৰ ৰজাই তেওঁৰ পূৰ্বপুৰুষৰ দিনৰ পৰাই স্বীকৃতি আৰু সুৰক্ষা দি আহিছে। ধৰ্মপিতাৰ পিতৃয়ে তেওঁলোকৰ অভব্য আচৰণৰ বাবে শাস্তি দিবলৈ ৰাজ্য দুখন আক্ৰমণ কৰিছিল আৰু ৰজা আৰু মন্ত্ৰীসহিতে মুখীয়ালসকলক বন্দী কৰি আনিছিল। কাছাৰে সেই ৰাজ্যৰ ৰজাৰ সৈতে সেই সময়ত হোৱা চুক্তিৰ চৰ্ত্তসমূহ মানি চলিছিল কিন্তু জয়ন্তীয়াই চুক্তিৰ চৰ্ত্তসমূহ মানি চলাত ব্যৰ্থ হয়। গতিকে সেই ৰাজ্যৰ ৰজাক চৈধ্য বছৰৰ বাবে কাৰাবন্দী কৰা হয়। অভিষেক উৎসৱৰ অনুষ্ঠান উপভোগ কৰাৰ উদ্দেশ্যে ৰাজ প্ৰতিনিধি প্ৰেৰণ কৰিবলৈ কাছাৰক নিমন্ত্ৰণ কৰা উচিত। কিন্তু জয়ন্তীয়াক সেই সুবিধা দিয়াটো যুক্তিযুক্ত নহ'ব। যদি জয়ন্তীয়া ৰাজপ্ৰতিনিধিক এতিয়া পূৰ্ণোদ্যমে চলি থকা আমোদ-প্ৰমোদ দৰ্শন কৰিবলৈ দিয়া হয় তেন্তে ৰাজ্য শাসনৰ শাসনকৰ্তাক চৈধ্যবছৰ কাৰাবন্দী কৰি ৰখাৰ অৰ্থ নোহোৱা হ'ব। পিচে, বুঢ়াগোহাঁইৰ আপত্তি সত্ত্বেও জয়ন্তীয়া ৰাজদূতজনক ৰাজসভালৈ অনা হ'ল আৰু তেওঁক উৎসৱ উপভোগ কৰিবলৈ অনুমতি দিয়া হ'ল। ৰজাক নিম্নলিখিত সামগ্ৰীসমূহ উপহাৰস্বৰূপে প্ৰদান কৰা হয় - শৰাই এখনত বন কৰা আহল বহল এখন কাপোৰেৰে সৈতে ৰাজকীয় সম্পূৰ্ণ সাজ এটা (Kunmin), পাঁচ তোলা সোণৰ টেমি এটা, তিনি তোলা সোণৰ সূতাৰে সৈতে এযোৰ কেৰু, দুতোলা সোণৰ এযোৰ কল্কা (Kalka), আঠাইশ তোলা ওজনৰ এটা ৰূপৰ বটা, দুতোলা ওজনৰ এযোৰ ৰূপৰ কল্কা, দুটা গাহৰি, দুযোৰ কুকুৰা, দুযোৰ হাঁহ, এহাল দাস-দাসী, দুটা মতা ম'হ, এহাল গাই-গৰু। উৎসৱৰ পঞ্চম দিনা, মংগলবাৰে দুপৰীয়া চাৰিদণ্ডত তিনিজনা ডাঙৰীয়াই ৰাজকাৰেঙৰ ওপৰ তলাৰ পৰা স্বৰ্গদেউক সেৱা জনায় আৰু ওপৰত কৈ অহাৰ দৰে উপহাৰ যাচে। মাদমাহত স্বৰ্গদেৱে দীৰ্ঘায়ু

কামনাৰে এজোপা বৰ গছৰ পুলি (ঔ বৰ) ৰোপণ কৰে।"

১৮১৯ চনত বংগদেশত আশ্রয় গ্রহণ কৰি থকাৰ সময়ত চোমদেউ স্বৰ্গদেউ পুৰন্দৰ সিংহৰ জিম্মাতে আছিল বুলি কোৱা হয়। ১৯১২ চনত কৰ্ণেল পি, আৰ গৰ্ডণে পুৰন্দৰ সিংহৰ উত্তৰাধিকাৰী যোৰহাটৰ কোঁৱৰ চন্দ্ৰ নাৰায়ণ সিংহৰ জিম্মাত এচটা ধাতুৰ আধাৰ (Plaque) দেখা পাইছিল। ধাতুৰ আধাৰ চটা আকৃতিত আভঁজা কিন্তু ওপৰফালে গোলাকৃতিৰ, জোখত ৯১/২" ৩১/২" ১/২" মোটা। ইয়াকে চোমদেউৰ বেদী স্বৰূপে মানি চলা হৈছিল। একেবাৰে ওপৰফালে এটা ফুটা আছিল, অভিষেকৰ সময়ত আহোম স্বৰ্গদেউসকলে ডিঙিত ওলমাই ল'বলৈকে এই ফুটাটোৰ ব্যৱস্থা আছিল। কৰ্ণেল গৰ্ডনক জনোৱা হৈছিল যে চোমদেউ এটা গোলাকাৰ সফুঁৰাত (Cylinder) থোৱা বস্তু আছিল আৰু কলিকতাত থকা সময়ত আৰ্থিক সংকটত পৰি স্বৰ্গদেউ পুৰন্দৰ সিংহৰ ভতিজাক এজনে বিক্ৰী কৰি দিয়ে। তেওঁক জনোৱা মতে একেটা দুৰ্ভাগ্যজনক ঘটনা ঘটিছিল এটা সঁফুৰাৰ ভিতৰত এটাকৈ সজোৱা সাতোটা সোণৰ সঁফুৰাৰ ক্ষেত্ৰতো, য'ত পূৰ্বতে এচটা ধাতুৰ পাট আছিল। পাটচটাৰ পিচফালে, সন্মুখত আৰু দুইকাষে চীনা লিপিত খোদাই কৰা আছিল, যেনে সন্মুখত Yung Lo ৰ পঞ্চম বছৰ (১৪০৮ খৃঃপূঃ); পিচফালে, "মহাধিৰাজ সম্রাটৰ আদেশক্ৰমে, পৰিষদৰ সভাপতিয়ে আধৰুৱা দুটাক তুলনা কৰি চালে"; বাওঁফালে, "বিশ্বস্ত হোৱা" আৰু সোঁফালে "নিদানসমূহ ফলপ্ৰসূ হওক; টিমাছাৰ সৈতে মিত্ৰতাৰ ৰাজ আয়োগ।"

পিচফালৰ আৰু সন্মুখৰ লিপিখিনি সম্পূৰ্ণ কিন্তু কাষৰ লিপিখিনি আধৰুৱা বুলি কোৱা হৈছে, কিয়নো বাকী আধাৰ আন এটা একে ধৰণৰ ধাতুৰ আধাৰত আছে যিটো পৰম্পৰামতে এনেক্ষেত্ৰত চীনৰ ৰাজধানীত সংৰক্ষিত হৈ থাকিব লাগে। যেতিয়া অধীনস্থ এজন শাসকে উপহাৰ পঠিয়ায় তেতিয়া উপহাৰ লৈ যোৱাসকলে তেওঁলোকৰ হাতত থকা ধাতুৰ আধাৰটোও লৈ যায় আৰু চীনৰ ৰাজবিষয়াসকলে তেওঁলোকৰ লগত থকা পৰিপূৰক ধাতুৰ আধাৰটোৰ সৈতে মিলাই চায়। যেতিয়া দুয়ো সহমত হয় তেতিয়া তাক

উপহাৰ হিচাপে গ্ৰহণ কৰে (JRAS,1913, P253)। পোৱৰ পত্ৰিকাত চীনৰ কৰতলীয়া ৰাজ্য হিচাপে থকা উত্তৰশ্যাম (Siam)ৰ এখন প্ৰদেশ টিমাছা (Timasa)। ধাতুৰ আধাৰটো কেনেকৈ আহোমৰ হাতলৈ আহিল আৰু কিয়নো তেওঁলোকে তাক এক পবিত্ৰ বিগ্ৰহ হিচাপে লগত ৰাখিছিল সেইকথা আজিও সমাধান নোহোৱা ৰহস্য হৈয়েই আছে।(Gait : 1984:74)

যি কি নহওক ধাতুৰ আধাৰচটাক আহোম ৰজাসকলৰ পবিত্ৰ বিগ্ৰহ চোমদেউৰ আধাৰ কেতিয়াও হ'ব নোৱাৰে। প্ৰথম কথা আহোমসকল কেতিয়াও চীনৰ কৰতলীয়া ৰজা নাছিল; দ্বিতীয়তে প্ৰকৃত চোমদেউ আহোম ৰজাৰ হাতৰ পৰাইহে হেৰাইছিল। গতিকে আধাৰটো চোমদেউৰ বিগ্ৰহৰ লগত থকা বস্তু নহয় কিয়নো আহোম ধৰ্মীয় শাস্ত্ৰমতে চোমদেউ আছিল কণীৰ আকৃতিৰ 'জ্যোতিৰ্ময় বস্তু'।

অলপতে শিৱসাগৰ জিলাত কেইজনমান লোকে এটি মূৰ্তি উদ্ধাৰ কৰি সেই মূৰ্তিয়েই চোমদেউৰ মূৰ্তি বুলি ক'ব বিচাৰিছে। আমি নিজেই এই মূৰ্তি পৰীক্ষা-নিৰীক্ষা কৰি চাইছো। এই মূৰ্তি প্ৰকৃততে এটি বুদ্ধ মূৰ্তি বুলিহে ক'ব বিচাৰো। হাতত বজ্ৰ লৈ থকা এই মূৰ্তিটোক আমি বজ্ৰযানী বুদ্ধৰ মূৰ্তি বুলি অভিহিত কৰিব পাৰো। মূৰ্তিটোৰ আধাৰখন নাই কিন্তু এই মূৰ্তিটো যে এক পবিত্ৰ মূৰ্তি ই নিসন্দেহ।

## লখিমীৰ পূজা অৰ্চনা আৰু আনবা গীত-মাত

নিৰাকাৰময় সত্তা ফা-তু-চিঙ ক্ৰমে ক্ৰমে উপায় অৱলম্বন কৰি জড় আৰু জীৱ সৃষ্টি কৰাৰ লগতে জীৱ জগতৰ উত্তৰণৰ বাবে শস্য দেৱতা হৈ গৃহ তথা কৃষি, সমাজ জীৱনক ৰাখিছে। জীৱন নাৱৰ গুৰি কঠা ধৰা কৃষকসকলে সময়ে সময়ে শস্য দেৱতাক গীত-মাতেৰে পূজা, অৰ্চনা কৰাৰ বাবে শস্য শ্যামলা হয়; ইয়াৰে পৰা দৈহিক, সামাজিক জীৱন জীয়াই ৰাখক বুলি বিশ্বাস কৰি আহিছে। পৃথিৱীৰ মধ্য খণ্ড (ম্যেঙক্ৰাঙ)ৰ প্ৰাচীন লোক সকলৰ মতে নিৰাকাৰময়ী

সত্বাই পুনৰ লাওকুৰী (লাওকুএঃ), ফুওখুৰা, আইজঙ লাও, আহ কুবেৰ, আহ লখিমী নামেৰে জনাজাত। পৃথিবীৰ নামনিখণ্ড (ম্যেঙতেও ম্যেঙতাম) মুখ্য দেৱতা শিব শংকৰ, পাৰ্বতী, শালি কুবেৰ, শালি লখিমী আদি নামেৰে জনাজাত। দুয়োখণ্ডৰ শস্যৰ দেৱতাক আমাৰ তাই আহোম অসমীয়া মানুহে পৰম্পৰাগতভাৱে পালন কৰে।

তাই আহোমসকল আছিল কৃষিজীৱী। তাই আহোমসকলৰ লখিমী বা লক্ষী দেৱীৰ ধাৰণাটো ৬০০ বছৰৰ অধিক পুৰণি নহয়। কিয়নো প্ৰাক্ ছ্যু-কা-ফা যুগৰ তাই আহোম সকলে যিবিলাক দেৱতাক পূজা অৰ্চনা কৰিছিল, তাত লখিমী দেৱীৰ ধাৰণাটো তেনেই অবাস্তৱ আছিল। অতীজতে তাই আহোমসকলৰ ধান আৰু ধনৰ অধিকাৰী কোনো ফী বা দেৱতা নাছিল। তাই আহোমসকল যেতিয়া আহি মুংকাও বা মুংক্ৰোঙ পাইছিল, তেতিয়া তাৰ থলুৱা দেৱতা আই জঙ-নাও আৰু নী-জঙ-খামক নিজৰ দেৱতাসকলৰ ভিতৰত সোমোৱাই লৈ তেওঁলোকে পূজা অৰ্চনা কৰিছিল। এই দেৱতা ঘাইকৈ আহু ধানৰ খেতিৰ লগত জড়িত।

ছ্যু-কা-ফাৰ নেতৃত্বত ব্ৰহ্মপুত্ৰ উপত্যকাত ভৰি দিয়েই তাই আহোমসকলে সেই সময়ত থলুৱা বৰাহী, চুতীয়া, মৰাণ-মটকসকলকহে লগ পাইছিল। প্ৰাক্ শংকৰী যুগৰ এই সম্প্ৰদায়ৰ লোকসকলৰ ধৰ্ম মূলত অৰ্দ্ধ হিন্দু আৰু অৰ্দ্ধ জনজাতীয়। এই ধৰ্মীয় সংস্কৃতিকে তাই আহোমসকলেও আদৰি লৈ তেওঁলোক থলুৱাসকলৰ মাজত সোমাই পৰিছিল। গঢ়ি তুলিছিল এক সমন্বয়। তাই আহোমসকলে নিজৰ উপাস্য দেৱতাসকলৰ লগতে এটা সানমিহলি পৰ্যায়ত এই থলুৱা দেৱ-দেৱতাসকলকো সম মৰ্য্যদা প্ৰদান কৰিছিল। এই লখিমী আদৰা পূজাতেই উপৰোক্ত কথাষাৰৰ সত্যতা প্ৰতিপন্ন হয়।

আহোমসকলৰ পিতৃপুৰুষ লেংডন আৰু থেনখাম। এওঁলোকৰ বংশ দুটা। জ্যেষ্ঠ বংশ লেংডন আৰু ভাতৃ বংশ থেনখাম। থেনখাম বংশৰ আদি গুৰু মৌবান। এই মৌবান বংশৰে দেৱী লখিমী-আহোম নাম লাইখাওমী। এই

ফিলাৰেং মহামাতৃৰ দুটি ৰূপ আইজংলাও (আহু) আৰু নিজংখাম (শালি) শস্যৰ দেৱী।

তাই আহোমসকল ইয়ালৈ আহি, টঙিঘৰত আহুধান ৰখি থকা দেখি মৰাণ পুথাও এজনক কয়, 'ঐ মৰান হেঁচলীয়া চৈ, কতদিন থাক তই টঙিঘৰত বৈ'।

আহোমসকলে বিশ্বাস কৰে যে আহু আৰু শালি কুৰেই দুজন আছে। আহু কুৰেইক আইজংলাও আৰু শালি কুৰেইক নিজংখাম বোলে। আহু ভঁৰালৰ কাষত এটা খেকাৰী আৰু শালি কুৰেইৰৰ বাবে এটা মতঘৰ সাজি পূজাভাগ দিয়া হয়।

আহোমসকলে আহু লখিমীক মৰাণৰ জীয়ৰী আৰু পৰ্বতত আছিল বুলি ভাবে; আনহাতে শালি লখিমী সাগৰত আছিল বুলি ভাবে। সাগৰ বা নদীৰ পৰা লখিমী অনাৰ কাৰণ হ'ল ৰসৰ দেৱতা খাওখাম বা জলশক্তিৰ দেৱতা, জলৰাশিৰ গৰাকী আৰু ৰসশক্তিৰ স্থান সাগৰ। এই সাগৰতে লখিমী থাকে বাবেই প্ৰথমতে খাওখাম দেৱতাক পূজা কৰে।

লখিমী আদৰা পূজাৰ গীত-মাত বা মালিতাত সুন্দৰকৈ পৰিস্ফুট হয় যে তাই আহোমসকলৰ পূজ্য লখিমীদেৱী গৰাকী মৰাণ সম্প্ৰদায়ৰ ছুংখুৰা বা বদৌ খুৰাৰ জীয়ৰী। কিবা এক অজ্ঞাত কাৰণত সেই লখিমী আই গৰাকী সাগৰ নাইবা বহল পানীত পৰি লুকাই আছিল। তাই আহোম সকলৰ স্ত্ৰী-পুৰুষে সদলবলে এক সাংস্কৃতিক পৰিবেশেৰে গৈ সেই পানীত পৰা অধিপতি খাও-খাম দেৱতাকো পূজা এভাগ আগবঢ়ায়। এই প্ৰক্ৰিয়াটো প্ৰায় ৰিক্ ৱন বা আয়ুতোলা অনুষ্ঠানৰ দৰে। পূজাৰ মন্ত্ৰবোৰো (খাও-খাম স্তুতি) একেই। গতিকে কিছুমান তাই আহোমে ইয়াক ভঁৰালৰ আয়ু তোলা অনুষ্ঠান বুলিও বিশ্বাস কৰে। লখিমীদেৱীক পানীৰ পৰা তুলি আনি গাঁৱৰ সমূহীয়া স্থানত আহু আৰু শালি ভঁৰালত স্থাপন কৰি পূজা অৰ্চনা কৰা হয়। এই পূজাৰ অংশ হিচাপে গাঁৱৰ প্ৰত্যেক ঘৰৰ পৰা দোপত পকা কল পিঠাৰে সজোৱা শৰাই আনি যথাস্থানত শাৰী শাৰীকৈ স্থাপন কৰা হয়। তাৰ পিছত লখিমীৰ অংশ

হিচাপে বোলাতঅলা মাছ-পুঠি, জাবর-জোথর অলপ অলপকৈ উক্ত দোপবোৰত স্থাপন কৰা শৰাইত নির্মালিৰ দৰে দিয়া হয়। সমূহীয়া পূজাৰ শেষত এই দোপবোৰ ৰখালে নি ঘৰত আকৌ এক বিবাহ সদৃশ আয়োজনেৰে ন-কন্যা আদৰাদি লখিমী আদৰি নিজৰ নিজৰ ভঁৰালত স্থাপন কৰি আকৌ পূজা অর্চনা কৰা হয়। গতিকে সাধাৰণ মানুহে ইয়াক লখিমী বিয়াও বোলে।

আইজং লাওৰ আহিলাসমূহ খা-কাঙ বা থেকাৰী, টঙী আৰ্হিৰে এটা ভঁৰাল ঘৰ, হুৰা, খাঠি, চৈ, কৌপাত, টকৌপাত (ব্লকজঙ), লখিমী ফুল, ৰবৰুলা, সকঠৈলা, বাওৰা আদি।

দ্রব্য সামগ্রী : শিঙা তামোল, শিঙা-ফুল, কৌপাতেৰে বন্ধা তামোল-পাণ, আহুধানৰ পিঠা, পকাকল, আহুধানৰ পিঠাৰ পৰা পেঙলী, পেঙপঙ, বী, তঙখৱন, মাকলু, আকজঙ, খাইনুন, খিঙ, চাকি, মিঠাতেল, নিমখ, কচু, কোমোৰা, মেচকী, মেজেঙা, তিতাকচী, ভেকুৰি, কুকুৰা লুকলাও।

উৎপত্তি কাহিনী মন্ত্র : চাও মুক চাউ কাউ ঐ, আই জঙ লাও, ঙী জঙ থেঞ, খৱন খাও বাই খৱন খাও মা চা-কা-বাই চা-কা-মা তাদু-বাই তা-দু-না। আই বক ফুৰা ফু থ্ঙী থ-ব ফুৰা ফু-থ্রেঙউ ... ইত্যাদি।

শালি ভঁৰালটো মজলিয়াতে সাজি তাত আগলি কলপাতত দুটা ভাগ কৰি পকাকল, কেঁচা পিঠা, পকা তামোল-পাণ আৰু পাতেৰে বন্ধা গোটা তামোল-পাণ প্রতিভাগতে থয়। হাঁহ এযোৰ দুটা ভাগত দিয়ে। প্রথম ভাগত মতা হাঁহটো আৰু ইটো ভাগত মাইকী হাঁহজনী দিয়ে। এই দুই ভাগতে দুটা কুকুৰা দিয়ে। প্রতিটো কুকুৰাকে পাখি-নতুন।

লখিমী সবাহত প্রথমতে লাওখাম লেঙতাক স্মৰণ কৰি জাকৈ আৰু দোলা লৈ-নদীৰ ঘাটলৈ যায়। বাটতে মাঘতীলকলে নাম গাই গাই যায়। গীতবোৰ সুৰীয়া —

জাকৈ ভালে কৰি বাখি ঐ লেওখাই
জাকৈ ভালে কৰি বাখি
খেপিয়াই খেপিয়াই চাবি ঐ লেওখাই

তেহে লক্ষ্মী আইক হাতত পাবি।
নৈৰ ঘাট পাই এনেদৰে গায় -
চিলাই পুঠি মাছ নিলে ঐ লক্ষ্মী আই
কোৱাই পুঠি মাছে নিলে
খাওখাম দেৱতাই ল'লে পূজা সেৱা
লক্ষ্মী আইক আমালৈ দিলে।

পানী তুলিবলৈ য'ত বয় তাতেই দেওধায়ে হাঁহ কাটি বলি দি খাওখাম দেৱতাক সন্তুষ্ট কৰে।

তাৰ পিছত জাকৈ বাই পানীত যিমান মাছ-পুঠি বা বস্তু পাই সকলো বস্তু দোলাত তুলি দিয়ে। ইয়াকে লখিমী তোলা বোলে।

সাগৰ বা নদীৰ পৰা লখিমী তোলোতে এনেদৰে নামতীসকলে গায়—
দহে কৈ পথাৰত ঘূৰি
লক্ষ্মী আইক আনোঁগে তুলি ঐ
বাটৰে ঢেকীয়া আমাক বাটে দিয়া
লক্ষ্মী আইক আনোঁগে তুলি ঐ

এনেদৰে নাম গাই গাই নদী বা বিলৰ পাৰ পাই খাওখাম দেৱতাকে বলি বিধান দি নদী বা বিলত জাকৈ মাৰি মাছ উঠক, বি উঠক দোলাত ভৰাই লৈ আহে। ঘূৰি আহোঁতে গায় —
দহকে পথাৰ ঘূৰি এ
লক্ষ্মী আইক আনিছোঁ তুলি এ
লক্ষ্মী আই কুঁৱৰী মৰাণৰ জীয়ৰী
খুড়া ক্ষুণ্ডৰে জী এ
লক্ষ্মী আই কুঁৱৰী মৰাণৰ জীয়ৰী
আছিলা মটকৰ দেশতে
নগা চাঙে তলত আছিলা লক্ষ্মী আই
কেচেলু কোমোৰা খায়ে ঐ।

❖❖❖❖❖❖❖❖❖❖❖❖❖❖

বগা হলিয়াৰে কঠত উঠিলা
লক্ষ্মী আই সাগৰ পাৰ হ'লা এ
মনিচৰ ৰাজলৈ আহিলা লক্ষ্মী আই
শিকিলি পিঠাগুড়ি পায়ে এ
দলৌ কান মাৰি বজালো লাখুটি
লক্ষ্মী আই আহিলা নামি এ।।
❖❖❖❖❖❖❖❖❖❖❖❖
গোসাঁই হালে বালে কুকলা কপিলা
ভালুকে ঠেতালি ধৰে
ডালৰ হনুমানে নামি আনি দিলে
পৰিব হালি খাম ঠালি
গোসাঁই ধানে কলে মানিকী মধুৰী
পাৰ্বতী ধৰিলে কাচি এ
সাগৰে পৰা লক্ষ্মী আইক আনিছো
উপচি পৰিব পাচি এ
সাগৰে পৰা লক্ষ্মী আইক আনিছো
ভৰিব গোহালিত গৰু এ।।
**যেতিয়া লখিমীক ভাৰত আনে তেতিয়া গীত নাগায়।**
লক্ষ্মী আই সুন্দৰী
আহিছে গুজৰি এ
ৰাইজক তাৰিবই বুলি এ
কাতিতে পকিলে কাতিয়ে নেউলী এ
আঘোণত পকিলে বৰা এ।
লক্ষ্মী আই সুন্দৰী
আহিছে গুজৰি এ
ৰাইজক তাৰোঁগে বুলি এ

অৰণ্যে বৰেণ্যে নেথাকি লক্ষ্মী আই এ
মনুষ্য ভড়াললৈ ব'লা এ।
তৰাইও কান্দিলে নৰাইও কান্দিলে এ
তই থাক মই যাওঁ বুলি এ
ভঁড়ালৰ ধৰণী কঁপে থৰেথৰী এ
লক্ষ্মী আই পালেহি বুলি এ।।
❖❖❖❖❖❖❖❖❖❖❖❖❖❖
আখৈৰে খৰাহি দাবহি দুবহি এ
পিঠাৰে খৰাহি সৰু এ
লক্ষ্মী আই আহিব ভঁৰালটি ভৰিব এ
ভৰিব গোহালিত গৰু এ।।

বৈষ্ণৱ ধৰ্মত দীক্ষিত আহোম গাঁৱত লখিমী সবাহ তলত লিখাৰ দৰে উদ্‌যাপন কৰে।

প্ৰথমতে নামঘৰত এখন শৰাই সজাই সবাহ পতা হয়। শৰাইত কল, বুট, পিঠাগুড়ি দিয়া হয়। দুখন কলপটুৱাৰ দোনা সজোৱা হয়। ভকতসকলে নামঘৰত ভাগৱত পঢ়ি থাকে আইসকলে লখিমী তুলিবলৈ যায়।

দোনও সজাইছো, কলচি সজাইছো।
সজাইছো দোলাৰে,
সাগৰৰ মাজতে লখিমী আই আছেগৈ
বিয়া কৰি আনোগৈ বলা।

পদ : গৰুও মৰিলে, মৰিল গৰখীয়া
কালি হ্ৰদৰ পানী খাই,
তলৈলে মুৰে কৰি ভগৱন্ত
কি হ'ব জীৱনৰ গতি
জলে শুকাই গ'লে
বগে ধৰি খালে

অলপো পানীৰে মাছ।
হৰি নাম ল'বলৈ হেলা নকৰিবা
কালে ধৰি আছে পাছে
হৰি নাম নোলোৱা
দাণ্ডিও নধৰা
কিবা বস্ত্র হ'ব হানি

জলকুঁৱৰী (তামোল ৩ খন, চাকি এখন দিয়া হয়) কাচিবে জল কাটিবলৈ তামোল পাণ এযোৰ অৰিহণা দি পানীত দিয়া হয়।

সাগৰৰ মাজতে লখিমী আই আছেগৈ
ইন্দ্ৰৰ কাণতে উঠিয়ে
খাও-খাম দেৱতা প্ৰাৰ্থনা কৰিছো
লখিমী আই আমাকে দিয়াহে।
জাকৈ ভালে কৰি বাবা ঐ দেৱতা,
খালৈ ভালে কৰি ল'বা
খেপিয়াই খেপিয়াই চাবা ভালে কৰি
তেহে লখিমী আইক পাবা।
এখোৱাত ডাঠৰ বৰে মালভোগে
এখোৱাত উঠিব জহা
কিং কৰিছা লখিমী আই ঐ
সাগৰতে পৰি,
উঁৱালৈ যাব লাগে
জাকৈ খালৈ ধৰি।
সাগৰৰ মাজতে লখিমী আই আছেগৈ
সাগৰৰ হেলুকা খাই
আহ্ম চাপ মাৰি, ধৰিম থাপ মাৰি
লৈ যাম মাথাতে তুলি।

নৈতে এৰিলো নৈৰে এৰাসুঁতি,
হাবিতে এৰিলো হৰিণ
বাটৰ বাটৰুৱা আমাক বাট এৰি দিয়া
লখিমী আইক আনিছো তুলি।
আখৈয়ে খৰাহি দাবৰি দুবৰি
পিঠাৰে খৰাহি সৰু
লখিমী আইক আনিছো, ভঁৰালো ভৰিব
ভৰিব গোহালিৰ গৰু।
নগাৰে ৰাজ্যত আছিলা লখিমী আই
কচুল কোমোৰা খাই
মনিচৰ ৰাজ্যলৈ আহিলা লখিমী আই
কলে পিঠাগুড়ি পাই।
ইন্দ্ৰক খুজিলো পানীও মহাদেও
কুবেৰে কঠিয়া দিলে।
টুলুঙা গুমেৰে জুঁট জৰী বাতিলো
বলোভদ্ৰই নাঙল দিলে।
শংকৰদেও কঠিয়া টুপলি টুপলি
জেঠত মুকলি হ'ল
জেঠে আহাৰে বনবাস খাটিলে
শাওনত মুকলি হ'ল।
হাতত খৰা কাচি,
মূৰত ভগা জাপি
লখিমী আই
আহিছে নাচি
ভঁৰালৰ ধৰণী
কঁপে থৰে ধৰি

আহা ভঁৰাললৈ উঠি
দুৱাৰ মেল দুৱৰী
অৰ্জুন কুঁৱৰী
দুৱাৰৰ ঘুনুছা জৰি
শিলৰ পাথে দুৱাৰ মেল দুৱৰী
লখিমী আইক ভিতৰ কৰি।

এনেদৰে লখিমীক আদৰি আনি নামঘৰত তিনি পাক ঘূৰা হয়। নামঘৰটো তিনিপাক ঘূৰোতে এনেদৰে গোৱা হয় —

নামঘৰ ৰভাঘৰ দেখোতেই ভয়ংকৰ
ৰূপহী মদাৰৰ খুটি
এনো নামে ঘৰ কোনে সজাই দিলে
কৰতে কাটিলে উৰা।

❖❖❖❖❖❖❖❖❖❖❖

## জাছিংফা বন্দনা

জাছিংফা বন্দনা আহোমসকলৰ পূজা-পাৰ্বণ সকলো ক্ষেত্ৰত অপৰিহাৰ্য। জাছিংফা সৰস্বতী সদৃশ। এই জাছিংফাৰ মূল তত্ত্ব হ'ল তেওঁ সকলো গুণগত জ্ঞানৰ অধিষ্ঠাত্ৰী। লিখা-পঢ়া, কল-কাৰখানাৰ জ্ঞান আদিৰ ক্ষেত্ৰত জাছিংফাক প্ৰাধান্য দিয়া হয়। সকলো ব্যৱহাৰিক জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী হ'ল জাছিংফা। পৃথিৱীত জ্ঞান নহ'লে একো কামেই কৰিব নোৱাৰি। বিশেষকৈ পূজা-পাৰ্বণত আহোমসকলে জাছিংফাক স্মৰণ কৰিবই লাগে। ফুৰালুং, ছাম-ফুন ক ৰিক্খুন, হাফুন ক ৰিক্খুন, চিত্‌ফুন ক ৰিক্খুন, চাইফা, উম্‌ফা, ৰিক্খুন ম্যুংখন, লুংফাই, কাংফাই আদি কৰ্মত জাছিংফাক স্মৰণ কৰা হয়। সেয়েহে জাছিংফা মানৱ সমাজত সোঁ-হাত স্বৰূপ।

নিৰাকাৰময় সত্ত্বাৰ ফা-তু-ছিঙ-ফঙ হম নীতি-বাণী শব্দৰে আই ছাঙ

ছিঙ। এওঁৱেই কালক্ৰমত আন এটা নাম জাছিঙফা পায়। এওঁ সৰ্বজ্ঞানৰ বিকাশৰ অধিষ্ঠাত্ৰী দেৱী। এওঁকে সেৱা-ভক্তি কৰিলে মানৱ আত্মাৰ বিকাশ সাধন হয় বুলি বিশ্বাস।

জাছিঙফা অনুষ্ঠান বান-ফী পদ্ধতিৰে অনুষ্ঠিত কৰা হয়। ই তিনি প্ৰকাৰ ঃ এটা পূৰ্ণ পৰ্যায়, আনদুটা অনুষ্টুপীয়া, পূৰ্ণ পৰ্যায়ত বহুলভাৱে দ্ৰব্য সামগ্ৰী সংগ্ৰহ কৰি আগবঢ়াব লাগে। যেনে - উমফা, ছাইফা, ৰিক্‌খ্বন, মুঙখ্বন, মে-ডাম-মে-ফী, হাফুন-ক বান ফী, ফুন ল্যোঙ কু বান ফী। এই সকলো অনুষ্ঠানত কুলদেৱতা জাছিংফাক আসন দিয়া হয়।

অনুষ্টুপীয়া জাছিংফা অনুষ্ঠান বিয়া কাৰ্যত দেওবান, ল'ৰা-ছোৱালীৰ শুদ্ধি-সংস্কাৰ, ন-খোৱাৰ অনুষ্ঠানত জাছিংফা অনুষ্ঠান পতা হয়। আন এটা অনুষ্টুপীয়া পৰ্যায় হ'ল - ধৰ্মীয় পুথি আদি কৰি বিভিন্ন তাই পুথিসমূহ প্ৰতিলিপি কৰিবলৈ ছাঙৰ পৰা নমাই আনোতে, পুৰোহিতসকলে অধ্যয়ন কৰাৰ আগ মুহূৰ্তত চাকি-বন্তি জ্বলাই তামোল-পাণৰ শৰাই আগবঢ়াই কুলদেৱতা জাছিংফালৈ সেৱা আগবঢ়োৱা হয়।

"চাও নু ৰূ চা কাও ঐ!
তুন ৰূ মুং লেন খাম ছাও ম এেউ হাছিপ পুক
ম-ৰূ ছাম্ ছিপ্ পুক্ ম ছিং। লাই ছিং
মুং তু চাউ লাই ছিং মুঙ তুখন।।
চাও ফা ক ৰূলাই। চাও ফা খাম্ ছিং মুঙ।
চাও ফা পেন ছিং মুঙ ছো ছেন মুঙ দাই মান্ হেউ।।
চাও নুৰূ চাও কা ঐ।।"

এয়া হৈছে জাছিংফাৰ উদ্দেশ্যে গোৱা গুৰু-বন্দনা। অৰ্থাৎ তুমি (জাছিংফাই) হৈছা দৈৱিক মহান জ্ঞান স্ৰষ্টা আদিম জ্ঞানী পুৰোহিত। আৰু পাচৰ পঞ্চাশ পুৰুষলৈ মহান জ্ঞানী শাস্ত্ৰজ্ঞ পুৰোহিত। তুমি শব্দৰূপী আদি অক্ষৰ সৃষ্টিকাৰিণী। তুমিয়েই শব্দ অধিষ্ঠাত্ৰী দেৱী। আদিৰে পৰাই তুমি মুৰ

লগাই খোদিত কৰা তোমাৰ পৰম্পৰা আৰু জ্ঞানৰ দায়িনী আৰু তত্ত্ব প্ৰসবিনী।

সেইদৰে ফুৰালুঙৰ কাৰ্যত জাছিংফাক এইদৰে গায় বন্দনা কৰা হয় ঃ

"চাও নুৰু চাও কা ঐ।।

চাও মলিক্ মলাই। তুন ৰু মুঙ লেন্ খাম্

চাও ম নেউ হা-ছিপ্ পুক্ ম ম ৰু ছাম্ ছিপ

পুক ম ছিং লাই ছিঙ।।

মুং তু চাউ লাই ছিং মুঙ তুখন।

চাও ফা ক ৰু লাই চাওফা খাম ছিং মুং।

চাও ফা পেন ছিঙ মুঙ ছো-ছেন

মুঙ ঙোব ব ছেং তাম্লা।

চাও ক চ নেক ৰু।

ফুক চ নেক খাম চাও নুৰু চাও কা ঐ।।"

ভাবাৰ্থ১ ম টোৰ লগত একেই। তিনিটা বাক্য অলপ বেলেগ হ'লেও ইয়াৰ ভাবাৰ্থ একে।

জাছিংফাই হৈছে দৈবিক মহান জ্ঞান স্ৰষ্টা আদ্য পুৰোহিত। ত্ৰিশ পুৰুষৰ ক্ৰমক "মৈ-ৰু" আদিম জ্ঞানী পুৰোহিত! তাৰপিচত পঞ্চাশ পুৰুষলৈ মহান জ্ঞানী শাস্ত্ৰজ্ঞ পুৰোহিত। জাছিংফাই হ'ল শব্দৰূপী আদি-অক্ষৰ সৃষ্টিকাৰিণী আৰু শব্দ অধিষ্ঠাত্ৰী দেৱী। তেওঁ জ্ঞানদায়িনী তথা তত্ত্ব প্ৰসবিনী।

উম্ফা পূজাত জাছিংফাক ফুনত তিনিযোৰ আগলি কলপাত, ফুনৰ ওপৰত এটা টাঙকাক, তিনিখন চিংকাৰা ফুলেৰে কূপ কৰা তামোল, তিনিটা লাওৰ ঠোলা, তামোল এখন, প্ৰসাদ এভাগ, নটা কুকুৰা, নটা উখুৰা কণী দি আৰু টৌমত নটা কুকুৰা বেলেগকৈ দি মন্ত্ৰ উচ্চাৰণেৰে পূজা কৰে। পূজাৰ মন্ত্ৰ প্ৰায় একেই।

ডাম পূজাত জাছিংফাক আগলি কলপাতত চিংকাৰা ফুলেৰে কূপ কৰা

তিনিখন তামোল, তিনিটা লাওৰ ঠোলা, নিমখ, আদা, মিঠাতেল সনা তিনিভাগ আৰৈ চাউলৰ প্ৰসাদ আৰু ৰহীলাও দিয়া হয়।

তুন ৰূ মুং লেন, খাম্ চাও ম' ঞেও।
চাও ফা ক ৰূ লাই চাওফা পেন্ চিঞ মুং
চাওফা খাম ছিঙ মুং ছাম ছিপ্ পুক ম'ৰু
হা ছিপ্ পুক ম-ছিং।
লাই ছিং মুং তু চাও লাই ছিং মুং তু চম।
ঙেক্ ব ছেঙ তাম লা চাও ক
চ-নিক ৰূ ফু ক চনিক্ খাম
চাও নু ৰূ চাও কা ঐ!

**ভাবাৰ্থ ঃ** হে ওপৰৰ দেৱতা! হে পৰমেশ্বৰ, হে উপৰি-পুৰুষ জাছিংফা। তুমিয়েই জ্ঞানৰ অধিষ্ঠাত্ৰী, বাক্য আৰু শাস্ত্ৰ স্ৰষ্টা, জ্ঞানৰ পোহৰ বিলোৱা, তিনি গুৰুৰ স্ৰষ্টা। আই-কে খেঞ, আই কে খাম্, আই ছাং ছিং, ম লাওত্ৰী, পুজাক-জী, মুংটি, জাছেং ফাছেংখাম, জাছিংফাৰো গুৰু। আমাৰ পূজা গ্ৰহণ কৰিবলৈ আঁহা।

আহোম বুৰঞ্জীত উল্লেখ আছে, জাছিংফাক স্বৰ্গৰাজ লেংডনে কেনেদৰে প্ৰাধান্য দিয়ে। জাছিংফাক এই বৰ্ণনাত দেৱী হিচাপেই গণ্য কৰা দেখা যায়, যদিও জাছিংফা বন্দনা গীতত কেৱল জাছিংফাকেই নহয়, সকলো বন্দ গুৰুৰ নাম লোৱা দেখা যায়। বন্দনা গীতত এনেদৰে তিনি বন্দন গুৰুৰ আদি গুৰু, অষ্টগুৰুসকল আই কে খেন্, আই কে খাম্, আই ছং ছিং, ম-লাওত্ৰী, পুজাক-জী, মুংটি, ছেংখাম ভিতৰৰ একজন বুলি বন্দনা কৰে। কিন্তু এই বন্দনা-গীতত এই অষ্টগুৰুৰো গুৰু বুলি উপৰি-জনাক বন্দনা কৰে।

তাই আহোমসকলৰ পূজাৰী দেওধাই, মহন, বাইলুঙসকলে কুকুৰা ঠেঙেৰে বা বানছেং মাৰি মঙল চোৱাৰ বাবে জ্ঞানৰ দেৱী জাছিংফাক পূজা কৰে। পূজা অনুষ্ঠানৰ দিন, বাৰ আদি চাবৰ বাবে প্ৰথমে জাছিংফাৰ পূজা কৰা

হয়। কুকুৰা ঠেঙেৰে মঙল চোৱাটো আহোম স্বৰ্গদেউসকলৰ পৰম্পৰা। এনে মঙল চোৱা অনুষ্ঠান তথা জাছিংফাক পূজা প্ৰায় প্ৰতিজন স্বৰ্গদেৱে কৰিছিল। কিবা শুভকাৰ্যৰ আগতে মঙল চায় আৰু মঙল চালে জাছিংফা পূজা কৰে। গতিকে পুথি-পাঁজি আদি মুকলি কৰিবলৈকো আহোম পুৰোহিত শ্ৰেণীয়ে জাছিংফা বন্দনা কৰে।

"আহোম বুৰঞ্জী" তাই-আহোম ভাষাত জাংছিফাৰ বিষয়ে লিখা কথাখিনি তলত অনূদিত কৰি দিয়া হ'ল ঃ

পিচদিনা ৰাতিপুৱা (স্বৰ্গৰাজ) লেংডনে চাও চাইফুম্ন্যায় (কুঁৱলীৰ দেৱতা)ক মাতি জ্ঞান-বিদ্যাৰ দেৱী জাছিংফাক মাতিবলৈ পঠিয়ালে। ....... তেওঁ ঘোঁৰাত উঠি জাছিংফাৰ ঘৰ পালেগৈ। ঘোঁৰাৰ পৰা নামি জাছিংফাক তিনিশ গৰাকী ভৃত্যাৰ সৈতে সূতা কাটি থকা দেখিলে। জাছিংফাই তেওঁৰ মুখলৈ চাই তেওঁৰ আগমনৰ কাৰণ সুধিলে। মুখলৈ চাই ক'লে, "নিশ্চয় স্বৰ্গৰাজ লেংডনে আপোনাক মাতিবলৈ পঠিয়াইছে।" তেতিয়া ভৃত্যা এগৰাকীক তেওঁক বহিবলৈ টুল এখন দিবলৈ ক'লে। বুটাবচা কঠ এখন তাৰ ওপৰত পাৰি দিলে। তেতিয়া জাছিংফাই পুনৰ ক'লে, "লেংডনৰ পৃথিৱীত শাসন কৰা পৰিয়ালৰ সদস্য নাই। তেওঁক পূজা দিবলৈও কোনো নাই। গতিকে পৰিয়ালৰ কাৰোবাক পঠিয়াবলৈ তেওঁ চিন্তা-চৰ্চা কৰিছে। পৃথিৱী শাসন কৰিবলৈ নিজৰ পৰিয়ালৰ সদস্য পঠিয়াব বিচাৰিছে। সেই বাবেই মোক মাতি পঠিয়াইছে।" কুঁৱলীৰ দেৱতাই সঁচা বুলি কোৱাত জাছিংফাই আৰু দেৰি নকৰিলে।

গাত সুন্দৰ পোচাক পিন্ধিলে। গোটেইখন সোণালী তৰা বছা। তাৰ পিছত তেওঁ এডাল সোণৰ নেক্লেচ পিন্ধিলে। তাৰ লগতে মূৰৰ চুলিত হীৰাৰ ফুল পিন্ধিলে। তেওঁৰ পোচাক ইমান উজ্জ্বল যে যিকোনো প্ৰাণীৰে চকু চাট্ মাৰি ধৰিব।"

এই বৰ্ণনাৰ পৰা জাছিংফাক দেৱী বুলি স্পষ্টকৈ জানিব পাৰি।

## হাবিদেও (প-ফীছু)

উমফ্ৰাৰ তিনিটা অংশৰ ভিতৰত এটা অংশ হ'ল হাবিদেও। এই হাবিদেওত পূজা দেৱতা সকল হল ঃ ক্ৰমান্বয়ে সোঁ হাতৰ পৰা লাংকুৰি, নাং - চি - চাও ৰৰছামান, লিখা ছামান, গাতিয়াল, খেতৰ, যখ, ভূত, আৰু বাঘ-বাঘিনী। এই সমৰ্পয্যায়ৰ দেৱতা সকলক পূজা দিয়া হয়। বিশেষকৈ এই দেৱতা সকলক পূজা দিবলৈ হ'লে তাই বিধি পৰম্পৰা মতে লাংকুৰিক কলৰ পটুৱাৰে বনোৱা তিনিফেন্তীয়া এটা মূৰ্ত্তি সজা হয়। বাকী নাং-চি-চাওক মাটিত দিয়া হয়। অন্যান্য ৰৰছামান, লিখাছামান আৰু গাটিয়ালক পৰ্য্যায়ক্ৰমে তিনিখন চাং সাজি দিয়া হয়। তাৰোপৰি ভূত আৰু বাঘ-বাঘিনীক মাটিতহে পাং পাতি দিয়া হয়। বাকী যখ আৰু খেতৰক কলৰ পাতেৰে মূৰ্ত্তি সাজি দিয়া হয়। তাৰোপৰি লাংকুৰি, নাং-ছি-চাও, ৰৰছামান, লিখাছামান কৌ পাতেৰে নৈবেদ্যসমূহ সজাই দিয়া হয়। এই হাবিদেও পূজা বিধি অনুসৰি লাই- লুং-খাম অৰ্থাৎ ৰৰছামানক জাতিলাও খোলা, খিলাসহ এখন বাঁহৰ আগৰ পৰা ধনুৱা ধনু দিয়া হয়। বিশেষকৈ ওখোৱা চাউলৰ কৰাই, লাং- কুকুৰা তিনিটা, নাং-চি-চাউক এজনী, ৰৰ ছামানক (প-ফীছু) আঠটা, লিখা ছামানক তিনিটা, গাটিয়াক দুটা, চান - পালিকক এটা, খেতক এটা, যখক এটা, ভূতক এটা, বাঘ-বাঘিনীক তিনিটা, তাৰ ওপৰিও লাংকুৰিক ক'লী গাহৰি এজনী, ৰৰছামানক (প-ফীছুক) ক'লী গাহৰি এজনী আৰু কুকুৰ এটা, লগতে পকাকল, কেঁচা কল, কেঁচা পিঠা, বেত গাজ, ওখোৱা চাউলৰ কৰাই, আদা আৰু তেল নিমখ বিধিসম্মত ভাৱে দিয়া হয়। নাং-চি-চাউ লাংকুৰী, ৰৰছামান, লিখা-ছামান, গাটিয়াল আৰু চান-পালিকক এইকেইজনক লেট (আধা কটাকে) কৰি কিন্তু গাহৰি আৰু কুকুৰা পাতচিত (বলি দিয়া) হয়। বাকী পাঞ্চু কেইটাও বলি দিয়া হয়।

### ছাইফা

ছাইফা আৰু উম্ফাৰ ভিতৰত পাৰ্থক্য এয়ে যে উম্ফা (খেক্ পূজা বিশেষকৈ ৰাজহুৱাভাৱে কৰিলে চিত্ - ফুন- ক - ৰিক থলেই তাই আহোম

খেক্ লাই বিধিমতে উম্‌ফা। কাৰণ উম্‌ফাত তিনিখন দেওশাল অন্তর্নিহিত হৈ থাকে। বিশেষকৈ বৰদেওশাল, হিন্দু দেওশাল আৰু হাবি দেওশাল। যিহেতু ছাইফাত কেৱল ফা নুৰু-লেংডনকে আদি কৰি তেখেতৰ লগৰ একে সমপৰ্য্যায়ৰ উপ-দেৱতাৰ সকলকহে স্মৰণ বা পূজা কৰা হয়। বিশেষকৈ কোনো পৰিয়ালৰ বা বংশৰ অপায় অমঙ্গল বা দুখ-দুৰ্গতি হলে খেক লাই বিধি মতে সাতখনীয়া মেহেঙা (ফুন) দি ছাই- ফা কৰা হয়। ছাইফা কৰোতে বিশেষকৈ জলাধিপতি (খাও - খাম) পৃথিৱীৰ অধিপতি (আই-লেঙ-ডিন) দেৱগুৰু (জান-ছাই হুঙ), ফা-নুৰু-লেংদন, চিত-লামছাম, আৰু বিশেষকৈ লেংডেনৰ সাতজন পুত্ৰ মুত কুম আই কুম জাছিংফা, ৰা খিন এই দেৱতা কেইজনক ক্ৰমান্বয়ে খাও-খাম, আই লেং দিন, জান ছাই হুঙ আৰু ফা নুৰু লেংডনক কল গছৰ পটুৱাৰে বনোৱা মদঘৰসহ পূজা দিয়া হয়। বাকী চিত-লাম ছামকে আদি কৰি জাছিংফালৈকে এখন এচলিয়া চালিত চাং পাতি পূজা দিয়া হয় আৰু বাকী খিন্ দেৱতা সকলক একে সম পৰ্য্যায়ত মাটিত জালি পাতি গুজি পাঙে পাতি পূজা দিয়া হয়। তাই আহোম ধৰ্ম্ম পৰম্পৰা মতে চিত - ফুন কৰিক থন অৰ্থাৎ সাতখনীয়া মেহেঙা দি ছাইফা অনুষ্ঠান কৰা হয় বা পতা হয় বুলি ছাইফা বিধিত উল্লেখ আছে।

ছাইফা অনুষ্ঠান বা পূজা পতা যাৱতীয় নৈবেদ্যসমূহ হ'ল বৰা চাউলৰ তিনিকোণীয়া ভাত (খাওখেম), বৰা চাউলৰ ভাত, (ৰ খাও) কুপ কৰা তামোল, চিংকাৰা ফুলসহ, কুঁহিয়াৰ, পকা কল, কেঁচা কল, কেঁচা মিঠে আৰু আখৈ আদি পাণ্ডত সজাই দিয়া হয়। তাৰোপৰি ৰহি লাও ঠোলা প্ৰত্যেক মেহেঙাতে বিধিসম্মতভাৱে সজাই দিয়া হয় আৰু খাও খামক তিনিআখী পকা কল ও আঢ়ৈ চাউলসহ তিনিটা হাঁহ কণী দিয়া হয়। বাকী কেইখন মেহেঙাত আগত উল্লেখ কৰা মতে নৈবেদ্যসমূহ দিয়া হয় আৰু পৰ্য্যায় ক্ৰমে আই-লেং- ডিনক তিনিটা কুকুৰা, দেৱ গুৰু জান- আই- হুঙক, চাৰিটা, ফা-নুৰু লেংডনক চাৰিটা, চিত লাম ছামক জাককৰা সাতটা কুকুৰা, মুত-কুম তাই কুমক দুটা, জাছিংফাক নটা কুকুৰা, ঘাই ডামক দুটা, ৰা খিনক পাঁচটা সৰু

কুকুৰা গোৱালি দিয়া হয়। আই লেং ডিন, জানছাই হুঙ, ফা- নুৰু লেংডন, চিত-সাম-ছাম এই কেইজনক ক্ৰমান্বয়ে আই-লেং-ডিনক পেট পথৰা বা চিলা গাহৰি ফা-নৰু লেংডনক বগা গাহৰি আৰু বাকী দুয়োজনক ক'লা গাহৰি দিয়া হয়। এই কথা খেক লাই পূজা বিধিত অন্তৰ্নিহিত হৈ আছে। তাৰ উপৰি ছাইফা কৰোতে চৰজৰী অৰ্থাৎ সোণ ৰূপৰ শিকলি দিয়া প্ৰথা এই খেক লাই পূজা বিধিত উল্লেখ আছে। সেই হেতুকে ৰজাঘৰীয়া বা প্ৰজাঘৰীয়াক এই শিকলি দিয়া হয়।

## প্ৰাচীন দেৱতা লাংকুৰি

তাই আহোম পিতৃ পুৰুষ চ্যাও লুং ছুকাফাই দেশত প্ৰৱেশ কৰি অনেক কষ্ট স্বীকাৰ কৰি ম্যুং ম্যুং-ডুন-চুন-খাম ৰাজ্য স্থাপন কৰিলে। ম্যুং এৰেউত নগৰ পাতিলে। প্ৰথমতে ডাঙৰ বুঢ়া দেৱতা (খুন-থাও-এৰেউ) লাংকুৰিলৈ পূজা আগবঢ়ালে। লাংকুৰিৰ পৰা আশীৰ্বাদ বিচাৰিলে। ডাঙৰ এজোপা বৰগছ পণ্ডিতসকলে ৰুলে। ৰজা, বৰগোহাঁই, বুঢ়া-গোহাঁই, ম'ছাম-ম'ছাইয়ে দেৱতাসকলক পূজা কৰিলে। লাকনি ম্যুং-কেউ বছৰত নগৰ (চে) পাতিলে। পাহাৰৰ ওপৰত ডাঙৰ সোণোৱালী নগৰ পাতিলে (চে-খাম)। উত্তৰে, দক্ষিণে ৰঙা কুকুৰ বহুৱালে। এজোপা (ৰং) বৰগছৰ গুৰিত সোণ পুতিলে। ইয়াৰ পাছত দেশ আৰু ৰাজ্যৰ দেৱতা পূজা কৰিলে। পাহাৰৰ ডাঙৰ নগৰত (চে-লুং-চে-খাম)ত থাকিবলৈ ল'লে। এই চে-ৰাই-দয় নগৰ ৰাজধানী নগৰ হ'ল। পোন প্ৰথমে লাংকুৰি দেৱতাৰ মন্দিৰ নিৰ্মাণ কৰিলে।

এনেদৰে ছুকাফা স্বৰ্গদেউয়ে প্ৰথমে আমাৰ দেশত প্ৰৱৰ্তন কৰা লাংকুৰি পূজাৰ বিষয়ে সাঁচিপতীয়া তাই-আহোম ভাষাৰ পুথিত আমি পাইছো।

ছুকাফা স্বৰ্গদেৱে আহোমৰ বহুতো পূজা অসমত প্ৰৱৰ্তন কৰে। প্ৰথমে তিপামত তেখেতে মে-ডাম-মে-ফি পূজা পাতে। পিচত আহি চে-ৰাই-ডয়ত (চৰাইদেউ) লাংকুৰি দেৱতাৰ পূজা পাতি এক পৰম্পৰা স্থাপন কৰে। তাৰ

পিছত উম্‌ফা পূজা পাতে। উম্‌ফা পূজাত আহোমৰ বৰদেওশালত আহোমৰ মূল সাতজন দেৱতালৈ পূজা আগবঢ়ায়। এওঁলোক হ'ল খাওখাম (জলদেৱতা), জানছাইহং (স্বৰ্গ-মৰ্ত্যৰ গুৰু), ফানু ৰু লেংডন (স্বৰ্গৰ অধিপতি আৰু ফ্ৰা-টু-ছিং-ফ্ৰম-হুমৰ প্ৰতিভূ আহোমৰ মূল দেৱতা), চিটলাম চাম (সপ্ত মণ্ডলৰ অধিকাৰী), মুট-কুম টাই কুম (চন্দ্ৰ-সূৰ্য্য), জাছিংফা (জ্ঞানৰ দেৱী) আৰু বা-খিন বা-খিন (অপদেৱতা, ৰাহু-কেতু সদৃশ)। তদুপৰি ডামসকলক স্থান দিয়া হয়। অন্য দেওশাল হ'ল হাবি দেওশাল। চৰাইদেউতে এই দুখন শাল ছুকাফা স্বৰ্গদেৱে স্থাপন কৰে। ছুকাফাই ২য় খন শালত সীমান্ত-ৰক্ষী দেৱতাসকলক পূজা কৰিছিল। এই শালত প্ৰধান দেৱতা আছিল লাংকুৰি (পৰ্বতৰ দেৱতা), প-ফী-চু আৰু লিখা চামান।

এই স্বৰ্গদেউৰ পূজা থলিত লাংকুৰিক যি মন্ত্ৰ মাতি পূজা কৰা হয় তাৰ বিষয়ে অৰ্থৰ সৈতে তলত দিয়া হ'ল ঃ

চাও নুৰু চাও ঐ।
আন নাং চাও কাও ঐ।
খুন থাও নেউ লাংকুৰি।
প ফী খ্ৰু মে ফী ঞেউ।
টাও মুংবা মুং খ্ৰু টেউ ফা বা ম্যুং ঞেউ।
জিম ম্যাও ফুন ডি বও মী এঞা।
ৰিণ লুং টেক পিন চাও।
ৰিণ লুং টেক পিন খুন।
ডয় ঙিন ডয় খাম মৌ হিট খন ।
জয় ঙিন খান মেং হিট চাও।
ছাম ৰু ৰক আউ খন টেক পিন চাও।
কন ফা ফৌক ৰং মৌং টু জু ।
চাও নুৰু চাও কাও ঐ।

অৰ্থাৎ হে মুৰৰ ওপৰৰ দেৱতা। ইয়ালৈ আহা। হে বুঢ়া গোসাঁই। হে

প্ৰাচীন দেৱতা লাংকুৰি। দেৱ-দেৱী সকলৰ লগত আহা। তুমি বৃহৎ জগতৰ স্ৰষ্টা হৈ সকলোকে চাই আছা। পুৰণি কালত ৰাজত্ব চলাবলৈ কোনো নাছিল। তুমিয়েই শাসন কৰিছিলা। তুমি বিশাল পৰ্বতৰ দেৱতা। তুমি সোণ-ৰূপ পৰ্বতৰ দেৱতা। তুমি ত্ৰিশূলধাৰী। উত্তৰ দিশত বৰফেৰে আবৃত পৰ্বতত তোমাৰ বাসস্থান। হে ওপৰৰ দেৱতা। তোমাক সেৱা জনাইছো।

উম্‌ফা-চাইফা পূজাত লাংকুৰি পূজাৰ বাবে কৰা প্ৰস্তুতিত বুঢ়া গোসাঁই লাংকুৰিৰ বিষয়ে তথ্য নিহিত হৈ আছে। লাংকুৰি মূৰ্তি কলপটুৱাৰে সাজি তিনিফেৰেঙনী দি ত্ৰিশূলৰ দৰে প্ৰতিটো ফেৰেঙনীত কৌ-পাত বান্ধি মূৰত গুজি দিয়া হয়। মূৰ্তিটো মাটিত গুজি ৰখা হয়। সন্মুখত তিনিজাপ কৌ-পাত দিয়া হয়। পাতত সিয়া তামোল-পাণ (ফুলেৰে মেৰিয়াই) ৰখা হয়। তিনিটা গোটা তামোল-পাণ কৌপাতেৰে বান্ধি দি পাতত ৰখা হয়। কেঁচা পিঠা, পকা কল, পিঠা, চিৰা, কৰাই, বেতগাজ ৰখা হয়; মিঠাতেল, নিমখ আৰু আদাও ৰখা হয়। তিনিটা কুকুৰা, ৰহীলাও, নিমখ, জালুক ঠোলাত ৰখা হয়। ক'লী গাহৰি এজনী দিয়া হয়। লাংকুৰি প্ৰাচীন দেৱতা, ত্ৰিশূলধাৰী, বৰফাবৃত পৰ্বতৰ বাসিন্দা, পশুপতি। তেওঁ পৰ্বত ফুটি ওলোৱা দেৱতা। তেওঁ স্বয়ম্ভু।

পুৰণি ৰীতি-নীতি মনা আহোম সকলে বিশেষকৈ ম'চাম-ম'চাম, মপ্লং সকলে (দেওধাই, মহন, বাইলুং সকলে) নতুন বছৰ আঘোণ মাহত (দিনচিং) কুলৰ গুৰু ৰূপে লাংকুৰী, জান ছাই হুঙ, লাবেং, লেংডন আৰু জাছিংফাক পূজা কৰে।

লাংকুৰি আৰু জান চাই হুঙক একেখন ফুনতে (মেহেঙ্গা) আগবঢ়াব লাগে। লাংকুৰিক তিনিখন লখিমী ফুলৰ তামোল, তিনিটা ঠোলা, চাউল তিনিভাগ আৰু জান ছাই হুঙক দুখন চিংকাৰা ফুলৰ তামোল, দুটা ঠোলা, চাউল দুভাগ, লাবেঙক দুখন লখিমী ফুলৰ তামোল, দুটা ঠোলা, চাউল দুভাগ, লেংডনক চাৰিটা ফুলৰ তামোল, চাৰিটা ঠোলা, চাৰিভাগ চাউল আৰু জাছিংফাক তিনিখন চিংকাৰা ফুলৰ তামোল, তিনিটা ঠোলা, তিনিভাগ চাউল আগবঢ়োৱা হয়।

ম'লুঙে দ্ৰব্য সজাই লৈ গৃহস্থক সেৱা কৰিবলৈ দিয়ে আৰু মংগলময়

পবিত্ৰ মন্ত্ৰ উচ্চাৰণ কৰে। আপটাং (আহ্বান), কিন-টাং (পূজা গ্ৰহণ), জনতাং (গৃহস্থক আশীৰ্বাদ) আৰু বয়তাং (বিদায়) কৰি পূজা সমাপন কৰে।

আহোম পণ্ডিতসকলে লাংকুৰিক নাঙলৰ জন্মদাতা আৰু পৰম কৃষি পিতৃ-গুৰু ৰূপে জন সমাজৰ কৃষি-কৃষ্টি আৰু সংস্কৃতিৰ জন্মদাতা হিচাপে মানি চলি আহিছে আৰু যুদ্ধ-বিগ্ৰহৰ সেনাপতি লাংকুৰিৰ কালৰূপক 'ফিলেবা' বা বৰযশক উম্‌ফা-চাইফাত পূজা দিয়ে।

আহোম স্বৰ্গদেউসকলে উম্‌ফা আৰু চাইফা পূজা কৰি লাংকুৰি দেৱতাকো পূজা কৰিছিল। স্বৰ্গদেউ সকলৰ ভিতৰত চাওফা ছুপাতফা (গদাধৰ সিংহ)ই লাংকুৰি দেৱতাক নিজে পূজা কৰিছিল। উম্‌ফা-চাইফা পূজাত হিন্দুশাল স্থাপন কৰি হিন্দু দেৱ-দেৱীলৈকো পূজা আগবঢ়াবলৈ ধৰিলে। সেই হিন্দুশালত মহাদেৱকো পূজা কৰা হয়। গতিকে লাংকুৰি আৰু মহাদেৱক একে দেৱতা বুলি আহোমসকলে নাভাবে। লাংকুৰিক কৃষি-সংস্কৃতিৰ পিতৃস্বৰূপে আৰু অন্যতম গুৰু হিচাপে জনাৰ উপৰিও যুদ্ধ-বিগ্ৰহৰ কালস্বৰূপ সেনাপতি বুলি ভবা কথাটো মহাদেৱৰ ধ্যান-ধাৰণাত নাই।

এনেদৰে লাংকুৰি দেৱতাক পূজা কৰাৰ পৰম্পৰা চাও লুং ছুকাফাৰ দিনৰে পৰা চলি আহিছে। উল্লেখনীয় যে লাংকুৰি দেৱতাৰ পূজা কৰাৰ পৰম্পৰা ম্যুংমাও লুং দেশৰ পৰা ছুকাফা স্বৰ্গদেৱে লৈ আহিছিল। ই এক তাই পৰম্পৰা।

## ৰাতিখোৱা সমাজ

আহোমৰ মাজতো ৰাতিখোৱা সম্প্ৰদায় আছে। তেওঁলোকক বৰখেলীয়া বুলি কোৱা হয়। তেওঁলোকৰ সত্ৰ হ'ল কালসংহতিৰ চেঁচা, বাৰেঘৰ, বুদবৰী, কাটনীপাৰ, কৰ্দেগুৰীয়া ইত্যাদি।

গোপালদেৱৰ অন্যতম প্ৰিয় শিষ্য বৰ যদুমনি দেৱৰ প্ৰিয় শিষ্য আছিল ৰমাই বা ৰামদেৱ। এই ৰামদেৱ হৈছে চলিহা ৰাবেঘৰ সত্ৰৰ প্ৰতিষ্ঠাপক সৰু কৃষ্ণদেৱৰ নাতি। শুকদেৱ আৰু সুনন্দদেৱ ৰামদেৱৰ শিষ্য।

এই পন্থাৰ প্ৰথম গুৰুসেৱা। ইয়াকে শৰণ বোলা হয়। শৰণত গুৰুৱে কিছু নিয়ম-নীতি শিকায়।

দ্বিতীয় পৰ্যায় হ'ল ভজন। ভজন হ'ল ভকতৰ দ্বিতীয় অৱস্থিতি। ভজন ল'লে অন্ন আৰু ধৃতি-নীতি শিকোৱাৰ উপৰিও নামঘৰত চাকি-বন্তি শৰাই আদি পতা তথা ধৰ্ম-পুথি আৰু খোৱা-বোৱাৰ নীতি নিয়ম শিকোৱা হয়।

তাৰ পিছত এখন তামোল, দুখন তামোল, চাৰিখন তামোল খোৱা ভকতৰ পৰ্যায় আছে। আগম, নিগম - এই দুই ভাগতে আছে। পকাত পকা নিয়মে আৰু কেঁচাত কেঁচা নিয়মেৰে শিকায়। পকা ভাগত দিহা আৰু নাম আছে। কেঁচা ভাগত মানুহে মানুহক কেনেধৰণেৰে ভক্তিমূলক সেৱা কৰিব লাগে, ঈশ্বৰক প্ৰাৰ্থনা কৰিব লাগে শিকায়। বুঢ়া ভকত বা গাঁওবুঢ়া পদ যিসকল শৰণ-ভজন লোৱা ভকতে নিয়ম-নীতি পালি চলিব পাৰিছে, সমাজে তেওঁলোকৰ পৰা কিছু ভকতক অনুমতি দি বুঢ়া ভকত বা গাঁওবুঢ়া পাতে। সদাচাৰী ভকত হ'ল সাধুৰ আগৰ স্তৰৰ ভকত।

ম'লুং বা সাধু-বুঢ়া পদ হ'ল সৰ্বোচ্চ পদ। ধৰ্ম অনুষ্ঠানত তেওঁ পূৰ্ণ স্বামী। এই ম'লুং বা সাধু-বুঢ়াই ৰাইজে বিচাৰিলে ব্ৰাহ্মণ নোহোৱাকে পৰাচিত আদি কৰিব পাৰে।

বৰখেলীয়াৰ ভকতসকলক তিনিটা স্তৰত বিভক্ত কৰা হয়। পঞ্চনামীয়া প্ৰথম পৰ্যায়। তাৰ অৰ্থ হ'ল তেওঁলোকে জনাৰ্দ্দনৰ পঞ্চনাম লয়। চৰণ পৰ্যন্ত তেওঁলোকে প্ৰণাম কৰে। তাৰ ওপৰৰ স্তৰ হ'ল চৈতন্য ভকত। তেওঁলোকে বাৰটা নাম উচ্চাৰণ কৰিব পাৰে। হৃদয়লৈকে ভকতৰ ধাৰ্য। তৃতীয় স্তৰ হ'ল কেৱলী। কেৱলী ভকতে কৰণী, দিগম্বৰী স্তৰ পাৰ হোৱাৰ পিচতহে কেৱলী পৰ্যায় পায়, যি সৰ্বোচ্চ স্তৰ।

কৰণী পৰ্যায় পাবলৈ হ'লে ভকতজনে কঠিন পৰীক্ষাৰ সন্মুখীন হ'ব লাগে। এগৰাকী নগ্ন ভকতনীৰ দ্বাৰা উক্ত ভকতক পৰীক্ষা কৰোৱা হয় এক বন্ধ কোঠালিত। এই ধোলঘৰত উপস্থিত সকলো ভকত আৰু ভকতনীয়ে নগ্ন হিচাপে থাকিব লাগে। ধোলঘৰত মদ, মাংস, লোভনীয় খাদ্য থৈ ভকতজনক পৰীক্ষা কৰে। পৰীক্ষাত উত্তীৰ্ণ হ'লে ভকতজন কৰণী পৰ্যায়ৰ হয়গৈ। পঞ্চমকাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা ভকত হ'ল কৰণী।

কেইবছৰমান কৰণী ভকতে কৃতকাৰ্যতাৰে কাম-ক্ৰোধ-লোভ-মোহ দমন কৰি ৰাখিব পাৰিলে দিগম্বৰী পৰ্যায় পায়।

কেবলী ভকত ভক্তিৰ শেষ পৰ্যায় পোৱা ভকত। পৰমেশ্বৰৰ অস্তিত্বৰ বাহিৰে কোনো অস্তিত্বকে কেবলী ভকতে নেমানে।

এই ভকতসকলে 'যুগুত বিচাৰ' নামৰ কিছুমান ভকতিৰ গীত গায়। এই গীতত হৰ আৰু পাৰ্বতীৰ নামৰ উল্লেখ পোৱা যায়।

হৰ পাৰ্বতীৰ ৰহস্য ভকতি
ইহাক সাৰ কৰি ধৰা।
পাৰ্বতী যিমতে ভকতি কৰিলে
ইহাৰ কহ নিৰ্ণয়।।
চিনিয়া ভকতি ধৰা মোৰ বান্ধৱ
চিনিয়া ভকতি ধৰা।
হৰে পাৰ্বতীৰ ৰহস্য ভকতি
ইহাক সাৰ কৰি ধৰা।।

এই ৰাতিসেৱাত হৰ-পাৰ্বতীৰ উদ্দেশ্যে ভক্তিভৰা নৈবেদ্য হ'ল মাংস (কাচ) আৰু মদ (ভৰ)।

ৰহস্য থানৰে ৰহস্য ভকতি
ৰসিকসকলে গায়।
কৈছে শ্ৰীৰামদেৱ শুনা বন্ধুসবে
এই ৰস শংকৰে খায়।।

এই গীতৰ পৰা স্পষ্ট হৈ পৰে যে এই ভকতিৰ স্ৰষ্টা হ'ল শ্ৰীৰামদেৱ। তদুপৰি উক্ত গীত মহিলা ভকতে 'ৰস' পান কৰি গায়। মদক 'ৰস', 'সাজ', 'অমৃত' বুলি কয়, মদ বুলি নকয়।

ৰাতিখোৱা সম্প্ৰদায় কেৱল আহোমৰ মাজতে নহয়, মিচিং আৰু কছাৰী সম্প্ৰদায়ৰ ভিতৰতো আছে। ৰাতিখোৱা সম্প্ৰদায়ৰ আহোম গাঁও এখনত 'সাধু' ৰূপে 'মিচিং' সাধু এজনক আসনত বহুওৱা দেখিছো। দিগম্বৰী

ৰূপটো আজিকালি লাহে লাহে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে নাইকিয়া হৈছে। 'সাধু'কে সাক্ষাৎ ভগৱান হিচাপে ধৰি ৰাতিখোৱা সম্প্ৰদায়ে অবিচল ভকতিৰে এনে ৰাতিৰ সমাজত অতি নিৰ্মল ভকতি কৰা পৰিলক্ষিত হৈছে।

সুনন্দদেৱ আছিল কাটনীপাৰৰ সত্ৰাধিকাৰ। ৰাতিসেৱাৰ নামত তেখেতৰ নাম লোৱা দেখা যায়। ৰাতিসেৱা অনুষ্ঠানত পৰিবেশন কৰা ভক্তিমূলক গীত আৰু নামবোৰ মুখে মুখে বাগৰি অহা আৰু সহজ-সৰল। ভকতসকলে বহুনী নাম-বিচাৰত শংকৰ, মাধৱ, গোপাল, ৰামদেৱ (ৰমাই) আদিৰ নাম অতি শ্ৰদ্ধাৰে লয়। তেওঁলোকে এনেদৰে গায়-

"শিৰত শংকৰ, কৰ্ণত মাধৱ, চক্ষুত গোপালদেৱ।
মুখে যদুৰাই, হিয়াত ৰমাই, পাৱে পৰি কৰো সেৱ।।
আদ্য ম'ৰামৰা, মধ্যম বলম, শেষত কাটনীপাৰ।
সাপ কাটি ডিমৰু, ভকতি চপাই আনি, ৰামদেৱে পাতে বিহাৰ।।
বলস্বীৰ পৰা আহিল গুৰুবাপ, মেলে সচংগৰ মূল।
অতি সুকোমল, গুৰুদেউ গোসাঁয়ে পাইলে ধৰমৰ সুখ।।"

এই ভকত পন্থাত সাধুৰ উচ্চস্থান। বহুনী বিচাৰ নামত এনেদৰে উল্লেখ আছে-

"চিনিয়া ভকতি ধৰা
জীৱ তৰিবৰ যাৰ ইচ্ছা আছে
ভকতত ভকতি কৰা।"
"প্ৰেমে নিগৰিব লোতক ঝৰিব
বিচাৰি ধৰিম পম।
স্নেহ আলপনা বন্ধুতে কৰিবা
সাধুত ডুবাইবা মন।"
"মুখে নাম ল'বা, হৃদয়ে বুজিবা
পাপকো কৰিবা ক্ষয়।
দান্তকে তিলকে বিলম্ব নকৰি

যাইবা ভকতত লয়।"

ভক্তসকলে দ্ৰব্য-বস্তু সমগ্ৰ কৰোতেও তেওঁলোকৰ ভক্তি প্ৰকট হয়।

"শুনিহো লোকাই, তৰুণৰ উপাই
বুজিও তত্ত্বৰ সাৰ।
সুহৃদৰ সেৱালৈ লাগে কিবা সাজ
কৰিও তাৰ বিচাৰ।।
অকহি গৃহত অধিকাৰ জন
মনে বহু ৰংগ ভৈলা।
সুহৃদয়ৰ সেৱালৈ লাগে কিবা সাজ
লেখাদি জনাইবে দিলা।।
শাক, খৰি, পত্ৰ লোণ, তৈল, বস্ত্ৰ
চাউল, চিৰা আদি কৰি
মন, মৃগ আদি ৰাত্ৰিক দিন কৰি
প্ৰবন্ধে আনিবা ধৰি।।
দুগ্ধ চুৰা কল সুগন্ধিৰ জল
স্বন্ধে পাতি গুৱা পান।
সজলা সম্ভাৰ যুগুত কৰিয়া দিবা সুহৃদলৈ জান।।"

"কতেক বৰ্ণাম স্বামীৰ গুণকে
প্ৰেমৰসে বৈয়া যাই।
ব্ৰহ্মানন্দদেৱৰ পাৱত বন্দিয়া
আতা শুকদেৱে গায়।।"

এই নামবোৰত বিশেষকৈ বহনী নামৰ বিচাৰত ভকতিৰ তাৎপৰ্য অতি ভালদৰে বুজাইছে। ভকত-ভকতনীয়ে এই অগাধ আৰু নিৰ্মল ভকতিত নিজকে বিলীন কৰি দিয়ে আৰু পৰমেশ্বৰৰ অকৃত্ৰিম ভকতিত নিজকে নিমজ্জিত কৰে। এই ৰাতিখোৱা উৎসৱ অতি উচ্চ-খাপৰ ভকতিৰ উৎসৱ। ইয়াত মানুহে ভৱাৰ

দৰে শ্লীলতা-বহির্ভূত কোনো কাৰ্য নাই। ভকত-ভকতনীসকলে সাজ-বস্ত্ৰ, আৰু আমিষ প্ৰসাদ গ্ৰহণ কৰাৰ বাহিৰে কোনো ধৰণৰ গুপ্ত কথা নাই। অৱশ্যে 'সাধু' বুঢ়াক আসনত বহুওৱা, শলিতা জ্বলোৱা ইত্যাদি কাম অন্য লোকৰ বাবে ৰহস্যজনক কিন্তু এই ভকতি-অনুষ্ঠান অৰীতিয়া নহয়। ভকতেই যে আটাইতকৈ উচ্চ আসন লাভ কৰে সেই কথা এই ৰাতিসেৱাৰ 'বিচাৰ' নামত এনেদৰে কোৱা আছে -

চিনিয়া ভকতি ধৰা
জীৱ তৰিবাৰ, যাৰ ইচ্ছা আছে
ভকতত ভকতি কৰা।।
প্ৰেম নিগৰিব, লোতক ঝৰিব
বিচাৰি ধৰিবা পম।
স্নেহ আলাপন বন্ধুতে কৰিবা
সাধুতে ডুবাইবা মন।।
মুখে নাম ল'বা, হৃদয়ে বুজিবা
পাপকো কৰিবা ক্ষয়।
দাম্ভেক তিলকে, বিলম্ব নকৰি
যাইবা ভকতিৰ লয়।।
নামি আহিলে শ্ৰীশংকৰ গুৰু
ভকতি থৈ গ'লে সাৰ।
ইটো ভকতিৰ ধৰি গুৰুসবে
সম্প্ৰদা দি গৈল বাৰ।

এনুহেন সম্প্ৰদা যি জনে চিনিব
অমূল্যৰ হাত বেহাই
আমি নাথ দেৱৰ, পাৱৰ বন্দিয়া
বিচিত্ৰ আই গায়।।

আকৌ কৈছে -
নেৰিবা ভকতৰ সংগ
পূৰ্বে ছিয়া ছাই পিৰীতি কৰিবা
ভকতি কৰিব ৰংগে।।

তদুপৰি শ্ৰীমন্ত শংকৰদেৱক প্ৰণামি এনেদৰে নাম-বিচাৰত কৈছে ঃ
শংকৰে বান্ধিলে নামৰ কঠিয়া
মাধৱে মূৰ মেলি বয়।
হাতত কাচি লৈ পুৰুষোত্তম দেৱে
ভকতি ভাণ্ডাৰে থয়।
মাকৰ আগতে কান্দে নিত্যানন্দে
নিয়ম কৰাইবাৰ মনে
সবাৰো বাহিৰে ভকতি ভাণ্ডাৰক
দেখাই দিব কোন জনে।

তদুপৰি এনেদৰে গায় -
শংকৰদেৱ আদি মাধৱদেৱ পিৰীতি
গোপালদেৱ স্বৰূপ মণি।
শ্ৰীকৃষ্ণ মণি কণ্ঠত পিন্ধি লৈ
ব্ৰহ্মাণ্ডত লগাইছে ধ্বনি।।

ইয়াৰ পৰা স্পষ্ট যে কেৱল কালসংহতিৰ কিছুসংখ্যক সত্ৰাধিকাৰে এই বাতিসেৱা পন্থা প্ৰচলিত কৰে। ইয়াৰ ভিতৰত গীত ৰচনাৰ ক্ষেত্ৰত শুকদেৱৰ নাম সঘনে পোৱা যায়।

বাতিসেৱা অনুষ্ঠান নিৰ্দিষ্ট নামঘৰত পতা হয়। এই গৃহটি সকলোৰে বাবে আদৰৰ আৰু ইয়াত সহজতে সকলো লোক যোৱাত বাৰণ আছে। অনুষ্ঠান পাতিবলৈ প্ৰথমে নৈবেদ্য যোগাৰ কৰা হয়। ধৰ্ম-গৃহটিৰ একেবাৰে শেষৰ কোঠালিটো একেবাৰে পবিত্ৰ আৰু একান্ত বুলি ধৰা হয়। আৰ-বেৰ দি থোৱা এই কোঠালিটোত 'সাধু' জনক মূধচৰ আসনত বহুওৱা হয়। বহুওৱাৰো নিয়ম আছে। সাধুৰ সন্মুখত চাকি-শলিতা জ্বলোৱা হয় আৰু ইয়াকে শলিতা লগোৱা বুলি কয়। পঞ্চনামীয়া আৰু চৈতন্য ভকতসকলক ঢাৰি পাৰি বহিবলৈ দিয়া হয়। সন্মুখত সাজ বা ৰসৰ বাটি নিয়ম অনুসৰি দিয়ে। এই সাজ (নামলাও) নৈবেদ্যৰ ভিতৰত অপৰিহাৰ্য। বাটিত সাজ ঢালি শাৰী শাৰীকৈ থোৱা হয়। কুকুৰা, গাহৰিৰ মাংস বান্ধি কলপাতত পাৰি ভাগে ভাগে সজাই থয়। সেৱকীয়ে নৈবেদ্য আগবঢ়াই সেৱা ল'লে সাধুৱে আশীৰ্বাদ দিয়ে। বান্ধনী আৰু বিলনীয়াই ভকত-ভকতনীসকলক নৈবেদ্য ভগাই দিয়ে আৰু প্ৰত্যেককে সাজ ঢালি খুৱাই যায়। একান্ত ভগৱৎ প্ৰেমত নিমগ্ন ভকত-ভকতনীয়ে এই নৈবেদ্য গ্ৰহণ কৰি ধন্য মানে। সাজক অমৃত জ্ঞান কৰি খায়। মুঠতে এই অনুষ্ঠানত ভাগ ল'ব পৰা ভকত-ভকতনীয়ে নিজকে ধন্য মানে। ভকতনীসকলক আই-মাতৃ বা আদ্যা শক্তিৰ জননী বুলি সন্মান কৰে।

এই সম্প্ৰদায়ৰ লোকসকলে মৃতকৰ ডাম পূজা নামলাও (মদ) আৰু কুকুৰা আগবঢ়াই সকাম পাতে। আই সবাহ আৰু ডাঙৰীয়া সকামো পতা দেখা যায়।

ৰবসেৱা পাতিবলৈ বিশ কলহ সাজ প্ৰস্তুত কৰে আৰু একৈশটা কুকুৰা আৰু এটা গাহৰি আগবঢ়ায়।

বৰসেৰাত ভকত-ভকতনী দিগম্বৰ হৈ সাজৰ বাটি আৰু মাংসৰ থাল লৈ নগা বিহাৰ কৰে। ভকত-ভকতনীসকলে অময়া ভকত হ'লেহে বৰ সেৱাত অংশ গ্ৰহণ কৰিব পাৰে। এই বৰসেৱা অতি পৱিত্ৰ অনুষ্ঠান। গোপনে চালে অন্ধ হয় গোপনে শুনিলে কলা হয়, বুলি আমাৰ বিশ্বাস।

'ৰস'ৰ বিষয়ে বহনী নামত এনেদৰে আছে ঃ

শুদ্ধ মৌপিয়া, মধুৰক চুম্পিলে
ৰসক তিনি তোলা কৰি
ভক্তি মাতৃ আইয়ে, ৰসক নমাই আনে
ৰসৰ কলচি ধৰি।।
সংগত বহি আছে সংগৰ সাধু গুৰু
মধ্যত বহিছে হৰি
ভক্তি মাতৃ আইয়ে ৰসক নমাই আনে
ৰস পিত্ত অঞ্জলি ভৰি।।

## "বৰসেৱা বা বৰসকাম"

কেৱলপন্থীসকলৰ 'বৰসেৱা' বা 'বৰসকাম' অতি অনুপম অনুষ্ঠান। তেওঁলোকৰ গুৰু বন্দনা প্ৰশংসনীয়। গুৰু বন্দনাৰ ঘোষাফাকি তলত উল্লেখ কৰা হ'ল—

ৰামদেউ, শ্যামদেউ শুকদেউ, সুনন্দদেউ; এই চাৰি কেৱলৰ গুৰু।
পাণ্ডৱৰ মধ্যতে যুধিষ্ঠিৰ ভকতে,একে শবীলতে গায়;
যবনৰ মধ্যতে, কবিৰা বকতে, থাকে আদৈ গুৰি বৈ।...
জাতে - অজাতে, সজাক পাতিলে, ধৰম বিবিধৰে তলে।

তাহাৰ উপৰে, তামৰশিষ লোৱা, মহাদেউ আছিলে চাই;
এখনি তামোলোক দুখনি কৰিলে, ডালিমচৈ কৰিবাই পাই ।
...... কৈছে ৰামদেৱে, শুনা বন্ধু সৱে, দিবা হচঙতে ঠাই ।।
ৰাম ৰাম গুৰুৱে, সোধে শংকৰক (শিৱশংকৰ )
হচং কেনেকুৱা কাচ;
কেলৈ সুধিলা, ব্ৰাহ্মণ তনয়,
হচং চাৰিবেদ বাজ ।
শংকৰে বান্ধিলে নামৰে কঠিয়া
মাধই মোবা মেলি চাই ।
হাতত কাচিলৈ, পুৰুষোত্তমে
ভকতি ভাণ্ডাৰ থয় ।
ৰামদেউ আহিলে মাধৱদেউ আহিলে, গোপালদেউক আনিলে মাতি
যদুদেউ আহিয়েই ভাণ্ড ভাঙিলে দিলে, পূৰ্ণ মুখে বাকি ।
পূৱতে শংকৰে, পশ্চিমত শ্ৰী চৈতন্য, উত্তৰে ৰামানন্দ,
দক্ষিণে হৰিদাস, জানিবা নিশ্চয়, মধ্যতে ব্ৰহ্মা নিশ্চয় ।
কৈছে বিষ্ণু নাথে মৰমে ধৰমে, দিবা পদতলে ঠাই।

কৈঁচাপন্থীসকলৰ বাবে 'ৰৰসবাহ' যেনেকৈ এটা উল্লেখযোগ্য অনুষ্ঠান তেনেকৈ ভিতৰপকীয়া সকলৰ 'ৰৰসেৱা' ও সমপৰ্যায়ৰ এক অনুষ্ঠান । 'ৰৰসবাহ' যিদৰে পাঁচবছৰ বা সাত বছৰৰ মূৰত অনুষ্ঠিত কৰা হয় ঠিক তেনে ধৰণেৰেই 'ৰৰসবাহ' পতা হয় । এই সকাম পাতিবৰ বাবে যথেষ্ট অৰ্থৰ প্ৰয়োজন হয়।

এই সকামৰ বাবে যিখিনি উপাচাৰৰ প্ৰয়োজন হয় তাৰ ভিতৰত উল্লেখযোগ্য উপকৰণ হ'ল একৈশটা সাজৰ কলহ । ইয়াৰ লগতে লাগে

এটা গাহৰি, এযোৰ কুকুৰা, এযোৰ হাঁহ, এযোৰ পাৰ আৰু এটা অন্য এবিধৰ জীৱ ।মুঠ ন বিধ জীৱ ইয়াৰ বাবে প্ৰয়োজন হয় । ইয়াৰ উপৰিও সকামৰ বাবে প্ৰয়োজন হয় মাছ, চাউল, মিঠাতেল, পানী, শাক-পাচলি, মা-মচলা আৰু জোৰ এটা । পিঠা, চিৰা, গাখীৰ, আখৈ, গুড়, সান্দহ আদিও এই সকামত ব্যৱহাৰ হয় । সকামৰ বাবে প্ৰয়োজন হয় চৰা, খৰি-খেৰ, পাত-পটুৰা ইত্যাদি।

এই সকামলৈ পৰিয়ালবৰ্গ, মিতিৰ-কুটুম, বন্ধু-বান্ধৱক আমন্ত্ৰণ জনোৱা হয়। এই সকাম নিয়াৰিকৈ সম্পাদন কৰিবৰ বাবে এজন পূৰ্ণ গুৰু বা সাধুক নিমন্ত্ৰণ কৰি অনা হয়। বিহাৰ উলিওৱা আৰু গীত পদত সিদ্ধহস্ত এজন সদাচাৰ বা বিহাৰী এই সকামৰ বাবে অপৰিহাৰ্য । সকামৰ দিনা বা তাৰ আগদিনাৰে পৰা সাধু, সদাচাৰ, আৰু গৃহস্থ উপবাসে থকা নিয়ম। তেওঁলোকক তামোল-পাণেৰে সকামলৈ আমন্ত্ৰণ জনোৱা হয় । এই সকামত ভালে কেইযোৰা ভকত- ভকতনীৰো প্ৰয়োজন । তেওঁলোকৰ জৰিয়তে ভজন দিয়া হয় ।

পূৰ্ণ সাধুজনাক পদুলিমুখতে হাত-ভৰি পখালি সেৱা সৎকাৰ কৰি বোলনি কাপোৰ পাৰি ঘৰলৈ আদৰি নিয়া হয়। য'ত সকাম পতা হয় সেই ঘৰ ঘৰৰ বেৰৰ চাৰিওফালে কাপোৰ তৰি দিয়া হয়। পশ্চিমলৈ মুখ কৰি তেওঁৰ বাবে পাৰি থোৱা আসনত উপবিষ্ট হয় । নামৰ বিচাৰ মতেহে আসনবোৰ পাৰে। চৰা পাৰোতে গায়-

আমাৰে গৃহলৈ আহে পূৰ্ণ স্বামী
তুলি লওঁ চৰণৰ ধূলি
বহিবাক লাগি আসন পাৰি দিলো
শিৰৰে ওপৰত তুলি ।।
মনে হ'ল চৰাখন চিতে বস্ত্ৰখনি
ধৈৰ্য্য হ'ল চাৰিটি বাও ।

চাৰিবে চুকতে বহে চাৰিজনে

মধ্যত বহে পূৰ্ণদেৱে ।

কেৱলপন্থীসকলৰ মানত সাধুজন পূৰ্ণব্ৰহ্ম বা পূৰ্ণ স্বামী । নীতি - নিয়মৰ মাজেৰে সাধুজনে নিজৰ আসনত উপবিষ্ট হয়। বাকী ভকত সকলকো হাত ভৰি ধুৱাই বোলনি কাপোৰৰ ওপৰেদি আনি যথাস্থানত উপবিষ্ট কৰায় ।

তাৰপিছত সেৱকীয়ে নিমন্ত্ৰিত সাধুকে আদি কৰি ভকত-ভকতনীক সেৱা কৰে । গুৰুক সেৱা কৰোতে এনেদৰে নাম গায়-

পূৰ্ণব্ৰহ্মদেউ ভক্তিভাৱে কৰো সেৱ

দিয়োক মোক সকাম ।

কেৱল নিশ্চয় কৰি সেৱা ৰূপে সুখমাত্ৰ

ভৃত্য বুলি নিবা তৰাই ।।

ইয়াৰ পিছতেই ভকতৰ সমুখৰ ঠাইখিনি মচি মাৰ্জন কৰা হয়। এইখিনি কৰোতেও নাম গোৱা হয়। তাৰ পিছত পূৰ্ণ ভকতৰ আগত চাকি জ্বলোৱা হয়। চাকি জ্বলোৱা নাম এনেধৰণৰ —

হৰি ভক্তি চাকি ঘৃতে আছি ভৈলে

গুৰু কৃপায় অগনি জ্বলে।

দেহা হ'লে গছা চিতে হ'লে শলা

বুদ্ধিয়ে চাকিখন ভৈলা।।

ৰৰসেৱালৈ আগবঢ়োৱা সকলো সামগ্ৰী ভকতৰ সমুখত নিৰ্দিষ্ট ঠাইত থয়। সাধুৰ আজ্ঞাত গুৱা-পাণ কাটে। বিচাৰ নকৰাকৈ এই পাণ-তামোল ভকতসকলে গ্ৰহণ নকৰে। গুৱা কটা নাম এনেধৰণৰ —

মাগোহো ভকতি দান নিজ স্বামী

মাগোহো ভকতি দান।

কোন আহি ভৈলে  সেৱাৰ গুৱা-পাণ

ইয়াৰ বুজা প্ৰমাণ।।

এই পৰ্বৰ সামৰণি পৰাৰ পাছতেই সাধুৰ আগত কৰণি প্ৰতিষ্ঠা কৰা হয়। কৰণিক সচং বুলিও কোৱা হয়। ই হ'ল শ্ৰদ্ধা আৰু ভক্তিৰ প্ৰতীক। কৰণি প্ৰতিষ্ঠা কৰাৰ সময়তো নাম গোৱা হয়।

ইয়াৰ পিছতেই ৰান্ধিবৰ বাবে হাঁহ, কুকুৰা আদি বধ কৰা হয়। নামৰ সুৰে সুৰে পক্ষী বধ কৰে।


সকামৰ সকলো সামগ্ৰী ভকতৰ সমুখত থৈ সেৱকীয়ে সকামৰ উদ্দেশ্য ব্যক্ত কৰি ভকতৰ  আগত  সেৱা কৰে। সাধুৱে আশীৰ্বাদ আৰু ভকতসকলে হৰিধ্বনি দিয়ে। তাৰ পাছতেই ৰান্ধনীয়ে সামগ্ৰী সমূহ ৰান্ধিবৰ বাবে যথাস্থানলৈ লৈ যায়। এই সময়খিনিত সদাচাৰ আৰু ভকতে যুগুতি বা ধৰ্মৰ নাম গায়। ইয়াৰ পিছত সাধু আৰু ভকত-ভকতনীলৈ সাজ আগবঢ়ায়।

বিহাৰ বিলাকৰ ভিতৰত নগা বিহাৰ বা ৰজা বিহাৰেই হ'ল মুখ্য। তলীয়া বিহাৰৰ সামৰণিৰ লগে লগেই সকামৰো পৰিসমাপ্তি ঘটে। ইয়াৰ পিছতেই সাধু-সদাচাৰ ভকতসকলে অন্ন গ্ৰহণ কৰে। ভোজনৰ অন্তত মুখ শুদ্ধি কৰে। বিহাৰীয়ে সাধু আৰু ভকতসকলক বিদায় দিয়ে।





পিতাক, জোঁৱাই আৰু কন্যা



উমফা ফুজাত ফানুৰ্ঙলেংডনৰ পূজাৰ বেদী



ছিন্দুশালৰ দেউবীয়ে দেও উঠাব দৃশ্যত



মাদুলি



উমফা পূজাৰ হিন্দুশালৰ মঠঘৰ



উমফা পূজাৰ গোপিনী সকাহ



দেওউঠা দেউবীক
শান্ত কৰাৰ দৃশ্য



উমফা পূজাত পৰ্কীছু
দেৱতাৰ পাং



উমফা পূজাত উৎসৰ্গা কৰা দৃশ্য



উমফা পূজাত দেওধাই (হিন্দুশাল)



উমফা পূজাত দেওধাইৰ নৃত্য



ফুৰালুং পূজাত এাপুলক (অমৃত) প্ৰস্তুতি



ফুৰালুং পূজাত লাক (বন্তি)



শান্তি বিয়াত
এগ্ৰাপুলক প্ৰস্তুতি



ফানুৰু লেংডনৰ মুখ্য দেউৰীৰ বাইজৰ
উদ্দেশ্যে ভৱিষ্যত বাণী



শান্তি বিয়াত বানফি



চাইফা পূজাৰ মঠঘৰ




পৰ্কীছু পূজা



ককচা দেওধাই ফৈদে কৰা পৰ্কীচু পূজা




পৰ্কীচু পূজাৰ নৈবেদ্য পুৰোহিতে পূজাৰ বাবে অনাৰ দৃশ্য



চৰাইদেউ দেওশালৰ অংশ




চৰাইদেউ দেওশালৰ খুটা



বাওলিয়ে মৃতক সেৱা কৰা দৃশ্য




লাংকুৰি শাল চৰাইদেউ



ঘৰুৱা ডাম-ফী



খাওখামৰ শাল চৰাইদেউ (দুৰুৱা গাঁও)



হাবিদেও পূজাত লাংকুৰি দেৱতাৰ বেদী



পফীছু পূজাত ভক্তৰ একাংশ

নৱম অধ্যায়

# ন খোৱা পৰ্ব

তাই-আহোম পণ্ডিত শ্ৰেণীৰ লোকসকলে বৰ্তমান বিশেষকৈ ব'হাগ বিহু আৰু মাঘ বিহু উপলক্ষে উপৰি পুলিন পুথাওসকলক ডাম-হিচাপে অৰ্চনা বন্দনা কৰে। মাঘ মাহত ধান-চাউল উভৈনদী হয়। সেয়ে মাঘ বিহু উপলক্ষে ডাম ফীসকলকো পিঠা-পনা উচৰ্গা কৰা হয়।

আমি পূৰ্বে উল্লেখ কৰিছো যে আঘোণৰ নখোৱা উপলক্ষে ইষ্ট দেৱতাক অতি নিষ্ঠাৰে স্মৰণ কৰা হয়। উপৰি দেৱতাসকলক স্মৰণ কৰাৰ ঠিক পিছতে মূলঘৰৰ একে স্থানতে উপৰি-পুৰুষ ডামসকলকো মান্যানুসাৰে ফুন-মাইহাং দি স্মৰণ কৰা হয়। এই ক্ষেত্ৰত সকলোৰে ঘৰত একে সূত্ৰ ধৰিয়ে (১) ন-ডাম (২) ঘাই-ডাম, (৩) চিৰেণ ডামক স্মৰণ কৰা হয়। সদ্যমৃতক পিতৃ-মাতৃয়ে ন-ডামৰ স্থান পায়। জীৱিতসকলৰ পুথাও-এঠাও অৰ্থাৎ বুঢ়াদেউতা-বুঢ়ীআইতাকে (ক'কা-আইতা) ঘাই-ডামৰ সন্মান পায়। তাতোতকৈ ওপৰৰ সকলক 'চিৰেণ ডাম' বুলি প্ৰতীকিৰূপত ইতিমধ্যে ফী হোৱা তিনিপুৰুষলৈকে সকলোকে স্মৰণ কৰা হয়। এনেদৰে মৃতকসকলৰ সংখ্যা আৰু শাৰী দীঘলীয়া হ'বলৈ নিদি ইয়াক ঘূৰ্ণীয়মান (Rotation) আদৰ্শৰ ভিত্তিত ডাম-ফীসকলৰ পূজা-সেৱাৰ শৃংখলা উচিত সময়তে ৰক্ষা কৰিবলৈ ব্যৱস্থা লোৱা হয়। এই চলমান পদ্ধতিত আৱশ্যক অনুসাৰে ন-ডামে ঘাই-ডামৰ স্থান পাব আৰু এনেদৰে ঘাই-ডামে স্থান লাভ কৰিব। পূৰ্বে চিৰেণৰ স্থানত থকাসকলক পূজিবলৈ এৰি দি মেলানি বিচৰা হ'ব অৰ্থাৎ চিৰেণ স্থানত থকাসকলক অনন্ত ফুৰাৰ ওচৰত সংগ লবলৈ এৰি দিয়া হয়। সেয়ে কোনো লোকৰ মৃত্যু হ'লে "জীয়ালৈ আশা-ভৰষা এৰি মৰাই মৰাৰ সংগ ল'ব লাগে" বুলি ম'লুঙসকলে

আশীৰ্বাদ পূৰ্বাপৰ নিয়মেৰে দিয়ে। এই ক্ষেত্ৰত পোনছাতেই স্বৰ্গত বসবাস কৰা বা আত্মাই মুক্তিলাভ কৰাৰ কথা নোদোহাৰে। অৰ্থাৎ মৰাৰ লগে লগেই পোনে পোনে মৃতকৰ বিদেহী সত্বাৰ সৈতে জীৱিতসকলৰ ছেদ কৰাৰ কোনো নিয়ম নাই। সেয়ে তাই-আহোম পৰম্পৰাত পিণ্ডদানৰ যোগেদি হিন্দু ধৰ্মীসকলৰ দৰে সম্পৰ্ক ছেদৰ নিয়ম নাই। বৰঞ্চ বিশদিন মানৰ ভিতৰতে পতা শ্ৰাদ্ধ অনুষ্ঠানতে আনুষ্ঠানিকভাৱে পণ্ডিতসকলে মৃতকৰ বিদেহী সত্বাক ভিতৰৰ বাকী ডাম-ফীসকলৰ একে শাৰীতে স্থান দি ঘৰ জেউতি হিচাপে ভৱিষ্যতৰ পূজাসেৱাৰ বাবে স্থাপন কৰে। ইয়াৰ বাবে ডাম-ফীৰ স্পষ্ট মন্ত্ৰ আছে। জীৱিতকালত বৰ্তি থকা সম্বন্ধ সেয়ে মৃত্যুৰ পিছতো বৰ্তি থাকে বুলি বিশ্বাস কৰা হয়।

জীৱিত প্ৰজন্মৰ পৰা সেয়ে সময়মতে মৃতকৰ বিদেহী সত্বা সমূহে পূজা-সেৱা বিচাৰে বুলি বিশ্বাস কৰা হয়। সময়মতে আৰু সঠিকভাৱে পূজা-সেৱা আৰু সন্মান পালে ঘৰ-জেউতি মৃতক সকলৰ বিদেহী সত্বাসমূহে জীৱিত পো-নাতিসকলৰ বাবে আশীষ বৰষি থাকে আৰু সেই আশীষৰ যোগেদি সু-ফল, সু-গুটি ধৰি বংশত বংশাৱলী পাতিব পৰা হয় বুলি বিশ্বাস কৰা হয়। অন্যহাতে উপৰি পুৰুষসকলৰ বিদেহী সত্বাই এনেদৰে উপযুক্ত সন্মান তথা অৰ্চনা-বন্দনা নাপালে বিৰুষ্ট হৈ আশীষ বৰষিবলৈ এৰে বুলি ভৰা হয় আৰু এনে পৰিস্থিতিতেই বংশত অনেক অপায়-অমংগল, কু-কৃতি-অপযশে বেৰি ধৰি বিভ্ৰান্ত কৰে তথা ধ্বংসৰ মুখলৈ ঠেলি দিয়ে।

সেয়ে তাই-ভাষাৰ কোৱা কথাৰ ভাবাৰ্থ এনে ধৰণৰ -

"চালে নাৰাখে বেৰে নাৰাখে
নাৰাখে ত্ৰিদশৰ দেও
ঘৰৰ মৰা মৃত্যুকে নাৰাখিলে
ৰাখোতা নাই কেও "ইত্যাদি ।

**ন খোৱা উপলক্ষে পতা ডাম ফী :** প্ৰতিঘৰ লোকৰ চাৰিখনৰ পৰা ছয়খনৰ ভিতৰত সাধাৰণতে মাইহাং দি উপৰি সকলক পূজিব লগা হয়। আঘোণমাহত

আলু-কচু আদিও বতৰৰ উপভোগ্য বস্তু হিচাপে পৰিগণিত হয়। মাইহাঙত পুৰ্বতে মাগুৰ-কাৱৈ আদি খৰিকা দিয়া মাছ দিয়া হৈছিল। অভাৱত পৰি বৰ্তমান অন্য মাছও দিয়া হয়। অন্যহাতেদি কচু-টেপুত সাধাৰণতে খৰিচা দি মাগুৰ মাছ আদিৰ জোল বনোৱা হয়। এনেদৰে বনোৱা জোল শাক আৰু ন-চাউলৰ ভাতেৰে সৈতে মাইহাঙত উচৰ্গা কৰা হয়। বৰা ধানৰ যেইকোনো দ্ৰব্যক পাৰম্পৰিকভাৱে গুৰুত্বপূৰ্ণ স্থান বা মান্যতা দিয়া হয়। সেয়ে ডাম দেওক মানুহে খোৱাৰ পূৰ্বে উচৰ্গা কৰে। ন-খোৱা উপলক্ষে বহু মহন-দেওধাই বাইলুং লোকে বৰা চাউল চেৰা দিয়া ভাত সিজাই ডাম দেওলৈ উচৰ্গা কৰা ৰহি-লাউত সামান্য পানী মিহলাই প্ৰত্যেকভাগতে ভাগে ভাগে ঠোলা দি উচৰ্গা কৰাৰ নিয়ম। লেংডন আদি যিসকল ওপৰৰ দেৱতা অৰ্থাৎ স্বৰ্গৰাজ্যত বসবাস কৰে বুলি ভবা হয় সেয়ে তেনে ডাঙৰ দেৱতালৈ উচৰ্গা কৰা ৰহি-লাউত পানী মিহলোৱা নহয় যাৰবাবে তাক "লুক-লাউ" আৰু বাকী লাউক "নাম লাউ" বা একমাত্ৰ লাউ বুলি কোৱা হয়। বাকী তামোলৰ সৈতে ব্লক ছেংফা দি উচৰ্গা কৰা নিয়ম একেই। এটা ঘটি বা উপযুক্ত পাত্ৰত পানী লৈ ব্লক ছেংফাৰে দ্ৰব্যসমূহ শুদ্ধি কৰা নিয়ম একেই। প্ৰতিবাৰ মন্ত্ৰ গোৱাৰ অন্তত পুনৰ লাউ উচৰ্গা কৰা নিয়ম বানফীৰ দৰেই। একেদৰে তিনিটা পৰ্যায়ত মন্ত্ৰ উচ্চাৰণ কৰাৰ নিয়ম। (১) আওতাং (২) ক্লিন্ তাং বা ক্লিনতাং (৩) জন-তাং বা বয়তাং।

ইয়াতো সুৰ লগাই ডাম ফীৰ মন্ত্ৰ মতা নিয়ম —

চাং নাই চাও নুক চাও কাও ঐ

চাংনাই চাওনুক চাও কাও ঐ ইত্যাদি ।

গৃহস্থৰ সকলো সদস্যই পৰাপক্ষত এই অনুষ্ঠানত সেৱা লোৱাতো আৱশ্যক। বৰ্তমান সকলো সদস্য উপস্থিত থকাতো সম্ভৱ নহ'লেও ঘৰৰ মূল মুৰব্বীসকল উপস্থিত থাকি জনমিং ল'ব লাগে আৰু ঘৰৰ বাহিৰত থকা সকলৰ হৈ পিতৃ-মাতৃয়েই এই জনমিঙৰ খনীয়া তামোল ল'ব পাৰে। নতুন প্ৰজন্মৰ লোকসকলৰ বাবে শিক্ষা-দীক্ষা, চাকৰি-বাকৰি তথা সুস্বাস্থ্যৰ বাবে উপৰি পুৰুষসকলৰ ওচৰত গোহাৰি জনাই সেইমতে আশীৰ্বাদ বিচাৰিব পাৰি।

বৰ্তমান অৱস্থাত ন-খোৱা উপলক্ষে পতা ডাম-ফী পূজাত ওপৰত উল্লেখ কৰা সকলো দ্ৰব্যাদি দিব নোৱাৰিবও পাৰে বা ইয়াৰ সামান্য তাৰতম্য ঘটিব পাৰে। কিন্তু সাধাৰণতে খৰিকাদিয়া মাছ দিয়াতো একান্তই আৱশ্যকীয়—

"সেয়ে কোৱা হয় তোমালোকলৈ খৰিকাদিয়া মাছ
দিছো, গোন্ধে মলমলাই আছে,
তোমালোকে য'তে আছা তাৰ পৰাই ইয়াক
গ্ৰহণ কৰাহি।"

(তাই ভাষাত - হাম ৰূ ৰু হম চা চা .................)

এনেকৈয়ে সকলো দ্ৰব্যৰ নাম তাই-ভাষাত মন্ত্ৰৰ যোগেদি উচ্চাৰণ কৰি তাক গ্ৰহণ কৰিবলৈ কাতৰ সুৰে আহ্বান জনোৱা হয়। কিছু লোকে আঘোণৰ ন-খোৱা উপলক্ষে ডাম-দেওক বৰা লাউ, বৰাভাত, কিবা কাৰণত উচৰ্গা কৰিব নোৱাৰিলে পৰৱৰ্তী মাঘ বিহু পৰ্যন্ত অপেক্ষা কৰিব লগা হয়। অৰ্থাৎ মাঘৰ বিহু উপলক্ষে ডাম-ফীক উচৰ্গা কৰিহে নিজে খাব পাৰে।

সাধাৰণতে ভাত ৰন্ধা আখল আৰু ডাম-পতা স্থান একেটা কোঠাৰ মজিয়াতে ঠিক কৰি লোৱাৰ নিয়ম। সেয়ে ডাম-ফীসকলক মাইহাং দি স্মৰণ কৰাৰ লগতে আই লখিমীলৈ বুলিও ভাতৰন্ধা জুইশালৰ ওচৰতে একেদৰেই মাইহাং নাইবা মাটিতে পাতত ডাম-ফীসকলক উচৰ্গা কৰা হয়। তাৰবাবে বেলেগে মন্ত্ৰও উচ্চাৰণ কৰা হয়। একমাত্ৰ ন-খোৱা উপলক্ষেহে এই অনুষ্ঠান পতা হয়, বাকী বিহুত ইয়াক পতা নহয়। এনেদৰেই তাই-আহোম পুৰোহিতসকলে পূৰ্বাপৰ নিয়ম মানি আহিছে।

**বিহু উপলক্ষে পতা ডাম ফী অনুষ্ঠান ঃ** মাঘ বিহু আৰু ব'হাগ বিহু উপলক্ষে পতা ডাম-ফী অনুষ্ঠান প্ৰায় একে। পিঠা-পনা দ্ৰব্যাদিৰ গৃহস্থভেদে কিছু তাৰতম্য ঘটে। তথাপিতো মাঘ বিহুত সিজোৱা কাঠআলু, গুৰ, তেলদিয়া পিঠা, তিলদিয়া পিঠা দিয়া হয়।

ব'হাগ বিহুত কাঠ আলু উচৰ্গা কৰা নহয়। এই দুয়োটা বিহু উপলক্ষে গাহৰি মাংস খোৱাটো এটা পৰম্পৰাৰ দৰেই বৰ্তি আহিছে। সেয়ে কিছু লোকে খৰিকা দিয়া গাহৰি মাংস, ভাজি বনোৱা গাহৰি মাংসকো মাইহাঙত উচৰ্গা

কৰে। ব্ৰকছেংফা একেদৰেই ব্যৱহাৰ কৰে। ঘৰৰ গৃহস্থকো কুশলে-মংগলে থাকিবৰ বাবে একেদৰেই আশীৰ্বাদ দিয়ে। শেষত গৃহস্থ আৰু ম'লুঙ সকলে মিলি বিহুৰ লাউ-জলপান খাই সন্তোষিত হয়গৈ।

ইয়াৰ উপৰিও কিবা কাৰণত ডাম-ফী সকল বিটুষ্ট হ'লে নাইবা পূৰ্বাপৰ নিয়ম মানি প্ৰায় সকলো পণ্ডিতৰ ঘৰৰ লোকেই বছৰৰ শুভ-মুহূৰ্ত্তত অথবা পূৰ্বে নিৰ্দ্ধাৰণ কৰি ৰখা দিনমতে অলপ ডাঙৰকৈ কুকুৰা দি ডাম ফী সন্তুষ্টিৰ অৰ্থে অনুষ্ঠান পতাৰো নিয়ম আছে। ইয়াক "খেন-খাউ" বুলি কোৱা হয়। (খেন মানে সময়, খাউ মানে - ভাত) । ইয়াৰো বিশেষ মন্ত্ৰ আছে আৰু এই অনুষ্ঠানত তিনিগৰাকী ম'লুঙ উপস্থিত থকাতো একান্ত আৱশ্যক।

তদুপৰি ঘৰৰ গৰুটো, ম'হটো হেৰালে ডাম-দেওলৈ লাউ-উচৰ্গা কৰা নিয়ম। এনে কৰিলে হেৰোৱা গৰু-ম'হ পুনৰ ঘৰতে ওলাইহি। গৰু-ম'হ হেৰোৱা উপলক্ষে অৱশ্যে ডাম-ফী সকলক গোহাৰি জনাব লাগিব। তেনেদৰে জেঠত ন-কঠীয়া পাৰোতে, আষাৰ নাইবা শাওনত ন-ভূই গোছ লওঁতে বিশেষভাৱে ডাম-চুকত মচি-কাচি ডাম-ফীৰ অৰ্থে লাউ যাচিব লাগিব। এয়া পূৰ্বাপৰ নিয়ম। অন্যথাই ডাম-দেওক অমান্য কৰা বুজায়। তেনেদৰে কোনোবা দূৰণিবটীয়া যাত্ৰালৈ ওলালে চুকত লাউ-উচৰ্গা কৰা নিয়ম। কোনোবা পৰীক্ষা, ইন্টাৰভিউলৈ ওলালে, দৰা হৈ কইনাঘৰলৈ ওলালে ডাম-চুকত লাউ-উচৰ্গা কৰি সেৱা লোৱাৰ নিয়ম। গৰ্ভৱতী অৱস্থাত থকা বোৱাৰীয়ে কেচুৱা জন্ম হোৱাৰ পূৰ্বে তেনেদৰে সেৱা ল'ব পাৰিলে বাধা-বিঘিনি দূৰ হয় বুলি বিশ্বাস কৰা হয়।

এনেদৰে দেখা যায় যে, ডাম-ফীৰ বিশ্বাস আৰু পৰম্পৰাই পুৰোহিত শ্ৰেণীৰ জীৱনৰ গভীৰতালৈ শিপাই আছে। তদুপৰি এইলোকসকলৰ জীৱনক এই বিশ্বাসে বহু পৰিমাণে শৃংখলাবদ্ধ কৰি ৰাখিছে বুলি ক'ব পাৰি। অন্যান্য অনুষ্ঠান যেনে - বাৰ্ষিক মাংগলিক ফুৰালুং পাতিলেও ডাম চুকত 'ডামক-জোল' দিবই লাগিব। তেহে তেনে অনুষ্ঠানৰ গতি লাগিব। অন্যথাই তেনে অনুষ্ঠানে পূৰ্ণ সাৰ্থকতা নাপাবও পাৰে বুলি বিশ্বাস কৰা হয়।

তদুপৰি ছোৱালী বিয়াত কইনা হিচাপে উলিয়াই দিয়াৰ পূৰ্বেই খেন-

খাও হিচাপে সঁচৰ বুঢ়ী কুকুৰা দি ডাম-পতা নিয়ম। অসুবিধাত পৰিলে কইনা উলিয়াই দিয়াৰ পাছতো অতি নিৰলে এই 'খেন-খাও'ৰ অনুষ্ঠান পতা হয়। তাৰবাবে কেতিয়াবা শেষ নিশালৈকো পুৰোহিতে অপেক্ষা কৰিব লগাত পৰে। 'চক্‌লং' হিচাপে বিয়া পাতিলেও ঘৰুৱা ডাম-ফীৰ বাবে পতা 'খেন-খাওৰ' গুৰুত্ব অক্ষুণ্ণ হৈয়ে ৰয়। এনে অনুষ্ঠান পাতিলে দৰা-কইনাই বাটত নিৰ্বিঘ্নে যোৱাত কোনো অসুবিধা নাপায় বুলি বিশ্বাস কৰা হয়। তদুপৰি ডাম-দেওক সঠিকমতে স্মৰণ কৰিলে দৰা-কইনাৰ ভৱিষ্যতলৈকে মিলা-প্ৰীতি, খাৱন-জীৱন অক্ষুণ্ণ থাকে বুলি ভবা হয়। ইয়াৰ মাধ্যমেৰে দুয়োখন ঘৰৰ (দৰা-কইনাৰ ঘৰ) মিলা-প্ৰীতিৰ উপৰিও দুখন সমাজৰ সম্প্ৰীতিৰ এনাজৰী কটকটীয়া হৈ পৰে বুলি বিশ্বাস কৰে। উপৰি-পুলিন পুথাওসকলৰ আশীৰ্বাদৰ ফলতে সময়ত পুত্ৰ কন্যাৰে সতি-সন্ততি হৈ সমাজখন ফুলে-ফলে জাতিষ্কাৰ হৈ পৰে বুলি বিশ্বাস ৰখা হয়। এনেদৰেই বংশত বংশাৱলী পাতিব পৰাকৈ উত্তৰ-পুৰুষৰ শ্ৰীবৃদ্ধি হয় বুলি একে আদৰ্শৰ গইনা লৈয়ে এই আদৰ্শৰ প্ৰতি গভীৰ বিশ্বাসৰ বান্ধোন অটুট ৰখা হয়।

তাই আহোম পৰম্পৰাগত মৃতকসকলৰ বিদেহী সত্বাক যিহেতু গৃহ-ৰক্ষক, মংগলময় সত্বা হিচাপে জ্ঞান কৰা হয় সেয়ে মৃত্যুৰ পিছতো তেওঁলোকৰ বিদেহী সত্বা এক জাগ্ৰত ৰূপত অদৃশ্যমান হৈ আশীষ বৰষি থাকে বুলি বিশ্বাস কৰা হয়। এই অৰ্থতেই যিহেতু তেওঁলোকৰ সৈতে সম্বন্ধ ছেদ কৰা নহয়, সেয়ে হিন্দুসকলৰ দৰে তাই-আহোম পৰম্পৰাত বিশ্বাসীসকলে পিতৃ-মাতৃ বা অন্যান্য নিকট আত্মীয়ৰ মৃত্যুত মুণ্ডন অথবা চুলি খুৰোৱাৰ কোনো আৱশ্যক নাই। অথচ অন্ধ অনুকৰণ নতুবা ইতিমধ্যে হিন্দু পৰম্পৰাত অভ্যস্ত হৈ পৰাৰ বাবে জ্ঞাত ভাৱেও সৰহভাগ লোকে মুণ্ডন কৰে।

অন্যহাতেদি এনেবোৰ কাৰণতেই মৃত্যুৰ পিছত মৃতকৰ 'পুহকৰ' লাগে বুলি তাই-আহোম পৰম্পৰাত বিশ্বাস কৰা নহয়। 'পুহকৰ' মানেই উপৰিসকলৰ এক কোপদৃষ্টি পৰা, যাৰ দ্বাৰা অপায়-অমংগল হ'ব পাৰে। ইয়াৰ সৈতে মৃতাত্মাৰ অতৃপ্তি বা অসন্তুষ্টি জড়িত হৈ থাকে বুলি ক'ব পাৰি। তাই-আহোম পৰম্পৰাত মৃতকৰ বিদেহী সত্বাক আনুষ্ঠানিকভাৱে নিৰ্দিষ্ট নীতি-

নিয়মৰ মাজেদি যিহেতু পুনৰ এক হিতাকাংখী শক্তি হিচাপে মান্যতা দিয়া হয় আৰু বছৰৰ বিহুত পূজা সেৱা কৰি থকা হ'ব বুলি প্ৰতিজ্ঞাবদ্ধ হোৱা যায় সেয়ে এইসকলৰ বিদেহী সত্বাই এক অশুভ শক্তিলৈ, অপশক্তিলৈ ৰূপান্তৰিত হ'বলৈ একো সুৰুঙা নাথাকে বুলিয়ে বিশ্বাস কৰা হয়। এইদৰেই নিজৰ পৰম্পৰামতে যিসকলে চলি আহিছে সেইসকলৰ ক্ষেত্ৰত মৃতকৰ বিদেহী সত্বাই বিলুপ্ত হৈ অপায়-অমংগল সধাৰ উদাহৰণ নাই বুলিয়েই ক'ব পাৰি।

তথাপিতো তাই-পৰম্পৰাত 'অপূৰ্ণ মানৱ সত্বাৰ' সম্পৰ্কে দিয়া বিধি বিধান আছে। যিসকলে কিবা কাৰণত আত্মহত্যা কৰিলে বা যিসকলে বিয়া নোহোৱাকৈ আবিয়ৈ থাকিল সেইসকলকেই একপ্ৰকাৰ 'অপূৰ্ণ-সত্বা' বুলি বিবেচনা কৰা হয়। এনে সত্বাসমূহেই কেতিয়াবা অশুভ শক্তিলৈ ৰূপান্তৰিত হৈ কোনোবা লোকৰ পৰিয়ালত অপায় অমংগল ঘটাই বুলি ভবা হয়। এইসকলক 'জাকৰুৱা দাম' বুলি কোৱা হয় আৰু এনে সত্বাসমূহৰ সন্তুষ্টিৰ বাবেও পৰিয়ালত যেতিয়া 'মৰা-লগ-লগোৱা' বা ন-পুৰুষৰ সকাম পতা হয় তেতিয়া তেওঁলোকক আছুতীয়াকৈ এভাগ দি চিৰদিনৰ বাবে বিদায় দিয়া হয়। পূৰ্বতে প্ৰায় সকলো মানুহৰ ঘৰতে চাংঘৰলৈ উঠি যাবৰ বাবে জখলা ৰাখিছিল। এনে 'জাকৰুৱা দাম' এই 'জখলা মুখত' দিয়া বুলি কোৱা হৈছিল। বৰ্তমান চাংঘৰ নাই বাবে আওহতীয়া ঠাইত এওলোকক উচৰ্গা কৰা নিয়ম। ইয়াৰ বাবেও তাই-ভাষাত বিশেষ মন্ত্ৰ আছে। পণ্ডিতসকলৰ কোনোবাজনক মংগলৰ বাবে 'ষীণ' অৰ্থাৎ অপ-শক্তিৰ প্ৰতীকক উচৰ্গা কৰা দ্ৰব্যাদিৰ একাংশ আছুতীয়াকৈ নি দূৰণিত পেলাই দিয়েগৈ। ইয়াকে 'ক্ষীণ-পেলোৱা' বুলি কোৱা হয়। এইখিনি কাম কৰিবৰ বাবে তেওঁক উপযুক্ত মাননিও দিয়া হয়। এই কাম কৰাৰ পিছত তেওঁ বাকী ম'লুঙসকলৰ সৈতে নবহি দূৰে দূৰেই ঘৰলৈ যায়গৈ।

## মৃতকৰ সৎকাৰ আৰু পৰম্পৰা

ডাম-ফী বিশ্বাসৰ সৈতে তাই-আহোমৰ মৃতকৰ সৎকাৰ প্ৰথাও ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। তাই-আহোম পৰম্পৰাত কোনো মানুহৰ মৃত্যু হ'লে তেওঁৰ মৃতদেহ পোতা হয় অৰ্থাৎ মৈদাম দিয়া হয়। তদুপৰি তাই-আহোম বিশ্বাসমতে ঘৰৰ মানুহ ঘৰৰ ভিতৰতে যি বিচনা বা যি স্থানত আছে

তাতেই শান্তিৰে শেষ নিশ্বাস এৰিবলৈ দিব লাগে। হিন্দু বিচাৰৰ দৰে মৰিবৰ সময়ত টনা আজোৰা কৰি খৰ-ধৰকৈ বাহিৰলৈ অনা বা অসন্মানজনক বিচনা দিয়াৰ কোনো আৱশ্যক নাই। সেইবাবে কোনো মানুহৰ মৃত্যু হ'লে মৰি ভূত হ'ব বুলি অযথা ভয়-ভীতি কৰাৰ কোনো আৱশ্যক নাই।

সেয়ে মৃত্যু হ'লে যি স্থানতে আছে সেই স্থানতে ৰাখি পৰিয়াল-পৰিজন, ইষ্ট-মিত্ৰলৈ আৰু গাঁৱৰ জ্ঞাতিলৈ খবৰ দিয়াহে নিয়ম। গএগ-জ্ঞাতি অহাৰ পাছত বিচনাৰ পৰা মৃতদেহ নমাই অনা হয় আৰু ঘৰৰ মূল দুৱাৰমুখত নতুবা অন্য উপযুক্ত স্থানত গা-ধোওৱা হয়। এনেদৰে গা-ধোৱাওতে কপালত কুকুৰা কণী ভাঙি গা-ধোওৱা হয় আৰু পুৰণি সাজ-সলাই নতুন সাজ পিন্ধাই দিয়া হয়। ইয়াৰ পাছতে চোতালৰ উপযুক্ত স্থানত নতুন পাটী পাৰি বগা কাপোৰেৰে শ-ঢাকি দিয়া হয় আৰু কাষত ধূপ-ধূনা জ্বলাই দিয়া হয়। দুৱাৰমুখত মৃতকৰ গা-ধোওৱা ঠাইডোখৰ ভালকৈ ধুই চাফা কৰি পেলোৱা হয় আৰু আৱশ্যকমতে ঔষধি দৰৱ জাতীয় উপাদান দিও স্বাস্থ্যসন্মতভাৱে চাফ-চিকুণ কৰা হয়। চোতালত যি স্থানত মৃতদেহ ৰখা হয় তাৰ ওপৰত চাৰিটা খুটি পুতি কলগছৰ পাত সামান্যভাৱে দিয়া হয়।

ইতিমধ্যে গাঁৱৰ ৰাইজে বাঁহৰ ৰুংদাম প্ৰস্তুত কৰিবলৈ আৰম্ভ কৰে। এই ক্ষেত্ৰত কোনোবাই ইচ্ছা কৰিলে উৰিয়াম কাঠৰ ৰুংদাম (শ পেৰা) ব্যৱহাৰ কৰিব পাৰে। উৰিয়াম কাঠৰ অভাৱত চাম নাইবা আম কাঠৰো ৰুংদাম তৈয়াৰ কৰি ল'ব পাৰে। ই সাইলাখ কফিনৰ দৰে হ'লেও ইয়াৰ বৈশিষ্ট্য কফিনৰ সৈতে অমিল। অন্যহাতেদি মৃতকৰ ভৰিৰ ফালে কোনো এডোখৰ ঠাইত মাটিত চৰুত ভাত পতা হয়। ইয়াত হাতৰ মুঠিত যিমান চাউল এবাৰত আহে তাকে লৈ ভাত বনাব লাগে। (আগতে মৃতকৰ কোনো নিকট আত্মীয়ই বাওঁহাতৰ ভৰিৰে চেপি ধৰি এটা সৰু কুকুৰা মাৰি উচৰ্গা কৰা নিয়ম আছিল যদিও এতিয়া তাক সংস্কাৰ কৰা হৈছে।) ভাতৰ লগতে সিজোৱা কণীও উচৰ্গা কৰা হয়। মৃতকৰ শ-ঢকা কাপোৰৰ ওপৰতে দুই-বাহু, নাড়ী আৰু মূৰত একোখনকৈ তামোল বান্ধি দিয়ে। অসমীয়াত তাই-ভাষাত ভাবাৰ্থ এনেদৰে গায় —

"জীলে এবাৰ ভাত, মৰিলে এবাৰ ভাত

আহিব এবাৰ যাব এবাৰ
কোনো বলৱন্তই যদি বল কৰিছে
নাকে কাণে বগাব লাগে
নিজ খুচিৰে যদি সময়ত বিদায় লৈছে
উপৰি সকলৰ সংগ লৈ
জীয়া সকলৰ বাবে আশা ভৰসা এৰিব লাগে।"

**পুনঃশ্চ'**

আছিল পামঘৰে, গৈছে নিজঘৰে ভাত কাপোৰ নাই বুলি
হেঁচুকি মৰা নাই, আপুনি পকি সৰিছে .....
আপোনাৰ কি নাই?
পুত্ৰ আছে, পৰিবাৰ আছে
নাতি আছে, নাতিয়াল আছে,
ম'হ আছে গৰু আছে,
ধান আছে ধন আছে
নাম আছে যশ আছে,
ঐশ্বৰ্য-বিভূতি আছে
এই সকলোৰে প্ৰতি আশা-ভৰসা এৰিব লাগে
আৰু উপৰি পুৰুষৰ সংগলৈ গতি কৰিব লাগে।"

দূৰ দূৰণিত থকা কোনো পুত্ৰ-পুত্ৰীয়ে যদি শেষমুহূৰ্ত্তত চিৰ বিদায়ৰ পৰত মুখত পানী দিবহি নোৱাৰিলে তেন্তে তাৰবাবে দায় দোষ মৰিষণ কৰিবৰ বাবে মৃতকৰ পূৰ্বদিশত বহি থকা ম'লুঙ ভকতসকলৰ আগত গুৱাপাণ দিব আৰু ম'লুঙ সকলেও ইয়াৰ বাবে দায় দোষ মৰিষণ কৰিবৰ বাবে গোহাৰি কৰি আশীৰ্বাদ দিব। চোতালত মৃতদেহ ৰখা সময়তে বংশ পৰিয়াল, শুভাকাংক্ষীসকলে ধূপ-ফুল উচৰ্গা কৰিব। শেষত ঘৰৰ পুত্ৰ পৰিবাৰ সমন্বিতে সকলোৰে সেৱা আগবঢ়াব আৰু জীৱিতকালত জ্ঞাত বা অজ্ঞাতভাৱে নিকট সম্বন্ধীয় লোকসকলে যদি কেতিয়াবা মৃতকৰ ওচৰত কিবা দায়-দোষ

লগাইছিল তাক ক্ষেমিবলৈ ম'লুঙসকলে আশীৰ্বাদ দিব। তদুপৰি নেদেখা স্থানৰ পৰা যাতে সকলো সময়তে আশীষ বৰষি থাকে তাৰবাবে ম'লুঙ সকলে বিদেহী সত্বাৰ প্ৰতি আহ্বান জনাব। ইয়াৰ পাছত ৰুংদাম চাৰিজনে কান্ধত লয় আৰু উপস্থিত সকলোৱে মৈদাম দিয়া স্থানলৈ গতি কৰে।

ইতিমধ্যে আগতীয়াকৈ গৈ গৃহস্থই দেখুৱাই দিয়া স্থানত সম্ভৱস্থলত গাঁৱৰ জ্ঞাতিসকলে মৈদাম প্ৰস্তুত কৰাৰ আগতীয়া ব্যৱস্থা কৰে। ৰুংদাম ভাৰ সাধাৰণতে আগফালে নিজৰ পুতেক থাকিলে ডাঙৰ পুতেকে ধৰাৰ নিয়ম। একাধিক পুত্ৰ থাকিলে দুজন পুত্ৰই আগফালে বাকী পিছফালে অন্যান্য ভাই-ভতিজা-জোঁৱাই আদিয়ে ধৰাৰ নিয়ম। অভাৱত অন্যান্য গঞা-জ্ঞাতিৰ লোকেও ভাগ লয়। কিছুলোকে জীৱিত কালত ব্যৱহাৰ কৰা বয়-বস্তুসমূহ মৈদামতে লগত দিয়ে, কিছুমান অন্যলোকক দান দিয়ে আৰু কিছুলোকে নিজৰ ঘৰতে ৰাখে। শেষ সময়ছোৱাত বেমাৰ-আজাৰ নতুবা বৃদ্ধজনিত কাৰণত নিজে ব্যৱহাৰ কৰা বিচনা পত্ৰ আদি অতিশয় লেতেৰা হ'লে তাক পুৰি পেলোৱা হয়।

মৃতকৰ ঘৰৰ পৰা শ-যাত্ৰা কৰোতে এটা উঘাৰ সূতা গৈ থকা ৰাস্তাত মৈদামৰ স্থলিলৈকে পেলাই থোৱা হয়। অৰ্থাৎ ঐহিক সম্বন্ধৰ বান্ধোন ছিঙি দিয়া হৈছে প্ৰতীকি ৰূপত।

তদুপৰি জ্বলি থকা জোৰ-বাতি মৃতকৰ যাত্ৰাৰ আগে আগে লৈ যোৱাৰ নিয়ম। লগতে এটা টোমত তামোল-পাণ আদিও লৈ যোৱা হয়। মৈদামৰ গাঁত খান্দি সম্পূৰ্ণ হ'লে চাৰিওজনে তিনি পাক ঘূৰাই ৰুংদামেৰে সৈতে মৈদামৰ তলৰ মাটিত পশ্চিম ফালে মূৰ দি মৃতকৰ শ-দেহ ৰখা হয়। উপস্থিত ম'লুঙ তথা অন্যান্যসকলে জনমিং দিয়াৰ পিছত গৃহস্থই সেৱালৈ প্ৰথমে বৰপুত্ৰ যদি উপস্থিত থাকে তেন্তে বৰপুত্ৰই প্ৰথম মাটি চপৰা দিয়াৰ নিয়ম। ইয়াৰ পাছত উপস্থিত সকলোৱে লগত ইষ্ট-কুটুম্ব সকলোৱে মৈদামত মাটি দিয়ে। মৈদাম সম্পূৰ্ণ হোৱাৰ পিছত জেওৰা দি তামোল পুলি আৰু কলপুলি ৰুই দিয়া হয়। তদুপৰি মৈদামৰ ওপৰত খেৰেৰে চালিঘৰ নিচিনাকৈ বগা কাপোৰ আঁৰি দিয়ে। প্ৰতীকি ৰূপত বাঁহৰ চৰাই আৰু কাঠৰ ঘোঁৰাও সাজি

ইটাগুৰীয়া ৰঙেৰে বোলাই এই ঘৰটিত ৰখা হয় যাতে বিদেহী সত্বাই ঘৰত ডাম-ফী হিচাপে স্থান পোৱালৈকে অস্থায়ীভাৱে জিৰণি ল'ব পাৰে।

ইয়াৰ পাছত মৈদামৰ পৰা ঘূৰি অহা বাইজৰ বাবে মন্ত্ৰপুত পানী ছটিয়াই দিয়া হয়। তেনেদৰে তিনিদিনৰ তিলনিত বংশৰ লোকসকলে তেল চোৱে তিনিগৰাকী নিজৰ বংশৰ বাহিৰৰ ম'লুঙ মাতি আনি তাই ভাষাৰ মন্ত্ৰ মাতি তেল জাৰিবলৈ দিয়া হয় আৰু ইয়াৰ পাছত তাক আঙুলিৰ মূৰত লগাবলৈ কোৱা হয়।

মহন দেওধাই-বাইলুঙসকলে দহদিনত দহা নাইবা তাৰ দুই-এদিন পিছতে সম্পূৰ্ণভাৱে শ্ৰাদ্ধ পাতি মুকলি হ'ব পাৰে। কোনোবাই ইচ্ছা কৰিলে অলপ বাহুল্যভাৱে পাতিবৰ বাবে দহা কৰাৰ পাছত মূল সকাম তিনিমাহ-ছমাহলৈকে স্থগিত কৰি ৰাখে। দহাৰ লগতে মূল কাজ ভাঙিবলৈ হ'লে এফালে ফুৰালুং পাতি ক্ৰিয়াপূলক খাবলৈ দিয়া হয় আৰু অন্যহাতেদি জাতি-ভোজনৰ বাবে সাধ্যানুসাৰে এটা বা দুটা গাহৰিৰে ভোজ ভাতৰ আয়োজন কৰে। কোনোবাই ইচ্ছা নকৰিলে বা সামৰ্থ নাথাকিলে ইয়াক অতি অনুষ্টুপীয়াকৈও পাতিব পাৰে। আগদিনা গধুলি গাঁৱৰ জাতিসকলক মাতি পিছদিনাৰ দায়িত্ব অৰ্পণ কৰা হয়। এই দায়িত্ব বাইজৰ মাজৰ পৰাই বিতৰণ কৰা হয়। গৃহস্থই মাথো তামোলৰ শৰাই দি বাইজক গোহাৰি কৰি সমূহীয়াকৈ দায়িত্ব অৰ্পণ কৰিব লাগে। ইয়াতে সমাজৰ আদৰ্শ নিহিত হৈ আছে নতুবা আদিম জনজাতি আদৰ্শৰ সম মনোভাবাপন্ন সমাজ জীৱনৰ বৈশিষ্ট্য বিৰাজমান হৈ আছে বুলি ক'ব পাৰি। আগদিনাই সমাজৰ আগতে বাইজৰ তৰফৰ পৰা ৰান্ধনি-বাঢ়নীকো দায়িত্ব অৰ্পণ কৰা হয় আৰু মূল ৰান্ধনিয়ে সেইদিনাই গুৱা-পাণদি ৰান্ধনিশালৰ মূল চৌকা খান্দি এক প্ৰকাৰ দায়িত্ব গ্ৰহণৰ চানেকি বাইজৰ আগত দাঙি ধৰে।

পিছদিনা আগবেলাতে আমন্ত্ৰিত ম'লুঙসকল আহি মূল ৰভা মণ্ডপৰ পূবফালে নাইবা গৃহস্থই দেখুৱাই দিয়া স্থানত লাক-প্ৰতিষ্ঠাৰ ব্যৱস্থা কৰিবলৈ লয়। গৃহস্থই ইচ্ছা নকৰিলে সামাজিক আৰু ফুৰালুং সংঘৰ নিৰ্দেশনা মতে এঘাৰখন চাকিকে লাকত জ্বলাই ফুৰালুং আৰম্ভ কৰা হয়। অন্যহাতেদি কোনো

অৱস্থাপন্ন গৃহস্থই পিতৃ নাইবা মাতৃৰ শ্ৰাদ্ধ উপলক্ষে যদি বাহুল্য আৰু জাকজমকীয়াকৈ পাতিবলৈ ইচ্ছা কৰে তেন্তে এশ এগছি চাকি জ্বলাইও ম'লুঙসকলৰ সৈতে আগতীয়া আলোচনা আৰু অনুমতি সাপেক্ষে এই ফুৰালুং পাতিব পাৰে। বতৰৰ সকলো ফলমূলৰ লগতে কল-কুঁহিয়াৰ, মগু আৰু কেঁচা মিঠৈ শৰাইত উচৰ্গা কৰিব পাৰে। এঘাৰখন চাকি জ্বলালে কলপটুৰাৰ এঘাৰ দোনত শৰাই হিচাপে মাহ-প্ৰসাদ, ৪টা তামোল আৰু মুদ্ৰাৰ মাননি দিব লাগে। ইয়াৰ উপৰিও গৃহস্থৰ মূল গুৱা-পাণ ডাঙৰ শৰাইত দিব লাগে। তদুপৰি মলুঙসকলে 'পেঁঞ্ঞকাকা' প্ৰতিষ্ঠা আৰু নাম ল'বৰ বাবে এখন শৰাই গুৱা-পাণ আৰু মাননিৰে সৈতে দিব লাগে। এই ক্ষেত্ৰত মাননিৰ কোনো বাধ্য বাধকতা নাই। গৃহস্থই ইচ্ছা কৰিলে মাননিৰ লগতে ম'লুঙসকলৰ বাবে সাজ-কাপোৰো উচৰ্গা কৰিব পাৰে। লাক-প্ৰতিষ্ঠাৰ পাছতে তাই-আহোমৰ মূল শাস্ত্ৰ হিচাপে হিচাপে গণ্য কৰা 'পেঁঞ্ঞ-কা-কা' লাকৰ পূব দিশে শৰাইৰ ওপৰত নতুন গামোচাৰে গুৱা-পাণ মাননি আৰু বন্তি প্ৰজ্বলন কৰি প্ৰতিষ্ঠা কৰা হয়।

'পেঁঞ্ঞ-কাকা' প্ৰতিষ্ঠাৰ সময়ত গৃহস্থই সেৱা লৈ গোহাৰি কৰাৰ লগে লগে ম'লুঙ সকলে জনমিং দিব। ইয়াৰ পিছতে লাকলৈ মুখ কৰি তিনিগৰাকী ম'লুঙ নিজৰ আসনত উপবিষ্ট হ'ব। এই তিনিগৰাকী মহন-দেওধাই-বাইলুং তিনিও ঘৰৰে হ'লে ভাল; অভাৱত অন্য লোকেও ইয়াৰ স্থান পূৰণ কৰিব পাৰে। ইয়াৰ পাছতে লাকলৈ মুখ কৰি অৰ্থাৎ পূবমুখী হৈ বহা তিনি ম'লুঙে 'ঞিৱয়াপুলক'ৰ মন্ত্ৰ গাই প্ৰস্তুত কৰিব। ব্লক ছেংফা ফুলৰ আগেৰে এই 'ঞিৱয়াপুলক' জাৰিব আৰু মন্ত্ৰ গাই থাকিব। তিনিও গৰাকী ম'লুঙে 'ঞিৱয়াপুলকৰ' পাত্ৰত হাত বাখিব। দুটা পাত্ৰত ঞিৱয়াপুলক লোৱা হয়। এটা পাত্ৰত পানী আৰু আনটো পাত্ৰত গাখীৰ, ঘিউ, মৌ, গুৰ, চেনি আদি মিহলি কৰি লোৱা হয়, যাক অসমীয়াত পঞ্চামৃত বুলি কোৱা হয়।

মন্ত্ৰ - অ' ফিয়ৈ ফিয়া ওবৈ ওৰা
ন চাও ফুৰা ভেক পিন
..... ইত্যাদি ।

তিনিবাৰ মন্ত্ৰপূত কৰাৰ পাছত শুদ্ধিহোৱা 'ঞিৱয়াপুলক' বা

'শান্তিয়নী' প্ৰথমে তিনিজন ম'লুঙে গ্ৰহণ কৰি শুদ্ধি হোৱাৰ পিছত সেৱকী হিচাপে গৃহস্থক সাধ্যানুসাৰে একাদিক্ৰমে দিয়াৰ নিয়ম। 'পঞ্চামৃত' গ্ৰহণ কৰাৰ আগতে নাম-খ্ৰিয়াপুলক অৰ্থাৎ প্ৰথম পাত্ৰত লোৱা মন্ত্ৰপুত পানীয় অৰ্থাৎ নাম খ্ৰিয়াপুলকহে গ্ৰহণ কৰাৰ নিয়ম। ইয়াৰ পাছতে কাষত সাজু কৰি থোৱা মাহ-প্ৰসাদ, সমূহ ব্লক হেংফাৱে মন্ত্ৰপুত পানী ছটিয়াই শুদ্ধি কৰি লাকৰ চাৰিওফালে যথাস্থানত বহুৱাব। লগে লগেই মূল কেন্দ্ৰীকভাৱে লাকৰ ওপৰত দিয়া চাকিগছ গৃহস্থই স্থাপন কৰাৰ পাছতে বাকীসকলে বাকী চাকিসমূহ লাক প্ৰজ্বলিত কৰিব।

ইয়াৰ পাছতে সেৱকী সমন্বিতে সমূহীয়াভাৱে ধ্যানস্থ হ'ব। খ্ৰিয়াপুলক আৰু আইছিংলাউত অংশগ্ৰহণ কৰাৰ পাছত সেৱকী গৃহস্থই জা-জলপান মুখত দিব পাৰে। ম'লুঙসকলে ইয়াৰ পাছতে লিট-ফাট বা পেঁঞ্ৰ কাকাৰ কিছু অংশ সুৰ লগাই পাঠ কৰাৰ পাছত তাই-ভাষাৰ আধ্যাত্মিক নাম-গুণেৰে পৰম কৰ্তাৰ গুণানুকীৰ্ত্তন আগবঢ়াব। হাত চাপৰি বজাই তিনি-চাৰিটা নাম-প্ৰসংগৰ পিছত ফুৰালুঙৰ সামৰণি মাৰে।

চাও ফুৰা চাও তাৰা
ফুৰা-তাৰা আলং ঐ
.............. ইত্যাদি ।

ইফালে ভোজ বন্ধাঘৰৰ সমুখত অস্থায়ীকৈ কলপাতৰ চাৰিচুকীয়া এখন চালি তৈয়াৰ কৰি তাতো তিনি গৰাকীমান ম'লুঙে ফুৰালুং আৰম্ভ হোৱাৰ লগে লগেই গাহৰি মাৰিবৰ বাবে আশীৰ্বাদ দি নীতিগতভাৱে জীৱক মেলানি দিয়াৰ ব্যৱস্থা কৰে। গুৱা-পাণৰ সৈতে ম'লুঙে পানী ছটিয়াই দিয়াৰ পিছত নিজৰ উপযুক্ত জোঁৱাই যদি আছে তেন্তে জোঁৱায়েকে এই গাহৰি ইতিমধ্যে ঠিক কৰি দিয়া ঠাইত টাঙোনেৰে মাৰিব লাগিব। জোঁৱায়েকৰ অভাৱত কোনো সমান সমনীয়া নাইবা নাতিস্থানীয় লোকে এই গাহৰি মৰাৰ নিয়ম।

ইয়াৰ পাছতে কোনো মিতিৰ কুটুম্বই যদি হাঁহ আদি উচৰ্গা কৰে তেওঁলোকে গুৱা-পাণ দি আশীৰ্বাদ ল'ব লাগিব। এইখিনি কাম সমাপ্ত হোৱাৰ পাছত ম'লুঙে সকলে সেই অনুষ্ঠান সামৰি ফুৰালুং স্থলীলৈ গৈ ফুৰালুঙত

যোগ দিব। সমূহীয়াকৈ যদি লাউ বা সাজ যদি গৃহস্থই দিব বিচাৰে তেতিয়াহ'লে এই স্থানতে অভিজ্ঞ দুই-এজনে মিলি গৃহস্থই উচৰ্গা কৰা লাউৰ কলহ সমূহৰ পৰা লাউ উলিয়াই ডাঙৰ টৌ, কেৰাহি আদিত পানী মিহলি কৰি তিয়াব যাতে সকলোৱে তাৰ ভাগ পায়। পূৰ্বতে মূল জ্ঞাতি-ভোজনৰ আগতে মূল ভোজলৈ প্ৰায় এঘণ্টামান থকা সময়তে এখন ভাজিৰে সমূহীয়াকৈ বহুৱাই বাটি নতুবা পাতৰ ঠোলাত লাউ যাচিছিল। ইয়াকে তাই ভাষাত 'চিক-চাক' খোৱা বুলিছিল। অৰ্থাৎ মূল আহাৰৰ আগতে লঘু উপাদেয় গ্ৰহণ কৰাৰ ব্যৱস্থা। এই ব্যৱস্থা বৰ্তমানে প্ৰায় লোপ পাইছে।

ইফালে ক্ৰিয়াপূলক গ্ৰহণ কৰি সকলোকে শুদ্ধি হোৱাৰ পিছতে ফুৰালুং স্থানৰ পৰাই ভিতৰৰ ডাম পতা চুকত ডাম পাতিবৰ বাবে তিনিগৰাকী ম'লুঙক দায়িত্ব দি ভিতৰলৈ পঠিয়াই দিয়ে। তেওঁলোকে ডাম পতা চুকত পূৰ্বৰে যিসকলে ঘাইডামৰ স্থান পাইছিল তাৰ কাষতে সোঁফালে ন-ডাম হিচাপে মৃতকৰ সত্বাক স্থান দি বহুৱাই আৰু মন্ত্ৰ মাতি ডাম ফী সকলক গোহাৰি কৰে। ন-ডামক যাতে কোনো দায়-দোষ নধৰি বাকীসকলে সাৱটি লয় তাকে কামনা কৰা হয়। এই অনুষ্ঠানত গৃহস্থই সেৱা লয়। ইয়াকে 'ডাম-চিনোৱা' বুলি কোৱা হয় আৰু সেইদিন ধৰি বিদেহী সত্বাক সেই স্থানত ঘৰ-জেউতি হিচাপে বিহুৰে-সংক্ৰান্তিয়ে সন্মান প্ৰদৰ্শন কৰি ৰীতিমতে স্মৰণ কৰা হ'ব বুলি ব্যৱস্থা কৰা হয়। অন্য হাতেদি ৰাজহুৱা ভাৱে ইমান পয়োভৰেৰে আয়োজন কৰা বাবে ৰাইজৰ তৰফৰ পৰাও ডাম-দেওসকলৰ বাবে পূৰ্বতে এটা গাহৰিৰ পীৰা আগবঢ়োৱাৰ নিয়ম আছিল যদিও আজিকালি সামান্য মাংসকে দি পঠিয়ায় আৰু ইয়াকো ডাম-ফী সকলৰ মাইহাঙত ৰাইজ আৰু গৃহস্থৰ শ্ৰদ্ধাৰ চিন স্বৰূপে উচৰ্গা কৰা হয়।

ফুৰালুং মাহ-প্ৰসাদ বিতৰণৰ পিছতে ইফালে সকলোৱে দেখা-শুনাকৈ খাবৰ বাবে মূল ভোজ গ্ৰহণৰ বাবে বহিবলৈ আহ্বান জনোৱা হয় আৰু শাৰী পাতি মান্যানুসাৰে কেতিয়াবা এশ দুশৰ পৰা হাজাৰ পৰ্যন্ত শুভাকাংখী আমন্ত্ৰিত লোক একেলগে বহা দেখা যায়। অতি নিষ্ঠাৰে গাঁৱৰ জ্ঞাতি ৰান্ধনীয়ে ৰন্ধন কৰা বিবিধ প্ৰকৰণ আগলি পাত নাইবা কলপটুৱাত (আজি

কালি কিনি অনা পাত) বিতৰণ কৰি সামৰাৰ লগে লগেই গৃহস্থই একত্ৰিত হৈ গুৱা-পাণৰ শৰাই যাচি সেৱা জনাই আৰু একেবাৰে মুধত বহি আসন গ্ৰহণ কৰি থকা সকলে আৰু জ্যেষ্ঠ ম'লুঙ সকলে আশীৰ্বাদ দিয়ে।

চাও ফুৰা চাও তাৰা

ফুৰা তাৰা আলং চিকিয়া বয় মৌউ চাউ কাওঐ।

আশীৰ্বাদ সামৰণিৰ লগে লগেই আগৰে পৰা এযোৰ পাতত ভাত-শাক-তৰকাৰি, গুৱা-পাণেৰে সৈতে এজন ম'লুঙে মন্ত্ৰ গাই গাই আটাইবোৰ শাৰীৰ মাজেৰে (সম্ভৱস্থলত) ঘূৰি সেই পাতখন নি দূৰণিত সসম্মানে পেলাই দিয়েগৈ। ইয়াকে 'চি-ফ্ৰুং' পেলোৱা বুলি কোৱা হয়। অৰ্থাৎ প্ৰকৃতিৰ বস্তু যাতে দেহ প্ৰকৃতিয়ে সুকলমে সকলোকে গ্ৰহণ কৰে আৰু অজীৰ্ণ-আভোক নহৈ যাতে গৃহস্থই আগবঢ়োৱা খাদ্য সম্ভাৰসমূহ অমৃত যেন হৈ হজম হয় তাৰ বাবে এই মন্ত্ৰৰ যোগেদি ব্যৱস্থা লোৱা হয়। তদুপৰি প্ৰকৃতিৰ অশুভ শক্তিৰ দৃষ্টি পৰি যাতে কোনো পীড়াৰ সৃষ্টি নকৰে তাৰ বাবে এনে ব্যৱস্থা লোৱা হয়।

অন্য হাতেদি দেখা যায় যে তাই-আহোম পৰম্পৰাৰ প্ৰায় সকলো নিয়ম-নীতিয়েই বিজ্ঞান সম্মত আৰু সকলো সময়ৰ বাবে উপযোগী।

প্ৰথমতে দেখা যায় যে মৃৰ খুৰোৱা সংস্কাৰ তাই পৰম্পৰাত নাই। কাচি ধৰি শুদা ভৰিৰে চোলা নিপিন্ধাকৈ থকাৰ নিয়ম নাই, উচ্চ আসনত বহিব নোৱাৰা ৰীতি নাই, খেৰ পাৰি শোৱাৰ নিয়ম আদিও নাই। অৱশ্যে মৃত্যুৰ পিছত দহদিন পৰ্যন্ত মনক সাত্বিক ভাবে ৰক্ষা কৰি চলন-ফুৰণ, উঠা-বহা, খোৱা-লোৱাৰ নিয়ম। এই মানসিক শৃংখলা মনৰ মাজতে ৰক্ষা কৰি চলিলেই যথেষ্ট। তাৰ বাহ্যিকতাৰে বাহুল্য কৰাৰ প্ৰথা তাই পৰম্পৰাত নাই। অন্য হাতেদি মৃত্যু যিহেতু অৱশ্যম্ভাবী, সেয়েহে ইয়াকে অনুভৱ কৰি তাই পৰম্পৰাত অতিপাত শোকাভিভূত হৈ আয়ে-বিয়ে কৰিবলৈকো কোৱা নাই। তাৰ পৰিবৰ্তে সংযমৰ কথা কৈছে। যিহেতু মৃত্যুৰ পিচতো জাগ্ৰত সত্বা হিচাপে বিদেহী সত্বাক মান্যতা দিয়া হয় আৰু সৰ্বদা শুভাকাংখী শক্তিৰূপে গণ্য কৰা হয় সেয়েহে অতিপাত শোক নিদৰ্শনে বা কাতৰ হোৱা কাৰ্যৰ দ্বাৰা ইয়াক হেয় প্ৰতিপন্ন কৰা হয় বুলি বিশ্বাস কৰা হয়। অন্যহাতেদি প্ৰতিজন মৃতকৰ বিদেহী সত্বাক হিতৈষী সত্বা ৰূপে জ্ঞান কৰাৰ বাবে তাই-আহোম পৰম্পৰাত পুহকৰ লগাৰ কোনো স্থান নাই, সেয়ে তেনে সংস্কাৰো পালন কৰা নহয়।

দশম অধ্যায়

# জন্ম সংস্কাৰ — আহোম নিয়মেৰে

গৰ্ভধাৰণ কৰা নাৰীৰ প্ৰতি আৰু আদৰ-সাদৰ সকলো জনগোষ্ঠীতেই থাকে। আহোমসকলেও এনে নাৰীক অতি আদৰ-সাদৰ কৰা আৰু সাৱধানেৰে এই কেইটামান মাহ চলিবলৈ কয়। কিছুমান নিয়ম প্ৰসূতি মাতৃৰ বাবে ধাৰ্য কৰি দিয়ে।

প্ৰথম হ'ল গৰ্ভধাৰণৰ পাঁচ মাহত গৰ্ভৱতী নাৰীক পঞ্চামৃত খুৱায়। গৰ্ভৱতী নাৰীৰ মাক-বাপেকৰ ঘৰত এই কাৰ্য সমাপন কৰে। আগলি কলপাতত সকলো খোৱা-বস্তু সজাই বান-বাটিত পঞ্চামৃত দি চেও পাতেৰে ঢাকি থয়। ৰহিলাও বান-বাটিত থয়। কক্‌ফাই (জুই) একুৰা আগত জ্বলাই থয়। দুখন শৰাইত জী-জোঁৱাইক নতুন কাপোৰ এযোৰকৈ দিয়ে। সকলো খোৱা বস্তু সজাই লৈ ম'লুঙে জেন মাতি লয়।

চাও কা ঐ (তিনিবাৰ) পাতু ছিঙ্ ফ্ৰঙ্ হুম্-ফা লাই বেত্-ফাপিন বেত্। ফা ফুৰা তেৰা আলঙ চীকী আ ৰানী পান্ বয়মৌ চাও কা ঐ। আই ছাঙ্ছিঙ-ম'ছিঙ ফ্ৰা ম'লাও খ্ৰী পূজাক জী-জা ছিঙ ফা ছেঞ্ৰ খাম্। ম'ৰু'ম'ছিঙ কন্ তুন্ মান্। কম্ ছুপ্ কম্ খাম্ চাও ছ্যু তাঙ এঞ্চও ছুকা ঐ। চাও ফা ফান্ তাই লাঙ্-বাক্‌লাউ-ৰু ফী ৰু ছাঙ ৰা বাক্ মায়। চাম্ ছাই ৰে ফা ছাঙ্ দাম্-ছাঙ দিন্ ছাঙ লাই-ছাঙ পুন পুথেনম্যুঙ্ জা থেন্ বান্। পুচাও মক্-জা চাও বান্। পু তাই কুম্-জা তাইত্ব। পিন্-কান্-কম্ কান্-চুম্ কান্ বাহ তঙ ছুন। দেন বান্ খেন্ দায়। হিত দী হিত্ খেন্। ছয় কুম ছয় খেন্ বয় মৌ চাও কা ঐ"।

তাৰ পিছত ম'লুঙে দুইজনকে সজ আচৰণ, সজ আলাপ, সজ চিন্তা কৰিবলৈ উপদেশ দিয়ে। সংযমী হ'বলৈও আৰু ভগৱানৰ নাম ল'বলৈও উপদেশ দিয়ে।

সাত মাহত গৰ্ভধাৰিণীয়ে কিবা বস্তু খাবলৈ ইচ্ছা কৰিলে দিব লাগে। মন স্ফুৰ্তিত ৰাখিব লাগে। অল্প ভোজন, ভাল নিদ্ৰা প্ৰয়োজন।

যেতিয়া প্ৰসৱৰ সময় আসন্ন বুলি জানে, কেঁচুৱাৰ নাড়ী বান্ধিবৰ বাবে গুলি সূতা, বাঁহৰ চোঁচ এডোখৰ উতলা পানীত ভালদৰে সিজাই ল'ব লাগে। এটা কুকুৰা কণী ওচৰত আনি ল'ব লাগে। এযোৰ কলপাত আনি থ'ব লাগে। ধাই এগৰাকী বা ভালদৰে প্ৰসৱৰ কাম কৰিব জনা এগৰাকী মহিলা মাতিব লাগে। বেচি সময় প্ৰসৱ বেদনাত ভুগি মাতৃ আৰু সন্তান অচেতন হ'ব পাৰে; তাৰ বাবে বেৰত ঢকিয়াই দিব লাগে। আয়তীসকলে ফুৰাৰ নাম লয় আৰু উৰুলি দি নৱজাত কেঁচুৱাক আদৰণি জনায়। লগে লগে কেঁচুৱাক পৰিষ্কাৰ কৰে। মুখ আৰু নাকৰ বীজ-পানী ভিতৰলৈ নোযোৱাৰ ব্যৱস্থা কৰে। জিভাখন পৰিষ্কাৰ আৰু কোমল কাপোৰেৰে পৰিষ্কাৰ কৰি দিয়ে।

এগৰাকী সধৱা মহিলাই বা ধাইয়ে সিজাই থোৱা সূতাৰে ফুলৰ লগত লাগি থকা নাড়ীৰ মূলৰ পৰা বাহিৰৰ ফালে লাহে লাহে তিনি চোঁচা টানি তিনি আঙুল ৰাখি আগতে সিজাই থোৱা বাঁহৰ চোঁচ ছটাৰে কাটে। ফুলখিনি পুতি থয়।

কুকুৰা কণীটো ভাঙি তাৰ কুহুমটো কেঁচুৱাৰ গাত ভালদৰে লেপি ধুৱায়। নতুন কাপোৰেৰে গা-মুখ ভালদৰে পৰিষ্কাৰ কৰি নতুন কোমল কাপোৰ গাত দিয়ে যাতে জাৰ নেপায়। প্ৰসূতিয়েও অলপ গৰম পানীৰে গা-মুৰ ধুই পৰিষ্কাৰ কাপোৰ পিন্ধে। প্ৰথমতে মাকে বাওঁফালৰ স্তনৰ পৰা তিনি চোঁচা গাখীৰ ফা তু ছিঙ ফ্ৰা ছমৰ নামত মাটিত পেলোৱাৰ পিছতে কেঁচুৱাক কোলাত লৈ গাখীৰ খুৱায়। প্ৰসূতিয়ে ঈশ্বৰৰ নাম এনেদৰে লয় :

চাও নুৰু চাও খা ঐ
ছেঙদিন ছেঙ বান-ফী মুত্‌কুম্ তাই কুম্।
কে খায় জাও লো কাম্
ক্লিন নামচু-হিত দী হিত
খেন ছয় কুম্ ছয় খেন্।
বয় মৌ চাওকা ঐ।।

প্ৰসূতিৰ মাকৰ ফালৰ পৰা কচু জাল দিয়াৰ নিয়ম। উহোৰা চাউলৰ ভাত আৰু পানী কচুৰডাল, গুটি জালুক, কুকুৰাৰ মাংস, নিমখ, তেল, নহৰুৰে বনোৱা কচু জাল খুওৱা হয়। পঞ্চামৃতো দিয়ে। প্ৰসূতিয়ে তলত দিয়া মন্ত্ৰখিনি গায় ঃ

চাও ফুৰা, চাও তাৰা, ফুৰা তাৰা আলং
চি কি য়া ৰাণী পান বয় মৌ চাও কাও ঐ।
তী ৰোণ দায় মান ক্ক-কুন ফু ঞিঙ মান ক্ক
লিখা-ফু ছায় দায় লে ক্ক যে অক্নক্ ফে পিন্ স্কুন্।
ছাম ছাক বান মুক ফিত্ দায়।
হিত্ দী হি খেন। ছয় কুম ছয় খেন।
মে মানলে লিখা ফু ছায় মান ক্ক কিউ ছিপ
কিউ হক, কিউ দায়, পিন ৰা পিন তুক-জে ৰাই
বে নাই ফিত্ ফ্ৰা ছী।
কুন লিখা ফুছায় মান্ ক্ক ৰুন পিন থুন চাম
ম্লন-মাক্ থ্ব থাম্ কা চয়
হিত দী হিত খেন্ ছয় কুম ছয় খেন।
(ম'লুঙ এজন কৈ যায়, ন-মাতৃয়ে গায়)

সকলোৰে খোৱা হ'লে প্ৰসূতিয়ে খোৱা পাতখন এজোপা গুটি লগা গছৰ তলত পেলায় দিয়ে। খোৱা-বোৱাৰ ক্ষেত্ৰত ন-মাতৃয়ে যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগে। ন-মাতৃ শোৱা ঠাইত মূৰৰ ওপৰফালে এখন তামুলী পীৰাত কিতাপ, চিলেত, কলম আৰু মতা ল'ৰা-কেচুৱাৰ ক্ষেত্ৰত ধনু-কাঁড় থব লাগে। ছোৱালী কেচুৱাৰ ক্ষেত্ৰত কপাহ আৰু ধনু থৈ তাত চাকি এটা জ্বলাব লাগে।

নব জাতকৰ নাড়ী সৰিলে ১০ দিনৰ পিছত সুকয সেঙ্গ অনুষ্ঠান পতা হয়। গাঁৱৰ গোপিনী, এনায়েক, (মাকৰ মাক), আপায়েক আদিক নিমন্ত্ৰণ কৰিব লাগে। ঘৰ-বাহিৰ পৰিষ্কাৰ কৰিব লাগে। ঢাৰি-পাতি, কাপোৰ-কানি ধুই

মেজি পৰিষ্কাৰ হ'ব লাগে। সূৰুয সেবাৰ বাবে এযোৰ আগলি কলপাতৰ ওপৰত সৰু ধান খেৰৰ মুঠি ২ টা, ১টা সৰু শিল, বাটি এটাত পানী, জুই জ্বলি থকা জুমুঠি এটা, ধনু-কাঁড় বা ছোৱালীৰ ক্ষেত্ৰত কপাহ আৰু ধনু ৰাখিব লাগে। এখন থুৰিওৱা তামোল দিব লাগে। এযোৰ কলপাতত পকা কল দু-আখিমান, মগুমাহ, এক কিলো মাহ দি ভাগ পাতিব লাগে। পাণ-তামোলৰ শৰাই এখন দিয়ে। তিনিটা চাকি জ্বলায়। প্ৰসূতিয়ে কেচুৰা লৈ বহিবলৈ কলপাত এখন থয়। তিনিগৰাকী মহিলাই ঘৰৰ বেৰত ঢকিয়াই উৰুলি দি মাক আৰু কেচুৰাক বাহিৰলৈ উলিয়াই আনি পূবফালে মুখ কৰি যথাস্থানত বহুৱাই মহিলাসকলে বচন মাতে ঃ

চাও ফুৰা-চাও তেৰা, ফুৰা তেৰা আলঙ্ চী কী আ ৰাণী পান বয় মৌ চাও কা ঐ। মাকৰ আঁচল গুচাই কেচুৰাক ছেঙ বান-ছেঙ দিনক দেখুৱাই দিব চাও কা ঔ (চুক্) মে নাই বা বান দী ৰু ছেঙ হুঙ-ছেঙ দিন-ছেঙ বান্। তাই লাঙ্-বাক লাঙ্-ৰু ফী ৰু ছাঙ-ৰু বাক মাই। চাম্ চাই বে ফা ছেঙ দিন্-ছেঙ বান্-চাঙ লাই-চাঙ পু-মুৰান, চাম ম'ছিঙ ফ্ৰা-চাওম'কাই। পুখেন্ ম্যুঙ-জাখেন বান। ছেঙ্ হুঙ নাম্ খে খ্ৰুঙ, পান লাই ৰূম। ফী মুত্ কুম্-তাই কুম্-পুচাও মক্-জা চাও বান্। আই ল্যোঙ ডিন্ ফুখ্ৰু-বাও ল্যোঙ ডিন্ ফু এ্ৰেঙ। চাও নুৰু চাও কা ঐ। আওতাঙ্ তঙ্ মৌ কপ্ তঙ বুন্-তঙ মৌ কুপ ত্ফা। ব্ৰুক ছিঙ ফা কা ৰিঙ্ ছাঙ্ ছিঙ ফা কা।

মাকে কেচুৰাক শিলৰ ওপৰত ধৰে; মহিলাসকলে কয় ঃ শিলৰ দৰে ধীৰ-স্থিৰ হৈ সকলো শোক-দুখ সহিব পৰা শক্তি আহৰণ কৰিবা। জুইৰ ওপৰত ধৰি কয় ঃ অগ্নিৰ দৰে সকলো দুখ-ক্লেশ সহিব পৰা শক্তি আহৰণ কৰিবা। পানী বাটিৰ ওপৰত ধৰি কয় ঃ জলৰ দৰে ধীৰ-স্থিৰ হৈ সকলো শোক-তাপ-ক্লেশ ধুই পৰিষ্কাৰ কৰি ল'ব পৰা ক্ষমতা হওক। মহিলাসকলে কাম সমাপ্ত কৰিলে লাও খাবলৈ দিয়ে। খায় শেষ হ'লে ডেখেতসকলে কেচুৰাক ঘৰুৱা নাম দিব।

তিনিজন ম'লুঙ মাতি আনি বিকখ্বন কৰিব লাগে। এখন ফুন সাজে। ৭ ডাল শলামাৰি, খুৰাত পাত বান্ধে। তিনিডাল গোটা তামোল-পাণ চেউপাতত বান্ধে। চাৰিখন থুৰিওৱা তামোল, চাৰিটা লাওৰ ঠোলা, তাৰোক

এডাল, চুপ তাও এটা, কুকুৰা কণী চাৰিটা, চাউল, আদা-নিমখ, মিঠাতেল, ৰহী লাও এবটল আৰু চাকি এটা থয়। চোতালত পূবফালে এখন চাদৰ আঁৰ দি লয়। তিনিজন ম'লুঙে বহি প্ৰথমে নাম-জাৰাও কৰে। চাকি এখন জ্বলায়। শৰাই দুখন সজাই লয় আৰু নাম জাৰাওৰ মন্ত্ৰ মাতে :

চাও নুৰ্ন্ধ চাও ফা ঐ (চুক্) চাম্ ম'মুন বায় জিম্ কন-ম'ছাম্-ম'ছাই-ম'প্লঙ্ বয়মৌ চাও কা ঐ। চাও ফুৰা আলং-চাও তেৰা আলং চাও চীকী আ আলং। মুন হুঙ ফুৰা-কলে বাণী পান। তাই লাঙ বাক্ লাঙ-কাফী ক চাঙ-ক বাক্ মাই। চাও নুৰ্ন্ধ চাও কা ঐ। অ ফী ঐ ফী আ-উ বৈ উৰা। অচাও ফুৰা ন'চাও ফুৰা। ত্যেক পিন্ বা, চা থুই-চু থুই-লা বুনি অয় তালে-বয় তা ছী। চাঙ বা হেও পিন্ বঙ্। চাই ছেও জু এঞও ৰাঙ মৌ ফুৰা। হেও খত জাক ছী খ্ৰীঙ। তেদে ফী ঐ ছাঙ ঐ। কাও খা আপ্ ৰাঙ্ বৌ মী নাম। কাও খা আপ্ ৰাঙ বৌ মী দেন্। লাই ছু-লাইছা-তিম লাই জিম্ মৌ পয় জুবান। ম্যু বান ফী কছাঙ। ছাঙ কথাও হেও দায়। ফী খাম্ ছাঙ্ হেও পিন বউ। ছাউ ফা অক্ পাক্ লাক্ থাক্ বায় জিম্ কন্। লাক্ থাক বায় জিম্ চেন। চুকে ছউ্ বতে আপ্ কু খ্ৰ হেও মুত্‌ক্ৰয় দী। হিত্ দায়। জিম মৌ চাও কা ছা। হিত্ মুত্ হিত্ দায়। জিম্ মৌ ফী কা প্লায় লু। মুত ছী খ্ৰীঙ্ হিত্ মুত। তেদে ফী ঐ ছাঙ ঐ। তী ব্যোণ দায় মান ক-কুন্ ফু মী দায় লে ক লিখা-ফু ছায় ফে অক্ নক্ ছাক্ ছাই বা। চাম্ ম' মুন' বায় জিম কন্ নাম জাৰেও জেৰা-চাৰেও চেৰা। লিখা ফু চাই মান ক ফিউ চিপ্-কিউ হক্-কিউদায়-কিউচায়-ক কাপ্-তঙ্ কাপ্ জেৰাই ৰেনাই ফিট ফ্ৰাছী। বয় মৌ চাও কা ঐ।

নাম জাৰাও প্ৰথমে চুপ তাওত ভৰাই সকলো বস্তুলৈ ছটিয়াই ম'লুঙে খায়, মাক-বাপেকক খোৱাই, কেচুৱাকো চেলেকাই দিয়ে।

পূব ফালে মুখ কৰি লেংডনৰ মেহেঙা পাতে। মেহেঙাৰ তলত এটা ভাগ কণী চাউল পাতিব। চাকিখন মেহেঙাত তুলি দিয়ে। এজন ম'লুঙে নাম -জা-ৰাও লৈ ঘৰৰ ভিতৰত ছটিয়াই ঘৰ শুদ্ধি কৰে। ম'লুঙৰ পাচ ফালে আসন পাৰি বাপেক-মাকে কেচুৱা লৈ বহে। ম'লুঙে বচন মাতিব আন্ নাঙ্ চাও নুৰ্ন্ধ চাও কা ঐ ছু চুক্ চাও ফা ফেত্ খাম্ খাম্ বঙ্ খাম্। তুম্যুং তুতে লোক বে কা

চাও দাম্। চঙ্ চাও জা নাঙ-জা নাঙ ম্যুং কেপ্ চেঙ্কুন্, চঙ্ চাও জা নাঙ্ জা নাঙ্ ম্যুং কেপ্ চঙ খাম। পী পাই নাঙ লাই দায়, খুন খায় নাঙ লাই চম্। চাও নুন্ধ চাও কা ঐ।

তীব্যেণ দায় মানক', কোন ফূ বাও-ফূ ঞিঙ্ লিখা-ফূচাই কে অক্ নক্ কে পিন্ কুন ল্যেঙ ফুন ক বান ফী ৰিক্ খন হিত দী হিত খেন্ ছয় কুম্ ছয় খেন্।

চাও নুন্ধ চাও কা ঐ। আও তাঙ নাঙ্ না পাঙ্-খাং না জাঙ। নাঙনা পাঙ খাঙ না ফুন। তঙমৌ কুপ তঙ বুন্ তঙ মৌ কুপ তঙ ফা। ব্লক্ ছিঙ ফা কা বিঙ চাঙ্-ছিঙ ফা কা বিঙ প্লায়। তাঙ কাক দী হম্ ৰাও তাঙ্ কাক্ দী হম খেন্। মামূ ফূ ল্যোং বৌ প্লু ফূ ল্যেঙ। মা মূ কুপ বৌ প্লু। খাও চান দী চ-প, খাও চান দী লা লুঙ। খ্রীং-তুক্-নুক্ক তুক্- নাম মান্ তুক তেও। হম্‌ী ৰী-হম্ ছা ছা। ৰত খ্রীং বুন্। কাই খায় দী হম্ ৰাও-কাই কায় দী হম্ খেন্। লোক লাও দেং কাম নাং খাং লুক লাও দেং কাম্ নাঙ লেত। কক্ পাই দী কেন্ কেনা। চাও নুন্ধ চাও কা ঐ।। লাও লেঙ কৰিব।

## তাৰ পিছত কিন্‌তাং কৰে ঃ

কিন তাং নাং না পাং খাং নাংজাং। ব্লক্ ছিঙ পা কা বিঙ প্লা। মা মূ কুপ বৌ প্লু। খাওচান-খ্রীং তুক-নক্ক তুক নাম মান তুক্ তেও চুমা মেঠ কিনতাঙ। কাই খায় দী হম্ ৰাও লোক্ লাও দেঙ্ কাম নাঙ খাঙ চ-মা মৌ কিন্ তাঙ।

## তাৰ পিছত জন্‌তাঙ কৰে ঃ

চাও নুন্ধ চাও কা ঐ (চুক্) হেও থুক্ জন পি জিন পান্, জন খন্ ৰাও জন খন সিঙ্। জন জুন্ধ নাঙ লাও কাও। জন্ জু থাও নাঙ লাওখ্রী। যাওক্ন হক্ পয় দাম্ জাক্ন হক্ পয় খেন। নুক্ জাঙ বু দাম্, কাবৌ ফক্-বিশ বৌ ফক্ । ফাক্ ফা দিও মাই ছিঙ ক্ন জন-খন্ ৰাও জন্ খন্ মিঙ।

ফুনৰ পৰা কুপ কৰা তামোল দুখন বাপেক আৰু মাকক দিয়ে।

চাও নুন্ধ চাও কাও কা ঐ (চুক্) কিন্ লাই-লাই ৰয় লাই লাই কিন চাম

বাত জাও পয় কা, জু হা বাত-কক বাত পয় তাও মা। চুপ ম্যু দী-মা-কিন্। চুপ ম্যু-চায় ম্যু-কম্যু লেংম্যু। আপাক বায়-নাম তাও-দী নাম ফ্রাও চী। ম'চেঙ বু-খা চেঙ বান-কিন্ নাঙ হুনন নাঙ মু। কাও খা তুখা ছিলা ছিপ, কঞেও ৰঙ বয়। ফুনলৈ পানী ছটিয়াই বান্ ফী সমাপ্ত কৰিব। ফুনৰ পৰা কণী চাউল আনি ম'লুঙে সিজাই লাওৰ লগত খায় দেও মেলে।

লাকত ১১ টা চাকি জ্বলাই, ১১ টা বুঙ সিজাই ফুৰালুঙ পাতি শুদ্ধি-শুচিৰ কাম শেষ কৰি ম'ৰূ-ম'ছিঙ সকলক হেও কিন-ক্রিন্ কৰাই সমাপ্ত কৰে।

একাদশ অধ্যায়

# মৈদাম দিয়াৰ পৰম্পৰাৰ সৈতে জড়িত নীতি-নিয়মসমূহ

আহোমসকলে মৈদাম দিয়াৰ পৰম্পৰা বহু অঞ্চলত আজিও মানি চলিছে। মহন, দেওধাই আৰু বাইলুং এই তিনি ফৈদ আহোমসকলৰ পুৰোহিত ফৈদ। এই ক্ষেত্ৰত পুৰোহিত ফৈদৰ লোকসকলে এই পৰম্পৰা মানি চলে। কোনো জ্যেষ্ঠ পুৰুষ অথবা মহিলা যি সকলে গাৰ্হস্থ্য জীৱনৰ পাতনি মেলিছিল সেই সকলৰ কোনোৰ স্বাভাৱিক মৃত্যু হ'লে লগে লগে মৃতকৰ বংশ-পৰিয়াল, আত্মীয়-কুটুম্বক, ওচৰ-চুবুৰীয়াক অৱগত কৰে। মৃত্যুৰ খবৰ পোৱাৰ লগে লগে বংশ-পৰিয়াল, আত্মীয়-কুটুম্ব, ওচৰ-চুবুৰীয়া মৃতকৰ ঘৰলৈ আহে। এই সমবেত ৰাইজে সাধাৰণতে তিনিটা গোটত বিভক্ত হৈ শ সংকাৰ কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ব্ৰতী হয়।

প্ৰথম গোটৰ সদস্য এজনে ভঁৰাল ঘৰৰ দুৱাৰমুখত এখন চাদৰ আঁৰি দিয়ে। কেইজনমানে এডাল বাঁহ এজোপা গছৰ পৰা আনি তাৰে চাৰিটা খুটা কাটি, চাৰিটা কামিৰে সংযোগ কৰি তাৰ ওপৰত তিনিখন কলপাত দি এখন তিনি-চাৰিফুট বহল, ছয়-সাতফুট দীঘল চালি বা বতা উত্তৰ-পূৱ মুৱাকৈ চোতালত দিয়ে। এই ৰ'ভাৰ মজিয়াখন চাঁচি-চুকৰি বন-বান- নিৰাই, লিপি-মচি তাত এখন ঢাৰি বা পাটীৰ চাৰিটা চুক কাটি মজিয়াত পাৰে। সেই গোটৰ কেইজনমান সদস্যই উপৰোক্ত কাৰ্য সম্পাদন কৰি থাকোতে অন্য কেইজনমান সদস্যই মৃতকৰ শ গা ধোওৱাৰ ব্যৱস্থা কৰে। সাধাৰণতে এই সদস্যৰ লগত এজন পুত্ৰ থাকে, যদি মহিলা হয় তেন্তে কনিষ্ঠ পুত্ৰ থাকে। এই পুত্ৰক কাজ

ধৰোতা বোলা হয়। এই কাজ ধৰোতাই হাতত এখন কাচি লৈ থাকে। অৱশ্যে হাতেৰে কিবা কাম কৰিব লগা হ'লে কাচিখন ককালত খুচি থয়। অন্য কেইজন সদস্য সাধাৰণতে মৃতকৰ সম্পৰ্কত সমনীয়া হয়। পুত্ৰ সন্তান নথকাজনৰ বেলিকা বংশৰ এজনে যাৰ মৃতকৰ লগত সম্পৰ্কত ভতিজা বা ভাই বা ককাই আদি কাজ ধৰোতা হয়। এই গা-ধোৱা কাৰ্য ঘৰৰ ভিতৰত কৰা হয়। মৃতদেহটো দুজনমান সদস্যই শেষ নিশ্বাস ত্যাগ কৰা ঠাইৰ পৰা দাঙি আনি এখন পীৰাত পূৱফালে মুখ কৰি বহুৱায়। এই পীৰা পৰা ঠাইটুকুৰা সাধাৰণতে ঘৰৰ প্ৰধান দুৱাৰমুখৰ ওচৰত হয়। মৃতদেহ পীৰাত বহুওৱাৰ পাছত কাজ ধৰোতাজনে মৃতকৰ কপালত এটা কুকুৰাৰ কণী ভাঙি বীজখিনি মৃতকৰ কপালৰ পৰা ভৰিলৈকে বোৱাই দিয়ে। তাৰ পাছত এটা পানীভৰ্তি মুখত আমদালি থকা এৰা টেকেলিৰ পানী আমদালিৰে মৃতকৰ শৰীৰ ধুৱাই দিয়ে। গাধোৱা পানীখিনি দুৱাৰমুখেৰে উলিয়াই নপঠিয়াই বেৰৰ কাষেৰে বাট এটা কৰি ওলাই যাবলৈ দিয়া হয় (যিহেতুকে আজিৰ পৰা তিনি-চাৰি দশকৰ আগলৈকে প্ৰায়বোৰ মানুহৰ পকীঘৰ নাছিল, বাঁহ-খেৰৰ ঘৰ আছিল। এতিয়া অৱশ্যে পকীঘৰৰ ক্ষেত্ৰত নীতি অলপ পৰিবৰ্তন হৈছে)। গা-ধুওৱাৰ পাছত মৃতকে পিন্ধি থকা সকলো বস্ত্ৰ আৰু আ-অলংকাৰ আদি খুলি, শুভ্ৰ বস্ত্ৰ ককালৰ পৰা তলৰ অংশত পোন্ধ নমৰাকৈ গা ধোওৱা ঠাইতেই পৰিধান কৰোৱা হয়।

প্ৰথমেই উল্লেখ কৰিছো এই গোটৰ এজন সদস্যই ভঁৰালৰ দুৱাৰমুখত এখন চাদৰ আঁৰি দিয়ে। তেওঁ ভঁৰালৰ পৰা যিকোনো এবিধ ধানৰ এচিৰা ধান আনে আৰু সেই ধান ডলাৰ ওপৰত এখন চাদৰ দুভাঁজ কৰি তাৰ মাজত বিযোৰীয়া সংখ্যাত তিনি ভাগ ধান থয়। এই ডলাখন প্ৰথমতে চোতালত সজা ৰ'ভাৰ তলত ৰাখি মৃতদেহ বাহিৰলৈ উলিয়াই অনাৰ আগতে ৰবঘৰৰ চাঙৰ ওপৰত ৰাখি থোৱা হয় তিলনিৰ দিনালৈকে। বিশ্বাসমতে তিলনিৰ দিনা যদি পণ্ডিতে সেই ডলাৰ ধানৰ কিবা ইফাল-সিফাল পায় তেন্তে অমংগলৰ চিন বুলি বিবেচনা কৰা হয়।

গা-ধুওৱাৰ পাছত মৃতদেহ ঘৰৰ ভিতৰৰ পৰা বাহিৰলৈ অনা হয়। মৃতদেহ বাহিৰলৈ আনি চোতালৰ ৰভাৰ তলত পাটীৰ ওপৰত, মৃতকৰ মূৰ

উত্তৰ-পূব আৰু নিম্নাংশ দক্ষিণ-পশ্চিমে ৰখা হয়। মুখমণ্ডলৰ বাদে বাকী অংশ বগা কাপোৰেৰে ঢাকি ৰখা হয়। মৃতকৰ আত্মীয়-কুটুম্বে দৰ্শন কৰিব পাৰে। অন্তিম দৰ্শনৰ সময়ত আত্মীয় -কুটুম্বে ধূপ-ধুনা, পুষ্প আদি দিয়াৰ নিয়ম আছে। অন্তিম দৰ্শনৰ পাছত সৰ্বশৰীৰ বগা কাপোৰেৰে ঢাকি কাপোৰ খনৰ মূৰ দুটা আঁওহাতে মোচৰি মৃতদেহৰ তললৈ সোমোৱাই ৰখা হয়।

উপৰোক্ত কাৰ্য সম্পাদন কৰাৰ পাছত ৰন্ধৰ্ষৰ পৰা অৰ্থাৎ পাকঘৰৰ মূল তিনিটা উধান আনি চালিৰ কাষৰ মৃতকৰ সোঁফালে উধান পাতি সেই উধানৰ ওপৰত এটা নতুন মাটিৰ চকত তিনি পিঠি চাউল আঁওহাতে দি তিনিটা কুকুৰাৰ কণীৰে সৈতে সিজোৱা হয়। অৱশ্যে ভাত সিজাবৰ বাবে গাঁৱৰ জ্ঞাতি-মিতিৰ-কুটুম্ব আৰু বংশ পৰিয়ালেও চাউল, কণী আদি আনিলে সেইবোৰো সিজোৱা হয়। এই সিজোৱা-পকোৱাবোৰ কাচি ধৰোতাই কৰে। লগতে এটা কুকুৰা কাচি ধৰোতাই কাচিৰ নালেৰে মাৰি জুইত পুৰি কুকুৰাটোৰ খাদ্যনলী আদি সম্পূৰ্ণৰূপে আঁতৰাই পেলাই মৃতকৰ সোঁফালে মাইহাঙৰ ওপৰত এযোৰ কলৰ আগলি পাতদি তাৰ ওপৰত কুকুৰাটো, ভাত আৰু দুটা সিজোৱা কণী (কণীৰ চোকোৰা গুচোৱাৰ সময়ত সাৱধান হয় যাতে কোনো ভঙা-টুটা নহয়) দিয়া হয়। ইয়াৰ উপৰিও দুখন তামোল চিংকোৱা ফুলেৰে দিয়া হয় আৰু দুটা ঠোলা, এই ঠোলাত লুক-লাও বা নাম-লাও দিয়া হয়। ঠিক সেইদৰে মাইহাঙৰ তলত এখন চেওপাত, এখন তামোল চিংকোৱা ফুলৰ সৈতে, ভাত, এটা কণী, এখন থালত লুক-লাও বা নাম-লাও দিয়া হয়। এই গোটেই দিয়া কাৰ্য কাজ ধৰোতাই আঁও হাতে দিয়ে। মাইহাং মানে হৈছে কেঁচা কলপাতৰ ঠৰুৱা ছই ইঞ্চি মানকৈ কাটি সেইকেইটাক চাৰিডাল বাঁহৰ তমালেৰে সী মেজৰ চাৰিটা খুটাৰ দৰে থিয় কৰোৱা হয়। এই খুটাৰ ওপৰত এক বৰ্গফুট ক্ষেত্ৰফলৰ এখন চিলিঙ দিয়া হয়। লুক-লাও হৈছে ৰহী পানী নিদিয়া, নাম-লাও হৈছে ৰহী পানী দিয়া। এতিয়া মʼলুঙে বাইক-বচন উচ্চাৰণ কৰে। এই বাইক-বচন তাই ভাষাত উচ্চাৰণ কৰে। কাচি ধৰোতাই সেই সময়ত সেৱা লয়।

উপৰোক্ত গোটটোৰ কাৰ্যৰ সমান্তৰালকৈ দ্বিতীয় গোটৰ সদস্যসকলে চুঙ্ অৰ্থাৎ মৰা ভৰোৱা বাকচ বা তুংখোং বা বাঙজাব বা চাঙি বা

কফিন তৈয়াৰ কৰাত মনোনিৱেশ কৰে। সাধাৰণতে চুঙ্, বাঁহেৰে চাৰিটা খুটাৰে এটা চকৰি পেৰাৰ সদৃশ কিন্তু চকৰি পেৰাৰ দৰে চিলিঙৰ নিচিনাকৈ নেসাজি কিছুমান বাঁহৰ কামিৰে সজা হয়। এই চুঙ্ৰ প্ৰস্থ দীঘ আৰু খোঙৰ গভীৰতা মৃতকৰ শৰীৰৰ অৱয়বৰ ওপৰত নিৰ্ভৰ কৰে। ৰাংভাৰত দুডাল বাঁহ বা কাঠৰ দণ্ড থাকে কিন্তু দণ্ড দুডাল জোখত সমান নহয়, অসমান হয়। অথবা দণ্ডৰ জোখ সমান হ'লেও আগ-পিছকৈ দিয়া হয় যাতে ৰাংভাৰী সকলে ভাৰ বওঁতে যাত্ৰা পথত খোজ কাঢ়োতে অসুবিধাৰ সন্মুখীন হ'ব লগাত নপৰে।

এতিয়া সময় আহি পৰিছে মৃতদেহ তুংখোঙত ভৰোৱাৰ পৰ্ব। এই পৰ্বত মৃতদেহক তুংখোঙত ভৰোৱাৰ পূৰ্বেই চালিৰ তলত কাপোৰেৰে ঢকা মৃতদেহৰ ওপৰত চাৰিখন থুৰিওৱা তামোল দিয়ে আৰু তাত ব্যৱহাৰ কৰা ফুলবিধ হৈছে কাপাট ফুল। চাৰিখন তামোলৰ এখন কপালত, দুখন দুটা বাহুত আৰু এখন নাভিত দিয়া হয়। এই তামোল দিয়াৰ আগত বা পাচতনাভি কটা হয়। নাভি কটা মানে হৈছে মৃতকৰ নাভিৰ ওপৰত থকা মৃতদেহ মেৰাই ৰখা বগা কাপোৰখনক এটা বেজি সদৃশ বাঁহৰ শলাত এবাঁ সূতা ভৰাই নাভিৰ ওপৰত তিনিটা মাইকী গাঁঠি দিয়া হয়। গাঁঠি দিয়াৰ পাছত বাকী থকা সূতাডাল এচতা বাঁহৰ চোঁচেৰে কাটি পেলোৱা হয়। শলাৰে সৈতে সূতাৰ বাকী অংশ ঘৰৰ চালৰ ওপৰলৈ দলিয়াই দিয়া হয়। এই নাভি কটা কাৰ্যই জীৱিত সকলৰ লগত মৃতক জীৱিত অৱস্থাত থকা সম্পৰ্ক ছেদ কৰি জীৱিত আৰু ডামৰ নতুন সম্পৰ্কৰ পথ সুগম কৰাক সূচায়। নাভি কটাৰ পাছত মৃতদেহ ৰাংভাৰত ভৰাব পৰাকৈ সম্পূৰ্ণ হৈ উঠে। এতিয়া চুঙ্ মৃতদেহ ধুবলৈ ব্যৱহাৰ কৰা টেকেলিৰ পানী আমদালিৰে আগফালৰ পৰা পাছফাললৈ পানী ছটিয়াই ধুই পেলোৱা হয়। মৃতদেহ ভৰোৱাৰ পাছত ৰাংভাৰৰ ওপৰফালে দুচতা ধেনুভেৰীয়া উপবৃত্তাকাৰ বাঁহৰ কামি লগোৱা হয়। এই কামিক চিতিকা বোলা হয়। এই কথালৈ মন কৰা হয় যে যাতে ৰাংভাৰ কঢ়িয়াই নিওঁতে সেই কাপোৰ খহি বা সৰি নপৰে। এই কাপোৰখনক ম'ৰচেওৱা বোলা হয়।

পৰম্পৰা অনুসাৰে কোনো ব্যক্তিৰ মৃত্যুৰ পাছত তেওঁ ব্যৱহাৰ কৰা সকলো সামগ্ৰী মৃতকৰ লগত মৈদামৰ ভিতৰত দিয়াৰ নিয়ম থাকিলেও

বৰ্তমান মহন, দেওধাই আৰু বাইলুঙসকলৰ মাজত প্ৰচলিত নীতিবিলাক এনে ধৰণৰ। শ যাত্ৰাৰ সময়ত শ ৰ লগত কাটি থবোতাই শ'তাৰ নবৈ, তেওঁ এখন কোৰৰ নালটো কাৰুমাৰি হিচাপে ব্যৱহাৰ কৰি এখন তাৰ বয়। এই ভাৱত এটা তামোল গছৰ পুলি, এটা কলগছৰ পুলি, এটা বাঁহেৰে সজা থুতং বা তোমত মাইহাঙৰ ওপৰত থকা খাদ্য-সামগ্ৰীসমূহ, পাত-ঠোলা, আঁওহতীয়াকে দিয়া পাত-ঠোলা আদিবোৰ লগত বান্ধিবলৈ ব্যৱহাৰ কৰা চক ডাবি আদি সকলো ভৰাই লোৱা হয়। ইয়াৰ উপৰিও ম'ৰচেওৰ হিচাপে ব্যৱহাৰ কৰা কলা কাপোৰখনৰ আগতে কাটি থোৱা এটা অংশৰ পৰা এটা থুঙ (মালা) তৈয়াৰ কৰা হয়। এই থুঙ তৈয়াৰ কৰা কাৰ্যত মোনা সীবলৈ বাঁহৰ কাঠি ব্যৱহাৰ কৰা হয়। এই মোনাত প্ৰতীক ৰূপী সোণ-ধন আদি দিয়া হয়। সোণ-হিচাপে কেঁচা হালধিৰ চকল আৰু ধন-হিচাপে পাটীদৈ গছৰ মজ্জাৰ ৰঙা অংশ চকল চকলকৈ কাটি কাটি দিয়া হয়। সেই ভাৱত মাইহাংখনো লৈ যায়। এই ভাৱত মৃতকে ব্যৱহাৰ কৰা কাঁহী, বাটি, ঘটি, টেমি, কটাৰী, পীৰা, লাখুটি আদিও লৈ যায়। ইয়াৰ উপৰিও সেই ভাৱ কঢ়িয়াই নিওতাই এটা জ্বলি থকা জোৰ আৰু এটা এৰী সূতা মেৰিওৱা উঘা লগত লৈ যায়।

মৃতকক বাহিৰলৈ অনাৰ পৰা বাংভাৰত ভৰোৱালৈকে আৰু মুংখোং সজাৰ পৰা মৃতদেহ ভৰোৱালৈকে কাৰ্য দুটাৰ সমান্তৰালকৈ মৈদাম দিবৰ বাবে গাত খন্দাৰ কাৰ্যও তৃতীয়টো গোটে চলাই থাকে। গাত খান্দিবলৈ যিটুকুৰা মাটি ব্যৱহাৰ কৰিব সেই মাটিটুকুৰা, হুলাবিশতি, আইলেংডিনৰ পৰা এটা গুৱা-পাণ, লগত অৰিহণা দি কিনি ল'ব লাগে। অৰিহণা হিচাপে পূৰ্বতে কড়ি ব্যৱহাৰ কৰিছিল যদিও আজিকালি খুচুৰা পইচা ব্যৱহাৰ কৰা হয়। এই মাটি কিনাৰ বাবে গুৱাপাণ মৃতকৰ অন্য পুত্ৰই অৰ্থাৎ কাটি থবোতাৰ বাদে নাইবা বংশৰ অন্য কোনো এজনে আগবঢ়ায় আৰু এখন কোৰেৰে এচৰপৰা মাটি খান্দি মাটিচপৰা আওহাতে গুৱাপাণটোৰ ওচৰতে থাকি থোৱা হয়। মাটি কিনা সম্পূৰ্ণ হোৱাৰ পাছতে গোটৰ সদস্যসকলে সাতফুট দৈৰ্ঘ্যৰ, চাৰি ফুট প্ৰস্থৰ আৰু পাঁচ ফুট গভীৰতাৰ এটা গাঁত উত্তৰ-পূব আৰু দক্ষিণ-পশ্চিম দিশত খান্দি পেলায়।

মৈদামৰ বাবে গাঁত খন্দা সম্পূর্ণ হ'লেই শটো মৈদাম দিবলৈ লৈ যোৱা হয়। শ যাত্রা আৰম্ভ হোৱাৰ পূর্বে পেঙনি কোবোৱা হয়। এতিয়া প্রশ্ন হৈছে পেঙনি কোবোৱানো কি? আৰু ইয়াক কিয় কৰা হয়? পেঙনি কোবোৱা মানে হৈছে, এটা কুকুৰা পোৱালি এজন পুৰোহিতে, তেওঁ মৃতকৰ একে পৰিয়ালৰ নহয়, তেওঁ কুকুৰাটো বাংভাৰৰ কান্ধ মাৰিত আচাৰি মাৰিব আৰু মৰাৰ পাছত তেওঁ কুকুৰাটোৰ এটা ঠেং বাংভাৰৰ এটা কান্ধ মাৰিত বাওঁভৰিৰে গছকি ধৰি আনটো অংশ বাঁও হাতেৰে আছাৰি শৰীৰৰ পৰা বিচ্ছিন্ন কৰি, বিচ্ছিন্ন কুকুৰাৰ ঠেঙটো মৃতকৰ বাংভাৰত ভৰাই দি বাকী অংশ আচুতীয়া ঠাইত পেলাই দিয়ে। এই পেঙনি কোবোৱাই মৃতক আজিৰপৰা জীৱিত সকলৰ লগত জীৱিত অৱস্থাত থকা সম্পর্ক ছেদ হোৱাক সূচায় আৰু ইয়াৰ পাছত জীৱিত আৰু ডামৰ নতুন সম্পর্ক গঠন হ'বলৈ পথ সুগম হোৱাক সূচায়। ইয়াৰ লগে লগে মৃতকৰ পৰিয়ালে এখন গুৱা-পাণৰ শৰাই বাইজলৈ আগবঢ়াই দি বাইজৰ আশীর্বাদ গ্রহণ কৰে। ইয়াৰ পাছত পুত্র-বংশ পৰিয়ালে সলনা-সলনিকৈ শ মৈদাম স্থলিলৈ কঢ়িয়াই লৈ যায়। এই যাত্রাৰ একেবাৰে আগত কাজ ধৰোতাই আগতে উল্লেখ কৰি অহা ভাৰখন ভাৰ বৈ নিয়ে আৰু হাতত জোৰ আৰু এৰাঁসূতা থকা উঘা লৈ যায়। এই উঘাৰ পৰা যাত্রাপথত সূতা ছিঙি ছিঙি পেলাই যায়। ইয়াৰ অর্থও সম্পর্ক ছেদ। বাকী বাইজে তেওঁ ব্যৱহাৰ কৰা কাপোৰ-কানি আদি কৰি সকলো সামগ্রী পূর্বতে মৈদামৰ ভিতৰত দিছিল যদিও বর্তমান বিচনা, কাপোৰ, লেপ, তুলি আদিবোৰ বেলেগ গাঁত খান্দি পুতি পেলায় অথবা পুৰি পেলায়। শ যাত্রা আৰম্ভ হোৱাৰ লগে লগে চ'ৰা ঘৰৰ মূল দেৱালখন বন্ধ কৰি দিয়া হয়। এই দুৱাৰ বন্ধ কৰা আৰু ওঁৱালৰ দুৱাৰত চাদৰ আঁৰি দিয়া হয় কাৰণ যাতে লক্ষ্মী আই তেওঁৰ লগত যাব নোৱাৰে আৰু ঘৰৰ লগত তেওঁৰ সম্পর্ক ছেদ হয়।

শ যাত্রীসকলে যেতিয়া মৈদামস্থলি পায়গৈ তেওঁলোকে বাংভাৰখন কান্ধত লৈ থকা অৱস্থাতে গাঁতৰ চাৰিওফালে আওপাকে তিনিপাক ঘূৰি বাংভাৰখন গাঁতৰ কাষত সুবিধাজনক ঠাইত কান্ধৰ পৰা নমাই থয়। টেকেলিৰ পানীৰে গাঁতটো ধুৱাই আলফুলেৰে পাটীৰে সৈতে মৃতকক গাঁতত

ভৰাই দিয়ে। এইখিনিতে যদি কফিনটো কাঠৰ হয় তেন্তে কোনো কথা নাই; যদি কাঠৰ পৰিবৰ্তে বাঁহৰ হয় তেন্তে গাঁতৰ তলত আৰু দুইকাষে কাঠ বা বাঁহ পাৰি দিয়া হয়। তাৰ উপৰিও মৃতদেহ দিয়াৰ পাছত তাৰ ওপৰতো তেনেধৰণে কাঠ, বাঁহ পাৰি দিয়া হয়। কফিনৰ ওপৰত তাৰ পাছত মৃতকৰ লগত যোৱা কাঠ, বাঁহ আদি পাৰি দি তাৰ ওপৰত কাচি ধৰোতাই নিয়া তাৰৰ সোণ-ধনৰ টোপোলা, মৃতকৰ নিত্য ব্যৱহাৰ কৰা টেমি, কটাৰী, কাঁহি বাটি আদি দিয়া হয়। কাচি ধৰোতাই প্ৰথম হাতত মাটি এচপৰা লয়। কাচি ধৰোতাই লোৱা মাটি চপৰা হৈছে সেই চপৰা মাটি যি চপৰা প্ৰথম গাঁত খান্দোতে ওলোৱা। বাকী সকলেও হাতে হাতে এচপৰাকৈ মাটি লয় আৰু তেওঁলোক গাঁতৰ চাৰিওফালে বহিব, লগে লগে পণ্ডিতে আশীৰ্বাদ দিয়ে। আশীৰ্বাদৰ পাছত কাচি ধৰোতাই মাটি গাঁতত প্ৰথমে দিয়ে আৰু চকুৰ পচাৰতে সকলোৱে গাঁতত মাটি দি গাঁতপোতাৰ উপৰিও পাঁচ-ছয়ফুট ব্যাসাৰ্ধৰ এটা অৰ্দ্ধ গোলোক আকৃতিৰ মৈদাম তৈয়াৰ কৰে। মৈদামৰ ওপৰত অৰ্থাৎ টিঙত এটা ঘৰ সাজে, এই ঘৰ সাজিবলৈ ৰাংভাৰত ব্যৱহাৰ কৰা চিতিকা ব্যৱহাৰ কৰা হয়। ঘৰৰ চাল হিচাপে খেৰ বা নৰা ব্যৱহাৰ কৰা হয়। এই চালৰ ওপৰত মৰচেওৰাখন দি দিয়া হয়। ঘৰৰ ভিতৰত এটা বৰ্গক্ষেত্ৰ কাঠেৰে সজা হয়। এই বৰ্গক্ষেত্ৰৰ চাৰি কোণত কাঠেৰে সজা কলডিল আকৃতিৰ কলচি থাকে। ইয়াক ৰি-ৰি-য়া-চি-চিয়া বোলে। ৰি-ৰি-য়া-চি-চি-য়াৰ ওপৰত বাঁহৰ তমালেৰে সজা ভোমোৰা, যোঁৰা আদি দিয়ে। কলচিকেইটা আৰু বৰ্গক্ষেত্ৰত কণীৰ কুহুম, এভাৰ আৰু হালধিৰে ৰং দিয়া হয়। এই ভোমোৰা, ঘোঁৰা, চৰাই আদি তেওঁ ব্যৱহাৰ কৰা নিত্য ব্যৱহাৰিক জীৱ-জন্তুৰ চিহ্ন। এই ঘৰক ম-ৰঙ্ বোলে। এই ঘৰটোৰ মুখখন মৃতকৰ ভৰিৰ ফালে মুখ কৰি থাকে আৰু ঘৰৰ মুখৰ পৰা এটা মাটিৰে পদূলি ওপৰৰ পৰা তললৈ সজা হয়। লগতে এটা পিৰালিও সজা হয়। পিৰালিৰ একাষে তামোল পুলি আৰু আনটো কাষে কলপুলি ৰোপণ কৰা হয়। মৈদামৰ নিম্নাংশত তিল বা সৰিয়হ বা মাটিমাহ কাচি ধৰোতাই সিঁচি দি কোৰেৰে সামান্য চৰিয়াই দিয়ে। এতিয়া সকলোৱে ওচৰৰ গছৰ পৰা গছৰ ঠাল আনি মৈদামৰ ওপৰত দি পণ্ডিতে বাইক-বচন মাতি শেষ বিদায় লয়। মৈদাম অন্য

জীৱ-জন্তুৱে ক্ষতি কৰিব নোৱাৰাকৈ জেওৰা দিয়া হয়। ইয়াৰ পাছতে সংকাৰকাৰী সকলে কোনোৱে মৃতকৰ ঘৰলৈ আৰু কোনোৱে নিজৰ ঘৰলৈ ঘূৰি আহে। ঘৰত সোমোৱাৰ পূৰ্বে তেওঁলোকে গা-পা ধুই আহে। সংকাৰকাৰীসকল ঘৰত প্ৰৱেশ কৰাৰ আগতে কোনোবাই পদূলিৰ মুখত অথবা মৃতকৰ ঘৰত, ঘৰৰ মানুহৰ বাদে অন্য কোনোৱে একুৰা জুই জ্বলাই সেই জুইত সংকাৰীয়ে এটা কাতীয়া গছৰ ঠাল দি তাৰ ওপৰেৰে পাৰ হৈ আহে। এইখিনিতে উল্লেখনীয় যে, ৰ'ভা, চুঙা, খুঙ্ আদি সাজিবলৈ যিজোপা গছৰ বাঁহ কটা হয় সেইজোপা গছৰ বাঁহ এবছৰলৈ অন্য কামত ব্যৱহাৰ কৰা নহয়।

<u>টোকা ব্যাখ্যা</u> ঃ


ন-ডামঃ — জীৱিত পুৰুষক প্ৰথম পুৰুষ ধৰিলে দ্বিতীয় পুৰুষক অৰ্থাৎ মৃত পিতা-মাতাক ন-ডাম বুলি কোৱা হয়।

ঘাই ডাম ঃ — ন-ডাম তৃতীয় পুৰুষলৈ উত্তীৰ্ণ হ'লে ঘাই-ডাম হয়। অৰ্থাৎ প্ৰথম পুৰুষৰ ককা-আইতাক ঘাই-ডাম বুলি কোৱা হয়।

চি-বেং-ডাম ঃ — ঘাই-ডাম তৃতীয় পুৰুষৰ পৰা উত্তীৰ্ণ হৈ চি-বেং-ডাম হয়। অৰ্থাৎ চতুৰ্থ পুৰুষ ।

জাকৰ্না-ডাম ঃ — চি-বেং-ডাম চতুৰ্থ পুৰুষৰ পৰা উত্তীৰ্ণ হৈ জাকৰ্না ডাম হয়। অৰ্থাৎ পঞ্চম পুৰুষ।

কূপ কৰা চিংকাৰা ফুলৰ তামোলঃ দুখন খাবলি কলপাতৰ মাজত ব্লক চিংফা এখিলা পাত বাখি এখন তামোল পাতৰ ওপৰত ৰখাকে চিংকাৰা ফুলৰ কূপ কৰা তামোল বুলি কোৱা হয়।



**কূপ কৰা তামোল দিয়া নীতি :**

| | |
|---|---|
| খাই-ডাম : | কূপ কৰা তামোল দুখন, মাইহাঙৰ ওপৰত এখন তলত খাবলি পাতৰ ওপৰত (মাটিত) |
| চি-বেং-ডাম : | কূপ কৰা তামোল মাইহাঙৰ ওপৰত দুখন তলত কোনো খাবলি পাত নাথাকে সেয়ে কোনো তামোল দিয়া নহয়। |
| জাকৰবা : | মাইহাঙৰ ওপৰত তিনিখন তামোল তলত কোনো তামোল কিম্বা খাবলি পাতো নাথাকে। |
| ন-ডাম : | মাইহাঙৰ ওপৰত দুখন তামোল, তলত দুখন তামোল। |


লুক লাও কল-পটুৱাৰ ঠোলাত (ভুৰং) দিয়া হয়। আৰু তামোলৰ সংখ্যাৰ অনুপাতে ঠোলাৰ সংখ্যা একে।

**ডামত দিওতে ব্যৱহাৰ কৰা খাদ্য সামগ্ৰী :**


শুকতাৰ শাক, আদা, তেল, নিমখ, বহি লাও, তামোল, আৰু প্ৰত্যেক ডামকে একোজনী বাগুলী কুকুৰা দিয়া হয়।

**মৰা লগ লগোৱা :**


মৰা লগ লগালে ন-ডাম খাই ডাম হয়। খাই-ডাম চি-বেং-ডাম হয়। চি-বেং-ডাম জাকৰবা ডাম হয় আৰু জাকৰবা ডাম জখলা মুখিয়ালে উত্তীৰ্ণ হয়। জখলা মুখিয়াৰ পাছৰ ছয় পুৰুষৰ পৰা চৈধ্য পুৰুষলৈ এই ন-পুৰুষক ন-পুৰুষীয়া বুলি ন-পুৰুষীয়া সকাম পতা হয়। এই চৈধ্য পুৰুষৰ অন্তত আত্মাই পৰম পুৰুষ ইন্দ্ৰোপ্ৰাৰ লগত বিলীন হৈ যায় বুলি বিশ্বাস কৰা হয়। অৰ্থাৎ ডাম বীলৈ ৰূপান্তৰিত হয়।




লাংকুৰী-জানচাইহং
ওপৰত ৫খন তামোল



লাবেঙ (অনঙ)



ফা-নু-ক লেঙডন



জাছিংফা

সৰগদেউ পূজা :-

১। লাংকুৰী জান চাইহং : মাইহাঙৰ ওপৰত ৫ খন কূপ কৰা তামোল ৫ টা ঠোলা লগতে আৰৈ চাউল, আদা, নিমখ, তেল আৰু ঠোলাত লুক লাও থাকিব।

২। লাবেঙ : মাইহাঙৰ ওপৰত কূপ কৰা তামোল ১ খন, এটা ঠোলাত লুকলাও, আৰৈ চাউল, আদা, নিমখ, তেল দিয়া হ'ব।

৩। নুক লেঙডন : মাইহাঙৰ ওপৰত তিনিখন কূপ কৰা তামোল আৰু তিনিটা ঠোলাত লুকলাও লগতে আৰৈ চাউল, আদা, নিমখ, তেল দিয়া হয়।

৪। জাছিংফা : মাইহাঙৰ ওপৰত তিনিখন কূপ কৰা তামোল আৰু তিনিটা ঠোলাত লুকলাও লগতে আৰৈ চাউল, আদা, নিমখ, তেল দিয়া হয়।

## মৃত সংস্কাৰ

| | |
|---|---|
| ১। মৃত ঠাই ঃ | স্বভাৱতে ঘৰৰ ভিতৰত মৃত্যু হ'ব লাগে। |
| ২। মৃত শৰীৰ গা ধুওৱা ঃ | ঘৰৰ আগদুৱাৰৰ কাষে কণী ভাঙি গা ধুৱায়। |
| ৩। কাপোৰ পিন্ধোৱা ঃ | নতুন বগা কাপোৰ পিন্ধায়। |
| ৪। ৰভা সজা ঃ | চোতালত বাঁহৰ চাৰিখুটি মাৰি ওপৰত কলপাত দি তলত মৃতদেহ ৰাখে। |
| ৫। নতুন ঢাৰি কাপোৰ দিয়াঃ | নতুন ঢাৰিত নতুন কাপোৰ আওপাকে মেৰিয়ায়। আত্মীয় জনেও ইয়াৰ ওপৰত কাপোৰ দিব পাৰে। |
| ৬। তামোল দিয়া ঃ | কাপোৰ মেৰিওৱা মৃত দেহৰ ওপৰত পাঁচখন থুৰীয়া তামোল দিয়ে। |
| ৭। ভাত দিয়া বা পতাৰ নিয়ম ঃ | নিজৰ পুত্ৰই বা আত্মীয় জনে মাটিৰ চৰুত ভাত আৰু কুকুৰাকণী সিজায় আৰু এটা কুকুৰা মাৰি পুৰি ফালি চাকা কৰি ভাত, লাও,কটা তামোল-পাণ (ফুল) মেহেঙাত সজাই পুৰোহিতৰ দ্বাৰা মন্ত্ৰসহ আগবঢ়ায়। এই কাৰ্যত তেওঁ ওচৰত থকা পৰিয়াল আৰু আলহী মিতিৰ-কুটুম সকলেও এই কাৰ্যত দ্ৰব্য আদি দিব পাৰে। |
| ৮। নাড়ী কটা ঃ | একোডাল সূতাত সাতটা, পাঁচটা গাঁঠি দি বাঁহৰ বেজি সাজি সূতাৰ লগত বান্ধি শটো মেৰিওৱা কাপোৰত শিলিব। মৰাজে পাঁচটা গাঁঠি জীয়ালে সাতটা গাঁঠি মাৰি ঘৰৰ ছালৰ ওপৰলৈ দিব। |
| ৯। বাঁও সজা ঃ | বাঁহৰ চাৰিখুটিৰে বাঁও সাজে। ইয়াত ভৰাই মৈদাম দিয়া ঠাইলৈ চাৰিজনে ভাৰ বৈ নিয়ে। পুত্ৰ তথা আত্মীয়জনে ভাৰ বৈ নিয়ে। |

১০। চেওৰা কাপোৰ : বাওত শ ভৰাই বাঁহৰ চিতিকা দি চেওৰা কাপোৰ দিয়ে।

১১। পেৰেঙনি : নিজৰ পুত্ৰই, জোঁৱাই বা আত্মীয়জনে এটা কুকুৰা বাওত কোবাই মাৰি বাওঁহাতে এই কাম কৰি কুকুৰা পীৰাটো বাওত ভৰাব, বাকী অংশ পশ্চিমফালে অলপ আঁতৰত পেলাব।

১২। গএগ্ৰা আতিলৈ শৰাই : গৃহস্থ আৰু পৰিয়ালবৰ্গই তামোল-পাণৰ শৰাই আগবঢ়াই মৃতকৰ সদ্‌গতি কামনা কৰে।

১৩। মৃতদেহ ভাৰবোৱা : নিজ পুত্ৰ তথা আত্মীয়জনে ভাৰ বয়। (চাৰিজনে ভাৰ বয়)

১৪। সূতা ছিঙা : সূতা মেৰিওৱা উঘা এটাৰ পৰা সূতা ছিঙিব মৃত-ভাৰ বোৱা আগবঢ়াজনে।

১৫। জুই নিয়া : মৃত-ভাৰ বোৱা আগত যোৱাজনে জোৰ এটা জ্বলাই মৈদামৰ থলীলৈ লৈ যায়।

১৬। গাত খন্দা : প্ৰথমে মূল্য এটা দিয়ে। প্ৰথম মাটি চপৰা একাৰবীয়া কৰি ৰাখে। উক্ত মাটি চপৰা নিজৰ পুত্ৰ বা আত্মীয়জনে প্ৰথম গাঁতত দিয়ে।

১৭। তুং লুং সজা আৰু মৃত দেহ ভৰোৱা : কাঠৰ এটা বাকচ সাজি নাইবা কাঠৰ মাজত মৃতদেহ ভৰাই আৱৰণেৰে ৰাখি মৃতদেহৰ ওপৰত মাটি দিয়ে। (ভগৱানৰ) পৰম ঈশ্বৰক স্মৰণ কৰি মাটি দিয়ে।

১৮। কৃষি বীজ পুলি আদি দিয়া : কল, তামোল, আম, কঠাল আদি অন্যান্য পুলি আৰু অন্যান্য শাক-পাচলিৰ গুটি মৈদামৰ কাষে কাষে সিঁচে।

১৯। (অন্যান্য) আচৰাব : মৈদামৰ ওপৰত এখন খাতৰি সাজি (কাঠৰ পাতেৰে) যথাস্থানত সজাই চৰাই তোমোৰা আদি প্ৰীতি দিয়ে।

২০। মৈদামৰ ওপৰত ঘৰ দিয়া ঃ মৈদামৰ ওপৰত সাধাৰণ মানুহৰ ক্ষেত্ৰত বাঁহৰ চিতিকাত খেৰেৰে এটা ঘৰ সাজি দিয়ে। এই ঘৰ সম্বন্ধীয় জনেহে কৰে।

২১। অলঙ্কাৰ দিয়া ঃ পাটী দৈ কৰা অংশক ৰূপ আৰু হালধি চকল কৰি দিয়া অংশটোক সোণৰূপে দিয়ে।

২২। সদগতিৰ কামনা ঃ মৈদামৰ কাম শেষ কৰা পাচত পৰম ঈশ্বৰক স্মৰণ কৰি সেই ঠাইৰ পৰা মৃতজনৰ পাম ঘৰলৈ আহে।

২৩। মৃত দিন কেঁচা তেল চোৱা ঃ নীতি অনুসাৰে তেল পানী জাৰি গএৰ বাইজে সেই তেল পানী চোৱা। মৃতজনতকৈ বয়স আৰু সম্বন্ধ ডাঙৰ হ'লে সৰু আঙুলিৰে চোৱে, সম্বন্ধীয়ে সমান হ'লে মাজৰ আঙুলিৰে চোৱে। নিজৰ পৰিয়ালবৰ্গই সেইদিনা কেচা তেল নোচোৱে।

## তিলনি কাৰ্য

কাৰ্য সম্পন্ন ঃ জাতি সমাজ মিত্ৰৰ কুটুম্ব আৰু আমন্ত্ৰিত পুৰোহিত আদিয়ে সম্মিলিতভাৱে সম্পন্ন কৰে।

১। বভা সজা ঃ বাঁহৰ চাৰিখুটি মাৰি ওপৰত কলপাত দি এখন বভা সাজে।

২। তেল পানী জৰা ঃ এটা কলপটুৱা ডোঙত মিঠাতেল, পানী, তাম আৰু চাউল মিহলাই মন্ত্ৰ অনুসাৰে তিনি পুৰোহিতে সম্পন্ন কৰে।

৩। তেল পানী চোৱা ঃ গএৰ জাতি সমাজে তেল পানী চোৱাৰ পাচত মৃতজনৰ পৰিয়ালবৰ্গই তেল চোৱা নিয়ম।

৪। শৰাই দিয়া ঃ পুৰোহিত, জাতি/সমাজ পৰম ঈশ্বৰৰ নামত পাণ-তামোলৰ শৰাই, চাকি বন্তি আদি আগবঢ়ায়। আৰু পাৰ্থনাৰে কল্যাণৰ দিয়া হয়।

| | |
|---|---|
| ৫। ভকত শুশ্ৰূষা : | তাই আহোমীয়া পদ্ধতিত ভকত (শুশ্ৰূষা) সেৱা কৰে। মৃতকৰ সদ্গতি আৰু উপৰিপুৰুষৰ সঙ্গ পোৱা কামনা কৰে আৰু আশীৰ্বাদ কামনা কৰে। |
| ৬। আত্মীয় জনৰ কামনা : | মৃতজনৰ পৰিয়ালৰ উপৰি জী, জোঁৱাই, বন্ধু আত্মীয়জনেও ভকত সমাজক গুৱা পাণৰ শৰাই অৰিহণা, খাদ্য দ্ৰব্য আদি দি মৃতকৰ সদ্গতি ও আশীৰ্বাদ কামনা কৰে। |
| ৭। ঘৰ শুদ্ধি : | নামতাওত মন্ত্ৰপূত কৰা জলেৰে ঘৰখনৰ সকলো ঠাইতে ছটিয়াই শুদ্ধ কৰে। |
| ৮। জুই নুমুৱা কাৰ্য : | ভকত সেৱা গ্ৰহণ কৰাৰ পাচত এই কাৰ্য কৰে। এখন গুৱা-পাণৰ শৰাই সজাই পুৰোহিতে কলপাতত দুটা খেৰৰ সোপা, দুটা জোৰ, লাওপানী এচুঙা, চেঁচা পানী এচুঙা, কুকুৰা কণী এটা শিল এটাত মন্ত্ৰপূত কৰি ভাঙে। নিজৰ পুত্ৰই বা আত্মীয়জনে সেই দ্ৰব্যসমূহ হাতেৰে ধৰি থাকে। মন্ত্ৰৰ শেষত পশ্চিমফালে থৈ আহে। তেওঁ গাত পিন্ধা কাপোৰ পেলাই নতুন কাপোৰ পিন্ধি গা পা ধুই আহি ভকত সমাজক সেৱা কৰে। |
| ৯। লযোণৰ পৰা ভাত মুকলি : | জোঁৱায়েক বা আত্মীয়জনে ৰৰঘৰৰ উধান নতুনকৈ পাতি ভাত, শাক বাদ্ধি মৃত পৰিয়াল আৰু আলহী আত্মীয়জনক খোৱাই ব্ৰতৰ পৰা মুকলি হয়। |
| ১০। উধান ভাঙা আৰু পাতা : | ওপৰত উল্লেখিত মতে মৃত দিনা ভাত সিজাবলৈ যাই উধান ভঙা হয়। জোঁৱায়েক আদি আত্মীয়জনে ৰৰঘৰৰ মজিয়াৰ চকত সেই উধান পুনৰ প্ৰতিষ্ঠা কৰে। |

১১। চিৰি এটা পেলাই ৰখা ঃ মৃত্যুৰ দিনা য'ত শেষ নিশ্বাস পেলাইছিল সেই ঠাইত তাঁতৰ চিৰি এচটা পেলাই থয়, সেই ঠাইত কোনো মানুহে ভৰি দিব বা গচকিব নেপায় বুলি বিশ্বাস কৰে।

১২। তিলনি দিনা ভাত পতা ঃ গধূলি নিজা পুতেকে মাটিৰ চৰুত ভাত ৰান্ধি এটা পাত্ৰত ভাত ৰাখি কোনো পল বা জুলুকীৰে ঢাকি ৰাখে। যদি সেই ভাতত কোনো খোচ বা চিন পায়, মৃতজনৰ আত্মা থাকে ঘৰলৈ আহে; যদি ভাতখিনি একেদৰে থাকে তেওঁ সেই ঠাইলৈ বা ঘৰলৈ অহা নাই বুলি বিশ্বাস কৰে।

## মে ডাম মে ফিৰ পাওত দিবলগীয়া বস্তু (কণী দি পাতিলে)

১। খাও খাম ঃ মাটিত পাত পাৰি, তাওকাক ১ ডাল, চুপ তাও ১টা, চাকি ১টা, গোটা তামোল-পাণ ১টা। কুপ কৰা তামোল ২খন, চাউল ২ভাগ, হাঁহকণী ২টা।

২। আই লেং দিন ঃ মাটিত পাত পাৰি চাওকাক ১ডাল, চুপ তাও ১টা, চাকি ১টা, গোটা তামোল-পাণ ১টা, কুপ কৰা তামোল ৩খন, ঠোলা ৩টা, কণী চাউল ৩ভাগ।

৩। জান চাই হং ঃ ফুল ১খন, তাও কাক ১ডাল, চুপ, তাও ১টা, চাকি ১টা, গোটা তামোল ২খন, ঠোলা ২টা, কণী চাউল ২ভাগ।

৪। ফানুক প' লেওডন ঃ ফুল ১খন, তাও কাক ১ডাল, চুপ, তাও ১টা, চাকি ১টা, গোটা তামোল-পাণ ১টা, কুপ কৰা তামোল-পাণ ৩খন, ঠোলা ৩টা, কণী চাউল ৩ভাগ, ফুলৰ তলত এভাগ।

৫। মুত্ত কুম তাই কুম ঃ ফুল ১খন, তাও কাক ১দাল, চুপ তাও ১টা, চাকি ১টা, গোটা তামোল-পাণ ১টা, কুপ কবা তামোল ২খন, ঠোলা ২টা, কণী চাউল ২ভাগ।

৬। চিত পাম চাম ঃ ডাঙব ফুল ১খন, তাঙ কাক ২ডাল, চুপ তাও ১টা, চাকি ১টা, গোটা তামোল-পাণ ১টা, কুপ কবা তামোল ৭খন, ঠোলা ৭টা, কণী চাউল ৭ভাগ।

৭। জা ছিঙফা ঃ ফুল ১খন, তাঙ কাক ১ডাল, চুপ তাও ১টা, চাকি ১টা, গোটা-তামোল পাণ ১টা, কুপ কবা তামোল-পাণ ৩খন, ঠোলা ৩টা, কণী চাউল ৩ভাগ।

৮। ডাম ফী ঃ থুম কবি ১ডাল শলাবে বনোবা ফুল ১টা, কুপ কবা তামোল ২খন, কণী চাউল ২ভাগ, চাকি ১টা।

৯। বা মৃন ঃ মাটিত ছাঙী পাবি তাঙ কাক ১ডাল, চুপ তাও ১টা, চাকি ১টা, গোটা-তামোল পাণ ১টা, কুপ কবা তামোল ৩খন, থুলা ৩টা, কণী চাউল ৩ভাগ।

১০। বাখৃন ঃ মাটিত চাঙী পাবি তাঙ কাক ১ডাল, চুপ তাও ১টা, চাকি ১টা, গোটা-তামোল পাণ ১টা, কুপ কবা তামোল ২খন, ঠোলা ২টা, কণী চাউল ২ভাগ।

## কুকুৰা নি পাতিলে

১। কুকুৰা ২৪টা।

২। কুকুৰা সক ৫টা।

৩। বৰা চাউল ২ কিলো।

৪। আখৈ ৫০০ গ্ৰাম।

৫। পকা কল এক আখি।

৬। কেঁচা কল ১টা।

৭। কেঁচা পিঠা ১কিলো চাউলৰ।

৮। গুৰ ৫০০ গ্ৰাম।

৯। গাখীৰ ১ লিটাৰ।

১০। কুঁহিয়াৰ ১ ডাল।

মজলীয়া কেন পাতত আখৈ মিঠৈ পকাকলে, কুঁহিয়াৰে কেঁচাকলে থাও থামে ফুলত দিব। কুকুৰা লাও কৰি তাৰ বুকুত যবা ভাত, লাক, কলী দিব।

দ্বাদশ অধ্যায়

# আহোমৰ বিবাহ পদ্ধতি – চক্‌লং

আহোমৰ বিবাহ পদ্ধতি চক্‌লং এক অনবদ্য সামাজিক অনুষ্ঠান যি আহোমৰ স্বকীয় বিশিষ্টতা প্ৰকাশ কৰে। বিবাহৰ পবিত্ৰ বন্ধনত আহোমৰ যুৱক-যুৱতী, মুনিহ-নাৰী পবিত্ৰ বন্ধনত আবদ্ধ হ'বলৈ যাওঁতে যি সকল লোকে চক্‌লং বিধিমতে বিবাহ সম্পন্ন কৰে, তেওঁলোকে এই পদ্ধতিৰে বিবাহ-অনুষ্ঠানৰ মহত্ব অনুভৱ কৰিব পাৰে আৰু সমগ্ৰ জীৱনত এই চক্‌লং পদ্ধতিৰ বিবাহ উপদেশসমূহ মানি চলিবলৈ অনুপ্ৰাণিত হয়। যিহেতু আহোমসকলৰ মহান দেৱতা লেংডনৰ বিবাহ চক্‌লং পদ্ধতিৰে সম্পন্ন হৈছিল বুলি পবিত্ৰ ধৰ্মপুথি "লিট-নাং-হুন-ফা"ত বহলভাৱে লিপিবদ্ধ হৈ আছে, গতিকে সকলো আহোমেই চক্‌লং অনুষ্ঠানক অতি পবিত্ৰ অনুষ্ঠান বুলি গণ্য কৰি আহিছে। লেংডনৰ লগত ৰাজকাৰেঙত চক্‌লং ৰিধি অনুসৰি নাং হুং ফা সুন্দৰীৰ বিবাহ সম্পন্ন হয়। এই বিবাহেই আহোমসকলৰ পাথেয়।

এই নিয়ম সমূহৰ বিষয়ে আলোচনা কৰা হৈছে : (১) জোৰণ : কন্যাৰ আৱশ্যকীয় সাজ পোচাক ইত্যাদি দৰাৰ ঘৰৰ পৰা বিয়াৰ ৩, ৫ বা ৭ দিনা সাধ্য অনুযায়ী পঠিওৱা হয়। দুটা মাটিৰ টেকেলি, আমডালি, মাটি মাহ আৰু হালধি আদিও আনে। কাপৰ টেমি কটাৰী আৰু তামোল পাণ গামোছাত অনা হয়। দৰাৰ মাক আৰু অন্যান্য মহিলা, লগত দুই তিনিজন বা তাতোধিক পুৰুষ কইনাৰ ঘৰলৈ গৈ প্ৰথমতে কইনা উলিওৱাৰ পিচত পাটী পাৰি বহুৱাই দৰাৰ ঘৰৰ মহিলাই কাপোৰ কানি পিন্ধাই, আ-অলংকাৰ পিন্ধাই চুলিত তেল

দি ফণিৰে আঁচুৰি ৰূপৰ তামোল আৰু সোণৰ আঙঠি থৈ জোৰণৰ নাম গাই উৰুলি দিয়ে। কন্যাক বিয়াৰ দিনা মাহ-হালধিৰে গা-ধুৱাবৰ কাৰণে দৰা ঘৰৰ পৰা জোৰণৰ উক্ত সামগ্ৰী লগত পঠিয়াই দিয়ে আৰু মাটিৰ টেকেলিত সেয়া ৰাখি থ'ব লাগে। সেইদৰে কন্যাৰ ঘৰৰ পৰা মাহ-হালধি আৰু সৰিয়হ তেল আদি মহিলা সকলে ঘাটৰ পৰা নোওৱাৰ পানী কলহত আনে। ঘৰৰ সন্মুখৰ ছালত অলপ অলপকৈ তিনিবাৰ ঢালিব লাগে। নোওৱাৰ বাবে মাহ-হালধি মিহিকৈ বাটি লৈ অলপ মিঠাতেল সানি লৈ দৰা বা কইনাৰ গাত সানে। কলচিৰ পৰা পানী ঢালি তাৰ পিছতহে অন্য পানী ঢালিব পাৰি। পানী তুলিবলৈ লৈ যোৱা দুণৰি নোওৱাৰ সময়ত দৰা বা কইনাৰ সন্মুখত আগত থৈ লয়।

## ন-পুৰুষৰ ভোজ

বিয়াৰ দুই-চাৰিদিনৰ আগত কন্যাৰ ঘৰত জোৰণ দিয়াৰ পিছত দৰা কন্যাৰ উভয় ঘৰতে প্ৰথম মাংগলিক কৰ্ম হিচাবে ন-পুৰুষক উদ্দেশ্যি ভোজ ভাত খুৱায়। পণ্ডিত-পুৰোহিত, জ্ঞাতি-বৰ্গক মাতি নজ্জন উপৰি পুৰুষ দেৱতাৰ নিমিত্তে উচৰ্গা কৰা এই ভোজ খাবলৈ লোৱাৰ আগতে নিজ নিজ ঘৰত দৰা আৰু কইনাই ৰাইজৰ আগত তামোল-পাণৰ শৰাই আগবঢ়াই সেৱা কৰি ৰাইজৰ আশীৰ্বাদ লয়।

## বিক্‌খন বা আয়ুস তোলা অনুষ্ঠান

দুই-তিনিজন ম'লুং (পুৰোহিত) এ একোখন জাকৈ লৈ ওচৰৰ পুখুৰী, নৈ বা বিলৰ পাৰত তামোল-পাণ, কণী, চাউল আদি দি খাও-খাম (জল দেৱতা)ক মন্ত্ৰপাঠ কৰি পূজা কৰে আৰু দৰা কইনাৰ পৰমায়ু তোলে। পুৰোহিত কেইজনে যি মাছ জাকৈ মাৰি পায় তাক টোপোলা বান্ধি আনি দৰা কইনাৰ মূৰত থৈ "চাও নুক চাও কাও ঐ" বুলি প্ৰাৰ্থনা গায় দৰা কইনাৰ দীৰ্ঘায়ু কামনা কৰে। পিছত সেই মাছ ৰান্ধি দৰা-কইনাক খুৱায়।

**দেওবান উৎসৱ**

বিয়াৰ আগ দিনা দৰা আৰু কইনা দুয়ো ঘৰতে দেওবান কৰিব লাগে। এই দেওবানত আহোমৰ দেৱতা লেংডন, লাংকুৰী, লাৰেং, জান্-ছাই-হুং, জা-চিংফাক তামোল পাণৰ শৰাই আগবঢ়াই আৰাধনা কৰিব লাগে। দৰা ঘৰৰ পৰা কইনাৰ ঘৰলৈ সাতটা কলপটুৱাৰে সজা দোনাত আগ গুৰি কটা তামোল-পাণ ভৰাই পঠিয়াব লাগে আৰু কইনাৰ ঘৰত দেওবান কৰোতে সেই তামোল পাণৰ দোনা কেইটাৰ উপৰিও কণী বাৰটা, অলপ আৰৈ চাউল, অলপ সাজ-পানী বা মৌ, না না সাজ বস্তু, চিংকাৰা ফুল আৰু বাৰখন থুৰিয়া তামোলেৰে ম'লুং পুৰোহিতে মন্ত্ৰ পাঠ কৰি উপাসনা কৰিব। মৃতকৰ কাৰণে শৰাই দিব লাগে। ম'লুঙে সাতখন কল-পটুৱাৰ দোনত উপাচাৰ দ্ৰব্য দি দেওবান মন্ত্ৰ মাতে।

আপ্ তাং ঃ মন্ত্ৰপূত ঔষধ মিহলি পানীৰে দৰা কইনাই গা ধুব। গা-ধোওঁতে এখন চালনীৰ ওপৰত উঠি লৈ এজোপা ডাল-পাত থকা ভৰণ গছলৈ চাই "আও ফ্ৰা আও ট্ৰা আলং" নামলৈ পানী মূৰত ঢালিব লাগে। গা ধোবাৰ পিচত নতুন সাজ পিন্ধিব লাগে আৰু হাতত কাচি লৈ তিনিখোজ পিছ হুহকি ফ্ৰা-ট্ৰা নামলৈ তিনিটা আঁক মাৰি গুচি আহিব লাগে। "আজিৰ পৰা বিপদ-আপদ এই আঁক পাৰ হৈ নাহিবা" বুলি ক'ব লাগে। শেষত পাঁচজন, সাতজন বা নজন পূজনীয় লোকক জা-জলপান খুৱাই দৰাই-কইনাই সেৱা জনায়।

**গাঁঠিয়ন খুন্দা ঃ**

চকলং বিবাহৰ দ্বিতীয় দিনা ৰাতি বৃদ্ধা, মহিলা, জীয়ৰী-বোৱাৰীয়ে দৰা-কন্যাৰ মূৰত তেল দিয়ে। মাকৰ সৈতে পাঁচ গৰাকী বা সাত গৰাকী মহিলাই দৰা আৰু কইনাৰ মূৰৰ ওপৰত এখন কাপোৰ ধৰি গাঁঠিয়নৰ শিপা খুন্দে। খুন্দাৰ পাছত দৰা-কইনাৰ কপালত ফোঁট এটি দিয়ে।

**দৈয়ন দিয়া ঃ**

বিবাহৰ দিনা ৰাতিপুৱা দৰা-কইনাৰ মাকে বা সম্পৰ্কীয়া মহিলাই দুহাতে দুখিলা পাণ লৈ গাখীৰত জুবুৰিয়াই দৰা-কইনাৰ মুখ, বাহু, আঁঠু আৰু

ভৰিত তিনিবাৰকৈ লগায়। আয়তীসকলে দৈয়নৰ নাম গায়।

**বৰৰ কইনা ঘৰলৈ যাত্ৰা ঃ**

নোওবাৰ পিচত দৰাক সাজপাৰ পিন্ধাই সমাজত বহুৱাই ৰাইজৰ আশীৰ্বাদ লয়। আইসকলে কন্যাৰ ঘৰলৈ দৰা যাত্ৰা কৰাৰ নাম গায় । সমাজত পিতৃ-মাতৃ, পূজ্যজনক দৰাই সেৱা কৰি ৰাইজৰ সেৱা লৈ জাতি-বৰ্গ, ইষ্ট-কুটুমৰ সৈতে দৰা কইনাৰ ঘৰলৈ যাত্ৰা কৰে। ধুতি, কামিজ বা চাপ্‌কন চোলা, গাত চাদৰ, হাতত ৰুমাল, কান্ধত গামোচা, মূৰত পাগুৰি পিন্ধি দৰা আগ বাঢ়ে। লগত দৰাৰ বন্ধুৱেকৰ হাতত ছাতি আৰু যাৱতীয় বস্তু লগৰীয়াৰ হাতত শৰাই, তামোল-পাণ ইত্যাদি দিয়ে।

**সুৱাগুৰি তোলা ঃ**

কইনাৰ ঘৰৰ পদূলি মূৰ পালেই কইনাৰ মাক আৰু মহিলাসকলে সুৱাগুৰি তোলে। সাধাৰণতে পদূলিৰ মূৰত কলপুলি পোতা হয়। কইনাৰ ওচৰৰ পৰা দুণৰি আৰু চাকি লৈ দৰাক ভৰি ধুৱাবলৈ পীৰা আৰু পানী এলোটা অনা হয়। মহিলাসকলে কন্যাৰ মাকক আঁৰ কাপোৰ দি ধৰি আনে। দৰাৰ ওচৰ পাওঁতেই কাপোৰখন গুচাই দিয়ে। কইনাৰ সম্পৰ্কীয়া সৰু ছোৱালী এজনীয়ে পীৰাখন পাৰি দৰাক ভৰি ধুৱায়। দৰাই ভৰি ধুৱাই দিয়া সৰু ছোৱালী জনীক পাণ-তামোলৰ টো পোলা আৰু টকা উপহাৰ দিয়ে। আঁৰ কাপোৰ আঁতৰাই কইনাৰ মাকে দৰাৰ দুয়োখন গালত চুমা খাই ৰভাতলীলৈ আনে।

**ৰভাতলীত চক্‌লঙৰ মণ্ডপৰ সমুখত বহা**

চকলঙৰ বেদীটো সাতোটা ৰঙেৰে এপাহি পদুম ফুলৰ আকৃতিৰে সজা হয়। এই পদুম ফুলৰ আকৃতি জ্যামিতিক আকাৰত ভাগ কৰি ১০১গছ মিঠাতেলৰ চাকি জ্বলায়। সাধাৰণতে বেদী বা মড়ল তৈয়াৰ কৰোতে বেদীখন ১ বা ২ ইঞ্চি মান ওখ আৰু ৬১ ইঞ্চি ব্যাসৰ হলে ভাল হয়। সমুখত দৰাক বহুৱায়।

**কইনাক ৰভাতলীলৈ অনা ঃ**

কইনাক ৰভা তললৈ উলিয়াই দিবৰ বাবে দৰাৰ ঘৰৰ পৰা এখনি শৰাই কইনা ঘৰৰ নামতী সকলৰ উদ্দেশ্যি আগবঢ়ায়। কইনাৰ ঘৰৰ গাভৰুসকলে কইনাক ৰভাৰ তললৈ দাঙি আনি মড়লৰ ওচৰত দৰাৰ বাওঁহাতে থোৱা আসনত বহিবলৈ দিয়ে। কইনাই আসন পোৱাৰ লগে লগে দৰাই নিজ আসনত থিয় হয় আৰু দৰা ঘৰৰ মানুহে দৰাই ছোৱালী দেখা নাপাবৰ বাবে আঁৰ কাপোৰ তৰে। ইয়াৰ পিছত পুৰোহিতে আঁৰ কাপোৰ গুচাবলৈ নিৰ্দেশ দি দৰা-কইনাক বহিবলৈ কয়। দৰা-কইনাই ৰাইজলৈ হাত যোৰ কৰি মূৰ অলপ দোৱাই আৰু পুৰোহিত / ৰাইজে আশীৰ্বাদ দিয়ে। ৰাইজে "অ ফুৰা অ তাৰা" বুলি জয়ধ্বনি দিয়ে আৰু পুৰোহিতে আশীৰ্বাদ দিয়ে।

তাৰ পিছত দৰা-কইনাৰ সাত পুৰুষৰ বুৰঞ্জী বৰ্ণনা কৰে। এনেদৰে দৰা-কইনাৰ উভয়ৰে বংশৰ কথা জানে।

ইয়াৰ পিছত টাই-ভাষাত আৰু লগতে অসমীয়া ভাঙনিৰে বিবাহৰ মাংগলিক কাৰ্য্য আৰম্ভ হয়।

কইনাৰ পিতৃ বা জ্যেষ্ঠ আত্মীয়ই পুৰোহিতলৈ শৰাই আগ বঢ়াই কয় ঃ "হে গুৰুদেৱ! আজি মোৰ জীয়ৰী / ভনী (ইত্যাদি) শ্ৰী মতী..... ক শ্ৰী মান ............... বোপাৰ লগত চক্‌লং বিধিমতে সম্প্ৰদান কৰিবলৈ আপোনাক এই দান সহ পুৰোহিত ৰূপে বৰণ কৰিলো। অনুগ্ৰহ কৰি কাম সম্পূৰ্ণ কৰে যেন।"

শৰাই গ্ৰহণ কৰি পুৰোহিতে কয়ঃ "ৰাইজ আৰু কন্যাদাতা! আজি মই শ্ৰী যুত.... কন্যাদাতাৰ অনুৰোধ মতে চক্‌লঙৰ মাংগলিক কামৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিলো।"

দৰা-কন্যাই সেৱা কৰে আৰু ৰাইজে আশীৰ্বাদ দিয়ে।

পুজাৰীয়ে টাই-ভাষাত মন্ত্ৰ গায় আৰু দৰাই স্তুতি কৰি হাতত ফুল আৰু চাউল লৈ গায়ঃ "হে পৰমেশ্বৰ! আজি আমাৰ শুভ বিবাহ মংগলময় কৰক।" দৰাই মড়লৈ ফুল চাউল ছটিয়ায় আৰু আয়তীসকলে উৰুলি দিয়ে। কন্যাদাতাই মড়লৈ চাই প্ৰাৰ্থনা কৰেঃ হে পৰমেশ্বৰ! এই কইনাটিক মই বৰৰ হাতত অৰ্পণ কৰিছো।"

কইনাদাতাই দৰাৰ সোঁহাত নিজৰ সোঁহাতে আৰু তেওঁৰ বাওঁহাতে কইনাৰে সোঁ-হাতত ধৰি বা দৰাৰ সোঁহাতৰ বুঢ়া আঙুলিৰ ওপৰত কইনাৰ সোঁহাতৰ বুঢ়া আঙুলি ৰাখি কয় - "হে পৰমেশ্বৰ! তোমাক সাখী কৰি আজি মোৰ জীক / ভনীক ৰবৰ হাতত অৰ্পণ কৰিলো। সদায় ৰক্ষা কৰিবা।"

দৰাই তেতিয়া কয়, "আপোনাৰ দান অতি সাদৰেৰে গ্ৰহণ কৰিলো। মই এওঁক অতি সাদৰেৰে ৰাখিম।" কইনাই তেতিয়া ১০১ পাহ ফুলেৰে গাঁথা মালাধাৰি দৰাক পিন্ধাবলৈ লৈ এনেদৰে কয়! "হে বঙহুৰ দেও, মোৰ অন্তৰৰ ১০১ টি ভাবেৰে ১০১ কোটি দেৱতাৰ নামত ফুলেৰে গাঁথা এই মালাধাৰেৰে আপোনাক স্বামীৰূপে বৰণ কৰিলো।"

মালা পিন্ধাই কন্যাই দৰাক সেৱা জনাব। আয়তী সকলে উৰুলি দি দৰা-কইনাৰ মূৰত ফুল ছটিয়াব। পুৰোহিতে আশীৰ্বাদ দিব।

দৰাইয়ো ১০১ পাহ ফুলৰ মালা পিন্ধাই "তোমাক অৰ্ধাঙ্গিনী আৰু সহধৰ্ম্মিনীৰূপে গ্ৰহণ কৰিলো।" আয়তীসকলে উৰুলি দি দৰা-কইনাৰ মূৰত ফুল ছটিয়াব আৰু পুৰোহিতে আশীৰ্বাদ দিব।

দৰা-কইনাই সেৱা জনাব আৰু সমজুৱা সকলে জয়ধ্বনি দিব। দৰা-কইনাই হাতত ফুল আৰু চাউল লৈ ভগবানক মন্ত্ৰ মাতি প্ৰাৰ্থনা জনাব। "হে পৰমেশ্বৰ! হে লেংডন! তুমি সবাতকৈ শ্ৰেষ্ঠ আৰু ডাঙৰ। তুমি বৰ পবিত্ৰ আৰু তোমাক স্মৰণ কৰিলে পবিত্ৰ হয়। তুমি সকলোৰে গৰাকী আৰু দাতা। আমাৰ দুয়োৰো মিলন আৰু কল্যাণ হ'বলৈ কৃপা কৰা।" দৰা-কইনাই ফুল আৰু চাউলৰ অঞ্জলি মড়লৰ মাজৰ চাকিলৈ ছটিয়ায় দিব। আয়তীসকলে উৰুলি দিব আৰু দৰা-কইনাৰ মূৰত পুষ্পবৃষ্টি কৰিব।

**হেংদান প্ৰদান ঃ**

কইনাদাতাই দৰাৰ হাতত হেংদান দি কয়, "এই হেংদানেৰে নিজৰ দেশ, নিজৰ পুত্ৰ-পৰিবাৰ, ঐশ্চৰ্য্য আদি ৰক্ষা কৰিবলৈ সমৰ্থবান হোৱা।" দৰাই হেংদান গ্ৰহণ কৰি কয়, "মই নিজ জাতিৰ বুৰঞ্জী অধ্যয়ন কৰিম আৰু জাতিৰ গৌৰৱ মান-সন্মান ৰক্ষা কৰিম। হাতত এই হেংদান লৈ প্ৰতিজ্ঞা কৰি কৈছো,

মই জাতি, ধৰ্ম আৰু দেশ ৰক্ষা কৰিম।" তেতিয়া কইনাই এখনি কৱচ টঙালি বস্ত্ৰ দৰালৈ আগ বঢ়াই দি কয়, "হে বঙহৰ দেউ, এই বস্ত্ৰ অক্ষয় কৱচ স্বৰূপে পৰিধান কৰি তুমি অজেয় হোৱা।"

দৰাই বস্ত্ৰ গ্ৰহণ কৰি কয়, "এই বস্ত্ৰৰে টঙালি বান্ধি শত্ৰুক জয় কৰিবলৈ, ৰাজ্য আৰু ধৰ্ম ৰক্ষা কৰিবলৈ, দৃঢ় প্ৰতিজ্ঞা কৰিলো।"

**পুৰোহিতৰ বুজনি ঃ**

তেতিয়া পুৰোহিতে দৰা-কইনাক গাৰ্হস্থ্য জীৱন কিদৰে অতিবাহিত কৰিব লাগে, সেই বিষয়ে উপদেশ দিব। এইদৰে বুজনি দিওঁতে এখন পাটৰ ৰুমালত এটোপোলা কড়ি বান্ধি লৈ দৰা-কইনাৰ ওচৰত জোকাৰি-জোকাৰি কথাবোৰ বুজায়।

**আঙঠি লুকোৱা ঃ**

চক্‌লং সমাপ্ত হোৱাৰ পিছত দৰা-কইনাক ৰভা তলীৰ পৰা ভিতৰলৈ নিয়া হয়। ভিতৰত দুয়োকে পাটী পাৰি দুণৰিৰ চাউলত আঙঠি লুকুৱাই বিচাৰিবলৈ দিয়া হয়। এই ধৰণেৰে ৰং-ধেমালি কৰে।

**পঞ্চামৃত আৰু পৰমান্ন ভোজন ঃ**

তাৰ পিছত কইনাই মাইহাঙৰ পৰা আখৈ পিঠা পৰমান্ন পঞ্চামৃত অলপ অলপকৈ হাতেৰে দৰাৰ মুখত তিনিবাৰকৈ দিয়ে। প্ৰতিবাৰেই দৰাক লোটাৰ পানীৰে মুখ ধুৱায়, দাঁত খৰকিয়াবলৈ দিয়ে। একোখন কৈ থুৰিয়া তামোলো খুৱায়। দৰায়ো তেনেদৰে খুৱায়।

ইয়াৰ পিছত দৰা-কইনাই কড়ি খেলে। ইয়াৰ পিছত বিয়াৰ লগ্ন-গাঁঠি মোকোলায়।

ইয়াৰ পিছত দৰা-কইনাই দৰাৰ ঘৰলৈ যাত্ৰা কৰে। দৰাৰ ঘৰ আহি পোৱাত পদূলি মূৰত ৰয় আৰু আৰু দৰা-কইনাক পদূলি মূৰত আদৰণি জনায়।

## শান্তি ধৰ্ম বিয়া ( তোলনি বিয়া )

**চুকত সোমোৱাঃ**

সোমোৱালে দুই তিনি গৰাকী গোপিনী মাতি আনি . কাপোৰৰ আঁৰ আৰু উৰুলি দি ছোৱালী গৰাকী চুকত সোমাৱা হয়। তাৰ পাছত ছোৱালী গৰাকীক অনাহাৰে থয় অৰ্থাৎ খাবলৈ দিয়া নহয়। তাৰ পিছত মাক -দেউতাক বা পৰিয়ালৰ লোকে জ্যোতিষ শাস্ত্ৰ পণ্ডিতৰ ওচৰত চায় । জ্যোতিষ শাস্ত্ৰ চাই পণ্ডিতে কি বস্তু পৰিধান কৰিব লাগে তাৰ বিধান দিয়ে ।



চক্‌লঙত কন্যাৰ দ্বাৰা দৰাক হেংদাং প্ৰদান
(লিখকৰ কন্যাৰ বিবাহ উৎসৱত)

**চাৰিদিনীয়া গা-ধোৱা নিয়মঃ**

চাৰিদিনীয়া গা- ধোৱাৰ দিনা চাৰিডাল পাতি দৈ (উভালি অনা) আনি জ্যোতিষৰ বিধান মতে কোন দিশে মুখ কৰি গা-ধোৱাব লাগে সেইমতে গা ধোৱাব লাগে। তাত আগলতি পাত দুযোৰ, খেৰৰ মুঠি দুটা, শিল এটা, তামূলী পীৰা এখন। পাত ছোৱালী বা গা ভৰু ছোৱালীলৈ জ্যোতিষিৰ বিধান মতে গা ধোওৱা হয় । চাৰি পাঁচ গৰাকী কাঠ ছোৱালী (অকুমাৰী ) পাঁচ গৰাকী বুঢ়ী তিৰোতা লৈ জ্যোতিষ বিধান মতে সেই দিশৰ পৰা পানী তোলা হয় । সেই পানী উৰুলি দি বুঢ়ীমাকে আঁৰ কাপোৰ দি ভৰণ বৃক্ষৰ মুখলৈ চাই গা ধোৱা হয় । তাৰ পিছুত এখন তামূলী পীৰাত এখন কাপোৰ দি তাত এযোৰ কলপাত, এআশী কল, আগলতি দুটা, চাউল এসেৰ বা আধাপোৱা,



চক্‌লং বেদীৰ বন্তি প্ৰজ্বলন (আঠকোণীয়া বেদী)
(লিখকৰ কন্যাৰ চকলঙত সজোৱা)

এটা কনাই সাজে। এখন মিঠাতেলৰ চাকি, তামোল পাণ এযোৰ দি দোণ কলচি সজোবা হয়। গা ধোবাৰ পিছত মূৰ মচা গামোছা খনেৰে এটা কনাই সাজে । তাৰ পিছত পণ্ডিতৰ ওচৰত বিধান মতে সাতদিনীয়া তেৰ দিনীয়া বিয়া পতা হয় । বিয়াৰ দিনাও গা-ধোওৱা হয়। বিয়া তোলাৰ পাছত পণ্ডিতসকল আহি, এখন মেহেঙা দি তাত তিনিযোৰ কলপাত (মেহেঙাৰ ওপৰত) তলত এযোৰ দিয়া হয় । তাৰ পিছত পাত যোৰৰ ওপৰত ছিঙকাৰা ফুলেৰে পানী ছটিয়াই শুদ্ধ কৰি লোৱা হয় । তাৰ নৈবেদ্য সমূহ হ'ল থোক তামোল তিনিটা, তিনি খন তামোল জুকিয়াই (ছিঙকাৰা ফুল তামোল) দিয়া হয়। তিনি মুঠি চাউল, আদা, মিঠাতেল দি মেহেঙা (ফুল) দিয়া হয়। মেহেঙাৰ তলত কণী এটা, চাউল, আদা, মিঠাতেল আৰু ঠোলা এটাত লুকলাও দিয়া হয়। এটা পানী ঘট, এডাল ছাটমাৰি দি তাত ছিংকাৰা ফুল, পইচা তিনিটা, এটা তামৰ পইচা, পণ্ডিতসকললৈ দিবলৈ তিনিটা তামোল পাণ অৰিহণা সহ দিব লাগে। পণ্ডিতসকলে বাইক বচন মাতিব আৰু ছোৱালী আৰু মাক, দোন, কলচি ধৰা ছোৱালীগৰাকীয়ে মেহেঙাৰ ওচৰত সেৱা কৰিব আৰু পণ্ডিতসকলে শান্তি দিব।

## ত্ৰয়োদশ অধ্যায়

# বানছেং পদ্ধতি

তাই আহোম সকলৰ তিনিটা পদ্ধতিৰে মঙ্গল চোৱা হয়। এই পদ্ধতি কেইটা হৈছে —

(ক) বানছেং মাৰি

(খ) তাই জ্যোতিষ শাস্ত্ৰ (ফেলুং ফে বান গণনা কৰি)

(গ) কাই ঠেঙ্‌ম্যুঙ্ অৰ্থাৎ ছাম' ফুম ক ৰিক্‌খ্ৰন অৰ্থাৎ তিনি খনীয়া মেহেঙা দি কুকুৰা ঠাম্ কৰি কুকুৰাযোৰৰ ঠেং উলিয়াই ঠেঙত থকা সৰু ফুটা বিলাকত ৰেজেৰি বেতৰ কাঁইট ভৰাই কাই ঠেং মুঙ্ পুথিত থকা কাই ঠেং মুঙৰ ছবিত মিলাই মঙ্গল চোৱা হয়।

এই মঙ্গল সাধাৰণতে মানুহৰ বেমাৰ-আজাৰ, অপায়-অমংগল বা মানুহ ডাঙৰ নৰিয়াত পৰি শুকাই-খীনাই গ'লে পৰিয়ালৰ হৈ ওপৰত উল্লেখ কৰাৰ দৰে শুভ মঙ্গল চোৱা হয়। তাৰোপৰি ওপৰত নামকৰণ কৰি থোৱা বানছেং পুথিটো মঙ্গল চোৱা হয়। এই বানছেং পুথি দুবিধ। (ক) সাঁচিপতীয়া সৰুকৈ বনোৱা পুথি, (খ) কাঠি বানছেং (বাঁহৰ সৰু কাঠিৰে বনোৱা শুভ দিন গণনা কৰা পুথি)।

### (ক) সাঁচিপতীয়া পুথি বানছেং ঃ

বানছেং পুথি চাবলৈ হ'লে কোনো-মানুহৰ ঘৰত জ্বৰ-নৰিয়া আদিত পৰি থাকিলে মলুঙৰ ঘৰলৈ গৈ তামোল-পাণ আগবঢ়াই বানছেং পুথি খুলি শুভ মঙ্গল চোৱা হয়। বানছেঙৰ ফলি নম্বৰ ৭০ মতে, 'ম'লুঙ চাও ছাম পি

খেন তি লাউ ছাম কয়' ভাবাৰ্থ— 'আপোনাৰ ঘৰত তিনি চাৰিবাৰ সাপ সোমাইছে, গতিকে আপোনাৰ অমঙ্গল।'

ফলি নং ১৭ মতে, "ৰাউ তাম মাও ছুও নাক অক্ টী ফেউ ক' দিজাউ" ভাবাৰ্থ - "আপোনাৰ আগতে (পূৰ্বতে) ডাঙৰ কাম কৰিবলৈ টোপোলা বন্ধা আছিল আৰু সেই কামটো কৰিলে ভাল হ'ব অৰ্থাৎ সুফল পাব। অৰ্থাৎ এনেদৰেই মঙ্গল চোৱাবলৈ অহা ব্যক্তিজনক প্ৰশ্ন কৰোতে এক নং ফলি মতে অৰ্থাৎ (ওপৰত উল্লেখ কৰা মতে) তিনি-চাৰিবাৰ সাপ সোমাইছে ঠিক সেইটো সত্য। যিহেতু ২ নং ফলিমতে আপোনাৰ আগতে টোপোলা বান্ধি থোৱাটো সত্য। গতিকে আপুনি টোপোলা বন্ধাৰ কামটো কৰি দিলেই সকলো মঙ্গল হ'ব।

## (খ) কাঠি বানছেং

কোনো মানুহ যদি কৰবালৈ ফুৰিবলৈ যাবলগীয়া হয়, নাইবা কোনো শুভ কাম কৰিবলৈ ওলায়, তেতিয়া এই কাঠি বানছেং মাৰি শুভ দিন বাৰ চোৱা হয়। এই কাঠি বানছেং মাৰোতে বা মেলোতে ওপৰত উল্লেখ কৰাৰ দৰে পণ্ডিতৰ ঘৰলৈ গৈ নাইবা পণ্ডিতক ঘৰলৈ মাতি আনি তামোল-পাণ আগবঢ়াই এই বানছেং চোৱা হয়।

কাঠি বানছেং চাওঁতে পণ্ডিতে (ম'লুঙে) দুয়োহাতেৰে কাঠি বানছেং মুঠি ধৰি ঘূৰাই ঘূৰাই থকাৰ পিছত যিটো কাঠি ওপৰলৈ ওলাই আহে সেই কাঠিটো চাই পণ্ডিতে শুভ বিধান দিয়ে। যদি দিন-বাৰ আদি শুভ দেখা যায়। তেতিয়া ম'লুঙে কোনো ক্ষেত্ৰতে বাধা নহ'ব বুলি আদেশ দিয়ে। তেতিয়াই ব্যক্তিজনে শুভ যাত্ৰা আৰম্ভ কৰি শুভ ফলাফল পায় বুলি কাঠি বানছেংত উন্নীত হৈ আছে। এয়ে হ'ল কাঠি বানছেং মৰাৰ নিয়ম।

দিন কা না : শুভ-বিবাহত দৰা-কইনাৰ যুগ্ম-জীৱনৰ ফলাফল চোৱা হয়। এই পুথিখনত মানুহৰ অৰ্থাৎ দৰা-কইনাৰ ছবি মণ্ডল আচৰণ সহ সন্নিবিষ্ট হৈ আছে। জন্ম মৃত্যু বিবাহৰ ক্ষেত্ৰত এই দিন কা না বিধি অনুসৰি শুভদিন

গণনা কৰা হয়। এই পুথিত উল্লেখ পোৱা যায় দৰা কইনা যদি দুয়োয়ে পিঠিয়া-পিঠিকৈ থকা দেখা যায় তেতিয়া সিহঁতৰ অযুগ্ম বুলি নিৰ্ণয় কৰা হয়। যদিহে দুয়োয়ে মুখীয়া-মুখিকৈ থাকে তেওঁলোকৰ নামকৰণ অনুসৰি বিধি মতে যুগ্ম নহ'বও পাৰে। তদুপৰি দুয়োটা নামকৰণৰ ক্ষেত্ৰত ৰাশিফল যদি একে হয় তেন্তে সিহঁতৰ মিলন (যুগ্ম) হয়। যদিহে দৰা-কইনাৰ ছবি দুয়োটাৰে এটা সন্মুখৰ পৰা খোজকাঢ়ি অন্যহাতেদি যোৱা দেখা যায়। তেনেস্থলত বিবাহ (যুগ্ম) নহয়, বুলি পুথিত উল্লেখ পোৱা যায়।

ঠিক সেইদৰে ওপৰত উল্লেখ কৰি অহা হৈছে যদিও মানুহৰ জন্ম-মৃত্যু-বিবাহ এই তিনিও ক্ষেত্ৰত ওপৰত উল্লেখ কৰা যে লুঙ যে বান, দিন-কা না আদিত জন্ম-মৃত্যু-বিবাহৰ আটাইকেইটাৰ শুভ-দিন-বাৰ, জন্ম মৃত্যু পত্ৰিকা ধাৰ্য কৰিব পৰা যায়।

তাই আহোমৰ ৬০ বছৰীয়া চক্ৰৰ এক গণনা পদ্ধতি আছে যি ব্ৰহ্মদেশৰ গণনা পদ্ধতিৰ লগত সামঞ্জস্য আছে। কথিত আছে, খুন্‌লাইৰ পুত্ৰ আইজেপৰ নামত এই গণনা পদ্ধতিৰ আৰম্ভণি হয়। ইয়াক আইজেপ লাক্রি বোলা হয়।

আই জেপ লাক্রিৰ গুৰুত্ব এইয়েই যে ই খুন্‌লুং-খুন্‌লাইৰ মুংৰিমুংৰোমত পদাৰ্পণ কৰাৰ এক ঐতিহাসিক বছৰটো নিৰ্ণয় কৰিছে। আইজেপ লাক্রিৰ পৰা আইজেপ ৰজাই কোন বছৰত সিংহাসন আৰোহণ কৰিছিল তাৰ আভাস পোৱা যায়। ব্ৰহ্মদেশৰ ব্ৰহ্মদেশী গণনা এই আইজেপ ৰজাৰ সিংহাসন আৰোহণৰ পৰা আৰম্ভ কৰে। ইতিমধ্যে, আহোম পণ্ডিতসকলে গণনা কৰি কৈছে যে খুন্‌লুং-খুন্‌লাইৰ পৃথিবী পদাৰ্পণৰ পৰা ১১ টা তাও চিঙাৰ পিছতহে ছ্যুকাফাই অসমত প্ৰৱেশ কৰে। ১১ টা তাওচিঙা অৰ্থাৎ ৬৬০ বছৰ ১২২৮ চনৰ পৰা বাদ দিলে আমি ৫৬৮ চন পাও। আইজেপ (ক আইদ্যেপ-থাৎ-ফা) ৰজাই মুংৰি -মুংৰোমত খুন্‌লুং-খুন্‌লায়ে পদাৰ্পণ কৰাৰ ৭০ বছৰৰ পিছত মুংৰিমুংৰোমত ৰজা হয়। গতিকে নিসন্দেহে (৫৬৮+৭০= ) ৬৩৮ খৃষ্টাব্দৰ পৰা ব্ৰহ্মদেশৰ জাতীয় যুগ আৰম্ভ হয়। ইয়াৰ পৰা আমি মুংৰি-মুংৰোমত পদাৰ্পণ কৰি পৃথিৱীত তাই জাতিৰ আগমনৰ সূচনা কৰা চন

হিচাপে ৫৬৮ চন বুলি ধাৰ্য কৰিব পাৰি। এনেদৰে তাইসকলৰ প্ৰথম ৰজা খুন্‌লুং-খুন্‌লাই ঐতিহাসিক চৰিত্ৰ হ'ল।

**তাই আহোমৰ গণনা পদ্ধতি ঃ**

চন্দ্ৰৰ গতি বা কলাৰ ওপৰত নিৰ্ভৰ কৰি তাই পণ্ডিতসকলে দিন, বাৰ, মাহ, বছৰ, ক্ষণ আদি গণনা কৰিছিল আৰু চন্দ্ৰ মাহৰ গণ্তি কৰিছিল শুক্লা একাদশীৰ পৰা আনটো শুক্লা একাদশীলৈ আৰু এক চন্দ্ৰ মাহত ১০ টা (ছেংবান থাকে আৰু মুঠ তিনি সপ্তাহ (ছিপ বান) থাকে। বাৰ দহটা (১) বানকাপ (২) বানদাপ (৩) বান বাই (৪) বান ম্যুঙ (৫) প্লেক (৬) বান কাউ (৭) বান খুট (৮) বান কং (৯) বান টাও (১০) বান কা ।

১০ টা চন্দ্ৰমাহ লগ লাগি এক চন্দ্ৰ বছৰ হয়। ইয়াকে তাই-আহোমে লাক্‌নি বোলে। লাক শব্দৰ অৰ্থ খুটি আৰু লি বা নি শব্দৰ অৰ্থ বছৰ। ডাঙৰ সাঁচিপাতত এখন তালিকা বনাই বছৰবিলাকৰ নাম লিখি একোটা বিন্ধা ৰাখিছিল। বছৰৰ আৰম্ভণিতে নিৰ্দিষ্ট বিন্ধাত খুটি মাৰিছিল আৰু বছৰ শেষ নোহোৱালৈকে খুটিটো ৰাখি থৈছিল। গতিকে ইয়াক বছৰৰ খুটি বা লাক্‌নি বুলিছিল।

৬০ টা লাকনি লৈ এটা তাওছিঙা ১০ টা শব্দ ব্যৱহৃত হৈছিল ঃ (১) কাপ (২) দাপ (৩) নাপ (৪) বাই (৫) ম্যুঙ (৬) প্লেক (৭) কাট (৮) খুট (৯) টাও আৰু (১০) কা ।

১২টা ৰাশি চক্ৰৰ ব্যৱহাৰ হয়। সেইয়া হ'ল (১) ছেউ (২) প্লাউ (৩) ঙি (৪) মাউ (৫) ছী (৬) চীও (৭) ছিঙা (৮) মুত (৯) ছান (১০) তাও (১১) মিট আৰু (১২) কেউ। বছৰবোৰৰ নাম - (১) কাপ ছেউ (২) দাপ প্লাউ (৩) নাপ (৪) বাই মাউ (৫) ম্যুং ছী (৬) প্লেক চীও (৭) কাট ছিঙা (৮) খুট মুত (৯) টাও ছান আৰু (১০) কা তাও ।

এটা তাওচিঙাত ৬০টা আহোম বৰ্ষ থাকে। তাৰ উল্লেখ তলত কৰা হ'ল।

| লাক্নি | লাক্নি | লাক্নি | লাক্নি |
|---|---|---|---|
| ১ কাপত্যেও | ১৬ কাতমাও | ৩১ কাপচিঙ্গা | ৪৬ কাতৰাও |
| ২ ডাপপ্লাও | ১৭ খুতচি | ৩২ ডাপমুত | ৪৭ মুতমিত |
| ৩ ৰাইঙি | ১৮ কঙ্গচেও | ৩৩ ৰাইচান | ৪৮ কঙ্গকেও |
| ৪ মুঙ্গমাও | ১৯ তাওচিঙ্গা | ৩৪ মুঙৰাও | ৪৯ তাওত্যেও |
| ৫ প্লেকচি | ২০ কামুত | ৩৫ প্লেকমিত | ৫০ কাপ্লাও |
| ৬ কাতচেও | ২১ কাপচান | ৩৬ কাতকেও | ৫১ কাপাঙ্গি |
| ৭ খুতচিঙ্গা | ২২ ডাপৰাও | ৩৭ খুতত্যেও | ৫২ ডাপমাও |
| ৮ কংমুত | ২৩ ৰাইমিত | ৩৮ কঙ্গপ্লাও | ৫৩ ৰাইচি |
| ৯ তাওচান | ২৪ মুঙ্গকেও | ৩৯ তাওঙ্গি | ৫৪ মুঙ্গচেও |
| ১০ কাৰাও | ২৫ প্লেকত্যেও | ৪০ কামাও | ৫৫ প্লেকচিঙ্গা |
| ১১ কাপমিত | ২৬ কাতপ্লাও | ৪১ কাপচি | ৫৬ কাতমুত |
| ১২ ডাপকেও | ২৭ খুতঙ্গি | ৪২ ডাপচেও | ৫৭ খুতচান |
| ১৩ ৰাইত্যেও | ২৮ কঙ্গমাও | ৪৩ ৰাইচিঙ্গা | ৫৮ কঙ্গৰাও |
| ১৪ মুঙ্গাপ্লাও | ২৯ তাওচি | ৪৪ মুঙ্গমুত | ৫৯ তাওমিত |
| ১৫ প্লেকঙ্গি | ৩০ কাচেও | ৪৫ প্লেকচান | ৬০ কাকেও |

আহোম গণনাত বাৰ মাহে এবছৰ হয়।

**পুৰণি আহোম পুথিবিলাকত উল্লেখ থকা আহোম মাহৰ নামবোৰ উল্লেখ কৰা হ'ল ঃ**

| আহোম | অসমীয়া | ইংৰাজী | মন্তব্য |
|---|---|---|---|
| ১) ডিন চিং | আঘোণ-পুহ | নবেম্বৰ-ডিচেম্বৰ | |
| ২) ডিন কাম | পুহ-মাঘ | ডিচেম্বৰ-জানুৱাৰী | |
| ৩) ডিন ছাম | মাঘ - ফাগুন | জানুৱাৰী - ফেব্ৰুৱাৰী | |
| ৪) ডিন ছি | ফাগুন-চ'ত | ফেব্ৰুৱাৰী-মাৰ্চ | |
| ৫) ডিন হা | চ'ত-ব'হাগ | মাৰ্চ-এপ্ৰিল | |

| | | |
|---|---|---|
| ৬) ডিন ৰুক | ব'হাগ - জেঠ | এপ্ৰিল - মে |
| ৭) ডিন চিত | জেঠ - আহাৰ | মে - জুন |
| ৮) ডিন পেত | আহাৰ - শাওন | জুন - জুলাই |
| ৯) ডিন কাও | শাওন - ভাদ | জুলাই - আগষ্ট |
| ১০) ডিন ছিপ | ভাদ - আহিন | আগষ্ট - ছেপ্তেম্বৰ |
| ১১) ডিন ছিপ এইত | আহিন - কাতি | ছেপ্তেম্বৰ - অক্টোবৰ |
| ১২) ডিন ছিপ ছং | কাতি - আঘোণ | অক্টোবৰ - নৱেম্বৰ |

* ডিন চিং মাহ আঘোণৰ ১৫ তাৰিখে আৰম্ভ হয়।

**ৰাশিফল ঃ**

| | | | |
|---|---|---|---|
| ১। | তু ৰুঙ্ (মেষ ৰাশি) | ২। | তু চয় (বৃষ ৰাশি) |
| ৩। | তু পিত (মিথুন ৰাশি) | ৪। | তু পাক (কৰ্কট ৰাশি) |
| ৫। | তু তাম (সিংহ ৰাশি) | ৬। | তু মন (কন্যা ৰাশি) |
| ৭। | তু তাক (তুলা ৰাশি) | ৮। | তু -চিউ (বিছা ৰাশি) |
| ৯। | তু খঙ্ (ধনু ৰাশি) | ১০। | তু -কেউ (মকৰ ৰাশি) |
| ১১। | তু পন (কুম্ভ ৰাশি) | ১২। | তু -মুন (মীন ৰাশি) |

এই কেইটাকলৈ ফেলুঙ যে বানৰ কাপ, দাপ, ৰাই, মুঙ, প্লেক, কাত, খুত, ৰুঙ, তাউ, কা, এই দহবাৰক লৈ লাকনী খাম, ৰাই যোদাই, মুঙ যোদাই, প্লেক যোদাই, কাত যোদাই, খুত যোদাই এইদৰে দিনবাৰক লৈ যোদাই লাকনী খাম ল-কাত দিনবাৰ ক্ষণ আদি সময় নিৰূপণ কৰা হয়।

## <u>ফে লুঙ ফে বান গণনা কৰা তালিকা</u>

(দেবৰ বাৰ)

| | | | | | |
|---|---|---|---|---|---|
| বান্ কাপ | মা ছু | জাম্ | ফফা | যুম্ | মিত্ ছান্ |
| বান্ কাত | ছোৰা | কালুঙ্ | ছী ৰী | মা | নিউ |

| | | | | | |
|---|---|---|---|---|---|
| বান্ খুত | মিত ছান | মাছু | জাম্ কা | ফফা | ফুম্ |
| বান্ ডাপ্ | নিউ | ছোৱা | লুঙ্ | ছী ৰী | মা |
| বান্ ৰুঙ্ | ফুম্ | মিত্ ছান | মাছু | জাম্ | ফফা |
| বান্ ৰাই | মা | নিউ | ছোৱা | কালুঙ্ | ছী ৰী |
| বান্ মুত্ | ফফা | ফুম্ | মিওছান্ | মাছু | জাম্ |
| বান্ তাউ | ছী ৰী | মা | নিউ | ছোৱা | কালুঙ্ |
| বান্ প্লেক | জাম্ কালুঙ্ | ফফা | ফুম্ | মিত্ ছান্ | মাছ |
| বান্ কা | | ছী ৰী | মা | নিউ | ছোৱা |

**আহোম ভাষাত ক্রমিক সংখ্যাবোৰ তলৰ দৰে কোৱা হয় ঃ**

| | | | |
|---|---|---|---|
| ১ | নেং | ২১ | চাওইত |
| ২ | চঙ্গ | ২২ | চাওচং |
| ৩ | চাম | ২৩ | চাও চাম, ইত্যাদি |
| ৪ | চি | | |
| ৫ | হা | ৩০ | চাম চিপ |
| ৬ | ৰুক | ৩১ | চাম চিপ ইত |
| ৭ | ত্যিত | | ইত্যাদি |
| ৮ | পেত | ৪০ | চি চিপ |
| ৯ | কাও | ৪১ | চি চিপ নেং |
| ১০ | চিপ | | ইত্যাদি |
| ১১ | চিপ ইত | ৫০ | হা চিপ |
| ১২ | চিপ চং | ৫১ | হা চিপ নেং |
| ১৩ | চিপ চাম | | ইত্যাদি |
| ১৪ | চিপ চি | ৬০ | ৰুক চিপ |
| ১৫ | চিপ হা | ৬১ | ৰুক চিপ নেং |
| ১৬ | চিপ ৰুক | | ইত্যাদি |
| ১৭ | চিপ ত্যিত | ৭০ | ত্যিত চিপ |

| | | | |
|---|---|---|---|
| ১৮ | চিপ পেত | ৭১ | ত্যিত চিপ নেং |
| ১৯ | চিপ কাও | ৮০ | পেত চিপ |
| ২০ | চাও | ৮১ | পেত চিপ নেং |
| | | ৯০ | কাও চিপ |
| | | ৯১ | কাও চিপ নেং |
| | | ১০০ | পাক |
| | | ২০০ | চংপাক |
| | | ১০০০ | ৰিং |
| | | ১১০০ | ৰি পাক, ইত্যাদি |

আহোম পণ্ডিতসকলে বিশ্বাস কৰে যে জন্ম-মাহৰ ফলাফল মানুহৰ জীৱনত প্ৰতিফলিত হয়।

১) ডিন চিং মাহত জন্ম হোৱা মানুহে ৰাজপদো লাভ কৰিব পাৰে। অসুবিধাত নপৰে। পুৱাবেলাত মানুহক বস্ত্ৰ-বাহানিৰে খুৱাব লাগে। গাহৰি এটা, বগা কুকুৰা এটা ফি ছাওত (দেওশালত) বলি দিব লাগে। গাহৰি এটা চাও বাং আৰু যা পিন বাংক উচৰ্গা কৰিলে ভাল হয়।

২) ডিন কাম মাহত জন্ম হোৱা লোক সোণ-ৰূপেৰে ধনী হয়। পুৱাবেলাত খুৱাই-বোৱাই চাৰিটা ৰঙা মাইকী কুকুৰা পুৰোহিতে গাঁৱৰ মূৰত (উজনি)ত দিব লাগে।

৩) ডিন ছাম মাহত জন্ম হোৱা লোকৰ সোণ-ৰূপে ভৰি থাকে। ৰাজপুত্ৰ হ'লে ৰাণীৰ সৈতে দেশ ৰাজত্ব কৰিব পাৰিব। জলপ্ৰপাত/পানী পৰা ঠাইৰ ওচৰত বহি কুকুৰা কাটি পানী তুলি আনিলে ভাল হয়।

৪) ডিন ছি মাহত জন্ম হোৱা লোকৰ বায়েকে ঘৰ সাজি কুনৰিন কুনখা পিন্ধি গছাং খুন মুং সেৱা কৰিলে ভাল হয়। আন এটা বান পাউ বাৰে সেৱা কৰি ৰাজ-শাসন কৰিলে ভাল হয়। চাৰিটা ৰঙা মাইকী কুকুৰা পশ্চিমফালে ফি ছাং দেওশালত উচৰ্গা কৰি ৰাজ শাসন কৰিলে ভাল হয়।

৫) ডিন হা মাহত জন্ম হোৱা লোকক খবৰ-বিচাৰিবৰ কাৰণে লগাব পাৰে। খবৰ বিচাৰি উজনি-নামনি সকলোতে ঘূৰিব লগা হ'ব পাৰে। এটা সময়ত চাৰিটা ৰঙা মাইকী কুকুৰাৰে পুৰোহিতৰ হতুৱাই পশ্চিমফালে ফি ছাম পাকক দিলে ভাল হয়।

৬) ডিন ৰুক মাহত যাৰ জন্ম হয় তেওঁ পৰিয়ালৰ সৈতে ভালদৰে জীৱন-যাপন কৰিব পাৰে।

৭) ডিন চিত মাহত জন্ম হোৱা লোকৰ চকুৰপানী, শেঙুন মচি জীয়াই থাকিব লগা হয়। জীয়ৰী ছোৱালীয়ে অন্যায় কৰিব পাৰে। চাৰিটা মাইকী কুকুৰা ফি নাম তা আৰু ফি নাম বুক উচৰ্গা কৰিলে ভাল হয়।

৮) ডিন পেত মাহত জন্ম হোৱা লোকৰ মৃত্যু হ'ব পাৰে। পাব লগা বস্তু নোপোৱা হয়। চাৰিটা ৰঙা হালধীয়া মতা কুকৰা পশ্চিম দিশত ৰাস্তাৰ মাজত কাটিব লাগে।

৯) ডিন কাউ মাহত জন্ম হোৱা মানুহৰ ঘৰত জুইশালৰ পৰা চৰু নমাব নোৱাৰে। তেওঁৰ ওচৰলৈ (ঘৰলৈ অহা) মানুহে নুশুৱা পৰ্যন্ত অৰ্থাৎ ৰাতিলৈকে মানুহ হয়। চাৰিটা মতা কুকুৰা পূব ফালে কাটিব লাগে।

১০) ডিন ছিপ মাহত জন্ম হোৱা মানুহে নিজৰ সৰু-সন্তানৰ শ্মশানলৈও যাব লগা হয়। আন লোকৰ সন্তানৰ দৰে নিজৰ সন্তান জীয়াই নাথাকে। চাৰিটা মতা ৰঙা হালধীয়া কুকুৰা দক্ষিণ ফালে কাটিব লাগে।

১১) ডিন ছিপ এইত মাহত জন্ম হোৱা লোকৰ ৰাজ্য ভোগো কৰিব পাৰে। অশুভ নহয়। জীৱ জন্তু, গৰু-ম'হ আৰু ঘৰত লিগিৰা লিগিৰীবো অভাৱ নহয়।

(*** এইখন পুথিত তিনিমাহ ডিন ছিপ, ডিন ছিপ এইত আৰু ডিন ছিপ ছুংৰ হিচাপৰ উল্লেখ নাই। এই তিনিমাহ বেলেগ পুথিৰ পৰা সংযোগ কৰা হৈছে)।

১২) ডিন ছিপ ছং মাহুত জন্ম হোৱা মানুহৰ বিপদ-বিঘিনি অতিক্রম কৰিব লাগে। পথাৰৰ আলিত মাইকী কুকুৰা কাটিলে ভাল হয়।

তাই আহোম জ্যোতিষ শাস্ত্রমতে আকাশৰ দুটি জ্যোতিষ্ক থাম ম্যুং আৰু তুংখামৰ বিশেষ গুৰুত্বপূর্ণ অৱস্থিতি। জ্যোতিষ্ক বিলাকৰ ভিতৰত আছে নগা তৰা (Naga Stars) সৰু হস্তী তৰা (Small Elephant Stars) চত্র তৰা (Umbrella Stars) হস্তী আবৃত Elephant Enclouse) তৰাৱলী,অশ্ব তৰা (Horse Stars), বিচনি তৰা (Fan Stars), প্রস্তৰ-পুঞ্জ তৰা (Heap of Rock Stars), আকাশ তৰা (Sky Shield Stars), তৰী নেজ তৰা (Boat Tail Stars), পুব তৰা (The morning Statr) ,গাহৰিমুখী তৰা (Pig Chin Stars), ঘূর্ণীমান তৰা (Revolving Star), ভূত তৰা (Spirit Stars), মিং খাম তৰা, চর্তুকোণী তৰা (Four Corners Stars), খাপ-ফা তৰা (Khap Pha Star), চিল্ড তৰা (Shield Stars), পপীয়া তৰা (Falling Star), খেন তৰা (Khen Star) বাং তৰা (Wang Star), গাহৰি কলম তৰা (Pig Pen Stars), ব্যাঘ্র তৰা (Tiger Stars), খ্যাতি তৰা (Stars of Fame), ৰামধেনু তৰা (Rainbow Stars), ঈশ্বৰ তৰা (The Lord Stars), মধ্যগৃহ তৰা (Middle House), পাচি তৰা (Basket Star), চত্রমুখ তৰা (Tip of the Umbrella Stars) ইত্যাদি। এই তৰা সমূহৰ অৱস্থিতিৰ ওপৰত মানুহৰ ভাগ্য নির্ভৰশীল।

তিনিখন প্রাচীন তাই আহোম পুথিত বিভিন্ন তৰাৱলীৰ অৱস্থিতিয়ে কি কি ফল দিয়ে আৰু কু-ফল আঁতৰাবলৈ কি কি উপায় অৱলম্বন কৰিব লাগে সেই বিষয়ে বিস্তৰকৈ লিখা আছে । তাই আহোম পণ্ডিতসকলে এনে গ্রহ নক্ষত্রৰ স্থিতি গণনা কৰি ক'ব পাৰে আৰু সময়োচিত ব্যৱস্থা ল'ব পাৰে। এই সময়োচিত ব্যৱস্থা সমূহৰ অন্তৰালত তাই আহোম সকলৰ ধর্মীয় ব্যৱস্থাৱলী নিহিত হৈ আছে।

থাই পণ্ডিত বাণু উহছাচিন আৰু টাবিয়েলে তিনিখন জ্যোতিষশাস্ত্র আহোম তাই ভাষাৰ পৰা থাই ভাষা আৰু ইংৰাজী ভাষালৈ অনুদিত কৰি এক গুৰুত্বপূর্ণ বৰঙণি আগবঢ়াইছে। বিভিন্ন ঠাইৰ পৰা তেওঁলোকে তিনিখন জ্যোতিষ শাস্ত্র সংগ্রহ কৰি সুধী সমাজৰ আগত তাৰ অনুদিত ৰূপ উপস্থাপন কৰিছে। তেওঁলোকৰ পুথিখনৰ নাম "তাই আহোম অণ্ড ষ্টাৰছ্" [১]।

অনুদিত জ্যোতিষ শাস্ত্র কেইখনৰ পৰা আমি বিভিন্ন তৰাৰ অৱস্থিতিৰ ওপৰত কেনেদৰে আহোম ৰজাসকলৰ ভাগ্য নির্ণীত কৰিছিল, সেই কথা জানিব পাৰো। উদাহৰণ স্বৰূপে, যেতিয়া খাম মুং নগা তৰাৰ একে ৰেখাত পৰে, যেতিয়া খাম -মুং সৰু হস্তী তৰাৱলীৰ সতে একে ৰেখাত পৰে, চত্র-মুখী তৰাৰ সৈতে একে ৰেখাত পৰে, বা বিচনি তৰাৰ লগত একে ৰেখাত পৰে, বা প্রভুৰ পুঞ্জতৰাৰ একে ৰেখাত পৰে, বা আকাশ তৰাৰ একে ৰেখাত পৰে বা উক্ত তৰা , চন্দ্র আৰু তৰাৱলীৰ একে ৰেখাত পৰে তেতিয়া দেশৰ বাবে, ৰজাৰ বাবে ও মানুহৰ বাবে অমংগল হয়।

উদাহৰণ স্বৰূপে খাম-মুং তাৰকা চক্ৰৰ ২৬ তম বছৰত নাগ (লাকা) ৰ নেজদালত আছিল। সেই বছৰ চাও ছুহুং মুঙৰ মৃত্যু ঘটিছিল। ২৭ তম বছৰত খাম-মুং তাৰকা নাগৰ পিঠিত অৱস্থিত হৈছিল। ২৮ তম বছৰত সৰু হস্তীৰ ওপৰত অৱস্থিত হৈছিল। ২৯ তম বছৰত নেজ তাৰকাৰ সমুখত মুহূর্তৰ বাবে অৱস্থান কৰিছিল আৰু তাৰ পিছত চত্র তৰাৰ মুখ পাইছিল। ৩০ তম বছৰত খাম মুং তৰাৰ অৱস্থিতি আছিল মুহূর্তৰ বাবে গাহৰি আৱৰণ তৰাৰ ওচৰত আৰু পিচত গৈ হস্তী আবৃতি তৰাৰ কাষ চাপিছিল আৰু সেই বছৰতে ৰজা চাও ছু-আ-যুন মৃত্যুৰ মুখত পৰিছিল।

চক্ৰৰ ৩১ তম বছৰত যেতিয়া খাম-মুং তৰা গৈ বিচনি তৰাৰ কাষ চাপে তেতিয়া অমংগল হয়। যদি ৩২ তম বছৰত খাম-মুং তৰা গাহৰি (মুখ) তৰাৰ কাষেৰে অৱস্থিতি কৰে তেতিয়াও বেয়া। যদি ৩৩ তম বছৰত তৰী -নেজ তৰাৰ ওপৰত খাম-মুং অৱস্থিত হয়, তেতিয়াও বেয়া। চক্ৰৰ ৩৪ তম বছৰত দুটা চত্র তৰাৰ মাজত অৱস্থিত হ'লে বেয়া বা অমংগল। চক্ৰৰ ৫৯ তম বছৰত যদি চন্দ্র হস্তী তৰাৰ মাজেদি সোমাই যায় তেতিয়া মংগল । যদি গাহৰি

তৰাৰ মাজত চন্দ্ৰ সোমাই তেতিয়া দেশত এক ধ্বংসকাৰী যুদ্ধ হয়। যদি তৰী নেজ তৰা পশ্চিমত উদয় হয়, তেতিয়া ৰজাৰ ৰাজকাৰেঙতে মৃত্যু হয়। যদি তৰী নেজ তৰা পশ্চিম দিশৰ পৰা ওলায়, ৰজাৰ মৃত্যু হয়। যদি দক্ষিণত উদয় হয়, তেতিয়া সমগ্ৰ দেশতে যুদ্ধ বা কাজিয়া হয় আৰু মৰা-মৰি কটাকটি হয়। যদি পুবত উদয় হয়, তেতিয়া দেশ ধ্বংস হয় আৰু সৈনাবাহিনীৰ বিস্তাৰ ক্ষতি হয়। যদি উত্তৰত উদয় হয়, তেতিয়া গোটেই ৰাজ্যতে যুদ্ধ হয়।

তেতিয়া চন্দ্ৰ হস্তী তৰাৰ মাজত সোমাই,তেতিয়া ৰজা অসুখী হয়। যদি খাম-মুং তৰা নাগৰ মুখৰ তলত থাকে সেই বছৰত ৰজা অসুখী হয়। যদি খাম-মুং তৰা হস্তী আবৃত তৰাৰ কাষ চাপে তেতিয়া ৰজা অসুখী হয়।

আহোম পণ্ডিতসকলে পুৱতি নিশা পুবত যি ডাঙৰ তৰা উদয় হয় সেই তৰাক পুৱতি তৰা বোলে। যেতিয়া পশ্চিমত সেই তৰাই দেখা দিয়ে, সেই ডাঙৰ তৰাক তুংখাম তৰা বোলে।

এই তিনিখন পুথিৰ অনুবাদক কেইজনে খাম মুঙক আহোম জ্যোতিষত অতি গুৰুত্বপূৰ্ণ বুলি মানি লয় আৰু হিন্দুৰ জ্যোতিষৰ ৰাহুৰ লগত মিলায়। এই আহোম জ্যোতিষৰ আটাইতকৈ প্ৰভাৱশালী খাম-মুঙৰ স্থিতিয়েই যে মানুহৰ ভাগ্য নিৰ্ণয় কৰে সেই কথা পণ্ডিত কেইজনে কৈছে। খাম-মুং নাগৰ লগত জড়িত হ'লে,সৰু হস্তী তৰাৰ লগত জড়িত হ'লে, চন্দ্ৰৰ মুখ তৰাৰ লগতে জড়িত হ'লে, হস্তী আৱৰণ তৰাৰ লগত জড়িত হ'লে, বিচনী তৰাৰ লগত জড়িত হ'লে, প্ৰস্তৰ-স্তম্ভ তৰাৰ লগত জড়িত হ'লে বেয়া ফল দিয়ে বুলি আহোম পণ্ডিতসকলৰ বিশ্বাস। খাম-মুখ (ৰাহু) ৰ উক্ত অৱস্থিতি যে আহোম ৰাজত্বৰ সময়ত বিশেষ অশুভ ফল দিছিল সেই কথা এই তিনিখন পুথিত উল্লেখ আছে। কিন্তু এনে অৱস্থিতিৰ অশুভ ফলাফল নিষ্ক্ৰিয় বা কম কৰিবলৈ বহুতো উপায় এই গ্ৰন্থ কেইখনত দিয়া আছে। সকলো নিৰাময়ৰ উপায়তে দেৱতাসকলক পূজা দিয়াৰ বাধ্য বাধকতা আছে। লাকৃনি আৰু খাম মুঙৰ বাবে ঘৰ সজা এই উপায়ৰ অন্যতম। এই কথাও এই তিনিখন গ্ৰন্থত দিয়া আছে যে লাকৃনি আৰু খাম-ম্যুঙৰ গতি সদায়েই বিপৰীত।

এই তিনিখন পুথিৰ এখনত ষাঠী বছৰীয়া চক্ৰৰ কথা এনেদৰে কৰা হৈছেঃ

দেৱতাসকলে ষাঠী বছৰীয়া চক্ৰ ধাৰ্য্য কৰি দিলে;খাম-ম্যুং ধাৰ্য্য কৰিলে। চক্ৰক কোৱা হ'ল পান বুলি । আন এটা চক্ৰ হ'ল হান। ই আকাশৰ পৰা পৃথিৱীলৈ বিয়পা। সেয়েহে তাই আহোমসকলে ষাঠী বছৰীয়া চক্ৰ ভগৱানৰ দান বুলি গণ্য কৰে।

অনুবাদকসকলে এনেদৰেও কৈছে ঃ- খাম-ম্যুং কেৱল এক গ্ৰহৰ স্থিতি বা এক গ্ৰহেই (ৰাহু) নহয়, ই এক ঘটনা। লাক্‌নিৰ বিপৰীতে গতি কৰা খাম-ম্যুং চক্ৰৰ গুৰুত্ব অতি বেছি; কাৰণ খাম ম্যুঙৰ অৱস্থিতিয়ে মানুহৰ ভাগ্য নিৰ্ণয় কৰে। মুঠতে আহোমসকলৰ চাৰিটা ধ্ৰুৱকৰ ভিতৰত লাক্‌নি, খাম-ম্যুং, পি পান আৰু পি-হান মৌলিক অংক আৰু স্থিতি। আহোমৰ জ্যোতিষ শাস্ত্ৰ গুৰুত্বপূৰ্ণ ধ্ৰুৱক হৈছে লাকা বা নাৰ্গ। লাকা বা নাগৰ স্থিতিৰ ওপৰত মানুহৰ ভাগ্য নিৰ্ণয় হয়। নাগ বা লাকাৰ স্থিতিৰ বিষয়ে জ্যোতিষ শাস্ত্ৰত এনেদৰে লিখা আছে

ডিন্‌চিং ডিন্‌কাম, ডিন্‌ছাম মাহত লাকাৰ নেজডাল দক্ষিণফালে পেটটো পূৱফালে থাকে। পিঠিটো পশ্চিমফালে থাকে। ঘৰ সাজিলে মূৰত লাগিলে গৃহস্থৰ মৃত্যু হয়। পিঠিত লাগিলে প্ৰথম ঘৈনীয়েক মৰে।

তেনেদৰে ডিন্‌ছি, ডিন্‌হা, ডিন্‌ৰুক মাহত (লাকা) ৰ মূৰটো পূবফালে থাকে ;নেজডাল পশ্চিমফালে, পেটটো দক্ষিণফালে থাকে ; পিঠি উত্তৰফালে থাকে। ঘৰ ললে জুহালত মাংস তিনিডাল খৰিকাত দি তিনি দিশত দিলে ভাল হয়।

তেনেদৰে ডিন্‌ছি, ডিন্‌পেত, ডিন্‌কাউ লাকাৰ মূৰটো দক্ষিণফালে, নেজদাল উত্তৰফালে,পিঠি পূবফালে থাকে। পেটটো পশ্চিমফালে থাকে। ঘৰ ললে পশ্চিমফালে খৰিকাত দিয়া তিনিটা মাছ তিনিটা দিশত দিলে মংগল হয়।

ডিন্‌ছিপ, ডিন্‌ছিপ এইত,ডিন্ ছি পছং মাহত লাকাই মুৰটো পশ্চিমফালে,নেজদাল পূবফালে,পেটটো উত্তৰফালে, পিঠি দক্ষিণফালে থাকে। ঘৰ সলে এটা সৰু কুকুৰা খৰিকাত দি সন্মুখৰফালে দিলে ভাল।

তাই জনগোষ্ঠীয়ে ঘৰ সাজিবলৈ লোৱাৰ সময়ত লাকাৰ অৱস্থিতিৰ বিষয়ে পণ্ডিতসকলৰ (ম'লুং সকলৰ) পৰা পৰামৰ্শ লয় আৰু ঘৰৰ খুঁটা উঠায়। এনেদৰে কৰিলে নতুন ঘৰত কোনো অপায় অমংগল নহয়।

প্ৰসঙ্গ টোকা ঃ

১) B. J. Terwiel & Ranoo Wichasin "Tai Ahom and the Stars" এই লিখকদ্বয়ে তাই আহোমৰ তিনিখন আপুৰুগীয়া অপ্ৰকাশিত আহোম জ্যোতিষশাস্ত্ৰৰ তাই-আহোম ভাষাৰ পৰা ইংৰাজীলৈ অনুবাদ কৰি বিশ্লেষণ আগবঢ়াইছে।


২) দৰা-কইনাৰ ৰাশিযোৰা চোৱা "ফেলুং" গণনা পুথি (অপ্ৰকাশিত) (আহোম ভাষাত)

৩) বানচেং পুথি (অপ্ৰকাশিত) (আহোম ভাষাত)

৪) কাঠি বানচেং পুথি (অপ্ৰকাশিত) (আহোম ভাষাত)



কুকুবা থাম কবি মঙ্গল চোবা পুথি



মণ্ডল চোবা পুথি



চতুৰ্দ্দশ অধ্যায়

# ৰিক্খুন বা খুন মিং (আয়ু তোলা)

ৰিক্খুন[১] বা খুন্ মিং অনুষ্ঠান আহোম সকলৰ জাতীয় অনুষ্ঠান সমূহৰ ভিতৰত এটা গুৰুত্বপূৰ্ণ অনুষ্ঠান। কোনো এক বিশেষ ব্যক্তি বা ততোধিক ব্যক্তি অথবা কোনো দেশ বা জাতিৰ সবলীকৰণৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। তাই আহোমসকলে ধাৰণা কৰে যে কোনো ব্যক্তিৰ লগত ভালেমান 'খুন্' সংযুক্ত হৈ থাকে, যি সেই ব্যক্তিক স্বাস্থ্যবান আৰু প্ৰচুৰ প্ৰাণশক্তিৰ অধিকাৰী কৰি ৰাখে। যেতিয়া কোনো লোক পানীত পৰে বা বেয়া ৰোগত আক্ৰান্ত হয়, আতঙ্কগ্ৰস্ত হয় বা হীনমন্যতাত বা কঠোৰ শাস্তিৰ আশংকাত ভোগে, অথবা হঠাতে অস্থিৰ আৰু ক্লান্ত হৈ পৰে, তেতিয়া সেইগৰাকী ব্যক্তিয়ে কিছু 'খুন্' হেৰুৱাই পেলায়। আহোম বুৰঞ্জীত 'ৰিক্-খুন্' বা আয়ু তোলা অনুষ্ঠানৰ বৰ্ণনা প্ৰায়েই পোৱা যায়। লোক বিশ্বাস অনুসৰি ব্যক্তিৰ দেহ আৰু মনৰ এনেবোৰ অৱস্থাত তেওঁৰ গাৰ পৰা এৰা দিয়া 'খুন্‌বোৰ' গৈ নদ-নদী, সাগৰ, হাবি-বন, পৰ্বত-পাহাৰ,ওখ গছ, বৃহৎ ঘৰ, কমলা আদিৰ দৰে ফলধাৰী বৃক্ষ,আকাশ আদিত আশ্ৰয় লৈ থাকে। এই এৰা দি যোৱা 'খুন'বোৰক ঘূৰাই অনাৰ উদ্দেশ্যেই আহোমসকলে 'খুন্' মিং 'বা' 'ৰিক্খুন' অনুষ্ঠান উদ্‌যাপন কৰে। আহোম স্বৰ্গদেউ সকলৰ ৰাজত্ব কালত কোনো যুদ্ধ-বিগ্ৰহৰ কাৰণে সেনা-বাহিনীয়ে যাত্ৰা কৰাৰ আগে আগে সেই যুদ্ধৰ পৰা উভতাৰ পাচত আৰু ৰাজকোঁৱৰৰ ৰাজ অভিষেকৰ সময়ত ৰাজকীয় ভাৱে জাক-জমকতাৰে এই 'ৰিকখুন, বা 'খুন্‌মিং' অনুষ্ঠান উদ্‌যাপন কৰা হয়। ৰাজ পুৰোহিতসকলেও শত্ৰুৰ বিৰুদ্ধে যুঁজ কৰাৰ উদ্দেশ্যে মানুহক একত্ৰিত কৰাৰ অৰ্থে আৰু ৰাজ অভিষেকৰ আগে আগে ৰজাক সবল কৰাৰ অৰ্থে এই অনুষ্ঠান

উদ্‌যাপন কৰিছিল। এই অনুষ্ঠানৰ যোগেদি ব্যক্তিৰ দেহ-মন এৰি গৈ পয়োভৰা প্ৰকৃতিৰ বৈভৱৰ মাজত আশ্ৰয় লৈ থকা 'খ্বন্‌সকলক উভতাই অনাৰ চেষ্টা কৰা হয়। হেৰুওৱা 'খ্বন্‌বোৰক 'খ্বনটুক' (মানুহৰ ক্ষেত্ৰত) বোলা হয়। ব্যক্তিৰ ক্ষেত্ৰত 'খ্বন' উদ্ধাৰৰ অৰ্থে উদ্‌যাপন কৰা অনুষ্ঠানক 'আও খ্বন্ মিং' বা 'খ্বনমিং' অথবা 'ৰিক্খ্বন' বোলে। আকৌ দেশ বা জাতিৰ ক্ষেত্ৰত এই সঞ্জীৱনী অনুষ্ঠানক 'ৰিক্-খ্বন ম্যুং' বোলা হয়।

আহোম সকলৰ বিবাহ অনুষ্ঠান 'চকলঙ'ৰ এটা অপৰিহাৰ্য অংগ হৈছে এই 'ৰিক্খ্বন' বা 'খ্বন মিং' অনুষ্ঠান। বিয়াৰ দুদিন আগতেই দ'ৰা আৰু কইনাৰ সুস্বাস্থ্য কামনা কৰি এই 'খ্বন মিং' অনুষ্ঠান পতা হয়।

আক্ষৰিকভাৱে 'ৰিক' মানে 'মতা বা আহ্বান কৰা ' আৰু 'খ্বন' মানে 'দীৰ্ঘায়ু বা সঞ্জীৱনী'[২]। ৰাজ্যৰ জনসাধাৰণৰ মঙ্গলৰ অৰ্থে সম্পন্ন কৰা 'ৰিক্খ্বন' অনুষ্ঠানক 'ৰিক্খ্বন ম্যুংখ্বনবান'[৩] বোলা হৈছিল। ইয়াত 'মুং' শব্দই দেশ বা ৰাজ্যক বুজাইছিল।

'কাং ফাই' আৰু 'ডাম-ফী-চি ফুন ক্কা ৰিক্খ্বন' নামৰ ধৰ্মপুথি দুখনত এই অনুষ্ঠানৰ ধৰ্মীয় ক্ৰিয়া-প্ৰক্ৰিয়া সমূহৰ বিস্তৃত বিৱৰণ পোৱা যায়। সাধাৰণতে কালীপূজাৰ পিছত অৰ্থাৎ খৰালি কালত 'ৰিক্খ্বন' অনুষ্ঠান পতা নহয়, কিয়নো এই অনুষ্ঠানৰ বাবে প্ৰয়োজনীয় পানীৰ সেই সময়ত অভাৱ হয়।

তাই সকলৰ মাজত প্ৰচলিত খ্বন অনুষ্ঠানৰ প্ৰাচীনতম উল্লেখ পোৱা যায় আহোম ৰজাসকলৰ বংশ পৰম্পৰাগত পুৰাবৃত্ত 'আহোম বুৰঞ্জী'ত। ইয়াত লিপি বদ্ধ আছে যে আহোম নৃপতিসকলে নতুন ৰজাৰ ৰাজ্যাভিষেক, সামৰিক বিজয় বা সম্ভাব্য বিপদৰ সময়ত 'ৰিক্খ্বন' অনুষ্ঠান উদ্‌যাপিত কৰাইছিল। কেইবা গৰাকী ৰজা গুৰুতৰভাৱে অসুস্থ হৈ পৰাৰ সময়তো এই অনুষ্ঠান উদ্‌যাপন কৰা হৈছিল।

'আহোম বুৰঞ্জী'ত 'ৰিক্খ্বন' সম্পৰ্কীয় প্ৰাচীন উল্লেখ এনেধৰণৰ : 'সৰগৰ ৰজা লেংডনে তেওঁৰ নাতি খুন্‌লুং আৰু খুন্‌লাইক পৃথিৱীৰ শাসনভাৰ দি পঠিওৱাৰ সময়ত এইদৰে ক'লে, 'পৃথিৱীত বিভিন্ন সম্প্ৰদায়ৰ লোকে

বাস কৰে , .... তোমালোকে কঠোৰ হাতেৰে শাসন চলাব লাগিব। .... কোনো লোকে যদি নিজৰ মাকক লুণ্ঠন কৰে, বা জ্যেষ্ঠ ভাতৃয়ে যদি কনিষ্ঠ ভাতৃৰ পত্নীক নিজৰ পত্নী কৰি লয়; কোনেও তেওঁৰ ফালে চাব নালাগে, যদি কোনো লোক এনে পাপীষ্ঠৰ সম্মুখীন হয়, তেওঁ লগে লগে আকাশলৈ দৃষ্টি নিক্ষেপ কৰিব লাগে। যদি কোনো নৰাধমে তেওঁৰ বোৱাৰীয়েকক বা আপোন ভাইবোৱাৰীক ধৰ্ষণ কৰে তেওঁৰ কলিজা ছুৰীবিদ্ধ কৰি মাৰিব লাগে। তেনে পাপীলোকক চাব নাপায়। সিহঁতক মৃত্যুদণ্ড দিয়া নহলেও বাঘ-ভালুকেৰে ভৰা গভীৰ অৰণ্যলৈ পঠিয়াই দিব লাগে। তেনেলোকক যদি সংশোধন কৰিব বিচৰা, তোমালোকে সকলো মানুহক গোটাই লৈ দহোটা গৰু-গাই বলিদান কৰি লেংডনক জনাবা। সকলো পবিত্ৰ-বস্তু তাত সংগ্ৰহ কৰিব লাগিব। 'চোমদেউ' থাকিবই লাগিব। অপৰাধীহঁতে স্বৰ্গৰ দেৱতা (ৰজাৰ) ৰ ওচৰত আঁঠু লব লাগিব। গৰু-ম'হ মাৰি এটা ভোজ-ভাতৰ আয়োজন কৰিব লাগিব। সকলোলৈকে উপহাৰ আগবঢ়াব লাগিব। চোমদেউক প্ৰক্ষালন কৰা পানী কিছু পৰিমাণে অপৰাধীহঁতক পান কৰিবলৈ দিব লাগিব। তাৰ পাচত এনে লোকে 'ৰিক্‌খ্ন' অনুষ্ঠান উদ্‌যাপন কৰিব লাগিব। তাৰ পাচত এনে লোকৰ পোচাক-পৰিচ্ছদ খুলি উলঙ্গ অৱস্থাৰে যাবলৈ অনুমতি দিব লাগে'। (গোলাপ চন্দ্ৰ বৰুৱা সম্পাদিত আহোম বুৰঞ্জী ১৯৩০, গুৱাহাটী, পৃষ্ঠা ১৫-১৭)

আহোম বুৰঞ্জীত আহোম ৰজাসকলে ৰাষ্ট্ৰীয় অনুষ্ঠান হিচাপে 'ৰিক্‌খ্ন' উদ্‌যাপিত কৰাৰ বহুতো উল্লেখ পোৱা যায়। চাও লুং ছ্যু-কা-ফাই প্ৰথমে ৰিক্‌খ্ন্ অনুষ্ঠান উদ্‌যাপন কৰা দেখা যায়। নিজৰ উপাস্য দেৱতা লেংডন আৰু আন দেৱতাসকলৰ সন্তুষ্টিৰ কাৰণে তেৰেঁই প্ৰথমে এই অনুষ্ঠানক ৰাজকীয় মৰ্য্যাদা প্ৰদান কৰে। হাতে লিখা অৱস্থাত থকা ডি.এইচ,এ.এছ পুথি নং ২ পৃঃ ৬(ক) (DHAS manuscript No. 2 Folio 6(v) পুথিত এইদৰে উল্লেখ আছে যে মুং মাওলুঙৰ (বৰ নৰা) ৰজা তথা নিচায়েকৰ (মোমায়েক) পুত্ৰ ছ্যু-খান ফালে যেতিয়া ছ্যু-কা-ফাই কিছুমান সামগ্ৰী উপহাৰ স্বৰূপে পঠিয়ালে, তেতিয়া চাও-লুং ছ্যু-খান-ফ্ৰায়ো পাৰম্পৰিক সৌহাৰ্দ্যৰ

চিন স্বৰূপে এটা ঘোঁৰা, তাৰ জীন, লেকাম আদি, ৰঙীন গুণাকৰা এটা সোণালী টুপী, আগফাল পিছফাল দুয়োফালে ওলমি পৰা সোণালী ৰছণ চৰোৱা আৰু মণি-মুক্তা খচিত দীঘল জামা, সোণ-সূঁতাৰে এমব্ৰইদাৰী কৰা কাপোৰ, ৰঙা পাৰি লগোৱা এখন ডাঙৰ কাপোৰ, এখন কাঠৰ টুল,এখন সোণালী টুল আৰু সোণবৰণীয়া মোজা এযোৰ ছ্যু-কা-ফাই আয়োজন কৰা বিক্খুন অনুষ্ঠানলৈ পঠিয়ালে।

জলদেৱতা খাও খামলৈ আগবঢ়োৱা পূজাৰ সামগ্ৰীসমূহ মাটিতে অৰ্পণ কৰাৰ বাহিৰে আই লেং ডিন চাইৰেফা লেংডন আৰু জাছিংফাৰ উদ্দেশ্যে অৰ্পণ কৰা সামগ্ৰীসমূহ ওখ বেদীত সজাই দিয়া হয়। আহোম ৰজাসকলৰ দিনত অৰ্পণ কৰা সামগ্ৰী বোৰৰ ভিতৰত আছিল গৰু-ম'হ, নগদ ধন, মূল্যবান ৰত্ন, পোচাক-পৰিচ্ছদ আদি।

তাই আহোমৰ লোকবিশ্বাস অনুসৰি আনকি মৃত্যুৰ সময়তো ব্যক্তিৰ লগত থকা খুনবোৰ সঠিক ৰূপত থাকিব লাগে। এই কাৰণে এগৰাকী চাও ফাৰ (আহোম ৰজা ৰাজেশ্বৰ সিংহ) মৃত্যুৰ পিছত পুৰোহিতসকলে যেতিয়া দৈৱিক শক্তিৰে গম পালে যে ৰাজ পুৰুষজনাই 'খুন',হেৰুৱাইছে,তেতিয়া মৃত্যুৰ পিছতো ৰজাজনৰ শক্তি বৃদ্ধিৰ উদ্দেশ্যে 'বিক্ খুন' অনুষ্ঠান উদ্‌যাপন কৰা হৈছিল ।পুৰোহিতসকলে দেখিলে যে ৰজাৰ মৃতদেহৰ অগ্নিসংকাৰ কৰা হৈছে; আহোম পৰম্পৰা অনুসৰি মৈদামত সমাধিস্থ কৰা হোৱা নাই। তাৰ ফলত ৰাজ্যখনত বহুতো অশুভ ঘটনা সংঘটিত হ'ল আৰু অশুভ পৰিণতিৰ ফালেই গৈ থাকিল। এই ঘটনাই তেওঁলোকক সামুদ্ৰিক বিদ্যাৰ গ্ৰন্থ অধ্যয়ন কৰিবলৈ বাধ্য কৰিলে আৰু তাৰেই ফলশ্ৰুতিত 'বিক্খুন' অনুষ্ঠান উদ্‌যাপন কৰিব লগা হ'ল। এই উদ্দেশ্যে আহোম পণ্ডিতসকলে নতুন ৰজাক চন্দন কাঠেৰে মৃত ৰজাৰ এটা প্ৰতিমূৰ্ত্তি সাজি উলিয়াবলৈ পৰামৰ্শ দিলে। তাকে কৰা হ'লত পুৰোহিতসকলৰ পৰামৰ্শ অনুসৰি প্ৰয়োজনীয় সকলো নীতি-নিয়ম পালন কৰি আহোম প্ৰথামতে মৈদাম সাজি তাতে ৰজাৰ প্ৰতিমূৰ্ত্তি সমাধিস্থ কৰা হ'ল। প্ৰথমে কাটমন পাহাৰত বিক্খুন অনুষ্ঠান পালন কৰি পাচত মৈদামত সমাধিস্থ কৰা হয়।[8]

'কাংফাই' (হাতে লিখা অৱস্থাত থকা) পুথিত সমূহীয়াকৈ তথা ব্যক্তিগতভাৱে উদ্‌যাপন কৰা 'ৰিক্‌খুন' অনুষ্ঠানৰ ক্ৰিয়া কাণ্ড সমূহৰ বিস্তৃত বিৱৰণ পোৱা যায়। এই শাস্ত্ৰখনত কোৱা হৈছে যে 'খুন সকলে কোনো ব্যক্তিৰ শৰীৰ এৰি ডাঙৰ-ডাঙৰ গছত বাস কৰিব পাৰে। যদি কোনো লোক আতঙ্কগ্ৰস্ত হয়, তেওঁৰ 'খুন' তেওঁক এৰি থৈ গাঁৱৰ প্ৰৱেশ পথত বাস কৰিবলৈ ল'ব পাৰে। এই অনুষ্ঠান পালন কৰি পুৰোহিতসকলে আৱাহন কৰিলে গুচি যোৱা খুনসকল উভতি আহি ব্যক্তি গৰাকীৰ শৰীৰত পুনৰ থিতাপি লয়। এই অনুষ্ঠানৰ বিতং বিৱৰণ সম্বলিত আনখন শাস্ত্ৰ হৈছে 'বৰ-ফাই'। 'বৰ-ফাই'ত তিনিগৰাকী দেৱতাৰ উল্লেখ আছে। তেওঁলোক হ'ল জানছাইহুং, ফা-নুৰু-লেংডন আৰু জাছিং-ফা। 'বৰ-ফাই' নিৰ্দ্দেশিত বিধি অনুসৰি লখিমী উৎসৱো পালন কৰা হয়। 'লখিমী' অনুষ্ঠানৰ বিধি অনুসৰি লখিমী উৎসৱো পালন কৰা হয়। 'লখিমী' অনুষ্ঠানৰ বিধি অনুসৰি যেতিয়া নদীৰ পৰা পানী অনা হয়, আৰু যেতিয়া বাঁহৰ চুঙাৰে পানীৰ পৰা লখিমীক উঠাই অনা হয়, তেতিয়া এই অনুষ্ঠানে এটি ক্ষুদ্ৰ ৰিক্‌খুন্ অনুষ্ঠানৰ ৰূপ পৰিগ্ৰহ কৰে। এনেধৰণৰ লখিমী উৎসৱত মহিলাসকলে নিৰন্তৰ লখিমী সঙ্গীত পৰিৱেশন কৰে। 'খুন্-মিঙ' বা ৰিক্‌খুন' অনুষ্ঠান তিনিধৰণেৰে উদ্‌যাপন কৰা হয়।

(১) সৰুফাই (ফাই ন'ই)

(২) মাজু ফাই (ফাই কাং)

(৩) বৰ ফাই (ফাই লুং)

ইয়াৰ বিস্তৃত বিৱৰণ তলত দিয়া হ'ল।

## সৰু ফাই (ফাই ন'ই) :

বিবাহ অনুষ্ঠান (চক্‌লং) উপলক্ষে অথবা কোনো লোকৰ খুন্ এৰা দিলে (বা হেৰালে) সৰু ফাই অনুষ্ঠিত কৰা হয়। সৰু ফাই পদ্ধতিত 'মেহেঙ্গা' (ওখকৈ ৰখা বাঁহৰ ডলা) সজোৱা নহয়। এই পদ্ধতি অনুসৰণ কৰিবলৈ দুখন জাকৈৰ প্ৰয়োজন হয়। দুজন বা তিনিজন পুৰোহিত (ম'লুঙ)এই অনুষ্ঠানৰ বাবে দৰকাৰ হয়। সৰু জাকৈখনত এডোখৰ বগা কাপোৰ, দুখিলা আগলি

কলপাত (আগটো ওপৰলৈ কৰি), কাঁহৰ বাচনত চাউল (খাও-চাম), এটা কুকুৰাৰ কণী (কাই-খা) আৰু কেইটামান তামোল ফুলেৰে (ব্লক-চিঙ-ফা) আবৃত কৰি সজাই ৰখা হয়। কল (কুইপাক), কুঁহিয়াৰ (কুইচুপ), কমলা (মাক-দাও) আদি কিছু ফলও ৰখা হয়। যি গৰাকীলোকে 'খুন্' হেৰুৱাইছে তেওঁক আৰু তেওঁৰ পৰিয়ালবৰ্গক এক বিশেষ স্থানত বহুওৱা হয়। তেওঁলোকৰ বাবেই ওপৰত উল্লেখ কৰা ধৰণৰ ফলবোৰ সজাই তেওঁলোকৰ সম্মুখতে ৰখা হয়। এখন জাকৈত অসুখীয়াজনে খাব পৰাকৈ আৰৈ চাউল, কুকুৰা কণী এটা, কটা তামোল এখন, কাপোৰেৰে আবৰণ ৰাখি জলত কৰা পূজা ভাগলৈ নিব। আনখন জাকৈৰে পুৰোহিতে মন্ত্র উচ্চাৰি খুন আনি জাকৈত ৰাখিব। এই খুন ৰাতিপুৱাই গ্ৰহণ কৰিব। পুৰোহিত সকলে জাকৈখন লৈ কোনো নদী বা জলাশয়লৈ যায় আৰু তাতে কলপাত দুখিলাত (তলমুৰাকৈ ৰাখি) তিনিভাগ কৰি চাউল, হাঁহৰ কণী, তুলসীৰ পাত আৰু তিনিখনকৈ কটা তামোল আৰু পাণ জলদেৱতা খাও -খামৰ উদ্দেশ্যে অৰ্পণ কৰে আৰু তলত দিয়া মন্ত্রটো গায়। খুন অনাৰ শেষত কুনফী নৰৰূপী দেৱ ভগৱানক এভাগী জলপান কৰা নিয়ম। যথা ঃ-

"চাও নুৰু চাও কাও অ'ই
পু খাও খাম চয় কুম
যা খাও খাম চয় কুম
পু ডাঙ ৰী যা ডাং ৰি
পু ডাঙৰী, জা ডাঙৰী
নাম খে ধ্ৰঙ্ ৰম কান
স্তীক খ্ৰঙ খাম। পান লাই ৰম
পুথ্যোঙ ম্যুঙ। জাথ্যোঙ বান
পুছুন ম্যোঙ। জা ছুন বান
জীম ম্যোব পয় জু বান
জীম ম্যোব লাওগ্ৰী

থাও ফী ত্যেঙ। জাছিঙফা ছেএ থাম
ম' লাওক্রী জীম ছেন।
জীম ম্যোব পয় জু বান
কুন ফুবাও মান ক
খুন টুক আও খুন মিঙ।
পু-টাই কুম যা টাই-টু
য়েক খ্বান খাম
বম কান টু টে ।
চাও নুক চাও কাও অ'ই।
আও টাং নাং না পাং খাং না জাঙ
আও টাং নাং না পাং খাং না পাং
টং মৌ কুপ টং ফা
ব্লক মি টা মাক মৃ ব'উ প্লুং
খাও চান দি পেট খাই
চুং ম'উ চাও চুং ম'উ-ফী
চাও নুক চাও কাও অ'ই।"

খাও খাম দেবতাক এইদৰে তোষণ কৰা হয় -
"পু খাও খাম চয় কুম জা খাও খাম চয় খেন
পু ডাং বি যা ডাং বি
পু টাই কুম জা টাইটো
মৌ মুন চেই ব্লন খাম
ডীক খ্বন খামপান টাই কম কান টুটে
চাও নুক চাও কাও অ'ই
কুন ফু বাও মান কা
খুন্‌ টুক আও খুন মিং আও খুনটুক খাও খুন মুং
খেক চেও আও কিক মা

মো' লাওখ্ৰী জিম চি জিম মৌ পই জু খান
কাও খ্বন ম্যুং কাও কু চজুন ডাই কাও পায় জু টাম।
খ্বন কমা টেনা চাও কাও অ'ই।'

জলদেৱতা খাও খামক এইদৰে আৱাহন কৰাৰ পাচত তলত দিয়া প্ৰাৰ্থনা গীত গোৱা হয় !

"চাও নুৰু চাও কাও অ'ই
চাও নুৰু চাও কাও অ'ই
চাও নুৰু চাও কাও অ'ই
পু খাও খাম চয় কুম যা খাও খাম চয় খেন
পু ডাং ৰি জা ডাংৰি
পু টাইকুম, জা টাই টো
মো মুন শ্বেং ব্লন খাম
ক্ৰেক খ্বন খাম পান লাই
ৰব কান টুটে
চাও নুৰু চাও কাও অ'ই
কুন ফু বাও মান (বিশেষ ব্যক্তি গৰাকীৰ নাম লব)
খ্বন টুক আও খ্বন মিং
ৰুম ৰ্যোন মান (ব্যক্তি গৰাকীৰ নাম)
খেক শ্বেউ আও ৰিক মা
ম'লা খ্ৰী, জিম ছি জিম ম' পই জু বান
খ্বন কো' যা টে না চাও কাও অ'ই
ধান মো' কাও কু শ্বাম ডাই কাও পাই জুম টাম।'

বাঁহৰ জাকৈৰে তিনিবাৰ মাছ বিচাৰি (পানীত জাকৈখন টানি)

পুৰোহিতসকলে গায় ঃ-

"চাও নুক চাও কাও অ'ই
চাও নুক চাও কাও অ'ই
চাও নুক চাও কাও অ'ই
কম ৰেন মান কো' কুন ফু বাও ত্রিঙ মান (মানুহজনৰ নাম ল'ব)
খুন টুক ৰাও খুন মিং
খেক চেও আও ৰিক মা
জন খুন অ'উ জা মিঙ্
খুন ক মা তে না চাও কাও অ'ই
নাম ল্যেঙ ল্যেঙ নাম পাঙ লা।
হেউ টী ফী ছ্যং
নাম লালা হেও টী ফী ফ্রং
হাই হান না খুন টুক আও খুন মিং
খুন ক মা টে না চাও কাও অ'ই
কাও খুন ম'উ কাও কু ছুন ডাই কাও পাই জু টাম।"

(চুটিকৈ ইয়াৰ অৰ্থ হ'ল ঃ যদি তেওঁৰ জীৱনী শক্তি সমুদ্ৰৰ সৌন্দৰ্যৰ মোহত মুগ্ধ হৈ সমুদ্ৰলৈ পলাই গৈছে। তেনেহ'লে আমি সেই জীৱনী শক্তিক (খুন) এই বাঁহৰ জাকৈখনত আহি প্ৰৱেশ কৰিবলৈ আহ্বান জনাইছো)। তাৰ পাচত জাকৈত যি মাছ উঠে তাকে লৈ পুৰোহিতসকল ঘৰলৈ ঘূৰি আহে। ঘূৰি অহাৰ বাটত তেওঁলোকে হেকওৱা আটাইবোৰ সঞ্জীৱনী শক্তিকে উভটি আহিবলৈ আৰাধনা কৰে।

"টী থ্যেন টী ফী ছ্যঙ
টী থ্যেন ম্যঙ টী ফী ফ্রঙ্
হাই হান না খুন টুক আও খুন-মিং

খ্ন ক' মা তে না চাও কাও অ'ই
কাৱাখ্ৱান য' কাও কু চাম ডাই কাও পাই ঘু টাম।'

(অর্থঃ যদি সঞ্জীৱনী শক্তিৰ গোট সমূহ (খ্ন) অৰণ্যৰ ৰূপত মুগ্ধ হৈ এই গৰাকী ব্যক্তিক এৰি থৈ গৈছে তেনেহ'লে সেইসকল শক্তি গোট এই গৰাকী ব্যক্তিৰ দেহলৈ উভতি আহক)।

"খ্ন নিং ডাও টাম ফা হেউ টী ফী ফ্রং
হান হান না খ্ন টুক আও খ্ন মিং
খ্ন ক' মা তে-না চাও কাও অ'ই
কাও খ্ন মউ কাও কু ছন ডাই
কাও পায় জু টাম।"

(অর্থ ঃ যদি সঞ্জীৱনী শক্তি সমূহ আকাশৰ তিৰবিৰ তৰাৰ ৰূপত মুগ্ধ হৈ গুচি গৈছে, তেনেহ'লে তেওঁলোক এই গৰাকী লোকৰ শৰীৰলৈ উভতি আহক)। উভতি অহা বাটত পুখুৰী দেখিলে পুৰোহিতসকলে এইদৰে গায় ঃ-

"নাম খুম লুঙ টী ফী ফ্রঙ্
হান হান না খ্ন টুক আও খ্ন মিং
খ্ন ক' মা তে না চাও কাও অ'ই
কাও খ্ন মউ কাও কু ছন ডাই
কাও পায় জু টাম।"

(অর্থ ঃ যদি এই গৰাকীলোকক এৰি অহা সঞ্জীৱনী শক্তিয়ে এই পুখুৰীৰ সৌন্দৰ্যত মুগ্ধ হৈ এই পুখুৰীতে বাস কৰি আছে, তেওঁলোক এতিয়া উভতি আহক)।

সেইদৰেই কোনো লোকৰ সঞ্জীৱনী শক্তিয়ে (খ্ন) তেওঁক এৰি আহি কোনো ফুলনিৰ সৌন্দৰ্যত মুগ্ধ হৈ ফুলনিতে থাকি যাব পাৰে। তেতিয়া পুৰোহিতসকলে নিম্নোক্ত ধৰণে আৰাধনা কৰি খ্নসকলক উভতি আহিবলৈ কাকুতি কৰে।

"টি চুন ব্লক টী ফী ফ্রঙ্ হাননা
খুন টুক আও খুন মিং
খুন ক মা তে না চাও কাও অ'ই
"কাও খুন ম'উ কাও কু ছুন-ডাই
কাও পাই জু টাম।"

সেই একে প্ৰকাৰেই কোনো ব্যক্তিৰ শৰীৰ এৰি যোৱা 'খুন' বা সঞ্জীৱনী শক্তি গৈ কমলা গছত থাকিব পাৰে। পুৰোহিতসকলে এই পৰিত্যাগী খুনসকলক উভতি আহিবলৈ এইদৰে কাকুতি কৰে।

"টুন মাক ডাও মাক কুপ ডেং
টী ফী ফ্রঙ হাননা
খুন টুক আও খুন মিং
খুন ক' মা তে না চাও কাও অ'ই"।

কোনো আটকধুনীয়া বিশাল ঘৰৰ চালে চকুবোৱা সৌন্দৰ্যত মুগ্ধ হৈও কোনো লোকৰ জীৱন শক্তি তেওঁক এৰি গৈ সেই ঘৰত বসতি কৰিব পাৰে। ধন-সোণ আদিৰ মোহত বিমোহিত হৈও এই শক্তিয়ে কোনো ব্যক্তিৰ শৰীৰ এৰি যাব পাৰে। পুৰোহিতসকলে তেনেদৰে খুনসকলক বিশাল ঘৰ, ধন-সম্পদ, বাঁহনি (টুন মাই), কঠাল গছ (টুন মাক লাও), দীঘলীয়া পথ (টাং লুং) আদিৰ পৰা ঘূৰি আহিবলৈ আহ্বান কৰে। সুস্বাস্থ্য হেৰুওৱা ব্যক্তি গৰাকীৰ ঘৰলৈ ওভতাৰ বাটত পোৱা আকৰ্ষণীয় চিত্তাকৰ্ষক যি কোনো অজৈৱ (জড়) বস্তু দেখিলেই পুৰোহিতসকলে সেইবোৰ বস্তুত বাস কৰি থাকিব পৰা খুনসকলক ওভতাই মাতি প্ৰাৰ্থনা সঙ্গীত গায়।

হৃতস্বাস্থ্যৰ ব্যক্তিগৰাকীৰ পদূলিমুখত পুৰোহিতসকলে ক'ব : এই গৰাকী লোকৰ গাৰ পৰা ওলাই বংঘৰ , কাৰেংঘৰ চাবলৈ গুচি যোৱা সঞ্জীৱনী শক্তিবোৰ (খুন) উভতি আহিলনে?

উত্তৰ পোৱা যাব : হয়, হয়, আহিল ,ঘূৰি আহিল।

বাহিৰত খেল-ধেমালি চাবলৈ এই গৰাকী লোকৰ গাৰ পৰা ওলাই

গুচি যোৱা সঞ্জীৱনী শক্তিবোৰ ঘূৰি আহিলনে? উত্তৰ পোৱা যাব ঃ হয়,ঘূৰি আহিল,ঘূৰি আহিল।

ইয়াৰ পাচতে পুৰোহিতে ব্যক্তি গৰাকীৰ মূৰত তিনিবাৰ চাউল ছটিয়াব। ইয়াকে কোৱা হয় 'জন মিং'।

**মাজু-ফাই ঃ**

'মাজু-ফাই' পদ্ধতিত তিনিটা বেদী সজা হয়। তাৰে প্ৰথমটো 'জান শ্বাই হুং, দ্বিতীয়টো ফা নুৰু লেংডন আৰু তৃতীয়টো জাছিংফাৰ নামত উৎসৰ্গা কৰা হয়। ইয়াত কেৱল কণী, চাউল,ফুল, আদা, তামোল আৰু মিঠাতেল আগবঢ়োৱা হয়। কুকুৰা দিয়া নহয়। দুখন বাঁহৰ জাকৈৰ প্ৰয়োজন হয়। সৰুখনত এডোখৰ বগা কাপোৰ পাৰি তাৰে ওপৰত এখনি আগলি কলপাত দিয়া হয়। তাৰ ওপৰত এবাটি চাউল, এটা কুকুৰাৰ কণী, ব্লক চিংফা (চিংকাৰা) ফুল আৰু তামোল আগবঢ়োৱা হয়। কমলা, পকা কল, কুঁহিয়াৰৰ টুকুৰা আৰু অন্য ফলও কিছু দিয়া হয়।

পানীৰ পৰা 'খুন' আহ্বান কৰা পদ্ধতি 'সৰু ফাই'ত উল্লেখ কৰাৰ দৰে একেই। তাৰ পাচত ঠিক একে ধৰণেৰে হেৰুৱাই ঘূৰাই পোৱা খুন ৰুগ্ন ব্যক্তিক ঘূৰাই দিয়া নিয়ম (জন-মিং) একেই। পুৰোহিতসকলেও একেধৰণেৰে মাছ ধৰে। জাকৈৰে ধৰা মাছ ৰান্ধি দুতস্বাস্থ্যৰ ব্যক্তি গৰাকীক খুওৱা হয়।

**'ৰৰ-ফাই' ঃ**

মাছ ধৰা আৰু পানীৰ পৰা হেৰুওৱা 'খুন' উদ্ধাৰ কৰাৰ পদ্ধতি সৰু-ফাই' আৰু মাজু-ফাইৰ দৰেই। ইয়াত 'থাম-টাং' মন্ত্ৰ মাতি কুকুৰা বধ কৰা হয়। এনেকৈ মৰা কুকুৰাবোৰৰ পেট ফালি জুইত পোৰা হয় আৰু পিছত বেদীত অৰ্পণ কৰা হয়। এনেকৈ পেট ফলা কুকুৰাবোৰৰ ভিতৰত স্নেমোৱাই দিয়া হয় কণী, চাউল, কেঁচা কল, পকা কল, কোমল চাউল (খাও ৰ), সুমিষ্ঠ পিঠা-পনা আৰু ভাতৰ টোপোলা। পানী শুদ্ধ কৰি মন্ত্ৰপূত কৰাৰ কাৰণে 'মেগেলা', গছৰ ঠাৰি এডাল ব্যৱহাৰ কৰা হয়। অনুষ্ঠানত 'ৰৰ ফাই পুথি' পাঠ কৰা হয়।

জাকৈৰে ধৰা মাছ ৰান্ধি সূৰ্যাস্তৰ আগতে পৰিয়ালৰ মানুহক খুওৱা হয়। পিছদিনাখন ৰাতিপুৱা পুৰোহিতসকলে মন্ত্ৰোচ্চাৰণ কৰি বধ কৰা কুকুৰাবোৰ ঠেং পৰ্যবেক্ষণ কৰি পৰিয়ালৰ ভৱিষ্যতৰ মঙ্গল চায়।

হাতে লিখা বুৰঞ্জী পুথিত খ্বন অনুষ্ঠানৰ প্ৰথম উল্লেখ তলত দিয়া ধৰণেৰে পোৱা গৈছে ।

ছবছৰ ধৰি ছ্যু-কা-ফাই খেন-টুন-জাও, টুন এগাও (শিমলুগুৰি) ৰ পৰাই শাসন কাৰ্য চলাইছিল। তাৰ পাচত তেওঁ টি-মাক নদীৰ ফালে আগবাঢ়ি গ'ল। লাকনি ৰাই মিটত তেওঁ 'লাং-টাও-ফা' নগৰ প্ৰতিষ্ঠা কৰিলে। তেওঁ নতুন ধাননি পথাৰ মুকলি কৰিলে । তাৰ পাচত তাতে তেওঁ ৰিক্‌খ্বন অনুষ্ঠান উদ্‌যাপন কৰিলে।

(বুৰঞ্জী আৰু পুৰাতত্ত্ববিভাগৰ পুথি নং ২ পৃষ্ঠা ২(ক), পুথি নং ৩৪ পৃঃ ১০(খ), বি.কে. গোহাঁই সংগৃহীত পুথিৰ পৃঃ ১০(খ)

আহোম বুৰঞ্জীত উল্লেখ আছে যে ১৫৫২ খ্ৰীষ্টাব্দত (৩ চ'ত) চুতীয়াসকলক পৰাস্ত কৰাৰ পাচত চুহুং-মুঙ স্বৰ্গদেৱে 'ৰিক্‌খ্বন' অনুষ্ঠান ৰাজকীয় মৰ্যাদাৰে উদ্‌যাপন কৰিছিল। ১৬৭৮ খ্ৰীষ্টাব্দত পৰ্বতীয়া ৰজা ছ্যু-ডই- ফাৰ ৰাজত্ব কালত আন এটা ৰিক্‌খ্বন অনুষ্ঠান ৰাজকীয় মৰ্যাদাৰে উদ্‌যাপিত হৈছিল।

লোকবিশ্বাস আৰু আহোম পুথিত উল্লেখ কৰা খ্বন-বিশ্বাস অতি পুৰণি। খ্বন আৰু চাউ (মন বা অন্তৰ)ৰ ওতঃপ্ৰোত সম্বন্ধ। মাহৰ প্ৰতিদিনেই খ্বন আৰু চাউ বিভিন্ন ঠাইত অৱস্থান কৰে। খ্বনবোৰ ব্যক্তি এগৰাকীৰ দেহৰ ভিন্ ভিন্ অঙ্গত অৱস্থান কৰে। মাহৰ প্ৰথম দিনটোত চাউ ভৰিত থাকে, খ্বন থাকে ভৰিৰ তলুৱাত, দ্বিতীয় দিনত চাউ থাকে সোঁহাতত, আৰু খ্বন থাকে ভৰিৰ ওপৰ অংশত। তৃতীয় দিনত চাউ থাকে বাওঁ হাতত, খ্বন থাকে নাভিত। চতুৰ্থ দিনত চাউ থাকে কঁকালত, খ্বন থাকে দেহত। মাহৰ পঞ্চম দিনটোত চাউ থাকে মুখত খ্বন থাকে জিভাত। ষষ্ঠ দিনত, চাউ থাকে সোঁহাতত, খ্বন থাকে পিঠিৰ নিম্ন ভাগত। সপ্তম দিনত চাউ থাকে কঁকালৰ নিম্নাংশত খ্বন থাকে দাঁতত। অষ্টম দিনত চাউ থাকে বাউসীৰ তলৰ চেপত (armpit) খ্বন থাকে উৰুদ্বয়ত। নৱম দিনত চাউ থাকে বাহুত, খ্বন থাকে কান্ধত। দশম দিনত চাউ

থাকে (গুহ্যদ্বাৰত), খুন থাকে পাকস্থলীত এঘাৰ দিনত চাউ থাকে ছালত, খুন থাকে (মূৰত)। বাৰ দিনত চাউ থাকে মূৰৰ চাৰিওফালে খুন থাকে মূৰত। তেৰ দিনৰ দিনাখন চাউ থাকে ডিঙিত, খুন থুঁতৰিত। চৈধ্য দিনত চাউ থাকে পেটৰ ভিতৰত, খুন থাকে পিঠিত। পোন্ধৰ দিনৰ দিনা চাউ থাকে দেহত, খুন থাকে পিঠিৰ নিম্নাংশত। ষোল্ল দিনৰ দিনা চাউ থাকে দেহত, খুন থাকে (ভৰিত)। ওঠৰ দিনত চাউ থাকে হাতৰ মণি বান্ধত, খুন থাকে ডিঙিত। উনৈশ দিনত চাউ থাকে ভৰিৰ কলাফুলত, খুন থাকে দেহত। কুৰি দিনৰ দিনা চাউ থাকে ককালত আৰু খুন থাকে জিভাত। একৈশ দিনত চাউ থাকে কেএঞা আঙুলিত, খুন থাকে চকুৰ ভিতৰত। বাইশ দিনৰ দিনা চাউ থাকে তপিনাত, খুন থাকে নাকত। তেইশ দিনত চাউ থাকে ভৰিৰ উপৰি পতাত,খুন থাকে কঁকালত। চৌব্বিশ দিনত চাউ তাকে ভৰিত,খুন বুকুত। পঁচিশ দিনত চাউ থাকে হাতৰ তলুৱাৰ ওপৰ ভাগত, খুন তাকে থুঁতৰিত। চাব্বিশ দিনত চাউ থাকে হাতৰ তলুৱাত, খুন থাকে ভৰিত। সাতাইশ দিনত চাউ থাকে বুকুত, খুন পিঠিৰ নিম্নাংশত। আঠাইশ দিনত চাউ থাকে নাড়ী-ভুৰুত, খুন থাকে নাকত। উনত্রিশ দিনত চাউ থাকে চুলিত, খুন থাকে কঁপালত। ত্রিশ দিনৰ দিনা চাউ থাকে ভৰিৰ খাৰ গাঁঠিত (ankle), খুন থাকে চুলিৰ আগত।[৫]

আন এখন হাতে লিখা পুথিত (লিক্‌হুংখুন) এই সম্পর্কে এনেধৰণেৰে লিখা আছেঃ-

"আহা, আহা, মানুহৰ শৰীৰত বাস কৰা ত্রিশ গৰাকী খুন আহা। আহা, নব্বৈ গৰাকী খুন। হাজাৰ বছৰ ধৰি তোমালোকৰ আশ্রয়দাতাৰ শৰীৰত সঞ্জীৱনী শক্তি সঞ্চাৰ কৰি ৰাখিছো।

এগৰাকী লোকৰ শৰীৰত বাস কৰা তোমালোক এশ বিশ গৰাকী খুন। কাণ আৰু চকুৰ শ্রদ্ধাভাজন খুনসকল, তোমালোক, তোমালোকৰ গৰাকীৰ লগতে থাকিবা।"[৬] (পুথি নং ১৮১৬, ২৬৭৮ পৃ- ১২-১৩ : য়ে হুম বুঢ়াগোহাঁই)

ওপৰৰ বৰ্ণনাৰ পৰা এইটো প্ৰতীয়মান হয় যে চকু আৰু কাণ মানৱ দেহৰ প্ৰধান আনুভূতিক ইন্দ্ৰিয় যাক সুন্দৰ, মনোমোহা সাগৰ, নদ-নদী,জান-জুৰি, সৰোবৰ, ফুলনি, কমলা অদি সুমিষ্ট ফলৰ দৃশ্যই অহৰহ প্ৰভাবান্বিত কৰি থাকে।

খুন মতা পুথিবিলাক আইডন, কাকে, খাময়াং সকলৰ মাজত প্ৰায় একেধৰণেৰে একে কথাৰে লিখা। তেওঁলোকৰ মাজত খুন মতা নিয়ম দুবিধ।

(১) ঘৰতে মাতে

(২) জাকৈ লৈ নৈৰ পাৰত নতুবা জলাশয়ৰ পাৰলৈ গৈ মাতে। ৰোগীজন য'ত ভয় খাওঁতে খুন হেৰাইছে, সেই ঠাইলৈ গৈ খুন মাতে।

এখন খুন পুথিত এনেদৰে উল্লেখ আছে ঃ-

কোনো মানুহ বহুদিনৰ পৰা বেমাৰত ভুগি থাকিলে, তেতিয়া বিক্‌খুন পতা হয়। বিক্‌খুনৰ বাবে খুন পুথিখন পঢ়োতে তলত লিখাৰ দৰে প্ৰস্তুতি চলাব লাগে ঃ

জুহালখন অতি ভালদৰে প্ৰথমে পৰিষ্কাৰ কৰি ল'ব। নভগা চাউল (হাই-থাও-ম' লুংয়ে) তাৰ ওপৰত ৰাখে। নতুন কাপোৰত নভগা আৰু ভগা চাউল হাই থাওৰ ভিতৰত থোৱা হয়। তিনিজন জুহালৰ চাৰিওফালে থাকে। ৰবাচাউলৰ এটা টোপোলা, সিদ্ধ ভাত, মাংস, মাছ, কণী বা আলুৰ টোপোলা থয় জুহালৰ দক্ষিণ দিশত। বতৰৰ ফলমূল থোৱা হয়। এলোটা পানী (মুখলৈকে পানী ভৰ্ত্তি থকা), কুঠাৰ, দা, হেংদান, যাঠী, ধনু-কাঁড়, এডাল কুঁহিয়াৰ 'খুন' পঢ়া মানুহজনে ৰাখিব। দক্ষিণ ফালৰ দুৱাৰখন বন্ধ থাকিব। উত্তৰ ফালৰ দুৱাৰখন খোলা থাকিব। ম'লুঙজনে, 'খুন' পুথি পঢ়িব। এবাৰ পঢ়াৰ পিচত 'জী-জাপ' বুলি জুহালৰ কাষত থকা তিনিজন মানুহে (পণ্ডিত) মাতিব। টোপোলাৰ পৰা উলিয়াই চাউল চাই যদি দেখে নভগা চাউলো লাগি ধৰিছে, তেতিয়া খুন আহিল বুলি ধৰিব। যদি চাউল লাগি নধৰে, খুন অহা নাই। তেতিয়া মানুহজনে (পণ্ডিত) পুনৰ 'খুন' পুথি পঢ়ে। যদি তেতিয়াও নাহে, পুথিখন সাতবাৰ পঢ়ে আৰু পঢ়োতে হাতত হেংদানখন লৈ পঢ়ে আৰু শেষত

'জী-জাপ' বুলি উচ্চাৰণ কৰে। টোপোলাত লাগি থকা চাউল গোটাই লৈ ৰুগীয়া মানুহজনৰ মুখত থয়। ৰুগীৰ কুহমটো ৰুগীয়া মানুহজনৰ কপালত সানি দিয়ে আৰু 'খুন' পুথিখন পঢ়ে আৰু আকৌ তিনিবাৰ 'জী-জাপ বুলি উচ্চাৰণ কৰে। তাৰ পিচত নৈবেদ্যখিনি ভকতসকলৰ আৰু অভ্যাগতসকলৰ মাজত বিতৰণ কৰি খায়। এনেকৈয়ে 'খুন' পূজা পালন কৰা হয়।[৭]

খুন হৈছে মানুহৰ জীৱনীশক্তি। এই খুন সৌন্দৰ্যপ্ৰেমী। ই এক অনবদ্য শক্তিৰ ৰূপ। এই অনুষ্ঠানত তাই আহোমৰ সৌন্দৰ্য প্ৰেম প্ৰকাশ পাইছে।

**প্ৰসংগ উদ্ধৃতি :**

১) বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ পুথি নং ২ পৃঃ ৬, বি. কে. গোঁহাই সংগ্ৰহিত পুথি ৰাজবুৰঞ্জী পৃঃ ১০
২) আহোম বুৰঞ্জী (ৰায়চাহেব গোলাপ চন্দ্ৰ বৰুৱা সম্পাদিত ১৯৩০) পৃঃ ৫০
৩) Khwan : An Ancient Tai Belief. Wilaiwan Kanittanan Thammasat University (International Conference on Thai Studies, New Delhi 1981)
৪) Tai of Assam. Vol.1 P.53 - B. J. Terwiel
৫) আহোম বুৰঞ্জী (ৰায়চাহেব গোলাপ চন্দ্ৰ বৰুৱা সম্পাদিত ১৯৩০) পৃঃ ৫৭
৪) বি. কে. গোহাঁই সংগ্ৰহিত ৰাজবুৰঞ্জী পৃঃ ৬১
৫) বিভিন্ন পুথিত উল্লেখিত খৱন আৰু চাউ (অপ্ৰকাশিত প্ৰবন্ধ) য়ে হম বুঢ়াগোহাঁই
৬) লিক হুং খৱন পৃঃ ১২, ১৩
৭) ১৯৯০ চনত প্ৰয়াত পূৰ্ণকান্ত বুঢ়াগোহাঁইদেৱে তেওঁৰ পুত্ৰ আইহুং-ক্যং বুঢ়াগোহাঁইৰ অসুখৰ সময়ত তাই পণ্ডিত নবীন শ্যামৰ সহযোগত 'বিকখন' / 'হুং খৱন' অনুষ্ঠান পাতিছিল। ক্ষেত্ৰ অধ্যয়নৰ ভিত্তিত তেখেতে খৱনৰ বিষয়ে এইচোৱা লিখি থৈ গৈছে।

**সহায় লোৱা পুথি আৰু গ্ৰন্থ :**

১) বুৰঞ্জী আৰু পুৰাতত্ত্ববিভাগৰ পুথিসমূহৰ নং - ২, ১৭, ৩৪, ২৭৭, ১১৫৬, ১১৬২, ১১৮১, ১৮১৬, ২৬৭৮
২) বি. কে গোহাঁই সংগৃহিত পুথি

৩) বাজবুৰঞ্জী - ১
বাজবুৰঞ্জী - ২
৪) দেওধাই মহন বাইলুং বুৰঞ্জী
৫) ফাইলুং পুথি (শ্ৰী তিলেশ্বৰ মহনৰ দ্বাৰা সংৰক্ষিত)
৬) ফাইকাং পুথি (ঐ)
৭) ফাইনই পুথি (ঐ)
The Tai of Assam and Ancient Tai Ritual - Vol.1, B. J. Terwiel 1980
Khwan : An Ancient Tai Belief - Wilaiwan Kanittanana, Thammasat University (International Conference on thai Studies, New Delhi 1981)

পঞ্চদশ অধ্যায়

# তাই-আহোম ভাষাত বৌদ্ধ জাতক কাহিনী

তাই-আহোমৰ ধৰ্মগ্ৰন্থৰ মাজত বৌদ্ধ-জাতক গ্ৰন্থ সাঁচিপতীয়া পুথিৰূপে পোৱা গৈছে। এই পুথিবিলাকত বুদ্ধৰ আগৰ জনমৰ কাহিনী লিপিবদ্ধ কৰা আছে। এই পুনৰ জনমৰ কাহিনীবোৰ আহোম ভাষাত থকাৰ কাৰণে বহুতে আহোমসকল বৌদ্ধধৰ্মী আছিল বুলি ক'বলৈ প্ৰয়াস কৰে।

তাই ভাষাৰ জাতক-কাহিনীৰ পুথিসমূহ যিহেতু কোনো পূজাতে ধৰ্ম শাস্ত্ৰ হিচাপে ৰখা নহয় বা পাঠ কৰা নহয়, এই জাতক কাহিনীবোৰ চু-কা-ফাৰ আগমনৰ পিচত নতুনকৈ অনা তাই-খামসকলে আহোম ৰজাৰ নৱাদেশৰ পৰা বিয়া কৰি অনা ছোৱালীৰ লগত আহোতে লৈ অহা বুলি আমি ভাবো। এই জাতক কাহিনীবোৰত পুনৰ জন্মৰ বিশ্বাস দেখা যায়। কিন্তু আহোমসকলৰ আদিতে পুনৰ জন্মৰ বিশ্বাস নাছিল। গতিকে এই শাস্ত্ৰসমূহ আহোম-তাই ভাষাত লিখা যদিও আহোমৰ ধ্যান-ধাৰণাৰ বাহিৰৰ বস্তু।

এই জাতকসমূহত কেনেধৰণৰ কথা লিখা আছে তাকে দেখুৱাবৰ বাবে নেমি মাও ফুৰা আৰু উবাক ক্ৰা ক্ৰা এই দুই জাতকৰ অসমীয়া ভাষানুবাদ দিয়া হ'ল।

## ফুৰা আলাও - নেমিমাও জাতক
### 'নামঃ তাছা ভাগাৱাত আৰাহত ছাম্মা"

অতীজতে যেতিয়া ক্ৰা অৰ্থাৎ ভগৱানে মিথিলা নামেৰে এখন ৰাজ্যত জিৰণি লৈছিল, সেই সময়ত ক্ৰায়ে মিথিলাবাসীৰ মাজত তেওঁৰ ধৰ্ম

প্ৰচাৰ কৰিলে। ফ্ৰায়ে ধৰ্ম প্ৰচাৰ কৰা কালত সেই মিথিলা ৰাজ্যৰ চাৰিওফালে ফুলে বনে নদন বদন কৈ ফুলিছিল; দেশত চুকে কোণে থকা সকলোবিলাক ফুলে সুগন্ধি পাহি মেলি আমোল মোলাই কৰি মুগ্ধ কৰিছিল। ভগৱানে (ফ্ৰায়ে) অহিংসা নীতি ধৰ্ম প্ৰচাৰ কৰা কাৰণে ফুলবিলাকে পাহি মেলি একান্ত মনে শুনি ফুলিছিল। (ফ্ৰা) ভগৱানে ধৰ্ম প্ৰচাৰ কৰা সময়ত জগতৰ প্ৰাণী আৰু দেব দেৱতা সকলে তেওঁৰ মুখৰ পৰা যি বাণী শুনাইছিল একান্ত মনে শুনিছিল। ভগৱানৰ মুখৰ পৰা (ত্ৰা) যি ধৰ্ম বাণী শুনাইছিল, সেইবিলাক ফুলৰ গোন্ধৰ দৰে গোটেই দেশ আমোল মোলাই তুলিছিল। ফ্ৰায়ে পালাং কংচেং অৰ্থাৎ সোণৰ সিংহাসনত বহি থকা অৱস্থাত তেওঁৰ তিনিগৰাকী শিষ্যই বেঢ়ি ধৰিছিল। সেই তিনি গৰাকী শিষ্য জ্ঞানী আছিল। তেওঁলোকে ভগৱানক প্ৰাৰ্থনা কৰি নানা কথা সুধিছিল। ফ্ৰাৰ সোঁকাষে থকা চাৰিপুত্ৰাঃ নামে এজন গুণী জ্ঞানী ডাঙৰ শিষ্য আছিল ; তেওঁ ফ্ৰাৰ আদেশমতে দেৱতা, মনুষ্য আৰু সকলো প্ৰাণীৰ মাজত ধৰ্ম প্ৰচাৰ কৰি অহিংসা নীতিৰ দ্বাৰা জগতৰ সকলো প্ৰাণীবিলাকক সুখ শান্তি বিলাইছিল। তেওঁৰ অন্তৰ বগা কপাহৰ দৰে কোমল আৰু পৰিষ্কাৰ আছিল ; সকলো প্ৰাণীকে সমান চকুৰে চাইছিল। তেওঁ সকলো মনুষ্য আৰু দেৱতা সকলৰ উৰ্দ্ধত আছিল। মগ্গলানা নামে আন এগৰাকী ফ্ৰাৰ প্ৰধান শিষ্য আছিল। তেওঁ সদায় ভগৱানৰ বাওঁকাষে বহিছিল। তেওঁ ভগৱানৰ মুখৰ পৰা ওলোৱা (ত্ৰা) বাণী আৰু উপদেশবিলাক একান্তমনে শুনি বহু জ্ঞান লাভ কৰিছিল। তেওঁ উপদেশ আৰু বাণীবিলাক সকলো মানুহ আৰু দেৱতাসকলৰ মাজত প্ৰচাৰ কৰি সুন্দৰকৈ শুনাইছিল আৰু জগতৰ সকলো প্ৰাণীকে নিৰ্বাণৰ পথ দেখুৱাই দিছিল। তাৰ পাছত চাওঁ আনন্দ নামে এজন ফ্ৰাৰ তায়েক আছিল। তেওঁ শিষ্য হিচাপে ভগৱান ফ্ৰাৰ সন্মুখত বহিছিল। তেওঁ ভগৱান ফ্ৰাৰ সকলো কথা, সকলো ৰীতি-নীতি শুনি মনত ৰাখি থৈছিল। তেওঁক ভগৱানৰ পিছৰ দ্বিতীয় অৱতাৰ বুলি ক'ব পাৰি। ভগৱান ফ্ৰাৰ পিছত তেওঁৰ বাণী (ত্ৰা) আৰু ধৰ্মৰ উপদেশবিলাক নিৰ্বাণ লাভৰ উপায়বিলাক, জগতৰ দেৱতা, মনুষ্যসকলৰ মাজত প্ৰচাৰ কৰিছিল। জগতৰ প্ৰাণীবিলাকে তেওঁৰ দ্বাৰা প্ৰচাৰিত ধৰ্মৰ বিষয়ে শুনি নিৰ্বাণ লাভৰ বাবে উৎকণ্ঠিত হ'ল আৰু

সকলোৰে অন্তৰত শ্ৰদ্ধা জাগি উঠিল । আনন্দয়ে ভগবান ফ্ৰাক মিচিকিয়াই থকা দেখি মিনতি কৰি সুধিব ধৰিলে যে (চাওঁ কৌৰি) অৰ্থাৎ হে প্ৰভু দয়াময়, তুমি কি দেখি এনেকৈ মিচিকিয়াই হাঁহিছা। অনুগ্ৰহ কৰি মোক জানিবলৈ দিবানে? তেতিয়া ভগবান ফ্ৰাই ক'ব ধৰিলে ; তেওঁ মুখ মেলা মাত্ৰকে তেওঁৰ মুখৰ ভিতৰত সমগ্ৰ জগতখন নানা ৰং বিৰঙৰ সেউজীয়া জিকমিকীয়া হৈ থকা দেখা পালে। ফ্ৰাই ভায়েক আনন্দক বুজাই কৈছিল যে এই মিথিলা ৰাজ্যত যিমান দেৱতা আৰু মানুহ আছে সকলো দেখিবলৈ ধুনীয়া হৈ পৰিছে। মিথিলা ৰাজ্যত থকা আম গছৰ বাগিছা আৰু ফুলনি বাগিছাবোৰ ইমান আহল বহল আৰু ইমান সুন্দৰ হৈ পৰিছে । চালে চকু ৰোবা হৈছে। বতাহত ফুলবিলাকৰ গোন্ধ গোটেই দেশতে চাৰিওফালে বিয়পিব লাগিছে। হাজাৰ হাজাৰ ফুলৰ পাহিবোৰ সুগন্ধৰে পৰিপূৰ্ণ হৈ পৰিছিল। ভিক্ষুসকলে ভগবান ফ্ৰাক প্ৰাৰ্থনা কৰোতে ভগবানে ভায়েক আনন্দক বুজায় আৰু আনন্দই সকলো কথা নিজৰ আধ্যাত্মিক শক্তিৰ দ্বাৰা বুজি পায়। তেওঁৰ চকুৰ আগত যেন সকলো কথা ভাহি উঠিছিল। আনন্দয়ে ভগবানক সুধিলে "পৃথিৱীত থকা মানুহ আৰু দেৱতা (ফিকোন)সকল কেনেকৈ সুন্দৰ আৰু নামী হ'ল, অনুগ্ৰহ কৰি তুমি মোক সমস্ত কথা সুন্দৰকৈ বুজাই দিয়া। ভগৱানে অতীতৰ আৰু ভৱিষ্যতৰ সকলো কথা জানিছিল। সেয়েহে তেওঁ আনন্দক সকলো মানুহ আৰু প্ৰাণীয়ে শুনাকৈ ক'ব ধৰিলে। ভগবানে মিথিলা ৰাজ্য সম্বন্ধে ভায়েক আনন্দৰ আগত ক'লে এই দেশখনত আগতে বহুত ৰজা মহাৰজাই ৰাজপাট খাই পাৰ হৈ গ'ল। যেতিয়াৰ পৰা এই ৰাজ্যত ৰজা হৈছিল, তেতিয়াৰ পৰা বৰ্তমানলৈকে আঠ অযুত চাৰি হাজাৰ যুগ পাৰ হৈ গ'ল। ৰজা আছিল তিনি অযুত তিনি হেজাৰ। পিছত তিনি অযুত বছৰ হোৱাৰ পিছত ছয় হাজাৰ বছৰ আহি পোৱাত ভগবানে ৰজাৰ পুত্ৰ হিচাপে জন্ম লয়। তেঁৱৰে অৰণ্যত পৰ্বতৰ গুহাত তপস্যাত মগ্ন হয়। তেঁৱৰে সেই তপস্যাৰ পৰা পৰম জ্ঞান লাভ কৰাৰ পিছত এজোপা বৰগছৰ তলত সোণৰ সিংহাসনত বহি ঈশ্বৰত্ব লাভ কৰে। অতীজত আন আন অৱতাৰ পাৰ হৈ যোৱাৰ দৰে বৰ্তমান ভগবানে তপস্যাত মগ্ন হৈ ঈশ্বৰত্ব লাভ কৰিছিল। সেইদৰে ভগবানে আনন্দক বুজাই কৈছিল। আঠ অযুত চাৰি হেজাৰ

বছৰত ভগবানে অৰণ্যত গৈ সেই পাৰ হৈ যোৱা পূৰ্ব ফ্ৰাৰ ৰীতি-নীতিবিলাক অনুসৰণ কৰিয়ে তপস্যা কৰিব ধৰিলে। অৰ্থাৎ ভগৱানে অৰণ্যৰ শিলৰ গুহাত পাথৰৰ ওপৰত বহি বহু বছৰ ধৰি কঠোৰ তপস্যা কৰিবলৈ গৈছিল। তেওঁ নিজৰ বিশাল দেশখনৰ ৰজা নহৈ সকলো ত্যাগ কৰি নিৰ্বাণৰ পথ বিচাৰি বা মুক্তিৰ পথ বিচাৰি গৈ গুহাত তপস্যাত মগ্ন হৈছিল। সেইজনা ফ্ৰায়ে আঠ অযুত চাৰি হাজাৰ বছৰ পুৰ হৈ যোৱাতহে নিৰ্বাণ লাভ কৰিছিল। নিৰ্বাণ লাভ কৰা মানে আকাশৰ শীৰ্ষত কোনো দুখৰ চিন্তা জ্বালা যন্ত্ৰণা সাৰ্থকতা নথকা সদায় সুখময় স্থিতি, মনেৰে যিভাৱে সকলো আপোনা আপুনি ওলাই থাকে, পিন্ধা উৰা কাপোৰকানিও ওলাই থাকে সেই তেনেকুৱা নিৰ্মল আনন্দময় নিৰ্বাণ স্থানত প্ৰত্যেকজনা অৱতাৰে সেই একে নীতি লৈ একে ধৰণেৰে পৃথিৱীত বসবাস কৰে। নিৰ্বাণৰ সোণৰ সিংহাসনত বহিলে কোনেও অনিষ্ট কৰিব নোৱাৰে; কোনো শত্ৰু নাথাকে। ফ্ৰাই আনন্দক এইদৰে বুজাই ক'লে 'অতি পুৰণি কালত নেমিমাঙ নামেৰে এজনা ৰজাৰ ৰাজকোঁৱৰ আছিল। তেওঁ ভগৱানৰ অৱতাৰ আছিল। সেই সময়ত নেমিমাঙ কোঁৱৰে সমগ্ৰ দেশ জুৰি সকলো দেৱতা আৰু মানুহৰ ওপৰত ৰজা হৈছিল ।জগতৰ প্ৰাণীবিলাকৰ মাজত ধৰ্ম প্ৰচাৰ কৰি ধৰ্মৰ পথ দেখুৱাই দিছিল। তেওঁ পূৰ্বৰ ভগবান অৱতাৰৰ নীতিকে লৈ নিৰ্বাণৰ পথ সকলো মানুহকে দেখুৱাই দিছিল। কোঁৱৰ সৰু হৈ থকাৰ কাৰণে তেতিয়া সিমান জ্ঞান হোৱা নাছিল; তেওঁৰ সীমিত জ্ঞানেৰে ধৰ্ম প্ৰচাৰ কৰিছিল। আকাশত থকা সূৰ্য্যলৈকে তেওঁৰ জ্ঞানে চুকি পোৱা নাছিল; তথাপি তেওঁৰ জ্ঞান সূৰ্য্যৰ দৰে জিকমিক যদিও সৰু হৈ থকা কাৰণে তেওঁৰ জ্ঞান সম্পূৰ্ণ হোৱা নাছিল। ভগবানে তেওঁৰ শিষ্যসকলক একাগ্ৰমনে ভগৱানৰ নাম লোৱা হাতত বিচনী ধৰা ভিক্ষু সংঘসকলক কৈছিল, যি জনা নেমিমাঙ কোঁৱৰ বুলি মই তোমালোকক কৈছো ভৱিষ্যতে তেওঁ এজনা ভগৱানৰ অৱতাৰ হ'ব ; সেইকাৰণে (চাউকাফেট) বজ্ৰদাতা আৰু লেংডনে সদায় তেওঁক লালন পালন কৰি আহিছে। নেমিমাঙ কোঁৱৰে এনেদৰে থাকোতে এদিনাখন তপস্যা কৰিবলৈ মন মেলিলে। তেওঁ ৰজা হ'বলৈ ইচ্ছা নকৰিলে। এদিনাখন তেওঁ ভগৱানৰ ওচৰত গৈ ক'লে 'তপস্যা কৰিবলৈ ইচ্ছা কৰিছো।'

তেওঁৰ বয়স বাঢ়ি আহিছিল বুলি তেওঁ নিজে বুজি পাইছিল। লাহে লাহে তেওঁৰ মূৰৰ কলা চুলিবিলাক ৰূপালী পানীৰ দৰে জিকমিকাই থকা দেখা গৈছিল। এজন বৃদ্ধ মানুহে হাতত হীৰামুকুতা আনি নেমিমাঙ কোঁৱৰক দিছিল। নেমি মাঙে সেই বুঢ়াৰ ৰূপটো দেখি ভৱিষ্যতৰ সকলো কথা তেওঁৰ চকুৰ আগত ভাহি উঠিছিল । তেওঁ সেই ৰূপটো দেখি মনে মনে ভাল পাইছিল। তাৰ পিছত তেওঁ ভগৱানৰ ওচৰত আহি ভগৱানক পূজা কৰিব ধৰিলে। ৰজা নেমিমাঙ কোঁৱৰে সেই বুঢ়াৰ ৰূপটো দেখি অৱশ্যে মনে মনে ভয় খাইছিল। নেমিমাঙ কোঁৱৰে ৰাজকাৰেঙৰ পৰা এদিনাখন ওলাই তপস্যাৰ কাৰণে অৰণ্যলৈ গুচি গ'ল। তেওঁৰ তপস্যাৰ বাবে তাৰ আগতেই (চিকিয়া) দেৱতায়ো তিনিটা কাম কৰি থৈ গৈছিল। ৰজা নেমিমাঙৰ তপস্যাৰ কাৰণে বিহাৰ এটা সাজিছিল, লগতে ভাত আৰু খাবৰ কাৰণে ফলমূল আৰু আন আন বস্তু থৈ গৈছিল। ৰজা নেমিমাঙ কোঁৱৰ তপস্যা কৰিবলৈ যোৱাৰ খবৰ পাই দেৱতাসকলে আহি তেওঁক অভ্যৰ্থনা জনালে। তেওঁ পূৰ্ব্বৰ জনমত দান কৰা গুণবিলাক বৰ্ত্তমান জন্মত সেই দানৰ গুণে তেওঁক বেচি গুণী কৰি তুলিছিল; সেইকাৰণে এতিয়া তেওঁ তপস্যা কৰাৰ সময়ত দেৱতা সকলে আহি তেওঁক শুশ্ৰূষা কৰিব ধৰিছিল। নেমিমাঙ কোঁৱৰে তপস্যা কৰিবলৈ গৈ থাকোতে অৰণ্যৰ মাজত বাটত এটা ডাঙৰ শিলৰ ওপৰত টোপনি গ'ল। তেওঁ টোপনিৰ পৰা সাৰ নোপোৱাত চাউফাফেট দেৱতাৰ আসন খন শিলৰ দৰে কঠিন হৈ উঠিল। তেতিয়া চাউফাফেট দেৱতাই স্বৰ্গৰ আসনৰ পৰা সমস্ত দেৱলোক চাই ফুৰিলে কিন্তু কাকো ক'তো নেদেখিলে। তাৰ পাচত স্বৰ্গৰ পৰা মৰ্ত্ত্যবাসীলৈ চাই পঠিয়ালে। সেইদৰে চাউফাফেট বজ্ৰদাতা দেৱতাই পৃথিৱীৰ চাৰিওফালে চাই অৱশেষত নেমিমাঙ কোঁৱৰে অতি কষ্টেৰে শিলৰ ওপৰত টোপনি যোৱা দেখা পালে। তেতিয়া চাউফাফেট বজ্ৰদাতায়ে নামি আহি কোঁৱৰক সকলো কথা বুজাই ক'লে, তোমাক হিংসা কৰিবৰ কাৰণে মৰ্ত্ত্যলৈ পঠোৱা নাই, তোমাক বিশ্বৰ সতে পৰিচয় হ'বৰ কাৰণেহে পঠিয়াইছিলো। লোকে কয় দানৰ সলনি ভগৱানক ডাঙৰ লগত উজ্জল শ্ৰেষ্ঠৰ ফুল দান কৰাটো সকলোতকৈ শ্ৰেষ্ঠ দান, গতিকে এতিয়া তুমি পৃথিৱীলৈ গৈ ভৱিষ্যত উজ্জ্বল হ'বৰ কাৰণে

আমাকো তোমাৰ লগত নিৰ্বাণ পাবলৈ লৈ যাবা বুলি আমি অপেক্ষা কৰি থাকিলো। তুমি যিটো তাওহুম কৰিছিলা অৰ্থাৎ যেনেদৰে ভগৱানক ভাত উচৰ্গা কৰিছিল সেই দানৰ গুণে তোমাক বহু ওপৰলৈ উঠাব। তোমাৰ দানৰ গুণটোৱে, ধৰ্মটোৱে তোমাৰ অপেক্ষাত বৈ আছে । অতীজতে এসময়ত এগৰাকী ভিক্ষুনীয়ে সদায় ভগৱানক টাওহুম ভাত দান কৰাৰ কাৰণে তাইৰ মৃত্যুৰ পাচত সেই দানৰ গুণেই তাইক পুস্মা নামে স্বৰ্গৰ দেৱলোকত স্থান লাভ কৰিছিল; এইদৰে চাউফাক্কেট দেৱতাই কোঁৱৰক বুজাইছিল।

'সেই টাওহুম্ ভগৱানক ভাত দান কৰাৰ গুণটো বুজিবৰ কাৰণে মই তোমাক বুজিপোৱাকৈ স্পষ্টভাৱে কৈছিলো। গতিকে তুমি দান কৰা গুণটো পাবা, ই কেতিয়াও বিফলে যাব নোৱাৰে। চিকিয়াই এইদৰে কোঁৱৰক শিকোৱাৰ পিছত নিজৰ সিংহাসনত টিংহা নামে স্বৰ্গ ৰাজ্যলৈ পুনৰ গুচি গ'ল। তাৰ পাচত চাউ নেমিমাঙ্ কোঁৱৰেও সদায় ভগৱানক টাওহুম (ভাত) দান কৰিবলৈ ধৰিলে। চিকিয়াই স্বৰ্গত উঠিগে তেওঁৰ পত্নী অপেশ্বৰী সুন্দৰী সুধামাৰ তুলাৰ দৰে কোমল আসনত বহি থাকিল। তাৰ পাচত আন স্বৰ্গত থকা দেৱতাসকলে আহি চিকিয়া দেৱতাক মিনতি কৰি সুধিব ধৰিলে 'চাউ খাইফা টিংহা, অৰ্থাৎ হে টিংহা স্বৰ্গত থকা দেৱতা, আপুনি টিংহা স্বৰ্গৰ ৰজা আৰু সকলো ক্ষেত্ৰতে পাৰ্গত, আপুনি কি কাৰণে মৰ্ত্যলৈ বা পৃথিৱীলৈ নামি গৈছিল —অনুগ্ৰহ কৰি আমি বুজিপোৱাকৈ কয় যেন।' চাউফাক্কেট বজ্ৰদাতায়ে দেৱতাসকলৰ সকলো কথা শুনি আছিল। চাউফাক্কেট বজ্ৰদাতায়ে দেৱতা সকলক এই বুলি কৈছিল "নেমিমাঙ ৰাজকোঁৱৰে পৃথিৱীলৈ নামিব নোৱাৰাত মই তেওঁৰ ওচৰত গৈ শুশ্ৰুষা কৰি পঞ্চশীল আদি শিকি আহিছো। তেওঁৰ পৰা পঞ্চশীল শিকি বহুত আনন্দিত হৈছো। তেওঁ সদায় ভগৱানক "টাওহুম" ভাত উৰ্চগা কৰিছিল। তেওঁৰ কথাবাৰ শুনি দেৱতাসকলে লেওজনক প্ৰণাম জনাই ক'ব ধৰিলে আমি ও তেনেদৰে পঞ্চশীল আৰু তাওহুম্ কৰাৰ সময়ত এবাৰ সেৱা জনাবলৈ বহুত ইচ্ছা কৰিছো, দয়া কৰি আপুনি আমাকো তেখেতৰ ওচৰত লৈ যাব যেন।" এই বুলি দেৱতাসকলে ক'লে। তেতিয়া চিকিয়াই চাউফাক্কেটক কৈছিল 'তুমি মাতালীনাতৃস্থ দেৱতাক যোঁৱাৰ ৰথখন সুন্দৰকৈ চাকা কৰিবলৈ দিবা । তাৰ

ওপৰত সোণৰ সিংহাসন পাতি দিবা, তাতে নেমিমাঙক তলৰ পৰা তুলি আনিব লাগিব। দেৱতাসকলে তেওঁক লগ ধৰিবলৈ বাট চাই আছে। চিকিয়া (লেংডেন) দেৱতাই মাতালী নাতৃছাক আদেশ দিয়াৰ পিচত তেওঁ বৈ থকা দেৱতাসকলৰ ফালে মুখ কৰি তেওঁলোকক ভালকৈ বুজাই দিলে।

তেওঁ দেৱতাসকলক ক'লে 'তোমালোক সকলোৱে মর্ত্যলৈ নামি যাব নেলাগে। মই "পগতছাত" অর্থাৎ সোণৰ ৰথত উঠি গৈ যদি তেওঁক লগ পাওঁ, মই অতি সোনকালে তেওঁক লৈ ঘূৰি আহিম। তোমালোকে কোনোৱে এলাহ নকৰিবা, ৰাতি পুৱা অতি সোনকালে শুই উঠি ভগৱানক "তাওছম" ভাত দান কৰিবলৈ ক্রটি নকৰিবা। ৰাতিপুৱাৰ লগে লগে ভগৱানক প্রার্থনা কৰিবা আৰু ভগৱানক লগ পাবলৈ (চুতং) মনত কামনা কৰিবা। ধন সোণ যাতে দান কৰিবলৈ পোৱা সদায় (চুৰং) কামনা কৰিবা।' এইদৰে চাউফাকেত দেৱতাই আন আন দেৱতাসকলক কৈছিল। তাৰ পাচত চাউফাফেতে সোণৰ ৰথত উঠি নেমিমাঙ কোঁৱৰক বিচাৰি যাব ধৰিলে। গৈ থাকোতে কোঁৱৰক পাই ৰথত তুলি আকাশৰ ওপৰৰ স্বর্গলৈ লৈ গুচি গ'ল। তেতিয়া পৃথিৱীত থকা মানুহবিলাকে একে স্থিৰে আকাশৰ ফালে মুখ কৰি যিমানলৈকে চকুৰ দৃষ্টি যায় সিমানলৈকে চাই বৈ থাকিল। কোঁৱৰক স্বর্গত লৈ যোৱাত স্বর্গত বাট চাই থকা লাখ লাখ দেৱতাই নেমিমাঙ কোঁৱৰক লগ পাবৰ কাৰণে শাৰী পাতি ৰাস্তাত বৈ আছিল। সিহঁতৰ গাৰ ৰঙে স্বর্গ ৰাজ্য চাৰিওফালে জিক্‌মিকাই তুলিছিল। ৰাস্তাৰ দুয়োকাষে শাৰী শাৰীকৈ কানক নামে এবিধ (স্বর্গত থকা) গছ কই থৈছিল ; সেই কানক গছবিলাক কেতিয়াও মৰহি নগৈছিল বা কেতিয়াও নমৰিছিল। নেমিমাঙ কোঁৱৰে সেই লাখ লাখ বৈ থকা দেৱতাসকলক দেখি আচৰিত হৈ সেইটো কোনফালে যোৱা ৰাস্তা বুলি চাউফাকেতক সুধিলে। তেতিয়া মাতালী নাতৃছা দেৱতাজনে কোঁৱৰক উত্তৰ দিলে যে সেইটো হৈছে তোমালোকৰ মর্ত্ত্যবাসীৰ পৃথিৱীৰ ৰাস্তা। পৃথিৱীৰ লাখ লাখ মানুহে তাত বসবাস কৰি আছে, আৰু আমাৰ ওপৰত থকা ধন চিংহা খাপ স্বর্গৰ দেৱলোক। তাৰ পৰা আৰু ওপৰলৈ উঠি গ'লে সুধাম্মা চিকিয়াৰ মহাৰাণীৰ কাৰেঙ পোৱা

যায়। নেমিমাহ্ কৌৰৱে দেৱতাজনক ক'লে 'মই (মুজাবাই) নৰক চাবলৈ ইচ্ছা কৰিছো, মোক নৰক লৈ গৈ দেখুৱাই দিয়া। তেতিয়া দেৱতাজনে তেওঁক সেৱা কৰি ক'লে 'হে প্ৰভু, আপুনি নৰক চাবলৈ ইচ্ছা কৰিব নেলাগে; লেংডন ৰজাই আপোনাক চাবৰ কাৰণে কষ্ট কৰি বাট চাই আছে। মুজাবাই অৰ্থাৎ নৰকৰ নিচিনা বেয়া ঠাই আৰু ক'তো নাই; আপুনি চাবলৈ ইচ্ছা কৰিলে আগতে চিকিয়াৰ ওচৰলৈ যাওক তেওঁ আপোনাৰ বাবে অপেক্ষা কৰি আছে।' এইদৰে মাতালী নাত্ছা দেৱতাজনে কোবাত কৌৰৱে ক'লে 'তেতিয়া হ'লে মোক আগতে লেংডন ৰজাৰ ওচৰলৈ লৈ ব'লা। নেমিমাহে আৰু ক'লে 'আমি আকাশৰ ওপৰত ডাৱৰবোৰৰ মাজে মাজে গৈ সকলো চোৱাৰ শেষতহে লেংডনৰ স্বৰ্গ পাম। কৌৰৱে অলপ সময়ৰ পিচতে লেংডন ৰজাৰ দেশ পালে, লেংডন দেৱতাই কৌৰৱক দেখি ক'লে "খুন ঐ, স্বৰ্গৰ তলৰ তৰপতো বহু দেৱ দেৱতা বৈ আছে।" কৌৰৱে তলৰ খাপত চাই দেখিলে যে তলৰ গছ-গছনি, নৈৰ পানীবিলাক জুইৰ দৰে বঙা দেখা গৈছে। তেওঁৰ চকুৰ দৃষ্টি যিমানলৈ যায়, সিমানলৈকে সমস্ত তলৰ খাপ বঙা বঙা দেখা পাইছিল। পানীৰ ওপৰৰ পৰা তললৈ চালে যেনেকৈ পানীৰ তলখন বহুত দ যেন দেখা যায় ঠিক তেনেধৰণে কৌৰৱে স্বৰ্গৰ পৰা তললৈ চোৱাত তেনে দেখিলে।

স্বৰ্গৰ পৰা তললৈ চোৱাত নৰকলৈকে দেখা পালে। নৰকত যে ইমান দুখ জ্বালা যন্ত্ৰণা। তিতা পোৱা আৰু গেলা গোন্ধেৰে ভৰা তাত হাজাৰ হাজাৰ মানুহে নৰকত উতলি থকা গৰম পানীত পৰি এবাৰ ডুবিগৈ এবাৰ ওপৰলৈ ওলাই আহিছে। শৰীৰৰ তেজ মাংসবিলাক জুইৰ তাপত গলি যায়; গলি যোৱাৰ পাচত আকৌ পুনৰ শৰীৰ গঠন হৈ মানুহৰ ৰূপ লয়, আকৌ যমদূতে ধৰি গৰম পানীত পেলাই দিয়ে; সেইদৰে কিমান হাজাৰ বছৰ কষ্টত ভুগি থাকে তাৰ হিচাপ নাই। তেনে দুখৰ অৱস্থা দেখি নেমিমাহে কৌৰৱে দেৱতাজনক সুধিলে 'এই কষ্ট ভুগি থকা মানুহবিলাকে কি পাপ কৰিছিল। তেওঁলোকে যে সদায় এইদৰে দুখ কষ্ট ভুগিব লগা হৈছে ?' তেতিয়া মাতালী নাত্ছায়ে কৌৰৱক দুখন হাতেৰে প্ৰণাম কৰি বুজাই ক'লে, 'এই মানুহ বিলাক মৰ্ত্যত থাকোতে মানুহ হৈ থকা অৱস্থাত পৰৰ বস্তু চুৰ কৰিছিল, পৰৰ সম্পত্তি

দেখিলে লোভত পৰি লোকৰ বস্তু ডকাইতি কৰি কাঢ়ি লৈ গৈছিল, পৰৰ মনত দুখ দি বস্তু কাঢ়ি লৈ গৈছিল, অশ্লীল কথাৰে যাকে তাকে গালি পাৰিছিল। সেই কাৰণে তেওঁলোকে এতিয়া এনেকুৱা গৰম পানী আৰু জুইৰ তাপত শৰীৰৰ তেজ মাংস পুৰি দুখ কষ্টত ভুগিবলগা হৈছে। সেইটো হৈছে তেওঁলোকৰ পাপৰ ফল, সেয়েহে তেওঁলোকে এনেকুৱা দুখ-বেদনা ভুগিব লাগিছে।' তেতিয়া নেমিমাও কোঁৱৰে ক'লে 'এইবিলাক যন্ত্ৰণা দেখি মোৰ ভয় লাগিছে, মইয়ো তেওঁলোকৰ দৰে দুখ কষ্ট ভুগিব লাগিব নেকি?'

লুকফি' অৰ্থাৎ দেখা দেৱতাজনে ক'লে, "যদি আপুনিও পৃথিৱীত থাকি আনক খণ্ড কৰি আৰু বেয়া কামবিলাক কৰি ফুৰে, আনক অপকাৰ কৰি ফুৰে, তেতিয়া নিশ্চয় আপুনিও তেওঁলোকৰ দৰে আহি দুখ কষ্ট ভুগিব লাগিব প্ৰভু!' সেইদৰে তেওঁলোকে নৰক চোৱাৰ পাচত ৰথত উঠি আগুৱাই গ'ল। তাৰ আগত আৰু আন এখন নৰক দেখা পালে। সেই নৰকখনত গোটেই দেশতে দিনে ৰাতিয়ে জুইয়ে মানুহবোৰক পুৰি খাই পেলাইছে। মানুহৰ দেহবোৰ পোকবিলাকে খাই পেলাইছে। মানুহৰ মৰাশ, জুইয়ে পুৰি পেলোৱা মানুহৰ দেহবোৰ দেখিলে ভয় খাব লগা। গোটেই দেশতে মৰাশ ভৰি আছিল আৰু ডাঙৰ ডাঙৰ শগুণ, বাঘ, ক'লা কাউৰী ইত্যাদি বনৰ জন্তুৰে ভৰি পৰিছিল। কুকুৰ, কাউৰীৰ জাকে সকলোৰে মানুহৰ মৰাশবিলাক কামুৰি পেটু উলিয়াই টানি লৈ ফুৰিছিল। সিহঁতে ইটোৰ মুখৰ পৰা সিটোৱে কাঢ়ি লৈ খায় আৰু হাঁহাকাৰ কৰিছিল। সেইবিলাক ঘটনা নেমিমাও কোঁৱৰে দেখি দুখ মনেৰে দেৱতাজনক সুধিলে 'এইবিলাক মানুহে কি অপৰাধ কৰিলে ? কি পাপ কৰি আহিছে ? আজি তেওঁলোকৰ এই অৱস্থা কিয়?' তেতিয়া মাতালী নামৰ দেৱতাজনে কোঁৱৰৰ প্ৰত্যেক প্ৰশ্নৰে স্পষ্ট উত্তৰ দিছিল। 'তেওঁলোক যেতিয়া মৰ্ত্তবাসী মানুহ হৈ আছিল, বৰ দুৰ্দান্ত খঙাল মানুহ আছিল ; তেওঁলোকে সৰু ডাঙৰ কাকো নামানিছিল। আৰু গৰুমাউ বোলা বস্তুটো তেওঁলোকৰ গাত মুঠেই নাছিল। সেয়েহে তেওঁলোকে মৃত্যুৰ পিছত এই দুখ যন্ত্ৰণা ভুগিব লগীয়া হৈছে। সেই পাপৰ ফলত সিহঁতক নৰকত কুকুৰ আৰু কাউৰীয়ে খাইছে। এই যন্ত্ৰণাৰ পৰা কোনেও হাত সাৰিব নোৱাৰে।' তেনেকুৱা

দুখ কষ্ট নৰকত ভুগি থকা মানুহবোৰ দেখি নেমিৰাজ কৌৰৱে তেওঁৰ খুব ভয় লাগিছে বুলি দেৱতাজনৰ আগত কৈছিল। তেতিয়া আকাশত থকা মাতালী নামৰ দেৱতাজনে ক'লে, 'যদি আপুনিও পৰৰ বস্তু পৰৰ সম্পত্তি কাঢ়ি লৈ পৰৰ মনত বেজাৰ দিয়ে, কোনো বস্তু ভগৱানক বা ভিক্ষুসকলক বা আন দুখীয়া মানুহক দান নকৰে, আৰু ভিক্ষুসকল বা অন্য তপস্যা কৰা বা ধৰ্ম পালন কৰা লোকসকলক অশুভ অপ্ৰীতিৰ কথা কয় আৰু গালি পাৰি মনত দুখ দিয়ে, তেতিয়া আপুনিও এই নৰকত তেওঁলোকৰ নিচিনাকৈ কষ্ট ভুগিব লাগিব।' কৌৰৱ নেমি মাজে সেই যমনগৰৰ সকলো ঠাই চাবলৈ ইচ্ছা প্ৰকাশ কৰিছিল; তেওঁলোকৰ সোণৰ ৰথখনে অতি তীব্ৰগতিৰে আগবাঢ়িছিল। সেইদৰে গৈ থাকোতে ইখন নগৰ পাৰ হোৱাৰ পিচত আৰু আন এখন নগৰ বা দেশ পালে। সেই দেশখনতো কিমান লাখ বছৰ ধৰি নাৰকীয় প্ৰাণীবিলাকে মতা তিৰোতাৰে উতলা গৰম পানীত পৰি ধৰফৰাব লাগিছিল তাক অনুমান কৰিব নোৱাৰি। সিঁহতৰ আৰ্তনাদে হাঁহাকাৰ কৰি তুলিছিল। সিহঁতৰ দেহা জুইত পোৰা মাছৰ তেলৰ দৰে চে চে ছ্য ছ্য শব্দ কৰিছিল। নৰকত ৰখি থকা যমদূত অযুত আছিল ; তেওঁলোকৰ হাতত প্ৰকাণ্ড লোহাৰ গদা। সেই নৰকৰ ভিতৰত থকা মানুহবোৰক ৰখি আছিল। কৌৰৱে ক'লে 'এনেকুৱা দুখৰ অৱস্থা দেখি মোৰ বেছি ভয় লাগিছে। এইবিলাক নিজ চকুৰ আগত দেখা পালে চাব নোৱাৰি।' তাৰ পাছত দেৱতাজনে ৰজাক কলে -'আপুনিও যদি বেয়া কাম কৰে আৰু লোকক বেয়া বস্তু খুৱায়, দুখীয়াবিলাকক মনত দুখ দিয়ে  আপুনিও এনে নৰক ভুগিব লাগিব। তাৰ পাছত সেই গেলা পুখুৰীটো পাৰ হৈ যোৱাত আৰু আন এটা ডাঙৰ পুখুৰী পালে। সেই পুখুৰীটোৰ গোটেই পানীবোৰ তেজেৰে ৰাঙলী হৈ আছে; মানুহবোৰে তাৰ ভিতৰত সোমাই সেই তেজৰ পানী খাই আছে। ৰজা নেমিৰাজে সেইবিলাক দেখি মাতালী নামৰ দেৱতাক সুধিলে - 'কিয় সেই মানুহবিলাকে তেজৰ লেতেৰা পানী খাই আছে?' তেতিয়া মাতালী দেৱতাজনে সোণৰ ৰথৰ ভিতৰত উজ্জ্বল হৈ বহি থকা ৰজাক ক'লে 'সেইবিলাক মানুহ মৰ্ত্যত থকা সময়ত নিজৰ মাক বাপেকক খোৱা বোৱা দিয়া নাছিল। তাৰ বাহিৰেও ভিক্ষু সংঘসকলক কোনো দিনে দান-সেৱা কৰা নাছিল। ভগৱানক

পূজা কৰা নাছিল। ভিক্ষু সংঘসকলৰ আগত খং দেখুৱাইছিল। আনক বেয়া বস্তু দিছিল। সেই কাৰণে তেওঁলোকে এই গেলা তেজৰ পুখুৰী নৰকত সোমাব লগা হৈছে। এইটো তেওঁলোকৰ পূৰ্ব জন্মৰ পাপৰ ফল।' কোঁৱৰে ক'লে, 'এনেকুৱা দুখ কষ্ট দেখি মোৰ আৰু ভয় লাগিছে। তেতিয়া কোমল বয়সীয়া স্বৰ্গৰ ডেকাজনে বজাক ক'লে, 'আপুনি কোঁৱৰেও যদি সিহঁতৰ দৰে হয় তেতিয়া আপুনিও তেনে দুখত ভুগিব লাগিব।' সেই তেজেৰে গেলি থকা পুখুৰীটো পাৰ হৈ যোৱাৰ পিছত কোঁৱৰে মুকলিমূৰীয়া আহল বহল পৃথিৱীৰ ফালে জুমি চাওঁতে আৰু আন এটা ডাঙৰ চাৰিচুকীয়া পুখুৰী দেখা পালে। সেই পুখুৰীটো ইমান ডাঙৰ যে চকুৰে মনিব নোৱাৰি। পৃথিৱীৰ মানুহবিলাক নৰকত শাৰী পাতি বৈ আছে। পোক পৰুৱাই শাৰী পাতি আহাৰ বিচাৰি খোৱাৰ দৰে লানি নিছিগাকৈ ওলাই আছে, সেইদৰে পৃথিৱীৰ মানুহবিলাকেও নৰকলৈ যাবলৈ বৈ আছে আৰু নৰকত বৈ থকা যমদূতবিলাকো মৌ মাখিৰ দৰে সংখ্যাত অসংখ্য আছিল। তেওঁলোকে হাতত ডাঙৰ বৰশী লৈ মানুহৰ ডিঙিত লগাই দিয়ে। কিছুমানক জিভাত লগাই দিয়ে; লগতে গেলা মৰা কুকুৰৰ ছাল বৰশীৰে লগাই মানুহৰ ডিঙিত বান্ধি টানিবলৈ দিয়ে; তেওঁলোক বেছিকৈ দুখত পৰি প্ৰাণ হেৰুৱায়। কোঁৱৰে ক'লে 'সেইবিলাক মানুহে কি বেয়া কাম কৰিছিলে যে তেওঁলোকে দিনে ৰাতিয়ে এনেকৈ ডিঙিত বৰশী লগাই কষ্টত ভুগিব লাগিছে?' তেতিয়া মাতলী দেৱতাজনে কোঁৱৰক উত্তৰ দিলে 'সিহঁতে মৰ্ত্যবাসীহৈ থকা সময়ত দিনে ৰাতিয়ে জীৱ হিংসা কৰি আছিল আৰু আইনৰ প্ৰতি মৰম ভাব পোষণ কৰা নাছিল। সেইকাৰণে তেওঁলোকে মৃত্যুৰ পাচত এনেকুৱা নৰকত আহিব লগা হৈছে।' সেই নৰক চোৱাৰ শেষত কোঁৱৰে দেৱতাসকলক ক'লে 'তোমালোকে মোৰ ধৰ্ম লোৱা।' তাৰ পাচত দেৱতাসকল আৰু নগ'ল। স্বৰ্গ ৰাজ্য বা দেৱলোকত একদিন হ'লে আমাৰ পৃথিৱীৰ মানুহবিলাকৰ কাৰণে এমাহ বা ত্ৰিশদিন হয়। এইদৰে থাকোতে ৰাতিৰ পিছত দিন, দিনৰ পাছত ৰাতি হোৱাৰ পাছত পূৰ্ণিমা তিথিৰ দিনাখন নেমিৰাজ ৰজাই সকলো বস্তু যোগাৰ কৰি ভগৱানক আউচং অৰ্থাৎ ভগৱানক ভাত দান কৰিলে। সেইদৰে উৎসৰ্গা কৰাৰ পাচত কোঁৱৰে দক্ষিণফালে চাই পঠিয়ালে।

এদিনাখন হঠাৎ পৃথিৱীখন আচবিত ধৰণেৰে কঁপি উঠিল আৰু

দেশত থকা মানুহবিলাক আচৰিত হ'ল আৰু ভয় খালে। কিছুমানে তাওৰ পিল খহি পৰি যোৱা শব্দ হোৱা বুলি ক'লে। হঠাৎ দেশৰ ভিতৰত থকা সোণৰ কাৰেঙৰ বংবিলাক জিক্‌মিক্ কৰি উঠিল। কিছুমানে কৈছিল আমাৰ ৰজা সকলোতকৈ সাহসী আৰু সকলোতে পাৰ্গত। সেই কাৰণে লেংডন দেৱতাই আমাৰ ৰজাক মাতালী নাত্‌ছ্য দেৱতাৰ দ্বাৰা সোণালী ৰথত উঠাই লৈ যাব। মাতালী নাত্‌ছ্যয়ে ৰজাক সেৱা কৰি সকলো কথা ক'ব ধৰিলে 'হে সোণৰ ৰাজ কাৰেঙত বহি থকা ৰজা । আপুনি ৰজা হৈয়ো সুন্দৰকৈ তাওছম অৰ্থাৎ ভগৱানক ভাত আগবঢ়াই পূজা কৰিছিল। স্বৰ্গত থকা দেৱতাসকলে আপোনাৰ ভগৱানক তাওছম (পূজা) কৰাৰ ধৰ্মৰ গুণ লৈ আপোনাক অভ্যৰ্থনা জনাইছিল। আপোনাৰ ধৰ্মৰ গুণ সমস্ত মৰ্ত্যবাসীতকৈয়ো শ্ৰেষ্ঠ। গতিকে লেংডনে আপোনাক মাতিবলৈ মোক পঠিয়াই দিছে। মই লগতে ৰথখন আনি আপোনাৰ দেশৰ ভিতৰ পাইছোহি। আনহাতে আপোনাৰ কাৰণে বহুত দেৱতা অপেক্ষা কৰি ৰাস্তাৰ দুয়োকাষে ৰৈ আছে। লেংডনে আপোনাক চাবলৈ ইচ্ছা কৰিছে।' নেমিমাঙে ৰাজ্যত আনন্দ মনেৰে বাস কৰি আছে, গতিকে তেওঁ আপোনাক চাব খুজিছে। তেওঁ সুধামাৰ কাৰেঙত বহি অপেক্ষা কৰি আছে।' তেতিয়া ৰজায়ে খুনকী দেৱতাজনক উত্তৰ দিলে - 'মই মোৰ দেশৰ প্ৰজাবিলাকক বহুত মৰম কৰো।' তেতিয়া ওপৰৰ টিংছা স্বৰ্গ ৰাজ্যত লেংডনৰ ওচৰলৈ যাবলৈ ৰজাই তেওঁৰ ডাঙৰ মন্ত্ৰীক মাতি পঠিয়ালে। তাৰ পাছত স্বৰ্গলৈ গ'ল। ৰজা আৰু মাতালী নাত্‌ছ্য দেৱতাজনে এখন নৰক পাৰ হৈ যোৱাৰ পিচত আন এখন নৰক দেখা পালে। সেই নৰক এটা ওখ লোহাৰ পাহাৰৰ ওপৰত। পৃথিৱীত থকা মানুহৰ দৰে মানুহবোৰে গাত কাপোৰ পিন্ধিছে। তেওঁলোকে সদায় উলঙ্গ অৱস্থাতে থাকে ; তেওঁলোকৰ শৰীৰৰ মাংসবিলাক জাপত ওলাই গৈছিল। সিহঁতৰ শৰীৰত লাগি থকা মাখিয়ে সদায় ভুণভুণাইছিল। ডাঙৰ ডাঙৰ লোহাৰ নালেৰে শৰীৰ বিন্ধাই দি পিকালে উলিয়াই দিছিল। যমদূতে ডাঙৰ লোহাৰে ধৰি মানুহবোৰক হেঁপা মাৰি ধৰিছিল। তেওঁলোকে পলাই পাৰ হ'ব খোজোতে পাহাৰৰ দুয়োকাষে চাপি আহি সিহঁতক হেঁপা মাৰি ধৰে, পাছত আকৌ মানুহ ৰূপ হৈ পৰে। মানুহৰ তেজ বিলাক তাতে খুবি পৰি

থাকে। সেইবিলাক দেখি নেমিমাও রজায়ে দেখা (খুনুকি) দেৱতাজনক সুধিলে, 'এই মানুহবিলাকে কাপোৰ কানি নোহোৱাকৈ উলঙ্গ অৱস্থাতে থাকেনে? সিহঁতক লোহাৰ নালেৰে কিয় বিন্ধি থাকিব লগা হৈছে? সিহঁতে কি বেয়া কাম বা অপৰাধ কৰিছিল? হেজাৰ হেজাৰ বছৰ ধৰিও সিহঁতক এইদৰে লোহাৰ নালেৰে বিন্ধাই থাকিবনে?' তেতিয়া মাতালী নাতৃত্ব দেৱতাজনে ৰজাক উত্তৰ দিলে যে এই মাইকী মানুহ বিলাকে পৃথিবীত নিজৰ গিৰিয়েকক অসন্মান কৰিছিল আৰু আনৰ লগত প্ৰেম কৰিছিল। নিজৰ গিৰিয়েক থকা স্বত্বেও অন্য গিৰিয়েক বিচাৰিছিল। সিহঁতে তেনেকুৱা বেয়া কাম কৰা দেৱতাসকলে দেখি থাকে আৰু সিহঁতৰ নামবিলাক দেৱতাসকলে বহীত তুলি ৰাখে। গতিকে তেওঁলোকে মৃত্যুৰ পাচত আহি এই নৰকত পৰ্বতত দৰে জ্বলি থকা জুইকুৰাৰ মাজত কষ্টত ভুগিব লাগিছে। তেওঁলোকৰ শৰীৰ গলি যোৱাৰ পাচতো পুনৰ গঠন হয়।' সেইবিলাক কথা শুনি ৰজা নেমিমাওে পৃথিবীৰ ফালে মুৰ ঘুৰাই চালে। সঁচাকৈ সিহঁতৰ বেয়া কামবিলাক দেখি ভাল দৰে বুজি পালে। ৰজা তাৰ পৰা আকৌ আগবাঢ়ি যাব ধৰিলে। আগত আৰু এখন দ্ৰুত গতিৰে বৈ যোৱা ডাঙৰ নদী দেখা পালে। সেই নদীখনতে কেইবা অযুত কেইবা লাখ যমদূতে হাতত লোহাৰ শিকলিৰে লাখ লাখ মানুহক বান্ধিব লাগিছে। কিছুমান মানুহক নাবান্ধি ভিতিত ধৰি পানীত পেলাইছিল। সিহঁতে পানীত পৰি প্ৰাণ হেৰুৱাব লগা হৈছিল। আকৌ ওপৰলৈ শিকলিৰে টানি উঠাই আনিছিল। সিহঁতৰ কান্দোন শুনি ৰজা নেমিমাওে ভয় খাইছিল। দেৱতাজনে ৰজাক বুজাই কলে, 'এইবিলাক মানুহ পৃথিবীত জীয়াই থকা অৱস্থাত বহুত দুষ্ট আছিল। লোকৰ স্ত্ৰী পালে হাতেৰে ভিতিত ধৰা ধৰি কৰি আনন্দ কৰিছিল। আৰু সেই তিৰোতাবিলাকে নিজৰ গিৰিয়েকক উলাহ কৰি নিজৰ ইচ্ছামতে চলিছিল। সেইবিলাক বেয়া কাম দেৱতাসকলে ভাল পোৱা নাছিল। সেই কাৰণে যমদূতে সিহঁতক ডাঙৰ নদীৰ নৰকত কষ্টি মাৰি পেলাই দিছিল।' সেই নৰকতো মানুহৰ দুখ দুৰ্দশা দেখি ৰজা নেমিমাওে মনত দুখ প্ৰকাশ কৰি কৈছিল যে মানুহবোৰে বৰ যন্ত্ৰণা পাইছে। তেতিয়া মাতালী নাতৃত্বই উত্তৰ দিলে, 'যদি খাইফা ৰজায়ো এনেকুৱা দুখত পৰিব নোখোজে, তেনেহলে সাৱধান হৈ চিন্তা

কৰি চাব যাতে এনেকুৱা নহয়। মৃত্যু কেতিয়া আহি পাই কোনেও ক'ব নোৱাৰে। যদি আপুনি ৰজায়ো প্ৰত্যেক ক্ষেত্ৰতে ভাল হ'বলৈ খোজে তেন্তে আপোনাৰ চিত্ত মন্দিৰৰ দৰে একে স্থিৰে ৰাখিব লাগিব আৰু লাখ লাখ মানুহ আৰু জীৱজগতৰ প্ৰাণীবিলাকক মৰম কৰিব লাগিব। পৃথিৱীত যিমান বুঢ়া, ডেকা, জীৱজন্তু আৰু প্ৰাণী আছে, সিহঁত দুখত বা বিপদত পৰিলে, তাক উদ্ধাৰ কৰিব। সকলো ভাল বেয়া সদায় আমাৰ অন্তৰত সানমিহলি হৈ থাকে। এইবিলাক কথা খাইফা ৰজায়ে কোনোদিনে পাহৰি নাষাৰ।'

লেংডনে কৌৰৱক স্বৰ্গত কেইবাটা তৰপত থাকিবলৈ কৈছিল; নৰকত থাকিবলৈ নিদিছিল। নৰক চাই ৰজায়ে সোনকালে মৰ্ত্ত্যলৈ ঘূৰি আহিব খুজিছিল। নৰকৰ পৰা আহিয়েই ৰজায়ে (নুঙফি) টিংছা স্বৰ্গ ৰাজ্য দেখিবলৈ পাইছিল। 'লেংডন ৰজাই কোৱাৰ দৰে আপুনি স্বৰ্গৰাজ্যলৈ গুচি আহক। নতুন জন্ম লোৱাৰ লগে লগে ওপৰলৈ উঠি নতুন 'প্যাতছাত' অৰ্থাৎ নতুন কাৰেঙত সোমাই থাকিবলৈ পাব' 'মাতালী নাত্‌ছা দেৱতাজনে এইদৰে ৰজা নেমিমাঙক ক'লে। তেওঁ আৰু কৈছিল, 'যদি আপুনি আৰু আগলৈ যাবলৈ ইচ্ছা কৰে আমি গোটেই বছৰ ধৰি চাই ফুৰিলেও অন্ত নহয়। নৰক ইমান আহল বহল যে নৰকত ১২৮ টা চক আছে, মৰ্ত্ত্যৰ পৰা যোৱা মানুহবোৰে কেৱল ৮ টা চকতহে যন্ত্ৰণা ভোগে। কিছুমান জুইত পোৰা কষ্টত ভোগে।' ইফালে লেংডন ৰজায়ে আগৰ ঠাইৰ পৰা আহি ৰজালৈ বাট চাই আছিল। চিকিয়া দেৱতাই ৰজাক কৈছিল, 'আপুনি আপোনাৰ ধৰ্মৰ গুণতে সকলোবিলাক নৰক, স্বৰ্গ আদি দেখিবলৈ পালে।' তাৰ পাচত তেওঁলোকে নৰকৰ পৰা স্বৰ্গলৈ ঘূৰি যাব ধৰিলে। দেৱতায়ে সোণৰ ৰথখন টানি আকাশৰ ওপৰত ধীৰে ধীৰে উঠি গ'ল। তেওঁ দানৰ ফলত আটাইতকৈ শ্ৰেষ্ঠগুণ পোৱাৰ কাৰণে তেওঁৰ চৰিত্ৰৰ গুণো সকলোতকৈ ডাঙৰ। খুনমিমাঙ ৰজায়ে স্বৰ্গৰ টিংছা খাপত গৈ পোৱাত লেংডন ৰজাৰ মুখখন চন্দ্ৰৰ দৰে উজ্জ্বল আৰু ধুনীয়া দেখা পাইছিল। তেওঁ হখাম নামৰ ৰজাক সেউজীয়া কাপোৰ পিন্ধি দেৱতাসকলৰ মাজত দেখা পাইছিল ; দেৱতাসকলে ৰজা লেংডনক চাৰিওফালে বেৰি আছিল। লেংডন সূৰ্য্যৰ ৰশ্মিৰ দৰে

দেৱতাসকলৰ মাজত জিক্‌মিকাব লাগিছিল। লগতে এজনী (নাংকি) অপেশ্বৰীয়ো ৰজাৰ লগত বহি আছিল, তেওঁলোকৰ সম্মুখত নানান নাচ গান বাজনাৰ সৈতে (৫০০ শ) পাচঁশ ধুনীয়া অপেশ্বৰীয়ে তাইক বেৰি ৰাখিছিল, 'স্বৰ্গৰ অপেশ্বৰীবিলাক ইমান সুন্দৰ যে দেখিলে মৰম লগা। নতুন ফুলৰ কলিৰ দৰে নতুন পাহি মেলিব লাগিছে। সেইবিলাক দেখি নেমিমাঙ ৰজা আচৰিত হৈছিল। তেতিয়া তেওঁ আকাশৰ ডেকা দেৱতাজনক সুধিলে, 'তেওঁলোকে কাৰ মনিমুকুতাৰে দেহ অলংকৃত কৰিছে ? তেওঁ কিয় সকলোতকৈ বেচি সুন্দৰ বেচি শ্ৰেষ্ঠ ?' তেতিয়া মাতালী নাত্‌ছায়ে নেমিমাঙ কোঁৱৰক বুজাই ক'লে "তাই আগৰ জন্মত 'পুংনা অৰ্থাৎ বামুণৰ চাকৰণী আছিল আৰু সেই সময়ত আপুনি শিকোৱা ধৰ্মৰ উপদেশবিলাক তাই একান্তমনে শুনিছিল আৰু নিয়মও মনত ৰাখি মানি চলিছিল; সকলো প্ৰাণীকে তাই মৰম কৰিছিল। গৃহস্থৰ ঘৰত যি কোনো বস্তুকে মালিকে খোৱাৰ আগতে তাই হিচাপ কৰি ৰাখিছিল। নিতৌ ভিক্ষুসকলক ভাত দিছিল আৰু চাৰিটা শীল পালন কৰিছিল। গতিকে তাই মৃত্যুৰ পাচত বহিবলৈ পাইছে। লগতে সোণ ৰূপৰ পোছাক আদি পিন্ধিবলৈ পাইছে। কাৰেঙৰ কাষত "মানতাপ" আশ্ৰম ঘৰ আদি আছে। তেওঁৰ নাম পিকানী নাংহুঙ নামে জনাজাত। এতিয়া এই স্বৰ্গৰ অপেশ্বৰী পিকানী ছোৱালীজনীয়ে ৰজাক খাবৰ শুবৰ কাৰণে শুশ্ৰষা কৰিব লাগিছে। সেইদৰে তাই ৰজাক শুশ্ৰষা কৰিলে ৰজাই মনত আনন্দ পায়। ৰজাই অপেশ্বৰী ছোৱালীজনীক কৈছিল 'মই এনেকুৱা হীৰা মুকুতাৰে সজা কাৰেঙত শুবলৈ পাম বুলি মই অনুভৱ কৰা নাছিলো।' তাৰ পাচত মাতালী নাত্‌ছা দেৱতাজনে কোঁৱৰক কলে, 'আপুনি খুনমিমাঙ কোঁৱৰেও চাৰিটা ৰাস্তা অৰ্থাৎ চাৰিটা নীতি মনাৰ কাৰণে ভাল হ'ব পাৰিছে। আপোনাৰ যশস্যাৰ গুণ চাৰিওফালে বিয়পি পৰাত দেৱতাসকলে আচৰিত মানিছিল।' খাইফা ৰজায়ে যিমানে আগলৈ আগবাঢ়ি গৈ থাকে সিমানে তেওঁৰ মন আনন্দ ন্যচি উঠে। সেইদৰে আগলৈ গৈ থাকোতে সাতখন সোণৰ ৰাজকাৰেঙ একে লেঠাৰিয়ে সজাই থোৱা দেখা পালে। সেই ৰাজকাৰেঙত চাৰিওফালে বেৰি

থকা জাক জাক অপেশ্বৰীবিলাক বৈ থকা দেখা পালে। ইজনে সিজনৰ লগত য'ত ত'ত মুখামুখিকৈ বহি আছিল। সমস্ত স্বৰ্গ ৰাজ্য হীৰাৰ দৰে জিকমিকাইছিল। অপেশ্বৰী দেৱকন্যাবিলাকে ৰজাক মাতি কাৰেঙৰ ভিতৰতলৈ নি সোমোৱাই পাঁচশ পাঁচশকৈ তেওঁলোকে কাৰেঙখনক বেৰি ধৰিছিল। ৰজা নেমিমাঙে সেইবিলাক দেখি বিচুৰ্ত্তি খাইছিল আৰু সেই কাৰেঙত থকা দেৱতাসকলক সুধিছিল 'তোমালোকৰ ইয়াত কিয় আঠদিনৰ মূৰে মূৰে এনেকুৱা ডাঙৰ ৰজা হয় ? অনুগ্ৰহ কৰি মোক বুজাই দিয়া।' তেতিয়া মাতালী নাত্ছায়ে উত্তৰ দিলে 'হে মোৰ মৰমৰ ডাঙৰ ৰজা। তেওঁ যেতিয়া পৃথিৱীত আছিল, সেই সময়ত তেওঁ এজন সদাগৰৰ পুতেক আছিল। সেই সময়ত সকলোকে সমান চকুৰে চাইছিল। সকলো প্ৰাণীকে সমানে মৰম কৰিছিল, আৰু সাতখন বিহাৰ একেদৰে শাৰিপাতিকৈ নিৰ্মাণ কৰি দান কৰিছিল। কেতিয়াবা অতিথি আৰু ভিক্ষুসঙ্ঘ সকল আহিলে তেওঁ সজাই থোৱা বিহাৰখনত জিৰণি লৈ গুচি যায়। কিছুমানে ৰাতিটো কটায় তেওঁ সেই অতিথি সকলক শুশ্ৰষা কৰি ঘৰলৈ গুচি যায়। অতিথি ভিক্ষুসঙ্ঘ সকলে তেওঁৰ বিহাৰত জিৰণি লবলৈ পোৱাত মনত আনন্দ পাইছিল। সেই বিহাৰ সজোৱাৰ গুণত মৃত্যুৰ পিচত তেওঁ আহি এই সাতখন সোণৰ কাৰেঙৰ ওপৰত এজন ডাঙৰ দেৱতা হৈ বহিছে! তেওঁ লেঙ্ডন ৰজাতকৈয়ো বেচি ওপৰৰ খাপত আহি পাইছে। ভাল বেয়া যিমান মানুহ আছিল তেওঁ সকলোকে সমান চকুৰে চাইছিল আৰু সমানে দান দক্ষিণা কৰিছিল। সেই দানৰ ফলত এতিয়া তেওঁৰ শোৱা বিচনাপাতি আদি সাত ঠাইত সাতখন সোণৰ শয্যা আছে। সেই দানৰ ফলতেই এতিয়া তেওঁ স্বৰ্গত আহি সন্নতিন্না নাত্ছা নাম ল'লে। তেওঁৰ সোণৰ কাৰেঙ সদায় গান বাজনাৰে সুললিত।' ৰজা নেমিমাঙে সুধিলে, 'মোৰ নিচিনা ৰজা যদি স্বৰ্গলৈ আহো এনেকুৱা সাতখন সোণৰ ৰাজকাৰেং পাব পাৰিমনে?' তাৰ পাচত মাতালী নাত্ছায়ে ৰজাক উত্তৰ দিলে, 'যদি আপুনিয়ো আপোনাৰ ধৰ্মৰ চাৰিটা পথেৰে ভালকৈ যায়, আৰু আপোনাৰ দান যদি সকলোতকৈ শ্ৰেষ্ঠ হয়, আপুনিও নিশ্চয় এনেকুৱা হীৰা মুকুতাৰে সজা ৰাজকাৰেঙত থাকিবলৈ পাব।' তাৰ পৰা আকৌ আগলৈ আগবাঢ়ি যাব ধৰিলে। থাইফা ৰজায়ে যিমানে আগলৈ গৈ

থাকে সিমানে স্বর্গ ৰাজ্যত থকা বেলেগ বেলেগ দেশবিলাক দেখা পাইছিল। সেইদৰে গৈ থাকোতে আগত আৰু আন এখন ৰঙাসোণৰ (প্যাতছাত) ৰাজকাৰেং দেখা পালে।

সেই স্বৰ্গ ৰাজ্য আগতে দেখি অহা ৰাজ্যবোৰতকৈ বেছি ধুনীয়া। তাত থকা কাৰেঙঘৰ বিলাক সকলোতকৈ ধুনীয়া। শতবাৰ চালেও চকুৰ দৃষ্টি সমানে যায়। তাত থকা দেৱতাসকলে ওপৰত উঠিগৈ ৰত্ন ধৰিবৰ কাৰণে বহু চেষ্টা কৰা দেখিবলৈ পাইছিল। সেই ৰত্নটো দহ যোজনৰ ওপৰত আছিল; ই সূৰ্য্যৰ দৰে জিকমিকাই আছিল। তাত আৰু আন বেলেগ এটা ৰাজকাৰেং আছে। সেই ৰাজকাৰেঙৰ চাৰিওফালে পদুমফুলবিলাক ধুনীয়াকৈ পাহি মেলি ফুলি আছিল। বগা, ৰঙা, সেউজীয়া আৰু হালধীয়া পদুমৰে ভৰি আছিল। ৰজা নেমিমাঙৰ সেইফুলবিলাক দেখি মূৰ ঘূৰাই গৈছিল। ফুলবিলাক প্ৰত্যেক পাহতে ইটোয়ে সিটো পাহত লগ লাগি গোন্ধত আমোল-মোল কৰি ৰাজকাৰেঙখন বেৰি ৰাখিছিল। এই পদুমফুলবিলাক সোণৰ গাঠি আৰু ঠাৰিবিলাক সোণৰ নালৰ দৰে ওলমি আছিল।

দেৱতাৰ ৰাজ কাৰেঙবিলাকত সেই পদুমফুলে আমোল মোল গোন্ধেৰে ভৰাই তুলিছিল। পদুমৰ পাতবিলাক হীৰাৰ দৰে উজ্জ্বল আছিল। পদুমৰ গুটিবিলাক পখৰা কেঁকোৰাৰ দৰে, দেৱতাসকলে সেই পদুম ফুলৰ গুটিবোৰ আনি চুহি খাইছিল। তেওঁলোকে গুটিবোৰ খাবলৈ খুব ভাল পাইছিল। ৰাজকাৰেঙৰ ভিতৰত দিনে ৰাতিয়ে অন্ত নোহোৱাকৈ সদায় গান বাজনা নৃত্য চলি আছিল। যিমানে খেল ধেমালি নহওক সকলো ৰাজকাৰেঙতে হৈছিল। দেৱতাসকল ৰাজকাৰেঙত বহি আছিল। সেইবিলাক দেখি ৰজা নেমিমাঙে আকৌ মাতালী সাৰথি দেৱতা জনক সুধিলে যে — 'সেইবিলাক কি কাৰণে ইমান উজ্জ্বল হীৰা মুকুতাৰ দৰে জিলিকিব লাগিছে আৰু ইমান ওখ চকুৰে মনিব নোৱাৰা হৈছে? তেওঁলোকৰ কাৰেঙবোৰ কিয় ইমান সুন্দৰ?' মাতালী নাতছায়ে ৰজাক বুজাই কলে, 'তেওঁলোকে আপুনি প্ৰচাৰ কৰা ধৰ্মৰ কথাবিলাক ভালদৰে পালন কৰিছিল আৰু প্ৰত্যেক তিনি দিনে পালন কৰিছিল। আনহাতে বুঢ়া বয়সীয়াল মানুহবিলাকক আহাৰ যোগাৰ দিছিল, পঞ্চশীল পালন কৰিছিল। সেই কাৰণে

তেওঁলোক মৃত্যুৰ পিচত এই স্বৰ্গৰাজ্যত আহি এনে ডাঙৰ দেৱতা হ'বলৈ পাইছে আৰু সোণৰ ৰাজকাৰেঙবোৰত বাস কৰিবলৈ পাইছে।' ৰজা নেমিমাঙে তবধ মানি কৈছিল, 'সিইঁতৰ এনে সুন্দৰ সোণৰ ৰাজকাৰেঙত থকাৰ যোগ্যতা আছেনে?' তাৰ পাছত মাতালী নাত্ছা দেৱতাজনে ৰজাক ক'লে — 'যি কি নহওক আপুনি মোৰ গৰাকী। প্ৰত্যেক তিথি পালন কৰক। তেতিয়া দেৱতায়ে, আপোনাক আগবঢ়াই আনি এনেকুৱা সোণৰ ৰাজকাৰেঙত বহিবলৈ দিব।' ইফালে তেওঁলোকৰ সোণৰ ৰথখন আগবাঢ়ি গৈ আছে। গৈ থাকোতে আৰু আন এটা (প্যাতছাত) ৰাজকাৰেঙ দেখা পালে; ইমান সুন্দৰ যে চালে চকুৰোৱা। কাৰেঙটো হীৰা মুকুতাৰে সজা, ৰাজকাৰেঙটোৰ ভিতৰখন দেৱকন্যা বিলাকেৰে ভৰি আছিল। তেওঁলোকে কাৰেঙৰ ভিতৰত থকা দেৱতা জনাক চাৰিওফালে ঘেৰি ৰাখিছিল। গোটেই দিনটো গান বাজনা, পেঁপাৰ মাত আৰু নাচ আদিৰে ৰঙ-ধেমালি কৰি কটাইছিল।

সেই আমোদ প্ৰমোদৰ নাচ গানবিলাক দেখি নেমিমাঙ ৰজাই স্বৰ্গৰ দেৱতাজনক সুধিলে, 'এই জনা দেৱতা কোন? তেওঁৰ ৰাজকাৰেঙখন ইমান ডাঙৰ আৰু উজ্বল যেনেকৈ পাহাৰখন তললৈ নামি অহা যেন দেখি তেওঁ ইয়ালৈ কেনেকৈ আহিলে?' তাৰ পিচত দেৱতাজনে উত্তৰত সকলো কথা বুজাই কলে যে এই ৰজাদেৱতাগৰাকী পৃথিবীত মানুহ হৈ থাকোতে তেওঁৰ চাৰিটা পথ বা ধৰ্ম সদায় পালন কৰিছিল; চাৰিটা পথ লোৱাৰ বাহিৰেও গোটেই বছৰ ধৰি কোনোদিনে ক্ষতি নোহোৱাকৈ পঞ্চশীল পালন কৰিছিল। ৰাস্তা দলং বন্ধাই দিছিল, বুদ্ধভিক্ষু সকলক হালধীয়া গেৰুৱা কাপোৰ দান কৰিছিল। তেওঁৰ গাত সদায় ভাল গুণ আছিল। মানুহৰ সুবিধাৰ কাৰণে ডাঙৰ ডাঙৰ দলং সজাই দিছিল; বাটৰুৱা মানুহে খাবৰ কাৰণে আলিৰ দাঁতিত পুখুৰী খন্দাই দিছিল আৰু তাৰ চাৰিওফালে জিৰণি ঘৰ সাজি দিছিল। বুদ্ধ মন্দিৰবিলাকত ভিক্ষুসকলৰ থকা ব্যৱস্থা কৰি দিছিল; লগতে ভিক্ষুসংঘ সকলৰ খোৱা লোৱাৰ কাৰণে আৰু শুবৰ কাৰণে বিচনা পাতি ইত্যাদি যি লাগে সকলো দান কৰিছিল। সদায় ভগবানক (চম্‌টাঙ) ভাত দান কৰিছিল আৰু ভগবানৰ ৰীতি-নীতিবিলাক ভালদৰে মানি চলিছিল। সেই কাৰণে তেওঁ মৃত্যুৰ পিচত আহি

এতিয়া এই সোণৰ ৰাজকাৰেঙখনত আছেহি । এনেকুৱা উজ্বল জিলিকি থকা ৰাজকাৰেঙত থাকিবলৈ পাইছে!' সিখন ৰাজকাৰেঙ পাৰ হৈ যোৱাৰ পিচত আন এটা ৰাজকাৰেঙ দেখিবলৈ পালে। তাৰ ৰাজকাৰেঙখনৰ ধৰণী চতি আৰু ৰোৱা বিলাক আটাইবোৰ সোণৰ; তাৰ বেৰবিলাকো সোণেৰে সজোৱা, দূৰৰ পৰা চালে জিক্‌মিককৈ জ্বলি থকা ৰঙা সোণৰ পাহাৰৰ দৰে লগে; তাতো এগৰাকী দেৱতাই ৰজা হৈ আনন্দ মনেৰে বহি আছিল। ৰজা নেমিমাঙে তেতিয়া আকৌ সুধিব ধৰিলে, 'সেই ৰাজকাৰেঙত বিজুলীয়ে চাট্ মৰাৰ দৰে চিকমিকাই কোন দেৱতা বহি আছে ?' খুনকি দেৱতাজনে উত্তৰ দিলে, 'এই জনা দেৱতা হৈছে, পৃথিৱীত মানুহ হৈ থকা অৱস্থাত চাব্বুখী নামে আহল বহল দেশখনত এজন সাধাৰণ ৰজা হৈ বাস কৰিছিল; সেই সময়ত ৰজাই তেওঁৰ দেশত যিবিলাক মানুহে সপ্তাহত তপস্যা কৰিছিল সিবিলাকক বহুত ভাল পাইছিল। ৰজায়ো তেওঁৰ ডাঙৰ পুতেক আৰু ডাঙৰ জীয়েকক তিনিদিন কৈ ধৰ্ম পালন কৰিবলৈ দিছিল। তেতিয়া ল'ৰাটো আৰু জীয়েকজনীয়েও কোনোদিন ক্ষতি নোহোৱাকৈ ধৰ্ম পালন কৰিছিল। ৰজাই নিজেও সেই ধৰ্ম পথত ভাল দৰে চলাৰ চিন্তাত তেওঁৰ চকুত টোপনি নাছিল। তেওঁ ৰাজ্যত পুখুৰী খান্দি দান কৰিছিল। ৰাস্তা বান্ধি দিছিল, দলং সাজি দিছিল আৰু ভিক্ষু সংঘসকলক খোৱা বোৱা আৰু গেৰুৱা কাপোৰ আৰু ভগৱানক হালধীয়া কাপোৰ বা চাংকান দান কৰিছিল।

ভিক্ষুসংঘ সকলৰ যি লাগতিয়াল বস্তু সকলো তেওঁ পাৰে মানে দান কৰিছিল। ৰাজ্যত থকা দীন-দুখীয়া মানুহবিলাকক পাৰে মানে খোৱা বস্তু বিলাই দিছিল; সেই সকলোখিনি পবিত্ৰ কাম কৰাৰ কাৰণে তেওঁ মৃত্যুৰ পাচত এই সোণৰ (প্যাত্ছাত) ৰাজকাৰেঙত বিজুলীয়ে চাট্‌মৰাৰ দৰে ক্ষন্তেকতে আহি পাইছিল। আপুনিয়ো যদি এই চাৰিটা ধৰ্ম পালন কৰে, তেন্তে যিকোনো প্ৰকাৰে আহি ৰাজকাৰেঙত থাকিব পাৰিব।' ৰজাগৰাকীয়ে সেইবিলাক দেখি তবধ মানিছিল; তেতিয়া মাতালি নাত্‌ছায়ে ৰজাক বুজাই কৈছিল, '(মুংফিঃ) স্বৰ্গৰাজ্যখনত কেইবাটাও তৰপ আছে, আমি অলপ ওপৰ তৰপকৈ আহিলো আৰু তাৰ একেবাৰে ওপৰ তৰপলৈ যাবলৈ হ'লে

বহুত পলম হ'ব আৰু সিফালে আমি খোজ কাঢ়ি গলে তাত গৈ পোৱাটো সম্ভৱপৰ নহ'ব। আটাইতকৈ ওপৰত থকা দেৱলোক তৰফটোলৈ লেংডন দেৱতায়ো যাব নোৱাৰে। গতিকে আমি এতিয়া লেংডনৰ ওচৰলৈকে ঘূৰি যাওঁ; তেওঁ বহুত কষ্ট কৰি আমালৈ বাট চাই আছে। হে মোৰ মৰ্ত্যত থকা ৰজা।' সেইখিনিতে নেমিমাঙ ৰজায়ে দেখে যে সেই ওপৰত থকা সোণৰ (প্যাতছাত) ৰাজকাৰেঙটো আটাইকেইখনতকৈ বেছি সুন্দৰ আৰু উজ্বল আছিল। দেৱতাসকলেও সকলোৱে সেই ৰাজকাৰেঙক লৈ গৌৰৱ কৰিছিল। সেই কাৰেঙটোৰ আটাইবোৰ সোণৰে সজা; হাজাৰ হাজাৰ তৰপ আছিল। তেতিয়া ৰজায়ে আকৌ দেৱতা জনাক সুধিলে, 'এইটো কাৰেং কাৰ নামত আছে ? 'দেৱতা মাতালী নাত্‌ছাজনে কলে, 'সেইটো কাৰেং কেৱল খুন আলঙ্‌ অৰ্থাৎ ফ্ৰা আলঙ ভগৱানৰ অৱতাৰ সকলে তাত অধিকাৰ কৰিছে। অৱতাৰী ভগৱানসকলেহে এই এহেজাৰ তৰপ সোণৰ ৰাজকাৰেঙখনত বহিবলৈ যোগ্যতা ৰাখে।' সেইদৰে বুজাই দিয়াৰ পিছত মাতালী নাত্‌ছা দেৱতাজনে তেওঁ চলোৱা ৰথখন তাৰ পৰা পাৰ হৈ ঘূৰি আহি আমাৰ সুগন্ধী ফুলৰ দেশখন পালেহি। আহি থাকোতে সুধামাৰ কাৰেঙ পালে। সুধামাৰ কাৰেঙটো চালে ইমান উজ্বল দেখি চকুৰে মনিব নোৱাৰা হৈ পৰে, কাৰেঙটো সেউজীয়া হালধীয়া ৰঙা আৰু বহুত নানা ৰঙেৰে লেপি থোৱা যেন লাগে। ক'বলৈ গলে কাৰেঙটো চকুৰে চাই অন্ত কৰিব নোৱাৰি। কাৰেঙৰ চতিবিলাক সোণৰ আৰু হীৰা খটোৱা। সেই সুধামাৰ কাৰেঙটোতে চিকিয়া দেৱতা বহি বাট চাই আছিল। ইফালে ৰজা নেমিমাঙ চাইফাফেত লেং ডনৰ ৰাজকাৰেঙ আহি পোৱাত লেঙডন ৰজাই নেমিমাঙ ৰজাক দেখি বহুত আনন্দ পালে; সকলো ৰাজ্যৰ দেৱতাসকল আহি ৰজাক পূজা কৰিব ধৰিলে। লগতে সকলোৱে হাতত সুগন্ধি ফুলেৰে পূজা কৰিব ধৰিলে। তেওঁলোকৰ কাৰেঙত ওখকৈ আসন পাৰি থোৱা ঠাইত ৰজা নেমিমাঙ ফ্ৰা আলঙে উঠি বহিবলৈ গ'ল। তেতিয়া লেংডনে ৰজাৰ আগত দেশৰ সকলো কথা ভাঙি কৈছিল। অযুত অযুত দেৱতাসকলে ৰজালৈ অপেক্ষা কৰি বৈ আছিল। লেঙডন ৰজায়ে নেমিমাঙ ৰজাক ক'ব ধৰিলে, 'মই আপোনাক

মাতি পঠোৱাত আপুনি আমাৰ টিংছা স্বৰ্গ ৰাজ্যলৈ আহি পোৱাত লাখ লাখ দেব দেবতাসকল বহুত আনন্দিত হৈছে আৰু সিইঁতে আচৰিতো মানিছে।

মোৰ এই 'মুঙফি' অৰ্থাৎ লেংডন দেৱলোকৰ বিষয়ে আপোনাৰ নিচিনা ৰজাই নিশ্চয় জানে; ইয়াত কোনো দুখ কষ্ট নাই কোনো অসুবিধা নাই, কেৱল সুখ শান্তি আৰু ৰঙ-ধেমালিৰে ভৰপূৰ। ই কেতিয়াও শেষ নহয়, দিনে ৰাতিয়ে কেৱল গান বাজনা বাজি থাকে। অন্ত হ'ব নেজানে। যেতিয়াৰ পৰা আকাশখন গঠন হ'ল তেতিয়াৰ পৰা স্বৰ্গৰাজ্যখন এনেকুৱাই আনন্দময় হৈ আছে।' লেংডনে ৰজাক তেওঁৰ সোণৰ (নগতছাত) কাৰেং চাবলৈ পৰামৰ্শ দিছিল। গোটেই স্বৰ্গৰাজ্যতে দেৱতাসকলে ইজনে সিজনৰ লগত একেলগে বহি কথাপাতি আনন্দ লভিছিল। স্বৰ্গৰ দেৱকন্যাবিলাক ইমান দেখিবলৈ ধুনীয়া যে তেওঁলোকক দেখিলে মন আনন্দত নাচি উঠে। 'সেইবিলাক সকলো ঠাই আপুনি দেখা পালে। এনেও আমাৰ দেৱলোক আহি পাইছো। পৃথিবীলৈ পুনৰ ঘূৰি যাব নালাগে। আমাৰ স্বৰ্গৰাজ্যত আনন্দ ৰং ধেমালি কৰি বাস কৰি থাকিব। স্বৰ্গৰ ৰাজকাৰেঙ বিলাক সোণেৰে সজা। সেইবিলাক সদায় জিকমিক কৰি জিলিকি থাকে। আপুনি তাৰ ভিতৰত জিৰণি লবলৈ যোগ্য হ'ব ৰজা ঐ!' এই বুলি লেংডন ৰজাই সেৱা কৰি নেমিমাঙ্ ৰজাক কলে। তেতিয়া ৰজা নেমিমাঙে উত্তৰদিলে 'আপুনি স্বৰ্গত থকা সোণৰ ৰাজকাৰেঙ বিলাক মোক বাছি দিছে হয়, কিন্তু সেইবিলাক প্ৰকৃততে মোৰ হোৱা নাই। সেইবিলাক নেমিমাঙৰ ৰাজকাৰেঙ বুলি কব পৰা হোৱা নাই। যেনেকৈ আনৰ শৰীৰ খুজি নিজৰ শৰীৰত লগোৱাৰ নিচিনা হ'ব, শৰীৰ লগাই নিজে খোজ কাঢ়ি যোৱাৰ দৰে হব, সোণৰ ৰাজকাৰেঙ মই লবলৈ ইচ্ছা কৰা নাই। মই মৰ্ত্য লৈ আকৌ ঘূৰি যাম। পৃথিৱীত ঘূৰি গৈ মই নিজে দান দক্ষিণা কৰি আহিমগৈ। মই লাখ লাখ ধন সোণ যি আছে সকলো দান দিয়াৰ পাচতহে স্বৰ্গলৈ আহিম। তেতিয়া ৰং-ধেমালিৰ মাজত স্বৰ্গৰ ৰাজকাৰেঙত বাস কৰিম।' নেমিমাঙ ৰজাই টিংচা নামে দেৱলোকত দেৱতা সকলৰ মাজত ধৰ্মপ্ৰচাৰ কৰাৰ শেষত সমস্ত টিংচা ৰাজ্যত থকা দেব দেৱতা সকলে ৰজাক পূজা প্ৰাৰ্থনা জনালে আৰু চাউফাফেতৰ

সোণৰ ৰথ খন ভালদৰে চাফ চিকুণ কৈ মেৰামতি কৰি ৰজাক তুলি পৃথিবীলৈ নমাই আনিব ধৰিলে। লগতে লাখ কোটি দেৱ-দেৱতাই ৰজাক আগবঢ়াবলৈ পিচে পিচে আহিব ধৰিলে! কিমান যে দেৱতা আছে অনুমান কৰিব নোৱাৰি! সিদিনা ৰাতি কুকুৰাৰ ডাঁকত দেৱতাৰ সোণৰ ৰথখন মিথিলা ৰাজ্যত আহি উপস্থিত হল। সেই সময়ত মিথিলা বাসী ৰাইজে দেশৰ ৰজা আহি পোৱাৰ বাতৰি শুনিয়েই দেশত চাৰিও ফালে আনন্দৰ ধ্বনি বজাই উঠিল। সকলো মানুহৰ মন আনন্দত নাচি উঠিল। মানুহ বিলাকে চাৰিওফালেৰে ৰজাৰ ওচৰলৈ আহি অভ্যৰ্থনা জনাইছিল। তেওঁলোকে ৰজাক দেখা পোৱাৰ লগে লগে মনৰ আনন্দত নাচি উঠিছিল। তেওঁলোকে আঁঠুকাঢ়ি ৰজাক সম্বোধন কৰি সুধিছিল 'আপুনি খাইফা ৰজায়ে চিকিয়া দেৱতাৰ টিংচা নামে স্বৰ্গ ৰাজ্য চাই আছিল। সেই লেঙডন দেৱতাৰ ৰাণী আৰু অপেশ্বৰী বিলাক দেখিবলৈ কেনেকুৱা? অনুগ্ৰহ কৰি আমাক বুজাই কয় যেন।' তেতিয়া ৰজা নেমিমাঙে দেশৰ মানুহ বিলাকক বুজাই কব ধৰিলে, 'মুঙফি অৰ্থাৎ স্বৰ্গ ৰাজ্যখন (মুঙৰাই) নৰকতকৈও বহুদূৰত। নৰক হৈছে এখন দুখত ভোগা ঠাই, যিবিলাক মানুহে অসৎ কাম কৰে, যিবিলাক মানুহৰ আনৰ প্ৰতি মৰম স্নেহ নেথাকে, যি বিলাক মানুহৰ মনত পৰৰ প্ৰতি হিংসাৰে ভৰা আৰু চাৰিটা ধৰ্ম ভালদৰে পালন নকৰে, ভগৱানৰ উপদেশ মনত নেৰাখে, ভগৱানৰ নিয়ম নীতি মানি নচলে, আনে ভাল নোপোৱা কাম কৰি ফুৰে, তেনেকুৱা মানুহবোৰ মৃত্যুৰ পাচত যমে ধৰি নি নৰকলৈ যোৱা ৰাস্তাৰে নি নানান দুখ কষ্ট দিয়ে। তেওঁলোকে কেতিয়াও নৰকৰ পৰা পলাই সাৰিব নোৱাৰে। মুঙঙাৰই অৰ্থাৎ যম নগৰখনত ১২৮ টা স্থান আছে। তাৰে ভিতৰত পাপৰ বাবে বেলেগ বেলেগ শাস্তি আছে। সেই নৰক বোলা ঠাইখনত থকা মানুহ বিলাক নৰকৰ জুইৰ তাপত গৰম পানীৰ ভিতৰত সোমাই তেওঁলোকৰ শৰীৰ গলি গৈছে। নৰকখনত আমাৰ মানুহৰ মৰা শ-বিলাক গছপাতৰ দৰে আহি ভৰি পৰিছে।

মই বহু বিধ নৰকৰ দুখ কষ্ট যন্ত্ৰণা দেখিছিলো। (ঙাৰাই) অৰ্থাৎ নৰকৰ এদিন হ'বলৈ হ'লে আমাৰ পৃথিবীৰ মানুহৰ দিন, এক অযুত, একলাখ দিনতহে নৰকত এদিন হয়। সেই নাৰকীয় যন্ত্ৰণা বিলাক ভোগি থাকিব লাগে।

সিহঁতে কোটি কোটি বছৰ নৰকৰ পৰা সাৰিব নোৱাৰে আৰু দুখৰ ওপৰত দুখ ভোগিয়েই থাকিব। এই বুলি ৰজা নেমিমাঙে তেওঁৰ প্ৰজা বিলাকক নৰকৰ বিষয়ে বুজাই ক'লে। গতিকে যি বিলাক মানুহে ভগৱানৰ বাণী ধৰ্ম ৰীতি নীতি জানি বুজি নিজৰ অন্তৰত ৰাখে আৰু নিয়মমতে পালন কৰে ভগৱান আৰু ভিক্ষু সংঘক একাগ্ৰ চিত্তে ভাত দান কৰে, আৰু নিজৰ পিতা মাতা, বুঢ়া-বুঢ়ীক পূজা কৰে, ভগাচিগা বিহাৰ বা মন্দিৰ বিলাক নতুনকৈ মেৰামতি কৰে, পিতা মাতাৰ কথা শুনে, আৰু শুশ্ৰুষা কৰে ; আন আন বুঢ়া বয়সীয়াল সকলক মান সন্মান কৰে, নিতৌ পুৱা গধূলি ভগৱানক একান্তমনে পূজা কৰে, তেনেলোকে মৃত্যুৰ পাচত নিৰ্ব্বাণ লাভ কৰিব পাৰে। তেওঁলোকক দেৱতাই তেওঁলোকৰ মৃত্যুৰ পিচত তেওঁলোকৰ যোগ্যতানুসাৰে সোণৰ বা হীৰামুকুতাৰে সজা ৰাজকাৰেঙত বহুৱাই থয়। স্বৰ্গত সোণৰ ৰাজকাৰেঙবোৰত কত লাখ লাখ সুন্দৰী অপেশ্বৰীৰে ভৰি আছে অনুমান কৰিব নোৱাৰি। গতিকে এতিয়াও মোৰ দেশৰ মানুহ বিলাক তোমালোকে একান্ত মনে ভগৱানক আৰাধনা কৰিবা। আৰু নিজৰ চিত্তক ভালদৰে দমন কৰিবা। বেয়া হোৱা মঠ মন্দিৰ বিলাক পুনৰ মেৰামতি কৰি ভিক্ষু সকলক আহাৰ দান কৰিবা। তেহে তোমালোকেও স্বৰ্গ লাভ কৰিব পাৰিবা। খাইফা ৰজায়ে ভগৱানৰ বাণীৰ দ্বাৰা ধৰ্ম প্ৰচাৰ কৰি সকলো মানুহ আৰু প্ৰাণীকে তেওঁৰ ধৰ্মৰ ছায়াত জিৰণি ল'বলৈ দিছিল। খাইফা ৰজাই এইদৰে প্ৰজা সকলক স্পষ্টকৈ ধৰ্ম প্ৰচাৰ কৰাত মানুহৰ অন্তৰত ধৰ্মৰ প্ৰতি অনুৰাগ আৰু সহানুভূতি বাঢ়িল। লাখ লাখ মানুহৰ মনত ধৰ্মৰ ৰস সোমোৱাত তেওঁলোক ৰজাৰ আৰু কাষ চাপি আহিব ধৰিলে । বহুতে ৰজাক দেখা পাবলৈ মনে মনে অপেক্ষা কৰি আছিল। খাইফা ৰজাই ধৰ্ম প্ৰচাৰ কৰাৰ লগে লগে তেওঁৰ ৰাজ ভঁৰালত থকা আঠ অযুত লাখ ধনৰ ভঁৰাল খুলি দেশত থকা দুখীয়া নিচলা লোকসকলক সকলোকে ধন দান কৰিছিল। তেওঁলোকক ধৰ্মৰ উপদেশ দিছিল · ৰজাৰ দেশৰ ওচৰত থকা কৰ শোধা ৰজা সকলে ফ্ৰা আলঙৰ অৱতাৰ নেমিমাঙ ৰজাই শিকোৱা উপদেশ বিলাক, ধৰ্মৰ নীতি বিলাক বুকুত বান্ধি ৰাখিছিল। ৰজাই প্ৰজা সকলক ক'লে যে আমি ভগৱানৰ নীতি ধৰ্ম মতে মানি চলিলে আমি সকলোৱে ওপৰত থকা লেঙডন

দেৱতাৰ তিংচা ৰাজ্যত সোণৰ (প্যাতছাত) ৰাজকাৰেঙলৈ নিশ্চয় যাব পাৰিম। গতিকে যি সকল শিক্ষিত পণ্ডিত আছে তেওঁলোকে নিজ নিজ দেশৰ প্ৰজা সকলক শিকাই যেন। ৰজা নেমিমাঙে অতীজত যেতিয়া লেংডন আৰু চিকিয়া দেৱতাই তেওঁক স্বৰ্গ ৰাজ্যত ধৰ্মপ্ৰচাৰ কৰিবলৈ লৈ গৈছিল তেওঁৰ মৃত্যুৰ পিচত ও আকৌ দেৱলোক পাইছিলগৈ। সেইদৰে কেইবা পুৰুষ জন্ম মৃত্যু হোৱাৰ পাচত পৃথিৱীখন বানপানীৰে ডুবি ধ্বংস হোৱাৰ পাচতো অৱতাৰ হৈছিল। নুফালাথা নামে ভগৱানৰ আধ্যাত্মিক শক্তিৰ দ্বাৰা তেওঁৰ অতীতৰ ঘটনা বিলাক দেখিবলৈ পাইছিল। মাতালী দেৱতাজনক চিকিয়াই যি আদেশ দিয়ে সেই মতে কাম কৰি যাব লাগিব। মাতালী হৈছে চিকিয়া দেৱতাৰ সাৰথি।

সেই কাৰণে যেতিয়া চিকিয়াই মাতালীক সোণৰ ৰথখন চাফা কৰিবলৈ আৰু নেমিমাঙ ৰজাক আনিবৰ কাৰণে সাজু কৰিবলৈ আদেশ দিয়ে তেতিয়া তেওঁ ৰথখন লৈ সাজু হৈ বৈ আছিল। মাতালী দেৱতা হৈছে চিকিয়াৰ আদেশ পালন কৰোতা সাৰথি।

চিকিয়াৰ আদেশ মতে মাতালী নাওছায়ে ৰথখন লৈ ৰজা নেমিমাঙলৈ বাটচাই আছিল। ফ্ৰা আলঙ অৰ্থাৎ ভগবান অৱতাৰ নেমিমাঙ ৰজায়ে পৃথিৱীত থকাৰ সময়ত সকলো সুখ শান্তি লভিছিল, তেওঁৰ সকলো ক্ষেত্ৰতে সকলো কাম সম্পূৰ্ণ কৰি যাব পৰিছিল। সেয়েহে তেওঁ পিচৰ জীৱনত সংসাৰৰ সকলো জ্বালা যন্ত্ৰণা ত্যাগ কৰি পৰম জ্ঞান লভি ঈশ্বৰত্ব লাভ কৰিব পৰিছিল। সকলো ক্ষেত্ৰতে তেওঁ পাৰ্গত আছিল. সেইকাৰণে পৰম জ্ঞান লাভ কৰি মহানিৰ্বাণ পাব পাৰিছিল। নেমিমাং ৰজাই মনুষ্য সকলতকৈ শ্ৰেষ্ঠ আৰু উচ্চ জ্ঞান লাভ কৰিব পৰিছিল। আনন্দ হৈছে - ভগবানৰ ভায়েক, তেওঁবো সকলোতকৈ জ্ঞান বিদ্যাত উচ্চ। নেমিমাঙে ভগবানত্ব লাভ কৰাৰ পিচত অৰ্থাৎ আঠ অযুত চাৰি হাজাৰ বছৰৰ পিচতহে ভগবানে আহি সেই মিথিলা ৰাজ্যত ধৰ্ম প্ৰচাৰ কৰি গৈছিল। আৰু তেখেতৰ পূৰ্বৰ জন্মৰ সকলো কথা ভায়েক আনন্দৰ আগত কৈছিল। যেনেকৈ গজালি বিলাক যেনেকৈ এটাৰ পিচত এটাকৈ ওলাই থাকে সেই দৰে ফ্ৰাঃ ভগবানে এগৰাকীৰ পিচত আন এগৰাকী অৱতাৰ লৈছিল আৰু লৈ থাকিব। নেমিমাঙ ৰজায়ে মুঙফি দেৱলোকৰ পৰা

ঘূৰি অহা জনমলৈকে ক'বলৈ গ'লে ৯৮ অযুত বাৰ পূৰ্বৰ জন্ম লৈছিল। তাৰ ভিতৰত এই সংসাৰখনত চক্ৰৰ দৰে ঘূৰি এবাৰ মুঙফি এবাৰ মুংকাঙ অৰ্থাৎ এবাৰ স্বৰ্গত এবাৰ মৰ্ত্ত্যত অহা যোৱা কৰি জন্ম লৈ এনেদৰে ঘূৰি থাকিব লগীয়া হৈছিল। তেওঁ কেইবা পুৰুষ স্বৰ্গত আৰু কেইবাপুৰুষ মৰ্ত্ত্যতে জন্ম লৈছিল। নেমিমাঙ ৰজা গৰাকী এজনা উচ্চ খাপৰ ৰজা আৰু পৃথিৱীত সুনাম কৰি যোৱা ৰজা আছিল। তেওঁৰ পিতা মাতাইও পৃথিৱীতে সুখেৰে কাল কটাই গৈছিল। ইশ্বৰত্ব লাভ কৰাৰ আগতে কিমান পুৰুষত মানুহৰ মাতৃ গৰ্ভত জন্ম লৈছিল আৰু মৃত্যু হৈছিল উল্লেখ কৰিব নোৱাৰি। পৃথিৱীত বানপানী হোৱাৰ চাৰি কুৰি এক লাখ বছৰ পিচত সকলো সময়তে প্ৰত্যেক ক্ষেত্ৰতে সুখ, দুখ, নিত্য, অনিত্য, তেওঁৰ দৈনন্দিন জীৱনৰ ঘটনাৰ লগত জড়িত আছিল। অৱশেষত দেৱতাৰ জন্ম লৈ বহু বছৰ কাল ধৰি সুখ শান্তিৰে কটাই শেষত এদিন ত্ৰিমণ্ডলৰ ভিতৰত এজনা চাটম অৰ্থাৎ জ্ঞানী অৱতাৰ হৈ উঠিল। সংসাৰৰ সকলো জ্বালা যন্ত্ৰণা ত্যাগ কৰি ঈশ্বৰত্ব লাভ কৰিলে।

'আমাৰ মানৱ জাতিৰ কাৰো মন পৰিষ্কাৰ নহয়। কোনেও পোনকৈ উশাহ নিশাহ নলয়; সেই কাৰণে পাপৰ ফলত দুখীয়া আত্মাই দুখত ভুগিব লগা হৈছে। মই বহু বিধৰ নৰকৰ দুখ কষ্ট যন্ত্ৰনা বিলাক দেখি মুগ্ধ হৈছিলো। (ঙাৰাই) অৰ্থাৎ নৰকৰ এদিন হবলৈ হ'লে আমাৰ পৃথিৱীৰ মানুহৰ দিন এক অযুত, একলাখ নকোটি দিন লাগে। সেই নাৰকীয় যন্ত্ৰণা বিলাকক ভুগি থাকিব লাগে। সিহঁতে যন্ত্ৰণা ভোগিব লাগে, সিহঁতে কোটি কোটি বছৰ ও নৰকৰ পৰা সাৰিব নোৱাৰে আৰু দুখৰ ওপৰত দুখ ভোগিয়েই থাকিব লাগে।' এই বুলি ৰজা নেমিমাঙে তেওঁৰ প্ৰজা বিলাকক নৰকৰ বিষয়ে বুজাই ক'লে। গতিকে যি বিলাক মানুহে ভগৱানৰ বাণী ধৰ্ম ৰীতি নীতি জানি বুজি নিজৰ অন্তৰত ৰাখে আৰু নিয়মতে পালন কৰে ভগবান আৰু ভিক্ষু সঙ্ঘৰ সকলক একাগ্ৰ চিত্তে ভাত দান কৰে, আৰু নিজৰ পিতা মাতা বুঢ়া-বুঢ়ীক পূজা কৰে ভগাচিগা বিহাৰ বা মন্দিৰ বিলাক নতুনকৈ মেৰামত কৰে, পিতা মাতাৰ কথা শুনে, আৰু শুশ্ৰষা কৰে, আন আন বুঢ়া বয়সীয়াল সকলক

মান সন্মান কৰে, নিতৌ পূৰা গধুলি ভগৱানক একান্তমনে পূজা কৰে, তেনে মানুহে মৃত্যুৰ পাচত নিৰ্ব্বাণ লাভ কৰিব পাৰিব। তেওঁলোকক দেৱতায়ে তেওঁলোকৰ মৃত্যুৰ ফলত তেওঁলোকৰ যোগ্যতানুসাৰে সোণৰ বা, হীৰামুকুতাৰে সজা ৰাজ কাৰেঙত বহুৱাই থয়। স্বৰ্গত সোণৰ ৰাজকাৰেঙবোৰত কিমান লাখ লাখ বিধৰ সুন্দৰী অপেশ্বৰী সকলে ভাবি আছে অনুমান কৰিব নোৱাৰি। গতিকে এতিয়াও মোৰ দেশৰ মানুহ বিলাকে তোমালোকে একান্ত মনে ভগৱানক আৰাধনা কৰিবা। আৰু নিজৰ চিত্তক ভালদৰে দমাবা। বেয়া হোৱা মঠ-মন্দিৰ বিলাক পুনৰ মেৰামত কৰি ভিক্ষু সকলক আহাৰ দান কৰিলে তোমালোকেও স্বৰ্গ লাভ কৰিব পাৰিবা। খাইকা ৰজায়ে ভগৱানৰ বাণীৰ দ্বাৰা ধৰ্ম প্ৰচাৰ কৰি সকলো মানুহ আৰু প্ৰাণীকে তেওঁৰ ধৰ্মৰ ছায়াত তাত জিৰণি ল'ব দিছিল। খাই ফা ৰজাই এইদৰে প্ৰজা সকলক স্পষ্টকৈ ধৰ্ম প্ৰচাৰ কৰাত মানুহৰ অন্তৰত ধৰ্মৰ প্ৰতি অনুৰাগ আৰু সহানুভূতি আহিল। লাখ লাখ মানুহৰ মনত ধৰ্মৰ ৰস সোমোৱাত তেওঁলোকে ৰজাৰ ওচৰ বা কাষ চাপি আহিব ধৰিলে; বহুতে ৰজাক দেখি নোপোৱাত অপেক্ষা কৰি আছিল। খাইফা ৰজাই ধৰ্ম প্ৰচাৰ কৰাৰ লগে লগে তেওঁৰ ৰাজ ভঁৰালত থকা আঠ অযুত লাখ ধনৰ ভঁৰাল খুলি দেশত থকা দুখীয়া নিচলা লোক সকলক সকলোকে ধন বিলাইছিল। তেওঁলোকক ধৰ্মৰ উপদেশ দিছিল। ৰজাৰ দেশৰ ওচৰত থকা কৰ শোধা ৰজাসকলেও (ফ্ৰা আলঙৰ) অৰ্থাৎ ভগৱান বুদ্ধৰ অৱতাৰ নেমিমাঙ ৰজাই শিকোৱা উপদেশ বিলাক, ধৰ্মৰ নীতি বিলাক বুকুত বান্ধি ৰাখিছিল। ৰজাই প্ৰজা সকলক ক'লে যে আমি ভগবানৰ নীতি ধৰ্ম মতে মানি চলিলে আমি সকলোৱে ওপৰত থকা লেংডন দেৱতাৰ তিংচা ৰাজ্যত সোণৰ (প্যাতচাত) ৰাজ কাৰেঙত নিশ্চয় থাকিব পাৰিম। গতিকে যি সকল শিক্ষিত পণ্ডিত আছে তেওঁলোকে নিজ নিজ দেশৰ প্ৰজা সকলক শিকায় যেন। ৰজা নেমিমাঙে অতীজত যেতিয়া লেংডন আৰু চিকিয়া দেৱতায়ে তেওঁক স্বৰ্গ ৰাজ্যত ধৰ্মপ্ৰচাৰ কৰিবলৈ লৈ গৈছিল তেওঁৰ মৃত্যুৰ পিচত আকৌ দেৱলোক গৈ পাইছিল। সেইদৰে কেইবা পুৰুষ জন্ম মৃত্যু হোৱাৰ পাচত পৃথিৱীখন বান পানীৰে ডুবি ধ্বংস হোৱাৰ পাচতো তেওঁ এজন ভগৱানৰ এজনা মহাপুৰুষ

কাৰণে পিচৰ জন্মত নেমিমাঙ ৰজা হৈ জন্ম লোৱাত মাতালী দেৱতাই সৌ শৰীৰে তেখেতক স্বৰ্গ ৰাজ্যলৈ আগবঢ়াই লৈ গৈছিল। নুফালাথা নামে ভগৱানৰ আধ্যাত্মিক শক্তিৰ দ্বাৰা তেওঁৰ অতীতৰ হৈ যোৱা ঘটনা বিলাক সকলো দেখিব পাৰিছিল বা দেখিছিল।

চিকিয়াৰ আদেশ মতে মাতালী নাত্ছায়ে ৰথগাড়ীখন লৈ ৰজা নেমিমাঙলৈ বাটচাই আছিল। ফ্ৰা আলঙ অৰ্থাৎ ভগৱান অৱতাৰ নেমিমাঙ ৰজায়ে পৃথিৱীত থকাৰ সময়ত সকলো সুখ শান্তি লভি গৈছিল, তেওঁ সকলো ক্ষেত্ৰতে সকলো কাম সম্পূৰ্ণ কৰি যাব পৰিছিল। সেয়েহে তেওঁ পিচৰ জীৱনত সংসাৰৰ সকলো জ্বালা যন্ত্ৰণা ত্যাগ কৰি পৰম জ্ঞান লভি বুদ্ধত্ব লাভ কৰিব পাৰিছিল। তেওঁ সকলো ক্ষেত্ৰতে পাৰ্গত আছিল। সেইকাৰণে পৰম জ্ঞান লাভ কৰি মহানিৰ্বান লভিছিল। তেওঁ জগতত দেৱতাও মনুষ্যকৈ শ্ৰেষ্ঠ আৰু উচ্চ জ্ঞান লাভ কৰি যাব পৰিছিল। আনন্দ হৈছে— ভগৱান বুদ্ধৰ ভায়েক, তেওঁ ও সকলোতকৈ জ্ঞান বিদ্যাত উচ্চ। নেমিমাঙে ভগৱান বুদ্ধত্ব লাভ কৰাৰ পিচত অৰ্থাৎ আঠ অযুত চাৰি হাজাৰ বছৰৰ পিচতহে ভগৱান বুদ্ধই আহি সেই মিথিলা ৰাজ্যতে ধৰ্ম প্ৰচাৰ কৰি গৈছিল। আৰু তেখেতৰ পূৰ্ব্বৰ জন্মৰ সকলো ঘটনা বিলাক ভায়েক আনন্দৰ আগত কৈছিল গজালি আৰু খেৰৰ গজালি বিলাক এটাৰ·পিচত এটাকৈ গজালি ওলাই থাকে সেই দৰে ফ্ৰাঃ অৰ্থাৎ ভগৱান বুদ্ধ ও এগৰাকীৰ পিচত আন এগৰাকী পাৰহৈ গৈছিল আৰু আহি থাকিব। নেমিমাঙ ৰজায়ে মুঙফি দেৱলোকৰ পৰা ঘূৰি অহা জনমলৈকে আতিগুৰি মাৰি কৰলৈ গ'লে ৯৮ অযুত জনম লৈছিল। তাৰ ভিতৰত এই সংসাৰখনত চক্ৰৰ দৰে ঘূৰি এবাৰ মুওফি এবাৰ মুংকাঙ অৰ্থাৎ এবাৰ স্বৰ্গত এবাৰ মৰ্ত্ত্যত অহা যোৱা কৰি জন্মলৈ এনে দৰে ঘূৰি থাকিব লগীয়া হৈছিল। তেওঁ কেইবা পুৰুষ স্বৰ্গত আৰু কেইবা পুৰুষ মৰ্ত্ত্যতে জন্ম লৈছিল। নেমিমাঙ ৰজা গৰাকীয়ে এজনা উচ্চখাপৰ ৰজা আৰু পৃথিৱীত সুনাম কৰি যোৱা ৰজা আছিল। তেওঁৰ পিতা মাতাইও পৃথিৱীতে সুখেৰে

কাল কটাই গৈছিল। বুদ্ধত্ব লাভ কৰাৰ আগতে কিমান পুৰুষ মানুহৰ মাতৃ গৰ্ভত জন্ম লৈছিল আৰু মৃত্যু হৈছিল উল্লেখ কৰিব নোৱাৰি। পৃথিৱীত বান পানী হোৱাৰ চাৰি কুৰি এক লাখ বছৰ পিচত সকলো সময়তে প্ৰত্যেক ক্ষেত্ৰতে সুখ, দুখ, নিত্য, অনিত্য, তেওঁৰ দৈনন্দিন জীৱনৰ ঘটনাৰ সহচৰী আছিল। অৱশেষত দেৱতাৰ জন্ম লৈ বহু বছৰ কাল ধৰি সুখ শান্তিৰে কাল কটাই শেষত এদিন ত্ৰিমণ্ডলৰ ভিতৰত এজনা চাটম অৰ্থাৎ জ্ঞানী বুদ্ধ (ফ্ৰাঃ) হৈ উঠিলে। সংসাৰৰ সকলো জ্বালা যন্ত্ৰণা কাটি থৈ ফ্ৰা বুদ্ধত্ব লাভ কৰিলে।

চাথো, চাথো চাথো ।

## উৰাক্-ফা-ফ্ৰা

অতীজতে ফ্ৰায়ে মুক্তি লাভৰ উপায় দেখুৱাই সমগ্ৰ পৃথিৱীত তেওঁৰ বাণী প্ৰচাৰিত কৰিছিল। পিছত কালক্ৰমত পৃথিৱীৰ মানৱ জাতিয়ে ক্ৰমান্বয়ে ফ্ৰাৰ উপদেশ সমূহ ভালদৰে পালন নকৰি ক্ৰমে দুৰ্বল হৈ আহিবলৈ ধৰিলে। ভিক্ষুয়ে ফ্ৰাৰ বাণী লিপিবদ্ধ কৰি পুনৰ প্ৰৰ্বতন কৰিবলৈ আনন্দ, ৰাহান্ত আদি জ্ঞানী শিষ্যক আমন্ত্ৰণ কৰি আনি ফ্ৰাৰ ৰাহান্ত সকলৰ (অনুগামী) মাজত মহামেল পাতিলে। ফ্ৰাৰ বিষয়ে থকা কথা আৰু উপদেশ সমূহ যেতিয়া সন্তসকলে এখন ডাঙৰ নগৰত বসবাস কৰা এজন সদাগৰক কবলৈ গৈ ওচৰ চাপে আন্নাথাপিং নামে এই সদাগৰ জনে হৈপাহেৰে সকলো কথা শুনিলে। সেই সদাগৰজনৰ ভঁৰাল ধন-সোণেৰে ভৰি আছিল। তেওঁ মুক্তি পোৱাৰ ইচ্ছাৰে বিহাৰ নিৰ্মাণ কৰি ফ্ৰাৰ নামত প্ৰচুৰ ধন-সোণ দান কৰিছিল। তেওঁৰ মৃত্যুৰ পিছত ম্যুংফি, ম্যুংচাঙত (স্বৰ্গত) তেওঁ সোণৰ ৰাজকাৰেঙত আনন্দেৰে থাকিবলৈ পাইছিল। ভিক্ষুসকলে মানুহ একেলগ কৰি পৃথিৱীৰ মানুহক নৰকৰ বিষয়ে জ্ঞান দিছিল। নৰকত কেনেদৰে জুইৰে তপত কৰা উতলি থকা গৰম পানীত মৃত্যুৰ পিছত সোমোৱাই দিয়ে, আৰু বিভিন্ন শাস্তি প্ৰদান কৰে; কিন্তু

ধৰ্ম মানি চলা লোকসকল মৃত্যুৰ পিচত সৰগত সোণৰ ৰাজকাৰেঙত ফি (দেৱতা) হৈ থাকে, কিন্তু পাপীবোৰক (যি ধৰ্ম মানি নচলে) নৰকলৈ লৈ গৈ শাস্তি দিয়ে— ইত্যাদি উপদেশবোৰ ভিক্ষুসকলে দি থকা ফ্ৰায়ে শুনে। তেওঁলোকৰ আলোচনা শুনি আনন্দক সন্মুখত বহুৱাই লৈ ফ্ৰায়ে বুজায়। ম্যুংফি, ম্যুংকুন আৰু মুংৰাই (নৰকৰ) বিষয়ে আনন্দক বুজায় দিয়ে। মৰ্ত্ত্যত মানুহে যেতিয়া জীৱ হত্যা আদি পাপ কৰি ফুৰে বা যি বিলাকে ধৰ্ম পালন কৰি থাকে খুন ফি মাতালী নাৎছায়ে চাই থাকে। এজনে সোণৰ বহী এখন লৈ আৰু আন এজনে বগা বহী এখন লৈ মানুহৰ কাম কাজ চাই ভাল মানুহৰ নাম ৰঙা সোণৰ বহীখনত লিখি ৰাখে।

ফ্ৰাৰ বিষয়ে কথাবোৰ ভালদৰে বুজি পোৱা নাছিল; তথাপিও মানুহে একান্ত মনেৰে সেইবোৰ শুনি তেওঁক বেছি ভাল পাইছিল। বহু দেশৰ ৰজা আৰু মানুহে ফ্ৰায়ে উপদেশ দিব বুলি বাট চাই আছিল। হে তিনি ভুৱনৰে শ্ৰেষ্ঠ ফ্ৰা! আপুনি চন্দ্ৰৰ দৰে উজ্বল, সুগন্ধি ফুলৰ দৰে ফুলি সুগন্ধি বিলাই থাকক। মই বন্দীয়ে উলাহেৰে বাট চাই আছো। আপুনি অমৃত উপদেশ দি খুনফি আৰু মানৱ জাতিৰ মন পৰিষ্কাৰকৈ ধুই যাব পাৰিছে! ফ্ৰাক অন্তৰত ৰাখি সকলো প্ৰাণী আৰু শিষ্যই উপদেশ খুজিছিল। 'হে ফ্ৰা! অনুগ্ৰহ কৰি আমাক উপদেশ গাঁথাবোৰ বুজাই দিয়ে যেন!' ফ্ৰায়ে মনুষ্য আৰু তেওঁৰ অনুগামীসকলক উপদেশ-গাঁথাবোৰ ভালদৰে বুজাই থৈ গৈছিল। সেইকালত পাৰনসী ম্যুংখান (বাৰানাসী) নামৰ এখন দেশ আছিল। চাৰিওফালৰ পৰা লাখ লাখ লোক আহি তাত গোট খাইছিল। আন দেশৰ মানুহে কৈছিল, এইখন এনে সুন্দৰ দেশ ইয়াত কোনো কষ্ট নাই! বহুতো জ্ঞানী পণ্ডিত আছিল। সেই ৰজাৰ দেশত কেইবাটাও সোণৰ ৰাজকাৰেং আছিল। পিচত সেই ৰাজকাৰেঙৰ এটাত ফ্ৰায়ে বহি পখীৰূপ ধৰি ধৰ্ম উপদেশ দিছিল। এই কথাকেই উৰাক ফ্ৰা ফ্ৰা নামৰ কাহিনীৰ মূল কথা। দেশৰ মাজত সূৰ্য্যৰ ৰশ্মিৰ দৰে উজ্বলতাৰে ফ্ৰাৰ যশস্যা বিয়পি পৰিছিল। কিমান লাখ লাখ জনম পোৱাৰ পিছতো বেলেগ বেলেগ জনমলৈ ফ্ৰা আহি দেখা দিয়ে! বাৰানসী দেশখন ম্যুংফি লেংডনৰ স্বৰ্গৰাজ্যৰ দৰে আনন্দময় হৈ আছিল। আনকি উৰণীয়া পক্ষী আৰু জীৱ-জন্তু আনন্দত আছিল।

ৰাণীয়ে সপোনত সোণালী ৰঙৰ এটি হাঁহ দেখি ৰজাক এনে এটা চৰাই লাগে বুলি খুজিলে। ইতিমধ্যে উৰাক্ ফা নামৰ সোণালী পাখিৰ চৰাইটো নয়খাম নামৰ সোণৰ পাহাৰ এটাত আছিল। তেওঁ চৰাইৰ ৰজা আছিল। ৰাণী নাংখাইফাই সোণৰ চৰাইটো বিচাৰিছে বুলি সকলোৱে জানিলে। সপোনত ৰঙা-কলা চকুযুৰি আৰু ৰঙা ৰঙৰ মুখখনিৰ কথা ৰাণীয়ে কৈ ৰজাক চৰাইটো লাগে বুলি ক'লে।

উৰাক্ ফা হ'ল পৃথিৱীৰ পক্ষীবোৰৰ ৰজা। তেওঁক ৰাণীয়ে ফুৰাংছা বুলি নাম লৈ বিচাৰি আছিল। তেওঁৰ (ৰাণীৰ) মন আৰু শৰীৰ দুৰ্বল হৈ পৰিছিল। প্ৰজাসকলে ৰজাক বুজাইছিল। পৃথিৱীৰ মানুহ পূৰ্বৰ পৰা চিকিয়াই সৃজন কৰিছিল। বগা ছাতি মূৰত ধৰা (চাং চংফেক) ৰজা কিমানে জনম ললে। মৰ্ত্ত্যতি খুন আলাও জন্ম লৈ ফ্ৰা ৰজাও হৈছিল। অতীতত এই ফ্ৰাই বহুতো উপদেশ, নিয়ম-নীতি সোণৰ আখৰেৰে লিখি থৈছে। পৃথিৱীৰ পৰ্বতখন পূৰ্বতে ইমান ওখ আৰু ডাঙৰ আছিল যে ম্যাংফি (স্বৰ্গ) চুকি পাইছিল। মাজ ডোখৰত সূৰ্য্যৰ দৰে জিলিকা এক পাহাৰ আছে। সেই পাহাৰতে উৰাক্ ফা নামৰ চৰাইটো বাস কৰে। লগতে ন নিযুত হাঁহ সেই পাহাৰৰ সুগন্ধি ফুলৰ মাজত থাকে আৰু ৰাতিপুৱা সেই সোণৰ দৰে জিলিকা পাহাৰত চৰি ফুৰে।

মানুহে সেই চৰাই দেখা পাই বহুতকে বধ কৰিলে। থাকিল উৰাক্ ফা। চাইফা (ৰজা)ই কৈছিল, সেই চৰাইটো মোক লাগে, নেমাৰিবা। মানুহবোৰে বহুতো চৰাই মাৰি উৰাক-ফাক ধৰিবলৈ ফান্দ পাতিলে। চিকাৰীয়ে পাতি থোৱা ফান্দত তেওঁ লাগিল আৰু ওলাব নোৱাৰা হ'ল। লগৰ চৰাইবোৰে চিঞৰ-বাখৰ লগালে। মানুহবোৰে ৰজাক জনোৱাত ৰজাই গৈ দেখে যে সেই সোণৰ পাখি থকা হাঁহটো ফান্দত পৰিছে। ঠেং দুটা ৰাঙলী হ'ল। উৰাক্ ফাই ইচ্ছা কৰিয়েই ফান্দৰ পৰা ওলাই যোৱা নাছিল। ছুমুকখা নামৰ চৰাইজনী ওলাই যোৱা নাছিল। তেওঁ উৰাক্ফাক ফান্দত পৰা দেখি দুখ পালে। কিন্তু লগ নেৰিলে। ওচৰতে গুণা গঁথা কৰি ক'লে, 'ফ্ৰা মোৰ শৰীৰৰ শাসন কৰ্তা! মই ন নিযুত চৰাইৰ ওপৰত পক্ষীৰাজ। মই এতিয়া শত্ৰুয়ে পতা ফান্দত পৰিছো। যদি মৃত্যুয়ে মোৰ শৰীৰ ছানি ধৰে সোণৰ দৰে জিলিকা শটো পুৰি দিবা।'

এই কথা শুনি উৰাক্‌ফাৰ সংগী চুমুকখাই ক'লে, 'যেনেকৈ পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীক শিক্ষা দি ভাল কৰে, যেনেদৰে গৃহস্থই ভৃত্য সকলক ভালকৈ খোৱা-বোৱাৰ দিহা কৰে আৰু ভৃত্যক এৰি দিয়াৰ দিনা মৰম লাগে, তেনেদৰে আপুনি চৰাই জাকৰ মাজত থাকি সিহঁতক মৰম আৰু স্নেহ লগালে, কেনেকৈ তেওঁলোকক এৰি থৈ যাব? আপুনি চাইফায়ে যদি মৃত্যুমুখত পৰে মই লগ নেৰোঁ। প্ৰত্যেক জন্মতে আপোনাৰ লগত আছিলোঁ। আপোনাৰ উপদেশ মানি শিষ্যৰ দৰে আপোনাৰ গুণ গাইছিলোঁ। হে মোৰ শ্ৰদ্ধাৰ ফ্ৰা! আপুনি অনুগ্ৰহ কৰি শুনক! মই বন্দীয়ে আপোনাৰ লগত কথা পাতিব বিচাৰিছোঁ। আপুনি জ্ঞানী-গুণী। অন্তৰখন অতি বহল। 'উৰাক্ ফাই ছুমুকখাক ক'লে, "ন নিযুত চৰাই বিলাকৰ ভিতৰত কোনো জনেই ফ্ৰা-ত্ৰাৰ নিয়ম মানি নচলিছিল। গতিকে তেওঁলোকে তেওঁলোকৰ শ্ৰদ্ধেয় জনক বা উপকাৰীক পাহৰি পেলাইছিল। তুমি ছুমুক্‌খাই সেই শিক্ষা নাপাহৰি অন্তৰত ধৰ্মপদ ধৰি ৰাখিছা। মোক মৰা অৱস্থাত পৰি থকা দেখি তেওঁলোকে ভালকৈ নুসুধিলে। মোৰ প্ৰতি পৃথিৱীৰ কোনেও মৰম স্নেহ ভাৱ নাৰাখিলে।" চুমুক্ খা চৰাইজনীয়েও দুখ কষ্ট নামানি ৰজা উৰাকফাৰ লগত থাকি তেওঁৰ অমৃত উপদেশ বাক্য ৰাজি শুনি হৃদয়ত ৰাখিলে। এনেদৰে উৰাক্‌ফা আৰু ছুমুক্‌ফা সোণালী হাঁহৰ কথা চাৰিওফালে বিয়পিলে। এই উৰাক্‌ফাই ভৱিষ্যত ফ্ৰা হ'ব। ফ্ৰা হোৱাৰ আগতে বহুতো দুখ কষ্ট পাব লাগে।

এইদৰে উৰাক্‌ফাৰ মহত্বৰ কথা জানি বাৰানাসী নগৰৰ মন্ত্ৰীজনে গৈ ক'লে, 'সোণৰ পাখিৰ হাঁহ ঐ! মই এতিয়া তোমাক ফান্দৰ পৰা এৰি দিম।' চৰাইটিয়ে উপদেশ দিলে, সংসাৰখনৰ ভিতৰত অইনক বিপদ-বিঘিনিত পৰা দেখিলে নিজৰ কাম এৰি আনক উপকাৰ সাধন কৰিবা। নিজ নিজ অন্তৰ সকলোৰে খায়ফাৰ মনৰ দৰে পৰিষ্কাৰ মন কৰি লবা। লেংডন দেৱতাইও মনত অপৰিষ্কাৰ ভাৱ নেৰাখিছিল। অতি মিঠা মাতেৰে কথা কতবা পাতে।'

মন্ত্ৰী জনে উৰাক্ ফাক দুখন হাতেৰে লাহেকৈ তুলি ফান্দৰ পৰা উলিয়াই লৈ গ'ল। ৰজাৰ ওচৰ পালেগৈ। লাখ লাখ দেৱতাই আকাশৰ ওপৰৰ

পৰা অৱতাৰী উৰাক্‌ফা নামৰ সোণালী পাখিৰ চৰাইটোক চাই আছিল। তেওঁলোক ফ্ৰাৰ অপেক্ষাত আছিল। সেই দেশৰ ৰজাই উৰাক্‌ফাক দেখি সিংহাসনৰ পৰা নামি আহিল। তেওঁৰ মুখখন সুগন্ধি ফুলৰ দৰে আৰু সূৰ্যৰ কিৰণৰ দৰে জিলিকি আছিল। ছুমুকফা নামৰ চৰাইজনীয়ে ক'লে, "ৰজাক সোণৰ আসন পাৰি দিয়া। সোণৰ হাঁহটো বহিব।" এনেদৰে উৰাক্‌ফা সোণৰ সিংহাসনত বহিল। ৰজা আৰু ৰাণীয়ে তেওঁক বৰ মৰম কৰিলে।

খোৱা-বোৱাৰ কাৰণে মিঠা, টেঙা, মৌ আৰু চেনি মিহলি কৰি আখৈ যোগাৰ কৰি দিলে। উৰাক্‌ফাৰ উপদেশ শুনি ৰজা-ৰাণী দুয়ো বৰ ভাল পাইছিল। তেওঁলোকে উপদেশ শুনি সোণৰ পাখিৰ উৰাকফাৰ ওচৰৰ পৰা আঁতৰি যাবলৈ নিবিচাৰিছিল। ৰজাই উৰাক্‌ফাৰ উপদেশ মানিব খুজিলে। ফ্ৰায়ে ৰজাক উপদেশ দিয়াৰ বাবে ৰাজ্যত বয়-বস্তুৰ উৎসনদী হৈছিল। খায়ফাৰ দেশত ৰজা, প্ৰজা আৰু আন আন দেশৰ ৰজাইও ফ্ৰাৰ উপদেশ মানি মন পৰিষ্কাৰ কৰি ৰাখিছিল আৰু মিঠা মাতেৰে কথা বতৰা পাতিছিল। ৰজা-ৰাণী দুয়ো ফ্ৰাৰ লগতে থাকিছিল। তেওঁৰ পুত্ৰ আৰু পুত্ৰীসকলেও ফাৰ উপদেশ শুনি নিজৰ শৰীৰ আৰু মনত একান্তভাৱে মানি চলিছিল। বহু দেশৰ ৰজা আহি ফাৰ উপদেশ শুনিছিল।

জোনাক ৰাতিৰ চন্দ্ৰৰ দৰে ফা উজ্জ্বল হৈ পৰিছিল। আগৰ জনমত ফায়ে দান ধৰম কৰিছিল। হাতী, ঘোঁৰা আৰু নিজৰ লৰা-ছোৱালীও দান কৰিছিল। ৰজাৰ জীয়েক কেইগৰাকীয়েও উৰাকফাৰ উপদেশ ভাল পাইছিল। ফাৰ উপদেশত প্ৰজাসকলৰ মনো পৰিষ্কাৰ আৰু পবিত্ৰ হৈছিল। ফায়ে ৰজাৰ কাৰেঙত থাকিছিল। বাৰানাসী নগৰত তেতিয়া ফায়ে ৰজাৰ সৈতে ভাল ধৰ্ম প্ৰচাৰ কৰিছিল। ফায়ে কৰা ধৰ্ম প্ৰচাৰ দেশ আৰু নগৰৰ চুকে কোণে বিয়পি পৰিছিল আৰু মানুহৰ মনত অমংগল আৰু দুশ্চিন্তাৰ ভাব নোহৈছিল। ফাৰ উপদেশবোৰ মহত্বপূৰ্ণ আছিল। "ৰজা ভালকৈ মনত ৰাখিবা! ত্ৰা বা উপদেশ বিলাক কুৎসিৎ কথা বুলি নাভাবিবা। হে মৰমৰ ৰাজ পুত্ৰী আৰু পুত্ৰ সকল! তোমালোকে কৈ যোৱা মতে কাম তোমালোকৰ আগত দেখুৱাম। ভাল আৰু মংগল কথা কোনোটো কেতিয়াও কুৎসা বা বেয়া কথা হ'ব নোৱাৰে।"

তেওঁলোকে একান্তমনে শুনি আগ্ৰহ জন্মিলে আৰু বেছিকৈ জানিব খুজিলে। বিপদত পৰিলেও দুখ কষ্ট নহয়। হাজাৰ হাজাৰ দেশৰ পৰা মানুহ আহি গৈ ফাক দেখা কৰিলে আৰু সকলোৱেই শিষ্য হ'ল। ৰজাৰ মনত ফাৰ উপদেশ মিঠা চেনিৰ নিচিনা; অসূয়া আৰ অপ্ৰীতি ভাব মনত নোসোমায়।

ফাৰ আগৰ জনমত পিতৃয়ে ফ্ৰাক ৰাজকাৰেঙৰ পৰা আঁতৰি যাবলৈ নিদিছিল। কিন্তু আগৰ জনমত কৰি অহা পুণ্যৰ ফলত ফ্ৰায়ে হালধীয়া ৰঙৰ কাপোৰ পিন্ধি সেই জনমত ৰাজকাৰেঙ আৰু নগৰ এৰি যাব লগীয়া হৈছিল। দূৰ দূৰণিৰ পৰা বৃদ্ধসকল আহি ফ্ৰাৰ ওচৰ চাপিল আৰু তেওঁলোকে ফ্ৰাৰ ওচৰত ত্ৰা (পথ) খুজি দুখ কষ্ট নথকা নিৰ্বাণ লাভৰ উপায় বিচাৰিছিল।

চৰাই অৱতাৰ ফ্ৰাই উৰাক্ ফা হৈ ৰজা আৰু ৰাণীক সদ উপদেশ দিছিল। সেইবোৰ শুনি তেওঁলোকৰ মন পৰিষ্কাৰ হৈ পৰিছিল। প্ৰত্যেকজন লোকে অন্তৰ সম্পূৰ্ণ পৰিষ্কাৰ হোৱাত টুকসিৰা নামৰ স্বৰ্গ পোৱা যেন অনুভৱ কৰিছিল। আনকি চাঙ সকলো (দেৱতাসকলো) ফাৰ আধ্যাত্মিক শক্তিত মোহিত হৈছিল। ফাৰ মন পৰিষ্কাৰ আৰু স্থিৰ আছিল। দেশৰ চাৰিওফালে ফ্ৰাক মৰম আৰু অভ্যৰ্থনা জনাইছিল। সোণৰ পাখিৰ ফ্ৰাই সূৰ্য্যৰ দৰে উজ্বল হৈ সিংহাসনত বহি উপদেশ দিছিল।

এদিন উৰাক্ ফাই পূৰ্বৰ সোণৰ পাহাৰখনিত থকাৰ কথা মনত পৰি পাখিমেলি ৰজাৰ ৰাজকাৰেঙৰ পৰা উৰি আঁতৰ হ'ল। ছ্যকুমখা হাঁহজনীয়ে আঁতৰি যাবলৈ দিব নুখুজিছিল। দুয়ো একেলগে উৰি বাৰানাসী নগৰ ত্যাগ কৰি পূব দিশলৈ উৰা মাৰিলে। ফ্ৰায়ে বুদ্ধত্ব লাভ কৰাৰ পাচত অতীতৰ স্মৃতিবিলাক আধ্যাত্মিক শক্তিৰে দেখা পাইছিল। হাঁহ হৈ থাকোতে হাজাৰ হাজাৰ শিষ্যক নিয়ম পালন কৰিবলৈ বুজাইছিল। থাইফা ফ্ৰায়ে শিষ্যসকলৰ মনত স্পষ্টকৈ ৰাখিবলৈ গাঁথা হিচাপে মাতি শীলবোৰ (নিয়মবোৰ) শুনাইছিল। নিৰ্বাণ লাভৰ পথ বিচাৰি ফ্ৰায়ে বগা ঘোঁৰাত উঠি ৰাজকাৰেঙৰ পৰা ওলাই গৈছিল। পিতৃ-ৰাজ্যত কেৱল আইচান নামৰ মানুহজনহে সেই কথা জানিছিল। গংগা নদী আৰু সমুদ্ৰ পাৰ হৈ ফ্ৰায়ে নিজৰ চুলি কোচা কাটি চাং (ব্ৰহ্মা) ক দিলে। চাঙে ঋষি পোচাক (প অৰ্থাৎ এবিধ গছৰ

বাকলিৰ পোচাক) তেওঁক দিলে। বুদ্ধত্ব প্ৰাপ্তিৰ পিচত পিতৃ ৰাজ্যলৈ ঘূৰি আহোতে বাপেকে পুতেকক দেখি দুখ কৰিলে, ফ্ৰাৰ চাৰিপুত্ৰও তেওঁৰ ডাঙৰ শিষ্য হ'ল। খাইফা নাং ৰাণীয়ে বগা পোচাক পিন্ধি জীৱন যাপন কৰিছিল। ছোৱালীজনীৰ নাম আছিল চেমৰানাংহুং। তেওঁ সোণৰ পাহাৰত থাকি চৰাইবিলাকৰ সংগ লৈ বসবাস কৰিলে। পিচৰ জন্মত ৰজাৰ ৰাজকোঁৱৰ হিচাপে জন্ম হৈ তেওঁ ৰাজাৰ মানুহক নীতি-নিয়মৰ শিক্ষা দিছিল আৰু সিংহাসনত বহি শিক্ষা দিছিল।

ফ্ৰায়ে নিজৰ শিষ্যসকলক সম্বোধন কৰি কৈছিল, "হে পুণ্য বিচৰা ডেকা ভিক্ষুসকল! এতিয়া তোমালোকে সোধা উপমাৰ কথা মই বুজাই দিম শুনা। আমাৰ মানৱ জাতিটো পৃথিৱীত বসবাস কৰি আছে। উৰাক্ ফ্ৰাই আৰু তেওঁৰ পত্নী ছ্যমুক ফাই সকলো ত্যাগ কৰি সেই দেশৰ মানুহ আৰু ৰজাসকলক শিক্ষা দিছিল। সকলোৱে ফ্ৰাৰ দৰে হালধীয়া বস্ত্ৰ পিন্ধিছিল। তিৰোতাসকল ভিক্ষুনীৰ দৰে হৈছিল। খুনফি দেৱতাই সজগুন থকা মানুহ চাই থাকে আৰু চকুত পৰিলে তেওঁৰ সোণৰ বহীখনত লিখি থয়। তেনেদৰে ভাল জ্ঞানীজনে আৰু নাৰীয়ে ফ্ৰাৰ গুণবিলাক মনত ৰাখি থব লাগে। কেনেকৈ মানুহ মৰি অনিত্য পথত যায়। যিবিলাকে ফ্ৰাৰ প্ৰতি মনত অবিশ্বাস ৰাখে, কাকোৱেই কোনো বস্তু দান নকৰে, ফ্ৰাৰ শীল (নীতি) নামানে, তেওঁলোকৰ মন আন্ধাৰ হৈ থাকে। কিছুমানে ফ্ৰাৰ গুণবোৰ নামানি ভিক্ষুসকল আৰু পিতৃ-মাতৃ আৰু ফ্ৰাৰ অবহেলা কৰে, বয়সস্থ লোক আৰু নিজৰ ককাই-ভাইক নামানে, সকলোকে বেয়া কথা কৈ অপমান কৰে। ফ্ৰাৰ উপদেশবোৰ শুনিব নিবিচাৰে। মুক্তিৰ পথ দেখিও সেইমতে চলিবলৈ নিবিচাৰে। চকুৰে ফ্ৰাক দেখিও নেদেখাৰ দৰে কৰে, লোক পথ বা মন্দিৰ নিৰ্মাণ কৰা দেখিলেও মনত তেওঁলোকৰ উৎসাহ নজন্মে। অইনে বস্ত্ৰ আদি দান কৰিলেও মনত সমৰ্থন বা আনন্দৰ ভাব নাহে, যিবিলাকে ৰ'দৰ পৰা ৰক্ষা কৰিবলৈ বগা ছাতি ফ্ৰাৰ নামত দান নকৰে, যিবিলাকে ৰাস্তাত খাল বা পানী দেখিলেও ওপৰত দলং বা সেতু নিৰ্মাণ নকৰে, বাটৰুৱাক জিৰাবৰ কাৰণে বাটত বিশ্ৰাম ঘৰ নিৰ্মাণ নকৰে, তেওঁলোকে ফ্ৰাৰ নিয়ম

নামানে। কিছুমানে ফ্ৰাৰ নামত ফুলাম বগা ছাতি দান কৰে, ৰাভ্তা, দলং আদি বনায়, দান কৰা লোকক হিংসা নকৰে, ভিক্ষু বা দুখীয়াক বস্ত্ৰ বা লাগতিয়াল বস্তু দান কৰিলে হিংসা নকৰে। তেওঁলোকে ফ্ৰাৰ নীতি মানি চলে। কিছুমানে খোৱা বস্তু দান কৰিবলৈ ইচ্ছা নকৰে, দান দক্ষিণা নিদিয়ে— এই মূৰ্খবোৰৰ লগত সংগ কৰিব নালাগে। তেওঁলোকৰ পৰা আঁতৰত থাকিব লাগে। বেয়া কামবোৰ কেতিয়াও ভাল বুলি ভাবিব নেলাগে। একান্ত মতে ফ্ৰাৰ নীতি (শীলসমূহ) মানি ধৰ্মৰ প্ৰতি মনোযোগ দিব লাগে।

বাৰাণসী নগৰীৰ ৰজা খুনকামে ফ্ৰাৰ নীতি পালন কৰি স্বৰ্গলৈ যোৱাৰ আগতে তেওঁৰ সুন্দৰী ছোৱালীজনীক ৰাজ্যৰ ৰাণী পাতিছিল ; ফ্ৰাৰ উপদেশ তেওঁ মানি চলিছিল। লগতে ৰজাৰ মন্ত্ৰী, প্ৰজাইয়ো ফ্ৰাৰ নীতি মানিছিল। ফ্ৰাই ৰজাৰ তাত থাকি জগতৰ সকলো প্ৰাণী জীৱজন্তু আদিৰ মাজত ধৰ্ম বিলাই দিছিল আৰু সকলোকে আশীৰ্বাদ দিছিল। সাহসী ভিক্ষুণী সকলে ফ্ৰাৰ উপদেশ মনোযোগেৰে শুনিছিল।

ফ্ৰাই বহুতো উপমা দিছিল। এজন ৰজাই নিজ ইচ্ছাৰে দান কৰি মন পৰিষ্কাৰ কৰিছিল। তেওঁ নীতি (শীল) পালন কৰাত মন বহল হৈছিল। অমৃত পুখুৰীৰ পানীৰ দৰে পৰিষ্কাৰ হৈছিল।

অন্য এজন লোক হ'ল, যি ফ্ৰাৰ গুণৰাজি নাপাহৰি তেওঁৰ নীতি পালন কৰিছিল। পিতা-মাতাক কোনো দিনেই দুখ কষ্ট নিদি খোৱা-বোৱা দি পোহপাল কৰিছিল। তেওঁলোকক কোনো ধৰণৰ অৱহেলা নকৰিছিল। নিজ বংশ পৰিয়ালৰ বাহিৰেও বৃদ্ধ লোক দেখিলে অতি মিঠা মাতেৰে নিজৰ ভাই-ককাইৰ লগত কথা পতাৰ দৰে কোমল মাতেৰে কথা পাতিছিল। অন্য বিধ লোক হ'ল ধৰ্ম অধ্যয়ন কৰা মহাপুৰুষ সকলক উচ্চ আসন দি আঁঠু কাঢ়ি সেৱা কৰিছিল। ভিক্ষু (ফুংগি) সকলক তেওঁলোকে কেতিয়াও কোনো অপৰাধ বা অপমান নকৰিছিল। তাৰা (বাণী) সমূহ আলোচনা বা প্ৰচাৰ কৰা শুনিলে অতি আগ্ৰহৰে বাট চাইছিল।

অন্য এবিধ লোক হল ফ্ৰাৰ মূৰ্তিবোৰ য'তে ত'তে পৰি থকা দেখিলে সেইবোৰ ভালদৰে পৰিষ্কাৰ কৰি সংৰক্ষণ কৰে। মন্দিৰ সজাই মূৰ্তিবোৰ স্থাপন

কৰে। অন্য কিছুমানে ভিক্ষুক খোৱা বস্তু আৰু বস্ত্র দান কৰে। হালধীয়া কাপোৰ পিন্ধা ভিক্ষা পাত্র লৈ ফুৰা ভিক্ষুক দান কৰে। লগতে বন্দী-বেটি, চাকৰ-বাকৰ ভিক্ষুক দান কৰে। আনবিধ মানুহে পানী খাবৰ বাবে পুখুৰী খন্দায়। দলং সাজি যাব পৰা ব্যৱস্থা কৰি দিয়ে। অন্য এবিধ লোকে গাত কাপোৰ মেৰিয়াই লৈ মনত সুখ শান্তি পাবলৈ নির্বাণ লাভৰ অপেক্ষাত থাকে। অন্যবিধে পঞ্চশীল (নীতি) মানি চলিছিল। কাকো হিংসা-দ্বেষ নকৰিছিল আৰু তেনে ভাব নাৰাখিছিল। লগতে ফ্ৰাৰ গুণ গান গাইছিল। অতি কঠোৰভাৱে ফ্ৰাৰ নীতি-উপদেশ মানিছিল। কোনো হিংসাভাৱ মনত নাৰাখিছিল। মন পৰিষ্কাৰ ৰাখিছিল। একমাত্র ফ্ৰাৰ পুথিত থকা ত্ৰাক ধৰি ৰাখিছিল।

এইদৰে ভগৱান ফ্ৰাই শিষ্যসকলক উপদেশ দি বুজাই দিছিল। যি সকলে সাতটা ত্রা (নীতি) পালন নকৰে অন্তৰত ত্ৰাৰ অস্তিত্ব নাই; তেওঁলোক শ্ৰেষ্ঠ হ'ব নোৱাৰে।

**পানাতিপাত্তায়ে কোৱা বাণীবোৰ হ'লঃ-** জীৱ হিংসা নকৰিবা। সকলো প্ৰাণী-জীৱকে মৰম কৰি সমান চকুৰে চাবা। ফ্ৰাৰ বস্তুবোৰ বিচাৰি শৰীৰত ৰাখি থবা। যেনেকৈ ফ্ৰায়ে শীল মনত ৰাখি আনন্দ পাইছিল, তেনেকৈ তোমালোকেও পঞ্চশীল (নীতি) মনত ৰাখি আনন্দ কৰিবা।

## কামিসুমিকসা চৰাহিয়ে কোৱা বাণী হ'লঃ

পৰৰ সুন্দৰী ছোৱালীৰ লগত আহি কথা কওঁৱা পাতা, মনে মনে বহি থকা, লোকৰ স্ত্রী দেখিলে পাবলৈ ইচ্ছা কৰা, গিৰিয়েক নাথাকিলে তেনে স্ত্ৰীৰ লগত বহি থকা উচিত নহয়। পৰৰ স্ত্রী কাঢ়ি নানিবা। লগত বহি কথা নাপাতিবা। মনত তেনে ভাব নানিবা।

## মুচাবতাই কোৱা বাণী হ'ল ঃ

আমাৰ মুখৰ ভিতৰত থকা জিহ্বাই নকব লগীয়া কথা কৈ ফুৰে। লোকক প্ৰৱঞ্চনা কৰে। ইজনৰ লগত সিজনক শত্ৰু হবলৈ লগাই দিয়ে। অন্য লোক কেনেকৈ দুখত পৰে তাক লগাই কৈ ফুৰে। ধৰ্মৰ পথ কেতিয়াও বিচাৰি

নলয়। নিজৰ ভালৰ বিচাৰ নলয়। নিজৰ ভালৰ কাৰণে ধৰ্ম উপাৰ্জ্জন কৰি নলয়। এইবোৰ বেয়া স্বভাব। তোমালোকে যি কোনো কথা জিহ্বায়েদি ওলাবলৈ নিদিবা।

**সুৰামিৰিয়াৰ কোৱা বাণী ঃ**

মদ সকলো প্ৰকাৰেই বেয়া। বেয়া মানুহবিলাকে সদাই মদৰ কথা চিন্তা কৰি থাকে। মদ শৰীৰত সোমালে বেয়া কথাহে মানুহে কৈ থাকে। নিজৰ মন স্থিৰ কৰি ল'ব লাগে।

এনেদৰে ফ্ৰাই শিষ্য সকলক বুজাই দি কৈছিল, হে মোৰ ভিক্ষু-সংঘ সকল, ৰাজ্যৰ অধিকাৰী ৰজাসকল, লগতে পুৰুষ-স্ত্ৰী, দায়ক-দায়িকপাল, এইবোৰ শুনা।

পুণ্যবান লোকৰ নাম সোণৰ বহীত লিখে। সৰগলৈ যায়। তাত ৰাজকাৰেং আছে। দেৱকন্যা বিলাক ফুলৰ দৰে অসংখ্য। সোণৰ স্বৰ্গৰাজ্যত নাচগান কৰি অপ্সৰা সকলে মতলীয়া কৰি তোলে। অতীজত এই দেৱকন্যা অপ্সৰা সকলে ফ্ৰা আৰু শিষ্য সকলক খাদ্য বস্তু দান কৰিছিল। নানা ধৰণৰ পিঠা, আখৈ আদি দান কৰি নিজ ইচ্ছাৰে মনত আশা আকাংখা কৰি ঘূৰি জনমত দেৱকন্যা হ'বলৈ বিচাৰিছিল। সোণৰ ৰাজকাৰেঙত থাকিবলৈ বিচাৰিছিল।

দেৱকন্যা সকলৰ মাত বাঁহী-পেপাৰ মাততকৈও সুমধুৰ। স্বৰ্গত থকা অমৃত পানীৰে গা ধুইছিল। দেখিবলৈ তেওঁলোক ইমান বগা আছিল ! সৰগৰ পৰা আমাৰ ফ্ৰাৰ ওচৰলৈ ঘূৰি আহে। ফ্ৰাৰ নীতি শিক্ষা শুনি অপেস্বৰীসকল পৃথিবীৰ ওপৰত টিংসা নামৰ স্বৰ্গ। তাত ওখ সিংহাসনত চিকিয়া বহি থাকে। সেই স্বৰ্গ (তুনতংখাম) এবিধ সোণৰ গছৰে আবৰা। টিংসাৰ পিচত য়ামা নামে অইন এটা তৰপত স্বৰ্গ আছে। খুনফি সকলৰ দেৱতাসকলৰ সোণৰ ৰাজকাৰেঙ জকমকাই থাকে। য়ামাৰ পিছত তুকসিতা নামে এখন স্বৰ্গ। তাত থকা খুনফি দেৱতাসকলে অতি আনন্দেৰে সোণৰ ৰাজকাৰেঙত বহি থাকে। তাৰ ওপৰৰ

থকা তৰপটো নিমহুটি । চাৰিটা তৰপৰ ওপৰত তাতে যি দেৱতা সকল থকা ৰাজকাৰেঙ। তাৰ ওপৰৰ তৰপ হ'ল পাৰুনি আৰু একবাৰে ওপৰত মিকসাৱতী নামে একেবাৰে ওখ স্বৰ্গ। হাজাৰখন পৃথিবী ধ্বংস হ'লেও স্বৰ্গৰ সিংহাসনবোৰ ভাঙি-ছিঙি নাযায়। চিকিয়াৰ আৰু দেৱতাসকলৰ বাসস্থান পাৰ হৈ পিছত খুংছাঙৰ (ব্ৰহ্মা) স্বৰ্গ পায়। তাত ৬ টা তৰপ আছে। খুংছাঙৰ স্বৰ্গৰ আকাশত এখন স্বৰ্গ আছে। সেইয়া বিশটা তৰপৰ ভিতৰত আকানি কঠা পুংমা নামৰ তৰপ সকলোতকৈ ওখ আৰু শেষত অৱস্থিত। তাৰ পিছত সোণ হীৰাৰ দেশ নিৰ্বাণ। সকলো স্বৰ্গ (ছাং)ৰ তৰপতকৈ ওখ। নিৰ্বাণ সকলোতকৈ শ্ৰেষ্ঠ। ইয়াত ৰোগ, মৃত্যু, বৃদ্ধত্ব নাই। অজৰ অমৰ। মই বুদ্ধৰ (ফ্ৰা) ভায়েক আনন্দ। মই ফ্ৰাৰ লগে লগে থাকো। বুদ্ধ ফ্ৰায়ে যি কৈ থৈ গৈছিল বা শিষ্যসকলক যি উপদেশ দিছিল সকলো কথা মই মনত ৰাখি গৈছিলো; আপোনালোকে যাতে ফ্ৰাৰ ত্ৰা (নীতি উপদেশ) নিজ নিজ অন্তৰত ৰাখি পালন কৰি যাব পাৰে, সেই উপদেশবোৰ গছৰ পাতত লিখি পুথি আকাৰে ৰাখি থ'লো।

অতীত কালত গৌতম বুদ্ধ নামে পৃথিবীত ফ্ৰা হৈ এজন শ্ৰেষ্ঠ জ্ঞানী আছিল। সেই সময়ত স্বৰ্গ আৰু মৰ্ত্যত দেৱতা আৰু মানুহে মনৰ আনন্দত আছিল আৰু তেওঁলোকে সকলোৱে ফ্ৰাৰ সোণৰ বিহাৰত মৌমাখিৰ দৰে আহি ভৰ্ত্তি হৈছিল। কিছুমানে ঠিয়ে ঠিয়ে চাই চাই গুচি গৈছিল। কিছুমানে ফ্ৰাক দিবলৈ বগা ভাত আনি ফ্ৰাক পূজা কৰিছিল। তেওঁলোকৰ কামনা-বাসনা ইচ্ছামতে পূৰ্ণ হৈছিল। দুখীয়া-ধনী, সদাগৰ আদিয়ে জাকে জাকে ফ্ৰাৰ ওচৰলৈ অহা দৰ্শকসকলক দেখি ফ্ৰাই ক'বলৈ ধৰিলে, 'তোমালোকে মানুহ জন্ম লৈ ধৰ্ম উপাৰ্জন কৰিবা। যদি নিৰ্বাণলৈ যাবলৈ ইচ্ছা কৰা ধৰ্মৰ প্ৰতি অৱহেলা নকৰিবা । হে ভিক্ষু আৰু দৰ্শনাৰ্থীসকল! দেৱতাসকল! অনিত্য বা বেয়া কৰ্মগুণ মানুহৰ শৰীৰত থকাৰ কাৰণে জুইৰ দৰে মনত উত্তাপ হৈ জ্বলিব লাগে। মানুহে মোহত অন্ধ হয়। লোকক ভালদৰে থকা দেখিলে হিংসা হয়। তোমালোকে বেয়া পথৰ পৰা হাত সাৰি ভাল পথত চলিবলৈ মনোযোগ দি সুখত থাকিবলৈ যত্ন কৰা।'

ফ্ৰায়ে গাঁথা মাতি বুজায় কয়, 'যেতিয়া বানপানীয়ে পৃথিবীত হাবি-

বননি ডুবাই নাইকিয়া কৰি পেলায়, সেই সময়ত সৰু সুৰা চাপৰ গছ গছনিবোৰ বতাহে কোবাই কঠিয়া কৰি পেলায়। যেতিয়া মই ফ্ৰাই সোণৰ পাখিৰে জিকমিকোৱা উৰাক্‌ফা চৰাইৰ অৱতাৰ লৈছিলো, তেতিয়া মই আনন্দত সোণৰ পৰ্বতত বাস কৰি সকলো পাহৰি গৈছিলো। তাৰ পিছত ফান্দত পৰি ওলাব নোৱাৰা হ'লো। মোক যন্ত্ৰণাত ছট্‌ফটাই থকা দেখি মানুহে আনন্দহে পাইছিল।'

এনেদৰে ফ্ৰায়ে ভিক্ষু আৰু শিষ্যসকলক অতীতৰ ঘটনাবিলাকৰ কথা কৈছিল। বহুতো উপদেশ বৰ সৰল আৰু চমুকৈ দিছিল। ফ্ৰাৰ বাণী মানুহৰ কাণত সোমাই মন স্পৰ্শ কৰিছিল আৰু মন পৰিষ্কাৰ হৈ উঠিছিল। নিজৰ শিষ্যসকলক তেওঁৰ বাণীসমূহ বুজাই দিবলৈ অনুমতি দিছিল। বাৰাণসী নগৰত চৰাই অৱতাৰ হৈ থাকোতে ধৰ্ম প্ৰচাৰ কৰিছিল। তাত মানুহবোৰৰ মন পবিত্ৰ হৈ পৰিছিল।

'মই ডাঙৰ চৰাই এগৰাকীৰ গৰ্ভত স্থিত হ'লো। বহুত দিনৰ পিচতহে কণী পাৰিলে। মই বননিৰ মাজত কণী হৈ থাকি সাপ, কুম্ভীৰ আদিৰ মাজত আছিলো। কিন্তু তেওঁলোকে মোক ভক্ষণ কৰা নাছিল। এদিন এজন দুখীয়া মানুহ সেই ফালেদি অহা যোৱা কৰি কণীৰ ৰূপত মোক পালে। বগা উজ্বল পোহৰ বিলোৱা কণীটো জোনৰ দৰে দেখিবলৈ ধুনীয়া। পিচত পোৱালি হ'লো। বহুদিন পাখি পুৰাকৈ গজা নাছিল। লাহে লাহে মোৰ শৰীৰে পূৰ্ণ ৰূপ ল'লে। ডিঙি দীঘল হ'ল। সোণ গলাই বনোৱা মূৰ্ত্তিৰ দৰে শৰীৰ হৈ উঠিল। বনৰ মাজত অন্য চৰাইৰ লগত থাকি সেই হাবি ভৰি পৰি লে। সকলোৱে মোৰ ওচৰত আহি মোক তেওঁলোকৰ ৰজা পাতিলে। মই সোণৰ পাখিৰ ৰজা-চৰাই য'লৈকে যাও তালৈকে তেওঁলোক উৰি লগত যায়। জাক পাতি পিছে পিছে উৰে। মই অকলে নাখাইছিলো। সৰু ডাঙৰ সকলোকে খাদ্য ভগাই দিহে খাইছিলো। কিন্তু সকলো চৰাইৰে এনে ভাব নাছিল। কিছুমানে অপৰাধ কৰে। আনবিলাকে আহি মোক জনায়। তেতিয়া মই কওঁ, মৃত্যু অৱধাৰিত। মোৰ উপদেশ মানি চলিবা। আগলৈও মোৰ উপদেশ মনত ৰাখি চলিবা। সকলো চৰাইয়ে মোৰ নীতিৰ প্ৰশংসা কৰিছিল।'

এদিন ফ্রায়ে উবি থাকোতে হ্রদত তেওঁ সুন্দৰ প্ৰতিবিম্ব দেখি ভাবিলে, উজ্জ্বল পাখি থকা চৰাই এগৰাকী ৰাণী হিচাবে পালে ভাল হয়। গতিকে এগৰাকী চৰাই সংগী লৈছিল। চৰাই আৰু মানুহক উৰাক্ ফা অৱতাৰত বহু নীতি-শিক্ষা দিছিল। তেওঁ চৰাই অৱতাৰত জনা বুজা জ্ঞানী লোকক নীতি উপদেশ দিছিল। সোণৰ পানীৰ উৰাক্‌ফাৰ গাথাঁবোৰ শুনি সকলোৰে ভাল লাগিছিল। ধৰ্ম-নীতি মতে তেওঁ সৎ পথত চলিছিল। সকলোকে সমভাৱেৰে চাইছিল।

এনেদৰে ফ্ৰায়েতেওঁৰ উৰাক্‌ফা চৰাই অৱতাৰৰ কথা শিষ্য আৰু ভিক্ষুসকলক কৈছিল।

**প্ৰসংগ :**

১। নেমিমাং ফুৰা জাতক (তাই-আহোম পুথি নং 21) বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী।
২। উৰাক-ফা-ফ্ৰা (তাই-আহোম পুথি নং 1147) বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী।

## ষষ্ঠদশ অধ্যায়

# পৰিবৰ্ত্তন

আহোম স্বৰ্গদেউ আৰু পাত্ৰ মন্ত্ৰীসকলে হিন্দু ধৰ্ম আৰু বৈষ্ণৱ ধৰ্মৰ বিভিন্ন সংহতিত শৰণ লোৱাৰ লগে লগে আহোমৰ প্ৰকৃত বান ফি-ফুৰালুঙ ধৰ্মৰ হোতা মহন, বাইলুং আৰু দেওধাইসকল এলাগী হৈ পৰিল। নতুনকৈ হিন্দু বৈষ্ণৱ হোৱা অন্য আহোমৰ তুলনাত এওঁলোক হৈ পৰিল প্ৰায় অস্পৃশ্য। হিন্দু ধৰ্মৰ প্ৰভাৱৰ প্ৰকোপত পৰি হিন্দু পুৰোহিত আৰু অন্যান্য প্ৰভাৱশালী চক্ৰই ৰাজ অনুগ্ৰহ লভি বিয়া-বাৰু,খোৱা-লোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰাত গাহৰি, কুকুৰা, মদ আদি খোৱাত বাধা আহিল আৰু শেষত আহোমৰ খাদ্য-নীতিৰ পৰিবৰ্ত্তন আহিল। এই হিন্দু ধৰ্ম বা আৰ্য্য ধৰ্ম লোৱাৰ ফলস্বৰূপে ৰাজ অনুগ্ৰহ লভা পুৰোহিত শ্ৰেণীয়ে তাই আহোমৰ ইষ্টদেৱতা ফা-নুৰু-লেংডনক ইন্দ্ৰ দেৱতাৰ লগত একাকাৰ কৰিলে, জাচিংফা দেৱীক সৰস্বতী কৰিলে, লাংকুৰীক শিৱ বুলিলে আৰু স্বৰ্গদেউসকলৰ উৎপত্তি কাহিনী উদ্‌ভাৱনা কৰি তেওঁলোকক ইন্দ্ৰবংশী কৰি এক নতুন ব্যাখ্যা আগ বঢ়ালে। গতিকে আমি ছ্যুকাফাৰ পূৰ্বজ সকলৰ উৎপত্তিৰ নতুন ব্যাখ্যা পাওঁ আৰু এনে কাহিনীয়ে আহোম সকলক হিন্দুৰ জাত জখলাত নদীয়ালৰ ওপৰত আৰু কেওঁটৰ তলত আৰু চুতীয়া আৰু কোঁচৰ লগত একাকাৰ কৰি স্থান দিলে।

তদুপৰি শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্ত্তিত বৈষ্ণৱ ধৰ্মৰ ধাৰা চাৰিভাগত বিভক্ত হৈ ব্ৰহ্ম সংহতি, পুৰুষ সংহতি, নিকা সংহতি আৰু কালসংহতিৰ বিভিন্ন ৰূপ লৈ আহোম সমাজতো যথেষ্ট প্ৰভাৱ পেলালে। এনে বেলেগ ভাগত বিভক্ত হৈ ইঘৰত সিঘৰে খোৱা-লোৱা কৰিব নোৱাৰা হ'ল।

বিশেষকৈ যিসকল আহোম কালসংহতিৰ মায়ামৰা বৈষ্ণৱ ধৰ্মত দীক্ষিত হ'ল, তেওঁলোকে বহুতে মটক পৰিচয় দিবলৈ ধৰিলে। আনকি নিজৰ বংশ পৰিচয়ো লুকোৱাই ৰাখিলে। বিশেষকৈ মোৱামৰীয়া বিদ্ৰোহত মায়ামৰা সত্ৰত শৰণ লোৱা আহোমে বিদ্ৰোহত যোগ দি ৰাজদ্ৰোহ আৰু ভ্ৰাতৃদ্ৰোহ কৰি সমাজচ্যুত হোৱাৰ উপৰিও নিজৰ আহোম পৰিচয় ত্যাগ কৰিছিল। মায়ামৰা আহোম, আনকি সম্ভ্ৰান্ত পৰিয়ালৰ আহোমেও ধৰ্মক উচ্চ আসন প্ৰদান কৰি নিজৰ আহোম পৰিচয় গোপনে ৰাখিলে। সাঁচিপতীয়া বুৰঞ্জীত লিখা আছে 'তানুৱাৰ ভায়েকৰ সন্তান বানমুখত আছে। থানুৱাৰ কিছুয়েই নাই শুনা । তদ্‌ভ্ৰাতা ৰহন নামে খেলত আছে। তদ্‌পুত্ৰ বাহুকটা, মনচোকা, মনচোকাৰ পুত্ৰ কাণু দিহিঙীয়া ফুকন তদ্‌পুত্ৰ সোণাৰাম গোহাঞি ঘৰকে বোলে। বাহুকটাৰ পুত্ৰ ভোকোলাপুৰা গোহাঞি ঘৰকে বোলে। তদ্‌ভ্ৰাতা পৰ্বতীয়া গোহাঞি ঘৰ মায়ামৰা সত্ৰলৈ গ'ল।' এনেদৰে বৰগোহাই বংশৰ বুৰঞ্জীত লিখা আছে। তদুপৰি নাংবাঙৰ পুত্ৰ মথাদঙীয়া বৰগোহাইৰ এক বংশধৰে উত্তৰ পাৰলৈ গৈ মায়ামৰা সত্ৰৰ শিষ্য হয়। তেনেদৰে আহোমৰ পুৰোহিত শ্ৰেণীৰ খনামুখীয়া মহনৰ এটা বংশই মায়ামৰাৰ শিষ্য হৈ এতিয়া মায়ামৰীয়া আহোম আৰু মটক হৈ আছে। এনেধৰণৰ উদাহৰণ অলেখ।

তৎস্বত্বেও ইয়াৰে কিছু মটকীয়াল আহোমে নিজৰ ৰীতি-নীতি এৰা নাই। এতিয়াও মৈদাম দিয়া, বংশৰ ডাঙৰ ঠালকে ডাঙৰ বোলে, আহোমৰ সমন্ধ বাচক শব্দৰাজি ব্যৱহাৰ ইত্যাদি আহোমৰ ৰীতি-নীতি পালন কৰি আহিছে। খাদ্য নীতিও প্ৰায় একে। মদৰ বাহিৰে কেঁকোৰা, কুচিয়া, লেতা, শুকান মাছ, চুঙা মাছ আদি খোৱা চলি আছে। ইয়াৰ উপৰিও আহোমৰ কিছুসংখ্যক লোকৰ মাজত ৰাতি সেৱা প্ৰথা প্ৰচলিত হ'বলৈ ধৰিলে। ৰামদেৱ, শ্যামদেৱ, শুকদেৱ, সুনন্দ নামৰ কেইজনমান গোসাঁয়ে আহোম, চুতীয়া, মিচিং আৰু কছাৰীৰ মাজত ৰাতি সেৱা প্ৰথা প্ৰচলিত কৰে। এই গুৰুসকলে বৈষ্ণৱ ধৰ্মী গীত কিছু ৰচনা কৰি ভকতৰ মাজত প্ৰচলিত কৰি বহুত আহোমকে আকৃষ্ট কৰিবলৈ সক্ষম হয়। বিশেষকৈ উজনি অসমৰ বহু আহোমে এই পন্থা অবলম্বন কৰে। এই গুৰু সকলে মদ,

মাংস আদি ৰাতিৰ সকামত স্থান দি, ধৰ্মীয় অনুষ্ঠানত জড়িত কৰি এক ৰহস্যময় আবৰ্ত্তত ধৰ্মক সোমোৱাই দিয়ে।

এই গুৰুসকল কাল সংহতিৰ । গোপালদেৱৰ অন্যতম শিষ্য ৰমাই বা ৰামদেৱেই এই ৰাতিসেৱা প্ৰৱৰ্ত্তক গুৰু। তেওঁ চলিহা বাৰেঘৰ সত্ৰৰ প্ৰতিষ্ঠাপক সৰু কৃষ্ণদেৱৰ নাতি আৰু সুদৰ্শনদেৱৰ পুত্ৰ। ৰামদেৱ আৰু সুনন্দদেৱে ৰাতি সেৱা অনুষ্ঠানত পৰিবেশন কৰা ভক্তিমূলক গীত সমূহ ৰচনা কৰিছিল।

এই ৰাতি সেৱা পন্থী লোকসকলৰ বাবে শংকৰ তথা শিৱই হৈছে উপাস্য দেৱতা আৰু শংকৰদেৱ আৰু ভোলা শংকৰ একাকাৰ। ভকতসকলে এনে অনুষ্ঠানত গুৰু বন্দনা কৰে আৰু তেওঁলোকৰ মানত গুৰুৱেই সকলো। ৰাতি সেৱাক কেৱলি, পকা, ভিতৰ সেৱা, থেকেৰা ফুলীয়া আদি আখ্যাও দিয়া হয়। সকলো ৰীতি -নীতি, আচাৰ অনুষ্ঠান আৰু পূজা সেৱা অতি গোপন। ৰাতি সেৱা অনুষ্ঠান কোনেও নেদেখাকৈ আঁৰ বেৰ দিহে পাতে আৰু গুপ্ত কৰি ৰাখে।

ৰাতি সেৱা অনুষ্ঠানত তান্ত্ৰিক বৌদ্ধধৰ্ম আৰু তান্ত্ৰিক শৈৱ ধৰ্মৰ প্ৰতিফলন দেখা যায়। এই অনুষ্ঠানত কোনো ভেদা-ভেদ নাই, স্ত্ৰী-পুৰুষ ভেদ, জাতি বৰ্ণ নাই। ভক্তিয়েই প্ৰধান; ভক্তিৰ বাহিৰে একো নাই। মায়া (কামনা-বাসনা) অতিক্ৰমি ভকত ভকতনীয়ে সহজতে জাত-পাতৰ ভেদা-ভেদ পাৰ হৈ কেৱল মুনিহ আৰু নাৰীৰ পৰিচয়হে পায়। এই অনুষ্ঠানক 'বৰসেৱা' বুলিও কয়। বৈষ্ণৱ গীত পৰিবেশন কৰি আৰু কীৰ্ত্তন আদি ধৰ্মপুথি শুৱলা আৰু সুৰীয়াকৈ পঢ়ি এই 'বৰসেৱা' পালন কৰে। ফুলবিহাৰ, নিজ বিহাৰ,গোপী বিহাৰ আৰু নগা বিহাৰ এই কেইটা স্তৰ থাকে। সাধুজনে আৰু সাতোলাইহে পবিত্ৰ লুক-লাও (মদ) হাতত তুলি ল'ব পাৰে আৰু কেৱল গোপী বিহাৰ আৰু নগা বিহাৰৰ স্তৰৰ ভকত ভকতনীয়েহে নগা বিহাৰত অংশ গ্ৰহণ কৰিব পাৰে। মায়া-মোহ ত্যাগ কৰা ভকত ভকতনীয়েহে শেষ স্তৰ পায় আৰু শেষৰ অনুষ্ঠান (নগা বিহাৰ) ত অংশ গ্ৰহণ কৰি ভগবানৰ উপলব্ধি লভে। হিন্দুৰ দেৱ-দেৱীৰ নাম সততে ল'লেও 'সাধু' জনকহে আটাইতকৈ ওপৰত আসন দিয়ে। অদৃশ্য ঐশ্বৰিক শক্তিৰে মহীয়ান এই 'সাধু' জনক ভকত ভকতনীয়ে-

সহজে ভগৱানৰ আসন প্ৰদান কৰে।

বহুতে আহোম ধৰ্ম বৌদ্ধধৰ্ম বুলি কোৱাৰ প্ৰয়াস কৰে। ইয়াৰ প্ৰধান কাৰণ নেমিমাং ফুৰা, উৰাক ফা ফ্ৰা, আদি আহোম ভাষাত থকা জাতক কাহিনীবোৰ। প্ৰকৃততে ছ্যুকাফাৰ লগত অহা তাই মানুহখিনিয়ে ৰজাৰ ধৰ্মকে মানিছিল। ছ্যুকাফাই অনা ধৰ্ম বান-ফি ধৰ্ম আৰু এই ধৰ্মত দেৱ-দেৱীৰ সন্তুষ্টিৰ বাবে বলিবিধানৰ ব্যৱস্থা আছে। চৰাইদেউ বৰবিধি আৰু চৰাইদেউ বিধিত এই দেৱ-দেৱীৰ বাবে দিবলগীয়া বলিৰ বিস্তৃত হিচাপ আছে। তদুপৰি যুদ্ধ-বিগ্ৰহ কৰা এক ৰণুৱা জাতিয়ে শক্তি অৰ্জনৰ কাৰণে কৰা পূজাত বলি বিধান কৰেই। ইয়াত আচৰিত হ'বলগীয়া কথা নাই।

অৱশ্যে এক বলি-বিধান নথকা ফুৰালুঙ পূজা পুৰোহিত শ্ৰেণীয়ে বছেৰেকত এবাৰ আৰু ৰাজঘৰাকৈ ৫/১০ বছৰৰ মূৰে মূৰে কৰিছিল। এই ফুৰালুঙ পূজাই বৰ্তমান সাৰ্বজনীন ৰূপ ল'লেও আৰু আহোমসকলৰ কিছুমানে (পুৰোহিত শ্ৰেণীৰ বাদেও) এই ফুৰালুঙ পূজা কৰা দেখা গ'লেও এই ফুৰালুঙ পূজা আগতে সাধাৰণ আহোমে কৰাৰ নজিৰ নাই। ৰজাই কৰাৰো নজিৰ নাই।

এই ফুৰালুং পূজাবিধৰ বিশেষত্বৰ কথা আগতেই লিখা হৈছে। এই পূজাত সৰ্বশক্তিমান ঈশ্বৰ ফা-তু-চিং-ফ্ৰং-হুমক কোনো বলি বিধান নিদিয়াকৈ সম্পূৰ্ণ সাত্বিক নিয়মত মাহ-প্ৰসাদ, ফল-মূল দি পূজা কৰে। ইয়াত জ্যোতি-স্তম্ভ বনাই আদিতে জ্যোতি-ব্ৰহ্মৰূপী নিৰাকাৰ ভগৱান ফা-তু চিং-ফ্ৰং-হুমে বিশ্ব-ব্ৰহ্মাণ্ড জীৱৰ সৃষ্টি কৰাৰ স্বীকৃতি দি নাম-প্ৰসংগৰে ফুৰা-নাম গাই পূজা পালন কৰে। আগতেই কোৱা হৈছে, ছ্যুকাফাই ম্যুং মাওলুং দেশ এৰোতে সেই দেশৰ তাইসকলে মহাযানী বৌদ্ধধৰ্মৰ প্ৰভাৱত নপৰাকৈ থকা নাছিল। তদুপৰি সেই সময়ত সেই অঞ্চলত তাইসকলৰ ওপৰত কনফুচিয়াচৰ নীতি-শিক্ষা আৰু লাওৎজেৰ তাও ধৰ্মৰ প্ৰভাৱ পৰিছিল। বিশেষকৈ লাওৎজে, কনফুচিয়াচ আৰু বুদ্ধৰ বাণীয়ে তেওঁলোকৰ জীৱন ধাৰণৰ ৰীতি-নীতিৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছিল।

এইটো কথা সত্য যে বৌদ্ধ জাতক কাহিনী পুথি আহোমৰ মাজত পোৱা গ'লেও বৌদ্ধ ধৰ্মৰ প্ৰভাৱ বিশেষ নাই। কনফুচিয়াচ বা তাওধৰ্মৰ কোনো উপাদান আহোমৰ ধৰ্মত পোৱা নাযায়। তাও আৰু তাই এই দুটা অনুকুল তথা একে ধ্বনিৰ শব্দ হোৱাৰ বাবে বহুতো আহোম লিখকে তাই-আহোমৰ ধৰ্ম তাওধৰ্ম বুলি কয়। এনে ধাৰণাৰ বশৱৰ্তী হৈয়েই বহু লোকে আহোমৰ আদি ধৰ্ম তাও ধৰ্ম বুলি ভুলকৈ কৈ আছে।

বৌদ্ধধৰ্মৰ নীতি-শিক্ষা তাই বেতৰ নিৰ্দেশনাৰ লগত মিলে। গতিকে তাইসকলে বুদ্ধৰ বাণীৰ লগত তাই বেতৰ নিৰ্দেশনা একে বুলি ধৰি ফ্ৰা (ফুৰা) আৰু বুদ্ধ একে কৰাৰ প্ৰয়াসত কোনো বাধাৰ সৃষ্টি নকৰিলে। অসমৰ তাই আহোমৰ বাহিৰে বাকীবোৰ তাই প্ৰায় সকলোৱেই বৌদ্ধধৰ্ম গ্ৰহণ কৰিলে।

তাই বেতৰ নিৰ্দেশনাবোৰ এনেধৰণৰ- (১) মিছা নকওঁ, (২) অনাহুকত প্ৰাণী হত্যা নকৰো, (৩) ঠগ প্ৰৱঞ্চনা কৰি ধন সম্পতি নলওঁ, (৪) নাৰী তথা দুৰ্বলক অত্যাচাৰ নকৰো, (৫) অখাদ্য গ্ৰহণ নকৰো।

এই পাঁচটা শপত বাণী ল'লে মানৱ ধৰ্ম পালন কৰাত মানুহৰ সুবিধা হয়। পৰম সত্য স্বৰূপ ফ্ৰাৰ ওচৰত সত্যাশ্ৰয়ী ৰূপে শপত লৈ চিৰ স্বাশ্বত সত্য আৰু সুন্দৰক মনা হয় আৰু জীৱন অধিক অৰ্থবহ হৈ পৰে।

আহোমৰ কেইটামান শব্দই বৌদ্ধধৰ্মৰ লগত শব্দ-ধ্বনিৰ মিল থকাৰ কাৰণে বহুতো লোকে আহোমৰ ধৰ্মক বৌদ্ধধৰ্ম বুলি কোৱাৰ প্ৰয়াস কৰা দেখা যায়। এইকেইটা শব্দ হ'ল -

(১) ফা-ট্ৰা-আলং - যাৰ অৰ্থ বৌদ্ধধৰ্মী মানুহে সহজতে বুদ্ধ ধৰ্মৰ বোধিসত্ব বুলি ক'বলৈ বিচাৰে।

(২) চি-কি-য়া - যাৰ অৰ্থ তেওঁলোকে শাক্যমুণি বুলি ক'ব বিচাৰে।

(৩) নি-পা-ন - নিৰ্বাণ বুলি ক'ব বিচাৰে।

আহোম পণ্ডিতসকলে তলত দিয়া ধৰণেৰে অৰ্থ কৰে :

(১) **ফ্ৰা-ট্ৰা-আলং** বা ফুৰা-তাৰা-আলংৰ অৰ্থ হ'ল ফ্ৰা মানে ঈশ্বৰ ত্ৰা বা তাৰা মানে উপদেশ বা নীতি আৰু আলং মানে সৰ্বশক্তিমান।

(২) **চি-কি-য়া ৰ** অৰ্থ হ'ল চি মানে টিকি থকা, কি মানে প্ৰস্ফুটিত হোৱা বা পুনৰ সৃষ্টি হোৱা আৰু য়া বা আ হ'ল ব্যাপক মুঠতে ব্যাপকতাত তোমাৰ (ভগৱানৰ) স্থিতি।

(৩) **নি-পা-ন** অৰ্থাৎ ৰা-নি-পান হ'ল ৰ অৰ্থ অধিক, 'নি'ৰ অৰ্থ দূৰলৈ আঁতৰি যোৱা আৰু 'পান'ৰ অৰ্থ ঘূৰি অহা অৰ্থাৎ ভগৱান বিস্তাৰিত ৰূপ হ'লেও পুনৰ ঘূৰি অহা ভগৱানৰ গুণ।

আহোম পণ্ডিতে চি-কি-আ-ৰা-নি-পান - এইকেইটাৰ শব্দৰ একেলগে অৰ্থ কৰি ভগৱান ব্যাপকতাত স্থিতি আৰু প্ৰস্ফুটিত কিন্তু বিস্তাৰিত ৰূপ হ'লেও তেওঁ স্থিতিস্থাপক অৰ্থাৎ পুনৰ ঘূৰি আহে বুলি বুজায়।

তেওঁলোকে আনকি জাতক পুথি নেমিমাং ফ্ৰা পাঠো নকৰে, কেৱল ৰাখি থয়। উল্লেখনীয় যে মানমাৰৰ ম্যাজেদী' নামৰ শিলাস্তম্ভ দুটাত থকা লিপি দুখনে পালি ভাষাত লিখা 'বুদ্ধ' নামৰ সলনি বৰ্মীভাষাত 'পুৰহা' নামটো লিখা দেখা যায়। এই শিলালিপি চাৰিটা ভাষাত লিপিবদ্ধ - বৰ্মী, প্যু, পালী আৰু মন। এই শিলালিপি দ্বাদশ শতিকাৰ পাগান সাম্ৰাজ্যৰ বৰ্মী ৰজা ক্যানজিথাৰ ৰাজত্বকালত লিপিবদ্ধ ইয়াৰ মন লিপিৰ লগত ছ্যাকাফাই অনা আহোম লিপিৰ মিল আছে।

এই 'পুৰহা' শব্দটোৱে 'বুদ্ধ' বুজাইছে আৰু বৰ্মী ভাষাৰ বানান হ'ল 'ভুৰা' কিন্তু উচ্চাৰণ কৰা হয় 'ফায়া' বা ফ্ৰা। বৰ্মী ভাষাত 'ফায়া' বা 'ফ্ৰা' শব্দৰ উৎপত্তি সংস্কৃত পালি শব্দ 'বৰ'ৰ পৰা হৈছে বুলি কয়। মোনৰ ভাষাৰ প্ৰাচীন কিমানকা শিলালিপিত 'ব্ৰা ঈশ্বৰ' শব্দই সংস্কৃত পালি শব্দ 'বৰ'ৰ পৰা 'ব্ৰা' বা 'ফ্ৰা' শব্দ উদ্ভৱ বুলি ধাৰণা কৰা হৈছে।

আগতেই উল্লেখ কৰা হৈছে, তাইসকলৰ 'ফ্ৰা' বা 'ফুৰা' শব্দটোৱে বুদ্ধক বুজাবলৈ ধৰে যেতিয়াৰ পৰা মহাযানী বৌদ্ধধৰ্ম তাই অধ্যুষিত চীন আৰু ব্ৰহ্মদেশত জনপ্ৰিয় হৈ পৰে। দ্বাদশ শতিকাত মহাযানী বৌদ্ধধৰ্মই তাইসকলৰ ওপৰত প্ৰভাৱ পেলায়। বৌদ্ধ ধৰ্মৰ প্ৰচাৰকসকলে তাইসকলৰ 'ফ্ৰা' বা 'ফুৰা' বা ফা-তু-চিং-ফ্ৰং-হুম বুলি প্ৰচাৰ কৰাত অতি সহজে 'ঈশ্বৰ' বা ফ্ৰাই বুদ্ধক

বুজাবলৈ ধৰে। গতিকে বৌদ্ধধৰ্ম প্ৰচাৰত সুবিধা হ'ল। আহোমসকল ম্যুং মাওলুঙৰ পৰা আহোতে মহাযানী বৌদ্ধধৰ্মৰ প্ৰভাৱ পৰাৰ বাবেই নেমিমাং ফুৰা, উৰাক্ ফা ফ্ৰা' আদি জাতক পুথি ধৰ্ম-পুথি হিচাপে আনিলে। কিন্তু সৰ্বশক্তিমান ঈশ্বৰ 'ফ্ৰা' বা ফুৰা-তাৰা-আলঙৰ পূজা বলি-বিধানেৰে নকৰাতে বৌদ্ধধৰ্মৰ প্ৰভাৱ সীমিত হৈ থাকিল। পিছত ফুৰা-তাৰা-আলঙৰ 'তাৰাদেৱী'ৰ কল্পনা একেবাৰে পিচৰ। তাৰা দেৱীৰ পূজা-অৰ্চ্চনাৰ নজিৰ নাই। আগতে ফুৰা-তাৰা-আলঙৰ অৰ্থ সৰ্বশক্তিমান ঈশ্বৰ বুলিহে কৰা হৈছে। মহাযানী বৌদ্ধধৰ্মৰ প্ৰভাৱ পৰিছে আহোমৰ মৰল প্ৰস্তুতিত আৰু চক্লং বিবাহ পদ্ধতিত। ফুৰালুঙ পূজাত মৰল প্ৰস্তুত কৰা আৰু বলি বিধান নিদিয়া উল্লেখযোগ্য। এই মণ্ডলখন মহাযানী বৌদ্ধধৰ্মৰ প্ৰভাৱত সৃষ্ট। গতিকে মহাযানী বৌদ্ধধৰ্মৰ প্ৰভাৱ এনেদৰে পৰিলেও আহোম ধৰ্ম বৌদ্ধধৰ্ম নহয়।

আহোমসকলৰ মূল ধৰ্ম হৈছে বান-ফি। এই ধৰ্মত লেংডনকে মুখ্য কৰি বিভিন্ন দেৱ-দেৱীক পূজা কৰা হয়। বিভিন্ন তাই-পণ্ডিত ও পুৰোহিত শ্ৰেণীয়ে এই কথা স্পষ্ট কৰি দিছে যে তেওঁলোকে লেংডন, খাওখাম, আই-লেনডিন, জাছিংফা, জান্ ছাই হুম, চিত্ লাম্ চাম, মুংকুম্ তাই কুম্, লাংকুৰি - এই অষ্টদেৱতাক নিজৰ ইষ্টদেৱতা বুলি গণ্য কৰে আৰু লেংডনক ফুৰা-তাৰা-আলঙ অৰ্থাৎ পৰমেশ্বৰৰ ফা-তু-চিং-ফ্ৰং-হুম বা ফুৰাৰ প্ৰতিনিধি আৰু তেওঁলোকৰ মূল দেৱতা বুলি গণ্য কৰে।

ফুৰালুং পদ্ধতিৰে কৰা পূজাৰ বিষয়ে ক'ব পাৰি যে ই আহোমৰ নীতি-শাস্ত্ৰ খেক্ লাই বেতৰ পৰম সত্য যে কাকো অহিংসা নকৰিবা বা জীৱ-হত্যা নকৰিবা - এই নীতি মানি চলি এই ফুৰালুং পদ্ধতিত পৰমেশ্বৰ নিৰাকাৰ ঈশ্বৰৰ নামত বলি-বিধানৰ ব্যৱস্থা নাই। কিন্তু আহোমৰ ধৰ্মীয় জীৱনৰ পদে পদে পালন কৰা বান্-ফি পদ্ধতিত বলি-বিধান অপৰিহাৰ্য্য আৰু পূৰ্বৰে পৰা ই চলি আহিছে। জ্ঞানী আহোম পণ্ডিত-পুৰোহিত সকলে আহোমৰ ফুৰালুং পদ্ধতি বৌদ্ধ-ধৰ্মৰ পদ্ধতি বুলি মানি নলয় আৰু কয় যে বৌদ্ধ ধৰ্মী তাই জনগোষ্ঠীৰ লগত চিনা-পৰিচয় হোৱাৰ পৰাহে আহোমৰ মূল মন্ত্ৰ 'চাও নু ৰু চাও কাও ঐ' এই মূল কথা ফাঁকিৰ তাৎপৰ্য্য অৱহেলা কৰিছে। আহোমৰ ধৰ্মৰ

সকলো দেৱ-দেৱী আৰু নেদেখা ফুৰাজন আকাশৰ স্বৰ্গত থাকে আৰু গতিকে 'চাও-নু-ৰু-চাও-কাও ঐ' বুলি ওপৰত থকা ফুৰা ও দেৱ-দেৱতালৈ কপালত হাত লগাই কৰযোৰে মূৰৰ ওপৰৰ ফাললৈ সেৱা জনোৱা হয়। ই এক তাৎপৰ্য্যপূৰ্ণ দিশ। তদুপৰি অসমৰ অন্য তাই-গোষ্ঠীয় লোকে 'ফুৰা-তাৰা আলং'ক বুদ্ধ, ধৰ্ম আৰু বোধসত্ব বুলি ক'বলৈ প্ৰয়াস কৰিছে আৰু অন্যান্য তাই গোষ্ঠীৰ বিদেশৰ লোকেও আহোমৰ ফুৰা তাৰা আলং এই তিনিটা শব্দই বুদ্ধ-ধৰ্ম বোধসত্বকে বুজাইছে বুলি ক'বলৈ বিচাৰিছে। 'চিকিয়া ৰা নি পান বয় মৌ চাও কাও ঐ' অৰ্থ এই সকল লোকে 'চিকিয়া' শব্দৰ অৰ্থ শাক্য আৰু নিৰ্বাণ বুলি ক'ব বিচাৰে। প্ৰকৃততে এই কথা নহয়। এই কেইটা শব্দৰ অৰ্থ সুকীয়া।

এটা কথা সত্য যে তাইসকল চীন আৰু ব্ৰহ্মদেশত বাস কৰাৰ ইতিহাসত তেওঁলোকৰ আদি ধৰ্ম প্ৰাকৃতিক শক্তিৰ লগত জড়িত দেৱ-দেৱী উপাসনা প্ৰধান আছিল আৰু সেই ধৰ্মত তাওবাদ আৰু কনফুচিয়াচৰ নীতিয়ে কিছু প্ৰভাৱ পেলাইছিল। পিচত প্ৰথম শতিকাৰ আৰম্ভণিৰে পৰা প্ৰথমতে মহাযানী বৌদ্ধধৰ্ম আৰু পিচত হীনযানী বৌদ্ধধৰ্মৰ প্ৰভাৱ পৰিছিল। তাই-আহোমৰ বান-ফি ধৰ্ম সেইযুগত মুংমাওলুঙৰ ৰজা-প্ৰজা সকলো তাই লোকৰে প্ৰধান ধৰ্ম আছিল। এই বান্-ফি ধৰ্মৰ মূল ভেটি হৈছে শক্তি-উপাসনা আৰু এই বান-ফি ধৰ্মই সমগ্ৰ তাই অধ্যুষিত অঞ্চলত প্ৰচলিত আছিল। এই ধৰ্মকে চাও লুং ছ্যুকাফা আৰু তেওঁৰ অনুগামীসকলে অসমলৈ তেৰ শতিকাৰ আৰম্ভণিতে লৈ আহিছিল আৰু এতিয়াও তাই-আহোমসকলে এৰি দিয়া নাই। লগতে ফুৰা-তাৰা-আলং বা ফুৰালুং পদ্ধতিও তেতিয়াৰ সেই অঞ্চলৰ তাইৰ ধৰ্ম আছিল কিন্তু এই ধৰ্মৰ মূল ভেটি অহিংসা হোৱাৰ বাবে ই কেৱল পুৰোহিত শ্ৰেণীৰ মাজত আবদ্ধ আছিল। শক্তিশালী তাইসকলে সেই সময়ত শক্তি-উপাসনাৰ ওপৰত আধাৰিত বান্-ফি ধৰ্মক অধিক গুৰুত্ব দিছিল আৰু সেই বাবে অহিংস নীতিৰে সমাহিত ফুৰালুং ধৰ্ম প্ৰজাৰ মাজত আৰু আগ্ৰাসী তাইসকলৰ মাজত জনপ্ৰিয় নাছিল। সেয়েহে ফুৰালুং পূজা চাও লুং ছ্যু-কা-ফাই বা অন্যান্য আহোম স্বৰ্গদেউয়ে উদ্‌যাপন কৰাৰ নজিৰ বুৰঞ্জীত পাবলৈ টান। এই বান-ফি

ধৰ্মৰ অষ্ট দেৱতাৰ উপৰিও মৃত-দেৱতা অৰ্থাৎ উপৰিপুৰুষৰ পূজা তাইসকলে কৰিছিল আৰু ঘৰতো ডাম-পূজা পাতিছিল। **এই অষ্ট-দেৱতা আৰু ডাম-ফি (মৃতক-দেৱতা) সকলেই সেই সময়ৰ তাইসকলৰ ইষ্ট দেৱতা আছিল আৰু লেংডন সেই দেৱতাসকলৰ মাজত শ্ৰেষ্ঠ আছিল।** কিন্তু নিৰাকাৰ ঈশ্বৰৰ ধাৰণা তাইসকলৰ মাজত আছিল আৰু ফা-টু-ছিং-ফ্ৰম্ হুম বা ফুৰাক বুদ্ধ বুলি মনাব পাৰিলে তেওঁলোকৰ ধৰ্ম প্ৰচাৰত প্ৰতিবন্ধকতা আঁতৰিব। গতিকে ফুৰায়েই বুদ্ধ, বুদ্ধয়েই ফুৰা এই কথা প্ৰচাৰ কৰি সহজতে তাইলোকসকলক আকৰ্ষণ কৰিব পাৰিলে আৰু ফুৰা-তাৰা-আলঙক প্ৰথমে বুদ্ধ-ধৰ্ম-সংঘ পিচত বুদ্ধ-ধৰ্ম-বোধিসত্বা বুলি সহজতে একাকাৰ কৰি পেলাই কিছুসংখ্যক বানফি ধৰ্মৰ লোকক প্ৰথমে মহাযানী পিচত হীনযানী ধৰ্মলৈ ধৰ্মান্তৰ কৰিবলৈ ধৰিলে। কিন্তু মাওলুং, মুংমিট, ম্যুংকং আদি শক্তিশালী তাই দেশবোৰত ছ্যুকাফাই দেশ এৰি অসমলৈ অহাৰ সময়লৈকে এই ধৰ্মৰ প্ৰভাৱ বিশেষ পৰিলক্ষিত হোৱা দেখা নাযায়; বিশেষকৈ শাসক গোষ্ঠী এই ধৰ্মৰ প্ৰভাৱত পৰাৰ নজিৰ নাই। শেষত তেৰ শতিকাৰ শেষ ভাগত এই অঞ্চলবোৰত বৌদ্ধ ধৰ্মই চানি ধৰিলে। ১৩২১ খৃষ্টাব্দত থাইলেণ্ডৰ সৃষ্টি হয়। কালক্ৰমত সমগ্ৰ থাইলেণ্ড আৰু তাই অধ্যুষিত অঞ্চল বৌদ্ধধৰ্মৰ কবলত পৰে। ছ্যুকাফা আৰু তেওঁৰ অনুগামীসকলে বৌদ্ধধৰ্মত আকৃষ্ট নাছিল আৰু কোনো প্ৰভাৱ দেখা পোৱা নেযায়। ছ্যুকাফাই দেশ এৰি অহাৰ সময়ত বৌদ্ধ জাতকসমূহে সাধু কথাৰ ৰূপ লৈ শিক্ষিত তাইসকল বিশেষকৈ পুৰোহিত শ্ৰেণীৰ লোকৰ মাজত জনপ্ৰিয় হৈছিল। পিচত অসমলৈ স্বৰ্গদেউসকলৰ ৰাজত্বকালত বিশেষকৈ আহোম স্বৰ্গদেউ যি কেইজন নৰা-দেশৰ ৰজাৰ ছোৱালী বিয়া কৰিছিল, কইনাৰ লগত নতুন নতুন তাই-পুৰোহিত লগত আহে। তদুপৰি আহোম ৰাজত্বত বৰ-নৰা আৰু সৰু-নৰা দেশৰ সতে মানুহৰ আদান-প্ৰদান চলি আছিল আৰু সেই প্ৰক্ৰিয়াতে পুৰোহিত শ্ৰেণীৰ লোকো আহিছিল। উল্লেখনীয় যে গৌৰীনাথ সিংহৰ ৰাজত্বৰ সময়ত কেইবাজনো আহোম পুৰোহিত সৰু-নৰা দেশলৈ গৈ সেই সময়ৰ তাই ৰজা

সকলৰ বংশাৱলী আৰু ছুকাফা স্বৰ্গদেউৰ বংশাৱলী সংগ্ৰহ কৰি আনিছিল।

গতিকে তাই পুৰোহিতৰ এনে আগমন আহোমৰ মাজত পুৰোহিত শ্ৰেণীৰ লোকৰ আগমন ঘটে আৰু তেওঁলোকে আহোমৰ হৈ জাতক-আদি বৌদ্ধধৰ্মী পুথিবোৰ আহোম ভাষাত লিপিবদ্ধ কৰে। উৰাক্-ফা-ফ্ৰা, আদি জাতক পুথি এই পিচৰ পুৰোহিতসকলৰ প্ৰচেষ্টাত আৰু প্ৰতিষ্ঠিত পুৰোহিত সকলৰ আগ্ৰহত ৰচিত হৈছিল। কিন্তু ফুৰালুং পূজাত 'পাক পেঁঞ্ৰ কা কা' ধৰ্মশাস্ত্ৰ খনিহে পাঠ কৰে; নেমি-ফুৰা পুথিখন ৰখাহে হয়, পাঠ নকৰে। আহোম পুৰোহিত সকলে জাতক পুথিবোৰক প্ৰাধান্য নিদিয়ে। কিন্তু খেক্ লাই বেতৰ ধৰ্মনীতিৰ কথাখিনি বৌদ্ধ আৰু তাও ধৰ্মৰ লগত মিলে বাবে বহুতে মিছাতে আহোম ধৰ্মক বৌদ্ধ ধৰ্ম বুলি অভিহিত কৰি এক আতঙ্কলীয়া পৰিবেশ সৃষ্টি কৰাৰ প্ৰয়াস কৰিছে।

এই কথা স্পষ্ট কৰি দিয়া ভাল হ'ল যে নেমিমাং ফুৰা, উৰাক্ ফা ফ্ৰা আদি জাতক পুথিবোৰ (পূৰ্বৰ এক অধ্যায়ত এই জাতক কাহিনী সংযোজন কৰা হৈছে) ফুৰালুং পুথিৰ লগত একে নহয়। পাটসাঁকো অঞ্চলত পোৱা ফুৰালুং পুথিৰ বিষয়বস্তু হৈছে পৰমসত্তা ফাতু-ছিং-ফ্ৰং-ভম বা ফুৰাই কেনেকৈ দেব-দেবী, মানুহ জীৱ-জন্তু আদি সৃষ্টি কৰিলে আৰু কেনেকৈ মুংফী ৰাজ্যত পুকফী নামৰ এজন দেৱতা আবিৰ্ভাৱ হৈ নিজকে শাসকৰূপে চিনাকি নি শাসন কৰোতে ব্যভিচাৰ সৃষ্টি হ'ল আৰু কেনেকৈ ফুৰাৰ প্ৰভাৱত ৰজাই ফুৰা নীতি গ্ৰহণ কৰিলে। মৃত্যুৰ পিছত ডাম-ফী হোৱা আৰু দেৱৰাজ্যলৈ মানুহ গুচি যোৱা আৰু দেৱতাৰ কোনো আকাৰ নকৰাৰ কথা এই ফুৰা পুথিত পোৱা যায়। দয় ফুৰা পুথিখন দয় ফুৰা পৰমসত্তাই কেনেকৈ পৃথিৱী সৃষ্টি কৰিলে আৰু দেৱৰাজ্যৰ ৰজাসকলে ফুৰা নীতি অৰ্থাৎ সকলোকে সমিলমিলৰে থকাৰ নীতি গ্ৰহণ কৰিলে। পিছত দয় ফুৰাই নিজৰ নীতি সলনি কৰি নাংছিছাওও বা বৰছেমান নাম লৈ হাবিৰ মাজত থাকি কলিমতী গোসানীৰ নাম লৈ পূজা লোৱাৰ কথা উল্লেখ আছে। ৰজাসকলে বৰছেমান আৰু লাংকুৰী আৰু নাংছিছাউক পূজিবলৈ ধৰিলে আৰু আই ম্লাং (কেঁচাইখাতী) হিচাপে পূজা দিয়াত সকলোফালে মংগলময় হয়। এনেদৰে দয় ফুৰাই গোসানী ৰূপ লৈ

মানৱ সমাজত বিৰাজ কৰিবলৈ ধৰিলে।

বিজ্ঞ পুৰোহিতসকলে ফুৰালুং পুথি চেংকালুক মচাইৰ পুতেক টেংৰাই মচায়ে ৰচনা কৰা বুলি কয়। গতিকে এইখিনি পুথি অসমলৈ অহাৰ পিচতহে ৰচনা কৰে।

ফুৰালুং পুথিসমূহৰ প্ৰধান বক্তব্য হৈছে অহিংসাই পৰম ধৰ্ম। গতিকে ফুৰালুং পূজাত বলিবিধানৰ ব্যৱস্থা নাথাকে।

হিন্দু ধৰ্ম তথা বৈষ্ণৱ ধৰ্ম ল'লেও আহোমসকলে নিজৰ খাদ্যনীতি পৰিৱৰ্তন কৰা নাই। ব্ৰাহ্মণ-গোসাঁইসকলে তেওঁলোকক তৎসত্বেও দীক্ষা দিয়া আৰু সত্ৰাধিকাৰসকলে শৰণ দিয়া দেখা যায়। তাই-আহোমসকলৰ খাদ্যৰ ভিতৰত গাহৰি-কুকুৰাৰ মাংস, গাহৰি-কুকুৰাৰ লালন-পালন, মুগা-লেতা, শুকান মাছ, শুকতি, আমৰলি, চাকত থকা কোদো, বৰল, বৰভেকোলা, কুকুৰ, কলাবড়ি, লিংকৰি, কুচিয়া আদি ভক্ষণ কৰে, যি খাদ্য হয়তো অন্যান্য হিন্দুলোক তথা বৈষ্ণৱ লোকে ভক্ষণ নকৰে। তদুপৰি নাম-লাও তথা মদ আদি ঘৰতে প্ৰস্তুত কৰি খায়। তৎসত্বেও হিন্দু ধৰ্মৰ হোতা তথা প্ৰচাৰকসকলে হিন্দুধৰ্ম তথা বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ খাতিৰতে এই ক্ষেত্ৰত নিষেধাজ্ঞা প্ৰয়োগ কৰিব নোৱাৰিলে। ৰাতিখোৱা আহোমৰ নৈশ সকামত মদ আৰু গাহৰি-কুকুৰাৰ মাংস পবিত্ৰ বুলি গণ্য কৰি ঈশ্বৰ সেৱাত লগোৱা দেখা যায়।

এতিয়াৰ আহোমে হিন্দু তথা বৈষ্ণৱ ধৰ্ম মানে, তথাপিও আদি বানফি ধৰ্মত বিশ্বাস কৰে। লাহে লাহে বানফি ধৰ্মত বিশ্বাস কৰি পুনৰ আদি আহোম ধৰ্মমতে চলিবলৈ লোৱা আহোম পৰিয়ালৰ সংখ্যা কম নহয়। বৈষ্ণৱ বা হিন্দু হৈয়ো আদি ধৰ্মৰ মেডাম-মে-ফি, চক্‌লং, খাওখাম আদি পূজা কৰে। তদুপৰি পুৰোহিত বংশৰ নহৈও আজিকালি বহুতো আহোমে আহোমৰ পূজাত পুৰোহিতৰ কাম কৰা দেখা যায়। দেওধাই, মহন আৰু বাইলুঙে অৱশ্যে আদি ধৰ্মৰ নিয়ম-নীতিবোৰ কেনেদৰে পালন কৰিব লাগে সেইক্ষেত্ৰত পথ-প্ৰদৰ্শকৰ ভূমিকা পালন কৰি আহিছে। মহন-দেওধাই-বাইলুঙ সন্মিলনে এই ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰি আহিছে।

জন্ম-মৃত্যু-বিবাহৰ লগত জড়িত সংস্কাৰসমূহ সকলো আহোমে পালন

কৰা দেখা যায়; এই সংস্কাৰসমূহত কিছুমান পৰিৱৰ্তন ঘটাতো স্বাভাৱিক। জন্ম-সংস্কাৰৰ ক্ষেত্ৰত এইটো কথা লক্ষণীয় যে সকলো আহোমেই বিশ্বাস কৰে যে অন্তঃসত্বা মহিলাই বহুতো নিষেধাজ্ঞাৰ সন্মুখীন হ'ব লগাত পৰে। সন্তান ধাৰণ কৰাটো যেনেদৰে অতি আনন্দৰ কথা, পৰিয়ালে তেনেদৰে অন্তঃসত্বা মহিলাক ৰক্ষণা-বেক্ষণ দিয়াটো কৰ্তব্য বুলি ভাবে।

পাক ঘৰলৈ যাব নিদিয়া, ভঁৰাল চুব নোৱাৰা, পূজাঘৰ তথা দেওশাল বা নামঘৰলৈ যাব নিদিয়া, ভাওৰ (বয়োজ্যেষ্ঠ) মানুহক খোৱা-বস্তু দিব নোৱাৰা আদি নিষেধ বহুতো আছে। প্ৰসৱৰ এমাহৰ পিচলৈকে এই নিষেধাজ্ঞা থাকে। পঞ্চামৃত খুওৱা, গিৰিয়েকৰ ঘৰতহে (মাকৰ ঘৰত নহয়) সন্তান জন্ম দিয়া ভাল, শিল (বিশেষকৈ বজ্ৰপাত পৰা শিল) এটুকুৰা খোৱা-পানীৰ কলহত থৈ সেই পানী খুৱালে গৰ্ভৱতী তিৰোতাই সহজতে সন্তান জন্ম দিয়ে বুলি বিশ্বাস, সন্তান জন্মৰ পিচত মাটিত খেৰেৰে বিচনা পাৰি শোৱা, বাহৰ চেঁচেৰে নাড়ী কটা, গৰ্ভজাত সন্তান আৰু মাতৃৰ কাষত জুই পুৱাবলৈ জুই জ্বলাই ৰখা, মাকৰ ফালৰ পৰা প্ৰসূতিক জাল খুওৱা, সন্তান বাহিৰলৈ মাকে উলিওৱা আদি নিয়মবোৰ সকলো আহোম পৰিয়ালে মানে। আদি আহোম ধৰ্ম মনা পৰিয়ালে আহোম-তাই ভাষাৰ মন্ত্ৰবোৰ গায়। শুদ্ধি পতা, নাম দিয়া আদি নিয়মবোৰে সকলো পৰিয়ালত একে; কেৱল আদি আহোম ধৰ্মৰ পৰিয়ালে এই ক্ষেত্ৰত পুৰোহিত মাতে।

বিবাহৰ ক্ষেত্ৰত আহোম পৰিয়ালে চকলং পদ্ধতিৰে বিবাহ সম্পন্ন কৰে। কেতিয়াবা চুৰকৈ পলুৱাই নি বিয়া কৰে। কিন্তু তামোল পাণৰ ব্যৱহাৰ বিয়াৰ এক নিয়ম। জোৰোণ অন্যান্য অসমীয়া লোকৰ সৈতে একে। জোৰোণত কন্যাৰ মাকলৈ যি সাজ-পোচাক দিয়ে সেইয়া কন্যা-মূল্য বুলি অভিহিত কৰিব পাৰি। চকলং কৰিলে আদি আহোম ধৰ্মৰ দেৱ-দেৱীক পূজা বা অৰ্চনা কৰিবই লাগিব।

মৈদাম দিয়া স্থানৰ অভাৱ অনুভৱ কৰিলেও তাই-আহোম পৰিয়ালে পৰাপক্ষত মৈদাম দিয়ে। শটো ধোওৱা সকলো আহোমে কৰে। কণী ভাঙি কপালত বৈ যাবলৈ দিয়া মৈদাম দিলেহে কৰে। নতুনকৈ গাত কাপোৰ-কানি

পিন্ধোৱা সকলো আহোম পৰিয়ালে কৰে। স্থানৰ অভাৱত মৈদাম নিদি শ পুৰি পেলালেও বাকী নিয়ম-নীতি মানে।

স্বৰ্গদেউ ছুাকাফাৰ দিনৰ পৰা প্ৰমত্ত সিংহ স্বৰ্গদেউৰ দিনলৈকে মৈদাম প্ৰথাই চলিছিল। ৰাজেশ্বৰ সিংহ স্বৰ্গদেউ স্বৰ্গী হোৱাত তেওঁৰ শ দাহ কৰি তেওঁৰ অস্থি-ছাই লৈহে মৈদাম দিয়া হৈছিল। এইদৰে মৈদাম দিয়াত তেওঁৰ ভায়েক লক্ষ্মী সিংহ স্বৰ্গদেৱৰ দিনত দেশত নানাধৰণৰ বিপদে আগুৰি ধৰাত স্বৰ্গদেৱে দেওধাই পণ্ডিতসকলক মাতি আলোচনা কৰিলে। পিচত দেওধাই পণ্ডিত সকলৰ পৰামৰ্শ অনুসৰি ৰাজেশ্বৰ সিংহৰ মৈদাম পুনৰ আহোম প্ৰথাৰে দিয়ালে। বুৰঞ্জীত ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ ওচৰা-ওচৰিকৈ দুটা মৈদামৰ কথা উল্লেখ আছে। ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱে শ-দাহ কৰিবলৈ আদেশ দিছিল।

দেওধাই, মহন, বাইলুং ফৈদৰ লোকসকলে সকলোৱে ৰিকখ্বন পালন কৰা দেখা যায়। আহোম ৰাজত্বৰ সমাপ্তি ঘটাত ৰিক্খ্বন-মুংখন অৰ্থাৎ দেশৰ আয়ুস তোলা অনুষ্ঠান স্বাভাৱিকতে পতা নহয়। কিন্তু আহোমৰ পুৰোহিত শ্ৰেণীয়ে অতি শ্ৰদ্ধাৰে ৰিকখ্বন পূজা পাতে। আনকি প্ৰথম অৱস্থাত গোসাঁইৰ শৰণ লৈও তেওঁলোকে ৰিক্খ্বন পূজা বাদ দিয়া নাছিল। অন্যান্য আহোম পৰিয়ালে কিন্তু চক্লং পদ্ধতিৰে বিয়া পাতিলে ৰিক্খ্বন পাতে। আনকি বৈষ্ণৱ ধৰ্মত দীক্ষিত আহোম পৰিয়ালেও চক্লং পাতে আৰু চক্লং পাতিলে ৰিক্খ্বন পতাটো বাধ্যতামূলক হয়।

অন্যান্য কাৰণতো আহোমৰ পৰিয়ালত হিন্দু ধৰ্ম বা বৈষ্ণৱ ধৰ্মত দীক্ষা ল'লেও সাধাৰণভাৱে ৰিক্খ্বন পতা দেখা যায়। কোনোবা যদি পানীত ডুবে আৰু ভয় খায়, কাৰোবাৰ যদি বহুদিন বেমাৰত ভুগি বিচনাতে থাকে তেতিয়া বৃদ্ধা মহিলাসকলে দল বান্ধি গৈ নদীৰ পৰা পানী তুলি প্ৰথমতে খাওখাম দেৱতাক পূজা কৰি আৰু নাম গাই বেমাৰীৰ ঘৰলৈ আহি বেমাৰীজনক ভালদৰে মুকলিত আনুষ্ঠানিকভাৱে গা ধুৱায় আৰু আয়ুস তোলে। দলবদ্ধভাৱে বেমাৰীক গা-ধুৱাই সোনকালে ভাল হ'বলৈ আশীৰ্বাদ দিলে স্বাভাৱিকতে বেমাৰীয়ে মানসিক শক্তি পায় আৰু লাহে লাহে সুস্থ হয়। ওচৰত মহন, দেওধাই বা বাইলুঙ পুৰোহিত থাকিলে পুৰোহিতো জাকৈ এখন লৈ নদীলৈ

যায় আৰু জাকৈৰ চাবত যি মাছ-পুঠি, কেঁকোৰা আদি উঠে সেয়া ৰান্ধি বেমাৰীক খুৱায়।

পুৰোহিত শ্ৰেণীৰ পৰিয়াল বা গাঁৱত লখিমী উৎসৱ পতা হয় কিন্তু অন্যান্য আহোম গাঁৱত অলপকৈ লখিমী উৎসৱ পতা দেখা যায়। পুৰোহিত নলগাকৈ পতা লখিমী উৎসৱত গাঁওবাসীয়ে দলবদ্ধভাৱে পানী থকা বিল, নৈ বা নদীলৈ মহিলাসকলে লখিমীৰ নাম গাই যায় আৰু এখন জাকৈ মাৰি মহিলা এগৰাকীয়ে পানী তোলে। ইয়াকে লখিমী তোলা বুলি কয়। জাকৈত উঠা মাছ-পুঠি বা যিকোনো বস্তু ঘৰলৈ লৈ গৈ ভঁৰালত লখিমীৰূপে ৰখা হয়। ইয়ো লখিমী সবাহৰ অন্য ৰূপ বুলি ধৰিব পাৰি।

এতিয়া আহোমসকলে বুজি উঠিছে, কেনেদৰে তেওঁলোকৰ ভাষা-কৃষ্টি আদি হিন্দু ধৰ্মৰ প্ৰভাৱত হেৰাই যাবলৈ ধৰিছে। যি মহন-দেওধাই-বাইলুঙ সকলক এটা সময়ত হিন্দুধৰ্মৰ প্ৰভাৱত আহোমৰ সাত ঘৰৰ পৰা আঁতৰাই পঠিয়াইছিল, সেই আহোমৰ পুৰোহিত শ্ৰেণীক আজিকালি আহোমে পুনৰ আঁকোৱালি ল'ব ধৰিছে। এতিয়াও মহন দেওধাই বাইলুঙ গাঁৱত নামঘৰ আছে। মাজে মাজে কৰ তুলিবলৈ গোসাঁই বা ভকত সত্ৰৰ পৰা আহে। কিন্তু সেই নামঘৰত আজি নাম-কীৰ্ত্তন নহয়। এতিয়াৰ মহন-দেওধাই-বাইলুঙে বৈষ্ণৱ ধৰ্মত শৰণ নলয়। আনহাতে তেওঁলোকে নিজৰ আদি ধৰ্ম মতে চলিছে। অন্যান্য আহোমসকল হিন্দু ধৰ্মী হৈছে; বিশেষকৈ আউনীআটি সত্ৰৰ সেৱক অলেখ। কিন্তু তেওঁলোক বৈষ্ণৱ হৈয়ো আহোমৰ আদি দেৱ-দেৱীক মে-ডাম-মে-ফি পাতি পূজা কৰিছে। আহোমৰ পুৰণি নিয়মত চলা আহোমৰ সংখ্যা লাহে লাহে বৃদ্ধি পাইছে। কিন্তু কিছুমানে বৌদ্ধধৰ্মী হৈ ফুৰালুংপন্থী হৈছে যদিও আদি-ধৰ্মৰ দেৱ-দেৱীৰ পূজাত অংশ গ্ৰহণ কৰিছে। ফুৰালুং পূজাত বলি-বিধানৰ কোনো স্থান নাই। গতিকে কিছুসংখ্যক আহোমে ইয়াকেই বৌদ্ধধৰ্ম বুলি কোৱাৰ প্ৰয়াস কৰিছে।

সি যি কি নহওঁক, লাহে লাহে মানুহৰ মন পুৰণি আহোম ধৰ্ম-বানফি-ফুৰালুঙৰ প্ৰতি আকৃষ্ট হৈছে। গতিকে এক পুনৰুত্থান ঘটি আহোমে খাওখাম পূজা, লেংডনৰ পূজা আদি কৰা দেখা যায়। ইফালে হিন্দুধৰ্মৰ বৈষ্ণৱ মাৰ্গৰ

ৰাতি-খোৱাৰ প্ৰভাৱো আছে। খোৱা-বোৱাত অৱশ্যে তাই-আহোমে আগৰ নিয়মকে ৰাখিছে। ঠাইৰ অভাৱত মৈদাম দিয়া পন্থা নাইকিয়া হোৱাৰ পথত। কিন্তু এই পুনৰুত্থানৰ ঢৌ আজি তীব্ৰভাৱে বলাৰ কাৰণে পুনৰ মৈদাম-পন্থা আঁকোৱালি লৈছে। বিবাহৰ ক্ষেত্ৰত অৱশ্যে চক্‌লং বিধি মানি চলিছে। এই ক্ষেত্ৰত আহোমৰ আদি ধৰ্মৰ দেৱ-দেৱীৰ নাম চক্‌লং বিধি অনুসৰি লোৱা হৈছে। আহোমৰ ৰিক্‌খ্বন পদ্ধতি চকলং বিবাহৰ ক্ষেত্ৰতহে প্ৰযোজ্য হোৱা দেখা যায়। সি যি কি নহওঁক, ৰিক্‌খ্বন্ বা আয়ু-তোলা অনুষ্ঠানক চক্‌লং বিবাহে সঞ্জীৱিত কৰি ৰাখিছে।



কাঠি বানচেং পুথি চাইছে

# পৰিশিষ্ট ‘১’

## চাও লুং ছ্যুকাফাৰ বংশলতা

*খুনলুং (মুংখু-মুংজাওৰ ৰজা)*

আই খুন্‌লুং (মুকঙৰ ৰজা) | খুনফা (মুংটেওৰ ৰজা) | খুনঙু (লামুং টাইৰ ৰজা) | খুনখকফা (ডুন্‌লুংৰ ৰজা) | খুনলা (মুংকুলাৰ ৰজা) | খুনটা (আভাৰ ৰজা) | খুনজু (মুংখু মুংজাওৰ ৰজা)

↓

চাও ছেংচাও

↓

টাও খুনজাও

↓

টাও খুন মিন

খুনলাই (মুংৰিমুংৰামৰ ৰজা)

↓

টাও আইছেপ টাওফা

↓

খম্‌পংফা (ট্যাও খুনজুনৰ পুত্ৰ)

↓

খামটাপফা | খামটিপফা (মাউলুংৰ ৰজা)

↓

নফামাও

↓

ছুখুন্‌ফা

↓

ছুকাইফা

↓

ছুহেন্‌ফা

↓

ছুটাওফা

↓

ছুবনফা

↓

ছুহন্‌ফা

↓

ছুহাওফা

↓

ছুলিপ্‌ফা (সন্তানহীন)

↓

ত্যাও টাইপঙ

↓

ত্যাও টাইফা

↓

তাও লুলু

↓

চাও ছাংকুন

↓

চাও ছাংন্যোও (মুংখু মুংজাওৰ ৰজা)

↓

চাও লুং ছুকাফা

↓

(মুংদুন চুন্‌খাম অসমৰ ৰজা)

## পৰিশিষ্ট '২'

### ওঁ - ভিংৎ

"চ্যাউ কাউ খামছিং বয় বয় বয়"
পুক মৰু মছিং পুক ছিং মুং ৰাই টাংলাই খা ৰই।।
আই ছাং ছিং চাম ম' মুন ৰাই জিম কএৰৰই।।
চ্যাউ ফুৰা তাৰা আলং চিকিয়া মেমি মাং।
টাংলাই হৃদয়ত নৈ পদে কৰো সহাং।।
ৰই মৌ ফুৰা তাৰা ৰাণি পানক।
ফালাই চৰণত কাউ ৰই মৌ চ্যাউকা ৰই।।
কাউ ৰই মৌ ছ্যাউ কাউ ম লাউ খ্রী।
ছিপ কুণ্যেও ৰং ৰই ৰই পূজাকজি।।
ৰই ৰই খাও খাম পু খাও খাম চয়।
সপ্ত সমুদ্র বিৰাজি ভুমি ৰং বয় বয়।।
বয় টাং দেৱৰাজ চাৰেফা লেংডন।
স্বৰ্গ পুৰে বাস কৰা ফাখাম বিশ্বজন।।
পুথেন খাম কাউ ৰই টাং।
গণক সদা পালা ছাই চোউটাং।।
প্ৰণামোহো মই জীৱ অধিপতি।
সমস্ত লোকক পালি চাহা তুমি।।
টাইলাং বাকলাং কফি কচাং।
ক বাক মাই ছাম ৰই টাং।।

প্ৰণামোহো বিধিৰ আৰ মৃত্যুপতি।
ঐশ্বৰিক শক্তি ৰূপে আছাহা প্ৰদাত্ৰি।।
খুন থেউ ন্যেওঁ লাং-কুৰি ৰই।
পফি খুৰু মেফি ন্যেও ৰই।।
পিতৃ মাতৃ আদি গুৰু কৰো নমস্কাৰ।
যাহাৰ সংযোগে দেখিলো সংসাৰ।।
চাউ ফুৰা চাউ তাৰা আলং চিকিয়া।
স্ৰজন পালন কৰি ব্ৰহ্মাণ্ড স্ৰজিলা।।
প্ৰণামোহো ফি লাৰেং ত্ৰিজগতৰ পতি।
নিৰাকাৰ ৰূপে আছা ব্ৰহ্মাণ্ডক ভেদি।।
জান ছাই হুং প্ৰভৃতি অনেক তোমাৰ নাম।
স্থূলৰ অধিপতি তুমি লাইলুং খাম।।
অন্য এক নাম লৈছা পফিচুকে ধৰি।
ব্যাপক ৰূপে ব্ৰহ্মাণ্ডক বিৰাজ কৰি।
চেংদেন চেংবান তোমাৰ সূৰ্য চন্দ্ৰ নাম।
দিবা নিশি আকাশত ভ্ৰমিচা অবিৰাম
আমি কি বুজিব আৰু বেদে নাপায় সীমা।
নাজানোহো তোমাৰ নাম গুণ ভক্তি মহিমা।।
ভগা নাৱে সমুদ্ৰক তৰি বাৰে যাওঁ।
খঞ্জু হৈয়া গিৰি শৃঙ্গ লঙ্ঘী বাৰে চাও।।
হেন জানি বোধজনে মূঢ়ে নধৰিবা দায়।
এহি পদ জানি তথ্য মনে দিবা ঠাই।।
এহি মানে থৈলো পদ সমাপতি কৰি।
সদা বোলা ফুৰা তাৰা পাপক নিস্তাৰি।।
ফুৰা ত্ৰাৰা নিৰঞ্জন নিৰাকাৰ নাম।
যত পাপ নিশি সিদ্ধি কৰা মনস্কাম।

২য় বন্দনা

প্ৰণামো নিৰাকাৰ নিৰঞ্জন দেব।
তোমাৰ চৰণে কৰো লক্ষ্য কৌটি সেব।।
অনাদি অনন্ত সন্ত খুন থাও লাংকুৰি।
ভজোহো তোমাৰ দুই পদ হৃদয়ত ধৰি।।
জয় জয় পে অং আদি ফুৰা লেংডন।
পৰম দেব গুৰু আদি নুক কন।।
নমো নমো ফ্ৰাতুচিং কৃপাময় আদি দেব।
মই মূঢ় মতি অতি কৰো সদা সেব।।
আদ্য গুৰু পিতৃ মাতৃ বন্দোহো চৰণ।
উভয়ে সংযোগে পাইলো মানবী জীৱন।।
মুং কাণ্ড ভূমিত মই জনম লভিলো।
তোমাক নেসেবি ব্যথা জনম গোৱাইলো।।
তাৰ পাচে প্ৰণাম কৰো মলিক মলাই।
তেওঁৰ চৰণে কৰো ক্ষমিয়োক দায়।।
হৃদি স্থিতি চৰাচৰ হোবে অৱতাৰ।
হেন ফুৰা পদে কৰো পৰি নমস্কাৰ।।
মুংফি, মুংচাং,মুংটেও এই তিনি প্ৰকৃতিৰ গুন।
পৰম পুৰুষ তুমি কেৱল নিৰ্গুণ।।
তিনিও গুনৰ ফুৰা ফ্ৰাতু চিংগুৰ।
নাং থাও মহামায়া তুমি চৰাচৰ।।
চৈতন্য ব্যাপক ফুৰা প্ৰাণী সমস্তৰে।
তোমাক নভজি মৰে মলমতি নৰে।।
আৰ্দ্য সপ্ত স্বৰ্গ আৰু আদি ত্ৰৈলোক্য পুৰী।
অসৰভু চেংহুং চেংবান ডাও মুংফি।।
দেব অংশে টাই বংশে মলুং সৌমাৰত।
কলি যুগে আদি ভৈলা খৃষ্টাব্দৰ আগত।।

দেৱ লোকে আলচিয়া মৰ্ত্যলৈ পঠাই ।
সৰ্বশ্ৰেষ্ঠ দেৱগুৰু মলিক মলাই।।
অপূৰ্ব টাই বেদৰ বাণী লিখি থৈয়া যাই।
তব গুণ সম পিতা মহে অদ্যপিও পাই।।
ম'মুং বংশৰ ছাম ৰিংপি অতি বাহি যাই।
কাউ ম'মুন পুলিন পুথাও অংশে দেওধাই।।
উপৰি পিতামহৰ বাণী এহিমানে থও।
পদ ছন্দে লিট টাই দুৱাষাৰ কওঁ।।
নোহো ধৰ্ম ধৰি নোহো মহা ঋষি।
নোহোও এবে গুৰু পতি মই মূঢ়মতি।।
হৃদি কমলত ওংচেও ফুৰা হয়ো কণ্ঠগত।
ফুৰা ত্ৰা বুলি সদা সবেও চিন্তিত সতত।।

**চাউ অক্‌কাই ম'মুং**

শুনিয়োক সভাসদ লিটলাই বুৰঞ্জীৰ বাণী।
যথা সাধ্যে বিচাৰি মই কহিবো প্ৰণতি।।
পূৰ্বে এই বেদ আছিল স্বৰ্গ পুৰ হন্তে।
কেনমতে নামি আহিল মৰ্ত্যপুৰে।।
বিচাৰিলো যথা সাধ্যে অল্পমাত্ৰ পাই।
ভুল ভ্ৰান্তি শুদ্ধ কৰি পদে দিবো ঠাই।
এহি বুৰঞ্জীৰ বাণী অতি পুৰাতন।
কাই মহং, চাং মুনৰ ম'প্ৰঙৰ কথন।।
যেনে কেন মতে মহুং বংশ হৈল উৎপতি।
এবে কেন ৰূপে হৈলা ম'চাংকুনৰ সন্ততি।।
এবে ভৈলা কেনমতে ম'প্ৰং বংশধৰ।
ক্ষুদ্ৰ মাত্ৰ কহিবোহো নাজানো বিস্তৰ।।
কাউ মক জংফা মকজং প্ৰজিলে যেন মতে।
সেহি অনুক্ৰমে হৈলা পূৰ্বাপৰে হন্তে।।

অনুপাতে পদ কৈবো বুৰঞ্জীক চাই।
জানি মানি বিজ্ঞলোকে শুধৰাইবো পাই।।
যেবে ফা ফুৰাই এই সৃষ্টি কহিবাক লৈলা।
দুহানো ক্ৰমে তেবে না না ৰূপ ভৈলা।।
চাউ ফুৰা ত্ৰাৰা ক্ৰমে আদি আৰু অনাদি।
কাই মহং চাংবুন, ম'প্লং আবির্ভূত হল আদি।।
আদি কাইথেও খাম অনাদি খুনথেও কাম।
এক অংশে দুহানো জনে লভিলেক জনম।।
কাইথেও খাম নামে ম'লাউগ্ৰী আবির্ভৱ ভৈলা।
খুনথেও খাম নামে ম'পূজাকৰ্জী আবির্ভাব হৈলা।।
চাইবেফা ছেংখম ছেং ডাম পূচাংপৌ ভৈলা জাত।
তেওঁ অংশে আহি হৈলা ম'প্লং নামে খ্যাত।।
তিনি বন্দ ম'মলুং ক্ৰমে ভৈলা উত্‌পতি।
সংক্ষেপে কহিলো এবে মই মূঢ়মতি।।
পৰম শিশু সুন্দৰ ভৈলা তিনি জনে।
ম'লাউগ্ৰীৰ পতি ফুৰা সুমধুৰ জানে।।
শুনিয়োক পূজাকৰ্জী এবে মোহোৰ বচনে।
এতিক্ষণে চাৰিবেদ কহিলো ৰতনে।।
লিটটাই, লিটলাই, লিটম', লিটচাই।
এহি চাৰি বেদ অক্ষয় প্ৰকাশিলা পাই।।
চাৰি বৰ্ণে চাৰি ধৰ্মে প্ৰকাশিবা লাগে।
সেহিৰূপে চাৰি বৰ্ণে মোক পাইবো লাগে।।
সেহিৰূপে বেদ শাস্ত্ৰ এবে তব কহিলো বচন।
মোক নধৰিবা আদি দায় অনেক বচন।।
যিবা স্মৰে যি ভনে পৰম জানন্তি।
তোমাসাৰ নিজ বংশত যত হৈবেক সন্ততি।।
হৈবেক লিটটাই বেদৰ সি হ'ব অধিপতি।

কদাপি নেৰিব নিজ বেদৰ বিধি ৰীতি নীতি।।
বেদ ৰীতি নীতি এবে নকৰিবা ছন্ন।
স্বৰূপে কহিলো মই শুনা গুৰু গণ।।
গুৰু বিনা বংশে বেদৰ অক্ষয় নাজানিব।
কেৱল বংশ ছাম ম'মুং গুৰু অধ্যয়ন কৰিব।।
অন্যে নাজানিব এই বেদৰ অক্ষৰ।
নীতি এহি বুলি ভ্ৰাতাৰা হইল অন্তৰ।।
পিতৃবাক্য শুনি পাচে ম'লাউখ্ৰী কুমাৰ।
বিধ বিধ বেদ শাস্ত্ৰ কৰিলা প্ৰচাৰ।।
ধ্যানত আয়ত্ব কৰি লাউখ্ৰীৰ বাক্যক পালন।
বেদত গণিয়া দেখে চৈধ্যায় ত্ৰিভুবন।।
সমস্ত প্ৰাণীক দেখি দিয়ে জ্ঞান শিক্ষা দান।
অজ্ঞানীক জ্ঞান দিয়া এয়ে মোৰ ধ্যান।।
এহিমতে লাউখ্ৰী গুৰু সৰ্ব শাস্ত্ৰ দাতা।
বুলিবাক পাৰি তেওঁক বিধিৰ জ্ঞানদাতা।।
লাউখ্ৰী ৰূপে ম'ছুং গুৰু আছিলা স্বৰ্গপুৰে।
নানা শিক্ষা দীক্ষা দিছিল ৰজা লেংডনে।।
এহিৰূপে কিছুদিন থাকি গৈলা অন্তৰে।
পফিচু নামে এক পুত্ৰ ভৈলা শেষান্তৰে।।
পাফিচু সৰ্বগুণি স্বধৰ্মত মতি।
সৰ্বজনে ধ্যান দিয়া একান্ত ভকতি।।
কনজনফা পুজাকজী নামে দুইভাই ভৈলা।
জাছিংফা নামে এক কন্যা জন্মিলা।
ঐশ্বৰিক বাক্য অধিষ্ঠাতা বুলি জানে সৰ্বজনে।
জাচিংফাক আৰাধীয়া পুজে সৰ্ব নৰে।।
পফিচু সবাৰো মধ্যত জ্যেষ্ঠ ম'ছুংৰ নন্দন।
দেৱ হৈয়ো মৰ্তত তেওঁ, পূজ্য নামত ছামান।।

কনজানফা তেওঁৰ ভাই দেৱ অৱতাৰ।
তেওঁ গৈয়া ছামনৰ ঠাই কৰিলে অধিকাৰ।।
কনিষ্ঠ পূজাকৰ্ত্তী হৈলা লাউথ্ৰী কুমাৰ।
নিজ পিতৃৰ বংশধৰ হৈলা আপোনাৰ।।
ম'খুন তাহাৰ পুত্ৰ ত্ৰিভুবনে খ্যাত।
লাপেতৰ অংশে ভৈলা ম'হুং বংশৰ জাত।।
এহিমতে কাই ম'হুঙৰ বংশ ভৈলা উৎপত্তি।
কতেক উদ্ধাৰিব আৰু মহুং গুৰুৰ বিভূতি।।
নানা ৰূপে ম'হুং গুৰু ভৈলা অৱতাৰ।
পালিবলৈ লৈলা ফুৰা ত্ৰাৰ আজ্ঞায়ে সংসাৰ।।
আৰু ক'ত কৈবো এবে ম'হুং গুৰুৰ লীলা।
লিটম বেদে যাৰ লীলা বৰ্ণাব নোৱাৰে মহিমা।।
এহি বেদ বিচাৰিলো ইতিহাসত লিখা চাই।
মত বঢ়া টুটা হৈলে ক্ষমিয়োক দায়।।
সংক্ষেপে কহিলো পদ বাঙ্গ্‌লাৰ বেদ জ্ঞানে।
অজ্ঞান মূঢ়মতি মই সবে ক্ষমিয়োক নৰে।।

**ম'হুং বংশৰ উৎপত্তি ২য় অধ্যায়**

শুনা এবে আদি বুৰঞ্জীৰ বাণী পুৰাতন।
কোন মতে লাপেতৰ বংশ বিস্তাৰিত বিৱৰণ।।
আদিতে ক্ৰমে লাপেতৰ পুত্ৰ সপ্তজন ভৈলা।
যিবা হেতু স্থানে স্থানে বসবাস কৰিবাক লৈলা।।
যাৰ যেন অনুসাৰে নিজ নিজ নাম এবে লৈলা।
সবিশেষ কহোঁ এবে যাৰ যেন নাম ভৈলা।।
আদি মাইচেউ, ম'বাউনা আৰু টাউমোচন।
লাচিত লা, লাপেত লা আৰু লেচাই বঙা গণ।।
লেচাই হুদু আদি কৰি এই সপ্তজন।
আত পাচে শুনা আৰু নাম হ'ল যিমান।।

আদি ভৈলা দিহিঙ্গীয়া আৰু খনামুখীয়া।
টিংখঙ্গীয়া, পাগুৰীমৰীয়া, চেঙ্গেলীমুৰীয়া।।
টকৌ বৰীয়া, চৰাইমুৰীয়া মাটিঘৰীয়া, ৰাজঘৰীয়া।
ম'হুং গুৰুৰ এহি সকল বংশ বিস্তাৰিত হোৱা।।
এহি সব মহৎ বংশধৰ অদ্যাপিও খ্যাত।
পুৰোহিত কৰ্ম কৰি নাম ৰাখিছে বিখ্যাত।।
ৰীতি নীতি কুল কৰ্ম অদ্যাপিও প্ৰচলিছে।
আচাৰ বিচাৰ কৰে স্বকুলৰ বেদ অনুসাৰে।।
কোনো লোক এহি পদ ধৰা ভুল বুলি।
আহোমৰ আদি বুৰঞ্জী চাই লোৱা প্ৰমাণ কৰি।।
এহি মানে কৈলো পদ কাই ম'হুংৰ উৎপত্তি।
সদা ফুৰা ত্ৰাৱা বোলা সবে পাপ যাওঁক অধোগতি।।
চাউ ফুৰা ত্ৰাৱা আদি নিৰঞ্জন লয়ো সদা নাম।
পাপ নাশি সৰ্ব সিদ্ধি কৰা মনস্কাম।।
কাই ম'হুং বংশৰ উৎপত্তি সমাপ্ত।

**ম' চাং বুন বংশৰ উৎপত্তিৰ বিৱৰণ**

শুনা আদি বুৰঞ্জীৰ বাণী পুৰাতন।
ম' চাংবুনৰ বংশগত শুনা বিৱৰণ।।
পূজাক জীৰ পুত্ৰ ম'চাংডামৰ যেবে ভৈলা পুত্ৰ।।
কাইথেওখাম খুনথেও খাম দুই ভাই এক সূত্ৰ।।
ম'চাংডামৰ পুত্ৰ খুনথেও কাম।
তেওঁৰ তনয় ভৈলা ম'লাউশ্ৰী অনুপাম।।
এহি ৰূপে ফ্ৰাক চিন্তিয়া কত দিনান্তৰে।
পাছে দুয়োকে পিতৃ ক'লে সংসাৰী হৈবাৰে।।
পিতৃ আজ্ঞা পায়া শাচে ভাই দুয়োজনে।
পুত্ৰ জন্মাইবাক লাগি আৰম্ভিলা মনে।।
বিবাহ নকৰিলে পিতৃ বাক্য ব্যৰ্থ হয়।

এহি বুলি ভাবে মনে মনে ধ্যানত বহয়।।
এহি ৰূপে দুই ভাই ক'ত দিন গৈলা।
শুনা আত পাচে ক্ষণ যিবা ৰূপ ভৈলা।।
থাওলুঙ্গাম নামে এজন দেব জন্ম লৈলা।
ম'ছুঙৰ কন্যা কনজনফাক বিবাহ কৰিলা।।
তাহাৰ সংযোগে এক পুত্ৰ ভৈলা জাত।
থ্ৰিউবৰ নামে তাহাৰ ভৈলা জগত প্ৰখ্যাত।।
ধাৰ্মিক অতি শুদ্ধ পুত্ৰ হৈলা মহাপৰাক্ৰম।
স্বৰ্গৰাজ্য ভ্ৰমে গৈয়া নিজ দেখাইয়া বিক্ৰম।।
ম'ছুং গুৰু সঙ্গে বহু কৰিলেক বাদ।
দুয়োৰে প্ৰতি দুয়ো কিছু কৰিলে প্ৰমাদ।।
এহি ৰূপে বাদানুবাদ কিছুদিন গৈলা।।
তাৰ পাচে থ্ৰিউবৰ এক পুত্ৰ জন্ম ভৈলা।
সৰ্ব সুলক্ষণ যুক্ত সৰ্ব শাস্ত্ৰত বিজ্ঞাতা।।
আই চাং চিং বুলি নাম তেওঁৰ ৰাখিলে পিতা।।
ম' লাউত্ৰী তেওঁৰ পুত্ৰ সৰ্বলোকে কয়।
তেওঁৰ ঔৰষে মুংক পাংৰাও চাংকুন নামে জন্ম লয়।।
দুয়োৰে ক্ৰমান্বয়ে সপ্ত পুত্ৰ জন্ম লৈলা।
শুনা আৰে ক্ৰমে যাৰ যিবা নাম ভৈলা।।
লাচেং কেও, লাচেংডাম, লাচেংখাম ভৈলা নাম।
লাচেং চেং, লাচেং হেং, লাচেং চিং, লাচেং পেত নাম।।
এহি সপ্তসকলে ম'চাংকুনৰ বংশ অনুপাম।
অন্য এক ৰূপে কুলধৰ যাৰ যিবা নাম।।

## ২য় অধ্যায়

আৰু কিছু পুৰাতন আছে তাৰ দেখিয়োক চিন।
সেহি অনুসাৰে নাম ভৈলা ভিন্ ভিন্।।
চেংকলী, মছকা, ৰবাণী, বিহ মডাম।
উজুমুৰীয়া, কপৌমুৰীয়া হংকৰা অনুপাম।।

বুকুৰঙা, জটৰা, আদি আৰু মিছামৰা।
চিয়ামণি ৰহঢলা পুখুৰী নামে আছে চোৰা।।
এহি সব ম'চাবুনৰ পুত্ৰ সৰ্বলোকে কয়।
সেহি হ'ব অংশে দেওধাই বংশ উৎপত্তি হয়।।
এবে কহো শুনা আবে যাৰ যিবা নাম।
ক্ৰমে ক্ৰমে নাম লৈলা কাৰ্য অনুপাম।।
সৰ্ব জ্যেষ্ঠ আদি গৰীয়া, ছাগলী।
ভুলু মচাই টাউ ডাং ডেঙ্গীয়া আদি কৰি।।
ধোলা, বৰমতা, ক্ৰমে আৰু যে চেপেতা।
লেমাই, হাতীবৰুৱা ক্ৰমে যেবে কুকুৰা চোৰা।।
সবাৰো কনিষ্ঠ হৈল মুলুং আৰু আখৈয়া।
এহি সব ম'চাংবুনৰ বংশধৰ জানিবা।।
এহি ৰূপে ম'চাংবুনৰ বংশধৰ এবে উৎপত্তি।
সাক্ষাতে দেৱতা অংশে ফুৰা ত্ৰাৰে সন্ততি।।
কতেক বৰ্ণাবে এবে চাংবুনৰ লীলা।
সৰগৰ গুৰু ৰূপে দেৱ অংশে আছেযে লীলা।।
যেবে ফৈদ বিস্তাৰ ভৈলা মুংৰিংমুংৰামত
খুনলুঙৰ বংশশেষ ছশবছৰ ৰাজত্ব কালত।।
আই ফালানৰ পুত্ৰ পামেও পুঙ্গ জন্ম লৈলা।
সবে ছ্যুকাফাৰ সৈতে গুৰুসকল আহিলা।।

'লিট লাই পেঁএ্র কা কা' নামৰ ফুৰালুং দৰ্শনখনিৰ ৰচনা কৰিছিল মহৎ পূজাকজীৰ সন্তান আই চাং-ছিঙে। তেওঁৰ অন্য নাম 'নাং-নং-ছিং'। তেওঁক এগৰাকী বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী বুলি আখ্যা দিলে। এই গৰাকী জ্ঞান-দাত্ৰীক 'জাচিংফা' নামেৰে পূজাভাগ আগবঢ়ায়। প্ৰকৃততে জাচিংফা বুলি ক'লে এগৰাকী দেৱীকে নুবুজায়, তিনি বন্দ গুৰু বুলি জাচিংফাৰ পূজাত তিনিটা পাং (নৈবেদ্য) একেলগে বা এখন মেহেঙাও উচৰ্গা কৰে।

●●●●●



কাঠি বানচেং পুথি

পৰিশিষ্ট - ৩

## উম্‌ফা পূজাত উচ্চাৰিত তাই আহোম ভাষাৰ পূজাৰ মন্ত্ৰৰ অৰ্থ

হে মোৰ প্ৰভু! মুৰৰ ওপৰৰ দেৱতা। অ ফ্ৰা। ফ্ৰা আবিৰ্ভাব হৈছে। হাতযোৰে সেৱা জনাইছো। আমাক মংগল কৰক। আমি আপোনাক প্ৰণাম কৰিছো, যাতে আমাৰ শৰীৰত পাপ, অপৰাধ, দুখ-কষ্ট, অশুভ আৰু অমংগল সকলো আঁতৰি যায়। হে ফিদেৱতা ঐ। হে চাং ঐ! সাক্ষী হওক! অতীজতে পাৰ হৈ যোৱা যিসকল চাং ফি দেৱতা আছিল, তেওঁলোকৰ ওপৰত থকা ফ্ৰা ত্ৰা আলঙক প্ৰণাম কৰিছো। হে মোৰ প্ৰভু ঐ। বৰ্তমান ইয়াত এই ঠাইত, এই দেশত থকা হঃ ফি দেৱঘৰত ৰঙাগড়া নামে ঠাইত তাইলিক, তাইৰাইসকলো লগ লাগি ভাল দিন নেপালেও আজিৰ দিনটো ভাল বুলি গণ্য কৰি ৰিক্‌খুন (আয়ুস মতা) কৰি, চাউল, চিংকাৰা ফুল, নামঝাৰিও এৰাৰাই চাৰিঙ-চাবাই লৈ উচৰ্গা কৰিছো । মোৰ ওপৰৰ গৰাকী ঐ। ম্যুংছাং (ব্ৰহ্মলোক), স্বৰ্গ, মৰ্ত্ত্য, ম্যুংতাং, ম্যুংতান সকলোৱে জানে ঐ! আজি শুভদিন বুলি খুন্ (আয়ুস) মংগলময় হওক, লগতে সকলো ৰাইজৰ চকুৰ আগত দেখা দিয়া ৰবৰ বেমাৰ ডিঙিত সোপা লগা বেমাৰ আদি বেমাৰবোৰ দূৰ হওক। অনেক বেমাৰ-ব্যাধি সকলো দূৰ হওক! দেশত ফ্ৰাক নেজানি অপৰাধ কৰিছো, এই নামঝাক, এৰা-ৰাই, অমৃত-পানী এৰা-পূলক সঞ্জীৱনীৰ দ্বাৰাই অতীজৰে পৰা চলি অহা পদ্ধতিৰে এই তিনিজনা পণ্ডিতে সেৱা প্ৰাৰ্থনা কৰিছো। চাও কাও ঐ। চাওফাফেত্ খামখাও, বংখানখাম, তুমুংতুতে।

সোণৰ কুঠাৰ ধাৰণ কৰা, বজ্ৰ ধাৰণ কৰা সমস্ত আকাশৰ স্বৰ্গাধিপতি অধিকাৰী। ৰেফা চাংডামত পুত্ৰৰ লগতে য়ানাং (আইতাৰ) স্বৰ্গৰ

ৰাজসিংহাসনত বহা দুয়োগৰাকী ছাতি-ধৰোতা। য়ানাণ্ডৰ লগতে দুয়োজনা ছাতি ধৰি বছৰ ধৰি তিনিজনা খুনফ্ৰাই লাইয়ে পৃথিৱীত চাই থকা মোৰ মূৰৰ ওপৰত তিনিজনা গৰাকী ঐ।

**খাওখাম ঃ**

হে মোৰ মূৰৰ ওপৰৰ গৰাকী ঐ। পূঃ খাওখাম সোণৰ শিং থকা ককা য়াখাওখাম। সোণৰ শিং থকা আইতা। দীঘল নাগ ককা। দীঘল নাগ আইতা। ককা মৰিলে আইতা সহায় কৰা। আইতা মৰিলে ককা সহায় কৰা। অনন্ত বিশ্বব্ৰহ্মাণ্ড সৃষ্টিকৰ্তা। নদ-নদী বৈ যোৱাৰ দৰে মোৰ প্ৰাৰ্থনাৰ শব্দৰাজি শুনা। মোৰ দুখন হাতযোৰি সেৱা কৰিছো। মোৰ প্ৰভু ঐ। আকাশৰ পৰা চাওখাম লেংডিন পৃথিৱীত অধিকাৰী ৰজা হৈ দুই তিনিপুৰুষ ধৰি ৰজা হৈছিলা। তোমাক সেৱা জনাইছো, মোৰ প্ৰভু ঐ। চাও কাও ঐ।

**আই লেংডিন ঃ**

হে মোৰ প্ৰভু ঐ। আইলেংডিন, পৃথিৱীৰ গৰাকী। তুমি আটাইতকৈ ডাঙৰ, তুমি আটাইতকৈ বিশাল পৃথিৱীৰ অধিকাৰী। তোমাক প্ৰণাম জনাইছো। তুমি এই ত্ৰিভুৱনৰ মমচেংফা। তিনিজন ম'মুন পণ্ডিত। তুমি ৭ তৰপৰ ভিতৰত তলৰ তৰপত ম্যুংতাম্ খাপত তলৰ চাৰিখন ৰাজ্যৰ নাতিয়েক গৰাকী। তুমি ম্যুংকাং ম্যুংতাম ম্যুতাওৰ ৭ খলপাৰ অধিকাৰী। তোমাক সেৱা জনাইছো।

**জান চাইহুং ঃ**

হে মোৰ প্ৰভু জানচাইহুং, তুমি আকাশৰ গৰাকী ঙিখাইফা লেংডনৰ নাতিয়েক। ম'মুন পণ্ডিতৰ বাবে দেৱ-দেৱতাৰ বিধানসমূহ তুমিয়েই প্ৰৱৰ্তন কৰিছা।

আহোমসকলে উপকাৰ পাবলৈ দেৱতাসকলক পূজা-সেৱা কৰিলেও প্ৰধানতঃ এক পৰমেশ্বৰকহে (ফ্ৰা) পূজে। আহোম ধৰ্মকাৰ্যত ফ্ৰাক

বন্দনা কৰোতে 'চাও কাও ঐ' - অসমীয়াত যেনে 'হে পৰম ঈশ্বৰ' বুলি কোৱা হয়। ফ্ৰাক গুণানুকীৰ্তন কৰোতে 'নু ৰু' এই শব্দ দুটা ব্যৱহাৰ কৰা দেখা নেযায় বা পূজাৰ বিধিতো চাও নু ৰু চাও কাও ঐ বুলি পোৱা নাই। কিন্তু স্বৰ্গাধিপতি লেঙডনকে মুখ্য কৰি বাকী দেৱ-দেৱীকহে চাও নু ৰু চাও কাও ঐ বুলিহে কোৱা (গোৱা) হয় বা গায়।

যেতিয়া ফা-তু-চিঙ-ফ্ৰাঙ হুমে পৃথিৱী, জীৱ-জন্তুকে আদি কৰি সকলোবোৰ সৃষ্টি কৰিবলৈ ল'লে তেতিয়া তেওঁ নানাৰূপে অৱতাৰ লৈছিল।

'ফুৰা ৰূপে ভগৱন্তে আদি নিৰঞ্জন
ম হুঙ-ছাঙবুন ম প্লঙ তাহাৰ নন্দন।" (লিত্‌লাই)

ম হুঙ গুৰুৰ অংশে প ফী ছু, কণ জান ফা আৰু পূজাক্ জী এই তিনিপুত্ৰ আৰু জাছিঙ ফা নামেৰে এগৰাকী কন্যা আছিল। এওঁক ঐশ্বৰিক বাক্য অধিষ্ঠাতা বুলি কয়। জাছিঙফা যে পুৰুষ নহয় আমি আহোম ভাষাৰ বুৰঞ্জীৰ পৰাই পতিয়ন যাব পাৰো।

'জা ছিঙ ফা ৰু জাঙ ছাও চিঙ। খিনম নুঙ ছিন বিত লাই দাও খাম। তাঙ আন নুঙ তাও ফা লাই লেঙ হান খ'। কও মঞে চি তাম ম্লা।

জাছিংফাই অলপো পলম নকৰিলে; তেওঁ সোণালী তৰাবচা ফুলাম মেখেলা আৰু সোণ খটোৱা নেকলেচ পিন্ধিছিল। এপাহ হীৰাৰ ফুল চুলিত গুজি লৈছিল। উক্ত কথাখিনিৰ পৰাই জাছিংফা যে এগৰাকী দেৱী তাক অকণো নুই কৰিব নোৱাৰি।

'পু ফী ছু সবাৰো জ্যেষ্ঠ মহুঙৰ সন্তান
দেৱতা হৈ গ'ল নামতে চামান।

ম হুঙ লুক মান ফু আই প ফী ছু
খুন থাও লুক মান চামান।

'জীম ম্যু যুন দিন বৌ মি এঞ। ৰিশ লুঙ তেক পিন্ চাও। ৰিশ ক্লাঙ তেক পিন্ খুন। দয় ঙিন দয় খাম মৌ হিত চাও দয় ঙিন দয় খাম মৌ হিত খুন'।

পক্ষী ছুক লাওকুৰিৰ লগত কোনো পধোই মিলাব নোৱাৰি। কাৰণ লাওকুৰি শিলৰ পৰা ফুটি (আৱিৰ্ভাৱ) ওলাইছিল। তেওঁৰ মাক বা বাপেকো নাই।

'খেও চাও জীম ম্যু ছি ইপ ছাও দেঙ ক্ক লুক চাও কও লেপ ফা লাই তি। চাও তাক পিন্ তাও ম্যুও চাই মাই খাত খুঙ'।

লেঙ্ডনৰ ভতিজাক থেনখাম বংশৰ ছাওদেঙক মৰ্ত্যত শাসন কৰিবলৈ পঠিয়াইছিল। পাছত লেঙদনৰ পো-নাতি সকলে আহি ভাতৃ বংশৰ একে মূলীয় কৃষ্টি-সংস্কৃতিত কোনো অসুবিধা নোপোৱাকৈ একে সুৰতে মিলি পৰিল। এই থেনকাম বংশৰ আদি গুৰু 'মৌৰান'। এই মৌৰান বংশৰ দেৱী ফী নাঙ ৰাইৰ অন্যৰূপ লাই খাও মী। লাই প্ৰথম, খাও-আহাৰ, শস্য, মী -মাতৃ, দেৱী। এই মহামাতৃ দেৱীয়ে শস্যদেৱীৰূপে আইজঙ লাও-ভি জঙ খামৰ সৃষ্টিকাৰক দেৱী হৈছে। আহু আৰু শালি খেতি উন্নতভাৱে কৰা আৰু কৃষিধৰ্মীয় জাতীয় পৰম্পৰাধৰ্মী লখিমী আদৰা উৎসৱ আহোমসকলৰ দিনৰ পৰাই অসমত প্ৰচলন হ'ল।

আহোমসকলে বৰ অসমত আহি পাওঁতে টঙিঘৰত আহু ধান ৰাখি থকা দেখা পাই মৌৰান পুথাওক এনেদৰে কৈছিল -

ঐ মৌ ৰান লাও ৰে ৰে
কা ছাও বান ৰেণ জু ৰে ৰে।'
'ঐ মৌ ৰান হেঁচলীয়া চৈ
কত দিন থাক তই টঙি ঘৰত বৈ'।

প্ৰাণীৰ উৎপত্তি ৰসশক্তিৰ মুখ্য দেৱতা (জলাধিপতি) জলৰাশিৰ গৰাকী। গতিকে খাদ্যপ্ৰাণ ৰসশক্তিৰে স্থান সাগৰ। এই সাগৰতেই লাই-খাও মী থাকে। সেয়ে নদীৰ পৰা পানী তুলি খাওখামক বিধিসন্মত ভাৱে পূজা পাতি দি লখিমীক আদৰি অনা হয়।

আহোমসকলে দেৱ দেৱীৰ পূজা কৰা নাছিল। আহোমসকলে উপৰি পুৰুষৰ পূজাহে কৰিছিল। আহোমৰ মন্ত্ৰবোৰ পৱিত্ৰ মন্ত্ৰ বুলি গণ্য কৰা হয় আৰু পৱিত্ৰ ধৰ্মকাৰ্যতহে ব্যৱহাৰ কৰা হয়।

পৰিশিষ্ট - ৪

# মহাদেউ

জগতৰ গুৰু বুঢ়া মহাদেউ গোসাঁই, ডিম্ ডিম্ কৰি ডম্বৰু বজালে, ভাং খাই ফুৰা নিতৌ তিনিপুৰা। ভাং খুন্দোঁতে, ধতুৰা খুন্দোঁতে আঙুলি হৈ গ'ল ভোটা। সাতোটা ঢেঁকীৰে বানি, সাতোখন কুলাৰে জাৰি, সাতো চিলিম ভাং একোচিলিম কৰিলে। এজনী ভাৰ্যাই নাটে পিছে গংগাক বিয়া কৰাই আনিলে। তুলসী তলৰপৰা ওলাল মহাদেউ জুলু-জুপুলু ভাংৰ জালতে নলয় ঘৰ-বাৰী, থাকে বৰযুগত তিতি। হৰিশংকৰ নাথ, শিৱনাথ, ভোলানাথ, গৌৰীনাথ এই চতুৰ্ভূজ ৰূপ ধৰিলে। চতুৰ্ভূজৰ ৰূপ ধৰি দশমায়া ল'লে। গাতে বাঘৰ ছাল, ডিঙিত সৰ্পৰ মালা, গাত ভস্মৰ ধূলা। জগত গুৰু বুঢ়া মহাদেউ গোসাঁই জত্তা আসন জত্তা বাসন জত্তা, মেলি দিয়া চাও জত্তা ভিতৰত আছে ভগীৰথ, ওলাই দৰ্শন পাও জগত গুৰু বুঢ়া মহাদেউ গোসাঁই। আপোনাক দেখিলে যমেও থাকে ড'ৰায়। আপোনাক পূজিলে হয়নো কি কি। সাত কোটি ম'হ হয়, সাতকোটি গৰু হয়, ককাই-ভাই নদন-বদন হয়। মহালক্ষীয়ে বাস কৰে। সোণা-ধনা, গজ-মুকুতা, ৰতন-পোৱালে লাগ দিয়ে। হে জগত গুৰু বুঢ়া মহাদেউ গোসাঁই। আপোনাক আজি এইহেন বাৰে ডালপকা শিঙিয়া মধুৰী, শিকিলি পিঠাগুৰি, কাকিনী তামোলসহ বলিয়ে-বাহনে, ডাঙৰ ৰূপে সেৱা ভাগি ধৰা হৈছে। এই সেৱা ভাগিতে তুষ্ট-তত্ত হৈ ঠাইখিনিৰ ভিতৰতে বিৰিঙি আছে শিৱ-জীৱ, কুজলা-কপিলা, দাস-দাসী, ল'ৰা, গৰু-ম'হ, ঠাল-ভৰা সৰাওটিকে সম্ভোৰিতে কাল নিয়াই থাকিবলৈ আশীৰ্বাদ কৰিবা, হৰি অ' হৰি।

গোসানী ঃ হে জগতৰ আই জগতৰ মা। নাই থল, নাই জল, নাই সাজে-সুকযে কৰিছিলে উজনি-ভাটি। আলাসৰ দেৱতা নিলগত আছিলে চাই। চাৰিয়ে পাতিলে চাৰিয়ে ভাঙিলে চাৰি পাৰিষদে আলোচন কৰিলে মিতিকাই সাজিলে ভেল। উপজিলে পৃথিৱী- চিন নাই কাতি, চিন নাই বাতি। কোনে আছিলে চাই কাক বুলিলে চাই কাক বুলিলে আই, ডালৰ কেঁচাই উকলি দিলে চুকৰ ভেকুলিয়ে কাটিলে নাক্ষী। ব্ৰহ্মাৰূপে সৰজিলে বিষ্ণুৰূপে পালিলে ৰুদ্ৰৰূপে সংহাৰ কৰিলে। ত্ৰিদশ কোটি দেৱতাক থানে থানে পাতিলে। উৰণ-বুৰণ, গজন-ভ্ৰমণ এই চাৰিমুঠি জীৱক সংৰক্ষণ কৰিলে, ফৰিঙৰ মুখত কচুঠাৰি আহাৰ দিলে। নিধনীক ধন দিলে অপুত্ৰকক পুত্ৰ দিলে, কাঠবাজীক ল'ৰা দিলে। মৰিৱলৈ যোৱাকো ওভতাই আনিলে জিন-জিনিক টোকৰ মাৰি চিঙিলা, খোৱাক পৰ্বত বগোৱা, কণাক বতন দিয়া এনে ধৰ্ম স্থিৰ আই। নেমকো পাতিলে পৃথিৱী সাচিলে। না বুলিৱলৈ নাছিলে কেউ। মনিচ বুলিলে নীচ, নোযোৱাকৈ যায় নকটাত কাটে, নিচিঙাত ছিঙে আক অনেকখিনি অপৰাধ হয়। আই চৰণ আই শৰণ আইক চিন্তিলে নাই কেউ মৰণ। আই শৰণীয়া ৰাউতী ঘুণীয়া, পৰলৈ নিদিবা এৰি। আইয়ে হাতত ধৰি মহাদেউক বুজালে নেৰিবা ধৰ্মৰ খুটি। হে জগতৰ আই জগতৰ মাও। মাঘৰ তেৰ দিনত গৰ্ভধাৰণ কৰিলা ভাদৰ তেৰ দিনত জন্ম লৈ ভাদে সুবচনী নাম ল'লা। তবালত থাকা বুঢ়ী লক্ষী বুলি বুঢ়ী লক্ষী বুলি চোতালত থাকা চোতালি বুলি, জলত থাকা জল অপেশ্বৰী বুলি, বাৰী চুকত থাকা বাৰীকীয়া বুলি, ভাঁড়শালত থাকা বুঢ়া কিকম বুলি মধ্য কোঠাত থাকা কী মেখাও সুবচিনী বুলি। হিন্দুৱে পূজিলে সত্য নাৰায়ণ বুলি, গৰিয়াই পূজিলে সাদাম-আসাম বুলি, আহোমে পূজিলে ফী মেখাও বুঢ়ী সুবচিনী বুলি। এ জগতৰ আই জগতৰ মা। আয়ে গা ধুলে চিৰি লুইতত্তে লিহিৰি চুলিটাৰি মেলি। ধৰমী আইয়ে মহাদেউক বুজালে নেৰিবা ধৰ্মৰ খুটি। ধৰ্মদৌল বজাৰ লাগে অবিৰ নালাগে। আহক আঁহক বুলি বাটে চাই আছিলে পালেহি দুৰ্গাদেৱী আই। দুৰ্গাদেৱী আই পতিত পৱন কৈলাসত আছিল চাই, তোমাৰ মান ধৰমী নাই। জগতৰ আই

জগতৰ মা ও। ফী থাও বুঢ়ী সুবচনী আই, ইকোলা-সিকোলা যজালি সজাবলৈ বিধি-বিধাতা, তামুলী টেকেলা, ৰাজধৰি ৰাজ পাততী, নিধনীক ধনদিয়া, অপুত্ৰক পুত্ৰদিয়া, সুবিৰিখক মুচৰি ভঙা, ভগা বিৰিখক ঠেকা দি ৰখা। শ-দিয়া ভাঙি ন-দিয়া কৰিলা, হাবৈ ভাঙি পাবৈ কৰিলা, চুতীয়াক মাৰি ছু-কা-ফাক (ৰাজ) দিলা। তোমাক বুজিলে কি হয়? কোলাত পুত্ৰ, নগৰত বিষয়, অনুদান, ধনদান, বিষয়দান হয়। তোমাক আজিহেন বাৰে ছাগে ৰৰবলি হাঁহে, পাৰই মাননী-মুহৃদিয়ে আগবঢ়োৱা হৈছে। মহামায়া মাতৃ আই, দাস বন্দীইতৰ কি হয়। গৰু ল'লে গৰু নহয়, ম'হ ললে ম'হ নহয়, খেতিত পলিতা, বেহানিত ফলিতা নহয়। বিষয় বাসনাই লাগ নিদিয়ে, মহামাতৃ আই আৰুনো কি হয়, বোলে অদ্ভুত অমংগলো হয়। আৰু সেইখিনিনো কি? পেট ফালি কলডিল ওলায়, সাঙিয়া কল মেলে, মাইকী কুকুৰাই ডাক দিয়ে; ৰৰঘৰৰ ভিতৰত সাপ সোমায়, শুই সোমায়। বাৰীচৌহদত বজ্ৰপাত পৰে। মাজ পথাৰত ম'হে ঘুলি মাৰে, অনেকখিনি অমংগল দেখি ভয় পাই জীৱৰ তৰণী নাই। আজি হেন বাৰে, দিন নাই বাৰ নাই যথা শক্তি তথা ভক্তিৰে ছাগে বৰ বলি কে-কাই মাননীয়ে সৈতে ধূপে-দীপে নৈবেদ্যৰে ডাঙৰ স্বৰূপে সেৱা জাগি ধৰা হৈছে। এই সেৱাতে তুষ্ট হৈ ঘৰবখনৰ ভিতৰত যিখিনি আছে, সবাটিকে নিৰ্বিঘ্নে ৰক্ষা কৰি থাকিব লাগে। হৰি অ' হৰি।

আই ন-ভনী : হে জগত আই, জগতৰ মাও নাই জল নাই, থল সাজে-সুকযে কৰিছিলে উজনি ভাটী। আলাসৰ দেৱতা নিলগত আছিলে চাই, চাৰিয়ে পাতিলে চাৰিয়ে ভাঙিলে চাৰি পাৰিষদে আলোচন কৰি মিতিকাই সাজিলে ভেল। উপজিলে পৃথিবী, দিন নাই ৰাতি, উপজিলে পৃথিবী চিন নাই কাতি। কোনে আছিলে চাই, কাক বুলিলে আই। ভালৰ কৈচায়ে উকলি দিলে। চুকৰ ভেকুলীয়ে কাটিলে নাড়ী। ব্ৰহ্মাৰূপে সৃজন কৰিলে বিষ্ণুৰূপে পালিলে ৰুদ্ৰৰূপে সংহাৰিলে। ত্ৰিদশকোটি দেৱতাক থানে থানে পাতিলে উকা-বুকা, গজন-ভ্ৰমণ এই চাৰি মুঠি জীৱক সংৰক্ষণ কৰিলে, কৰিতৰ মুখত কচুঠাৰি আহাৰ দিলে। নিধনীক ধন দিলে, অপুত্ৰকক

পুত্ৰ দিলে, কাঠবাজীক ল'ৰা দিলে। মৰিবলৈ যোৰাক উভতাই আনিলে, জিন-জিনিক টোকৰ মাৰি চিঙিলা খোৰাক পৰ্বত বগোৰা, কণাক ৰতন দিয়া এনে ধৰ্ম স্থিৰ আই। আই শৰণ, আই চৰণ, আইক চিন্তিলে নাই কেও মৰণ। আই শৰণীয়া, যাউতী যুগীয়া পৰলৈ নিদিবা এৰি। সৰু আই, বৰ আই, মাজু আই, ঢেক-ঢেকি, টেক-টেকি, গৰু চ'ৰজানে, পুত্ৰ-কন্যা, কোৰা-খাতি, চিলা-খাতি, গোধী-গুৰুলী, ঔৰাঙী-চৌৰাঙী নাও টিঙত গিৰিপনি মৰা। উজাই আহিলে আই ন ভনী শিকিলি চোৰাতে উঠি। হে জগতৰ আই, হে জগতৰ মা আপোনাক এই হেন বাৰে ভালপকা সাজিয়া মধুৰি, শিকিলি পিঠাগুড়ি, বলিয়ে বাহনে, ধুপে-তুলসীয়ে দি ডাঙৰ ৰূপীয়াকে সেৱা ধৰা হৈছে। ঘৰখনত যিকেইটি আছে সকলোকে কুশলে নিৰাপদে ৰাখক।

বিধি বিধাতা ঃ বিধিও দিব লাগে, বিধাতাও দিব লাগে জজালিও সজাল ভাঙিব লাগে নলগোৰাক লগোৰা, নঘুৰোৰাক ঘুৰোৱা, ৰাহু, কেতু, শণি গ্ৰহ, চন্দ্ৰ, মঙ্গল, তৰা নক্ষত্ৰ আদি দূৰ কৰি শুভ মঙ্গল কৰক।

টেকেলা ঃ তামুলী টেকেলা, দৰিয়ালি গোসাঁই, শাক ভাল কৰে গুকতি কথা ভাল কৰে কথকী, ধৰ বুলিলে ধৰা এৰ বুলিলে এৰা তৃতীয়া নহলে জুই নলাগে টনকিয়াল নহলে গাঁও নাভাগে ধানৰ আল কাটিয়ে ভাঙে চুলিৰ আল কাকৈয়ে ভাঙে, দেওৰ জগৰ দেওৱে ভাঙে জগত গুৰু বুঢ়া মহাদেউ গোসাঁই, কী মেথাও বুঢ়ী সুবচনী মা জজালি সজালি যদি বধূ মষ্টি হয়, টেকেলা ডাঙৰীয়াই কৃপা দৃষ্টি কৰি (হৰি শান্তনা মূৰ্ত্তি) ভাল হল বুলি গড় গাঁওলৈ খ্যাতি বঢ়াওক।

## পৰিশিষ্ট ৫

### ২০০৪ চনৰ আমলখি দেওশালৰ উমফা পূজাৰ মুখ্য ম'লুঙ আৰু ম'লুঙসকলৰ নাম

### ফানুৰু ল্যেঙজন ঃ ববদেওশাল ঃ

| | | | |
|---|---|---|---|
| ১। | চাও তিলেশ্বৰ মহন | পাৰিজাত গাঁও | মুখ্য ম'লুঙ |
| ২। | চাও লক্ষীনাথ হাতীবৰুৱা | হাতীবৰুৱাগাঁও | ম'লুঙ |
| ৩। | চাও মণিকান্ত হাতীবৰুৱা | হাতীবৰুৱাগাঁও | ম'লুঙ |
| ৪। | চাও ৰাপাৰাম হাতীবৰুৱা | হাতীবৰুৱাগাঁও | ম'লুঙ |
| ৫। | চাও যোগেন ফুকন | আখৈয়াগাঁও | ম'লুঙ |
| ৬। | চাও জোনাৰাম ছাওবুন ফুকন বৰুতা | কৰঙাগাঁও | ম'লুঙ |
| ৭। | চাও বিশ্ব মহন ফুকন | বানতুঙ নগৰ (টেঙাপুখুৰী) | ম'লুঙ |
| ৮। | চাও কৰুণা দেওধাই বৰুৱা | বাসু চুক | ম'লুঙ |
| ৯। | চাও সোণাৰাম ফুকন | বেলতল | ম'লুঙ |
| ১০। | চাও যোগেন ফুকন | আখৈয়াগাঁও | ম'লুঙ |
| ১১। | চাও নিপেন মহন | লাকুৱা দেওধাইগাঁও | ম'লুঙ |
| ১২। | চাও জ্যোতি ফুকন লাকুৱা | দেওধাইগাঁও | ম'লুঙ |
| ১৩। | চাও লক্ষেশ্বৰ বাইলুং | আখৈয়াগাঁও | ম'লুঙ |
| ১৪। | চাও ভদুৰাম ফুকন | কৰিলাচুক | ম'লুঙ |

| | | | |
|---|---|---|---|
| ১৫। | চাও চন্দ্ৰেশ্বৰ ফুকন | কৰিলাচুক | ম'লুঙ |
| ১৬। | চাও কমল বৰুৱা | নাহৰতলি | ম'লুঙ |
| ১৭। | চাও গিলেশ্বৰ বাহিলুং ফুকন | পাটসাঁকো | ম'লুঙ |
| ১৮। | চাও সৰ্বেশ্বৰ হাতীবৰুৱা | হাতীবৰুৱাগাঁও | ম'লুঙ |
| ১৯। | চাও বিশ্ব চাংকুন ফুকন | চেপন | ম'লুঙ |
| ২০। | চাও জীৱেশ্বৰ ফুকন | আথৈয়াগাঁও | ম'লুঙ সহায়ক |
| ২১। | চাও ডিম্বেশ্বৰ ফুকন | আথৈয়াগাঁও | ম'লুঙ সহায়ক |

হাবিকেকশাল ঃ

| | | | |
|---|---|---|---|
| ১। | চাও টংকেশ্বৰ মহন | হলওৰি গাঁও | মুখ্য পুৰোহিত |
| ২। | চাও মিনাৰাম ফুকন | বনতা | পুৰোহিত |
| ৩। | চাও পুষ্প মহন | জাপিসজীয়া | পুৰোহিত |
| ৪। | চাও মহেন্দ্ৰ বৰুৱা | জাপিসজীয়া | পুৰোহিত |
| ৫। | চাও খগেন মহন | জাপিসজীয়া | পুৰোহিত |
| ৬। | চাও যোগেন মহন | বৰবীটিং | পুৰোহিত |
| ৭। | চাও মেকেন মহন | বৰদেওধাই | পুৰোহিত |
| ৮। | চাও ঘন মহন | বৰগাঁও | পুৰোহিত |
| ৯। | চাও বংশী ফুকন | বৰগাঁও | পুৰোহিত |
| ১০। | চাও উপেন মহন | হাতীবৰুৱা | পুৰোহিত |
| ১১। | চাও উমাকান্ত ফুকন | আথৈয়াগাঁও | পুৰোহিত |
| ১২। | চাও মোহিনী মহন ফুকন | নিজখালেঘোৱা | পুৰোহিত |
| ১৩। | চাও তত্ত্বেশ্বৰ ফুকন | মালিকী গাঁও(জজালী) | পুৰোহিত |
| ১৪। | চাও যজ্ঞেশ্বৰ ফুকন | নাইচেং গাঁও | পুৰোহিত |
| ১৫। | চাও নকুল বৰুৱা | জজালীগাঁও | পুৰোহিত |
| ১৬। | চাও মহেন্দ্ৰ ফুকন | জজালীগাঁও | পুৰোহিত |
| ১৭। | চাও নকুল মহন | মধুপুৰ | পুৰোহিত |
| ১৮। | চাও লিম্ব চেতিয়া | বৰকাং | পুৰোহিত |

## হিলুদেওশাল ঃ

| | | | |
|---|---|---|---|
| ১। | চাও ভোলা মহন | মাজগাঁও | মুখ্য পুৰোহিত |
| ২। | চাও বিনন্দ মহন | মাজগাঁও | পুৰোহিত |
| ৩। | চাও হেম বৰুৱা | মাজগাঁও | পুৰোহিত |
| ৪। | চাও চন্দ্ৰনাথ বৰুৱা | মাজগাঁও | পুৰোহিত |
| ৫। | চাও নাথ বৰুৱা | মাজগাঁও | পুৰোহিত |
| ৬। | চাও বুবুল মহন | মাজগাঁও | পুৰোহিত |
| ৭। | চাও ঘন বৰুৱা | নগাঁও | পুৰোহিত |
| ৮। | চাও ফনীধৰ ফুকন | নগাঁও | পুৰোহিত |
| ৯। | চাও দণ্ডেশ্বৰ বৰুৱা | নগাঁও | পুৰোহিত |
| ১০। | চাও গোলাপ মহন | কবঙা পাবিজাত | পুৰোহিত |
| ১১। | চাও প্ৰবীন ফুকন | হলগুৰিগাঁও | পুৰোহিত |
| ১২। | চাও হৰেন ফুকন | কবঙা পাবিজাত | পুৰোহিত |
| ১৩। | চাও হেমধৰ ফুকন | হলগুৰিগাঁও | পুৰোহিত |
| ১৪। | চাও মহেন্দ্ৰ বৰুৱা | জাপিসজীয়া | পুৰোহিত |
| ১৫। | চাও যোগেশ্বৰ বৰুৱা | কাৰবীটিং | পুৰোহিত |
| ১৬। | চাও সুৰীধৰ কটকী | জাপিসজীয়া | পুৰোহিত |
| ১৭। | চাও খগেন মহন | জাপিসজীয়া | পুৰোহিত |
| ১৮। | চাও ভব মহন | কমাত্ৰা | পুৰোহিত |
| ১৯। | চাও হৰেন ফুকন | মথুৰাপুৰ | পুৰোহিত |
| ২০। | চাও যগেশ্বৰ মহন | বৈৰাগীবৰ | পুৰোহিত |
| ২১। | চাও বিপিন ফুকন | বৈৰাগীবৰ | পুৰোহিত |
| ২২। | চাও ললিত মহন | জাকৰণী | পুৰোহিত |
| ২৩। | চাও চুকন বৰুৱা | বনিয়াগাঁও | পুৰোহিত |

| | |
|---|---|
| দেউৰীসকল | |
| কানুৰ দেওভন | |
| বৰদেউৰী লক্ষীনাথ কটকী, | গাঁও ঃ পাটসাঁকো কৰিলাচুক। |

হিল শাল

| | |
|---|---|
| জিতেন বৰুৱা | গাঁও ঃ পাটসাঁকো, আখৈয়া গাঁও |
| বগা মহন, | গাঁও ঃ বৰবাটিং, বকতা |
| কামেশ্বৰ মহন | গাঁও ঃ মাজগাঁও, বকতা |
| মাদুলীয়ালসকল | |
| বিনন্দ মহন | গাঁও ঃ মাজগাঁও, বকতা |
| নৰেন মহন | গাঁও ঃ মাজগাঁও, বকতা |
| বৰকলী দিয়া জনৰ নাম | |
| ধৰ্ম বঞ্জন বৰুৱা | গাঁও ঃ পাটসাঁকো, আখৈয়া গাঁও |

পরিশিষ্ট নং ৬

## ফুবালুঙত গোবা প্রার্থনা গীত
## (আই চিং লাও)

চাও কাও ঐ
চাও কাও ঐ
চাও কাও ঐ
ফ্রা ট্যু চিং ফ্রম হম ঐ
ফ্রা বেত কা পিন বেত
কা ফুবা জাবা আলাং চি কিয়া বাণী পান
বৈ মুং চাও কাও ঐ
পাক পেন কা কা
চাও চেও খাম
দৈ মা লুং ম্যুং নাম না ঐ
হেউ পাং মুত চি শ্রীং জাও চুপ না
ম' মুন বৌ মুন চেও
জী নাং লুক ইং ম
বৈ মু চাও কা ঐ
আই কে খান আই কে খাম
আই চাং চিং
ম' চিং কা ম' লাওশ্রী পূজাক্ষী
মুরতি আচিংবো চাংখাম কন তুন মান
ম' খাও আং খাও কন তুন মান
ম' ক ম' চিং কন তুন মান

ম' চাম ম' চাই ম' গ্ৰং কন তুন মান
চাম ম' মুন বাই জিম কন তুন মান
ফুক আং লাই বই মৌ চাও কাও ঐ।
অৰ্থাৎ হে ওপৰৰ দেৱতা।
হে জগতৰ শক্তিৰ পৰম আধাৰ। ফ্ৰা ত্যু
চিং ক্ৰম হম। তুমিয়েই বেজন
প্ৰভু! জগতত সকলো ঘটনাৰ তুমিয়েই উৎস।
দৃশ্য জগতৰ সকলোকে তুমিয়েই সৃজন কৰিছা।
সকলো কামেই তুমি নিয়ন্ত্ৰণ কৰিছা।
ফ্ৰা! তুমিয়েই সৰ্বজ্ঞান, সৰ্বত্ৰ বিস্তাৰিত,
আকাৰহীন প্ৰভু! হে মোৰ প্ৰভু! তুমিয়েই
পেন কাকা শাস্ত্ৰ পৃথিৱীলৈ প্ৰেৰণ কৰিলা।
এই শাস্ত্ৰই সৃষ্টি তত্ত্ব আৰু জ্ঞান দিছে।
হে মহান ঈশ্বৰ! তুমিয়েই সকলো সৌন্দৰ্য্য আৰু
আনন্দৰ উৎস! দ'ৰা-ছোৱালীৰ
হাঁহিৰ তুমিয়েই উৎস। হে মহান সৰ্বজ্ঞানী!
আমি তোমালৈ আমাৰ সেৱা আগ বঢ়াইছো।
শব্দ আৰু জ্ঞানৰ দেৱতা, ম' লাওৱী,
পূজাৰুৱী, মুৰুতি আৰু আচিংকা চেংথাম
তোমাৰেই সন্তান। ম'ক ম'চিং সুকন
যি জ্ঞানৰ ভাণ্ডাৰ, তেওঁলোক তোমাৰেই সন্তান।
ম' চাম, ম' চাই, ম' গ্ৰং সকলো তোমাৰ পৰাই
আহিছে সকলোৰে হৈ আমি তোমাক সেৱা
জনাইছো। হে মোৰ মহান প্ৰভু।

## পৰিশিষ্ট 'ক'

# আহোম বুৰঞ্জী ৰজা

## সৌমাৰ দেশলৈ

| নং | ৰজাৰ নাম | লাকনি | ইংৰাজী চন | বুঢ়াগোহাঁইসকলৰ নাম |
|---|---|---|---|---|
| ১ | চুকাফা ৰজা | ১কাপত্যো ৰ্ভ | ১২২৯ | থাও মুন ক্লিংলাং মাৰোই |
| ২ | চুকাফা পুত্ৰ চুত্যেওফা | ১ কামা ৰ্ভ | ১২৬৮ | তেওঁৰ পুত্ৰৰ থাও কন |
| ৩ | চুত্যেওফা পুত্ৰ চুবিনফা | ১ ভাপলা ৰ্ভ | ১২৮১ | ঐ |
| ৪ | চুবিনফা পুত্ৰ চুখাংফা | ২ মুলমা ৰ্ভ | ১২৯৩ | চাও ফং তাম |
| ৫ | চুখাংফা পুত্ৰ চুখ্ৰাংফা | ২ বাইছিলা | ১৩৩২ | ঐ<br>ঐ |
| ৬ | চুখ্ৰাংফা ভাতৃ চুতুফা | ৩ প্ৰেকলি | ১৩৬৪ | থাই থাইখুম |
| | অৰাজক | ৩ মুতলি | ১৩৭৬ | ঐ |
| ৭ | চুতুফা ভাতৃ ত্যাওখামটি | ৩ কাপচিলা | ১৩৮০ | ঐ |
| ৮ | তেওঁৰ পুত্ৰ চুডাংফা বা বামুণী কোঁৱৰ | ৩ ত্যাওত্যেৰ্ভ | ১৩৯৮ | ঐ |
| ৯ | বামুণী কোঁৱৰ পুত্ৰ চুজাংফা | ৩ কমাৰা ৰ্ভ | ১৪০৭ | কোনলুং |
| ১০ | চুজাংফা পুত্ৰ চুফাকফা | ৪ কাইত্যো ৰ্ভ | ১৪২২ | ঐ |
| ১১ | চুফাকফা পুত্ৰ চুচেনফা | ৪ কাত্যো ৰ্ভ | ১৪৩৯ | ঐ |
| ১২ | চুচেনফা পুত্ৰ চুহেনফা | ৪ ত্যাওচিলা | ১৪৮৮ | |

পৰিশিষ্ট 'ক'

# মন্ত্ৰীসকলৰ নাম

## প্ৰথমে অহা ৰজা

| ৰজাগোহাঁইৰ নাম | বৰপাত্ৰৰ নাম | বৰবৰুৱাৰ নাম | বৰফুকনৰ নাম |
|---|---|---|---|
| থাওমুদ কানং | - | - | - |
| তেওঁৰ পুত্ৰ চাওবিন | - | - | - |
| চাওপাৰংখুক | - | - | - |
| খুনতানাৰন | - | - | - |
| তাক্ৰিফিন | | | |
| ঐ | - | - | - |
| ঐ | | | |
| ত্যাওতানফিন | - | - | - |
| ঐ | - | - | - |
| ঐ | - | - | - |
| নাং চুখাম | - | - | - |
| নাংনিৰ | - | - | - |
| ঐ | - | - | - |
| ত্যাওকাংবান | - | - | - |
| কেক ১ | - | - | - |
| নাংবাং ২ | - | - | - |

| | | | | |
|---|---|---|---|---|
| ১৩ | ছুহানফা পুত্র ছুপিমফা | ৪ মুলকে ওঁ | ১৪৯৩ | |
| ১৪ | ছুপিমফা পুত্র ছুহুংমুং ওরফে স্বর্গনারায়ণ দিহিঙিয়া রজা | ৪ কলমা ওঁ | ১৪৯৭ | ফ্রুলুং খামপেঙ্গ রাজমন্ত্রী |
| ১৫ | ছুহুংমুঙর পুত্র ছুক্লেনমুং | ৫ কাবা ওঁ | ১৫৩৯ | ফ্রুলুঙ্গ থামপেঙ্গ ১ ত্যাওচাংবাই - ২ |
| ১৬ | ছুক্লেনমুঙর পুত্র ছুখামফা | ৫ বাইমিত | ১৫৫২ | নাজাননাপে - ১ ত্যাওকেজাম ২ আইখেন রাজমন্ত্রী ৩ |
| ১৭ | ছুখামফা পুত্র ছুচেঙফা ওরফে প্রতাপসিংহ | ৬ দাকবাও | ১৬১১ | চাওপেট |
| ১৮ | ছুচেঙফা পুত্র ছুরামফা ওরফে ভগারজা | ডকাকে ওঁ | ১৬৪৯ | থকবক রাজমন্ত্রী ১ |
| ১৯ | ছুরামফা ওরফে নরিয়া রজা | ৭ বাইঙি | ১৬৫১ | |

বামুনি

| | | | | |
|---|---|---|---|---|
| ২০ | চুচিংফা পুত্র চুতামলা ওরফে জয়ধ্বজ সিংহ | ৭ প্রেকটি | ১৬৫৪ | |

নাংবাঙ

| | | |
|---|---|---|
| কাচেয়ুন বাজমন্ত্রী ১ | কনচেং বাজমন্ত্রী | |
| কিলিংথাম ২ | | |
| | লালি থুপুবা - ৩ | ভনথাম বাজমন্ত্রী ৩ |
| ঐ | | |
| | ১ কনচেং পুত্র | |
| | ১ কনজাং | |
| আইংখেন | বলিয়া | |

| | | | |
|---|---|---|---|
| থামপেটি - ১ | ওলেজোবা | ১ যোমাই তামুলী | ১২ পানীমিছিরীয়া-১ |
| সুকুলা বলু ২ | চেঙমুঙসুবিলতা - ২ | | ১৫ নেওগ - ২ |
| থামচেন - ৩ | মবাপব লাচুবাজ | | ১৬ হ্যালবীঠেলা -৩ |
| ১ সোলা - ৪ | মন্ত্রী ২ | | ৪ শিকতাই - ৪ |
| বেকা - ৫ | | | ১৭ সক চুলুবা - ৫ |
| ২ সকলুবা - ৬ | | | ৪ ঐ শিকতাই - ৬ |
| লিলা - ৭ | | | ১২ঐ পানী মিছিরীয়া৭ |
| ২ ঐ সক বুবা ৮ | | | |
| সুকুলা বলু | সকলুবা | লাহু | ১ ১ লাহেং ১ |
| সুকুলা বলু ১ | সকলুবা ১ | লাহু | ১ ৩ হাতীপোৱালী ১ |

| | | | |
|---|---|---|---|
| শিবিয়া - ২ | চকলাবোবা ২ | ঠেলা | ২ ৪ বলু ২ |
| | হাতীপোৱালী ৩ | সকলুব বাজমন্ত্রী ৩ | |
| সুকুলা বলু | | | |
| সুকুলা বলু ১ | লেচাই ১ | লাই ১ | জপুর ১ |

| | | | |
|---|---|---|---|
| লেচাম ২ | লালি ২ | চেকেলীয়া-২ | ৩ কলচোবা ২ |
| আজন-৩ | | জপা - ৩ | |
| | লালিতেলা | লাই লালি ১ | |

| | | | | |
|---|---|---|---|---|
| ২১ | জয়ধ্বজব পুত্র | ৭ মুংম্লা ওঁ | ১৬৬৩ | আতন বাজমন্ত্রী |
| | ছুপাংমুং ওবফে | | | |
| | চক্রধ্বজ সিংহ | | | |
| ২২ | চক্রধ্বজব ভাতৃ ছুন্যতফা | | | |
| | লালুকসোলা | | | |
| | বা উদয়সিংহ | ৭ কাপচান | ১৬৭০ | |
| ২৩ | ছুন্যতফা ভাতৃ | | | ৩ আতন বাজমন্ত্রী |
| | ছুক্লনফা বা বামধ্বজ | ৭ বাইমিত | ১৬৭২ | |
| ২৪ | খামজাই, ছুহ বজা | ৭ প্রেকত্যোওঁ | ১৬৭৪ | ৩ আতন বাজমন্ত্রী |
| ২৫ | গুবব বজা | ৭ প্রেকত্যোওঁ | ১৬৭৪ | ৩ আতন বাজমন্ত্রী |
| ২৬ | ছুজিনফা | ৭ প্রেকতেওঁ | ১৬৭৪ | ৩ আতন বাজমন্ত্রী |
| ২৭ | ছুদৈফা | ৭ বজমা ওঁ | ১৬৭৭ | ৪ দীঘলা বাজমন্ত্রী |
| ২৮ | ছুলিকফা | ৮ কাচে ওঁ | ১৬৭৯ | ৪ দীঘলা বাজমন্ত্রী |
| | বা ল'বা বজা | | | |
| ২৯ | ছুপাতফা ৭ | ৮ ডাপমুত | ১৬৮১ | মৌওক ১ |
| | গদাধব সিংহ | | | ৫ খামপেঙ - ২ |
| ৩০ | গদাধবব পুত্র | | | লাইচেঙ -১ |
| | লাই বা ছুখ্রংফা | ৮ খুতমিত | ১৬৯৫ | আকুবা খামপেত -২ |
| | বা বুদ্রসিংহ | | | |
| ৩১ | বুদ্রসিংহব পুত্রেক | | | ৬ বায়ন -১ |
| | ছুতনফা বা শিবসিংহ | ৯ প্রেকচি | ১৭১৪ | ৬ ডোমাই -২ |
| ৩২ | শিবসিংহব ভায়েক | | | সোণাই |
| | | ছুনেনফা বা | ৯ কাকেও | ১৭৪৪ |
| | প্রতাপসিংহ | | | |
| ৩৩ | ছুনেনফাব ভায়েক | | | লাঙবাই কলীয়া ১ |
| | ছুবেমফা ওবফে | ৯ ডাপচেও | ১৭৫১ | ভানি - ২ |
| | বাজেশ্বব সিংহ | | | |

| | | | |
|---|---|---|---|
| ১ লাদিচন | (লাই) লাদি ১ | ৬ যৌবন কৌমন<br>লজাও ২ | ৬ যেবা যৌবন ২<br>৭ ল্যাটিচ |
| ৩ আভন বাজমন্ত্রী | ১ লাদিচন | হাবি ১ | ৭ পেলেন ১ |
| | চপা ২ | ১ ডেবেবা - ২ | |
| চেজমুন | চপা | ১ ডেবেবা | লানুকসোলা |
| চেজমুন | চপা | ১ ডেবেবা | লানুকসোলা |
| চেজমুন | চপা | ১ ডেবেবা | লানুকসোলা |
| লানুক | চপা | ৮ কিনকিনিরা | লানুকসোলা |
| ৪ সেন | লেচাম কলা | মেতা - ১<br>১চক্রপাণি ২ | লানুকসোলা |
| ৫ লাইথেপেনা | লেচাম কলা | ১ মবদি - ১<br>১ আলনবুবা ২ | ১৮আথবা ১<br>২ বনথ ২ |
| ৫ লাইথেপেনা বাজমন্ত্রী | কেচোককলীয়া | ১০ টেম্বা (বা) টেক | ৮ সনিকে |
| ৫ লাইথেপেনা<br>পুজেক - মলা কাত<br>বাজমন্ত্রী | চেককল<br>বাজমন্ত্রী | ১ আলনবুবা ১-<br>১১কোতি -২<br>১ তেলা - ৩ | ১ বনজলা ১<br>১০ পাজন ২<br><br>৪ বনাগী - ৮ |
| হরিনাথ বাজমন্ত্রী<br>৭ঠানুবাম -২<br>৭ চেৰ্নবুং ৩<br>থাবচেক মলনবা<br>বাজমন্ত্রী | চেককলন পুজেক<br>পরমানন্দ - ১<br>হরিনাথ-২<br>২ মৃত্যুঞ্জয় | ১ আলনবুবা ১১<br>১২ বানজন -২<br><br>১২ পেজেলা বা<br>কীর্তিধর | ১১বিজয় ১<br>২ ডেবেবা ২<br>১ তেলা মুবন ৩<br>১ তেলাবুবা |
| লোবন - ২<br>৫ বনজলা - ২ | মৃত্যুঞ্জয় পুজেক<br>২ কপুর্দ - ১<br>চেতেলীপল | <br>কীর্তিধর<br><br>বাজমন্ত্রী ২ | <br>১১ বহিথোবা - ১<br>১১ জানুকী -২ |

| | | | | |
|---|---|---|---|---|
| ৩৪ | সুৰামফাৰ ভায়েক<br>সুন্যওফা বা লক্ষ্মীসিংহ | ১ কাকেওঁ | ১৭৬৯ | ভাগি ১<br>ঘনশ্যাম - ২ |
| ৩৫ | লক্ষ্মীসিংহৰ পুতেক<br>হিতপুঙ নাজ মুঙ বা<br>গৌৰীনাথ সিংহ | ১ ডাবকে ওঁ | ১৭৮০ | ঘনশ্যাম ৰাজমন্ত্ৰী ১<br>পুতেক পূৰ্ণানন্দ<br>ৰাজমন্ত্ৰী - ২ |
| ৩৬ | কমলেশ্বৰ সিংহ<br>হিতপুঙ নাজ মুঙ<br>বা গৌৰীনাথ সিংহ | ১০ কাওপ্লা ওঁ | ১৭৯৫ | পূৰ্ণানন্দ ৰাজমন্ত্ৰী |
| ৩৭ | চন্দ্ৰকান্ত সিংহ | ১০ ডাপচে ওঁ | ১৮১০ | পূৰ্ণানন্দ ৰাজমন্ত্ৰী |
| ৩৮ | পুৰন্দৰ সিংহ | ১০ তাওত্যেওঁ | ১৮১৭ | পূৰ্ণানন্দৰ পুতেক<br>ৰুচিনাথ ৰাজমন্ত্ৰী ২<br>ৰুচিনাথ ৰাজমন্ত্ৰী-১ |
| | পুনঃ চন্দ্ৰকান্ত সিংহ | ১০ কাপ্লা ওঁ | ১৮১৮ | ৮ কলীয়া |
| | যোগেশ্বৰ সিংহ | ১০ জাপজা ওঁ | ১৮২১ | ৮ কলীয়ন -১<br>১ বলেশ্বৰ ২<br>১ কলিয়ন ৩ |

আহোম ৰজাৰ শাসন শেষ

আহোমৰ বিষয়াসকলৰ শাসন শেষ

| | | | |
|---|---|---|---|
| বুড়া গঃ বাইলুং | মবাণ - ১ | ১২ অগ্রসেন-১ | |
| ৬ বাজমন্ত্রী | পুতেক কন্দ্রেশব-২ | ([illegible])২ | ১১ কাটি - ১ |
| | | ৪ শিবরাম | ১৩ লাহুন ২ |
| ৫ ভিচুনাবায়ণ ১ | ২কন্দ্রেশব বাজমন্ত্রী-৪ | মায়াতিয়ালন | |
| ৫ পুতেক নির্ভয়নাবায়ণ | ২ অনি -২ | ভাগতি - ১ | ১ সেনাপতি হৃদনাথ-১ |
| ৮ গদাবাম - ৩ | | ১২ জয়নাথ ২ | ৮ পঁগে ২ |
| ৫নির্ভয় নাবায়ণ ৪ | | ১০ বাকতীয়াল ৩ | ১২ মেথি ৩ |
| | | | ১ শিবনাথ -৪ |
| | | | ৩ বকচেতিয়া ৫ |
| | | | হৃদনাথব পুতেক |
| | | | কিনাই কমলচন্দ্র ৬ |
| ৮ গদাবাম ১ | অনি - ১ | ৪ ভাগতি - ১ | ৮ মেজেলা বাজ |
| ৫ নবহবি - ২ | ২ দুর্গেশব -২ | ৮ শ্রীনাথ ২ | যোৱাওকলীয়া |
| | | | তুমুখী ও প্রতাপ |
| | | | কান্ত |
| ৫ নির্ভয় নাবায়ণ | ২ দুর্গেশব পুতেক ১ | | শ্রীনাথ - ১ |
| বাজমন্ত্রী | ২ কন্দ্রেশব-২ | ৪ ধনি- ২ | ১২ কমলচন্দ্র - ২ |
| | ধনি - ৩ | | ১২ কমলাকান্ত - ৩ |
| ১মালভোগ ১ | | ৪ধনি - ১ | কমলাকান্তর পুতেক |
| | | ৪কিনাই- ২ | ১২ নিত্য - ১ |
| | | | ১০ পঁগে - ২ |
| | | | ৮ কিনাই ৩ |
| ৭ গোবিন্দ -১ | ধনি ১ | ৮ বুড়কীয়া ১ | ৮ জাপি ১ |
| ধনঞ্জয় - ২ | ধবলাল ২ | ১৩ প্রভাকর ২ | ১৪ অন্নদায়-২ |
| | | ১২ অজয়চন্দ্র ৩ | ২ নবোদয় ৩ |
| | | ১৪বামনাথ ৪ | |
| বুটাল পুতেক | শিবলী | ১৫বকলাল ১ | বাদুবাম ১ |
| | | ১ শিয়লি২ | |
| | | ৪ ধনি ৩ | ১ শিয়লি ২ |
| | | ১২ [illegible] ৪ | |

## আহোম ৰজাসকলৰ ফৈদ

(১) দিহিঙীয়া, (২) চাৰিঙীয়া, (৩) চামগুৰীয়া, (৪) টিংখঙীয়া, (৫) নামৰূকীয়া এই ৫ ফৈদহে ৰজা

## বুঢ়াগোহাঁই ফৈদৰ নাম

(বিঃ দ্রঃ ৰজাৰ নম্বৰ সংখ্যাহে)

(১) টেঁপৰতলীয়া (২) কুঐগাঁয়া, (৩) বাঁহগৰীয়া, (৪) দিলিহীয়াল (৫) লৰুকীয়া, (৬) বাইলুঙীয়া, (৭) পুখুৰীপৰিয়া, (৮) মটক এই ৮ বিধহে বুঢ়াগোহাঁই

(১) টেঁপৰতলীয়া ফৈদৰ গোহাঁই বিষয়ৰবীয়া - (১৯) হৰিৰ, (৪০) ৰূপেশ্বৰ, কলিমন।

(২) কুঐগয়া ফৈদৰ বিষয়ৰবীয়া — মৌওক, লাইচেং, ভাগি, ভাগি, ঘনশ্যাম, ঘনশ্যাম, পূৰ্ণানন্দ, পূৰ্ণানন্দ, পূৰ্ণানন্দ ৰুচিনাথ, ৰুচিনাথ।

(৩) বাঁহগৰীয়া ফৈদৰ বিষয়ৰবীয়া — (২০) ৩, (২১) ১, (২২) ১, (২৩) ১, (২৪) ১, (২৫) ১, (২৬) ১, (২০) ৩

(৪) দিলিহীয়াল ফৈদৰ বিষয়ৰবীয়া — (২৭) দীঘলা (২৮) দীঘলা, (৩০) আবুৰাখামপেত,

(৫) লৰুকীয়া ফৈদৰ — (২৯) খামপেঙ

(৬) বাইলুঙীয়া ফৈদৰ — (৩১) বায়ন, ডোমাই, (৩২) সোণাই, (৩৩) (সন্দেহ) লাজমাইকলীয়া (৩৪) বাইলুং বৰগোহাঁই হয়।

(৭) পুখুৰী পৰিয়া ফৈদৰ — (৩১) চেকমন,

(৮) মটক ফৈদৰ — (৩৯) কলীয়া (৪০) কলীয়া

## বৰগোহাঁই ফৈদৰ

(১) ভাঁইৰেলা (২) পৰ্বতীয়া (৩) পিলিঙা (৪) মেজাৰবীয়া (৫) মাদুৰীয়াল (৬) কাকুলীয়া

(৭) দিহিঙ্গীয়া (৮) চতাই আলীয়া (৯) বাককীয়াল

(১) গুইমেলা ফৈদৰ বিষয়া — (১৭) সোলা, বেকা, (২০) লেচাই, (২৬) লালুক

(২) পাৰ্বতীয়া — (১৭) সকনুৱা, লিজা, সকনুৱা, চপৰাখোৱা, সকনুৱা (১৮) সকনুৱা

(৩) পিলিঙ্গা —

(৪) মেচাঘৰীয়া — (২৭) সেন

(৫) মাদুৰীয়াল - (২৮) লাইথেপেনা (২৯) লাইথেপেনা (৩০) লাইথেপেন মলাকাত (৩৩) বৰজনা (৩৫) ভিচুনাৰায়ণ, নিৰ্ভয় (৩৬) নৰহৰি (৩৭) নিৰ্ভয়

(৬) কালুগঁয়া — (৩১) হৰিনাথ (৩৪) মাইলুং ৰাজমন্ত্ৰী

(৭) দিহিঙ্গীয়া — (৩১) ঠানুৰাম (৩৯) গোবিন্দ

(৮) চতাই — (৩৫) গজাৰাম, (৩৬) গজাৰাম

(৯) বাককীয়াল — (২০) লাঙ্গিচন, (২১) লাঙ্গিচন (২২) লাঙ্গিচন (৩৮) মালভোগ (৩৯) ধনঞ্জয়

## বৰপাত্ৰ ফৈদৰ নাম

(১) নগা বৰপাত্ৰ (২) কেন্দুগুৰীয়া (৩) কালুগঁয়া

(১) নগাবৰপাত্ৰ বিষয়বৰীয়া — (১৪) কনচেং (১৫) কনজাং

(২) কেন্দুগুৰীয়া — (৩২) মৃত্যুঞ্জয় (৩৩) কম্বুকণ্ঠ (৩৪) মবাণ, (৩৪) কামেশ্বৰ (৩৫) কামেশ্বৰ (৩৬) দুৰ্গেশ্বৰ (৩৭) দুৰ্গেশ্বৰ (৩৭) কামেশ্বৰ

(৩) কালুগঁয়া — (৩১) হৰিনাথ

## আহোম ৰজাৰ দিনত বৰবৰুৱা হোৱা সেই ফৈদৰ নাম

(১) [illegible] (২) [illegible] (৩) বুঢ়াগোহাঁই (৪) সন্দিকৈ (৫) [illegible] (৬) [illegible] (৭) [illegible] (৮) [illegible] (৯) [illegible] (১০) [illegible] (১১) [illegible]

(১২) বকতীয়াল (১৩) কছ্বী (১৪) চিৰিঙ্গ (১৫) খামতি এই কেইজাত

(১) লুখুৰাখন — (১৭) তামুলী (১৮) লাহো (২২) ডেকেৰা (২৩) ডেকেৰা (২৪) ডেকেৰা (২৫) ডেকেৰা (২৭) চক্ৰপাণি (২৮) মৰঙ্গি

(২) বৰপাত্ৰ —

(৩) বুঢ়াগোহাঁই — (১৯) হাতীপোৱালী

(৪) সন্দিকৈ — (১৯) তঙ্গচু (১৯) তঙ্গচু (৩০) বৰাগী (৩৪) শিৱৰাম (৩৫) ভাগতি (৩৬) ভাগতি (৩৭) ধনি (৩৮) ধনি, ঝিনাই (৪০) বালি

(৫) চেংধৰা — (২০) বঙ্গখোৱা

(৬) ঘোঁৰাকোঁৱৰ — (২১) ঘোঁৰাকোঁৱৰ

(৭) চাৰিঙীয়া — (২২) পেলন

(৮) দুৱৰা — (২৬) কিৰকিৰিয়া (৩৬) শ্ৰীনাথ (৩৭) শ্ৰীনাথ (৩৯) জুতকীয়া

(৯) দিহিঙীয়া — (২৮) আলনবুৰা (৩০) আলনবুৰা (৩০) ডেকা (৩১) আলনবুৰা

(১০) লাহন — (২৯) টেমা বা টেফ্ (৩৫) বাঁহকতীয়া

(১১) পাতৰ — (৩০) কোটা

(১২) বকতীয়াল — (৩১) ৰামচন্দ্ৰ (৩২) গেন্ধেলা (৩৩) গেন্ধেলা (৩৪) ভদ্ৰসেন (৩৫) জয়নাথ (৩৯) ভদ্ৰচন্দ্ৰ (৪০) ভদ্ৰচন্দ্ৰ

(১৩) কছ্বী — (৩৯) প্ৰতাৱৰ

(১৪) চিৰিঙ্গ — (৩৯) ৰাধানাথ

(১৫) খামতি — (৪০) বৰজাৰ

(৫) লকৰীয়া বৈদ্যৰ — (২৯) খামপেজ

(৬) বাইলুঙীয়া বৈদ্যৰ — (৩১) বাদন, তোমাই, (৩২) স্পোনাই, (৩৩) (সন্দেহ) [illegible] (৩৪) [illegible] হয়।

(৭) পুখুৰী পৰিয়া বৈদ্যৰ — (৩১) [illegible]

(৮) [illegible] বৈদ্যৰ — (৩১) [illegible] (৪০) [illegible]

## BOOKS & JOURNALS


*Acharyya, N.N.* - *The History of Mediaval Assam, Guwahati : Omsons*

*Allen, B.C.* - *District Gazetteers 1905-1909 (Sibsagar, N.Lakhimpur, Kamrup and Nowgong), Calcutta-1905*

*Anderson, Benedict* - *Monologue on Ahom Studies, Cornell South East Asia Programme, 1990.*

*Backus, Charles* - *The Non-Chao Kingdom and Tang China's South-Western Frontier, Cambridge University Press, 1981*

*Bahadur, Rai K.L. Barua* - *Early History of Kamrupa - 1993*

*Barupujari, H.K.* - *Assam in the days of the company (1826-1858) Spectrum publication, Guwahati-Second edition-1980.*

*Barua, B.* - *Ahom Lexicons, DHAS, Guwahati - 1991*

*Barua, Golap Ch.* - *Ahom Buranji (With English Translation) Government of Assam - 1930*

*Barua, B. K.* - *A Cultural History of Assam - 2003*

*Barua, K.L.* - *Early History of Kamrupa, Lawyer's Book Stall, Guwahati - 1966*

*Barman, S. L.* - *Last days of Ahom Monarchy - 1993.*

*Barman, Nalinindra Kumar* - *The Queens of Cachar or Herambo and the History of Cachari - Published by the author For Historical and cultural Research Samity, Cachar-1974.*

*Barkataki, Padma - (Edited), The Great General of the Ahom Kingdom (17th Century, Assam) - 1999*

*Bhattacharyya, Satish - The Hero of Saraighat Lawyer Book Stall, Guwahati,1990.*

*Bhuyan, S. K. - An Account of Assam, by Frasncis Hamitton, Guwahati, 1963*

*Bhuyan, S. K. - Tungkhungia Buranji (English) edition A.D. 1681 to A.D. 1826, Oxford University Press*

*Bhuyan, S.K. - Lachit Borphukan and his tiimes, Lawyer Book Stall, Guwahati - 1994*

*Bhuyan, S. K. - Atan Buragohain and his times, Lawyers' Book Stall, Guwahati - 1992*

*Bhuyan, S. K. - Anglo-Assamese Relations 1771-1826, Lawyer Book Stall, Guwahati - 1974.*

*Bhuyan, S. K. - Annals of the Delhi Badshate, Kamrup Anusandhan Samity, 1947*

*Bhuyan, Arun Chandra - (Edited) - Political History of Assam - Vol.2 (1920-1939), Government of Assam - 1978*

*Blus, Charles - Siamese Sketches, Bangkok, 1994*

*Bora, Dr. Mahendra - (Edited) Weissalisa, Dibrugarh University, 1977*

*Borooah, Anundoram - Ancient Geography of India - Publication Board, Assam - 1971.*

*Botham, A.W. - Catalogue of Provincial Coin Cabinet, Assam - Allahabad 1930*

*Broman, B.M. - Early Political Institutions of the Thai : Synthesis and symbiosis, University of Washington Thesis, 1968*

*Buragohain, Ramesh - The Lost Trails (Vol.I), Published by General Secretary, Ban-Ok-Pup-Lik-Mioung-Tai, Dhemaji, Assam, First Edition, 1994*

*Buragohain, Ramesh - Ahom State Formation in Medieval Assam (1826-1714) - 2007.*

*Butler, J. - Travels and Adventures in the Province of Assam, 1855*

*Chatterjee, S.K. - The Place of Assam in the History and Civilization of India (Kakati memorial lectures) Guwahati, 1954*

*Chen, Lufan - Whence came the Thai race an inquiry, Kunming, 1990*

*Choudhury, R.D. - (Compiled) - A source Book of the Numismatic studies in North-East India Vol.I, 1986*

*Chetia, Satyanath - Tai Ahom Marriage, Guwahati-2005*

*Cochrane, W.W. - The Shans (Vol.I) Rangoon, 1915*

*Coedes, G. - The Indianized States of South East Asia, edited by W.F. Vella and Translated by S. Brown Cowing, Canberra, 1968*

*Coloquhoun, A.R. - Amongst the Shans, Newyork : Paragon Book Reprint, 1970*

*Cushing, J.N. - Grammer of the Shan Language, Burma, 1892*

*Devi, Mrs. Lakshmi - Ahom-Tribal Relations (A Political Study) - Lawyers Book Stall - 1992*

*Dhanoa, Belinder and Harinder - Hsuan Tsang's journey to India, Illustrator - Paulina Dhano, National Book Trust, India, 1988*

*De, B. (Translated) - The Tabaqa¯t-I Akbari¯ of Khwa¯jah Niza¯muddin Ahmed, Vol.I, The Royal Asiatic Society of Bengal, 1973.*

*De, B.(Translated and annotated) - The Tabaqa¯t-I Akbari¯ of Khwa¯jah Niza¯muddin Ahmed Revised & edited by Baini Prasad work No.225, Vol.III, Part-II, issue No.1535, New series Published by the Royal Asiatic Society of Bengal, 1939*

*De, B.(Translated and annotated) - The Tabaqa¯t-I Akbari¯ of Khwa¯jah Niza¯muddin Ahmed Revised & edited by Baini Prasad work No.225, Vol.III, Part-I, issue No.1531, New series Published by the Royal Asiatic Society of Bengal, 1939*

*Dev, Monoj Kr. (Edited) Assam Information, 1999*

*Devi, Mrs. Lakshmi - Ahom-Tribal Relations (A Political Study), Lawyer Book Stall, Guwahati, 1992*

*Dodd, William Cliffon -The Tai Race-The Torch Press, Iowa-1923.*

*Dutta, S. K. (Edited) -Asom Buranji, DHAS, Assam, 1958*

*Elias, N. - Introductory sketch of the History of the Shans in upper Burma and Western Yunnan, Calcutta-1876.*

*Friel, R; Bothem, A.W. -Supplement to the Catalogue of the Provincial Cabinet of coins, Assam - 1919.*

*Frowde, Henry - The Imperial Gazetteer of India, Vol.IX, Oxford Clarendon Press, 1908*

*Gait, Sir Edward - A History of Assam, Calcutta : United Commercial Press, 1967*

*Gazetteer of India - Assam State Sibsagar District, Govt. of Assam, Shillong, 1967*

*Gogoi, Anima - Pillars of Nation Building: Joymati and Lachit Barphukan - 2007.*

*Gogoi, Dr. Puspadhar -Tai of North-East India-1996.*

*Gogoi, Padmeswar - The Tai Ahom Religion and Customs, Guwahati, 1976*

*Gogoi, Padmeswar - The Tai and the Tai Kingdoms, Department of Publication, G.U. - 1968.*

*Gogoi, Mr. Puspa (Editor)- 'The Tai' - Ban-Oke-Pup-Lik-Mioung Tai, Dhemaji, India, 1995*

*Gogoi, Nitul Kumar - 'Continuity and change among the Ahom', Concept Publishing Company, New Delhi, 2006*

*Gohain, B.K. - The Hill Karbis - 1984.*

*Gohain, U.N. - Assam Under Ahoms - Published by R.K. Publications, Guwahati, Second Edition, 1992.*

*Gohain, U.N. - A Short Note on the Thai, Jorhat, 1950*

*Gosselin, C. - Le Laos et le protectorat francais, Paris, Perrim et cie, 1900*

*Grierson, G. A. - Linguistic Survey of India, Vol.II, Mon-Khmer and Siamese-Chinese Families, (including Khassi and Tai) Delhi : Motilal Banarsidass, 1966 (Reprint)*

*Hall, D.G.E. - A History of Sounth-East Asia,Macmillan & Co. Ltd. Second Edition - 1964.*

*Hall, D.G.E.* - *A History of Sounth-East Asia Forth Edition-1981.*

*Hamilton, Bachanan Francis* -*'An Accounts of Assam' edited by S. K. Bhuyan, DHAS, Guwahati 1940.*

*Harvey, G.E.* - *History of Burma, Calcutta, 1925*

*Hazarika, Chow Nagen (Edited)* - *Ti-Chow-Fa 769 L.S.*

*Hoontrokul, L.* - *The Historical Records of the Siamese - Chinese Relations, Bengkok, 1953*

*Hunter, W.W.* - *A Statistical Account of Assam, Vol.-VI, Trubner & Co. London-1876.*

*Hunter, W.W.* - *A Statistical Account of Assam, B.R. Publishing Corporation, Delhi-1982.*

*Hunter, W.W.* - *A Statistical Account of Assam, Vol.2, 1879*

*Jumsai,M.L. Manich* -*Popular History of Thailand - Chalermnit.*

*King Rama-I of Siam* -*Thai Ramayana 1982*

*Kakati, B.K.* - *The Mother Goddess Kamakhya, Lawyer Bookstall, Guwahati 1967*

*Lik' Phan Tai* - *Vol.II, Tai Historical & Cultural Society, Guwahati, 1981*

*Lebar, F.M.* - *Ethnic Groups of Mainland South-East Asia, New Haven, 1964*

*Lefervre, E.* - *Travels in Laos (The Fate of the Sing Song Pana and Muong Sing) (1894-1896) - 1995.*

*Lehman, F.W.* - *Ethnic Categories in Burma and the theory of Social Systems in South East Asian Tribes, Minorities & Nations,*

*Princeton University.*

*Leach, E.R. - Political Systems of Highland Burma, A Study of Kochin Social Structure, London School of Economics Monographs on Social Anthropology, No.44, London, The Athlone Press, 1970.*

*Machkenzie, A. - The North East Frontier of Bengal, Calcutta, 1884*

*Majumdar, R.C. - Hindu Colonies in the Far East, Calcutta, 1854*

*M'cosh, John - Topography of Assam - 1986*

*Mills, A.J. Maffat - Report on the province of Assam, Calcutta, 1854*

*Neog, Maheswar (Edited)-Pabitra Asom, Asom Sahitya Sabha, Jorhat, 1959*

*Pemberton, M.B. - Report on the Eastern Province of British India, Calcutta, 1853*

*Phukan, J.N. - Documentary History of the Ahoms Vol.I Chao-Lung-Siu-Ka-Pha, Ramesh Buragohain, Ye Hom Buragohain - Celebration Committee 770th Anniversary Year of Chao-Lung-Siu-Ka-Pha, 1998.*

*Phukan, Dr. J.N. & Ye Hom Buragohain (Compiled and Edited) - Catalogue of Ahom & Other Tai Manuscripts, DHAS, Guwahati, Assam, 2006.*

*Phukan, J.N. - Lik Phan Tai, Guwahati, 1981*

*Phukan, J.N. - "The Ahom Religion" as published in "The Last Trails",Guwahati.*

*Phukan, Dr. J.N. - An Introductory Primer & Grammer of Ahom (Tai) Language, 2008*

*Phukan, Sarat Kumar - Toponomy of Assam, Omsons Publications, New Delhi, 2001*

*Phukan, Chao Biswa Changbun (Compiled) - Lit Lai Pyen Ka ka.*

*Phayre, Sir Arthar - History of Burma, London*

*Prasad, Baini - The Tabaqa¯t-I Akbari¯ of Khwa¯jah Niza¯muddin Ahmed, Vol.III Work No.225, Vol.I Part-III, issue No.1538, New series, Published by the Royal Asiatic Society of Bengal, 1940*

*Proceedings of the 6th International Conference on Thai Studies, Theme IV Vol.I, Chiang Mai, Thailand 1996*

*Proceedings of the 6th International Conference on Thai Studies, Theme IV Tradition and Changes at Local / Regional levels Vol.II, Chiang Mai, Thailand, 1966*

*Proceedings of the 6th International Conference on the Thai Studies, Theme VI Chiang Mai, Thailand, 1996*

*Proceedings of the 6th International Conference on Thai Studies, Theme VII Chiang Mai, Thailand, 1996*

*Robinson - A Descriptive Account of Assam, 1809*

*Sarma, A.C. - Tai Ahom System of Government, B.R. Publishing Corporation, Delhi, 1986.*

*Scott, J.G. (Compiler) - Gazetteer of Upper Burma and the Shan States, Part-I, Vol.I, Rangoon : Superintendent Government Printing, 1900*

*Seidenfaden, Major Erik - The Thai Peoples, Book-I, The Siam Society, Bangkok, 1967*

*Shakespear, L.W. - History of Upper Assam, Upper Burma and North Eastern Frontier - 2004.*

*Siffin, W.J. - The Thai bureaucracy, Honolulu, 1966*

*Sinha, Dr. C.P.(Edited) - Proceedings of the 5th Session of Indian Art History Congress, 1997*

*Tarling, Nicholas - The Cambridge History of Southeast Asia Volume-I, Cambridge University Press, 1992*

*Tai Manuscript Vol.I - Loti Amra, 2007*

*Terwiel, B.J. - The Tai of Assam, Vol.I & II, Gaya, 1980*

*Terwiel, B.J. - The Origin of the Tai peoples, Reconsidered, Oriens Extremus, Volume 25, 1978*

*Tin, Pe Maing & G.H. Luce (Translated) - The Glass Palace Chromicle of the Kings of Burma, Rangoom University Press, 1960.*

*Tripathi, Chandra Dhar- Aspects of the Medieval History of Assam-2002.*

*Wade, Dr. John Peter- An Account of Assam, Edited by B. Sharma, Guwahati, 1972*

*Wales, H.G.O. - Ancient Siamese Government and Administration, New York, 1965*

*Wales, H.G.O. - The Mountain of God, London, 1953*

*Wales, H.G.O. - The making of Greater India, London, 1951*

*Wales, H.G.O. - Siamese State Ceremonies, their*

*History and Function, London, 1931*

*Yongkian, Luo (Compiled) - A Dictionary of Dehong, South-West China, 1999*

**Magagines, Journal etc.**

*"A Comparative Sketch of White, Black and Red Tai" by W.J. Gedney Social Science Review, Bangkok, 1964.*

*"A Research on Ancient 'Siam-Dai' Kingdoms by Huang Huikan published in 4th I.C.T.S. proceedings.*

*"A Comparision of Cultures between Dai and Thai" by Zhang Yuangquing, published in 4th I.C.T.S. proceedings.*

*"A Summery of Pre-Historic Research in Thailand" by Nanlin Peng, published in 4th I.C.T.S. proceedings.*

*"Buddhism and the Shans" by Saikham Mong published in 6th I.C.T.S. Proceedings.*

*"Chao-Lung-Hso-Ka-Pha and his Administration by Dr. Arun Barua. The advent of "Hso-Ka-Pha", published in 'Saraighat" Guwahati, 1997*

*"Cultural and Geographical observations made in the Tai (Yunnan) Region", by W. Credner, JSS, 1935*

*"Divination by Ahom Deodhais" by P. Gogoi, Journal of the Siam Society, Vol.XLII, Pt-I, PP-49-52, August 1955*

*"From ancient Thai to Modern Dialects A Review" by W.J. Gedney, Social Science Review, Bangkok, October 1965*

*Indian Journal of Tai Studies - Vol.I, Editor-Girin Phukan, Institute of Tai Studies and Research, Moranhat, 2001*

*Indian Journal of Tai Studies - Vol.II, Institute of Tai Studies and Research, Moranhat 2002*

*Indian Journal of Tai Studies - Vol.V, Editor - Girin Phukan, Institute of Tai Studies and Research, Moranhat, 2005*

*Lachit Borphukan - The Great General of 17th Century Assam, Talk by Lt Gen. (Retd.) S.K. Sinha, Governor of Assam, 1999*

*Lachit Borphukan - The Great General of Assam Victor of the Battle of Saraighat - 1670 A.D - Address by Lt. Gen (Retd.) S.K Sinha, Governor of Assam, 2000*

*"Nanchao, Tai People and Homeland Yunnan A competing process of modern nationalisms between China & Thailand" by Hsieh Sihng-Chung, Published in the proceedings of 6th I C T S*

*"On Tai's Origin", by Chen Lufan, published in the journal of the Institute of South East Asian Studies, 1989*

*"On the Relationships between Dehong Dai and Ahom Dai" by Hongyun & Yuanxiuo printed in the proceedings of the I.C.T.S., China*

*"On Tai's Origin", by Chen Lufan, published in the Journal of the Institute of South East Asian Studies, 1989*

*"Problems of Thai Pre-history" by F.W. Mote Social Science Review, Bangkok, 1966*

*"Symposium of the Pre-history of the Thai People' by F.W.*

*Mote, Social Science Review, Bangkok, 1966, June*

*"Siamese History Prior to the founding of Ayeddhya", by Prince R. Damrong, selected articles from JSS, Vol.III, 1959*

*"The Ahom : an Appraisal of a Reviving and Revitalizing Trend" by I. Barua, Bulletin of the Department of Anthropology, Dibrugarh University, Vol.VI, PP 59-64, 1977*

*"The Dai of China: A preliminary Study of a National Minority" by Jean Berlie, Published in the Eastern Anthropologist*

*"The State of Knowledge of Ahom History" by Nartsuphy Chatthip and Wichasin Ranoo, published in Tai Culture Vol.III No.1*

*"The Tai Nua or Mao (Peng)? The ethnic link between Yunnan and Assam" by Dr. Jean Berlie, repreinted in The Tai edited by Nagen Hazarika and Puspa Gogoi.*

*"The Early Syam in Burma's History" by G.H. Luee, JSS 1958, 1959*

*"The Rise of Nanchao in Yunnan" by M. Blackmore, Journal of South East Asian Studies, Vol.I, 1960*

*"The History of the Thai in Yunnan" by M. Carthew, Journal of the Siam Society(JSS) Vol.40, Pt.I, 1952*

*"The Appearance and Historical usage of the terms Tai, Thai, Siamese, Lao", by L.P. Briggs,*

*Journal of the American Oriental Society, Vol.9, 1949*

*"The Ancient Civilization in Lumphun province prior to the Mid 13th Century, based on the archaeological evidence" by Phasook, Indrawooth, published in the 6th International Conference on Thai Studies proceedings, 1996*

*"The Twentieth Century Biographies of a Community: Brokering the Tai-Ahom" by S.Y. Saikia, published in the proceedings of the 6th International Conference on Thai Studies, Chiang Mai, 1996*

*"The Camparison of Cultures between Dai and Thai" by B.J. Teriwiel reproduced by Nagen Hazarika and Puspa Gogoi in 'The Tai'.*

*"Term Zhao and the Theories in Relation to it" by Shen Jing Fang, published in 4th I.C.T.S.*

## মুখ্য সমল

**(ক) অপ্ৰকাশিত সাঁচিপতীয়া পুথি ঃ**

আপটাং ঃ চিকিৎ মহন্তৰ লেখা বুলি জনা যায়। প্ৰাপ্তিস্থান - ভিৰেশ্বৰ মহন, বকতা পানিজাত গাঁও।

ওম্‌কা পূজা বিধি ঃ ভিৰেশ্বৰ মহনৰ সৌজন্যত,
বকতা পানিজাত গাঁও।

কাংকাই ঃ চিকিৎ মহন্তৰ লেখা বুলি জনা যায়।
প্ৰাপ্তিস্থান ঃ ভিৰেশ্বৰ মহন, বকতা পানিজাত গাঁও।

কাঠি বানহেং ঃ ভিৰেশ্বৰ মহনৰ সৌজন্যত,
বকতা পানিজাত গাঁও।

থেক লাই ডাম্ ফী ৰাম : গিৰীন মহং বৰুৱা

প্ৰাপ্তিস্থান - তিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও।

জাহিংফা পূজা বিধি : প্ৰাপ্তিস্থান - তিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও।

ডয়ফুৰা : চিকিৰ মহঙৰ লেখা বুলি জনা যায়।

প্ৰাপ্তিস্থান - তিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও।

ৰানছেং : পদুৰাম মহঙৰ লেখা বুলি জনা জনা যায়।

প্ৰাপ্তিস্থান - তিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও।

ৰাজ বুৰঞ্জী : লেখক অজ্ঞাত

প্ৰাপ্তিস্থান - তিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও।

লিট্ লাই পেঁঞ্ কা কা : লেখক অজ্ঞাত।

প্ৰাপ্তিস্থান - তিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও।

ডাংজেং দেওধাই, (কেশৰাম (প্ৰতিঃ) : নেমিয়াং ফুৰা, ছাউ ছেং বঙ্ ফুৰা

শ্ৰীফণীধৰ ফুকন, ৰকতা হলগুৰি গাঁও

লাইতু : শ্ৰীনকুল বৰুৱা, জজলীহাবি গাঁও।

পাত্ নাম লাই : শ্ৰীতিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও।

কাইঠেং : শ্ৰীলক্ষেশ্বৰ মহন, ৰকাং - গাঁও।

লতি অম : শ্ৰীতিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও।

ৰৰফাই : শ্ৰীতিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও।

ফুন্‌ক মুঙ্ : শ্ৰীতিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও।

মেউ বুৰঞ্জী পুথি : শ্ৰীতিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও।

কাঠি ৰানছেং : শ্ৰীজীৱেশ্বৰ ফুকন, সাগৰৰেৱা গাঁও।

## গ্ৰন্থপঞ্জী

**অসমীয়া (মৌলিক)**

**গগৈ, ড° নিত্যানন্দ (সম্পাদক) - অসম বুৰঞ্জী (১৬৬০-১৭১২ খ্ৰীঃ), ২০০০**

চৌধুৰী, প্ৰতাপ চন্দ্ৰ (সম্পাদক) - অসম বুৰঞ্জী সাৰ, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৯১

দত্ত, শৰৎ কুমাৰ (সম্পাদক) - অসম বুৰঞ্জী (১৬৪৮-১৬৮১ খ্ৰীঃ) অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৫৮

দেৱগোস্বামী, হেমচন্দ্ৰ (সম্পাদনা) - পুৰণি অসম বুৰঞ্জী, কামৰূপ অনুসন্ধান সমিতি, গুৱাহাটী, ১৯২২

ভূঞা, ড° সূৰ্য্য কুমাৰ - অসম বুৰঞ্জী (সদৰ আমিন) অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ

ভূঞা, ড° সূৰ্য্য কুমাৰ - অসম বুৰঞ্জী (সুকুমাৰ মহন্ত), ১৯৬০

ভূঞা, ড° সূৰ্য্য কুমাৰ (সম্পাদক) - অসমৰ পদ্য বুৰঞ্জী, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৬৪

ভূঞা, ড° সূৰ্য্য কুমাৰ - কছাৰী বুৰঞ্জী, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৫১

ভূঞা, ড° সূৰ্য্য কুমাৰ - কলিভাৰত বুৰঞ্জী (পদ্য বুৰঞ্জী) অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৬৪

ভূঞা, ড° সূৰ্য্য কুমাৰ (সম্পাদনা) - কামৰূপৰ বুৰঞ্জী, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৬০

ভূঞা, ড° সূৰ্য্য কুমাৰ - জয়ন্তীয়া বুৰঞ্জী, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৬৪

ভূঞা, ড° সূৰ্য্য কুমাৰ - তুংখুঙীয়া বুৰঞ্জী, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৬৩

ভূঞা, ড° সূৰ্য্য কুমাৰ - ত্ৰিপুৰা বুৰঞ্জী, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৬২

ভূঞা, ড° সূৰ্য্য কুমাৰ - দেওধাই অসম বুৰঞ্জী, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৫৮

ভূঞা, ড° সূৰ্য্য কুমাৰ (সম্পাদক) - পাদশাহ বুৰঞ্জী, কামৰূপ অনুসন্ধান সমিতি, গুৱাহাটী- ১৯৩৫

ভূঞা, ড° সূৰ্য্য কুমাৰ - বেলিমাৰ বুৰঞ্জী (পদ্য বুৰঞ্জী), অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৬৪

ভূঞা, ড° সূৰ্য্য কুমাৰ (সম্পাদক) - সাতসৰী অসম বুৰঞ্জী, ১৯৭৪

তাই আহোম লিখকৰ দ্বাৰা সংগৃহীত

সাঁচিপতীয়া পুথি (লিখকৰ দ্বাৰা সংগৃহীত) (তাই আহোম ভাষাত লিখা)

(১) মহন, দেওধাই, বাইলুং বুৰঞ্জী

(২) গুণিত বুৰঞ্জী

(৩) আহোম ৰজাৰ গা ধোৱা পুথি

(৪) যুদ্ধ পুথি

(৫) ইধাং ঙিধাং বুৰঞ্জী

(৬) পূজা বিধি

(৭) দৰা কন্যা চোৱা (ফেম্লুং গণনা পুথি)

(৮) ৰাজ বুৰঞ্জী (দুই খণ্ড)

১ম খণ্ড ঃ খুন্‌লুং খুন্‌লাই - গদাধৰ সিংহ

২য় খণ্ড ঃ ৰুদ্ৰসিংহ - প্ৰমত্ত সিংহ

(৯) ৰাজ বুৰঞ্জী (চ্যুতন ফাৰ পৰা চ্যুতিন ফা)

(১০) ফি-বুৰঞ্জী

(১১) বুৰঞ্জী ৰামধ্বজৰ পৰা গদাধৰ সিংহ

**(ক) অপ্ৰকাশিত সাঁচিপতীয়া পুথি ঃ**

| | |
|---|---|
| আপটাং | ঃ চিকিৎ মহন্তৰ লেখা বুলি জনা যায়। |
| | প্ৰাপ্তিস্থান তিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও। |
| ওম্‌ফা পূজা বিধি | ঃ তিলেশ্বৰ মহনৰ সৌজন্যত, ৰকতা পাৰিজাত গাঁও |
| কাংফাই | ঃ চিকিৎ মহন্তৰ লেখা বুলি জনা যায়। |
| | প্ৰাপ্তিস্থান ঃ তিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও। |
| কাঠি ৰানছেং | ঃ তিলেশ্বৰ মহনৰ সৌজন্যত, ৰকতা পাৰিজাত গাঁও। |
| খেক লাই পূজা বিধি | ঃ লিখীন ৰাং ৰকলা। |
| | প্ৰাপ্তিস্থান- তিলেশ্বৰ মহন, ৰকতা পাৰিজাত গাঁও। |

জাহিংকা পূজা বিধি : প্রাপ্তিস্থান : তিলেশ্বর মহন, বকতা পানিজাত গাঁও।

ডয়ফুবা : চিকিন মহন্তর লেখা বুলি জনা যায়।

প্রাপ্তিস্থান : তিলেশ্বর মহন, বকতা পানিজাত গাঁও।

বানচেং : পদুমাম মহন্তর লেখা বুলি জনা যায়।

প্রাপ্তিস্থান : তিলেশ্বর মহন, বকতা পানিজাত গাঁও।

যাজ বুরঞ্জী : লেখক অজ্ঞাত।

প্রাপ্তিস্থান : তিলেশ্বর মহন, বকতা পানিজাত গাঁও।

লিট্ লাই পেঁএ কা কা : লেখক অজ্ঞাত।

প্রাপ্তিস্থান - তিলেশ্বর মহন, বকতা পানিজাত গাঁও।

ডাংডেং দেওধাই, কেন্দ্ৰাম (প্রভৃতি) : লেখিয়াং ফুকা, ডাউ চেং বড় ফুকা

শ্রী কমীশ্বর ফুকন, বকতা হলওবি গাওঁ।

লাইতু : শ্রী নকুল বরুয়া, জজলীয়াবি গাওঁ।

পাত্ নাম্ লাই : শ্রী তিলেশ্বর মহন, বকতা পানিজাত গাওঁ।

কাইঠেং : শ্রী লক্ষেশ্বর মহন, কাকাং গাওঁ।

লতি অম্র : শ্রী তিলেশ্বর মহন. বকতা পানিজাত গাওঁ।

ববফাই : শ্রী তিলেশ্বর মহন. বকতা পানিজাত গাওঁ।

ফুন্ ক যুও : শ্রী তিলেশ্বর মহন. বকতা পানিজাত গাওঁ।

দেউ বুরঞ্জী পুথি : শ্রী তিলেশ্বর মহন. বকতা পানিজাত গাওঁ।

কাঠি বানচেং : শ্রী জীবেশ্বর ফুকন, সাপখাবো গাওঁ।

(খ) গ্রন্থপঞ্জী

কাকতি, পুতলী (সম্পাদনা) - অসমৰ বিভিন্ন জনগোষ্ঠীৰ বিবাহ পদ্ধতি, ২০০৭

খাওতেক চাও বিন হাড্ বুন্ ফুকন - মর ক্লা (তাই প্রার্থনা)

গগৈ, ড° লীলা - টাই সংস্কৃতির রূপরেখা - শ্রীভূমি পাবলিশিং কোম্পানী, কলিকাতা - ১৯৮৫

গগৈ, ড° লীলা - বুরঞ্জীর রূপরেখা : শিলালেখ - ১৯৯৪

গগৈ, ড° লীলা - বুরঞ্জীয়ে পোহৰ নপৰা - ১৯৯৪

গগৈ, ড° লীলা - বেজি মাৰ গ'ল - ১৯৮৯

গগৈ, চাও নোমল - তাই ভাষাৰ ব্যাকৰণ - ১৯৯০

গগৈ, চাও লোকেশ্বৰ - তাই জনসংস্কৃতি (প্ৰথম খণ্ড) - ১৯৯৪

গগৈ, পুষ্প - আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্য - ১৯৮৫

গগৈ, ড° পুষ্পধৰ - আহোম বুৰঞ্জী ২ য় খণ্ড - ১৯৯৯

গগৈ, চাও পুষ্প - চীন দেশৰ তাই গাঁৱৰ মাজে মাজে - পূৰ্বাঞ্চল তাই সাহিত্য সভা - ১৯৯৪

গগৈ, কিৰণ কুমাৰ - তাই ইতিহাসৰ হিৰণ্য-গৰ্ভ

গগৈ, লাৱণ্য - ৰজা আৰু ৰাজনগৰ - ১৯৭৮

গগৈ ফুকন, ড° ৰত্নিবাণী - অসমৰ বৌদ্ধ ধৰ্মাৱলম্বী টাই সকলৰ জনজীৱনত এভূমুকি - পূৰ্বাঞ্চল তাই সাহিত্য সভা - ২০০২

গগৈ, ৰগেন (সম্পাদনা) - তাই সংস্কৃতি, পূৰ্বাঞ্চল তাই সাহিত্য সভা, ধেমাজি, প্ৰথম প্ৰকাশ, ১৯৯৪

গোহাঁই, ধীৰেন্দ্ৰ কুমাৰ - মহামতি ছ্যুকাফা - ২০০০

গোহাঞি, ড° ধীৰেন্দ্ৰ কুমাৰ - তাই আহোম সৃষ্টি-তত্ত্ব আৰু অন্যান্য প্ৰসঙ্গ - পূৰ্বাঞ্চল তাই সাহিত্য সভা - ২০০৫

গোহাঞি, ৰুদ্ৰধৰ - চাও ল্যুং চুকাফা আৰু টাই আহোমৰ ধৰ্ম - ১৯৯৪

গোহাঞি বৰুৱা, পদ্মনাথ - অসমৰ বুৰঞ্জী - অসম প্ৰকাশন পৰিষদ - ১৯৭৬

গোস্বামী, প্ৰকাশ, চৌধুৰী, সতীশ চন্দ্ৰ (সম্পাদনা) - বুৰঞ্জীৰ প্ৰকৃতি আৰু স্বৰূপ, অসম সাহিত্য সভা ১৯৯১

চাংবুন ফুকন, চাও যজ্ঞেশ্বৰ - খাম চিঙ্ লাওফুৰা - ২০০৬

চেতিয়া, ড° বিপিন, ড° পদ্মেশ্বৰ গগৈ - ১৯৯২

চেতিয়া, চাও ডিম্বেশ্বৰ - অকণিৰ আহোম বুৰঞ্জী - বনলতা - ১৯৯৬

চেতিয়া, ডিম্বেশ্বৰ - অকণিৰ চাওলুং চুকাফা - বাণী মন্দিৰ - গুৱাহাটী - ১৯৯৮

চেতিয়া, কুলু - ইতিহাস আৰু কিম্বদন্তিৰ দাপোণত লংকাক যমুনামুখ দেওশাল, শিৱসাগৰ, ২০০৩

চুতীয়া, গুণকান্ত - ড° লীলা গগৈ (শিশু সাহিত্য) - ১৯৯৫

জুইকুন ফুকন, চাও জোনাৰাম - লিক্‌তাই আহোম - ২০০৬

জো, চাও ল্যু - আহোম যুগৰ মৈদাম স্থাপত্য -প্ৰভাত সাহিত্যালোচনা চক্ৰ, বহা - ১৯৯৯

তামুলী, লক্ষ্মীনাথ - বুৰঞ্জী আৰু বিতৰ্ক - লয়াৰ্ছ বুক ষ্টল - ১৯৯৬

দত্ত, শৰৎ কুমাৰ (সম্পাদিত) - 'অসম বুৰঞ্জী' - বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম চৰকাৰ - ১৯৫৮

দত্ত, মনোৰঞ্জন - পুৰণি অসম (জুমৰ পৰা সামন্তবাদলৈ) - ১৯৯৭

দিহিঙ্গীয়া, নাং প্ৰীতিৰেখা মহন - পাটসাকো অঞ্চলৰ সাঁচিপতীয়া পুথিৰ অধ্যয়ন, পূৰ্বাঞ্চল তাই সাহিত্য সভা - ২০০৬

দেওধাই বৰুৱা, চাও বাণী - মোৰ দৃষ্টিৰে পেন্ কাকা'ৰ ফুৰালুং দৰ্শন - ২০০৬

দেওধাই বৰুৱা, চাও পঞ্চন - ত্যাও নুও কও ত্যাও কা ঐ (সদৌ অসম মোমাই দেওধাই বংশৰ বংশাৱলী পুস্তকনামা), শিৱসাগৰ, ২০০৩

নেওগ, জগত চন্দ্ৰ - ইতিহাসে সোঁৱৰা ১৫৯ টা বছৰ - পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ বৰবৰুৱা শাখা - ১৯৮৯

নেওগ, সুৰেন্দ্ৰ নাথ - নাহৰ কোঁৱৰ, ডিব্ৰুগড় জিলা সাহিত্য সভা - ১৯৯৪

পানী ফুকন, অখিল - জয় থাম ডাং - ২০০৩

পূৰ্বাঞ্চল তাই সাহিত্য সভা - চাওলুং চুকাফা, ২০০৬

পূৰ্বাঞ্চল তাই সাহিত্য সভা - তাই পাঠ

ফুকন, বিশ্ব চাংকুন - জন্ম জাতক, পূৰ্বাঞ্চল তাই সাহিত্য সভা, শিৱসাগৰ, ২০০৪

ফুকন, চাও মনোৰঞ্জন - চাওলুং চুকাফা, শংকৰদেৱ আৰু অসমৰ জনজীৱন - ২০০৫

ফুকন, বাণী দেওধাই - পাক পেঁ কা কা, নোমল গগৈ আৰু পুষ্প গগৈৰ দ্বাৰা সম্পাদিত, ধেমাজি, ১৯৯১

ফুকন, ড° শৰৎ কুমাৰ - লান্‌মাহু চেতিয়া বৰফুকন বংশাৱলী ইতিহাস আৰু ঐতিহ্য - ২০০১

ফুকন, নাং পাৰুল - থম্ তাই চুন্‌লাই - পূৰ্বাঞ্চল তাই সাহিত্য সভা - ২০০৬

ফুকন, চৌ আই জেপ - তাই সংস্কৃতিৰ ঝিলিঙনি - ১৯৯৪

ফুকন, জোনাৰাম - তী কী হুং, পাটসাকো, শিৱসাগৰ - ২০০২

ফুকন, ড° যোগেন্দ্ৰ নাথ - মে-ডাম-মে-ফী - 'অসম তাই বুৰঞ্জী আৰু সংস্কৃতি সংঘ - ১৯৮৬

ফুকন, চাও মহেন্দ্ৰ মোহন - হানে, ২০০৪

বড়া, মহেশ্বৰ - বৃহৎ তাইজাতি, যোৰহাট, ১৯৮৫

বড়া, মহেশ্বৰ - আহোম সভাৰ বুৰঞ্জী - পূৰ্বাঞ্চল তাই সাহিত্য সভা - ১৯৯৪

বৰুৱা, চাও নীল চাংবুন - সদৌ গৰীয়া দেওধাই বংশৰ বংশাৱলী, শিৱসাগৰ, ২০০২

বৰুৱা, চাওঁ ইন্দ্ৰ মহন - মহাবীৰ লাচিত বৰফুকনৰ জীৱন বুৰঞ্জী আৰু বংশাৱলী - ১৯৮৭

বৰুৱা, চিদানন্দ - অসম বুৰঞ্জীৰ অপ্ৰকাশিত তথ্য-সম্ভাৰ - ২০০১

বৰুৱা, জ্ঞানানন্দ মহন - ৰাজঘৰীয়া মহন ফৈদৰ পুৰুষনামা, শিৱসাগৰ, ১৯৯৭

বৰুৱা, চাও গিৰীন মহন্ত - (অনুবাদক) - আই-ছিঙ-লাও, ২০০৫

বৰুৱা, মহন - চৰাইমৰীয়া মহন নাৰেৰ বংশধৰ আৰু বানতু; মহন বৰুৱা পৰিয়াল, শিৱসাগৰ, ১৯৯৩

বৰুৱা, ঘনকান্ত - আহোম প্ৰাইমাৰ (ব্যাকৰণৰ সৈতে) - অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ - ১৯৮৭

বৰুৱা, গুণাভিৰাম - আসাম বুৰঞ্জী - অসম প্ৰকাশন পৰিষদ -১৯৭২

বৰুৱা, চাও নবীন - হ্যুগলী দেওধাই ফৈদৰ পুৰুষনামা, শিৱসাগৰ, ১৯৯৯

বৰুৱা, ভীমকান্ত (সম্পা:) - আহোম সকলৰ পৰম্পৰাগত উৎসৱ অনুষ্ঠান, ষ্টুডেন্টচ্ এম্পৰিয়াম, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ১৯৯৯।

বৰুৱা, ড° ভীমকান্ত (সম্পাদনা) - চাং ৰং ফুকনৰ বুৰঞ্জী, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ১৯৯২

বৰবৰুৱা, হিতেশ্বৰ - আহোমৰ দিন - অসম প্ৰকাশন পৰিষদ - ১৯৮১

বৰবৰুৱা, হিতেশ্বৰ - ভাষণাৱলী, অসম সাহিত্য সভা, যোৰহাট

বৰগোহাঁই, মলুঙ শ্যাবা নবীন - ক্ৰা-লুঙ বিধি, গুৱাহাটী তাই সমাজ - ১৯৯৭

বৰগোহাঁই, চাও নবীন - তাই ভাষাৰ প্ৰথম নেওঁতা - ১৯৮৮

বৰপাত্ৰগোহাঁই গোহাঁই, চন্দ্ৰ - কনচেং বৰপাত্ৰ গোহাঁই - ২০০০

বুঢ়াগোহাঁই, দিলীপ কুমাৰ - চাও্ ক'ঙ বুৰঞ্জী - ১৯৯৩

বুঢ়াগোহাঞি, দিলীপ কুমাৰ - আহোম যুগৰ ৰাজধানী - ২০০৭

বুঢ়াগোহাঁই, নগেন্দ্ৰ নাথ - তাইসকলৰ চকলাং বিধি-প্ৰথম খণ্ড - ১৯৮৯

বুঢ়াগোহাঁই, পূৰ্ণকান্ত - অহমৰ আদি বুৰঞ্জী - যোৰহাট - ১৯৪৬

বুঢ়াগোহাঞি, চাও যজ্ঞেশ্বৰ - প্যুংখম্ তাই - পূৰ্বাঞ্চল তাই সাহিত্য সভা - ১৯৯৪

বুঢ়াগোহাঞি, চাও যজ্ঞেশ্বৰ - পুংখম্ তাই-পূৰ্বাঞ্চল তাই সাহিত্য সভা - ২০০৬

ভট্টাচাৰ্য - পদ্মনাথ - কামৰূপ শাসনাৱলী, ৰংপুৰ সাহিত্য প্ৰকাশ, ১৩৩৮ শক

ভট্টাচাৰ্য - সতীশ চন্দ্ৰ - তোমোৰাওবিৰ ইতিবৃত্ত - বাণী প্ৰকাশ - ১৯৮১

ভট্টাচাৰ্য - শিৱীষ কুমাৰ - শিৱসাগৰ নগৰ আৰু পৌৰসভাৰ জিলিঙনি - প্ৰথম খণ্ড (প্ৰাক্ স্বাধীন কাল), জৈমিনী প্ৰকাশন, শিৱসাগৰ - ১৯৯৩

ভূঞা, ড° সূৰ্যকুমাৰ - স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ - অসম প্ৰকাশন পৰিষদ -১৯৭৫

ভূঞা, ড° সূৰ্যকুমাৰ - লাচিত বৰফুকন - অসম প্ৰকাশন পৰিষদ -১৯৭১

ভূঞা, সূৰ্যকুমাৰ - কোঁৱৰ বিদ্ৰোহ - লয়াৰ্ছ বুক ষ্টল -১৯৯৪

মহন, চাও মেদিনী মাধৱ - আহোম সাহিত্য আৰু দৰ্শন - ২০০৬

মহন, প্ৰাঞ্জলজ্যোতি, মহন দেৱকান্ত - ত্যাও ম্যু চাও বংশৰ পুৰুষনামা বুৰঞ্জী, শিৱসাগৰ,২০০১

ৰাজকুমাৰ, সৰ্বানন্দ - ইতিহাসে সোঁৱৰা ছশটা বছৰ (আহোম যুগৰ অসম বুৰঞ্জী - ১২২৮-১৮২৬)- ১৯৮০

লিত লাই পেঁঞা কা কা - (অসমীয়া অনুবাদ) প্ৰকাশক : বান্ অক্ পাব্লিক ফ্লিং তাই, ১৯৮৩

লিত লাই পেঁঞা কা কা - মূল অনুবাদ : মহং চাও বাপী দেওধাই বৰুৱা, সংবৰ্ধিত সম্পাদনা : ড° পুষ্প গগৈ, ২০০২

শইকীয়া, নগেন (সম্পাদনা) - বুৰঞ্জী বিবেক ৰত্ন মণিৰাম দেৱান, ২০০২

সন্দিকৈ, চাও ভুবন চন্দ্ৰ - চাং ৰুং ফুকনৰ বুৰঞ্জী - পূৰ্বাঞ্চল তাই সাহিত্য সভা - ১৯৯৪

হাজৰিকা, চাও নগেন - মৰুৱা জাল বুৰঞ্জী - ১৯৯৬

হাজৰিকা, চাও নগেন - কাৰ্ণিমা আৰু কাঠিতোলা বুৰঞ্জী - ১৯৯৮

হাজৰিকা, চাও নগেন - অজগৰ বুৰঞ্জী - ১৯৯৬

হাজৰিকা, চাও নগেন - আহোমৰ সংস্কৃতি বুৰঞ্জী - ১৯৯৬

হাজৰিকা, নগেন - ঐ থাম পে কা কা, গুৱাহাটী, ১৯৯১

হাতীবৰুৱা, মাহ্নিতো - তাই শিক্ষা পুথি - ২০০১

ফিৰেৰেন্ত চাম্বাণ, আইজেনেষ্ট হাইসৌং - চন আৰ্মী - ২০০১

## আলোচনী, স্মৃতিগ্ৰন্থ ইত্যাদি

অসমা - সম্পাদক : মনোজ কুমাৰ দেৱ - অসম দিৱস (চুকাফা দিৱস) উপলক্ষে অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ দ্বাৰা প্ৰকাশিত - ১৯৯৮

খামচেং - সম্পাদনা : চাও উপেন্দ্ৰ ফুকন - পূৰ্বাঞ্চল তাই সাহিত্য সভা - ২০০৩

খামছেং - ২ য় সংখ্যা সম্পাদক : চাও কেশৱ মহন্ত বৰুৱা - পূৰ্বাঞ্চল তাই সাহিত্য সভা -২০০৫

খামছেং - সম্পাদক : চাও কেশৱ মহন্ত বৰুৱা - ৰূপালী জয়ন্তী বৰ্ষ - পূৰ্বাঞ্চল তাই সাহিত্য সভা প্ৰথম সংখ্যা - ২০০৬

খামছেং - সম্পাদক : চাও মোহিনী মাধব মহন - পূৰ্বাঞ্চল তাই সাহিত্য সভা -২০০৮

খে-নাম-টি-মা - ধনশিৰি : সম্পাদক : চাও ধৰ্মেশ্বৰ দুৱৰা - পূৰ্বাঞ্চল তাই সাহিত্য সভা - ২০০৪

খে-নাম-দিয়ুন- (স্মৃতিগ্ৰন্থ) সম্পাদক : ড° দেব বৰা : পূৰ্বাঞ্চল তাই সাহিত্য সভা, মাৰ্ঘেৰিটা - ২০০৫

খাম্‌ৰাপ (স্মৃতিগ্ৰন্থ) - সম্পাদক : ড° দয়ানন্দ বৰগোহাঁঞি - সদৌ অসম বৰগোহাঞি বংশাৱলী উদ্‌যাপন - ২০০৪

চৰাইদেউ - সম্পাদক : গুনীন্দ্ৰ নাথ ভূঞা - প্ৰত্নতত্ত্ব সঞ্চালকালয়, অসম - ১৯৮৮

চৰাইদেউ (স্মৃতিগ্ৰন্থ) - সম্পাদক : মনোৰঞ্জন ফুকন - ৭৭০ বছৰীয়া চাওলুং ছ্যুকাফা বৰ্ষৰ সামৰণি উৎসৱ - ১৯৯৯

চাউদাং জাতীয় পৰিষদ অসম, চতুৰ্থ বাৰ্ষিক অধিৱেশন-(স্মৃতিগ্ৰন্থ) - ২০০২

ছাম - ম-ম্যুঙ - সম্পাদক : চাও অতুল ফুকন - মহন দেওধাই বাইলুং সন্মিলনৰ একচত্বাৰিংশতম পাৰিজাত অধিৱেশন - ২০০৩

ছ্যুকাফা শৰাই - প্ৰথম সংখ্যা - সম্পাদক : খগেন বৰুৱা - ছ্যুকাফা সৌৰৱণী সমাজ - ২০০৪

জেৰেঙাৰ জ্যোতি (স্মৃতিগ্ৰন্থ) - সম্পাদনা : নিকুমণি হুসেইন, বৃহত্তৰ গুৱাহাটী সতী জয়মতী তিথি উদ্‌যাপন সমিতি - ২০০৭

ডয়-কাও-ৰঙ, ম্যুঙ-ডুন-চুন-খাম - সম্পাদনা : চাও প্ৰণৱ গগৈ, চাও জগত চাংমাই - ১৯৯৬

তাই সংস্কৃতি - সম্পাদনা : চাও পুষ্প গগৈ, চাও খগেন গগৈ, সম্পাদনা সহযোগী - চাও মনোৰঞ্জন ফুকন- পূৰ্বাঞ্চল তাই সাহিত্য সভা - ১৯৯৪

তী ফী ছাং - সম্পাদক : চাও জোনাৰাম ফুকন, আঞ্চলিক মে-ডাম-মে-ফি - হাতীবৰুৱা দেওশাল (আথৈয়া) - ২০০২

নাম জিন্ - সম্পাদক : চাও জ্যোতিপ্ৰসাদ চেতিয়া, পূৰ্বাঞ্চল তাই সাহিত্য সভা, অষ্টাদশ বাৰ্ষিক অধিৱেশন - ২০০১

নাম ডাও-ফি (স্মৃতিগ্ৰন্থ) সম্পাদক : চাও দুৰ্গেশ্বৰ বুঢ়াগোহাঁই, চাও যামিনী ফুকন - আহোম সভাৰ অভিবৰ্তন - ১৯৯৫

নাম চে-পু - সম্পাদিকা : সন্ধীতা বুঢ়াগোহাঁই, মে-ডাম-মে-ফি, ডিব্ৰুগড় - ১৯৯৬

পাটসাঁকোৰ ইতিবৃত্ত - সম্পাদক : চাও হীৰেন ফুকন, পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ ৰূপালী জয়ন্তী

অধিৱেশন, পাটসাকো - ২০০৬

পু-লান্-চি - ৩ য় সংখ্যা : সম্পাদক : ভীমকান্ত বৰুৱা, টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠান, মৰানহাট-২০০৩

পু-লান্-চি - সম্পাদক : ড° ভীমকান্ত বৰুৱা - টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠান, মৰাণহাট - ২০0১

পু-লান-চি - প্ৰথম বছৰ ১ ম সংখ্যা, সম্পাদক : চৌ আইহ্নোণ বুৰুন - ২০০৩

পু-লান-চি - মুখ্য সম্পাদক : চৌ আইহ্নোণ বুৰুন - ২০০৪

পুলিন পুথাও - সম্পাদক : অজিত চন্দ্ৰ বুৰুন - তাই সংস্কৃতি চৰ্চা কেন্দ্ৰ, তিনিচুকীয়া - ২০০৮

ফুৰালুং - বৃহত্তৰ গুৱাহাটী ফুৰালুং সংঘৰ বাৰ্ষিক অধিৱেশন - ২০০৫

বৃহত্তৰ গুৱাহাটী বীৰ লাচিত দিৱস উদ্‌যাপন কমিটি (স্মৃতিগ্ৰন্থ) সম্পাদক : ড° যোগেন্দ্ৰ নাথ ফুকন- ১৯৯২

মাই-তাই - সম্পাদক : দেৱ দুৱৰা, মুক্তি গগৈ - পূৰ্বাঞ্চল তাই সাংস্কৃতিক সমাবেশ, মৰানহাট - ২০০৩

ম্যুংখাম - সম্পাদিকা : সঙ্গীতা গগৈ, বৃহত্তৰ গুৱাহাটী চুকাফা নগৰ মে-ডাম-মে-ফি উদ্‌যাপন সমিতি - ২০০৮

ম্যুং খাম - সম্পাদনা : অমৰ গগৈ, বৃহত্তৰ গুৱাহাটী চুকাফা নগৰ মে-ডাম-মে-ফি উদ্‌যাপন সমিতি - ২০০৭

ম্যুং খাম - সম্পাদনা : ৰাজীৱ পানীফুকন, বৃহত্তৰ গুৱাহাটী চুকাফা নগৰ মে-ডাম-মে-ফি উদ্‌যাপন সমিতি-

ম্যুং খাম - সম্পাদক : ৰাজীৱ পানীফুকন, বৃহত্তৰ গুৱাহাটী চুকাফা নগৰ মে-ডাম-মে-ফি উদ্‌যাপন সমিতি - ১৯৯৯

মুং-দুন্-চুন্-খাম - সম্পাদক : জগত চেতিয়া, তাই আহোম সংস্কৃতি বিকাশ কেন্দ্ৰ, শিৱসাগৰ - ২০০৪

মুং-দুন্-চুন্-খাম - সম্পাদক : জিনি বুৰুন - বৃহত্তৰ গুৱাহাটী ন-পুৰণি সতীৰ্থ সন্মিলন - ২০০৭-২০০৮

মে-ডাম-মে-ফি বিধি - সংগ্ৰাহক আৰু অনুবাদক : চাও বিধ হান্দুলু বুৰুন সম্পাদক, মটোঁ আসম মহন-দেওধাই বাইলুং সন্মিলন পৰিষদ।

মে-দাম মে-ফি বিধি - পূৰ্বাঞ্চল তাই সাহিত্য সভা, যোৰহাট -

মে-দাম-মে ফি - গুৱাহাটী তাই সমাজ - ১৯৮৯

ৰাংপুৰ - সম্পাদক : ৰাজীৱ পানীফুকন - ১৯৯৯

কা-ফুক - সম্পাদক ঃ বুদ্ধ ফুকন, সদৌ কোটোহা আহোম সাতখেলীয়া সবাহ - ২০০৫

সদৌ অসম আহোম সভা ৫৪ তম্ অধিবেশন ডিব্ৰুগড় - অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ ঘনকান্ত গগৈ - ১৯৪৮

লিতলাই পেঁএ্ৰ কা কা (অসমীয়া অনুবাদ) - প্ৰকাশক ঃ বান্ অক্ পাপ্লিক্ ম্নিং তাই - ১৯৮৩

লিতলাই পেঁএ্ৰ কা কা - মূল অনুবাদ ঃ মলুং চাও বাপী দেউধাই বৰুৱা সংবৰ্দ্ধিত ৰূপদান ঃ ড° পুষ্প গগৈ - ২০০২

সাতসৰী অসম বুৰঞ্জী - সম্পাদক ঃ সূৰ্যকুমাৰ ভূঞা - ১৯৭৪

সদৌ অসম আহোম সভা ৫৪ তম্ অধিবেশন ডিব্ৰুগড়- অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ - ঘনকান্ত গগৈ - ১৯৪৮


*******



ন-পুরুষ চিকেন-ডাম (১ জন পুরোহিতের সৈ পুজা)




ন-পুরুষ চিকেন-ডাম অনুষ্ঠানে পুরোহিতের সেবা সৎকার



[illegible]



বেজুং-কে-খান



নবাহুই গোঁহাইর কন্যাক ভুকাবাই বিয়া করার
উত্তর খণ্ড মুখ্য পুথি



বাহি জোবা ডোবা পুথিত অঁকা চিত্র

# শুধবণি

| ক্ৰমিক নং | পৃষ্ঠা | শাৰী | লিখা আছে | হ'ব লাগে |
|---|---|---|---|---|
| ১ | ১৫৮ | ৫ | দেশীয় সুৰা | দেশীয় লুক লাও (সোমৰস) |
| ২ | ১৫৮ | ৫ | কোমল চাউল | দুয়োটা শব্দ কাটি দিব |
| ৩ | ১৫৮ | ৬ | জুলীয়া মিঠৈ | মিঠৈ |
| ৪ | ১৫৮ | ৬ | থুৰীয়া তামোল | কুপ কৰা তামোল |
| ৫ | ১৫৮ | ৮ | কুকুৰা কাটি | প কৰা কুকুৰা অলাগতীয়াল অংশ পেলাই তাৰ বুকু আৰু পেট ফালি। |
| ৬ | ১৫৮ | ১১ | বলি দান কৰা হয় | প কৰা বা উৰ্চগা |
| ৭ | ১৫৮ | ১২ | উতলোৱা তেজ | অশুদ্ধ দুইটা শব্দ কাটি দিব লাগে। |
| ৮ | ১৫৮ | ১৪ | হৃফি | হ্-ফী |
| ৯ | ১৫৮ | ২০ | চিবা জুলীয়া গুড় | অশুদ্ধ তিনিওটা শব্দ কাটি দিব লাগে। |
| ১০ | ১৫৮ | ২২ | কৰা সুৰা | কৰা লুক লাও |
| ১১ | ১৫৯ | ১৮ | ৰাও চেং বঙ ফুৰা | কৰা লুক লাও |
| ১২ | ১৫৯ | ২২ | ষ্ঠি বেং | ষ্ঠী বিঙ খাম |
| ১৩ | ১৫৯ | ২৩ | খুন য়েউ নাঙ | খুন তেউ নাউ |
| ১৪ | ১৬০ | ৩ | নোম মাঙ ফুৰা | নেমী মাঙ্ ফুৰা |
| ১৫ | ১৬১ | ৪ | য়া পুলক | এৰা পুলক |
| ১৬ | ১৬১ | ৫ | বলি দান কৰে | প-কৰে |
| ১৭ | ১৬১ | ৫ | সামূহিক মৃতক দেৱতা | ঘাই ডামৰ পিতৃ মাতৃ এক হৈ থকা দেৱতা। |
| ১৮ | ১৬২ | ২ | নাংখো | নাং খাই |
| ১৯ | ১৬২ | ১১ | বলি দান | প-কৰা আৰু লেট কৰা |
| ২০ | ১৬২ | ১১ | বগা দমৰা | বগী চেউৰী |
| ২১ | ১৬২ | ১২ | বলি দিয়া হয় | প কৰা হয়। |
| ২২ | ১৬৩ | ১৮ | ডান চাই হুঙ | এই আসনৰ ভাগ ও নম্বৰ হ'ব লাগে |
| ২৩ | ১৬৩ | ৬ | নাং হুন ফা | নাং হুং ফা |

| ক্রমিক নং | পৃষ্ঠা | শাৰী | লিখা আছে | হ'ব লাগে |
|---|---|---|---|---|
| ২৪ | ১৬৬ | ৯ | মাইকী কুকুৰা বলি দি | মাইকী কুকুৰা প কৰি। নাইবা মাইকী কুকুৰ মধুৰি তাঙোনেৰে মাৰি। |
| ২৫ | ১৬৭ | ২০ | চিংকৰা ফুলেৰে | (লক্ষীমি) লক্ষিমী ফুলেৰে |
| ২৬ | ১৬৭ | ১৮ | দেশীয় সুৰা | দেশীয় সোমৰস |
| ২৭ | ১৬৭ | ২১ | দেশীয় সুৰা | দেশীয় সোমৰস |
| ২৮ | ১৬৮ | ৫ | ছিংকৰা ফুল তিওৰা পানী | ছিং কৰা ফুলেৰ জৰা পানী |
| ২৯ | ১৬৮ | ১০ | ন্যোন | এেঙট |
| ৩০ | ১৬৮ | ১০ | টা খুন বা থ্যাং গ্ৰ | তাঙ ম্যুঙখ্ৰু। বাম্যুঙ এেঙউ |
| ৩১ | ১৬৮ | ১০ | বা ম্যুং ন্যোন | বা ম্যুঙ এেঙউ |
| ৩২ | ১৬৯ | ৭ | দেশীয় সুৰা | দেশীৰ সোম ৰস |
| ৩৩ | ১৬৯ | ১০ | দেশীয় সুৰা | দেশীৰ সোম ৰস |
| ৩৪ | ১৬৯ | ২৬ | কিনং টাং | (কিন টাং) কিনটাং |
| ৩৫ | ১৭৯ | ৭ | দেশীয় সুৰা | দেশীয় সোমৰস। |
| ৩৬ | ১৭০ | ৩ | চাও নুক চাও কাওঐ | চাঙ নায় চাও ন্যুক চাও কাউ ঐ |
| ৩৭ | ১৭০ | ১১ | চিৰেণ ডাম | তী ব্যেন ডাম |
| ৩৮ | ১৭০ | ১১ | ডাম নাক চা খোক তাই পিন ডাম | ডাম নক খক চক তাই পিন ডাম |
| ৩৯ | ১৭০ | ১৫ | ইয়াৰ পিছত মলুংঙে ৰন্ধা বচা বচা কেই ডোখৰ মান নিজে ভোজন কৰে | মৃতকক দিয়া অবশিষ্ট অন্না পুৰোহিত আৰু সমাজ ও গৃহস্থই ভোজন কৰে। |
| ৪০ | ২৯৮ | ৯ | বা মৃন্ | বা খিন্ |
| ৪১ | ২৯৮ | ১০ | বাথৃন | বা খিন্ |

Dr. Birendra Kumar Gohain, an officer of the Indian Administrative Service is the author of the books like "The Hill Karbis", "Tai Ramayana", "Shri Shri Aniruddhadeva", "The Hill Lalungs", "Continuity and Change in the Hills of Assam", "Amar Devata Shiva", "Moran Janagosthi" "Origin of Tai and Chaolung Hsukapha", "Mahasati Joymati", 'Tai Sakalar Sristitatwa Aru Anyanya Prasanga', "Tomar Man Suoni Nai", In addition, he penned the scripts for the documentaries "Moran Sanskritir Ruprekha", "Chaolung Siu-Ka-Pha" and his musical narrations "Bhogali" and "Bohalgi" were broadcast in the All India Radio, Dibrugarh. He also compiled the Karbi Ramayan and translated it in English in verse.